

অসম সাহিত্য সভাৰ

# ইতিহাস

১৯১৭-৫০

প্ৰথম খণ্ড



ডক্টৰ বসন্ত কুমাৰ গোস্বামী

# অসম সাহিত্য সভাৰ ইতিহাস

১৯১৭-১৯৫০

(প্ৰথম খণ্ড)

লেখক

ডক্টৰ বসন্ত কুমাৰ গোস্বামী




অসম সাহিত্য সভা

চন্দ্ৰকান্ত সন্দিকৈ ভৱন

যোৰহাট - ৭৮৫০০১

*Asam Sahitya Sabhar Itihas :* A history of Asam Sahitya Sabha (1917-1950) written by Dr. Basanta Kumar Goswami, and published by Dr. Paramananda Rajbongshi, General Secretary Asam Sahitya Sabha, Chandrakanta Handique Bhawan, Jorhat - 785001, Assam. Price : Rs. 800.00 Only.

**First Edition :** March, 2018


| | | |
|---|---|---|
| প্ৰকাশক | ঃ | অসম সাহিত্য সভা |
| © | ঃ | অসম সাহিত্য সভা |
| প্ৰথম সংস্কৰণ | ঃ | এপ্ৰিল, ২০১৮ |
| বেটুপাত | ঃ | মনজিৎ ৰাজখোৱা |
| অক্ষৰ বিন্যাস | ঃ | দিগন্ত কুমাৰ মহন্ত |
| অংগসজ্জা | ঃ | এম বি ডিজাইন এণ্ড প্ৰিণ্ট, চান্দমাৰি, গুৱাহাটী<br>ভ্ৰাম্যভাষ ঃ ৮০১১৪৪৫৩০১ |
| আৰ্হিপাঠ | ঃ | ডক্টৰ বসন্ত কুমাৰ গোস্বামী |
| মুদ্ৰক | ঃ | শিৰম প্ৰিন্টাৰ্চ্, হাতীশিলা, পানীখাইটি,<br>গুৱাহাটী- ৫০ |
| মূল্য | ঃ | ৮০০.০০ টকা মাত্ৰ |



# উছৰ্গা

এটা শতাব্দীৰ ব্যৱধানৰ সিপাৰৰ অসমীয়া
ভাষা-সাহিত্য-সংস্কৃতিৰ প্ৰতি অচলা ভক্তিৰ স্মৰণীয় আৰু বৰণীয় সজাগৰ
পুৰুষসকলে দুৰ্দিন-দুৰ্দৈৱৰ নিগ্ৰহ আৰু ললাট লিপি টিলিকিটে উৰুৱাই
নিৰ্মাণ কৰা হাতীপতিৰ জিকমিকনিত জন্ম দিলে 'অসম সাহিত্য সভা'-ক।
সেইসকলৰ বীণাখনৰ গুণকিডাল ছিগিল যদিও গুণগুণনি চিত্ত বিনোদী
ৰূপত সদায় চিৰন্তন। পৰাধীনতাৰ সেইসকল পংকজ-ৰত্নৰ পৱিত্ৰ সোঁৱৰণত
'অসম সাহিত্য সভাৰ ইতিহাস' শতবৰ্ষৰ সন্ধিক্ষণত উছৰ্গিত হ'ল।

অসম সাহিত্য সভাৰ ইতিহাস

প্ৰথম খণ্ড

শতবৰ্ষ উদ্বোধনী অনুষ্ঠান উদ্‌যাপন সমিতি, যোৰহাটৰ দ্বাৰা প্ৰকাশিত




নুমলীগড় শোধনাগাৰ লিমিটেডৰ
আৰ্থিক সাহায্যৰে মুদ্ৰিত

'অসম সাহিত্য সভাৰ ইতিহাস' প্ৰণয়ন পৰামৰ্শদাতা সমিতিৰ সদস্যসকল ঃ

১। *ড° ধ্ৰুৱজ্যোতি বৰা*
*সভাপতি*
*অসম সাহিত্য সভা*

২। *ড° বসন্ত কুমাৰ গোস্বামী*
*প্ৰণেতা*
*প্ৰাক্তন প্ৰধান সম্পাদক*
*অসম সাহিত্য সভা*

৩। *ড° পৰমানন্দ ৰাজবংশী*
*প্ৰধান সম্পাদক*
*অসম সাহিত্য সভা*

৪। *সমীৰণ বৰদলৈ*
*সহকাৰী সম্পাদক*
*অসম সাহিত্য সভা, কেন্দ্ৰীয় কাৰ্যালয়*
*সম্পাদক*
*শতবৰ্ষ উদ্বোধনী অনুষ্ঠান উদ্‌যাপন সমিতি, যোৰহাট*

# অসম সাহিত্য সভাৰ সভাপতিৰ একাষাৰ

## অসম সাহিত্য সভাৰ ঐতিহাসিক প্ৰেক্ষাপট আৰু শতবৰ্ষীয় ইতিহাস প্ৰণয়নৰ প্ৰকল্প

অসম সাহিত্য সভাৰ ইতিহাস অসমৰ জাতীয় জীৱনৰ ইতিহাসৰ লগত অতি নিবিড়ভাৱে জড়িত। অসম তথা ভাৰতত এনে অনুষ্ঠান খুউব কম হ'ব যাৰ জন্ম, বিকাশ আৰু উত্তৰণৰ লগত জাতি এটাৰ ইতিহাস এনেদৰে জড়িত হৈ আছে। আধুনিক অসমীয়া জাতি আৰু জাতীয়তাবাদৰ বিকাশৰ লগত অসম সাহিত্য সভা ইমান নিবিড়ভাৱে জড়িত যে এনেদৰে ক'লেও হয়তো ভুল কোৱা নহ'ব যে অসম সাহিত্য সভাৰ আদৰ্শ, গঠন, কাম-কাজ আৰু স্থিতিয়ে অসমীয়া জাতীয়তাবাদ আৰু জাতি গঠনক গতি, শক্তি আৰু পৰিচয় প্ৰদান কৰিছে। অসমৰ জাতীয়তাবাদী চিন্তা-চেতনা আৰু আদৰ্শক তাৰ নিজা গঢ় আৰু প্ৰাণ দিছে।

অসমীয়া জাতীয়তাবাদ ভাৰত আৰু বিশ্বৰ আন বহুতো জাতীয়তাবাদী ভাবাদৰ্শৰ দৰে মূলতেই ভাষাভিত্তিক জাতীয়তাবাদ। জাতি, ধৰ্ম, বৰ্ণ, সম্প্ৰদায় এইবোৰ ইয়াৰ ক্ষেত্ৰত গৌণ দিশ, ইয়াৰ মূল দিশ হ'ল অসমীয়া ভাষাক কেন্দ্ৰীয় বিষয় হিচাপে গ্ৰহণ কৰাতো আৰু ভাষাৰ জৰিয়তেই জাতিটো সংগঠিত আৰু পৰিচিত হোৱাটো।

অসমীয়া ভাষা-সাহিত্যৰ প্ৰথম, প্ৰধান আৰু দিক্‌দৰ্শক সাহিত্য সংগঠন হিচাপে আধুনিক যুগত অসম সাহিত্য সভাৰো প্ৰতিষ্ঠানপূৰ্বক ঐতিহাসিক প্ৰাৰম্ভণ অসমীয়া ভাষা প্ৰতিষ্ঠাৰ সংগ্ৰামৰ সময়ৰ পৰাই হয় বুলি ক'ব পাৰি। ১৮২৬ চনত অসম বৃটিছ উপনিবেশিক প্ৰশাসনৰ অধীনলৈ যোৱাৰ দহ বছৰৰ পাছতেই ১৮৩৬ চনত অসমৰ প্ৰশাসন, শিক্ষা আৰু বিচাৰ ব্যৱস্থাৰ পৰা অসমীয়া ভাষাৰ ঠাইত বাংলা ভাষা প্ৰৱৰ্তনৰ ব্যৱস্থা লোৱা হয়। তেতিয়াৰ পৰাই অসমত ভাষিক চেতনাবোধৰ জন্ম আৰু এই চেতনাবোধৰ টৌত চৌদিশে ভাষাভিত্তিক জাতীয়তাবাদী চিন্তাৰো সূত্ৰপাত হোৱা বুলি ক'লে ভুল কৰা নহ'ব। অসমৰ তেতিয়াৰ বিদ্বান আৰু সুধীসমাজৰ ঐকান্তিক চেষ্টা, বিভিন্ন জনৰ সহায়ত সুদীৰ্ঘ ৩৬ বছৰৰ পাছত অসমীয়া ভাষাই উপনিৱেশিক প্ৰশাসনৰ অধীনতেই প্ৰশাসন, শিক্ষা আৰু বিচাৰ ব্যৱস্থাত নতুন মৰ্যাদাৰে প্ৰতিষ্ঠিত হ'ল।

অসমীয়া ভাষা, ভাষিক চেতনা আৰু ভাষিক জাতীয়তাবাদী চিন্তাৰ উন্মেষৰ ক্ষেত্ৰত এই ৩৬টা বছৰ নিৰ্বাসনৰ কালছোৱা আৰু ১৯১৭ চনলৈ এই ৪৫টা বছৰত অতি গুৰুত্বপূৰ্ণ সংজ্ঞাদায়ক কাল— Defining times বুলি আজি ঐতিহাসিক পশ্চাৎ দৃষ্টিত আমি সুন্দৰকৈ ধৰিব পাৰো। এই সময়ছোৱাত আমাৰ ভাষা-সাহিত্য আৰু জাতীয় জীৱনৰ কাণ্ডাৰীসকলে আধুনিক অসমীয়া ভাষা

আৰু সাহিত্যৰ লাইখুঁটা প্ৰকৃততে প্ৰতিষ্ঠা কৰিলে। অসমীয়া ভাষা আৰু সাহিত্যৰ ইতিহাস ইয়াৰ প্ৰাচীন আৰু মধ্যযুগীয় পৰম্পৰাৰে সম্প্ৰসাৰিত কৰি সেই সমগ্ৰ সম্ভাৰক অসমীয়া ভাষা-সাহিত্যৰ ঐতিহ্য আৰু চিৰায়ত প্ৰৱাহমান পৰম্পৰা বুলি প্ৰতিষ্ঠা কৰিলে। অসমীয়া ভাষাত নানা তৰহৰ, নানা বিষয়ৰ পাঠ্যপুথিৰ প্ৰণয়ন কৰি এই ভাষাত প্ৰথমিক পৰ্যায়ৰ পৰা শিক্ষা প্ৰদানৰ ব্যৱস্থা গঢ়ি তোলা হ'ল আৰু ভাষাটো সাৰ্বজনীন প্ৰাথমিক শিক্ষাৰ বাহন কৰি ইয়াক ভৱিষ্যতলৈ প্ৰৱাহিত কৰিব পৰা উপায় কৰিলে। গৃহযুদ্ধ, বিদেশী আক্ৰমণ, উপনিৱেশিক শাসন-শোষণৰ সেই কালত অসমীয়া ভাষী মানুহৰ সংখ্যা ভয়াবহভাৱে কমি যোৱা স্বত্বেও, আমাৰ শ্ৰদ্ধেয় পূৰ্বজসকলে এই কাম কৰি উলিয়াব পৰাটো স্বাভাৱিকতেই এক বিৰল ঐতিহাসিক সাফল্য।

ভাষা এটাৰ প্ৰাণসত্তা তাৰ সাহিত্য, এ সাহিত্য নিৰ্মাণৰ আধুনিক কাম-কাজো সেই সময়ৰ পৰাই আৰম্ভ হয়। কাব্য, গদ্য, নাট্য, ইতিহাস, জীৱনী সকলো দিশৰ পৰা ঐতিহ্যৰ ভেটিৰ ওপৰত আৰু লগতে পশ্চিমীয়া ৰোমাণ্টিক আৰু ক্ৰমে গণতান্ত্ৰিক চিন্তা-চেতনাৰ আধাৰত আধুনিক অসমীয়া সাহিত্যৰ নিৰ্মাণৰ প্ৰক্ৰিয়াটো আগবাঢ়ে। ইয়াৰ ভিতৰতে সমগ্ৰ ৰাজ্যখনৰ অসমীয়া ভাষা-ভাষীসকলৰ বাবে এটা সুষম আধুনিক ভাষাৰূপ নিৰ্মাণ, ইয়াৰ নিজৰ বৌদ্ধিক, সাহিত্য, সাংস্কৃতিক মাধ্যমৰূপে গ্ৰহণ, ইয়াক আধাৰ কৰি নিজস্ব পৰিচয়ৰ কাঠামো নিৰ্মাণ, এই সকলো কামৰ আৰম্ভ আৰু অগ্ৰগতি ঘটে।

স্বাভাৱিকতেই এই প্ৰক্ৰিয়াৰ এক অৱধাৰিত ঐতিহাসিক পৰিণতি আছিল ভাষা-সাহিত্যৰ এক সৰ্বোচ্চ সংগঠনৰ জন্ম দিয়াটো— আজিৰ পৰা এশটা বছৰ আগতে অসম সাহিত্য সভাৰ প্ৰতিষ্ঠা হোৱাটো। তাৰ পৰা আজি এশটা বছৰ পাৰ হ'ল। পদ্মনাথ গোহাঞিবৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা আৰু আমাৰ অন্যান্য জাতীয় জীৱনৰ নেতৃত্বকাৰী পুৰুষসকলৰ প্ৰদৰ্শিত পথেৰে আজি অসম সাহিত সভাই এক ঐতিহাসিক পথ পৰিক্ৰমা  অতিক্ৰম কৰি আহিছে। এই সময়ছোৱাত স্বাধীন ভাৰতত অসম প্ৰদেশৰ পৰিচয়মূলক স্থিতি ৰক্ষা কৰাৰ লগতে অসমীয়া ভাষাক ৰাজ্যভাষাৰ স্বীকৃতি দিয়া, মাধ্যম হিচাপে স্বীকৃত কৰা তথা অসমীয়া ভাষাক সাংবিধানিক মৰ্যাদা দিয়া অসম আৰু অসমীয়া জাতীয় জীৱনৰ প্ৰতিটো ঐতিহাসিক ভাবে গুৰুত্বপূৰ্ণ সন্ধিক্ষণত অসম সাহিত্য সভাই এক বলিষ্ঠ ভূমিকা সদায় গ্ৰহণ কৰি আহিছে।

অসম সাহিত্য সভাৰ ইতিহাস মানে আমাৰ সকলোৰে নিজৰ ইতিহাস, অসমৰ জাতীয় ইতিহাসৰ এক অবিভাজ্য আৰু গুৰুত্বপূৰ্ণ অংগ। অসম সাহিত্য সভাৰ শতবৰ্ষৰ কালছোৱাত সভাৰ ইতিহাস প্ৰণয়ন আৰু গুৰুত্বপূৰ্ণ নথি আৰু দলিলৰ প্ৰকাশ আৰু সংৰক্ষণৰ এই প্ৰকল্প গ্ৰহণ কৰিবলৈ সক্ষম হোৱাৰ বাবে সভাৰ শতবৰ্ষীয় সভাপতিৰূপে মই ব্যক্তিগতভাৱে আৰু প্ৰধান সম্পাদক প্ৰমুখ্য কৰি সমগ্ৰ কাৰ্যনিৰ্বাহক, তথা সভাৰ নেতা, কৰ্মী আৰু শুভচিন্তকসকল সামূহিকভাৱে আনন্দিত আৰু ইয়াতেই প্ৰথম খণ্ডটো ৰাইজলৈ উলিয়াই দিবলৈ পাই গৰ্বিত। এই প্ৰকল্প সুন্দৰভাৱে আগবাঢ়ি এক যুগমীয়া ঐতিহাসিক কীৰ্তিস্তম্ভৰূপে পৰিগণিত হওক। এয়ে আমাৰ সকলোৰে আন্তৰিক আশা।

ড° ধ্ৰুৱজ্যোতি বৰা
অসম সাহিত্য সভাৰ শতবৰ্ষীয় সভাপতি

# প্ৰধান সম্পাদকৰ এষাৰ

ইং ১৮৭২ চনতেই আনন্দৰাম ঢেকীয়াল ফুকন, গংগা গোবিন্দ ফুকন, জগন্নাথ বৰুৱা, মাণিক চন্দ্ৰ বৰুৱা আৰু প্ৰসন্ন কুমাৰ ঘোষ প্ৰমুখ্যে এচাম দেশপ্ৰেমিকে অসমত প্ৰৱৰ্তিত বাংলা মাধ্যমৰ ঠাইত অসমীয়া ভাষা প্ৰৱৰ্তনৰ বাবে হাতে-কামে যুঁজ দিয়েই ক্ষান্ত থকা নাছিল—তেখেতসকলে ক'লকাতাত অসমীয়া ছাত্ৰৰ সভা, পৰৱৰ্তী কালত এ.এচ.এল. ক্লাবৰ জন্ম দিছিল। ক'লকাতাত গুণাভিৰাম বৰুৱা—অসমত হেমচন্দ্ৰ বৰুৱাই অসমীয়া ভাষাৰ বাবে যি অহোপুৰুষাৰ্থ কৰিছিল—ইয়াৰ নেপথ্যতো আছিল আনন্দৰাম। তাৰ পাছত অসম এছোছিয়েচন, অসমীয়া ক্লাব, অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ জৰিয়তে এচাম ব্যক্তি বিশেষৰ প্ৰচেষ্টাতেই অসমীয়া ভাষাই নিজৰ মৰ্যাদা লাভ কৰিলে। উল্লিখিত সমগ্ৰ প্ৰক্ৰিয়াটোত ভিন্ন প্ৰকাৰে পদ্মনাথ গোহাঞিবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী প্ৰমুখ্যে এচাম ব্যক্তি বিশেষৰ নিঃস্বাৰ্থ কষ্ট আৰু ত্যাগ আমি স্বীকাৰ কৰিবই লাগিব। ১৯১৭ চনত অসম সাহিত্য সভাই আনুষ্ঠানিকভাৱে জন্মলাভ কৰিলেও সেই ১৮৭২ চনৰ পৰা ক'লকাতাত আৰম্ভ হোৱা অসমীয়া ভাষা নকৈ প্ৰতিষ্ঠাৰ যুঁজখন নিৰৱচ্ছিন্নভাৱে চলি আছিল। ইয়াৰ মাজতে ১৮৪৬ চনত 'অৰুনোদই' বাৰ্তালোচনী প্ৰকাশে যেন অসমীয়া ভাষাটো প্ৰাচীন কামৰূপী ভাষাৰ ৰূপান্তৰিত ভাষা হিচাপে প্ৰতিষ্ঠাত যথেষ্ট ইন্ধন যোগালে। ইয়াৰ আগতে 'আসাম বিলাসিনী', 'মৌ' আদি কাকতৰ অৱদান আমি কেতিয়াও অস্বীকাৰ কৰিব নোৱাৰোঁ। অস্বীকাৰ কৰিব নোৱাৰোঁ ১৮৯৫ চনত প্ৰতিষ্ঠা হোৱা ক'হিমা সাহিত্য সভা, ১৯১২ চনত উত্তৰ লখিমপুৰ সাহিত্য সভা, ১৯১৪ চনত যোৰহাট সাহিত্য সভা গঠনৰ প্ৰসংগ। সমগ্ৰ অসমৰ ঔপনিৱেশিক চহৰবোৰত প্ৰতিষ্ঠা হৈছিল এ.এছ.এল.ক্লাব, আসাম এছোছিয়েচন, অ.ভা.উ.সা.স., অসম ছাত্ৰ সন্মিলন তথা অসমীয়া ক্লাব আদি। উত্তৰ-পূৰ্বাঞ্চলৰ দুৰ্গম জনজাতীয় অথবা পিছপৰা অঞ্চলৰ ৰাইজক অসমীয়া ভাষা জ্ঞান দিবৰ বাবে উল্লিখিত সংগঠন তথা নকৈ প্ৰতিষ্ঠা হোৱা উমৈহতীয়া মঞ্চ অসম সাহিত্য সভাই কি যে কষ্ট আৰু ত্যাগ কৰিছিল সেয়া আজি বহুতে নাজানে। বহুতে নাজানে যে অসম সাহিত্য সভা তথা উল্লিখিত সংগঠনসমূহৰ প্ৰযত্নতেই অসমীয়া ভাষা পুনৰ প্ৰৱৰ্তন হ'ল—শিক্ষাৰ মাধ্যম, ৰাজ্যভাষা হিচাপে প্ৰৱৰ্তনত যে বহু লোকে প্ৰাণাহুতি দিবলগীয়া হৈছিল। গুৱাহাটী বিশ্ববিদ্যালয়, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা শৰাইঘাটৰ দলং নিৰ্মাণ তথা অসমৰ অন্যান্য আৰ্থ-সামাজিক দিশৰ উন্নয়নৰ বাবে অসম সাহিত্য সভাই কেনেধৰণে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ সৈতে যুঁজ দিবলগীয়া হৈছিল—সেয়া  বহুতেই হয়তো নেজানে।

১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ পাছত বিচ্ছিন্ন হৈ পৰা উত্তৰ-পূব ভাৰতৰ ক্ষুদ্ৰ ক্ষুদ্ৰ জনগোষ্ঠীসমূহে বহুতে নিজৰ ভাষা হেৰুৱালে আৰু বহুতে নিজ ভাষা হেৰুৱাৰ পথত। আমি পাহৰিলে নহ'ব যে সংস্কৃতিৰ মূলাধাৰ হৈছে মাতৃভাষা। মাতৃভাষাইহে এটা জাতিৰ সংস্কৃতি গঢ়ি তোলে। ঠিক তেনে এটি সময়তেই ক'লকাতাত পঢ়িবলৈ যোৱা উচ্চ মধ্যবিত্ত পৰিয়ালৰ ছাত্ৰসকলে মিলি কেনেদৰে বাংলা ভাষাৰ ঠাইত— অসমীয়া ভাষাক চৰকাৰী ভাষা হিচাপে প্ৰৱৰ্তনৰ বাবে দেহে-কেহে খাটিছিল— এ.এচ.এল.ক্লাব, আসাম এছোচিয়েছন, অসম ছাত্ৰ সন্মিলন আৰু অ.ভা.উ.সা.স.ৰ জৰিয়তে সেয়া আমি পূৰ্বতে উল্লেখ কৰিছো। উল্লিখিত সংগঠনৰ উমৈহতীয়া আনুষ্ঠানিকতাৰ নামেই হৈছে ১৯১৭ চনত শিৱসাগৰৰ ৰংপুৰত জন্মলাভ কৰা অসম সাহিত্য সভা। অৰ্থাৎ অসম সাহিত্য সভাই ১৮৭২ চনৰ পৰাই নিৰৱচ্ছিন্নভাৱে অসমীয়া ভাষাটোৰ নৱ-নিৰ্মাণত হাতে-কামে লাগি

পৰিল। ১৮৪৬ চনৰ 'অৰুনোদই' বাৰ্তালোচনীয়েও ইয়াত গুৰুত্বপূৰ্ণ ভূমিকা ল'লে। অৰুণাচল, মেঘালয়, নাগালেণ্ড আদি ঠাইত সভাই অসমীয়া ভাষাৰ মাধ্যমেৰে অনুন্নত জনসাধাৰণক শিক্ষিত কৰি তুলিবলৈ বিভিন্ন বিদ্যালয়, মহাবিদ্যালয় স্থাপনত গুৰুত্ব দিছিল। বিংশ শতিকাৰ চতুৰ্থ দশকত গুৱাহাটী বিশ্ববিদ্যালয় স্থাপনৰ আঁৰতেই আছিল অসম সাহিত্য সভাৰ সৈতে প্ৰত্যক্ষ-পৰোক্ষভাৱে জড়িত এচাম আলোকসন্ধানী। সেই তেতিয়াৰ পৰাহে সভাই জনজাতীয় ভাষা আৰু লোক-সাহিত্যৰ সংৰক্ষণৰ বাবে পদক্ষেপ গ্ৰহণ কৰিলে। অসমীয়া-ইংৰাজী ভাষাৰ মাধ্যমত পঢ়া-শুনা কৰা জনজাতীয় লোকসকলৰ মাজত মধ্যবিত্ত শ্ৰেণীৰ উত্থান হ'ল। এই মধ্যবিত্ত শ্ৰেণীটোৰ সৰহ সংখ্যকে অসমীয়া মাধ্যমত পঢ়া-শুনা কৰা। ইংৰাজী মাধ্যমত পঢ়া-শুনা কৰাসকলেও সংযোগী ভাষা হিচাপে অসমীয়া ভাষাহে ব্যৱহাৰ কৰিছিল। এনেধৰণেই স্বতঃস্ফূৰ্তভাৱে অসমীয়া জাতীয়তাবাদ গঢ়ি উঠিল প্ৰকাৰান্তৰে অসমীয়া ভাষাটোত ভৰদিহে।

চাবলৈ গ'লে অসম সাহিত্য সভাৰ জয়ন্তী ১৪৫ বছৰীয়াহে। আনুষ্ঠানিক জয়ন্তীহে এশবছৰ পূৰ্ণ হ'ল। ভাষাভিত্তিক অসমৰ জাতীয় জীৱন গঢ়ি তোলাত অসম সাহিত্য সভা তথা আগৰ অনুষ্ঠানবোৰে যিধৰণে হাতত ধৰা-ধৰিকৈ আগবাঢ়িছিল— তাৰ ফলতেই আমি অসমীয়া জাতীয়তাবাদৰ অধিকাৰী হ'লোঁ। সেয়ে, এয়া অসম সাহিত্য সভাৰ শতবৰ্ষ নহয় আমাৰ অসমৰ জাতীয় জীৱনৰ শতবৰ্ষ। অসমীয়া ভাষাৰ দ্বাৰা শিক্ষিত হোৱা বিভিন্ন জনগোষ্ঠীসমূহে নিজ মাতৃভাষা থকা সত্বেও এই জাতীয় চেতনাক আকোৱালি লৈছিল—অসমীয়া ভাষাক সংযোগী ভাষা হিচাপে গ্ৰহণ কৰি। অসমীয়া ভাষাই স্ব-মৰ্যাদা পোৱাৰ বাবেহে আজি অসমৰ অন্যান্য জনজাতীয় ভাষাৰ অস্তিত্বৰ শিপা-সন্ধান আৰম্ভ হ'ল আৰু বহু পৰিমাণে জনজাতীয় ভাষা আগতকৈ বিকশি উঠিল।

এইহেন শতবৰ্ষ গৰকা অসম সাহিত্য সভাৰ বিজ্ঞানসন্মত এখন ইতিহাস প্ৰণয়নৰ বাবে সভাৰ সন্মানীয় প্ৰাক্তন সভাপতি ড° নগেন শইকীয়া আৰু ড° লক্ষ্মীনন্দন বৰাক উপদেষ্টা হিচাপে লৈ ড° ৰাজেন শইকীয়া আৰু অধ্যাপক ৰঞ্জিৎ কুমাৰ দেৱ গোস্বামীক সদস্য আৰু ড° বসন্ত কুমাৰ গোস্বামীক লেখক হিচাপে লৈ পৰামৰ্শ দাতা সমিতি গঠন কৰি দি গ্ৰন্থ প্ৰনয়ণৰ শুভাৰম্ভণি কৰা হৈছিল যদিও মাজতে বিজুতি ঘটাত ক'বলৈ গ'লে ড° বসন্ত কুমাৰ গোস্বামী মহোদয়ে উপদেষ্টা ড° নগেন শইকীয়াদেৰৰ পৰামৰ্শমতে এককভাৱে সভাৰ ইতিহাস প্ৰণয়নৰ কামখিনি আগবঢ়াই নিছিল। সম্প্ৰতি এই ইতিহাসৰ প্ৰথম খণ্ড প্ৰকাশৰ বাবে সাজু কৰা হৈছে—দ্বিতীয় খণ্ডৰ কামো শেষ হোৱাৰ পথত।

অসম সাহিত্য সভাৰ শতবৰ্ষ মানে এক কথাত অসমৰ জাতীয় জীৱনৰ শতবৰ্ষ। সভাৰ ইতিহাস পঢ়িলে অসমৰ সকলোৱে যে উদ্বুদ্ধ আৰু ৰোমাঞ্চিত হৈ পৰিব সেয়া ধ্ৰুৱপ। কাৰণ ড° গোস্বামী মহোদয়ে আজি প্ৰায় তিনিবছৰ ধৰি সভাৰ ইতিহাস প্ৰণয়নত নিৰন্তৰ ব্যস্ত থকাৰ বাবেই এই জাতীয় ইতিহাস সম্পূৰ্ণ হৈছে। এই চেগতে ড° গোস্বামী মহোদয়ক আন্তৰিক শলাগ জ্ঞাপন কৰিবই লাগিব। সভাৰ মাননীয় সভাপতি ড° ধ্ৰুৱজ্যোতি বৰা, প্ৰাক্তন সভাপতি ড° নগেন শইকীয়া প্ৰমুখ্যে ইতিহাস প্ৰস্তুতিত নেপথ্যৰ ব্যক্তি। সভাৰ যোৰহাট কেন্দ্ৰীয় কাৰ্যালয়ৰ সহকাৰী সম্পাদক সমীৰণ বৰদলৈ, সচিব অশোক কুমাৰ সেনাপতি, দিগন্ত মহন্ত, প্ৰমুখ্যে সভাৰ সমূহ কৰ্মচাৰী, বিপুল শৰ্মা, বেটুপাতৰ শিল্পী মনজিৎ ৰাজখোৱাকো শলাগ ল'লোঁ এই চেগতে। সভাৰ গুৱাহাটী কাৰ্যালয়ৰ ধনভঁৰালী কনক কুমাৰ বৰা, সহকাৰী সম্পাদক অৱনী মোহন চহৰীয়া, সচিব চন্দন শৰ্মা প্ৰমুখ্যে সংশ্লিষ্ট আটাইলৈ সভাৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা নিবেদিছোঁ।

পৰিশেষত গ্ৰন্থখনি প্ৰকাশত বিত্তীয় সহযোগিতা আগবঢ়োৱা নুমলীগড় তেল শোধানাগাৰ কৰ্তৃপক্ষক সভাৰ হৈ গভীৰ কৃতজ্ঞতা জনাইছো

।। চিৰ চেনেহী মোৰ ভাষা জননী।।

ড° পৰমানন্দ ৰাজবংশী
প্ৰধান সম্পাদক
অসম সাহিত্য সভা




স্বাধীনতাৰ অব্যৱহিত কালৰ অসমৰ পটভূমিত অসম সাহিত্য সভাৰ পতাকা

# প্ৰথম খণ্ড

(১৯১৭—১৯৫০)

# পাতনি

উনবিংশ শতিকাৰ নৱম দশকৰ পৰা সুদীৰ্ঘ কালত অসমীয়া জাতিয়ে নিজৰ ভাষা-সাহিত্য-সংস্কৃতিৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত অহৰহ যি অপৰাজেয় সংগ্ৰাম চলাই আহিছিল সেই সংগ্ৰামৰ ইতিহাসেই অসম সাহিত্য সভাৰ চালিকা শক্তি। সুদীৰ্ঘ দহোটা দশক নানা সংকট, ঘাত-প্ৰতিঘাতৰ মাজত অতিবাহিত কৰি সম্প্ৰতি অসমৰ জাতীয় জীৱনৰ সৰ্ববৃহৎ অনুষ্ঠানৰূপে অভিসিক্ত হোৱাৰ উপৰি ভাষিক সামাজিক সাংস্কৃতিক জীৱনৰ অবিচ্ছেদ্য অংগলৈ ৰূপান্তৰ হৈছে। সেয়ে অসম সাহিত্য সভাৰ ইতিহাস মানেই অসমীয়া জাতীয় জীৱনৰ ভাষিক সামাজিক সাংস্কৃতিক জীৱনৰ ইতিহাস। ইতিহাসৰ পূৰ্ব প্ৰস্তুতি সদায় থাকে। সেয়ে উনবিংশ শতিকাৰ পৰা হোৱা পূৰ্ব প্ৰস্তুতিৰ বিষয়ে আলচ কৰা হৈছে।

ভাষিক সামাজিক আৰু সাংস্কৃতিক পৰাধীনতাৰ তিতা কেঁহা আৰু ভয়াবহতা অসমীয়া জাতিতকৈ আন কোনোৱে নিশ্চয় অনুভৱ কৰিব নোৱাৰিব। ভাষা-সাহিত্য-সংস্কৃতিৰ মাজত জাতিৰ প্ৰাণৰ স্পন্দন অনুভূত হয়। শৰীৰৰ পৰা সেই স্পন্দন বিচ্ছিন্ন কৰিবৰ কাৰণে ১৮৩৬ চনতে চলিছিল চক্ৰান্ত। এই গভীৰ চক্ৰান্তৰ পাটকাই পৰ্বতটো যিমান ওখ হৈ জিলিকি আছিল তাক পাটনাদত পেলাই সিমান তললৈ নিবলৈ অসমীয়াক প্ৰস্তুত কৰাৰ দায়িত্ব স্বাভাৱিকতে আহি পৰিছিল শিক্ষিত অসমীয়া ডেকাৰ ওপৰত। এই ডেকাসকলৰ জাগৰূক শক্তিয়েই জাতীয়তাবোধৰ জন্ম দিলে। শিক্ষিত ডেকাসকলৰ জাতীয় চৈতন্যৰ দীক্ষা মন্ত্ৰোদ্দীপ্ত আধাৰ আৰু নিছনেৰীসকলৰ সহযোগ ঐতিহাসিক ঘটনাৰ সাক্ষী হৈ ৰ'ল। অষ্টাদশ শতিকাৰ শেষৰফালে আহোম ৰাজ পৰিয়ালৰ গৃহকন্দল, মোৱামৰীয়া বিদ্ৰোহ, মানৰ সঘন আক্ৰমণত আহোম শাসনতন্ত্ৰ সোলোক-ঢোলোক হ'ল। ঠায়ে ঠায়ে স্বয়ম্ভু ৰজাৰো আবিৰ্ভাৱ হ'ল। তদুপৰি পাৰ্বত্য অঞ্চলৰ একোটা জনগোষ্ঠীয়ে ভৈয়ামৰ একো অংশ দখল কৰি বহিল। আলুংপায়া মান ফৈদৰ আক্ৰমণ আৰু অত্যাচাৰত অসম জৰ্জৰিত হ'ল। সেই সময়তেই ডেভিড স্কটে (১৮২৩-৩১) মানৰ হাতৰ পৰা অসমীয়াক ৰক্ষা কৰি আৰু লগতে অসমীয়াৰ স্বাৰ্থ সংৰক্ষণৰ বাবে গভৰ্ণৰ জেনেৰেলৰ এজেণ্টৰূপে অসম শাসন কৰে। মণিৰাম দেৱানৰ লেখাৰ পৰা জনা যায় যে অসমীয়া প্ৰজাই কোম্পানীৰ শাসনকে মানি ল'লে। কোম্পানীৰ ফৌজে নিৰাপত্তা ঘূৰাই আনিলে যদিও শাসন

কৰোঁতে সমস্যাৰ সন্মুখীন হৈছিল। সেই সময়ৰ ডা-ডাঙৰীয়া বা আন লোকৰ মাজৰ পৰা কাম চলাব পৰা কৰ্মচাৰী নোপোৱাত বংগদেশৰ পৰা আমোলা আমদানি কৰা হ'ল। বঙলা ভাষাতেই ৰাজকীয় কাম-কাজ চলিল। অসমৰ ছাত্ৰৰ বাবে পতা স্কুলতো বঙলা ভাষাৰেই পাঠদান চলিল। ফলত অসমীয়া ভাষা-সাহিত্য লুপ্ত হোৱাৰ সম্ভাৱনাই দেখা দিলে। ঊনবিংশ শতিকাৰ তৃতীয় দশকত অসমত আনুষ্ঠানিক শিক্ষা আৰম্ভ হ'ল আৰু সেই সময়তে অসমীয়া ভাষাৰ ঠাইত বঙলা ভাষা প্ৰচলন হ'ল।[১] এনে সংকটকালত বেপটিষ্ট মিছনেৰীসকল অসমলৈ আহে আৰু অসমীয়া ভাষাৰ কাষত ঠিয় দিয়ে। কোনো এটা জাতিৰ সাংস্কৃতিক সুৰক্ষা ঘাই শক্তিটোৰেই হৈছে ভাষা। ভাষাৰ জীৱনী শক্তিৰ প্ৰাচুৰ্যই জাতিৰ প্ৰাণ প্ৰাচুৰ্যৰ যেনেকৈ পৰিচয় দিয়ে তেনেকৈ জাতিৰ জাগতিক কৰ্ম ক্ষমতা বৃদ্ধি কৰে। বস্তু জগতৰ সঁজুলিৰ লগত ভাৱৰ সুসম সমন্বয় ভাষাৰ যোগেদিহে সম্ভৱ হ'ব পাৰে। এই ব্যৱস্থাত অসম বঞ্চিত হোৱাৰ কথা মিছনেৰীসকলে উপলব্ধি কৰিছিল। তেওঁলোক অসমলৈ আহি অসমীয়া ভাষাটো শিকিবলৈ যত্ন কৰিছিল। প্ৰথমে বিশেষ্যবাচক শব্দবোৰ শিকি সেইবোৰ ৰোমান আখৰেৰে লিখি লৈ শব্দজ্ঞান লাভ কৰিছিল। শব্দবোৰ ব্যৱহাৰ কৰিবলৈ ক্ৰিয়াও আয়ত্ব কৰি লৈছিল। ১৮১৩ চনত অসমীয়া ভাষাত বাইবেল পুথি ছপা হৈ ওলাইছিল। ১৮২৯ চনত বঙলা ভাষাত হলিৰাম ঢেকিয়াল ফুকনৰ "আসাম বুৰঞ্জী" ছপা হৈ ওলাল। হলিৰাম ঢেকিয়াল ফুকনৰ ভাতৃ যজ্ঞৰাম ঢেকিয়াল ফুকনে "সমাচাৰ দৰ্পণ"ত (৩০ জুলাই ১৯৩১) ইংৰাজী পদ্যৰ বঙলা অনুবাদ প্ৰকাশ কৰিলে। সেই চনৰে ৩০ জুলাই তাৰিখে "সমাচাৰ দৰ্পণ"ত ডেভিড স্কট চাহাবে অসমত স্থাপন কৰা পঢ়াশালিত বঙলা ভাষা চলিব বুলি প্ৰকাশ পাইছিল। তেতিয়াৰ পৰাই হাঁকো-বাঁকো (struggle) আৰম্ভ হ'ল। মিছনেৰীসকলৰ প্ৰযত্ন আৰু অসমৰ আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা, হেমচন্দ্ৰ বৰুৱাৰ যত্নৰ সমন্বয়ত বৃটিছ চৰকাৰে অসমীয়া ভাষাক প্ৰাপ্য মৰ্যাদা দি পুনৰ থাপিলে। হেৰম্বকান্ত বৰপূজাৰীয়ে কৈছে—

*ব্ৰাওন-ব্ৰন্সনৰ অসমীয়া ভাষা আৰু সাহিত্যৰ উন্নয়নকল্পে সম্পূৰ্ণ সমৰ্থন আৰু অৱদান অবিহনে ছাৰ জৰ্জ কেম্পবেলে অসমীয়াসকলৰ দাবী মানি ল'লৈহেঁতেন বুলি আমাৰ গভীৰ সন্দেহ। এই ক্ষেত্ৰত তেওঁলোকৰ ভূমিকা ভাৰতীয় ৰাষ্ট্ৰীয় কংগ্ৰেছৰ জন্মৰ বাবে এলান্ অক্টোভিয়ান হিউমৰ ভূমিকাৰ লগতহে ভালদৰে ৰিজাব পাৰি। অকল তেওঁলোকে অসমীয়া ভাষাক যথোচিত স্থানলৈ আনিয়ে এৰা নাছিল পাশ্চাত্যৰ দ্বাৰ মুকলি কৰি তেওঁলোকে অসমীয়া সাহিত্যৰ নৱজাগৰণৰ পথ প্ৰশস্ত কৰে। তেতিয়াৰ পৰা ইউৰোপীয় সাহিত্যৰ ধাৰা প্ৰৱৰ্তিত হ'ল, প্ৰকাশিকা শক্তিসম্পন্ন পদ্যৰ বিকাশ ঘটিল; নাটক, উপন্যাস, চুটিগল্প, জীৱনী সাহিত্যৰ সৃষ্টি হ'ল; সৰ্বোপৰি সাংবাদিকতাৰ আৰম্ভ হ'ল। পাশ্চাত্যৰ প্ৰভাৱে বিচাৰক্ষম দৃষ্টিভংগী গঢ়ি তুলিলে; তেতিয়াৰ ঐতিহ্য, আচাৰ-নীতি, বিশ্বাসৰ নতুন বিচাৰ আৰম্ভ হ'ল, আৰু তাৰ দ্বাৰা উনৈশ শতিকাৰ শেষ ভাগত অসমীয়া জাতিৰ নতুন চেতনা জাগৃত হৈ পৰিল।[২]*

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

*১। অসমত বঙলা ভাষা আমোলাসকলে নহয় প্ৰশাসনীয় সুবিধাৰ বাবে অসমৰ কাছাৰী আৰু স্কুলত বঙলা ভাষা চৰকাৰেহে চলায়।*

*২। হেৰম্বকান্ত বৰপূজাৰী ঃ আমেৰিকান মিছনেৰীসকল আৰু ঊনবিংশ শতিকাৰ অসম, পৃ. ৮৩-৮৪, ১৯৮৩*

এই জাতীয় চৈতন্য জাগৃত হ'ল কলিকতাৰ প্ৰভাৱত। কিয়নো ওৱাৰেণ হেষ্টিংছে (১৭৭২-৮৫) কলিকতাত ৰাজধানী পতাৰ লগে লগে ১৮৭৪ চনত কলিকতাত চুপ্ৰীম কৰ্ট স্থাপন হয়। উচ্চ শিক্ষানুষ্ঠান স্থাপনৰ লগতে ১৮৫৭ চনত কলিকতা বিশ্ববিদ্যালয় স্থাপন হয়। এই সময়ছোৱা বংগৰ নৱজাগৰণৰ সময়।

বংগৰ নৱজাগৰণে কলিকতা প্ৰবাসী অসমীয়া ছাত্ৰসকলক প্ৰভাৱান্বিত কৰিলে। Young Bengal–ৰ সাদৃশ্যত Young Assam সম্পৰ্কে পোন প্ৰথমবাৰৰ বাবে আনুষ্ঠানিকভাৱে জাতীয় চৈতন্য জাগৃত হোৱাৰ বুৰবুৰণি শুনা যায় কমল চন্দ্ৰ শৰ্মাৰ বক্তৃতাৰ যোগেদি। এই বক্তৃতাৰ মূল বিষয় আছিল— "...to find the ways and means for the development of Assamese language and literature.[৩] এই সময়তে সামাজিক সচেতনতাই আত্ম প্ৰকাশ কৰে— ৰাইজমেলৰ যোগেদি বা ৰায়ত সভাৰ যোগেদি। কিন্তু সুসংগঠিত নোহোৱাৰ বাবে স্থায়ী মূল্য নাথাকিল। ভাষা-সাহিত্যৰ স্বাৰ্থ ৰক্ষাৰ বাবে ১৮৫৫ চনত আসাম দেশ হিতৈষিণী সভা গঠন হৈছিল যদিও কেইবছৰমান চলিয়েই বন্ধ হয়। ইয়াৰ পিচত ১৮৭২ চনত কলিকতাত গংগা গোবিন্দ ফুকনৰ নেতৃত্বত অসমীয়া সাহিত্য সভা বা অসমীয়া ছাত্ৰৰ সাহিত্য সভা আদি গঠন হয় যদিও আসাম দেশ হিতৈষিণী সভাই পোন প্ৰথমবাৰৰ বাবে আনুষ্ঠানিকভাৱে আধুনিক অসমীয়া ভাষাৰ উন্নয়নৰ বন্তিগছ জ্বলাইছিল। এই সভা ১৮৫৮ চনলৈকে চলি আছিল আৰু মিছনেৰীসকলেও সমন্বয় কৰিছিল।[৪] অসমীয়া ছাত্ৰৰ সাহিত্য সভা বন্ধ হৈ যোৱাত কলিকতা প্ৰবাসী অসমীয়া ছাত্ৰসকলে ভটীয়া নাৱত নুঠি বুধবৰীয়া আৰু শনিবৰীয়া জলপনীয়া সভা পাতিলে। এদিন শনিবৰীয়া সভাত স্থিৰ হ'ল— "যে পুৰণি মৰা নাম অসমীয়া ছাত্ৰৰ সাহিত্য সভা নামটো আৰু নকৈ চাবৰ দৰ্কাৰ নাই, নতুন যুগপোযোগী নাম এটা দি ইয়াতে নবীন খুঁটাহে লগাব লাগে। এনেকুৱা এটা সিদ্ধান্তকে কৰি ১৮১০ শকৰ শ্ৰীকৃষ্ণৰ জন্মাষ্টমীৰ দিনা সেই জলপনীয়া ভোজৰূপী মেলখনৰ জন্মোৎসৱ আৰু নামকৰণৰ উৎসৱ পাতি সভাৰ জন্ম দিয়া হ'ল কলিকতা "অসমীয়া ভাষা উন্নতি সাধিনী সভা" বা ঠাৱে চিএগ্ৰৰে কলিকতা অভাউসাস"।[৫] এনেকৈয়ে সেই জলপনীয়া সভাই অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ সাৰ্বিক উন্নয়নৰ একমাত্ৰ আধাৰ হৈ পৰিল; আৰু কলিকতা প্ৰবাসী প্ৰতিজন অসমীয়া ছাত্ৰ এই অনুষ্ঠানৰ লগত কিবা নহয় কিবা প্ৰকাৰে জড়িত হৈ পৰিল। এই সভাৰ লক্ষ্য আৰু উদ্দেশ্য সম্পৰ্কে গ্ৰন্থত আলোচনা কৰা হৈছে। কলিকতাৰ শিক্ষা শেষ কৰি যিসকল ডেকা অসমমুখী হ'ল সেইসকলে অসমত অ.ভা.উ.সা.স.—ৰ শাখা খুলিলে।

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

*৩। এই বক্তৃতাটো প্ৰদান কৰা কমলচন্দ্ৰ গোস্বামীৰ বিষয়ে বেণুধৰ শৰ্মাই কৈছে যে তেওঁৰ বক্তৃতা শুনি সুৰেন্দ্ৰনাথ বেনাৰ্জীয়ে কৈছিল—, one day you will take my place, (পণ্ডিত হেমচন্দ্ৰ গোস্বামী ৰচনাৱলী, পৃ. ৫১৭, ১৯৭২)। সেই বক্তৃতা শুনিবলৈ পণ্ডিত হেমচন্দ্ৰ গোস্বামী গৈছিল, ডায়েৰীত লিখা আছে— ৯-৯-৮৮— I attend the ASL club where Mr. Kamal Chandra Sarmah delivered a lecture on the subject "Young Assam".*

৪। *Saikia Nagen- Background of Modern Assamese Literature. p. 16,19, 1988.*

*৫। শৰ্মা, বেণুধৰ অৰ্ঘ্যাৱলী, পৃ. ১৯, ১৯৭০।*

এইক্ষেত্ৰত বাটকটীয়া পদ্মনাথ গোহাঞিবৰুৱা আৰু পানীন্দ্ৰনাথ গগৈ। এইটো বিশেষভাৱে উল্লেখযোগ্য যে ইয়াৰ আগতে অসমত বিদ্যায়তনিক পৃষ্ঠভূমি গঢ় লৈ উঠা নাছিল। সেইফালৰ পৰা আধুনিক অসমীয়া ভাষা-সাহিত্যৰ প্ৰসূতিগৃহ কলিকতাহে। অসমত অ ভা উ সা স-ৰ প্ৰতিষ্ঠাৰ লগে লগে সাহিত্যৰ অনুৰূপ বাতাবৰণৰ সৃষ্টি হ'ল। এই সভাই অসম ছাত্ৰ সন্মিলনৰ বাবে ঠাই উলিয়াই দিলে।

অ ভা উ সা সভা গঠন হোৱাৰ দিনাই (২৫ আগষ্ট, ১৮৮৮) সৰ্বসন্মতিক্ৰমে এখন মাহেকীয়া অসমীয়া আলোচনী উলিয়াবলৈ সিদ্ধান্ত কৰে। ইতিমধ্যে 'আসাম বান্ধৱ' আৰু 'মৌ' কাকতৰ গতি মৰচেওঁৰা পৰিল (winding sheet)। এই মহতো মহীয়ান কামটিৰ গধুৰ দায়িত্ব ল'লে চন্দ্ৰকুমাৰ আগৰৱালাই। আগৰৱালা সম্পাদক, প্ৰকাশক, বিতৰণ এই সকলো দায়িত্ব ল'লে চৰ্ত সাপেক্ষে। অ.ভা.উ.সা. সভাৰ প্ৰতিজন সদস্যই "জোনাকী'-ত প্ৰবন্ধ লিখিব লাগিব। প্ৰবন্ধ নিদিলে ১৫.০০ টকা জৰিমণা ভৰিব লাগিব। "জোনাকী" কাকতখনকে অ.ভা.উ.সা. সভাৰ সাৰথিসকলে চক্ৰবেহু পাতি তাৰে আলম লৈ শৰাইঘটীয়া বিক্ৰমেৰে যুঁজি অসমীয়া ভাষাৰ বুৰঞ্জীত হাতীপতিহেন নতুন যুগ এটাৰ সৃষ্টি কৰি পেলালে।"[৬] অসম এছোচিয়েশ্বনে ৰাজনৈতিক আৰু সামাজিক সচেতনতা জাগ্ৰত কৰাৰ দৰে 'জোনাকী'-য়ে অসমীয়া ভাষা সাহিত্যৰ মাৰ্গ দৰ্শন কৰিলে। জোনাকীৰ মৰলত থাকি আধুনিক অসমীয়া ভাষাৰ বৰভেটি যিসকলে প্ৰতিষ্ঠা কৰিলে সেইসকলৰ যত্নত বৰভেটিটোত জাতীয় চৈতন্য দেশাত্মবোধ, সজাল ধৰি উঠিল। অসমীয়া জাতীয়তাবোধ, মাতৃভূমিৰ প্ৰতি দায়বদ্ধতা, মানৱতাবোধ প্ৰতিগৰাকীৰে সম্পদৰূপে বিবেচিত হ'ল। প্ৰকাশভংগী, ঐতিহ্যপ্ৰীতিৰে অসমীয়া ভাষাৰ বিশুদ্ধতাৰে নতুন চিন্তাৰে, স্বদেশ আৰু স্বজাতিক যশস্যাৰ কলচীত তুলিলে। জোনাকীয়ে আত্মকথাত ঘোষণা কৰিলে—

*" ৰাজনীতি আমাৰ "ৰাজ্যৰ" বাহিৰ, এই পৰাধীন দেশত "প্ৰজানীতি"-হে ধৰিবলগীয়া। সাহিত্য, বিজ্ঞান, সমাজ ইত্যাদি আমাৰ আলোচনাৰ বিষয়— এইবিলাক সাধ্যমতে বুজিবলৈ ও প্ৰকাশ কৰিবলৈ যত্ন কৰিম। "বাদ" "প্ৰতিবাদ" আমি আদৰেৰে আমাৰ কোলাত ঠাই দিম। সেইবুলি ব্যক্তিগত নিন্দাৰ ওচৰ চাপিবলৈ নিদিওঁ। ভাষালৈ আমাৰ বিশেষ চকু থাকিব। আমাৰ আটাই শ্ৰেণীৰ মানুহে যেন আমাক মৰম কৰে তালৈ আমি যত্ন কৰিম। ন-কৈ উঠি অহা অসমৰ নিমিত্তে আমাৰ আটাই শক্তি ব্যয় কৰিম। এই পাছ পৰি থকা আন্ধাৰ দেশলৈ অলগ "জোনাক" সুমুৱাব নোৱাৰিলেও যদি নিজে নিজেও যত্নৰ ফিৰিঙতিৰ পোহৰত বাট পাওঁ তেনে আমাৰ শক্তিৰ মিছা ব্যয় হোৱা নাই বুলি ভাবিম। আমি জানো আমাৰ দেশ শিক্ষাত পাছ, জ্ঞানভিখাৰী, ধনত দুখীয়া, সংখ্যাবলত শক্তিহীন, স্বাস্থ্যত ৰুগীয়া, কামত এলেহুৱা ও পৰাধীন— কিন্তু আমি নিজ শক্তি অনুযায়ী হৈহে কামত হাত দিব পাৰোঁ। আমি যুঁজিবলৈ ওলাইছোঁ। "আন্ধাৰ"ৰ বিপক্ষেঃ উদ্দেশ্য — দেশৰ উন্নতি "জোনাক"। কিমানলৈ আগবাঢ়িব পাৰিমহঁক সেইটো নিজৰ শক্তি চালনা ও সুযোগ ওপৰতহে ৰই আছে। আটায়ে উঠি পৰি লাগোহঁক। সুযোগ ও আপুনি ওলাবহি। পাটীত পৰি দিন গণিবৰ সময় নাই। চাৰিওফালে "হুৰহুৰাই" কাম চলিছে— অসমীয়া বহি থাকিবনে? এই ভাপ নাও, ভাপ ৰথ বিজুলি ডাকৰ দিনতো যদি হাতভৰি কোচাই বহি থাকোঁহক তেনে আৰু আগবাঢ়ি যোৱা সকলৰ লগ ধৰিবলৈ আশা কৰিব নোৱাৰি। আমি নিজকে নিজে "যোগ্য" নকৰিলে আনে কৰি নিদিয়েহি। এই সংসাৰ হইছে যোগ্যৰ ঘৰ অযোগ্য অধঃপতনলৈ যাব। ....তুঁহ জুইৰ দৰে অসমীয়াৰ "তেজ" আৰু উৎসাহ এতিয়া ভাগ্যৰ জাপৰ তলত লুকাই আছে— এবাৰ ভমকাই উঠিব।"*[৭] দ্বিতীয় বছৰ প্ৰথম সংখ্যাৰ আত্মকথাতো "জোনাকী"-ৰ মানৰ কথা প্ৰকাশ পাইছে। এইখন কাকতে অসমীয়া সাহিত্যক ভাবে ভাষাই ৰূপে ৰসে ব্যঞ্জিত কৰিলে। এই প্ৰসংগত নগেন শইকীয়াই কৈছে— *"...Assamese literature attained its distinctive characteristics vis a vis its spirit and form.*[৮]

১৮৮৮ চনৰ পৰা ১৯১৭ চনলৈকে এই তিনিটা দশকত সেই সময়ৰ শিক্ষিত অসমীয়া ডেকাসকলে গুটীয়া বা যুটীয়াভাৱে যি চেষ্টা কৰিছিল সেই চেষ্টাই অসম সাহিত্য সভাক জন্ম দিলে। এই সভাৰ জন্মলগ্নৰ পৰা বৰ্ণনামূলকভাৱে ইতিহাস যুগুত কৰিবলৈ যত্ন কৰা হৈছে।

স্বৰূপতে ১৯৪৪ চনত ডিম্বেশ্বৰ নেওগ প্ৰধান সম্পাদক হৈ থকা কালতে সভাৰ পূৰ্ণাংগ বুৰঞ্জী প্ৰণয়নৰ আঁচনি হাতত লোৱা হৈছিল। পৰৱৰ্তী কালত ১৯৫৬ চনত ভাষণাৱলীত কিছু টোকা সন্নিৱিষ্ট কৰিছিল। ইয়াৰ আগতে ১৯৩৩ চনত তেতিয়াৰ প্ৰধান সম্পাদক দেৱেশ্বৰ চলিহাই Short Notes on the History of the Assam Sahitya Sabha নামেৰে বিজ্ঞপ্তিৰ আকাৰত প্ৰকাশ কৰিছিল। তদুপৰি হৰিপ্ৰসাদ নেওগে সভাৰ পৰিচয়ৰ এখন পুস্তিকা যুগুতাইছিল। সভাৰ পঞ্চাশ বছৰ উপলক্ষ্যে হৰিপ্ৰসাদ নেওগ, নন্দ তালুকদাৰ আৰু নগেন শইকীয়াৰ সম্পাদনাত "অসম সাহিত্য সভাৰ পঞ্চাশ বছৰ" এখনি গ্ৰন্থ প্ৰকাশ হয়। সভাৰ হীৰক জয়ন্তী উপলক্ষ্যে সাহিত্যাচাৰ্য অতুলচন্দ্ৰ হাজৰিকাৰ সম্পাদনাত "অসম সাহিত্য সভাৰ ৰূপলেখা" নামেৰে এখন বৃহৎ গ্ৰন্থ প্ৰকাশ হয়। তদুপৰি আব্দুছ ছাত্তাৰ আৰু বসন্ত কুমাৰ গোস্বামীৰ সম্পাদনাত "অভিলেখ" নামৰ গ্ৰন্থ এখনিও প্ৰকাশ হয়। ১৯৫০-৫৩ চনত প্ৰধান সম্পাদক কেশৱনাৰায়ণ দত্তই "A Brief History of the Association" নামৰ ইংৰাজীত এখন সংকলন উলিয়ায়। এই প্ৰতিটো প্ৰয়াসেই অভিনন্দনযোগ্য। কিন্তু সভাৰ শতবৰ্ষৰ লগত সংগতি ৰাখি ২০১৫-১৭ বৰ্ষৰ কাৰ্যনিৰ্বাহক সমিতিয়ে পূৰ্ণাংগ ইতিহাস প্ৰণয়নৰ আঁচনি গ্ৰহণ কৰে। সেই গধুৰ দায়িত্ব সভাই আমাৰ ওপৰত অৰ্পণ কৰে। কামটোৰ বাবে আমি যে অনুপযুক্ত সেই কথা আমাৰ বাহিৰে আনে অধিক নাজানিব। তৎসত্ত্বেও জন্ম শতবৰ্ষৰ এই শুভক্ষণত সভাৰ বহুমুখী কৰ্ম সোণপানী চৰাই চিৰকলীয়াকৈ চকচকীয়া কৰি ৰখাৰ এয়া পবিত্ৰ লগ্ন। সভাৰ জোনাকৰ ধৱল গৰিমা আৰু হৰ্ষ বিষাদ এই সকলো নৈব্যক্তিকভাৱে ৰূপ দিবলৈ চেষ্টা কৰা হৈছে উল্লিখিত গ্ৰন্থসমূহৰ আধাৰত।

প্ৰতিখন অধিৱেশনৰ বিৱৰণ দিওঁতে তথ্য-পাতিৰ অভাৱত বহলাই নিলিখি উল্লেখ মাত্ৰ কৰা হৈছে। ১৯১৭ চনৰ পৰা ১৯২২ চনলৈকে কাৰ্যবিৱৰণি সম্পূৰ্ণ উদ্ধাৰ কৰিব পৰা নহ'ল।[৯]

৬। *শৰ্মা বেণুধৰ, অৰ্ঘ্যাৱলী, পৃ. ২২, ১৯৭০।*

৭। *শইকীয়া নগেন, সম্পা. জোনাকী, প্ৰথম ভাগ, প্ৰথম সংখ্যা, পৃ. ৪, ১৮১০ শঁক।*

৮। *Saikia, Nagen Background of Modern Assamese Literature, p. 339, 1970*

৯। *পৰিশিষ্টত কিছু অংশ সন্নিৱিষ্ট কৰা হৈছে।*

এই সময়ৰ তথ্য-পাতি শৰৎচন্দ্ৰ গোস্বামী ৰচনাৱলী, অসম সাহিত্য সভাৰ ৰূপলেখা, অভিলেখ, অসম সাহিত্য সভাৰ পঞ্চাশ বছৰ, অসম সাহিত্য সভা পৰিচিতি, হীৰক জয়ন্তী বৰ্ষৰ স্মৃতিগ্ৰন্থ, অসম সাহিত্য সভা পত্ৰিকাৰ প্ৰথম বছৰ প্ৰথম সংখ্যাৰ পৰা লোৱা হৈছে। তদুপৰি এই সময়ছোৱাত লোৱা প্ৰস্তাৱসমূহ একত্ৰে পোৱা নহ'ল। ১৯২৩ চনৰ পৰা উৰলি যোৱা অৱস্থাত কাৰ্যবিৱৰণি উদ্ধাৰ কৰা হৈছে আৰু এইখণ্ডৰ পৰিশিষ্টত হুবহু সন্নিৱিষ্ট কৰা হৈছে কাৰণে মূল পাঠত প্ৰস্তাৱসমূহ অন্তৰ্ভুক্ত কৰা নাই। অধিৱেশনৰ লগত সংগতি ৰাখি শাখা সন্মিলন, বিষয় বাছনী সভা, প্ৰদৰ্শনী, প্ৰস্তাৱৰ কাৰ্যকৰীকৰণ, কাৰ্যনিৰ্বাহক সমিতি, সম্ভৱস্থলত মূল অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ সদস্য আৰু বিষয়ববীয়াৰ নাম উল্লেখ কৰা হৈছে। অধিৱেশনৰ প্ৰতিগৰাকী সভাপতিৰ চমু পৰিচয় একোটি দিবলৈ যত্ন কৰা হৈছে আৰু লগতে তেখেতসকলৰ ভাষণৰ সুবচন সন্নিৱিষ্ট কৰা হৈছে।

প্ৰতিটো কাৰ্যকালৰ কামৰ একোটা খতিয়ান দিয়া হৈছে আৰু গুৰুত্বপূৰ্ণ একোটা বিষয়ৰ বহল বৰ্ণনা দিবলৈ চেষ্টা কৰা হৈছে। উদাহৰণস্বৰূপে অসম ৰাজ্য ভাষা আইন, শিক্ষাৰ মাধ্যম, ৰাজ্য পুনৰ গঠন আদিত সভাৰ ভূমিকা বহলাই বিৱৰণ দিয়া হৈছে। জন্মশতবৰ্ষ উৎসৱৰ ভিতৰত বেজবৰুৱা জন্ম-শতবাৰ্ষিকীৰ বিৱৰণ বহলাই বৰ্ণনা কৰা হৈছে। হীৰক জয়ন্তী আৰু সোণালী জয়ন্তী উদ্‌যাপন কৰাৰ বিতং তথ্য পোৱা নহ'ল। সভাৰ চেষ্টাত ৰবীন্দ্ৰ ভৱন, শৰাইঘাট দলং, অসম ৰাজ্যিক সংগ্ৰহালয় স্থাপনৰ বিৱৰণো তথ্যপাতিৰে উত্থাপন কৰা হৈছে।

শাখা সভাৰ তালিকাৰ পুথি সভাই সুকীয়াকৈ উলিয়াবলৈ আঁচনি লোৱাত সেই শিতানৰ বৰ্ণনা দিয়া হৈছে। যিবোৰ শাখাই বাৰ্ষিক প্ৰতিবেদন পঠিয়াইছিল আৰু তথ্য-পাতি সংৰক্ষণ হৈ আছে তেনে অৱস্থাত শাখাৰ প্ৰতিবেদনৰ ভিত্তিত কাৰ্যসূচী অন্তৰ্ভুক্ত হৈছে। আজীৱন সভ্যৰ সুকীয়া এখন পুথি সভাই প্ৰকাশ কৰা কাৰণে এই খণ্ডত আজীৱন সভ্যৰ তালিকা দিয়া হোৱা নাই।

মুকলি অধিৱেশনৰ প্ৰতি শুভেচ্ছা জনাই দিয়া বাণীসমূহৰ গুৰুত্ব উপলব্ধি কৰি হাতত পোৱা সমলসমূহ মূল অধিৱেশনৰ লগতে যোগ দিয়া হৈছে। এই খণ্ডত সভাৰ ন্যাস পুঁজিসমূহ, পত্ৰিকাত প্ৰকাশিত প্ৰবন্ধ, সভাৰ প্ৰকাশন অন্তৰ্ভুক্ত কৰা নাই। পৰৱৰ্তী খণ্ডত অন্তৰ্ভুক্ত হ'ব। এই সময়ছোৱাত গচ্ছিত ন্যাসৰ বিৱৰণ দিয়া হৈছে। পৰৱৰ্তী খণ্ডত সকলো ন্যাস পুঁজিৰ সম্পূৰ্ণ বিৱৰণ দিবলৈ যত্ন কৰা হ'ব। মূল পাঠত সভাৰ প্ৰকাশনৰ উল্লেখ কৰা হৈছে যদিও পৰৱৰ্তী খণ্ডত জন্মলগ্নৰ পৰা প্ৰকাশিত সকলো গ্ৰন্থৰ তালিকা সন্নিৱিষ্ট হ'ব। ২০১৫-১৬ বৰ্ষত সভাই দহ কোটি টকাৰ এটি গচ্ছিত নিধি (Corpus Fund) গঠন কৰিছে। সেই নিধিৰ বিষয়ে বহলাই বিৱৰণ দিয়া হ'ব। হিতৈষী সভ্যৰ ভিতৰত এই খণ্ডত প্ৰথম কেইজনৰ নাম উল্লেখ কৰা হৈছে। তদুপৰি পৰম হিতৈষী, পৰম সুহৃদ সভ্য ২০১৫-১৬ বৰ্ষত আৰম্ভ হয়। সেই তালিকাও পৰৱৰ্তী খণ্ডত অন্তৰ্ভুক্ত হ'ব।

গ্ৰন্থখন যুগুত কৰোঁতে বৰ্ণনামূলক কৰিবলৈ যত্ন কৰা হৈছে। ইয়াত কোনো তত্ত্ব নাই, বিজ্ঞানসন্মতভাৱে তথ্য-পাতিহে দিয়া হৈছে। সভাৰ এই ইতিহাস সম্পূৰ্ণ নিৰপেক্ষ। ইতিহাস প্ৰণয়নৰ বেলিকা ২০১৬ খ্ৰীষ্টাব্দক সময়সীমা স্বৰূপে নিৰ্ধাৰণ কৰি লোৱা হৈছে। ২০১৬ চনৰ পাছৰ সংবাদ ইয়াত নাই। প্ৰথম খণ্ডটো ১৯১৭ চনৰ পৰা মাৰ্ঘেৰিটা অধিৱেশনলৈকে সামৰা হৈছে (১৯৫০)। দৰাচলতে অসম সাহিত্য সভাৰ ইতিহাস ততাতৈয়াকৈ যুগুত কৰাটো বিপজ্জনক কাম। অসম সাহিত্য সভাৰ মাননীয় সভাপতি ড° ধ্ৰুৱজ্যোতি বৰাই আমালৈ সভাৰ ইতিহাস প্ৰণয়নৰ বাবে এই বৰ্ষৰ মাৰ্চ মাহত এটি প্ৰস্তাৱ দিয়ে, উৰি আপ্ৰনি হৈও এই নিচলা-অপাত্ৰ পাত্ৰ হ'বলৈ ওলাল। হাতত মাত্ৰ ন মাহ সময় লৈ দিনে-ৰাতিয়ে একনিষ্ঠভাৱে খাটি তিনিটা খণ্ডৰ গ্ৰন্থ লিখি উলিয়ালোঁ। অক্ষৰ বিন্যাস আৰি কাকত চোৱা আদিৰ বাবে সভাৰ শতবৰ্ষ আৰম্ভণি অনুষ্ঠানত তিনিও খণ্ড উলিয়াব পৰা নহ'ল। পৰৱৰ্তী আৰু অন্তিম খণ্ড দুটা অহা এপ্ৰিল মাহত প্ৰকাশ হৈ ওলাব বুলি আশা কৰিছোঁ।

অসম সাহিত্য সভাৰ ইতিহাস প্ৰণয়নৰ বাবে সভাই পৰামৰ্শ দাতা সমিতি এখন গঠন কৰি দিছিল। সেইখন সমিতিহে আচলতে কালিন্দ্ৰী ভোমোৰাৰ বেণুৰ ৰন্ধ্ৰ, আমি নিমিত্তহে। সভাৰ অনোৰৰিয়ান আৰু মহতো মহিয়ান হাতীপতিৰ জিক্‌মিকনিৰ উপায়ন আমাৰ দ্বাৰা সম্ভৱ নহ'ল বুলি অনুভৱ কৰিছোঁ। 'শূৰ্পৱৎ দোষমুৎসৃজ্য গুণং গৃহ্নন্তি সাধৱঃ'— গতিকে পতানখিনি নিলগাই লৈহে পাঠকে গ্ৰন্থখন গ্ৰহণ কৰে যেন। সভাৰ সাঁচতীয়া চুমহীৰ পৰা লুৰুকি লুৰুকি তথ্য-পাতি সংগ্ৰহ কৰোঁতেও বিজ্ঞানসন্মত পদ্ধতি অৱলম্বন কৰিবৰ বাবে যত্ন কৰিও আমি সফল আৰু সাৰ্থক নোহোৱাৰ বাবে উদ্বাস্তুৰিৰ ৰামণ বুলি নাভাৱে যেন।

**কৃতজ্ঞতা**

চিন্তাৰ নিয়াৰিত গঢ়ি-পিতি স্বাস্থ্যৱান দিহা পৰামৰ্শৰে আমাক সকলো সময়তে মাৰ্গ দৰ্শন কৰি বাঞ্ছিত লক্ষ্যত উপনীত হ'বলৈ প্ৰেৰণা দিয়া সভাৰ প্ৰাক্তন সভাপতি ডক্টৰ নগেন শইকীয়া, মাতৃভাষা-সাহিত্য-সংস্কৃতি আৰু সাংবাদিকতাৰে আঁজলিয়ে আঁজলিয়ে অৰিহণাৰ প্ৰসূন অসমীয়া ভাষাৰ থাপনালৈ আগবঢ়োৱা সভাৰ প্ৰাক্তন সভাপতি সত্যসন্ধ হোমেন বৰগোহাঞি, নতুন সংকল্পৰে সভাৰ সাঁতখলপীয়া সিংহাসনত বহি সভাক যশস্যৰ কলচীত থাপনা কৰিবলৈ হাতীপুৰেৰে গুৰি বঠা ধৰি আমাক ছায়া পথৰ সন্ধান দিওঁতা ডক্টৰ ধ্ৰুৱজ্যোতি বৰা, ঐতিহ্যৰ বৰঘৰৰ মজিয়া গৰকি অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিলৈ উপায়ন আগবঢ়াই অসমৰ নিৰন্তৰ আকাশ মলয়াত ভ্ৰমি পাঠকক মৌজোলৰ টোপেৰে আপ্যায়িত কৰা সভাৰ প্ৰাক্তন সভাপতি ডক্টৰ লক্ষ্মীনন্দন বৰা, যিকোনো দায়িত্ব নিষ্ঠাৰে পালন কৰি সভালৈ সেৱা আগবঢ়োৱা ডক্টৰ ৰাজেন শইকীয়া, ইংৰাজী সাহিত্যৰ জ্ঞানলব্ধ গুণৰ অধিকাৰী, গৱেষক পণ্ডিত সুকৃতিসাধক ড° ৰঞ্জিৎ কুমাৰ দেৱগোস্বামী, ইতিহাসৰ ছাত্ৰ, উদ্যোগী ডেকা বিমৃশ্যকাৰী ডক্টৰ সৌমিত্ৰ পূজাৰী, সভাৰ প্ৰধান সম্পাদক ড° পৰমানন্দ ৰাজবংশী, যোৰহাটৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ সহকাৰী সম্পাদক

শতবৰ্ষ আৰম্ভণী অনুষ্ঠানৰ অভ্যৰ্থনা সমিতিৰ সম্পাদক সমীৰণ বৰদলৈ, সভাৰ শৰৎচন্দ্ৰ গোস্বামী পুথিভঁৰালৰ গ্ৰন্থাগাৰিক আৰু মুখ্য সহায়ক বীৰেন্দ্ৰনাথ গোস্বামী, কেন্দ্ৰীয় কাৰ্যালয়ৰ সচিব অশোক কুমাৰ সেনাপতি, গাৰ্ণনিক ধ্ৰুৱজ্যোতি বৰদলৈ প্ৰমুখ্যে কেন্দ্ৰীয় কাৰ্যালয়ৰ সমূহ কৰ্মচাৰী, প্ৰাচ্যবিদ্যাৰ্ণৱ ড° মহেশ্বৰ নেওগ অসমতত্ত্ব গৱেষণা সংস্থানৰ সমন্বয়ক ড° ৰাজশ্ৰী হাজৰিকা, গুৱাহাটী কাৰ্যালয়ৰ ভবানন্দ তালুকদাৰ, অক্ষৰ বিন্যাসত সহযোগ কৰা অনিল ৰাজখোৱা, দেৱজিৎ বৰুৱা, দিগন্ত কুমাৰ মহন্ত এই সকলোলৈকে কৃতজ্ঞতা নিৱেদিলোঁ। ছপাশালে নিৰ্দিষ্ট সময়ত গ্ৰন্থখন ছপা কৰি আমাক অনুগৃহীত কৰিলে। এই ছেগতে ছপাশালটিৰ শলাগ ল'লোঁ।

কতনো আমোঘ অপৰাধ হৰি
কৰিয়া আছো প্ৰচুৰ।
বুদ্ধিত থাকিয়া নেদাহা সু বুদ্ধি
কৃপাৰ হুয়া ঠাকুৰ।।

**চন্দ্ৰকান্ত সন্দিকৈ ভৱন**
**যোৰহাট - ৭৮৫০০১**
**অসম**

**বসন্ত কুমাৰ গোস্বামী**

# সূচীপত্ৰ

# অসম সাহিত্য সভাৰ ইতিহাস

## প্ৰাক্কথন

ভাষাৰ ভিত্তিত অসমীয়া জাতীয়তাৰ পৰিচয় প্ৰতিষ্ঠা হ'বলৈ উপক্ৰম কৰে উনবিংশ শতিকাত। দৰাচলতে এই শতিকাতে আধুনিক অসমৰ জন্ম আৰু লগতে নতুন চিন্তা-চৰ্চাৰ বৌদ্ধিক মহল এটিৰো বুৰবুৰণি শুনা গ'ল। এইসকলৰ প্ৰযত্নতে অসমৰ সমাজ-সংস্কৃতিৰ জাগৰূক শক্তি এটিৰো জন্ম হয়— এই জাগৰূক শক্তিয়েই জন্ম দিলে জাতীয়তাবোধৰ। ইয়াৰ দীক্ষামন্ত্ৰই জাতীয়তাৰ টোপানীতি ৰচনা কৰিলে। দীক্ষামন্ত্ৰোদ্দীপ্ত এইসকলেই পৰৱৰ্তী সময়ত অসম সাহিত্য সভাৰ দৰে জাতীয় অনুষ্ঠানৰ জন্ম দিলে। লাহে লাহে অনুষ্ঠানটো মহীৰূঢ় আৰু অসমত বসবাস কৰা সকলোৰে বাবে হৈ পৰে চাঙটি চন্দোৱাৰ। অসমত ছশ বছৰীয়া আহোম ৰাজত্বৰ বেলিমাৰ যোৱাৰ লগে লগে অসম সকলো ফালৰ পৰাই অন্ধকাৰাচ্ছন্ন হৈ পৰে। ৰাজ পৰিয়ালৰ গৃহকন্দল, মোৱামৰীয়া বিদ্ৰোহ, মানৰ আক্ৰমণৰ ফলত ৰাজ্যৰ শাসন ব্যৱস্থা সোলোক-ঢোলোক হৈ পৰে, স্থান বিশেষে স্বয়ম্ভু ৰজাৰো আবিৰ্ভাৱ হ'ল। পাৰ্বত্য অঞ্চলত বসবাস কৰা জনজাতিসকলেও ভৈয়ামলৈ নামি আহি অসমৰ একোটা অঞ্চল অধিকাৰ কৰি বহিল। আলুংপায়া মান ফৈদে অসমত ৰাজ্য বিস্তাৰৰ সুযোগ ল'লে বদন বৰফুকনৰ আমন্ত্ৰণত, এই প্ৰসংগত নগেন শইকীয়াৰ উক্তি মন কৰিবলগীয়া—

> *... the first half of the century saw the end of the six hundred years old regime of the Ahom king alongwith the breakdown of the political, economic, social and culturel setup and values of the past, and paved the way for the British power to rearrange the political, economic and social conditions according to their own motivation, and for the Baptist Missonaries to propogate new cultural values consistent with the temper of the new era.*[১]

ইয়াৰ পিছত ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰি তাৰিখে ইয়াণ্ডাবু সন্ধি অনুসৰি অসম ইংৰাজৰ অধীন হয়। অসমৰ স্বাধীনতাৰ গৌৰৱ ৰবি অস্তমিত হোৱাত নিজৰ শক্তি-সম্পদ, সন্মান, গৌৰৱ সকলো হেৰুৱাই বিদেশী প্ৰভাৱ আৰু অসমৰ সভ্যতাৰ প্ৰতি হোৱা আক্ৰমণৰ প্ৰতিৰোধ, নিজৰ মাত-কথাৰ পৰাও বঞ্চিত হোৱা সময়ত বিজেতা জাতিৰ আগ্ৰাসনত অসমৰ জাতীয় জীৱন

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

১. *Saikia Nagen, Background of Modern Assamese Literature. Omson. p 1, 1988*

বিপন্ন হৈছিল। এয়া অসমীয়াৰ জীৱন-মৰণৰ সন্ধিক্ষণ। নিজে হীনমন্যতাত ভুগি ইংৰাজ সভ্যতাৰ প্ৰতি আকৰ্ষিত হোৱাও দেখা গ'ল। আনহাতে ইংৰাজসকলে ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক অৱস্থাৰ পৰিৱৰ্তন সাধন কৰিলে। এই প্ৰসংগত হেৰম্বকান্ত বৰপূজাৰীয়ে কৈছে— *"During the Process of transition the English educated youths were carried away in Assam as elsewhere by the strong current of western culture. They beame anglicised and adopted not only western idea but also dress, customs and manners"*[২] গতিকে ইংৰাজৰ চলন-ফুৰণ, আচাৰ-ব্যৱহাৰ, কৃষ্টি-সভ্যতা, সাহিত্য— সকলোতে নিজৰবোৰক হেয় মনোভাব পোষণ কৰিবলৈ ধৰিলে। এনে এক নিৰাশাৰ অন্ধকাৰত পোহৰৰ বন্তি জ্বলালে আনন্দৰাম ঢেকীয়াল ফুকন (১৮২৯-৫৯) হেমচন্দ্ৰ বৰুৱা (১৮৩৫-৯৬) আদিয়ে। আনহাতে ১৮২৩ চনৰ পৰা ১৯৩১ চনলৈকে ডেভিদ স্কটে অসমীয়াক মানৰ হাতৰ পৰা ৰক্ষা কৰি আৰু লগতে অসমীয়াৰ স্বাৰ্থ সংৰক্ষণৰ বাবে গৱৰ্ণৰ জেনেৰেলৰ এজেণ্টৰূপে অসম শাসন কৰে। স্কটে অসমীয়া মানুহক চাকৰিত নিয়োগ কৰে। কেপ্টেইন হোৱাইট চাহাবে এবাৰ পুলিচ বিভাগৰ চাকৰিত দহজন কৰ্মচাৰীৰ ভিতৰত ৮ জন বাঙালী নিয়োগ কৰাত ১৮৩০ চনৰ ২০ ডিচেম্বৰ তাৰিখে কিয় বাঙালী অধিক নিয়োগ কৰা হ'ল তাৰ কাৰণ জনাবলৈ নিৰ্দেশ দিয়ে।[৩] সদৰামিনৰ আত্মজীৱনীতো বাঙালী কৰ্মচাৰীৰ আগ্ৰাসানৰ বিৱৰণ আছে।[৪] এই সময়তে ভাৰতীয় জাতীয় চৈতন্য জাগৰণৰ সূত্ৰপাত হয়। ৰাজা ৰামমোহন ৰায়ে (১৮৩৩-১৮৭২) এক বিশ্বজনীন ধৰ্মৰ অংগস্বৰূপে বেদান্ত ধৰ্মৰ মতবাদক ভিত্তি কৰি ব্ৰাহ্ম সমাজ প্ৰতিষ্ঠা কৰে। পণ্ডিত ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰে (১৮২৩-৯১) মনুষ্যত্ববোধ প্ৰতিষ্ঠাত অগ্ৰণী ভূমিকা পালন কৰে। ইয়াৰ ফলত বংগত এক নৱজাগৰণ সৃষ্টি হয়। তদুপৰি ১৯১১ চনলৈকে কলিকতা ভাৰতবৰ্ষৰ ৰাজধানী আছিল। ১৯১১ চনতহে দিল্লী ভাৰতবৰ্ষৰ ৰাজধানী হয়।

### মিছনেৰীসকলৰ আগমন

ইষ্ট ইণ্ডিয়া কোম্পানীয়ে খ্ৰীষ্টীয়ান চাকৰিয়ালসকলৰ মংগল আৰু ভাৰতবৰ্ষত ক্ষমতা অক্ষুণ্ণ ৰাখিবলৈ প্ৰথম অৱস্থাত যদিও ধৰ্মক গুৰুত্ব দিছিল পিছলৈ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ধৰ্ম নিৰপেক্ষতাৰ ওপৰত অধিক গুৰুত্ব দিলে। ১৭৯৩ চনত যুগুত কৰা আইনত হিন্দুৰ শাস্ত্ৰ আৰু কোৰানৰ প্ৰতি আনুগত্য প্ৰকাশ কৰা হ'ল। ঊনবিংশ শতিকাৰ আৰম্ভণিত ভাৰতবৰ্ষলৈ মিছনেৰী পঠিয়াবৰ কাৰণে ইংলণ্ডত আন্দোলন হৈছিল। ইয়াৰ ফলত ১৮১৩ চনত এখন নতুন চনদ যুগুত হ'ল। সেই চনদমতেই ভাৰতবৰ্ষলৈ মিছনেৰীসকলৰ আগমণৰ পথ প্ৰশস্ত হয় আৰু ইষ্ট ইণ্ডিয়া কোম্পানীৰ অধিকৃত অঞ্চলৰ বাবে কলিকতাত এক বিশ্বপ নিয়োজিত হয়।

১৮০০ চনৰ জানুৱাৰি মাহত William Ward আৰু J. Marshmann -ৰ সহায়ত শ্ৰীৰামপুৰত বেপ্টিষ্ট মিছনৰ শাখাৰূপে শ্ৰীৰামপুৰ মিছন স্থাপন হয়।[৫]

২. *Barpujari H.K : Political History of Assam, Vol I Publiction Board of Assam, P. 124, 1999*

৩. *আলোচনী, অষ্টম বছৰ প্ৰথম সংখ্যা*

৪. *গোস্বামী যতীন্দ্ৰনাথ ঃ জগন্নাথ বৰুৱা, অসম সাহিত্য সভা পৃ. ৪, ১৯৭৬*

৫. *বৰপূজাৰী হেৰম্বকান্ত ঃ আমেৰিকান মিছনেৰীসকল আৰু ঊনবিংশ শতিকাৰ অসম, অঃ সাঃ সভা, পৃ. ২, ১৯৮৩*



উইলিয়াম কেৰীয়ে বাইবেল বঙলা ভাষালৈ তৰ্জমা কৰে। ১৮৩১-৩২ চনৰ ভিতৰত অসমীয়াকে লৈ মুঠ ৪২ টা ভাষাত বাইবেল ছপা হৈছিল, এসময়ৰ জোটা চিলাই কৰা ব্যৱসায়ত মগ্ন হোৱা কেৰী সময়ত আধ্যাত্মিক জ্ঞানত পুষ্ট হয়। তেওঁ ১৮১৩ চনত বাইবেলৰ অনূদিত ধৰ্মপুস্তক প্ৰকাশ কৰে। ইয়াৰ আগত বিশ্বত ৮৬৮ খ্ৰীষ্টাব্দত প্ৰথমখন গ্ৰন্থ মুদ্ৰিত হয়। এইখন চীনা ভাষাত ৰচিত The Diamond Sutra. তেনেকৈ ভাৰতীয় ভাষাত প্ৰথমখন গ্ৰন্থ মুদ্ৰিত হয় ১৫৭৮ খ্ৰীষ্টাব্দত। তামিল ভাষাত ৰচিত এই গ্ৰন্থখনৰ নাম Thampiraam Vanakkam.[৬] কেৰীৰ শিষ্য কৃষ্ণচন্দ্ৰ পালক খ্ৰীষ্টৰ বাণী প্ৰচাৰৰ বাবে অসমলৈ পঠিয়াইছিল। সেই সময়ত গৱৰ্ণৰ জেনেৰেলৰ এজেণ্ট ডেভিড স্কটৰ পৃষ্ঠপোষকতাত গুৱাহাটীত এটি মিছন প্ৰতিষ্ঠা হয়। আৰ্থিক সমস্যাৰ বাবেই তেওঁ এই কামত সফল হ'ব নোৱাৰিলে। ইয়াৰ পিছত গাৰোপাহাৰত ধৰ্ম প্ৰচাৰৰ চেষ্টা কৰে যদিও তেওঁ তাতো বিফল হৈ ৰেভাৰেণ্ড নাথান ব্ৰাওন আৰু অলিভাৰ টি কাটাৰক শদিয়াত মিছন পাতিবলৈ নিৰ্দেশ দিয়ে। সেইমতে মিছন পাতিলে যদিও তেওঁলোক প্ৰথম অৱস্থাত বৰ হতাশ হ'ল কিয়নো খামটি আৰু শদিয়াৰ আশে পাশে থকা অসমীয়া মানুহৰ মাজত তেওঁলোকে প্ৰচাৰ কাৰ্য আৰম্ভ কৰিছিল। হেৰম্বকান্ত বৰপূজাৰীয়ে কৈছে— *"মিছনেৰীসকল পোনতে দুটা সমস্যাৰ সন্মুখীন হ'ব লগা হ'ল। প্ৰথমটো ভাষা আয়ত্ব কৰা আনটো তেওঁলোক থকাৰ ব্যৱস্থা আৰু এটা স্কুল ঘৰ তৈয়াৰ কৰা। ব্ৰাওনে দেখিলে যে খামটি ভাষা ব্ৰহ্মদেশৰ উত্তৰাংশৰ শ্বান ভাষাৰ অনুৰূপ। অসমীয়া মানুহৰ এটা লিখিত ভাষা আছিল যদিও কোনো দোভাষীও নাছিল। যদিও সংখ্যাতো কম ২,০০০ জন মানহে মানুহ আছিল।*[৭] সেয়ে ব্ৰাওন আৰু তেওঁৰ পত্নীয়ে প্ৰথমে বিশেষ্যবাচক পদবোৰ শিকি লগতে ক্ৰিয়াও আয়ত্ব কৰি লৈছিল। লগতে বহুত কষ্ট কৰি ঘৰ সাজিও লৈছিল আৰু ল'ৰা আৰু ছোৱালীৰ বাবে বেলেগ বেলেগকৈ পঢ়াশালিও পাতিছিল। লাহে লাহে তেওঁলোকে অসমীয়া ভাষা শিকি লৈছিল। নানা সমস্যাৰ সন্মুখীন হৈ অৱশেষত ব্ৰাওনে শিৱসাগৰলৈ মিছন উঠাই নিবলৈ সিদ্ধান্ত কৰে (১৮৪৩)। ইতিমধ্যে বাৰ্কাৰ গুৱাহাটীলৈ আৰু ব্ৰন্সন নগাঁৱলৈ যায়। ব্ৰাওনে অসমীয়া ভাষা শিকি মুক্তকণ্ঠে প্ৰশংসা কৰিছে আৰু অসমৰ বিদ্যালয়ত অসমীয়া ভাষা নিশিকাই বঙলা ভাষা শিকোৱাৰ বাবে প্ৰথম প্ৰতিবাদ সাব্যস্ত কৰে। কোম্পানীৰ আমোলত অৰ্হতাসম্পন্ন লোক অসমত নিয়োগ কৰিবলৈ সমৰ্থ নোহোৱাত শাসনত কিছু সমস্যা হৈছিল। সেই কথা স্কটে ১৮২৬ চনৰ ৭ জুলাই তাৰিখে গৱৰ্ণৰলৈ পত্ৰ প্ৰেৰণ কৰিছিল। এই প্ৰসংগত হেৰম্বকান্ত বৰপূজাৰীয়ে কৈছে— *"ইয়াৰ পৰা এইটো নুবুজায় যে এজেণ্টে অসমীয়া লোকৰ নিযুক্তিৰ একেবাৰে বিৰোধী আছিল, বৰং ইউৰোপীয় বিষয়াৰ তদাৰকত পূৰ্বৰ ডা-ডাঙৰীয়াসকলকে তেওঁলোকৰ আগৰ উত্তৰাধিকী সূত্ৰে পোৱা কামবিলাক চলাই যোৱাৰ পক্ষেই স্কট চাহাবৰ মূল নীতি আছিল।"*[৮] ১৮৩০ চনত নিউভিল চাহাবেও ৰাজহ, বিচাৰ ব্যৱস্থা আৰু পুলিচৰ চাকৰিত বংগদেশৰ পৰা লোকক আনি মকৰল কৰিছিল। হেৰম্বকান্ত বৰপূজাৰীৰ মতে— *"১৮৩০ চনৰ ২৫ মাৰ্চ তাৰিখৰ চিঠিত স্কটে এই বিষয়ে*

৬. *হাজৰিকা সূৰ্য (সম্পাদিত) ধৰ্মপুস্তক, অসম প্ৰকাশন পৰিষদ পৃ. ৯, ২০১২*

৭. *পূৰ্বোক্ত (৫), পৃ. ৭*

৮. *Barpujari H.K. , Assam In the Days of Company, qv in ibid (5) p. 24, 1980*

*উল্লেখ কৰোঁতে ফৰ্ট উইলিয়াম কৰ্তৃপক্ষই পাছীৰ সলনি বঙলা ভাষাক অসমৰ কাছাৰীত ব্যৱহাৰ কৰিবলৈ এজেন্টলৈ নিৰ্দেশ দিয়ে।*[৯] অসমৰ উজনি অঞ্চলৰ লোকে বঙলা ভাষা ভালকৈ বুজি পোৱা নাছিল যদিও "আসাম ক'ড" বঙলা ভাষালৈ তৰ্জমা কৰি আইনমতে বঙলা ভাষাক মৰ্যাদা দিয়া হ'ল। অৰ্থাৎ প্ৰশাসনীয় সুবিধাৰ বাবেই কোম্পানীয়ে বঙলা ভাষা প্ৰৱৰ্তন কৰে। এই প্ৰসংগত ডিম্বেশ্বৰ নেওগে কৈছে—"... *১৮৩৬ খ্ৰীঃত পতিত পাৱনী গিৰিহঁতনী অসমীয়া ভাষাক গুচাই ন-চহকীৰ ন-জীয়ৰী চাপনী বঙলা ভাষাক অসমৰ ৰৰঘৰত সুমুৱাই কাললৈ কুখ্যাতি ৰাখিলে। ১৮৩৭ চনৰ ২৯ আইন অনুসাৰে ভাৰতবৰ্ষৰ সকলো স্থানীয় চৰ্কাৰেই পঢ়াশালি আৰু আদালতত মাতৃভাষা চলাবলগা নিয়ম হ'ল। কিন্তু অসমৰ বেলিকা এই আইনৰো একো বল নহ'ল।*"[১০] চৰকাৰৰ বিৰুদ্ধে মাত মাতিবলৈ সেই সময়ত অসমত কোনো বুদ্ধিজীৱী শ্ৰেণী গঢ় লৈ উঠা নাছিল। অৱশ্যে ১৮৫৩ চনত আনন্দৰাম ঢেকীয়াল ফুকনে বঙলা ভাষা প্ৰৱৰ্তনৰ বিৰুদ্ধে প্ৰথম মাত মাতে। তেওঁ সেই চনতে অসমৰ প্ৰশাসন সম্বন্ধে এ.জে. মফাট মিলছৰ ওচৰত আৱেদন কৰে। আনহাতে ইউলিয়াম ৰবিনছনে অসমীয়া ভাষা যে বঙলাৰ পৰা পৃথক নহয় এই মত পোষণ কৰে যদিও ছদ্মনামত এজন Native -এ এই মত খণ্ডন কৰে। ১৮৫৫ চনত তেওঁ অসমীয়া ভাষা সম্বন্ধে এখন পুস্তিকা শিৱসাগৰ মিছন প্ৰেছৰ পৰা প্ৰকাশ কৰে। এই নেটিভজনেই আনন্দৰাম ঢেকীয়াল ফুকন। মহেশ্বৰ নেওগে আনন্দৰাম ঢেকীয়াল ফুকনক অসমীয়া ভাষাৰ প্ৰতিভাশালী ত্ৰাতা আৰু নিৰ্মাতা বিভূষাৰে বিভূষিত কৰিছে।[১১] আনন্দৰাম ঢেকীয়াল ফুকনে আৰম্ভ কৰা এই যুদ্ধত মফাট মিলছ, ব্ৰাওণ, ব্ৰনছন আদিয়েও সহযোগ কৰাত আৰু ইংৰাজৰ অফিচিয়েটিং কমিছনাৰ কৰ্ণেল হাটন আদিয়ে অসমীয়াৰ সপক্ষে মাত মাতিলে। ইয়াৰ লগত ডেনফৰ্থ, হুইটিং ওৱাৰ্ড, ষ্টোডাৰ্ড আদি মিছনৰ মুৰব্বীৰ মতৰ মিল হ'ল। আনহাতে ডেনফ'ৰ্থ-এ এনেকৈ গভৰ্ণৰক বুজালে— "*The boys are set to learn Bangalee, they spend a year or two in running over, parrot-like, unmeaning words and sentences without the slightest idea of what they read... how could we expect there should be either interest in education policy or advancement in study... this feature of education policy... (is) destructive of the highest motive of education, and must necessarily cripple the advancement of the schools as well as separate them from the sympathies of the peaple*''[১২] মিলছক ডেনফ'ৰ্থে বুজাই দিছিল যে—"*ভাবৰ প্ৰকাশেই ভাষা... অসমীয়াই অসমীয়াহে বুজি পায়, বঙলা তেওঁবিলাকৰ ভাষা নহয় ই (তেওঁলোকৰ) ভাবৰ প্ৰকাশ কৰিব নোৱাৰে। অসমীয়া আৰু বঙলা ভাষাই একেটা মূল সংস্কৃতৰ পৰাই শব্দভাণ্ডাৰ গ্ৰহণ কৰিছে। গতিকে শব্দৰ যথেষ্ট মিল থাকিবই। বঙালী পণ্ডিতে স্বাভাৱিকতেই বেছি অসমীয়া বুজি পায়। ইংৰাজী জনা পণ্ডিত এজনে লাটিন নিউ টেষ্টামেণ্টৰ বহুলাংশৰ অৰ্থভেদ কৰিব পাৰিব, কিন্তু*

♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦

৯. *Barpujari H.K. , Assam In the Days of Company, qv in ibid (5) p. 24, 1980*,পৃ. ৩৪

১০. শইকীয়া, নগেন (সম্পা.), ডিম্বেশ্বৰ নেওগ ৰচনাৱলী, অসম প্ৰকাশন পৰিষদ পৃ. ১০২, ২০১২

১১. মহেশ্বৰ নেওগ, অসমীয়া সাহিত্যৰ ৰূপৰেখা, চন্দ্ৰ প্ৰকাশ, পৃ. ২৩৩, ২০১০

১২. *Mill A.J.M., Report of Assam, 1854, q.v. in ibid 94*



*সেইবুলি ই লাটিন ইংৰাজী হ'ব নোৱাৰে। কিম্বা আগৰ কাৰণতো বঙলা ভাষাও অসমীয়া হ'ব নোৱাৰে।*"[১৩] অসমীয়া ভাষাৰ পুনৰ প্ৰতিষ্ঠাৰ কাৰণে হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা, ৰমাকান্ত চৌধুৰীয়ে বিবিধ পুথি লিখি সেই আন্দোলনত যোগ দিছিল।* মিছনেৰীসকলে অসমৰ শুভচিন্তা কৰাৰ মাধ্যমৰূপে 'অৰুনোদই' সম্বাদপত্ৰ উলিয়ালে। এই পত্ৰত ৰাজভগনৰ কথাৰ পৰা কলথোকা বাদুলিয়ে খোৱালৈকে সকলো সামৰা হৈছিল। অসমীয়া ভাষাৰ পুনৰ প্ৰতিষ্ঠাৰ আন্দোলনৰ নেতৃত্ব দি শুই থকা অসমীয়াক জাগ্ৰত কৰিলে। অসমৰ অতীত উদ্‌ঘাটন, মুদ্ৰাবিভাজন অধ্যয়ন, নব্য অৰ্থনৈতিক দৃষ্টি, গীতালৰ বাৰ্তা, নৃতাত্ত্বিক অধ্যয়ন, সামাজিক কু-সংস্কাৰ, অন্ধবিশ্বাস, শিক্ষাৰ প্ৰসাৰ, জ্ঞান-বিজ্ঞানৰ বাৰ্তা, অসমীয়া ভাষাৰ ঐতিহ্য বিচাৰ আদিৰে অসমীয়া আধুনিক জীৱনৰ নৱ প্ৰভাতলৈ ৰূপান্তৰ হ'ল।

"অৰুনোদই" সম্বাদ-পত্ৰ, লেখকসকল, মিছনেৰীসকল আৰু অসমৰ বুদ্ধিজীৱী কেইজনমানে আগবঢ়োৱা অকাট্য যুক্তিয়ে শাসক পক্ষক প্ৰত্যয় নিয়াব পাৰিছিল। আগতে উল্লেখ কৰা মিছনেৰীসকলৰ উপৰি জেমছ মূৰেই বঙলা ভাষা যে পৃথক ভাষা এই কথা অকাট্য যুক্তিৰে চৰকাৰক বুজাই দিয়ে। মিছনেৰী আৰু অসমীয়া বুদ্ধিজীৱীৰ যুক্তি চৰকাৰে গ্ৰহণ নকৰিলে; অৱশ্যে এটা মধ্যম পন্থা অৱলম্বন কৰিলে। "*অসমত কাম কৰি থকা বেসামৰিক, বিষয়াসকলে অসমীয়া ভাষাৰ যোগ্যতা ল'ব পৰা পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব।*"[১৪] ডক্টৰ মাইলছ ব্ৰনছনৰ নেতৃত্বত ১৮৭২ চনৰ মাৰ্চ মাহৰ ৯ তাৰিখে ১৩৪ জন শিক্ষিত অসমীয়াই সাহসেৰে প্ৰতিবাদ কৰে। এই প্ৰসংগত হেৰম্বকান্ত বৰপূজাৰীয়ে কৈছে—"*The argument put forward by the pro-Bengal elements were ably refuted in a memorial signed by 134 educated Assamese headed by Bronson on 9th March, 1872. Sir George Campbel, the Lieutenant Governor, was told that the authorities in Calcutta had sofar failed to do justice to the Assamese mainly because their ignorance of the Assamese or Bengali language had made them to rely on their Bengali subordinates - persons naturally averse to introduction of Assamese in the court and school in Assam, The memorialists never fail to convince the Lieutenant Governor that the demands made by the Assamese were reasonable, that "Assamese was still the vernacular of the people." It is taught in Missionary School" and that there are books and Dictionary published in the Assamese language.*[১৫] উল্লিখিত যুক্তিয়ে লে. গভৰ্ণৰ ছাৰ

♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦

১৩. পূৰ্বোক্ত, পৃঃ ৩৯

* ১৮৭১ চনৰ পৰা ১৯০০ চনলৈকে মুঠ ১৯৮ খন পাঠ্যপুথি ছপা হৈছিল। (উৎস *Saikia Nagen, Background & Modern Assamese Literature*)

১৪. Assam commission, file 471, 1862-73, q. v in ibid p. 39

১৫. Bhuyan Arun (ed.) National Upsurge in Assam p. 98, 2000

জৰ্জ কেম্পবেলক পতিয়ন নিয়ালে আৰু ১৮৭৩ চনৰ ১৯ এপ্ৰিল তাৰিখে কাছাৰী আৰু বিদ্যালয়ত অসমীয়া ভাষা প্ৰৱৰ্তন কৰিবলৈ সিদ্ধান্ত লয়।* অৱশ্যে ইয়াতো এটা চৰ্ত আৰোপ কৰা হৈছিল—

''*যেতিয়াই বাৰজনীয়া বা তাতোকৈ বেছি ছাত্ৰ থকা শ্ৰেণীয়ে বিচাৰে তেওঁবিলাকক বঙলা ভাষা পৃথকে শিকাব পাৰিব।*''[১৬] ভাষাৰ বিতৰ্কৰ ওৰ পৰিল যদিও বিদ্যালয়ৰ বাবে পাঠ্যপুথি যুগুত কৰা প্ৰয়োজন হ'ল। অসমীয়া ভাষা-সাহিত্যৰ পুনৰুজ্জীৱিত কৰা আদি প্ৰত্যাহ্বান অসমৰ বুদ্ধিজীৱীসকলে গ্ৰহণ কৰিবলগীয়া হ'ল। প্ৰাথমিক অৱস্থাত যিবোৰ বিষয়ৰ অসমীয়া পাঠ্যপুথি আছে সেইখিনি অসমীয়াতে হ'ব নহ'লে ইংৰাজী বঙলা পাঠ্যপুথি ব্যৱহাৰ কৰিব লাগিব।[১৭]

প্ৰথম অৱস্থাত ১৮৪৯ চনত মুদ্ৰিত আৰু ১৮৫৫ চনত প্ৰকাশিত আনন্দৰাম ঢেকীয়াল ফুকনৰ *অসমীয়া ল'ৰাৰ মিত্ৰ*-কে প্ৰাথমিক শিক্ষাত পাঠ্যক্ৰম প্ৰস্তুত কৰিবলগীয়া হ'ল। ইয়াৰ প্ৰথম দুছোৱা প্ৰকাশিত হৈছিল। এই প্ৰসংগত গুণাভিৰাম বৰুৱাই কৈছে যে নানা উপদেশ গৰ্ভ ইংৰাজী প্ৰস্তাৱৰ পৰা সংগ্ৰহ কৰি *অসমীয়া ল'ৰাৰ মিত্ৰ* নামে দুই কাণ্ড অসমীয়াত প্ৰচাৰ কৰে।[১৮] এইখনেই প্ৰথম অসমীয়া আদি পাঠ বুলি নগেন শইকীয়াই উল্লেখ কৰিছে।[১৯]

প্ৰায় দুটা দশক প্ৰকাশ বন্ধ হৈ থকা *অসমীয়া ল'ৰাৰ মিত্ৰ* ১৮৭৩ চনত গুণাভিৰাম বৰুৱাই প্ৰকাশ কৰে। যি কি নহওক ঢেকীয়াল ফুকনৰ *অসমীয়া ল'ৰাৰ মিত্ৰ*-ৰ পাঠসমূহ আছিল—

*পাঠকৰ প্ৰতি নিৱেদন, নানা বচন, দানশীল তিৰোতাৰ আখ্যান, দানশীল য়িহুদীৰ আখ্যান, ভাল লৰাৰ কথা, ভাল হবৰ উপায়, পণ্ডিত আৰু বলী মানুহৰ কথা* আদি মুঠ ৯৪ টা পাঠ সন্নিবিষ্ট পুথিখনৰ প্ৰথম পাঠটিৰ এটা অনুচ্ছেদ উদ্ধৃত কৰা হৈছে। অনুচ্ছেদটো অসম আৰু অসমীয়া ভাষা-সাহিত্যৰ প্ৰতি আনন্দৰামৰ গভীৰ অনুৰাগৰ এতলা যেন লাগে—

"*হে প্ৰিয় লৰাবিলাক ভালেমান পুৰুষাৰ্থ কৰি তোমালোকৰ উপকাৰৰ নিমিত্তে আমি এই পুথি প্ৰস্তুত কৰিলোঁ। তোমালোকে বিদ্যা শিকি কেনেকৈ জ্ঞানী হবা তাত বাজে আমাৰ আন*

* *অসমীয়া ভাষা ন-কৈ প্ৰবৰ্তনৰ ক্ষেত্ৰত মত বিৰোধ নথকা নহয়। পণ্ডিত হেমচন্দ্ৰ গোস্বামী আৰু বেণুধৰ ৰাজখোৱাই ১৮৭১ চনত চৰকাৰে অসমৰ স্কুল আৰু আদালতত অসমীয়া ভাষা প্ৰচলনৰ আদেশ দিয়ে বুলি উল্লেখ কৰিছে। ডিব্ৰুগড়ত পূৰ্ণকান্ত দেৰশৰ্মাই জ্ঞানাংকুৰ (১৮৮৩) পুথিৰ পাতনিত ১৮৭১ চনত বুলি উল্লেখ কৰিছে। ডিম্বেশ্বৰ নেওগে ১৮৭২ চনৰ ৬ মাৰ্চ তাৰিখৰ হাইকোৰ্টৰ ৮নং চাকুলাৰৰ যোগেদি অসমীয়া ভাষা বাধ্যতামূলক কৰে, আৰু ১৮৩৭ চনৰ ২৯ নং আইন আৰু ফৌজদাৰী আইনৰ ৩৩৭ নং ধাৰামতে বংগ চৰকাৰৰ বিচাৰ বিভাগে কলিকতাৰ পৰা ১৮৭৩ চনৰ ২৫ জুলাই তাৰিখে অসমীয়া ভাষা পুনৰ্বাসণ হয় বুলি জনাইছে। ১৯৭৩ চনৰ The Hindoo Patriot-ৰ ৪ আগষ্ট সংখ্যাত আছে— The Bangal Government Notices that the Assamese Language of the courts in the five districts of Assam viz Kamroop, During Nowgong, Seebsagar and Luckimpore (q.v. in ibid, Page - 3)*

১৬. পূৰ্বোক্ত পৃ. ১৪১, ১৯৯৯

১৭. *Every subject in which where there is an Assamese book is to be taught in Assamese, subject in which Assamese school books do not exist, can be taught either in Bengali or in English – ibid 142, 1999*

১৮. ভূঞা যোগেন্দ্ৰনাৰায়ণ (সম্পা.), অসমীয়া লৰাৰ মিত্ৰ, (ভূমিকা ১)

১৯. Saikia Nagen : Background of Modern Assamese Literature, p 177, 1988.



*একো অভিপ্ৰায় নাই, এই হেতুকে তোমালোকে এই পুস্তকত থকা কথাবিলাক ভালকৈ মন দি পঢ়িলে আমি (হৰ্ষ) পাম আৰু তোমালোকৰো ভাল হব...*" (পৃ. ১) গ্ৰন্থখন কলিকতাৰ সমাচাৰ চন্দ্ৰিকা ছপাশালৰ পৰা প্ৰকাশিত হৈছিল। পাঠ্যপুথি প্ৰকাশৰ বাবে চৰকাৰে পুৰস্কাৰো ঘোষণা কৰিছিল। পুৰস্কাৰ লাভ কৰিছিল—"*This was borne out by the fact that only a limited number of Assamese authors competed for prizes in text book declared by the Government and even those submitted barring two were found unsuitable.*"[২০] ডিম্বেশ্বৰ নেওগে উপযুক্ত লেখক দুজনৰ নাম উল্লেখ কৰিছে। তেওঁলোক হ'ল হেমচন্দ্ৰ বৰুৱা আৰু ভাতৃ তুলসীৰাম বৰুৱা বুলি। আনহাতে ১৯৮০-৮১ চনৰ ভিতৰত চৈধ্যজন অসমীয়া লোকৰ পাঠ্যপুথি স্কুলত চলোৱা হৈছিল।[২১] সেইসকলৰ ভিতৰত উল্লেখযোগ্য গুণাভিৰাম বৰুৱা, হেমচন্দ্ৰ বৰুৱা, পদ্মহাস গোস্বামী, কালীৰাম বৰুৱা, পদ্মাৱতী দেৱী ফুকননী, দীনবন্ধু তৰ্কালংকাৰ, ৰজনীকান্ত চক্ৰৱৰ্তী, তুলসীৰাম বৰুৱা আদি।

অসমৰ শিক্ষানীতি ধৰ্ম নিৰপেক্ষ। সেয়ে মিছনেৰীসকলৰ গ্ৰন্থ প্ৰকাশো কমি আহিল। তৎসত্ত্বেও সৰু সৰু পুস্তিকা প্ৰকাশিত হৈছিল। তাৰ ভিতৰত উল্লেখযোগ্য *অসমীয়া আখৰ-জোঁটনি পুথি, বৰ্ণফলা, আখৰ-জোঁটনি পাঠ্য, ওৱৰচেষ্টাৰ প্ৰিমিয়াৰৰ ভাঙনি, বানপানীৰ বুৰঞ্জী, সৃষ্টিৰ বুৰঞ্জী, অসমীয়া স্তোত্ৰ, ছাৰমন অন দি মাউণ্ট ইত্যাদি।* তেনেকৈ ব্ৰাওণৰ পত্নী এলিজা ব্ৰাওনে *আফ্ৰিকাৰ কোঁৱৰ, ৰামগতিৰ কাহিনী, ৰেবিৰ কাহিনী, ধাৰ্মিক চহা, মাউৰা ছোৱালী, ঈগলৰ বাঁহ* আদি লিখিছিল।

এই সময়ছোৱা অসমীয়া ভাষাৰ প্ৰাণ প্ৰতিষ্ঠাৰ যুগ। নগেন শইকীয়াই কৈছে— *During this period the Christian and non-Christian writers came up and tried their best for the upliftment of Assamese language and literature*[২২] ইংৰাজী ভাষাত লিখা প্ৰথমখন অসমীয়া ভাষাৰ ব্যাকৰণখন লেখিছিল ৰবিনছনে। ব্যাকৰণখনৰ নাম *A Grammar of Assamese Language* (১৮৩৯)। ইয়াৰ পিছৰখন ব্যাকৰণ ড° নাথান ব্ৰাওনে ৰচনা কৰে। ১৮৪৮ চনত ইংৰাজীত লিখা এই অসমীয়া ব্যাকৰণখনৰ নাম— *Grammatical Notices of the Assamese Language*. এই ব্যাকৰণখনত অসমীয়া ভাষা যে বঙলাৰ পৰা ওলোৱা নাই সেই বিষয়েও আলচ কৰিছে। এইখন ব্যাকৰণ *P H Moor* চাহাবে ১৮৯৩ চনত *Grammatical Notes on the Assamese Language* নামেৰে প্ৰকাশ কৰে। অসমীয়া মানুহে অসমীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে হেমচন্দ্ৰ বৰুৱাই যুগুত কৰা *অসমীয়া ভাষাৰ ব্যাকৰণ*(১৮৫৯)।

২০. *Barpujari H.K., ibid p. 142. (নগেন শইকীয়াই 'জোনাকী'ৰ একত্ৰ সংকলনৰ ভূমিকাত অৱশ্যে কৈছে— উল্লেখযোগ্য যে এই প্ৰতিযোগিতাত মুঠ ৫৮ জন লেখকে অংশ গ্ৰহণ কৰিছিল আৰু তাৰে দহজন লেখকৰ কিতাপ বাছনিত উঠিছিল আৰু তিনিজন লেখক পুৰস্কৃত হৈছিল। পুৰস্কৃত হোৱাসকল আছিল প্ৰথম স্থান লাভ কৰোতা হেমচন্দ্ৰ শৰ্মা বৰুৱা, দ্বিতীয় স্থান লাভ কৰোঁতা তুলসীৰাম বৰুৱা আৰু তৃতীয় স্থান লাভ কৰোঁতা আমেৰিকান মিছনেৰী E.W. Clarke (জোনাকী, ভূমিকা পৃ. ০০৭)*

২১. বৰপূজাৰী, হেৰম্বকান্ত পূৰ্বোক্ত পৃ. ৪৬ (অঃ সাঃ সভা)

২২. *ibid* p. 20

সংস্কৃতক ঘাইকৈ অনুকৰণ কৰাৰ বাবে ব্যাকৰণখন সূত্ৰধৰ্মী হৈছিল। ইয়াৰ পিছত ১৮৭৩ চনত এইখন সংশোধন কৰে। ইয়াৰ উপৰি ১৮৮২ চনত হেমচন্দ্ৰ বৰুৱাই *'অসমীয়া লৰাৰ ব্যাকৰণ'* এখনো প্ৰকাশ কৰিছিল। হেমচন্দ্ৰ বৰুৱাৰ ব্যাকৰণেই অসমীয়া ব্যাকৰণ সুদৃঢ় বুনিয়াদ ৰচনা কৰিছিল আৰু পৰৱৰ্তী কালৰ লেখকসকলক ব্যাকৰণ প্ৰণয়নৰ আৰ্হি প্ৰতিষ্ঠা কৰিছিল।[২৩] মুঠতে *"এই যুগতো ভাষাৰ ক্ষেত্ৰত বাট বিচৰা, বাট কটাৰ যুগ... বেপটিষ্টসকলে অসমীয়া ব্যাকৰণ অভিধান, পঢ়াশলীয়া পুথি লিখি আৰু প্ৰকাশ কৰি আলোচনী তথা খবৰ কাগজৰ উৎকৃষ্ট নিদৰ্শন 'অৰুনোদই' ত্ৰিশ বছৰ কালৰ অধিক চলাই, পঢ়াশালি আদালতত অসমীয়া ভাষাৰ হেৰোৱা ঠাই পুনৰুদ্ধাৰৰ যুঁজত প্ৰথম আৰু শক্তিশালী যুঁজাৰু হৈ অসমীয়া লেখকক নতুন অসমীয়া ভাষা লিখাত কলম ধৰাই, অসমীয়া পদাৱলীত ইংৰাজীৰ সম্ভাৰ আৰু অসমীয়া বাক্য ৰীতিত ইংৰাজী প্ৰভাৰ সুমুৱাই অসমীয়া ভাষাক মৃত সঞ্জীৱনীৰে নতুন জীৱন দিলে, আধুনিক সাহিত্য সৃষ্টিৰ বাবে অসমীয়া ভাষাৰ পথাৰত প্ৰথম নাঙল চোঁচৰালে আৰু আটাইতকৈ ডাঙৰ অসমীয়া মানুহক আত্মপ্ৰত্যয় শিকালে।"*[২৪]

## অসমীয়া ছাত্ৰ সাহিত্য সভা

### পৃষ্ঠভূমি

ওৱাৰেন হেষ্টিংছে (১৭৭২-৮৫) কলিকতাত ৰাজধানী পতাৰ লগে লগে ১৭৭৪ চনত কলিকতাত ছুপ্ৰীম ক'ৰ্ট স্থাপন হয়। ১৮০০ চনত ফোৰ্ট উইলিয়াম কলেজ, ১৮১৭ চনত হিন্দু কলেজ প্ৰতিষ্ঠা হয়। ইয়াৰ উপৰি বিবিধ চৰকাৰী দপ্তৰ কলিকতাত স্থাপিত হয়। ১৮৫৭ চনত কলিকতা বিশ্ববিদ্যালয়ৰ স্থাপন হয়। ১৮৫৮ চনৰ পৰা ১৮৮১ চনলৈকে কলিকতা বিশ্ববিদ্যালয়ৰ স্নাতক সংখ্যা ১৭১২ জন আৰু স্নাতকোত্তৰ ৪২৩ জন।

১৮৯৩ চনৰ পৰা ১৯০০ চনলৈ উচ্চ শিক্ষাৰ অনুষ্ঠানত ব্ৰহ্মপুত্ৰ উপত্যকাৰ ছাত্ৰই ভাল ফল দেখুৱাইছিল। সেই সময়ৰ এণ্ট্ৰেন্স পৰীক্ষাৰ ফলাফল এনেধৰণৰ—

| | ১৮৯৩-৯৪ | ১৮৯৪-৯৫ | ১৮৯৫-৯৬ | ১৮৯৬-৯৭ | ১৮৯৭-৯৮ | ১৮৯৮-৯৯ |
|---|---|---|---|---|---|---|
| এণ্ট্ৰেন্স পৰীক্ষা | × | ৩৩ | ২৮ | ৪৫ | ৩২ | ৫১ |
| অসম ভেলি, সুৰমা | | | | | | |
| উপত্যকা | ৪৯ | ৫১ | ৬৩ | ৬৩ | ৬৪ | ৬৯ |
| মুঠ পৰীক্ষাৰ্থী | ১৪৫ | ১৬৩ | ১৫০ | ১৭১ | ১৪৮ | ১৭০ |
| উত্তীৰ্ণ | ৮৪ | ৯২ | ১০৩ | ১১৭ | ১০৩ | ১২৭ |

ব্ৰহ্মপুত্ৰ উপত্যকাৰ উত্তীৰ্ণৰ ছাত্ৰৰ ৪৪ জন অসমীয়া।

এনে ফলাফলে অসমৰ শিক্ষিতচামক উৎসাহিত কৰিলে। তেনেকৈ ১৮৯৯-১৯০০ চনত স্নাতক ১৮ জন। সেয়ে চৰকাৰৰ ওচৰত দাবী সাব্যস্ত কৰিবলৈ শিক্ষিত চামটোৱে সুবিধা পালে।

২৩. গোস্বামী গোলোক চন্দ্ৰ, অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ, বীনা লাইব্ৰেৰি পৃ. ২৪৭-৪৮, ১৯৯০

২৪. নেওগ মহেশ্বৰ, পূৰ্বোক্ত, পৃ. ২২৬, ২০১০



(তথ্যসমূহ লোৱা হৈছে H.K. Borpujari ৰ Political History of Assam Vol I, Appendix B)

কিন্তু ইয়াৰ আগত অৰ্থাৎ (১৮৪৩-৪৪ চনত প্ৰাথমিক বিদ্যালয় আছিল ৪৭ খন, ১৮৫৩-৫৪ চনত ৬৩ খন, ১৮৭৩-৭৪ চনত ৫১৩ খন মিড্‌ল ভাৰ্নিকুলাৰ স্কুল ১৮৭৩-৭৪ চনত ৭১ খন, মিড্‌ল ইংলিছ স্কুল ১৮৬৩-৬৪ চনত আছিল ২খন, ১৮৭৩-৭৪ চনত ১১ খন, হাইস্কুল ১৮৪৩-৪৪ চনত ২ খন (গুৱাহাটী ১৮৩৫ আৰু শিৱসাগৰ ১৮৪১)

মন কৰিবলগীয়া যে উল্লিখিত সংখ্যাৰ অধিকাংশই আছিল বাঙালী। ইফালে বংগদেশত ৰাজা ৰামমোহন ৰায়ৰ নেতৃত্বত ব্ৰাহ্মসমাজ প্ৰতিষ্ঠা হয় আৰু মহৰ্ষি দেৱেন্দ্ৰনাথ ঠাকুৰৰ নেতৃত্বত ক্ৰমে সমাজমুখী সংস্কাৰ আন্দোলনলৈ ৰূপান্তৰ হয়। কেশৱচন্দ্ৰ সেনৰ নেতৃত্বত সমগ্ৰ ভাৰতবৰ্ষত প্ৰভাৱ বিস্তাৰিত হয়। ইয়াৰ ফলত পাশ্চাত্য শিক্ষাই প্ৰসাৰ আৰু প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হয়। এইছোৱা সময় বংগৰ নৱজাগৰণৰ সময়। ঊনবিংশ শতিকাৰ প্ৰথমাৰ্ধত "বংগত বিভিন্ন শিক্ষা সাহিত্য-সংস্কৃতি, ভাষা, জ্ঞান বিভিন্ন শাখাৰ আৰু বিভিন্ন প্ৰকৃতিৰ সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠান গঢ়ি উঠাৰ সময়। *"... এই শতিকাৰ শেহৰফালে বাঙালী বুদ্ধিজীৱীয়ে বাংলা ভাষা আৰু সাহিত্যৰ বিকাশৰ যোগেদি এক নতুন বৌদ্ধিক জাতীয় চৈতন্যৰ জন্ম দিলে। বেংগল হৈ পৰিল আধুনিক শিক্ষা সাহিত্য-সংস্কৃতিৰ পীঠস্থানস্বৰূপ। যিহেতু বিশ্ববিদ্যালয়কে ধৰি শিক্ষাৰ আটাইবোৰ উচ্চ প্ৰতিষ্ঠানেই কলিকতাত আছিল সেইবাবে অসম আৰু উৰিষ্যাৰ বাহিৰেও সুদূৰ উত্তৰ পশ্চিম প্ৰদেশ, পঞ্জাব আৰু সিংহলৰ পৰাও কলিকতালৈ উচ্চ শিক্ষাৰ্থে ছাত্ৰসকল আহিবলগীয়া হৈছিল।"*[২৫] কলিকতাৰ এই জাগৰণৰ নায়কসকল আছিল ৰাজা ৰামমোহন ৰায়, ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ, মাইকেল মধুসূদন দত্ত, বংকিমচন্দ্ৰ চট্টোপাধ্যায়, ৰবীন্দ্ৰনাথ ঠাকুৰ, শৰৎচন্দ্ৰ চট্টোপাধ্যায় আদি।

১৮৭৪ চনত অসমক সুকীয়া ৰাজ্যৰ মৰ্যাদা দিয়া হৈছিল, এই ব্যৱস্থাই শিক্ষিত চামক উৎসাহ যোগালে আৰু তেওঁলোকে উচ্চশিক্ষাৰ ক্ষেত্ৰত ন্যায় পাব বুলি আশা কৰিলে। এইক্ষেত্ৰত পৰ্হালি বৰুৱা বংশৰ মানিক চন্দ্ৰ বৰুৱাই আগভাগ লৈছিল। বৰুৱাই স্মাৰক পত্ৰ যোগেদি চৰকাৰক জনালে—*Assam is the only province has not got a college. Indeed, it has not a high institution worth the name. A college at Guahati with a European principal will be better appreciated by the student than similar private, institution (owned by native gentleman) to which they generally resort*[২৬] এই প্ৰসংগত বৰুৱাই গুৱাহাটীতে কলেজ প্ৰতিষ্ঠা কৰিবলৈ পৰামৰ্শ দিয়ে। নামনি আৰু উজনি অসমৰ সকলোৰে বাবে সুবিধা হ'ব। কিন্তু চৰকাৰ নাচোৰ বান্দা। সেয়ে বৰুৱাই অসমৰ ছাত্ৰৰ বাবে কলিকতাত ছাত্ৰাবাস পাতিব লাগে বুলি আবেদন জনালে। এই ক্ষেত্ৰত সেই সময়ৰ অসমৰ মুখ্য আয়ুক্ত আছিল Sir Henry John Stedman Cotton. তেওঁ ছাত্ৰাবাস পতাত গুৰুত্ব দিলে।[২৭]

২৫. *শইকীয়া নগেন, (সম্পা.), জোনাকী ২০০১(ভূমিকা), পৃ. ১০৬,*

২৬. *Barpujari H.K. : ibid p 117-118*

২৭. *Barpujari H.K.: ibid p118*

তদুপৰি সেই সময়ত বহুতে কলিকতাত অসমীয়া ছাত্ৰৰ অধ্যয়নৰ সপক্ষে মাত মাতিলে। তৎসত্ত্বেও ছাৰ হেনৰি কটনে দিয়া বিজ্ঞপ্তিয়ে কেউফালৰ পৰা সহাঁৰি পালে। সেয়ে কলিকতাত ছাত্ৰাবাসৰ চিন্তা এৰি গুৱাহাটীতে কলেজ পতাৰ সপক্ষে থিয় দিলে। হেৰম্বকান্ত বৰপূজাৰীয়ে কৈছে— *"Without any mental reservation, Sir Henry accepted the people's verdict. Inspite of the financial crisis in the wake of the great earthquake of 1897 he took immediate steps to lay the foundation of the college that has been gratefully named after him..."*[২৮] এনেকৈ অসমৰ ৰাইজৰ সপোন ফলিয়ালে আৰু ১৯০০ চনৰ ২০ জুন তাৰিখে কটন কলেজ স্থাপন হ'ল। কলেজৰ অধ্যক্ষ হ'ল F.W. Sudmersen. হেৰম্বকান্ত বৰপূজাৰীয়ে দেখুৱাইছে ১৮৯৭-১৯০২ লৈকে শিক্ষানুষ্ঠান ২৮০০ ৰ পৰা ৩৫৩৪ লৈ বৃদ্ধি, ছাত্ৰৰ সংখ্যাও ৮৩,৬৩৮ ৰ পৰা ১,০৩,৫৪১ লৈ বৃদ্ধি হৈছে। তেনেকৈ ইংৰাজী শিক্ষাৰো হাৰ বৃদ্ধি হয়। অসমৰ ছাত্ৰৰ কৃতকাৰ্যৰ হাৰ বৃদ্ধি হোৱাত অধ্যক্ষ Sudmersen- এ কৈছে—*"Assamese students have passed the F.A. Examinations in such large numbers and in such high divisions as were never dreamt of by the most sanguine Assamese leaders when the college was first started.*[২৯] তেনেকৈ স্ত্ৰী শিক্ষাৰ ক্ষেত্ৰতো বাটকটাৰ যুগ। কিয়নো সেই সময়ত স্ত্ৰী শিক্ষাৰ কোনো ব্যৱস্থা নাছিল। লিখিব পঢ়িব পৰা ছোৱালী কোনেও বিয়া কৰাব নোখোজে।[৩০] সেয়ে শিক্ষিত যুৱকসকল স্ত্ৰী শিক্ষাৰ প্ৰতি আকৰ্ষিত হয়। হলিৰাম ঢেকীয়াল ফুকনে বঙলা কাকতত কেইবাখনো পত্ৰ লিখিছিল, এই ক্ষেত্ৰত অগ্ৰণী ভূমিকা পালন কৰে মিছনেৰীসকলে। শিৱসাগৰত প্ৰথমখন ছাত্ৰী বিদ্যালয় স্থাপন কৰে ব্ৰাওন আৰু কাটাৰৰ পত্নীয়ে (১৮৪০)। ১৮৪৩ চনত নগাঁৰত আৰু ১৮৫০ চনত গুৱাহাটীত স্ত্ৰী শিক্ষাৰ বাবে বিদ্যালয় প্ৰতিষ্ঠা হয়। ১৮৬০-৬১ চনত চৰকাৰে প্ৰথমখন ছাত্ৰী বিদ্যালয় পাতে শিৱসাগৰত। তেনেকৈ নগাঁও আৰু গুৱাহাটীতো ছাত্ৰীৰ বাবে বিদ্যালয় স্থাপন কৰে চৰকাৰে। ১৮৭৪-৭৫ প্ৰাথমিক শিক্ষা লাভ কৰা ছাত্ৰীৰ সংখ্যা ৮৫৭। শতকৰা শিক্ষিতাৰ হাৰ ৪.৩৩ ইয়াৰ কাৰণ হিচাপে নগাঁৰৰ উপ পৰিদৰ্শকৰ টোকাৰ পৰা জনা যায় যে তাঁত বোৱা, ৰন্ধা-বঢ়া, ধান বনা আদি ছোৱালীয়ে কৰিবলগীয়া হৈছিল। গতিকে পঢ়া-শুনাতকৈ সেইবোৰেহে অগ্ৰাধিকাৰ পাইছিল। তদুপৰি ঘৰৰ কেচুৱাৰ আলপৈচান ধৰিবলগীয়া হোৱাত পৰিয়ালে বিদ্যালয়লৈ ছাত্ৰী পঠিয়াব খোজা নাছিল। এই সময়ছোৱাত স্ত্ৰী শিক্ষাৰ অৱস্থা পুতৌ লগা। স্ত্ৰী শিক্ষাৰ প্ৰয়োজনীয়তাৰ কথাত সচেতনতা নাছিল। অৱশ্যে হলিৰাম ঢেকীয়াল ফুকনে স্ত্ৰী শিক্ষাৰ প্ৰতি সচেতন হোৱাৰ কথা আগতে উল্লেখ কৰা হৈছে। তেওঁৰ পুত্ৰ আনন্দৰাম স্ত্ৰী শিক্ষাৰ বাবে সক্ৰিয় হৈছিল। এই প্ৰসংগত গুণাভিৰাম বৰুৱাই কৈছিল— *"আনন্দৰাম ফুকনে জানিছিল যে এই দেশীয় স্ত্ৰী জাতিৰ*

♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦

২৮. *Barpujari H.K. : ibid p 119*

২৯. *Report of the progress of Education in Eastern Bengal and Assam, 1907-08, P. 33, Para 72, q. v. in Political History of Assam Vol I p.119*

৩০. *M'cosh, Topography of Assam, p 26, W Robinson, Descriptive Account of Assam P 277 q. v. in Barpujari H.K. ibid p. 129.*



*পিতৃ-মাতৃৰ গৃহত লেখা-পঢ়াৰ শিক্ষা নহয়, অথচ লেখা-পঢ়া, শিক্ষা নিতান্ত আৱশ্যক, এতেকে নিজে শিক্ষকতা নকৰিলে নহয়। ... নিজে লেখা-পঢ়াৰ শিক্ষা দিবলৈ ধৰিলে।'*[৩১] অসমত স্ত্ৰী শিক্ষাৰ এচেৰেঙা পোহৰ কলিকতাৰ পৰাই পৰিছিল। ১৮৪৯ চনত কলিকতাত বেথুন স্কুল স্থাপিত হয়। এই শতিকাৰে দ্বিতীয় দশকত ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ, দক্ষিণাৰঞ্জন মুখাৰ্জী, মদনমোহন তৰ্কালংকাৰৰ নেতৃত্বত কলিকতাত স্ত্ৰী শিক্ষাৰ সম্প্ৰসাৰণ হয়। আনহাতে ইয়াৰ প্ৰায় ১১ বছৰ পিছত ১৮৬০-৬১ চনত স্ত্ৰী শিক্ষাৰ বাবে প্ৰথমখন ছোৱালীৰ স্কুল স্থাপন হয়। অসমত ১৮৭৪-৭৫ চনত ৮৭৫ জনী ছোৱালীয়েহে প্ৰাথমিক শিক্ষা লাভ কৰিছিল যদিও প্ৰায় বিছ বছৰমানৰ পিছত ১৮৯৭-৯৮ চনলৈকে মাত্ৰ ৩,৮২৩ জনী ছোৱালীয়েহে প্ৰাথমিক শিক্ষা লাভ কৰিছিল। তেনেকৈ ছাত্ৰীৰ বাবে মজলীয়া স্কুল তিনিখনহে আছিল।

স্ত্ৰী শিক্ষাৰ প্ৰতি অৱজ্ঞাৰ মনোভাৱ সেই সময়ৰ শিক্ষিত অসমীয়াৰে আছিল। *"স্মৃতি শাস্ত্ৰৰ অপশাসন, বাল্যবিবাহ, নাৰীৰ চাৰিত্ৰিক পৱিত্ৰতা সম্পৰ্কীয় পৰম্পৰা গত ধ্যান-ধাৰণা, বিদেশী-বিজাতীয় ধাৰণ মাত্ৰেই পৰিত্যাজ্য ধৰণৰ ভাব আদি অসমীয়া সমাজৰ শিক্ষিত পুৰুষসকলৰ মনত তেতিয়া গুলুম বান্ধি থকা বাবে সমাজ দেহৰ এটা অংগৰ খৰ্বতাৰ প্ৰতি পুৰুষ সমাজৰ দৃষ্টি আকৰ্ষিত নহৈছিল।'*[৩২] হৰিনাৰায়ণ বৰুৱা সম্পাদিত (১৮৬৮) *মৌ* কাকতত ইঞ্জিনিয়াৰ বলিনাৰায়ণ বৰুৱাই কৈছিল যে তিৰোতাই পুৰুষৰ দৰে বি. এ. এম. এ. পৰীক্ষা দিয়াটো ভাল নহয়, তেনেকৈ ডাক্তৰ, উকীলো হ'ব নালাগে।[৩৩] তেনেকৈ ৰত্নেশ্বৰ মহন্ত, লম্বোদৰ বৰা আদিৰো মনোভাৱ তেনে।[৩৪] সেই সময়ৰ শিক্ষিত ডেকাই পত্নীক ৰান্ধনী ঘৰৰ পৰা আতঁৰাই ৰান্ধনি (ব্ৰাহ্মণ) ৰ আমদানি কৰিলে। শিক্ষিত ডেকাসকলৰো চাল-চলন বেলেগ হ'ল। এই প্ৰসংগত হেৰম্বকান্ত বৰপূজাৰীয়ে কৈছে যে সংক্ৰমণ কালছোৱাত অসমীয়া শিক্ষিত ডেকাৰ পোছাক, পৰিচ্ছদ, আচাৰ-ব্যৱহাৰ, সংস্কৃতিত ইংৰাজৰ প্ৰভাৱ পৰিল।[৩৫] ঘৰৰ গৃহিণীক আখলৰ পৰা আঁতৰোৱা হ'ল। শিক্ষিত চামটোৱে চাহাবৰ লগত বহি একেখন টেবুলতে সুৰাপান কৰা, ঘৰৰ আঁচবাব সলনি কৰা, কলিকতাৰ পৰা বিধে বিধে সুৰা আনি ঘৰত ৰখা হৈছিল। গৃহিণীক তাঁতশালৰ পৰা আঁতৰোৱা হ'ল। ইয়াৰ ফলত সূতাৰ দাম বাঢ়িল। কলিকতাৰ পৰা সূতা আৰু উল আমদানি হ'ল। এড়ী, মুগাৰ উৎপাদন কমিল। গতিকে সেই সময়ত তিৰোতা শিক্ষিত হোৱাটো উন্নতিৰ চিন বুলি গণ্য নহৈছিল।

অনুৰূপ ব্যৱস্থা বংগতো হৈছিল। তিৰোতাই শিক্ষা লাভ কৰাটো বংগ সমাজেও গ্ৰহণ কৰা নাছিল। সেই সময়ৰ বংগৰ সমাজে ঘৰ-সংসাৰ চলাব পৰা বিদ্যাহে বিচাৰিছিল। বংগৰ শিক্ষিত

♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦

৩১. বৰুৱা গুণাভিৰাম, আনন্দৰাম ঢেকীয়া ফুকনৰ জীৱন চৰিত, পৃ. ৫৮, ১৮৮০

৩২. ভূঞা যোগেন্দ্ৰনাৰায়ণ, গুণাভিৰাম বৰুৱা, আবিলেক পৃ. ২৪, ২০০১

৩৩. বৰুৱা হলিৰাম, (সম্পা.), মৌ, পৃ. ৬, ১৮৬৮

৩৪. ভূঞা যোগেন্দ্ৰনাৰায়ণ (সম্পা.), ৰত্নেশ্বৰ মহন্ত ৰচনাৱলীৰ ঘৈণীৰ কৰ্তব্য আৰু স্ত্ৰী শিক্ষা চাওক, অসম প্ৰকাশন পৰিষদ

৩৫. Barpujari H.K., *ibid* 124

সম্প্ৰদায়ৰ দৰে অসমৰ শিক্ষিত চামটো জনসাধাৰণৰ পৰা বিচ্ছিন্ন হৈছিল। নিজৰ ধৰ্মৰ পৰা বিচ্ছিন্ন হোৱা, মাতৃভাষা ক'বলৈ লাজ পোৱা চামটোৰ সমান্তৰালভাৱে অসমীয়া এচাম মানুহৰ জাতীয় চৈতন্যও জাগ্ৰত হৈছিল। সেইসকলে অসমীয়া ভাষা-সাহিত্যৰ মৰ্যাদাৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল। অৱশ্যে এই সময়ছোৱাত অসম আৰু বংগৰ মাজত ব্যৱধান বাঢ়িল আৰু পৰিৱেশো বেলেগ হ'ল। ইয়াৰ কাৰণ বংগদেশ বৃটিছৰ অধীনলৈ গৈছিল ১৭৫৭ চনত। ইয়াৰ ৬৯ বছৰৰ পিছত ১৮২৬ চনতহে অসম ইংৰাজৰ অধীন হয়। গতিকে বংগদেশে বহু আগতে ইংৰাজী শিক্ষাৰ সুযোগ লাভ কৰিলে। তদুপৰি ১৮১৮ চনৰ ২৩ মে' তাৰিখে বংগদেশত সাময়িক পত্ৰিকা "সমাচাৰ দৰ্পণ" প্ৰকাশ হয়। ইয়াৰ প্ৰায় দুকুৰি বছৰৰ পিচতহে "অৰুনোদই" অসমত প্ৰকাশ হয়। তৎসত্ত্বেও ঊনবিংশ শতিকাত বংগৰ প্ৰভাৱ অসমত পৰিছিল। এই নতুন ধাৰাটো অসমত প্ৰৱাহিত হৈছিল— হলিৰাম ঢেকীয়াল ফুকন (১৮০২-৩২), যজ্ঞ ৰাম খাৰঘৰীয়া ফুকন (১৮০৫-৩৮), জাদুৰাম ডেকাবৰুৱা (১৮০৬-৫৮) আদিৰ যোগেদি। এওঁলোকৰ বংগৰ পৰা প্ৰকাশিত "সমাচাৰ দৰ্পণ"-ৰ উপৰি "সমাচাৰ চন্দ্ৰিকা", "সম্বাদ প্ৰভাকৰ" আদি কাকতত এইসকলে লেখা-মেলা কৰিছিল। ইয়াৰ ফলত বংগৰ লগত অসমৰ সংযোগ সূত্ৰ স্থাপিত হ'ল।

*"ঊনবিংশ শতিকাৰ প্ৰথমাৰ্ধত পোখা মেলা সেই কলিকতীয়া প্ৰভাৱৰ আয়তন আৰু ওজন বাঢ়ি গ'ল। আনন্দৰাম ঢেকীয়াল ফুকন ১৮৪১ চনত কলিকতাত পঢ়িবলৈ গৈ ১৮৪৫ চনত অসমলৈ প্ৰত্যাৱৰ্তন কৰাৰ পৰা। আনন্দৰামৰ কলিকতা প্ৰত্যাৱৰ্তন অসমৰ সমাজ জীৱনৰ গতি পথৰ এটা ডাঙৰ মোৰ। স্বৰূপাৰ্থত ১৮৪৫ চনৰ জানুৱাৰি মাহতে অসমৰ সামাজিক ইতিহাসৰ নতুন অধ্যায় মুকলি হ'ল বুলি ক'ব পাৰি।"*[৩৬] সেই সময়ৰ পৰাই পাশ্চাত্য সমাজৰ সংস্কৃতিক প্ৰভাৱ আৰম্ভ হ'ল। আনন্দৰাম ঢেকীয়াল ফুকনৰ জীৱন চৰিত্ৰৰ পৰা জনা যায় যে তেওঁৰ ঘৰখনো ন ৰূপত সজাই-পৰাই তুলিলে সেই কথাৰ লগতে চৰিতকাৰ গুণাভিৰাম বৰুৱাই কৈছে তেওঁ যেনে প্ৰণালীৰে ঘৰৰ বস্তু সজাই থ'লে সেইটো গুৱাহাটীত দেশীয় লোকৰ পক্ষে প্ৰথম।[৩৭] লগতে এইটোও উল্লেখ কৰিবলগীয়া যে তেওঁ স্ত্ৰী শিক্ষাৰ প্ৰতি আগ্ৰহী আছিল কাৰণে পদ্মাৱতী দেৱী ফুকননীক ঘৰতে শিক্ষা দিছিল। তদুপৰি প্ৰথমবাৰ কলিকতালৈ যাওঁতে আনন্দৰামে শালগ্ৰাম আৰু এজন ব্ৰাহ্মণ ৰান্ধনি লগত নিছিল। কিন্তু দ্বিতীয়বাৰ অৰ্থাৎ ১৮৫১ চনত কলিকতালৈ যাওঁতে এই মানসিকতাৰ পৰিৱৰ্তন ঘটিছিল। সংৰক্ষণশীল অসমীয়া পৰিয়ালৰ ছাত্ৰই নিম্ন শ্ৰেণীৰ ছাত্ৰৰ লগত একেলগে বহিছিল। তদুপৰি ইংৰাজী শিকাটোত সামাজিক বাধা আছিল। আনকি হেমচন্দ্ৰই বৰুৱাই পৰিয়ালে নজনাকৈহে ইংৰাজী শিকিছিল।[৩৮] শতিকাটোৰ শেষৰ ফালে সংৰক্ষণশীলতাৰ বন্ধনৰ পৰা কলিকতাত পঢ়িবলৈ যোৱা ছাত্ৰসকল মুক্ত হোৱা দেখা যায়। স্ত্ৰী শিক্ষা, বিধৱা বিবাহ আদিৰ সপক্ষে পৰিৱেশ সৃষ্টি কৰিছিল। ঢেকীয়াল ফুকনৰ লগত কলিকতাত গুণাভিৰামৰ সাক্ষাৎ হয়। গুণাভিৰামে কলুটোলা ব্ৰাঞ্চ স্কুল আৰু পিছত

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

৩৬. ভূঞা যোগেন্দ্ৰ, গুণাভিৰাম বৰুৱা, আবিলেক পৃ. ৩১, ২০০১
৩৭. পূৰ্বোক্ত, পৃ. ৪৯
৩৮. Neog D., New Light on History of Asamiya Literature, p. 370, 1962, Guahati



প্ৰেছিডেন্সি কলেজত পঢ়িছিল। তাৰ বৌদ্ধিক দৰ্শন অসমলৈ প্ৰৱাহিত হোৱাত সহায় কৰিছিল সাহিত্যৰ মাধ্যমেৰে। গুণাভিৰাম আনন্দৰামৰ যুগ্ম প্ৰচেষ্টাত বংগৰ প্ৰভাৱৰ সোঁত অসমত প্ৰৱহমান হ'ল। সেয়ে অসমীয়া সাহিত্যৰ বুৰঞ্জীত এইসকলক ত্ৰিমূৰ্তিৰূপে প্ৰতিষ্ঠিত। হেমচন্দ্ৰ, আনন্দৰাম, গুণাভিৰাম অসমীয়া সাহিত্য জগতৰ ত্ৰিমূৰ্তি বুলি ডিম্বেশ্বৰ নেওগে উল্লেখ কৰিছে।

অসমীয়া ভাষা-সাহিত্যৰ বিকাশৰ লগতে অসমৰ অৰ্থনৈতিক অৱস্থা উন্নয়নৰ কাৰণেও এচামে চেষ্টা কৰিছিল। সেই সকলৰ ভিতৰত মাণিক চন্দ্ৰ বৰুৱা (১৮৫১-১৯১৫) আৰু জগন্নাথ বৰুৱা অন্যতম। ১৮৪৭ চনত কলিকতাৰ লগত অসমৰ সংযোগৰ বা যাতায়তৰ একমাত্ৰ মাধ্যম আছিল ভাপ নাও। গুৱাহাটীৰ পৰা কলিকতালৈ ভাড়া আছিল ১৫০.০০ টকা। ১৯১২ চনত মটৰ গাড়ী ওলায়। দ্বিতীয় মহাসমৰৰ পৰা (১৯৩৯) উৰাজাহাজ চলে। বিজুলী বাতৰি বা টেলিগ্ৰাফ ওলায় ১৮৬৬ চনত। ১৮৬৪ চনত অসমত দুখনহে হাইস্কুল আছিল। সেইকথা আগতে উল্লেখ কৰা হৈছে। ইয়াৰে গুৱাহাটীৰ 'ইংলিছ চেমিনাৰী' স্কুলখনত দুবছৰীয়া এফ এ শ্ৰেণী খোলা হৈছিল। এই স্কুলৰ প্ৰধান শিক্ষক আছিল লক্ষ্মীনাৰায়ণ দাস আৰু ছেকেণ্ড মাষ্টৰ আছিল চন্দ্ৰমোহন গোস্বামী। বেজবৰুৱা আৰু গোহাঞিও বৰুৱাই এইজন শিক্ষকক উচ্চ প্ৰশংসা কৰিছে। এই চেমিনাৰীত যোৰহাটৰ জগন্নাথ বৰুৱা আৰু মাণিকচন্দ্ৰ বৰুৱা সহপাঠী আছিল। এওঁলোকৰ যত্নতে ১৮৬৯ চনত গুৱাহাটীৰ ইংলিছ চেমিনাৰীত 'গুৱাহাটী স্কুল ক্লাব' নামেৰে এটা ক্লাব স্থাপন হয়। এই ক্লাবৰ উদ্দেশ্য এনেধৰণৰ—ছাত্ৰৰ নৈতিক, মানসিক চৰিত্ৰৰ উন্নতি সাধন কৰা, জ্ঞান আৰ্জিবৰ নিমিত্তে পুথি-পাজি পঢ়িবলৈ অভ্যাস ওপজোৱা, নানা বিষয়ে ৰচনা লিখিবলৈ উদগনি দিয়া আৰু সভাই-সমিতিয়ে বক্তৃতা দিবলৈ অভ্যাস কৰোৱা।[৩৯] এই ক্লাবৰ লগত মাণিক চন্দ্ৰ বৰুৱাও সংযুক্ত হৈছিল। ইয়াৰ উপৰি ৰমাকান্ত চৌধুৰী, কালিনাথ বৰুৱা, বালিৰাম দাস (চৌধাৰী), ভাবিৰাম বৰুৱা, উমাচন্দ্ৰ বৰুৱা, মণিৰাম বৰুৱা, গোৱিন্দ চন্দ্ৰ বৰুৱা আদি। এওঁলোকৰ প্ৰযত্নত ক্লাবটো সাহিত্য চৰ্চাৰো কেন্দ্ৰ হৈ পৰে। এইখনেই বোধহয় প্ৰথম সাহিত্য চৰ্চাৰ অনুষ্ঠান। ইয়াৰ পিছত ১৮৭২ চনত গংগাগোবিন্দ ফুকনে অসমীয়া ছাত্ৰৰ সাহিত্য সভা পাতে। গুৱাহাটী স্কুল ক্লাবত পঠিত ৰচনাৰ বিষয় আছিল এনেধৰণৰ— French Revolution, Physical Circumstances of a Country with Regard to Civilisation, History of Assam.

এইখিনিতে আন এটা গুৰুত্বপূৰ্ণ কথা হ'ল নগাঁৱত 'অসমীয়া ভাষা উন্নয়ন সমিতি' গঠন। অসমীয়া ভাষা উন্নয়ন সমিতিৰ সম্পাদক আছিল ফটিক চন্দ্ৰ বৰুৱা। ফটিক চন্দ্ৰ বৰুৱাই নগাঁৱৰ ডেপুটি কমিছনাৰক এখন স্মাৰক পত্ৰ দিছিল বুলি যোগেন্দ্ৰনাৰায়ণ ভূঞাই উল্লেখ কৰিছে।[৪০] এইজন ফটিক চন্দ্ৰ বৰুৱাই চৰকাৰৰ আইন অনুযায়ী নগাঁৱৰ আদালতত অসমীয়া ভাষা ব্যৱহাৰ নকৰাৰ বাবে নগাঁৱৰ ডেপুটি কমিছনাৰক স্মাৰক পত্ৰ দিছিল।[৪১] ইয়াৰ আগতে ১৮৫২ চনৰ জুন মাহৰ ১১ তাৰিখে কামৰূপৰ উপায়ুক্তক এখন স্মাৰক পত্ৰ দিছিল। ১৮৫০ চনৰ মিউনিচিপেলিটিৰ

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

৩৯. গোস্বামী যতীন্দ্ৰনাথ, জগন্নাথ বৰুৱা, পৃ. ৯, ১৯৭৬
৪০. ভূঞা যোগেন্দ্ৰনাৰায়ণ, পূৰ্বোক্ত, পৃ. ১৫
৪১. পূৰ্বোক্ত, পৃ. ৪০

প্ৰশাসন আইন XXVI ধাৰামতে প্ৰতিষ্ঠা কৰিবলৈ দাবী জনায়। সেইমতে পৌৰ আইন ১৮৫২ চনত কাৰ্যকৰী হয়।

## অসম এছোচিয়েচন

অসমৰ ছাত্ৰসকলে কলিকতাৰ বহল সমাজখনৰ লগত সংযোগ স্থাপনৰ পৰাই জাতীয়তাবাদী ভাবাদৰ্শই লাহে লাহে আনুষ্ঠানিক ৰূপ ল'বলৈ আৰম্ভ কৰে। ইয়াৰ ফলত এই শতিকাটোৰ শেষৰফালে প্ৰথম অৱস্থাত ৰাইজ মেলৰ যোগেদি অসমৰ কৃষকসকলে তেওঁলোকৰ দাবী আৰু প্ৰতিবাদ সাব্যস্ত কৰিছিল। নগেন শইকীয়াই কৈছে— *... the rising of the peasantry through the Raij Mels can be catagorised in to the British strem, and the effort of English education elites such as Anandaram Dhekial Phukon, Gunabhiram Barua, Hemchandra Baruah can be catagorised into the pre-British strem.*[৪২] কিন্তু সংগঠিত নোহোৱাৰ বাবে এই অনুষ্ঠানে সফলতা লাভ নকৰিলে। ইয়াৰ কাৰণ হ'ল সেই সময়ৰ শিক্ষিত চামটো ইয়াৰ লগত জড়িত নাছিল। কাৰণ শিক্ষিত চামটো ভাষা-সাহিত্য সংস্কৃতিৰ ক্ষেত্ৰখনলৈ জোৰাৰ অনাৰ প্ৰয়াসত ব্যস্ত হৈ থাকিবলগীয়া হৈছিল। তেওঁলোকে ভাবিছিল ভাষা-সাহিত্য-সংস্কৃতিৰে অসমীয়াৰ আত্ম পৰিচয় প্ৰতিষ্ঠা কৰাটোহে প্ৰথম কৰ্তব্য আৰু তাৰ যোগেদিহে অসমীয়া মানুহৰ জাতীয় চৈতন্য জাগৃত হ'ব। সময়ৰ প্ৰত্যাহ্বান গ্ৰহণ কৰি ভটীয়া নাৱত নুঠি তেওঁলোক অতি শক্তিশালী ৰূপত আত্মপ্ৰকাশ কৰিবলৈ বিদ্যায়তনিক কামত একান্তভাৱে মগ্ন হৈছিল। এই প্ৰসংগত নগেন শইকীয়াই কৈছে— *"তাকে নকৰি বৃটিছ শক্তিৰ বিৰুদ্ধে বিদ্ৰোহ ৰচনা কৰাৰ কাৰ্যসূচীত আত্মনিয়োগ কৰা হ'লে অসমীয়া মানুহৰ দুয়োকুল হেৰালহেঁতেন। এই কথাও স্মৰণীয় যে পৰৱৰ্তী কালত মহাত্মা গান্ধীৰ নেতৃত্বত গঢ় লৈ উঠা আন্দোলন অসমত সবল বুনিয়াদ গঢ় লৈ উঠাত ঊনবিংশ শতিকাৰ শেষাৰ্ধৰ অসমীয়া শিক্ষিত মধ্যবিত্তই জাগৰণ ঘটোৱা জাতীয় চৈতন্যই কম বৰঙণি যোগোৱা নাছিল"*[৪৩] ইয়াক শৰাইঘটীয়া সংকল্প বুলিব পাৰি। ইয়াৰ পিছত চৰকাৰ খাজনা নীতিৰ প্ৰতিবাদ জনাবলৈ 'ৰায়ত সভা' আনুষ্ঠানিকভাৱে গঠিত হ'ল তেজপুৰত। ১৮৭৬ চনত ইণ্ডিয়ান এছোচিয়েছন আৰু ১৮৮৫ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰতিষ্ঠাইও ৰায়তসকলক উৎসাহিত কৰিছিল। ইয়াৰ সমান্তৰালভাৱে উজনি অসম এছোচিয়েছন, চিলং এছোচিয়েছন, নগাঁও ৰায়ত সভাৰ জন্ম হৈছিল লগতে অসমৰ যোৰহাটত সৰ্বজানিক সভা প্ৰতিষ্ঠাৰো পটি উলিয়াই দিলে।[৪৪] তেনেকৈ সৰ্বভাৰতীয় স্তৰৰ ঐক্য মঞ্চ। এই প্ৰসংগত ১৮৫২ চন, Native Association of Madras, ১৮৭৫ চনৰ Indian Association of Bengal, ১৮৭০ চনত মহাৰাষ্ট্ৰত গোৱিন্দ ৰাণাডেই প্ৰতিষ্ঠা কৰা Sarbojanik Sabha উল্লেখযোগ্য। অসমত ১৮৬৭ চনত অসম এছোচিয়েচন গঠন হয়। এই সংঘৰ ঘাই উদগাতা

৪২. *Saikia Nagen, ibid,* 285

৪৩. *পূৰ্বোক্ত, জোনাকী, পৃ. ১১*

৪৪. *Colonial Penetration and the Emergence of Nationalism in Assam, in Bhuya Arun (ed.), National Upsurge in Assam, p. 25, 2000 Govt. of Assam*



গংগাগোবিন্দ ফুকন। দীননাথ বেজবৰুৱাৰ সভাপতিত্বত অসম এছোচিয়েচনৰ প্ৰথম ৰাজনৈতিক বাৰ্ষিক সাধাৰণ সভা ১৮৮০ চনত শিৱসাগৰত অনুষ্ঠিত হয়। সেই সময়ৰ অসমৰ শিক্ষিত শ্ৰেণীটোৰ আদৰ্শ পুৰুষ আছিল গংগাগোবিন্দ ফুকন। তেওঁৱেঁই প্ৰথম এইক্ষেত্ৰত বাটকটীয়া। অৱশ্যে ইয়াৰ আগত ১৮৫৫ চনত আসাম দেশ হিতৈষীণী সভা গঠন হৈছিল যদিও কেইবছৰমান সভাখন চলি বন্ধ হৈ পৰে। ফুকনৰ পৰৱতী সময়ত মাণিক চন্দ্ৰ বৰুৱা আৰু জগন্নাথ বৰুৱাই সেই সভাৰ পক্ষৰ পৰা চৰকাৰক জনকল্যাণমূলক আঁচনি গ্ৰহণ কৰিবলৈ দাবী জনায়। সেই সময়ত জনমত গঠনৰ বাবে মাণিক চন্দ্ৰ বৰুৱাই এখন বাতৰি কাকতৰ প্ৰয়োজন অনুভৱ কৰে। ইয়াৰ ফলত ৰাধিকাৰাম ঢেকীয়াল ফুকনৰ সহযোগত সাপ্তাহিক অসমীয়া ইংৰাজী দ্বিভাষী বাতৰি কাকত *'আসাম নিউচ'* প্ৰকাশিত হয় ১৮৮২ চনত। মাণিকচন্দ্ৰ বৰুৱা আৰু কৃতবিদ্য বাঙালী নাগৰিক অভয় শংকৰ গুহই ইংৰাজী অংশ লিখাত সহায় কৰিছিল।[৪৫] সম্পাদক আছিল হেমচন্দ্ৰ বৰুৱা। এই প্ৰসংগতে উল্লেখ কৰিব পাৰি যে ১৮৫৯ চনত অসমীয়া ভাষাৰ ব্যাকৰণ লিখি অসমীয়া ভাষাৰ প্ৰাণ প্ৰতিষ্ঠাৰ লগতে এইখন ব্যাকৰণ প্ৰথম উচ্চমানৰ সাহিত্য কৰ্ম বুলি P.R.T. Gardan চাহাবে উল্লেখ কৰিছিল।[৪৬] ১৮৪৬ চনত প্ৰকাশিত *'অৰুনোদই'*-ৰ আখৰ জোঁটনিতো প্ৰভাৱ পেলালে। হেমচন্দ্ৰই *'অৰুনোদই'*-ৰ আখৰ জোঁটনিৰ যুঁজখনত জয় লাভ কৰিলে। ১৮৬০ চনৰ পৰা প্ৰকাশিত *'অৰুনোদই'* হেমচন্দ্ৰ বৰুৱাৰ আখৰ জোঁটনিক অনুকৰণ কৰা হৈছিল। আনকি *'অৰুনোদই'*ৰ নামটোও 'অৰুনোদয়' হৈ পৰিল। তেনেকৈ অসমীয়া ভাষাত -ৱ- আখৰৰ প্ৰয়োগৰ বাবে সমকালীন চৰকাৰৰ লগত মসীযুদ্ধ কৰিবলগীয়া হৈছিল। সেই সময়ৰ স্কুল পৰিদৰ্শক Mr. Martin - এ আপত্তি দৰ্শাইছিল যদিও মুখ্য আয়ুক্তই বিজ্ঞপ্তিযোগে -ৱ- আখৰটো ব্যৱহাৰৰ বাবে নিৰ্দেশ দিলে।[৪৭] আনহাতে এইটোও মন কৰিবলগীয়া *'অৰুনোদই'* সম্বাদ পত্ৰত প্ৰকাশ স্থান স্বৰূপে লেখাত সিৱসাগৰ ব্যৱহাৰ কৰা হৈছিল। যি কি নহওক *"আসাম নিউচ"*-এ অসমীয়া গদ্যৰো বিশেষ গঢ় দিবলৈ সক্ষম হয়। অৱশ্যে ১৮৮৫ চনত কাকতখন বন্ধ হয়। "আসাম নিউচ"-এ শিকাই যোৱা ভাষাই আজিকালিৰ অসমীয়া গদ্যই তাকেহে আওৱাইছে বুলি পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে উল্লেখ কৰি গৈছে।[৪৮]

গংগা গোৱিন্দ ফুকনে প্ৰতিষ্ঠা কৰা অসম এছোচিয়েচনৰ লগত ১৯০৩ চনৰ অসম এছচিয়েচনৰ সম্পৰ্ক একেনহয়। সেইখন এছোচিয়েছন প্ৰতিষ্ঠা হৈছিল গুৱাহাটীত। অসমৰ প্ৰায় ৪০ গৰাকী শিৰফুটা ব্যক্তিয়ে ব্ৰহ্মপুত্ৰ উপত্যকাত এই অনুষ্ঠানৰ জন্ম দিয়ে। মাণিক চন্দ্ৰ বৰুৱা, প্ৰভাত চন্দ্ৰ বৰুৱা, ৰাধানাথ চাংকাকতি, মথুৰামোহন বৰুৱা, প্ৰসন্ন কুমাৰ ঘোষ আৰু কমলাকান্ত ভট্টাচাৰ্য আদি এইঅনুঠানৰ জন্মদাতা।

৪৫. শইকীয়া চন্দ্ৰপ্ৰসাদ (সম্পা.), অসমৰ বাতৰি কাকত আলোচনীৰ ডেৰশ বছৰীয়া ইতিহাস যোগেশ দাসৰ প্ৰবন্ধ অৰুনোদই-ৰ ভাষাৰ প্ৰতি হেমচন্দ্ৰ বৰুৱাৰ প্ৰত্যাহ্বান আসাম নিউচৰ অৱদান, পৃ. ৯১, ১৯৯৮

৪৬. বৰুৱা হেমচন্দ্ৰ, অসমীয়া ভাষাৰ ব্যাকৰণ (সম্পা.), ভূঞা যোগেন্দ্ৰ নাৰায়ণ।

৪৭. *Saikia Nagen, ibid, p. 171 see also p 215 (He enough fought very hard for the amendment of the orthography of the Assamese language followed by the Missonaries and for the reintroduction of the letter va (ৱ) even it the risk of incurring their displeasure, as he proposed to maintain a good retationship with the Missionaries)*

৪৮. শৰ্মা বেণুধৰ (সম্পা.), পণ্ডিত হেমচন্দ্ৰ গোস্বামী ৰচনাৱলী অঃ সাঃ সঃ পৃ. ১৪১, ১৯৭২

এখন তদৰ্থ সমিতি গঠন কৰি কাম-কাজ চলায়। ইয়াৰ সভাপতি আছিল প্ৰভাত চন্দ্ৰ বৰুৱা, উপসভাপতি জগন্নাথ বৰুৱা আৰু মাণিকচন্দ্ৰ বৰুৱা আছিল সাধাৰণ সম্পাদক।[৪৯] প্ৰথমখন বাৰ্ষিক অধিৱেশন ১৯০৫ চনত ডিব্ৰুগড়ত অনুষ্ঠিত হৈছিল। যি সময়ত বংগ ভংগ আন্দোলন সমগ্ৰ ভাৰতবৰ্ষত ব্যাপ্ত হৈছিল সেই সময়ত অসমত এই সভাৰ নেতৃত্বত যেনেকৈ প্ৰতিবাদ হৈছিল, সুৰমা ভেলীত কাচাৰ স্বদেশী সভা, শ্ৰীহট্ট স্বদেশী সেৱক সমিতিয়ে সুৰমা ভেলী এছোচিয়েচনৰ যোগেদি প্ৰতিবাদ জনাইছিল। তদুপৰি অসম এছোচিয়েচনে শিক্ষা বিস্তাৰতো আগভাগ লৈছিল। সম্পাদকীয় প্ৰতিবেদনত আছে।[৫০]

## সৰ্বজানিক সভা

জগন্নাথ বৰুৱাই কলিকতাত (১৮৭০) প্ৰেচিডেন্সি কলেজত পঢ়ি থাকোঁতেই কলিকতাৰ জাতীয় চৈতন্য জাগৰণৰ কিছুমান ৰাজহুৱা অনুষ্ঠান দেখিছিল। কলিকতাত তেতিয়া আত্মীয় সভা (১৮১৫), ইউনিটেৰিয়ান কমিটি (১৮২১), গৌড়ীয় সমাজ (১৮২৩), কেলকেট্টা পাৰ্লিয়ামেণ্ট (১৮২৭), একাডেমিক এছোচিয়েছন (১৮২৫-১৮২৮), ব্ৰাহ্ম সমাজ (১৮২৮), বংগ ৰঞ্জনী সভা (১৮৩০), তৰ্ক সভা (১৮৩০), সৰ্বতত্ত্ব দীপিকা সভা (১৮৩৩), জ্ঞান চন্দ্ৰোদয় (১৮৩৮), তত্ত্ববোধিনী সভা (১৮৩৯), বেংগল বৃটিছ ইণ্ডিয়ান ছচাইটি (১৮৪৩), বৃটিছ ইণ্ডিয়ান এছোচিয়েছন (১৮৫১), জাতীয় গৌৰৱ সম্পাদিনী সভা (১৮৬৩), পেট্ৰিয়ট এছোচিয়েচন (১৮৬৫), হিন্দু মেলা (১৮৬৭), জাতীয় সভা (১৮৭০), ষ্টুডেণ্ট এছোচিয়েছন (১৮৭৫), ইণ্ডিয়ান লিগ (১৮৭৫), ইণ্ডিয়ান এছোচিয়েছন (১৮৭৬) আদি নানা জাতীয় অনুষ্ঠান আছিল। এই অনুষ্ঠানবোৰে জগন্নাথ বৰুৱাক প্ৰভাৱিত কৰিছিল। এই সভাবোৰৰ ঘাই উদ্দেশ্য আছিল শিক্ষাৰ অগ্ৰগতি, সামাজিক সংস্কাৰ, নাগৰিকৰ অধিকাৰ, ভাষা-সাহিত্য-সংস্কৃতিৰ বিকাশ আদি। এই অনুষ্ঠানবোৰৰ আদৰ্শই অসমত এনে অনুষ্ঠান পাতিবৰ কাৰণে মন কৰিলে। ইয়াৰ ফলত অসমৰ যোৰহাটত সৰ্বজানিক সভা প্ৰতিষ্ঠা হ'ল। ৰাধানাথ ফুকনে ১৮৭৫ চনত যোৰহাটত সৰ্বজানিক সভা প্ৰতিষ্ঠা হয় বুলিছে। নকুল চন্দ্ৰ ভূঞাই *ৰাধানাথ সন্দিকৈ ডাঙৰীয়া* গ্ৰন্থত ১৮৭৫ চন বুলিয়েই উল্লেখ কৰিছে। প্ৰফুল্ল দত্ত গোস্বামীয়ে *মাণিক চন্দ্ৰ বৰুৱা আৰু তেওঁৰ যুগ* পুথিতো একেটা চনৰ কথা উল্লেখ কৰিছে। জগন্নাথ বৰুৱাৰ সচিবৰূপে বিলাতলৈ যোৱা বুদ্ধিন্দ্ৰনাথ ডিলিহিয়াল ভট্টাচাৰ্যই ১৮৮৪ চনত এই সভা স্থাপন কৰে বুলি কৈছে।[৫১] তেওঁ কৈছে ব্ৰজনাথ বেজবৰুৱা (লক্ষ্মীনাথ বেজবৰুৱাৰ ককায়েক)ক লগত লৈ যোৰহাটত সৰ্বজানিক সভা পাতে। এই সভাৰ বিষয়ে বেণুধৰ শৰ্মাই কৈছে যে ১৯২১ চনত মহাত্মা গান্ধী অসমলৈ আহোতে উপেন্দ্ৰনাথ বৰুৱা, কৃষ্ণকান্ত ভট্টাচাৰ্যই দিয়া অভিনন্দন পত্ৰত সৰ্বজানিক সভা, জগন্নাথ বৰুৱাই

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

৪৯. *Bhuyan Arun (ed.) National Upsurge in Assam p. 98, 2000*

৫০. *"... representation of Calcutta University Syndicate the appoinment of Assamese teacher in Cotton College, the establishment of an institutions of technical education and the proper utilisation of Williamson fund which was created for the maintenance of an artisan school and allaid technical institution, ibid p. 102*

৫১. *(ক) আলোচনী, ৭ম বছৰ, ৮ম সংখ্যা (খ) গোস্বামী যতীন্দ্ৰনাথ, পূৰ্বোক্ত পৃ. ৩৬-৩৭*



৩৫ বছৰৰ আগতে স্থাপন কৰিছিল বুলি কৈছে। উপেন্দ্ৰনাথ সেই সভাৰ উপসভাপতি আছিল। এই সভাৰ প্ৰথমজনা সভাপতি আছিল নৰনাৰায়ণ সিংহ। নৰনাৰায়ণ সিংহৰ মৃত্যুৰ পিছত জগন্নাথ বৰুৱা সভাপতি আৰু দেৱীচৰণ বৰুৱা সম্পাদক হয়।

*"অসম এছোচিয়েছন্ স্থাপিত হোৱাৰ আগলৈকে এইখনেইহে মাথোন আছিল জাতি-ধৰ্ম, সম্প্ৰদায় নিৰ্বিশেষে ৰাজহুৱা মতামত জনাব পৰা একমাত্ৰ ৰাজনীতিক সভা বা অনুষ্ঠান-যাৰ সুচিন্তিত প্ৰস্তাৱাদি গৱৰ্ণমেণ্টে পতনুৱা বুলি অগ্ৰাহ্য কৰিব নোৱাৰিছিল। বৰং সেইবিলাকত উল্লিখিত অভাৱ-অভিযোগবোৰৰ তুৰন্তে প্ৰতিকাৰহে কৰিছিল।"*[৫২] বুলি বেণুধৰ শৰ্মাই উল্লেখ কৰিছে।

এই সভাৰ যোগেদি ভালেমান ৰাজহুৱা কাম কৰা হৈছিল। যোৰহাট নগৰৰ পৰা ককিলামুখলৈ পথ নিৰ্মাণ। এইটো পিছত বাবু আলি আৰু তাৰ পিছত জে.বি. ৰোড নাম হয়। ১৮৮৫ চনত সৰ্বজানিক সভাৰ দাবীত যোৰহাটত প্ৰথম ৰেলগাড়ী চলে। ১৮৮৬ চনৰ জুন মাহৰ ২ তাৰিখে যোৰহাটৰ উইলিয়ামচন স্কুল (এই স্কুলখন বৰপুখুৰীৰ পাৰত আছিল যদিও পিচত স্কুলখন উঠি যায়)-ত 'ভূমি আৰু জংঘল' আইনৰ প্ৰতিবাদ কৰিবলৈ এখন বিৰাট ৰাজহুৱা সভা হৈছিল বুলি বেণুধৰ শৰ্মাই উল্লেখ কৰিছে। সেই সভাত উপেন্দ্ৰ বৰুৱা, দেৱীচৰণ বৰুৱা, গোবিন্দ বেজবৰুৱা আৰু সভাৰ সম্পাদক জগন্নাথ বৰুৱা উপস্থিত আছিল। সভাপতিত্ব কৰিছিল ৰজা নৰনাৰায়ণ সিংহই। এইসকলৰ উপৰি হেমকান্ত গোহাঁই, যদুনাথ ফুকন, ব্ৰজনাথ বেজবৰুৱা, চতুৰ্ভুজ আগৰৱালা, মুঞ্চি চামচুদ্দিন, ধৰ্মেশ্বৰ বৰুৱা, বাবু ক্ষীৰোদ প্ৰসাদ বেনাৰ্জী, চৈয়দ আব্দুল ৰহমান আৰু ভোলানাথ বৰুৱা আদি।[৫৩] সভাত দুটা প্ৰস্তাৱ গৃহীত হয়। প্ৰথম প্ৰস্তাৱত কোৱা হয় যে প্ৰদেশৰ ধনী-দুখীয়া সকলো শ্ৰেণীৰ লোকক স্পৰ্শ কৰা ভূমি আৰু জংঘলী আইনখন আধ্যাদেশস্বৰূপে জাৰি নকৰি ব্যৱস্থাপক সভাত বিধিসন্মতভাৱে দাঙি ধৰি আলোচনাৰ যোগেদি আইন প্ৰণয়ন কৰা। দ্বিতীয়তে উক্ত আইনৰ দ্বাৰা অসামৰিক ন্যায়ালয়ৰ ক্ষেত্ৰ সীমাৱদ্ধ কৰি ৰাজহ বিষয়াৰ হাতত কিছু ক্ষমতা দি চীফ কমিছনাৰৰ হাতত অৰ্পণ কৰা হওক।[৫৪] প্ৰথম প্ৰস্তাৱটি উত্থাপন কৰে জগন্নাথ বৰুৱাই আৰু সমৰ্থন কৰে কুমাৰ হেমকান্ত গোহাঁয়ে; দ্বিতীয় প্ৰস্তাৱটি ব্ৰজনাথ বেজবৰুৱাই প্ৰস্তাৱ কৰে সমৰ্থন কৰে চতুৰ্ভুজ আগৰৱালাই। এই প্ৰস্তাৱ পঠিওৱা হৈছিল William Erskine Ward-লৈ। Ward তেতিয়া চীফ কমিছনাৰ আছিল। দুয়োটা প্ৰস্তাৱৰ ভিত্তিত দিয়া স্মাৰক পত্ৰখনত মুঠ চৈধ্যটি দফা সংযোগ কৰা হৈছিল।[৫৫]

১৮৩৯ চনত সভাই Royal Commission on Opium - ৰ ওচৰত কানি সেৱন নিবাৰণৰ বাবে স্মাৰক পত্ৰ দিছিল। অসমত উচ্চ শিক্ষা প্ৰৱৰ্তনত সভাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। স্থানীয় শিক্ষিত যুৱকক চাকৰিত মকৰল কৰা, উচ্চ শিক্ষাৰ বাবে বৃত্তি প্ৰদানৰ ব্যৱস্থা আদি।[৫৬]

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

৫২. শৰ্মা বেণুধৰ, অৰ্ঘ্যাৱলী, পৃ. ১১৬, ১৯৭০

৫৩. শৰ্মা বেণুধৰ, পূৰ্বোক্ত, পৃ. ১১৬-১৭

৫৪. গোস্বামী যতীন্দ্ৰনাথ, পূৰ্বোক্ত, পৃ. ৩৮-৩৯

৫৫. পূৰ্বোক্ত, পৃ.অসমজ্যোতি

৫৬. Bhuyan Arun(ed.), National Upsurge in Assam, Govt. of Assam p 96-97, 2000

হেৰম্বকান্ত বৰপূজাৰীয়ে কৈছে— *The Sabha also demanded the employment of the native of the soil in large number and emphasised the need for improvement of their pay and service conditions. It was found that the convenanted officers sought transfer to Bengal where they had better propects of promotion and the amenities of metropolitan life. Therefor, the Sabha demanded that the experienced officers should be retained in Assam for longer periods in the interest of the province and they should be affored sufficient inducements by improving their pay and emoluments.*[৫৭] মুঠতে এই সভাই ৰাজনৈতিক সচেতনতা জাগ্ৰত কৰা লগতে জাতীয়তাবাদী আন্দোলনৰ পথ এটিও উলিয়াই দিলে।[৫৮] এইখিনিতে এইটোও উল্লেখযোগ্য যে ১৮৮৫ চনত বিদ্যালয়ৰ উপপৰিদৰ্শক প্ৰিয়লাল বৰুৱাৰ নেতৃত্বত শিৱসাগৰত অসম দেশ হিতৈষিনী সভা,[৫৯] ১৮৫৭ চনত আনন্দৰাম ঢেকীয়াল ফুকন আৰু গুণাভিৰাম বৰুৱাৰ প্ৰযত্নত জ্ঞান প্ৰদায়িনী সভা আদিয়ে এটা জাগৰণ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল— বৰপূজাৰীয়ে কৈছে—*"The emergenet of the aforsaid associations and organisations, within and outside the province, was a clear indication of the general awakening of the people"*[৬০] আনহাতে ৰাজনৈতিকভাৱে অসমক জাগ্ৰত কৰা আৰু উমৈহতীয়া ৰাজনৈতিক মঞ্চ প্ৰতিষ্ঠাৰ বুৰঞ্জীত যোৰহাট সৰ্বজানিক সভা স্মৰণীয়ৰূপে চিহ্নিত — *The foundation of the Sarbajanik Sabha at Jorhat in 1884 by Jagannath Barua is a landmark in the History of political association in Assam.*[৬১]

## অসমীয়া ছাত্ৰৰ সাহিত্য সভা

অসমীয়া ছাত্ৰৰ সাহিত্য সভা সম্পৰ্কে নিৰ্ভৰযোগ্য তথ্য পোৱা নাযায়। প্ৰথম অৱস্থাত এই সভাখন প্ৰতিষ্ঠা কৰিছিল আনন্দৰাম বৰুৱা, শিৱৰাম বৰা জালিনুৰ আলি আহমদ, মাধৱ চন্দ্ৰ বৰদলৈ আদিয়ে। এই তথ্য নন্দ তালুকদাৰৰ পৰা সংগ্ৰহ কৰিছে বুলি যতীন্দ্ৰনাথ গোস্বামীয়ে কৈছে।[৬২] এই সভা কিছুবছৰ চলি বন্ধ হৈছিল। এই সভাখনৰ নাম দুটা পোৱা গৈছে— (১) অসমীয়া সাহিত্য সভা, (২) অসমীয়া ছাত্ৰৰ সাহিত্য সভা।[৬৩] মাতৃভাষাৰ আত্ম প্ৰতিষ্ঠাই এই

৫৭. *Barpujari H.K. (ed), The Comprehensive History of Assam, Vol. V p. 239*
৫৮. *The Sabha contributed to the social and political awakening in Assam in a significant way and prepared the ground for naionalist movement - Bhuya Arun, ibid, p. 97*
৫৯. *নেওগ ডিম্বেশ্বৰ, The New Light on History of Asamiya Literature - গ্ৰন্থত ১৮৫৫ চন বুলি উল্লেখ কৰিছে, পৃ. ৩৯১ q.v. in ibid. তদুপৰি নগেন শইকীয়াই 'জোনাকী'-ৰ পাতনিত ১৮৫৫ চনৰ কথা কৈছে, 'জোনাকী' পৃ. ০১১*
৬০. *Barpujari H.K., Political History of Assam, Vol. I, pp 158-59, 1999*
৬১. *Barpujari H.K., ibid, p. 159*
৬২. *গোস্বামী যতীন্দ্ৰনাথ, জোনাক আৰু জাগৰণ, পৃ. ১, ১৯৮৮ অঃ সাঃ সভা*
৬৩. *Saikia Nagen, Background of Modern Assamese Literature, p. 295*



সভাৰ সংকল্প। এই সভা "অসমীয়া ছাত্ৰৰ সাহিত্য সভা" বুলি বেণুধৰ শৰ্মাই উল্লেখ কৰিছে।[৬৪] কলিকতাত পঢ়া অসমীয়া ছাত্ৰ গংগাগোবিন্দ ফুকনৰ পৰামৰ্শ মতে জগন্নাথ বৰুৱা, মাণিক চন্দ্ৰ বৰুৱা আদিয়ে ১৮৭২ চনত এই সভাখন পাতে।[৬৫] এই সভাৰ সম্পাদক আৰু পুথিভঁড়ালী আছিল যোৰহাটৰ দেৱীচৰণ বৰুৱা (১৮৯৫ চনলৈকে)। সেই সময়ৰ বয়োজ্যেষ্ঠসকলৰ পৰাও সহযোগ পাইছিল। তথ্যৰ পৰা জনা যায় যে বেণুধৰ ৰাজখোৱাই ১৮৯৭ চনলৈকে আইন আৰু মনোবিজ্ঞানত এম এ পঢ়ি কলিকতাত থাকোঁতে অসমীয়া ছাত্ৰৰ সাহিত্য সভা চলি আছিল। নগেন শইকীয়াই *'জোনাকী'*-ৰ পাতনিত ঊনবিংশ শতিকাতো সভাখন চলি থকা আৰু বিংশ শতিকাতো সক্ৰিয় হৈ থকাৰ কথা কৈছে।[৬৬] তদুপৰি যতীন্দ্ৰ গোস্বামীয়ে সভাই ৰাইজৰ সমৰ্থন লাভ কৰা প্ৰসংগত কৈছে যে সেই সভাৰ পুথিভঁৰাললৈ হৰিবিলাস গুপ্তই *দশম ভটিমা ৰত্নাৱলী*, নগাঁৰৰ বাপুৰাম শৰ্মাই *স্বাস্থ্য ৰক্ষাৰ প্ৰশ্নোত্তৰ* ভোলানাথ দাসে *কবিতামালা (প্ৰথমছোৱা), কবিতামালা (দ্বিতীয়ছোৱা) চিন্তাতৰংগিনী*, হেমচন্দ্ৰ বৰুৱাই *বাহিৰে ৰংচং ভিতৰে কোৱা-ভাতুৰী*, লম্বোদৰ দত্ত *বি এ প্ৰাকৃত ভূগোল*, গুণাভিৰাম বৰুৱাই *আকাশ বিজ্ঞান* দানস্বৰূপে আগবঢ়ায়। তলত স্বাক্ষৰ আছে—

শ্ৰীদেৱীচৰণ বৰুৱা, সম্পাদক, অ.ছা.সা.স. আৰু ১৮ মাঘ, ১৮০৬ শক, ৩৪ নং আমহাৰ্ষ্ট ষ্ট্ৰীট। এইখন ১৮৮৪ চনৰ। নগেন শইকীয়াই বেণুধৰ ৰাজখোৱা *মোৰ জীৱন দাপোন*-ৰ সহায়ত কৈছে এ এছ এল ক্লাবৰ সভালৈ সুৰেন্দ্ৰনাথ বেনাৰ্জীক নিমন্ত্ৰণ কৰিবলৈ গৈছিল ১৮৯২ চনত। কলিকতাৰ এলবাৰ্ট হলত ১৯৯২ চনৰ ৮ ডিচেম্বৰ তাৰিখে এ এছ ক্লাবৰ অষ্টম অধিৱেশন হৈছিল। গতিকে ১৮৮৫ চনলৈকে দুৰ্বল হৈ চলি থকা সভাখন সেই বছৰতে Assamese Students' Literary Association-ৰ ঠাইত Assamese Students' Literary Club ৰূপে ৰূপান্তৰ হৈছিল। সপ্তম বছৰ জোনাকীত ওলোৱা খবৰ মতে সভাখন ১৮৯৭ চনলৈকে চলি আছিল।[৬৭] 'জোনাকী'ৰ বিবিধ টোকা শিতানত ওলোৱা বাতৰিটো হ'ল— *"যোৱা ডিচেম্বৰ মাহৰ ১৯ তাৰিখে আবেলি ৫ বজাত অসমীয়া ছাত্ৰৰ সাহিত্য সভাৰ (Assamese Students' Literary Club) একাদশ বছৰেকীয়া উৎসৱ বৰ সমাৰোহেৰে হৈ গ'ল। সেই উপলক্ষে কলিকতা ইউনিভাৰচিটি ইনষ্টিটিউট হলত সেইদিনা এটি বৰ ডাঙৰ সভা হয়। কালীচৰণ বানাৰ্জি এম এ বি এলে Mission of Youth সম্বন্ধে এটি জ্ঞানগৰ্ভ বক্তৃতা দিলে আৰু ৰেভাৰেণ্ড ডাক্তৰ কে এচ মেকডনেল্ড এম. এ. পি. এচ. ডি-এ সভাপতিৰ আসন গ্ৰহণ কৰিছিল। সভাঘৰত মানুহে নধৰা হৈছিল। বেৰিষ্টাৰ শ্ৰীযুত আব্দুল মজিদ, ডাক্তৰ শ্ৰীযুত গোলাপ চন্দ্ৰ বেজবৰুৱা চাহাবকে*

৬৪. *শৰ্মা বেণুধৰ, অৰ্ঘ্যাৱলী, পৃ. ১৮, ১৯৭০*
৬৫. *According to Dr. Prafulladutta Goswami, an organisation of the Assamese people in Calcutta was there since a few years back and in 1872, with the suggestion of Gangagovinda Phukan it was renamed as Asamiya Sahitya Sabha (Borua Manic Chandra P.6) q.V. in Background of Modern Assamese Literature. P. 295.*
৬৬. *শইকীয়া নগেন, (সম্পা.) জোনাকী, ভূমিকা, পৃ. ০১২*
৬৭. *পূৰ্বোক্ত, পৃ. ৭৪৮*

*প্ৰমুখ্য কৰি ভালেমান ভদ্ৰলোক সভাত উপস্থিত আছিল"*।[৬৮] তেনেকৈ আন এটা বাতৰি প্ৰকাশ হৈছিল—*"অসমীয়া ছাত্ৰৰ সাহিত্য সভা এই নামেৰে কলিকতাত অসমীয়া ছাত্ৰসকলৰ যি সভা আছে তাৰ দশম বছৰীয়া উৎসৱ যোৱা ডিচেম্বৰ মাহৰ (১৮৯৫) ১৩ তাৰিখে হৈ গ'ল এই উৎসৱ উপলক্ষে এলবাৰ্ট হলত এটি সাধাৰণ সভা হয়। তাত বাবু কালীচৰণ বন্দোপাধ্যায় সভাপতি আছিল আৰু প্ৰেসিডেন্সি কলেজৰ অধ্যাপক বাবু বিনয়েন্দ্ৰ সেনেAspect of a National Literature এই বিষয়ে এটি বৰ জ্ঞানগৰ্ভ বক্তৃতা দিছিল। সভাত প্ৰায় পাঁচশমান দৰ্শক উপস্থিত আছিল আৰু ডাক্তাৰ এ কে এচ মেকডলেণ্ড, ৰেভাৰেণ্ড এ বি ওলান, বাবু কৈলাশ চন্দ্ৰ বসু প্ৰভৃতি ডাঙৰ মানুহেও সভাত উপস্থিত থাকি সমজুৱাসকলক উৎসাহিত কৰিছিল।"*[৬৮] তেনেকৈ 'জোনাকী'ত প্ৰকাশিত আন এটা বাতৰি—*" কলিকতাৰ অসমীয়া ছাত্ৰৰ সাহিত্য সভা আৰু অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ কাৰ্য জহৰ বন্ধৰ পাছত বৰ উৎসাহ আৰু আনন্দেৰে আৰম্ভ হোৱা দেখি আমি বৰ ভাল পাইছোহঁক"*[৬৯] সভাৰ দ্বাদশ বৰ্ষৰ অধিৱেশন সম্পৰ্কেও প্ৰকাশিত বাতৰি হ'ল—*"গত ইং ৩ ডিচেম্বৰ শুকুৰবাৰে কলিকতাৰ অসমীয়া ছাত্ৰৰ সাহিত্য সভাৰ দ্বাদশ বাৰ্ষিক অধিৱেশন কলিকতা ইউনিভাৰ্সিটি ইনষ্টিটিউট হলত বৰ সমাৰোহেৰে হৈ গ'ল। সেই সভাত ভাৰতবৰ্ষৰ প্ৰধান বক্তা, ৰীপন কলেজৰ গৰাকী, বংগীত ব্যৱস্থাপক সভাৰ সুযোগ্য সভ্য মহামান্য শ্ৰীযুত বাবু সুৰেন্দ্ৰনাথ বন্দোপাধ্যায়ে অনুগ্ৰহ কৰি সভাপতিৰ আসন গ্ৰহণ কৰিছিল। আমাৰ দয়ালু প্ৰজাৰঞ্জক চীফ কমিচনাৰ মাননীয় শ্ৰীযুত কটন চাহাব বক্তা আছিল। তেওঁৰ বক্তৃতাটি আগাগোৰা জ্ঞান গৰ্ভ উপদেশেৰে ভৰা। এনেকুৱা সুযোগ্য সভাপতি আৰু বক্তাৰ নামত ডেৰ হেজাৰৰ অধিক দৰ্শক আৰু শ্ৰোতা উপস্থিত আছিল। আৰু আমাৰ মাননীয় ডাক্তৰ বেজবৰুৱা, অকচ্‌ফৰ্ড মিচনৰ ৰেভাৰেণ্ড বাৰ্বৰ প্ৰভৃতি বহুত ডাঙৰ মানুহ উপস্থিত আছিল।"*[৭০]

১৯০১ চনত কটন কলেজ স্থাপন হোৱাৰ বছৰতে ইয়াৰ এটা শাখা গুৱাহাটীতো খোলা হৈছিল। এই ক্লাবৰ পৰা ১৯৩৭ চনত *চিন্তাকোষ* ১৯৪১ চনত *সাহিত্য আৰু সমালোচনা* নামৰ দুখন পুথিও প্ৰকাশ হৈছিল। সেয়ে নগেন শইকীয়াই যুক্তি সন্মতভাৱে ১৮৭২ চনৰ পৰা বিংশ শতিকালৈকে এই সভা সক্ৰিয় হৈ থকাৰ সাক্ষ্য বহন কৰে বুলি কৈছে।[৭১] আগতে উল্লেখ কৰা এলবাৰ্ট হলৰ সভাৰ বিষয়ে 'বিজুলী' কাকতত ওলোৱা খবৰত ভাৰতৰ কানি আয়োগৰ সদস্য এইচ জে উইলচনৰ উপস্থিতি, Atmospheric Education of our Youth- বিষয়ক বক্তৃতা প্ৰদান কৰা কালীচৰণ বন্দোপাধ্যায়, কলিকতা মহানগৰীৰ শ্যেৰিফ মি. আ. ডি. মেহতাই সভাপতিত্বৰ কথা উল্লেখ আছে।[৭২] যতীন্দ্ৰনাথ গোস্বামীয়ে ১৮৯৩ চনৰ বাৰ্ষিক সভাত বিলোৱা বাৰ্ষিক প্ৰতিৱেদন আৰু সভ্যসকলৰ তালিকাৰ কথাও উল্লেখ কৰিছে।[৭৩] অসমৰ ছাত্ৰৰ সাহিত্য

৬৮. *শইকীয়া নগেন, (সম্পা.) জোনাকী, ভূমিকা, পৃ. ৬৭৭*
৬৯. *পূৰ্বোক্ত, পৃ. ৮১১*
৭০. *পূৰ্বোক্ত, পৃ. ৮৫৬*
৭১. *পূৰ্বোক্ত, পৃ. ০১২*
৭২. *বিজুলী, তৃতীয় বৰ্ষ, পঞ্চম সংখ্যা, ১৮১৫ শক, পৃ. ৮৪*
৭৩. *গোস্বামী যতীন্দ্ৰনাথ, জাগৰণ আৰু জোনাক, পৃ. ৩, ১৯৮৮*



সভা (ASL Club) ১৯০১ চনত গুৱাহাটীত স্থাপন হৈছিল বুলি আগতে উল্লেখ কৰা হৈছে। কিন্তু শতিকাটোৰ মাজভাগত সভাখনৰ নামতো Assamese Students' Literary Club হয়। অসমীয়া ছাত্ৰৰ সাহিত্য সভালৈ সেই সময়ৰ কলিকতা প্ৰবাসী ছাত্ৰসকল গৈছিল যদিও ক্লাবৰ কাৰ্যসূচী সীমিত আছিল। উল্লেখযোগ্য এই ছাত্ৰ সভা সামাজিক অনুষ্ঠান আছিল। এই সভাই পৰৱতী কালত জন্ম দিলে অসমীয়া ভাষা উন্নতি সাধিনী সভা (অ.ভা.উ.সা.)ৰ।

## অসমীয়া ভাষা উন্নতি সাধিনী সভা

'অসমীয়া ভাষা উন্নতি সাধিনী সভা'-ৰ জন্ম এক ঐতিহাসিক স্মৰণীয় ঘটনা। ঊনবিংশ শতিকাৰ অষ্টম দশকত কলিকতাত অধ্যয়ন কৰিবলৈ যোৱা ছাত্ৰসকল কলিকতাৰ বিভিন্ন মেছত আছিল। ঊনবিংশ শতিকাৰ আৰম্ভণিৰ পৰাই বংগীয় প্ৰভাৱ অসমৰ সমাজ জীৱনত পৰাৰ কালছোৱাৰ পৰাই তেওঁলোকৰ মন কলিকতামুখী হৈছিল। এই সংযোগৰ ঘাই উদগাতা হলিৰাম, যজ্ঞৰাম, জাদুৰাম (যা?) মণিৰামৰ দিনৰ পৰা। শতিকাটোৰ শেষৰ ফালে অসমীয়া ছাত্ৰৰ সংখ্যা কলিকতাত বৃদ্ধি হ'ল। কিন্তু এই ছাত্ৰসকলৰ নিজৰ মাতৃভাষাৰ দুখ দুৰ্গতি দেখি তেওঁলোকৰ আত্মচৈতন্য জাগৃত হৈছিল। সেইসকলৰ ভিতৰত উল্লেখযোগ্য ছাত্ৰ হ'ল—বেণুধৰ ৰাজখোৱা, ডালিমচন্দ্ৰ বৰা, লক্ষ্মীপ্ৰসাদ চলিহা, ৰমাকান্ত বৰুৱা, কৃষ্ণপ্ৰসাদ দুৱৰা, ৰমাকান্ত বৰকাকতী, গুণীন্দ্ৰনাথ বৰুৱা, গোপাল চন্দ্ৰ বৰুৱা, লক্ষেশ্বৰ শৰ্মা, তীৰ্থনাত কাকতী, হেমচন্দ্ৰ গোস্বামী, কনকলাল বৰুৱা, কৃষ্ণকুমাৰ বৰুৱা, চন্দ্ৰকমল বেজবৰুৱা, ঘনশ্যাম বৰুৱা, কমলচন্দ্ৰ শৰ্মা, লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰ কুমাৰ আগৰৱালা, ৰজনীকান্ত বৰদলৈ, পদ্মনাথ গোহাঞিবৰুৱা, ৰাধানাথ ফুকন, দেৱেশ্বৰ চলিহা, বিষ্ণুপ্ৰসাদ আগৰৱালা, নীলকান্ত বৰুৱা, সোণাৰাম চৌধুৰী আদি।[৭৪] সেইসকল ছাত্ৰই অসমীয়া ছাত্ৰৰ সাহিত্য সভাৰ আৰ্হি লৈ প্ৰতি বুধবাৰ আৰু শনিবাৰে আনুষ্ঠানিকভাৱে একেলগ হৈ কোনোবা এটা মেছত জলপনীয়া সভা বা চাহ মেলৰ আয়োজন কৰিছিল। বুধবাৰে হোৱা আলোচনাত অসমীয়া মানুহৰ কু-স্বভাৱ চৰিত্ৰৰ কথা ধেমেলীয়া ৰূপত আলোচনা হৈছিল। সেইদেখি এই আলোচনাক Funny Speech Meeting বা ৰঙিয়াল বক্তৃতা চ'ৰা বুলিছিল।[৭৫] ইয়াত ইংৰাজীত বক্তৃতা দিয়া হৈছিল কাৰণে বেণুধৰ শৰ্মাই এই বুধবৰীয়া মেলখনক ইংৰাজী বক্তৃতাৰ আখৰা চ'ৰা বুলিছিল।[৭৬] শনিবাৰৰ খনৰ আলোচ্য বিষয় আছিল অসমীয়া ভাষা। অসমীয়া ভাষাৰ সাৰ্বিক বিকাশ বিষয়ক ৰচনা, কবিতা, প্ৰবন্ধ আদি পঠিত হৈছিল। প্ৰকৃততে শনিবৰীয়া চাহ মেলখন এখন সৰু-সুৰা সাহিত্য সভাই আছিল।[৭৭] এই চাহমেলতে "এদিন স্থিৰ হ'ল যে পুৰণি মৰা নাম 'অসমীয়া ছাত্ৰৰ সাহিত্য সভা' নামটো আকৌ ন কৈ চাবৰ দৰ্কাৰ নাই, নতুন যুগোপযোগী নাম এটা দি ইয়াতে নবীন খুটাহে লগাব লাগে। এনেকুৱা এটা সিদ্ধান্তকে কৰি ১৮১০ শকৰ শ্ৰীকৃষ্ণৰ জন্মাষ্টমী তিথিৰ দিনা সেই জলপনীয়া ভোজৰূপী মেলাখনৰ জন্মোৎসৱ

৭৪. *শইকীয়া নগেন, (সম্পা.) জোনাকী, ভূমিকা, পূৰ্বোক্ত, পৃ. ০১৩*
৭৫. শৰ্মা বেণুধৰ, পূৰ্বোক্ত, পৃ. ১৮-১৯
৭৬. শৰ্মা বেণুধৰ, পূৰ্বোক্ত, পৃ. ১৯
৭৭. শৰ্মা বেণুধৰ, পূৰ্বোক্ত, পৃ. ১৯

আৰু নামকৰণৰ উৎসৰ পাতি সভাৰ নাম দিয়া হ'ল "কলিকতা অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা" বা ঠাৱে চিএগ্ৰৱে কলিকতাৰ অ ভা উ সা সভা।"[৭৮] এই সভাৰ প্ৰথম সম্পাদক আছিল শিৱৰাম বৰদলৈ। এই সভা গঠন হোৱাৰ লগে লগে চাহমেলৰ অনানুষ্ঠানিকতাৰ অন্ত পৰিছিল। শিৱৰাম বৰদলৈৰ পিচত কমল চন্দ্ৰ শৰ্মা সম্পাদক হৈছিল। তেওঁ কাৰ্যভাৰ গ্ৰহণ কৰিছিল ১৮৮৯ চনৰ ২৮ শাওনত। কিন্তু সেই বছৰৰ ২৩ মাঘত শৰ্মাৰ বিয়োগ হয়।[৭৯] লক্ষ্মীনাথ বেজবৰুৱাই মোৰ জীৱন সোঁৱৰণত কৈছে—'পৃথিৱীৰ ইতিহাসলৈ চকু দিলে দেখিবলৈ পোৱা যায় যে এই জগতত যতবিলাক ডাঙৰ ডাঙৰ কাৰ্যৰ অনুষ্ঠান হৈছে প্ৰায় সকলোবোৰৰ উৎপত্তিৰ সূত্ৰপাত এনে সৰু কাৰ্য বা ক্ষুদ্ৰ ঘটনাৰ পৰা হৈছে। বিলাতী পণ্ডিত জনছন এডিছনৰ দিনৰ কফি হাউচ' ইউৰোপ, এচিয়া আৰু আমেৰিকা জুৰি পৰা বহুত ডাঙৰ কথাৰ ওপজা ঠাই। এতিয়াও অসমীয়া ভাইসকলৰ এই নগণ্য ক্ষুদ্ৰ টি-পাৰ্টিৰ পৰা গজালি মেলা পুলি 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'ৰ ডাল-পাত যে কালক্ৰমত প্ৰকাণ্ড আকাৰ ধৰি এশ যোজন ব্যাপী পৰিবৰ সম্ভৱ তাক কোন অসমীয়াৰ ওখ আশাৰে চপচপীয়া হিয়াই নুই কৰিবলৈ আগবাঢ়িব?[৮০] অ.ভা. উ.সা. সভাৰ উদ্দেশ্য সম্পৰ্কে বেজবৰুৱাই কৈছে— এই সভাৰ উদ্দেশ্য হৈছে অসমীয়া ভাষাৰ উন্নতি সাধন কৰা। সেই উদ্দেশ্যৰূপ মহামন্ত্ৰক হিয়াত ঠাই দি এই সভাই 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'ৰূপে উপজিছে। কেঁচুৱা মাতৃভাষা কেনেকৈ ডাঙৰ-দীঘল হ'ব, কেনেকৈ সি পৃথিৱীৰ আন আন ধনী আৰু উন্নতিশীল ভাষাৰ সমান হৈ আপোনা গৌৰৱ বেলিৰ পোহৰ চাৰিওফালে পেলাই দুখীয়া আৰু এন্ধাৰ অসমৰ মুখ পোহৰাব পাৰিব, কেনেকৈ সি দুৰ্বল ৰুগীয়া আৰু জীৰ্ণ অৱস্থাৰ পৰা সবল, সুস্থ আৰু শকত অৱস্থা পাব তাৰ উপায় সাধনেই এই সভাৰ উদ্দেশ্য।[৮১] আজিৰ তাৰিখতো বেজবৰুৱাৰ এই উক্তি প্ৰাসংগিক হৈ আছে। সেই সময়ত বহুতে কোৱা-কুই কৰিছিল যে, অ.ভা.উ.সা. সভাৰ উদ্দেশ্য কি নজনাৰ কাৰণে শিৱৰাম বৰদলৈয়ে 'আসাম তৰা'- ত (অষ্টম সংখ্যা, ব'হাগ) এখন চিঠি লিখিছিল।[৮২] সভাৰ উদ্দেশ্য সম্পৰ্কে কমলচন্দ্ৰ শৰ্মাই প্ৰচাৰ কৰা বিজ্ঞপ্তিত এইকথা স্পষ্ট হৈছে। বিজ্ঞপ্তিখন জোনাকীৰ প্ৰথম ভাগৰ নৱম সংখ্যাত প্ৰকাশ হৈছিল।

### বিজ্ঞপ্তি

## অসমীয়া ভাষা উন্নতি সাধিনী সভা

অসমৰ অনেক মহোদয়ে কোৱা কুই কৰে যে অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ উদ্দেশ্য কি আমি এতিয়ালৈকে জানিব পৰা নাই, আৰু তেওঁবিলাকেনো কি কৰিছে তাৰো একো ভূ-ভা নাই। কিছুদিন হ'ল ভূতপূৰ্ব সম্পাদক শ্ৰীযুক্ত শিৱৰাম বৰদলৈ মহাশয়ে এই সভা সম্বন্ধে 'আসাম

৭৮. পূৰ্বোক্ত, পৃ. ১৯
৭৯. পূৰ্বোক্ত, পৃ. ১৯
৮০. হাজৰিকা অতুল চন্দ্ৰ, বেজবৰুৱা গ্ৰন্থাৱলী, প্ৰথম খণ্ড, সাহিত্য প্ৰকাশ। পৃ. ৪৯, ১৯৬৮
৮১. পূৰ্বোক্ত, পৃ. ৪৯
৮২. শইকীয়া নগেন, পূৰ্বোক্ত, পৃ. ০১৫



তৰা'ত (অষ্টম সংখ্যা, ব'হাগত) এখন চিঠি লিখিছিল। তাত সভাৰ উদ্দেশ্য কি বিস্তাৰিতৰূপে বৰ্ণনা কৰা আছে। সভাৰ নামেই সভাৰ উদ্দেশ্য সুন্দৰৰূপে বৰ্ণনা কৰি দিছে। কিন্তু সেই উদ্দেশ্য সাধন কৰিবৰ নিমিত্তে কি কি উপায় অৱলম্বন কৰিব লাগে সেইবিলাক বিষয় স্থিৰ কৰা মহৎ গুৰুতৰ কাম। কলিকতাত পঢ়া ছাত্ৰসকলে অকলৈয়ে যে ইমান গুৰুতৰ বিষয় মীমাংসা কৰি ঠিক কৰিব পাৰিব ই অসম্ভৱ। সেই নিমিত্তে তেওঁবিলাকে যোৱা শাওণ মাহত হোৱা বাৰ্ষিক অধিৱেশনত নতুন সম্পাদক আদি নিযুক্ত কৰি প্ৰকৃত উদ্দেশ্য সিদ্ধিৰ উপায় যিহতে হয় সেই অভিপ্ৰায়ে সভাৰ গঠনাদি আৰু নিয়মাৱলী পৰিৱৰ্তন কৰিলে। নতুন নিয়ম মতে- যি জিলা যি মহকুমাদিতে ১০ জন কি তাতকৈ অধিক সভ্য থাকিব তাত একোখনি শাখা সভা থাকিব। সেই শাখা সভাত একোজন সম্পাদক নিযুক্ত থাকিব। সমুদায় সভ্যসকলক লৈ 'অসমীয়া ভাষা উন্নতি সাধিনী সভা' বোলা যাব। কলিকতাত যিখনি সভা থাকিব সেইখনিক 'ঘাই সভা' বোলা যাব। সেই সভাৰ কাৰ্য চলাবৰ নিমিত্তে 'কাৰ্যনিৰ্বাহক সভা' বুলি এখনি সভা থাকিব। তেওঁবিলাকৰ কি কি কাৰ্য, কি কি ক্ষমতা সেইবিলাক সুন্দৰৰূপে নিয়মাৱলীত লেখা হৈছে। সৰ্বসাধাৰণে জানিবৰ নিমিত্তে সেই নিয়মাৱলী এইবাৰৰ 'জোনাকী'ৰ কোলাৰ কাকতস্বৰূপে পঠিওৱা হ'ল। আমি এতিয়া প্ৰাৰ্থনা কৰোঁ যেন অসমৰ বিজ্ঞ বহুদৰ্শী আৰু গুণী-মানী ভদ্ৰলোকসকলে সেই সেই শাখা সভাৰ সভ্য হৈ কলিকতাত থকা 'ঘাই সভা'ক তেওঁবিলাকৰ উপদেশ আদি দি যাতে মাতৃভাষাৰ উন্নতি হয় সেই বিষয়ে চেষ্টা কৰে।[৮৩]

শ্ৰীকমলচন্দ্ৰ শৰ্মা
সম্পাদক, অ. ভা. উ. সা. সভা

৬২ নং সীতাৰাম ঘোষৰ ষ্ট্ৰীট
কলিকতা

ইয়াৰ পৰা দেখা যায় অ. ভা. উ. সা. সভা কলিকতাৰ পৰা অসমলৈও সম্প্ৰসাৰণ হ'ল। এই প্ৰসংগত কনকলাল বৰুৱাই অসম সাহিত্য সভাৰ সভাপতিৰ অভিভাষণত কৈছে— "যি হওক অসমীয়া ভাষা উন্নতি সাধিনী সভা যদিও আদিতে কিছুমান ছাত্ৰৰ দ্বাৰা স্থাপিত হৈছিল। সেই ছাত্ৰবিলাক কলিকতাৰ পৰা উভতি আহি অসমৰ বেলেগ বেলেগ ঠাইত বহি যোৱাৰ পাছতে তেওঁবিলাকৰ উৎসাহ আৰু যত্নৰ দ্বাৰায়ে অসমৰ প্ৰত্যেক জিলাতে লাহে লাহে অসমীয়া ভাষা উন্নতি-সাধিনী সভাৰ শাখা হ'বলৈ ধৰিলে।"[৮৪]

অসমীয়া ভাষা উন্নতি সাধিনী সভা আৰু এ এছ এল ক্লাব-এই দুয়োটা অনুষ্ঠানৰ লক্ষ্য আৰু আদৰ্শ একে আছিল। ১৮৯২ শকৰ ১০ ভাদ তাৰিখে ২নং ভৱানীচৰণ দত্ত লেনত থকা ঘৰত "ঘাই সভা" বহে তাতেই বেজবৰুৱাক সম্পাদক আৰু হেম গোসাইক সভাপতি পাতি সভাখন ৰেহা লগায়। ইয়াৰ পাছত ক্ৰমে কৃষ্ণপ্ৰসাদ গুপ্ত, ৰমাকান্ত বৰকাকতী, কনকলাল বৰুৱা, ৰাধানাথ ফুকন, লক্ষেশ্বৰ শৰ্মা, চন্দ্ৰধৰ বৰুৱা (নগাঁও), দেৱেশ্বৰ চলিহা, যোগেন্দ্ৰনাথ বৰুৱা, জগৎ চন্দ্ৰ গোস্বামী আদিয়ে সভাখন প্ৰায় ১২ বছৰ উদ্যমেৰে কাৰ্যক্ষম কৰি ৰাখে।[৮৫]

৮৩. শইকীয়া নগেন, পূৰ্বোক্ত, পৃ ১০৫
৮৪. হাজৰিকা, অতুল চন্দ্ৰ ভাষণাৱলী (প্ৰথম খণ্ড) পৃ ৯৬-৯৭, ১৯৫৫, অঃ সাঃ সভা
৮৫. বেণুধৰ শৰ্মা, পূৰ্বোক্ত পৃ ১০

অ.ভা.উ.সা. সভাৰ প্ৰথম বৈঠকত (৬৭ নং মিৰ্জাপুৰ ষ্ট্ৰীট)ত লোৱা আঁচনি সম্পৰ্কে ডিম্বেশ্বৰ নেওগে কৈছে— *to invite attention of the authorities of the Education Department of Assam to see the Assamese is actually employed in all grades of School in Assam and that Assamese children have all facilities to study their own mother tounge, to remove all grammatical and orthographical anomalies and to use correct forms of speech instead to move authorities to use suitable works removing the defective ones... to remove wants of our language by translating from Sanskrit or other languages... to promote interest for news papers, and to creat a standard language all through Assam*[৮৬] অসমৰ কহিমা, ডিব্ৰুগড়, শিৱসাগৰ আৰু গুৱাহাটী আদি ঠাইত অ.ভা.উ.সা সভাৰ শাখা স্থাপন হ'ল।[৮৭] ১৮৯৩ চনত মুঠ সভ্যৰ সংখ্যাই ১২৩ চুইছিলগৈ বেজবৰুৱাই *মোৰ জীৱন সোঁৱৰণ*-ত উল্লেখ কৰিছে যে অ.ভা.উ.সা. সভাৰ উদ্দেশ্য সফল কৰিবলৈ পুৰণি পুথি সংগ্ৰহ, পুৰণি পুথি ছপা কৰা, অসমৰ সকলো পঢ়াশালিত অসমীয়া ভাষা প্ৰচলন কৰা, পঢ়াশালিত ভাষা শুদ্ধকৈ লিখিবলৈ শিকা, প্ৰাচীন পুথিবোৰ টীকা-টিপ্পনীৰে সম্পাদন কৰা, অসমীয়া ভাষাত নথকা লাগতিয়াল পুথি সংস্কৃত বা আন ভাষাৰ পৰা অনুবাদ কৰা, অসমৰ ধৰ্মনীতি, সমাজনীতি, ৰাজনীতি, খেল, মেল, গাঁও আদিত থকা বৃত্তান্ত সংগ্ৰহ কৰি বুৰঞ্জী যুগুত কৰা, বাতৰি কাকতৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰা। সভাই অসমীয়া পুথিৰ তালিকাৰ ১৮৯৫ চনতে প্ৰকাশৰ যি আঁচনি লৈছিল সেই আঁচনি আজি ২০১৬ চনতে প্ৰকাশ সম্পূৰ্ণ হৈ উঠা নাই। সভাৰ তৃতীয়-চতুৰ্থ বৰ্ষত ৬০২ খন ন-পুৰণি পুথিৰ তালিকা ৫ম বছৰত ৭১৩ খন সংগ্ৰহ হয়। সভাৰ যুটীয়া সম্পাদক ৰমাকান্ত বৰকাকতী আৰু কনকলাল বৰুৱাই ১৮৯৫ চনত মুঠ ৭৩০খন পুথিৰ নাম (৫৬ পৃষ্ঠাৰ) প্ৰকাশিত তালিকাত পোৱা যায়। ('জোনাকী'ৰ একত্ৰ সংকলনত নগেন শইকীয়াই ১৮৯৪ চন বুলিছে) ৰাধানাথ ফুকনে এই কাৰ্যক উচ্চ প্ৰশংসা কৰি কৈছে যে এই প্ৰকাশিত পুথিৰ তালিকাই দেশৰ পৰিৱৰ্তন আচৰিতভাৱে হ'ল আৰু জাতীয় গৌৰৱবোধ অসমীয়াৰ মনত সঞ্চাৰ হোৱাৰ

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

৮৬. *Neog Dimbeswar, New Light on the History of Asamiya Literature, Guahati, P. 391, 1962*

৮৭. *কহিমাত লম্বোদৰ বৰাই অসমীয়া ভাষাৰ আলোচনা সভা পাতে ১৮৯০ চনৰ ২৩ নৱেম্বৰত, ১৮৯২ চনলৈকে সম্পাদক আছিল। ইয়াৰ পিচত ১৮৯৫ চনত আৰু পদ্মনাথ গোহাঞি বৰুৱা, তেজপুৰত ডালিমচন্দ্ৰ বৰা আৰু তাৰিণীচৰণ ভট্টাচাৰ্য ডিব্ৰুগড়ত শিৱৰাম শৰ্মা আৰু দীননাথ দত্ত, শিৱসাগৰত গুঞ্জানন বৰুৱা আৰু উপেন্দ্ৰ শৰ্মা, নগাঁৱত ৰত্নধৰ বৰুৱা আৰু চন্দ্ৰধৰ বৰুৱা, গোলাঘাটত ঘনশ্যাম বৰুৱা, কৃষ্ণ প্ৰসাদ দুৱৰা আৰু জগৎ চন্দ্ৰ গোস্বামী, বৰপেটাত লোহিত নায়ক, যোৰহাটত যজ্ঞৰাম নেওগ আৰু বিনন্দীচৰণ ফুকন, গোৱালপাৰাত হৰিপ্ৰসাদ নাথ আৰু প্ৰসন্ন ঘোষ, গুৱাহাটীত সত্যনাথ বৰা আৰু কৃষ্ণচন্দ্ৰ চৌধুৰীয়ে শাখাসমূহ প্ৰতিষ্ঠা কৰে বুলি বেণুধৰ শৰ্মাই উল্লেখ কৰিছে (অৰ্ঘ্যাৱলী, পৃ. ২৮) তদুপৰি উত্তৰ লক্ষীমপুৰত ১৮৯৪ চনত পদ্মনাথ বৰুৱা (গোহাঞি বৰুৱা) আৰু পানীন্দ্ৰনাথ গগৈ। এই প্ৰসংগত প্ৰকাশিত 'জোনাকী'ৰ বাতৰিটো হ'ল— "কহিমা, ডিব্ৰুগড়, শিৱসাগৰ, তেজপুৰ, নগাঁও আৰু বৰপেটাত এনে সভা আছে আৰু যোৰহাটতো নতুনকৈ এখন স্থাপন কৰা বুলি শুনি আমি আহ্লাদিত হৈছোঁ (জাগৰণ আৰু জোনাক- পৃ. ১২)*



লগতে অসমৰ ছাত্ৰই বিশ্ববিদ্যালয়ৰ স্তৰতো উচ্চ স্থান লাভ কৰিবলৈ সক্ষম হ'ল।[৮৮] বেজবৰুৱাই মোৰ জীৱন সোঁৱৰণত কৈছে— *পুৰণি পুথিবিলাক আমাৰ পুৰণি ৰত্ন। ৰত্ন যেনেকৈ পুৰণি হ'লেও অকামিলা নহয় বৰং তাৰ মোল বাঢ়েহে, সেইদৰে আমাৰ পুৰণি পুথিবিলাক আমাৰ আমোলন সম্পত্তি।*[৮৯] পানীন্দ্ৰনাথ গগৈৰ '*ল'ৰা শিক্ষা*' দ্বিতীয়ছোৱা, *লংফেলৰ কবিতা Psalm of Life*-ৰ অনুবাদ আৰু *হেমকোষ* প্ৰকাশৰ বাবে বৰঙণি সংগ্ৰহ আদি সভাৰ কাৰ্যৰ অন্তৰ্ভুক্ত হৈছিল। সেই সময়ত অসমৰ বিয়ানাম হাৰ্মনিয়াম আদি বাদ্যযন্ত্ৰৰে গোৱাৰ প্ৰথম ব্যৱস্থা কৰে অ.ভা.উ.সা. সভাই। ড° ৰাধিকাৰাম ঢেকীয়াল ফুকন, বিলাতৰ ডেলবাৰ্গ ইউনিভাৰ্চিটিৰ প্ৰথম ডক্টৰেট। সংগীততো পাৰদৰ্শী আছিল।[৯০] তেওঁৰেই আগফাল "শুৱনি, কাকিনি তামোল ঐ, পাছফাল শুৱনি পাণ"— এই বিয়া নামটি বেহেলাৰ সুৰত গোৱায় আৰু "পতিত পাৱন হৰি পতিত পাৱন"— এই ভক্তিমূলক গীতটোও তেওঁ গায়। ইয়াৰ ফলত অসমীয়া গীতৰ মান বহুত ওপৰলৈ উঠিল বুলি বেণুধৰ শৰ্মাই উল্লেখ কৰিছে। এই সভাই "সোই সোই ঠাকুৰ সোই যো হৰি পৰকাশা" আৰু "জয় জয় জয় জন তাৰণ কাৰণ নাৰায়ণ পৰ দেৱং" বৰগীতৰ স্বৰলিপিও প্ৰথম যুগুত কৰে। অ.ভা.উ.সা সভাৰ বুধবাৰে বহা Funny Speech Meeting – এই হেনো কৃপাবৰ বৰুৱাৰ জন্ম দিলে।[৯১]

সভাৰ এটি পুথিভঁৰালো হৈছিল— ইয়ালৈ পূৰ্ণকান্ত শৰ্মা, উপেন্দ্ৰনাথ বৰুৱা, শ্ৰীধৰচন্দ্ৰ বৰুৱা, বসন্ত কুমাৰ গোস্বামী, পানীন্দ্ৰনাথ গগৈ, ফুকন এণ্ড মজিন্দাৰ কোম্পানী, লক্ষ্মীনাথ বেজবৰুৱা, কালীনাথ হাজৰিকা, হেমচন্দ্ৰ গোস্বামী, ৰত্নেশ্বৰ মহন্ত, দীননাথ বেজবৰুৱা, বেণুধৰ ৰাজখোৱা, শিৱদেৱ গোস্বামী, বৰদা প্ৰসাদ চলিহা, হেমচন্দ্ৰ বৰুৱা আদিয়ে গ্ৰন্থ দানস্বৰূপে দিছিল।

অভিনয়ৰ জগতখনতো সভাই খোজ দিলে। বেজবৰুৱাই *মোৰ জীৱন সোঁৱৰণ*-ত কৈছে যে শ্বেকছপীয়েৰৰ Comedy of Errors- খন *ভ্ৰমৰংগ* নামদি ৰত্নেশ্বৰ বৰুৱা, ৰমাকান্ত বৰকাকতী, গুঞ্জানন বৰুৱা, ঘনশ্যাম বৰুৱাই ভাঙনি কৰে, বেজবৰুৱা আৰু শিৱৰাম বৰদলৈ সহায়ক হয়। *ভ্ৰমৰংগ* নামটো হেনো শিৱৰাম বৰদলৈয়ে দিছিল। তেওঁ *"ভ্ৰমৰংগ ভ্ৰান্তিমূলং"* তাৰ সংস্কৃত ব্যুৎপত্তি কৰি হাঁহিৰ খোৰাক যোগাইছিল।[৯২] উল্লেখযোগ্য কনকলাল বৰুৱাই মালতীৰ ভাও লৈছিল। বৰুৱাই বায়েকৰ পৰা সিংখাপৰ ৰিহা মেখেলা, থুৰিয়া, ডুগডুগী আৰু পাণ বটা এটা আনি মালতীৰ ভাও দি মঞ্চৰ পৰা নামি আহোঁতে বাঙালী দৰ্শক আৰু চাহাবসকলে চাই বাঃ বাঃ দিলে আৰু অসমীয়া সাজপাৰ দেখি মুগ্ধ হ'ল। ইণ্ডিয়ান ডেইলি কাকতত অসমীয়া মহিলাৰ সাজ-পাৰ আৰু অলংকাৰ প্ৰশংসা কৰিছিল।[৯৩] ইয়াৰ উপৰি দুৰ্গাপ্ৰসাদ দত্তৰ *মহৰী* নাটকৰ অভিনয়, বেজবৰুৱাৰ *লিতিকাই* -ৰ অভিনয় হৈছিল।

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

৮৮. *ফুকন ৰাধানাথ, অসম সাহিত্য সভা বাৰ্ষিকী q.v. in জাগৰণ আৰু জোনাক, পৃ. ১৪*

৮৯. *হাজৰিকা অতুলচন্দ্ৰ, সম্পা. বেজবৰুৱা গ্ৰন্থাৱলী, প্ৰথম খণ্ড, পৃ. ৫০, ১৯৬৮*

৯০. *শৰ্মা বেণুধৰ, পূৰ্বোক্ত, পৃ. ২০, নগেন শইকীয়া, পূৰ্বোক্ত, পৃ. ০১৬, পাদটীকা*

৯১. *শৰ্মা বেণুধৰে কৈছিল- ক- বৰ্গৰ প্ৰথম বৰ্ণ, সেই বৰ্ণটোৰ তলতে কাৰডাল লগাই কৃ ৰূপে সজাই পূৰা নাম কৃপাবৰ বৰবৰুৱা কৰি... (অৰ্ঘ্যাৱলী ২০-২১ পৃষ্ঠাত কৃপাবৰ বৰবৰুৱা নামটিৰ সৃষ্টিৰ কাহিনীটো আছে)*

৯২. *বেজবৰুৱা গ্ৰন্থাৱলী, প্ৰথম খণ্ড, পৃ. ৫০*

৯৩. *শৰ্মা বেণুধৰ, পূৰ্বোক্ত, পৃ. ৭৮*

অ.ভা.উ.সা. সভাৰ লগত সেই সময়ত কলিকতা প্ৰবাসী প্ৰত্যেক ছাত্ৰ প্ৰত্যক্ষভাৱে আত্মিক সম্পৰ্ক স্থাপন কৰি জড়িত হৈছিল। অ.ভা.উ.সা. সভাৰ ঐতিহাসিক এটি সিদ্ধান্তই এক নতুন যুগ আৰু নতুন ভাবশক্তিৰ জন্ম দিলে। সেই সিদ্ধান্ত আছিল এখন মাহেকীয়া সাহিত্য পত্ৰিকা উলিওৱাৰ সিদ্ধান্ত। ১৮৪৬ চনত প্ৰকাশিত *'অৰুনোদই'* ১৮৮০ চনত সম্পূৰ্ণ বন্ধ হয়। হেমচন্দ্ৰ বৰুৱাৰ অসমীয়া ভাষাৰ ব্যাকৰণ (১৮৫৯) প্ৰকাশ হোৱাৰ পিছত অৰুণোদই *'অৰুনোদয়'* হ'ল। *'অসম বিলাসীনি'* (১৮৭১-১৮৮৩), *'আসাম তৰা'* (১৮৮৮), *'আসাম দৰ্পণ'* (১৮৭৩), *'চন্দ্ৰোদয়'* (১৮৭৬), *'আসাম দীপিকা'* (১৮৭৬) আদি কাকতৰ প্ৰভাৱ বিশেষ নাছিল। হেমচন্দ্ৰ বৰুৱাৰ সম্পাদনাত *'আসাম বন্ধু'* (১৮৮৫-৮৬) আদি তেৰখন পত্ৰ পত্ৰিকা প্ৰকাশ হয়। নগেন শইকীয়াই যথাৰ্থভাৱে কৈছে যে— *'অৰুনোদই'-ৰ পৰা 'আসাম তৰা'লৈকে প্ৰকাশিত পত্ৰ পত্ৰিকাই 'প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে অসমীয়া ভাষাৰ বুনিয়াদ গঢ়ি তোলাত অসমীয়া মানুহৰ মনত ভাষা, জাতি, সংস্কৃতি আৰু সমাজৰ প্ৰতি এক সচেতন দায়িত্ববোধ গঢ়ি তোলাত আৰু অসমীয়া সাহিত্যৰ বিকাশৰ ক্ষেত্ৰত উৰ্বৰা কৰি তোলাত বিশিষ্ট ঐতিহাসিক ভূমিকা পালন কৰি গৈছে।'*[৯৪]

অ.ভা.উ.সা. সভাৰ অনানুষ্ঠানিক মুখপত্ৰ ১৮৮৯ চনত প্ৰকাশিত হয়। জোনাকী প্ৰকাশ কাল সম্পৰ্কে বিভিন্ন মত নথকা নহয়। বেজবৰুৱাই ১৮১০ শকৰ মাঘ মাহত 'জোনাকী'ৰ প্ৰথম সংখ্যা ওলায় বুলি লিখিছে।[৯৫] হেৰম্বকান্তবৰপূজাৰীয়ে কৈছে যে জোনাকী প্ৰকাশৰ লগে লগে অসমীয়া সাহিত্যত এটি নতুন যুগৰ সূৰ্যোদয় হ'ল। 'অৰুনোদই'- ৰ পৰা জোনাকী-লৈ দুয়োখন কাকতে এক আন্দোলন গঢ় দিলে।[৯৬] *"The Arunodoi and the Jonaki were practically the organs of the two movements, the former against the usurpation by Bengali (Language) and the letter for the recornation of the Assamese after her restoration"* বুলি ডিম্বেশ্বৰ নেওগে উল্লেখ কৰিছে।[৯৭] 'জোনাকী'- প্ৰকাশক মহেশ্বৰ নেওগে অসমীয়া সাহিত্যৰ জন্মোৎসৱ বুলিছে।[৯৮] 'জোনাকী'ৰ 'আত্মাকথা'ত চন্দ্ৰকুমাৰ গুপ্ত (আগৰৱালা)ই কাকতখনৰ উদ্দেশ্য প্ৰসংগত কৈছে— *"আমি যুঁজিবলৈ ওলাইছোঁ আন্ধাৰৰ বিপক্ষে, উদ্দেশ্য, দেশৰ উন্নতি জোনাক"*[৯৯] নগেন শইকীয়াইক'বৰ দৰে *'জোনাকী' কেৱল এখন আলোচনী নহয়, ইএটা যুগ, ইএটা আন্দোলন আৰু ইতিহাস।* ঊনবিংশ শতিকাৰ নৱৈৰ দশকৰ পৰা ১৯৪০ চনলৈকে

৯৪. *শইকীয়া নগেন 'অৰুনোদই'ৰ পৰা জোনাকীলৈ' প্ৰবন্ধ (অসমীয়া বাতৰি কাকত-আলোচনীৰ ডেৰশ বছৰীয়া ইতিহাস গ্ৰন্থত প্ৰকাশিত), পৃ. ১১৮, ১৯৯৮*

৯৫. *বেজবৰুৱা গ্ৰন্থাৱলী পৃ. ৪৭ ('জোনাকী'ৰ প্ৰথম বছৰৰ প্ৰথম সংখ্যা বেটুপাতত ১৮১০ শক বুলি আছে। এই সম্পৰ্কত বিভিন্নজনে কোন মাহৰ পৰা প্ৰকাশ হৈছিল বিভিন্ন মত দিছে। 'জোনাকী' কিমান দিন জীয়াই আছিল সেই সম্পৰ্কে অসমীয়া সাহিত্যৰ বুৰঞ্জীসমূহো নিমাত। অনুসন্ধিৎসু পাঠকে যতীন্দ্ৰনাথ গোস্বামীয়ে 'অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী', পৃ. ১৩৬ তেখেতৰ 'জাগৰণ আৰু জোনাক'ৰ পৃ. ২৩, বেণুধৰ শৰ্মাৰ 'পৰমাচাৰ্য পণ্ডিত হেমচন্দ্ৰ গোস্বামী' গ্ৰন্থত পৃ. ৩৩, ডিচেম্বৰ নেওগে The New Light on History o Asamiya Literature, P. 391 চাব পাৰে*

৯৬. *Barpujari H.K., Political History of Assam Vol I, p. 149*

৯৭. *Neog Dimbeswar, ibid P. 391*

৯৮. *নেওগ মহেশ্বৰ "অসমীয়া সাহিত্যৰ ৰূপৰেখা", পৃ. ২৪৬, ২০১৩*

৯৯. *শইকীয়া নগেন (সম্পা.) 'জোনাকী', পৃ. 8*



*অসমীয়া সাহিত্য পৰিচালিত হৈছিল এই আদৰ্শৰে।*[১০০] কিন্তু সাৰ্থক পৰিৱৰ্তন হোৱা নাছিল। অসমৰ বৌদ্ধিক জীৱনৰ ইতিহাস যুক্তিৰ দৃঢ় পিনদ্ধ দৃষ্টিভংগী, সাহিত্যৰ ভাববস্তু আৰু ৰূপবস্তু, সংৱেদনশীলতাৰ মুক্ত প্ৰকাশ, আধুনিক অসমীয়া মন জাগ্ৰত কৰা এক কাব্যিক আলোড়ন সৃষ্টি কৰা আত্ম আৱিষ্কাৰৰ বিস্তৃত ধাৰা সৰ্বোপৰি অসমীয়া সাহিত্যক ভাবে ভাষাই উজলাই সম্পূৰ্ণ আধুনিকীকৰণ কৰিলে। ইয়াৰ অন্তৰ্নীলত প্ৰবাহিত হৈছিল প্ৰৱসুৰা স্বদেশ প্ৰীতি। শেষত নগেন শইকীয়াৰ উক্তিৰে ক'ব মন যায়—*The Jonaki within the brief span of life made an historic impact on Assamese Literature in as much as it carried the harbingar of the message of modernism in life and romanticism in literature of the time. In fine, the Assamese intelligencia saw the fructification of their age-long effort in the page of this periodical.*[১০১]

## আসাম ছাত্ৰ সন্মিলন

আসাম ছাত্ৰ সন্মিলনৰ ঘাই শিপাডাল অসমীয়া ছাত্ৰৰ সাহিত্য সভা আৰু তাৰ লগতে গুৱাহাটী স্কুল ক্লাব হ'ব পাৰে। কিয়নো ১৮৬৯ চনত গুৱাহাটীৰ ইংলিছ চেমিনাৰীত প্ৰতিষ্ঠা হোৱা এই অনুষ্ঠান (গুৱাহাটী স্কুল ক্লাব)ৰ লক্ষ্য আৰু উদ্দেশ্য আছিল ছাত্ৰসকল। যিসকলৰ চেষ্টাত এই দুটা অনুষ্ঠান হৈছিল সেইকথা আগতে উল্লেখ কৰা হৈছে। তদুপৰি অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ কথাও এই প্ৰসংগত উল্লেখযোগ্য। নগেন শইকীয়াই অসমীয়া ভাষা উন্নতি সাধিনী সভাই যি পৰিৱেশ সৃষ্টি কৰিছিল সেই পৰিৱেশেই জন্ম দিলে আসাম ছাত্ৰ সন্মিলনক বুলি কৈছে।

প্ৰথম অৱস্থাত আসাম ছাত্ৰ সন্মিলন নামটো নাছিল অসম সাহিত্য সন্মিলনৰহে প্ৰস্তাৱ আছিল। বেজবৰুৱা আৰু বাণীকান্ত কাকতিৰ পৰামৰ্শমতে "আসাম ছাত্ৰ সন্মিলন" নামটো গজগজীয়া হ'ল। অ.ভা.উ. সা. সভাই তৈয়াৰ কৰা ক্ষেত্ৰতেই আসাম ছাত্ৰ সন্মিলনৰ জন্ম। আসাম ছাত্ৰ সন্মিলনৰ নিয়মাৱলী আৰু কাৰ্যব্যৱস্থাৰ অন্তৰ্লীনত আছিল অসমীয়া জাতিৰ আত্ম পৰিচয় স্থাপন, আত্ম বিকাশ সাধনৰ লক্ষ্য। ঘাই চালিকাশক্তি আছিল জাতীয় চৈতন্য। সেয়েহে সেই সময়ত শিক্ষিত অসমীয়া মাত্ৰেই অনুষ্ঠানটোৰ লগত কিবা নহয় কিবা প্ৰকাৰে জড়িত হৈ আছিল। ভাৰতবৰ্ষৰ অন্যতম প্ৰাচীন ছাত্ৰানুষ্ঠানৰ অন্যতম ৰূপেও এই অনুষ্ঠানে সন্মান পাবৰ যোগ্য। *"ভাৰতবৰ্ষৰ ভিতৰত যিবিলাক ছাত্ৰ সন্মিলন হৈছে বা হ'ব লাগিছে সেই বিলাকৰ ভিতৰত আমাৰ ছাত্ৰ সন্মিলনৰ প্ৰাচীন। যেতিয়া এই সন্মিলনৰ প্ৰতিষ্ঠা হয় তেতিয়া ভাৰতবৰ্ষত এখন ছাত্ৰ সন্মিলন আছিল সেইখন বিহাৰ ছাত্ৰ সন্মেলন"* বুলি কৃষ্ণকান্ত সন্দিকৈয়ে উল্লেখ কৰিছে।[১০২]

১০০. *পূৰ্বোক্ত পৃ. ০১৯, অসমীয়া বাতৰি কাকত-আলোচনীৰ ডেৰশ বছৰীয়া ইতিহাস, পৃ. ১২০-২১ নন্দতালুকদাৰৰ (সংবাদ) পত্ৰৰ ৰ'দ-কাঁচলিত অসমীয়া সাহিত্য', পৃ. ১১৮ শইকীয়া নগেন, জোনাকী, পৃ. ৩১৯*

১০১. *Saikia, Nagen, Background of Modern Assamese Literature, pp. 323-324, 1988*

১০২. গোস্বামী যতীন্দ্ৰনাথ, কৃষ্ণকান্ত সন্দিকৈ ৰচনা-সম্ভাৰ, (সম্পা.) পৃ. ২৭৯

আনহাতে যি সময়ত আসাম ছাত্ৰ সন্মিলনৰ জন্ম হৈছিল সেই সময়ত অসমত জাতীয় কংগ্ৰেছ বা অসম সাহিত্য সভাৰো জন্ম হোৱা নাছিল[১০৩] এই অনুষ্ঠানৰ লগত চন্দ্ৰনাথ শৰ্মা, অম্বিকানাথ বৰা, জ্ঞাননাথ বৰা, সৰ্বেশ্বৰ শৰ্মা কটকী, উমেশ চন্দ্ৰ চৌধাৰী, দৈৱচন্দ্ৰ তালুকদাৰ প্ৰভৃতি জড়িত হৈছিল বুলি অতুলচন্দ্ৰ হাজৰিকাই উল্লেখ কৰিছে।[১০৪] আসাম ছাত্ৰ সন্মিলনৰ তৃতীয় অধিৱেশনৰ সভাপতি পদ্মনাথ গোহাঞিং বৰুৱাই কৈছে যে এই সন্মিলনত "ছাত্ৰসকলৰ সাহিত্যিক শক্তিৰ ক্ৰমোন্নতি সাধন কৰা উদ্দেশ্যৰ যোগ থাকিব।"[১০৫] অসম ছাত্ৰ সন্মিলনৰ নিয়মাৱলীত থকা ঘাই উদ্দেশ্য হ'ল—

(১) সমূহ অসমীয়া ছাত্ৰৰ উন্নতিৰ অৰ্থে তেওঁবিলাকক যথাসম্ভৱ সুবিধা দি গুটীয়া কাৰ্যত সহায়তা কৰা।

(২) তেওঁবিলাকৰ সাহিত্যিক শক্তিৰ ক্ৰমোন্নতি সাধন কৰা।

(৩) স্কুল কলেজৰ শিক্ষাৰ ওপৰঞ্চি স্বৰূপে তেওঁবিলাকৰ মানসিক, আধ্যাত্মিক, শাৰীৰিক শক্তিৰ পৰিচালনাত সহায় কৰা।[১০৬]

সভাৰ প্ৰথম গৰাকী সভাপতি সাহিত্যৰথী বেজবৰুৱাৰ পৰা আৰম্ভ কৰি প্ৰতিগৰাকী সভাপতিয়েই ছাত্ৰসকলৰ একতা, ভাতৃভাব সৃষ্টি, সমাজ আৰু নিজৰ মংগল, ছাত্ৰৰ সন্মিলীত শক্তিৰ কথা, ছাত্ৰৰ সংযম, জাতীয় চেতনা, স্বদেশ আৰু স্বজাতিৰ প্ৰতি দায়বদ্ধতা, এই দায়বদ্ধতাই কেনেকৈ আধুনিক অসমৰ বিকাশত সহায় কৰিব বুলি উল্লেখ কৰিছিল। ৰাজনীতিৰ পৰা আঁতৰিও জাতীয়তাবাদীৰ সাংস্কৃতিক চৰিত্ৰ কেনেকৈ বৰ্তাই ৰাখিব পাৰে তাৰো পৰামৰ্শ ভাষণসমূহত ধ্বনিত হৈছে।

আসাম ছাত্ৰ সন্মিলনৰ দ্বিতীয় অধিৱেশন ১৯১৭ চনত যোৰহাটত অনুষ্ঠিত হৈছিল। সেই অধিৱেশনত অসম উপত্যকাৰ কমিছনাৰ পি আৰ টি গৰ্ডন চাহাব সভাপতি আছিল। অভ্যৰ্থনা সমিতি সম্পাদক আছিল কৃষ্ণকান্ত সন্দিকৈ। আদৰণী ভাষণত সন্দিকৈয়ে কৈছিল— *"প্ৰকৃত কথা এই যে অসমৰ জাতীয় মহাসভাৰ দৰে অসমীয়া ছাত্ৰসকলেও নিজ সমাজত সাহিত্য আদি বিবিধ বিষয়ত উন্নতি কৰিবৰ অৰ্থে তেনে মহাসন্মিলন পাতিবলৈ শিকি নিজৰ ভৱিষ্যৎ জাতীয় জীৱনৰ কাৰণে উপযোগী কৰিবৰ চেষ্টা কৰিছে।"*[১০৭] বিশ্বায়নৰ প্ৰেক্ষাপটত অসমৰ ছাত্ৰসকলৰ প্ৰতি সন্দিকৈয়ে আগবঢ়োৱা পৰামৰ্শ ছাত্ৰৰ বাবে কষটিৰেখা। সন্দিকৈ ডাঙৰীয়া অমৰ পৰামৰ্শ একবিংশ শতিকাতো সমানে প্ৰযোজ্য— *"...নিজৰ প্ৰচুৰ অধ্যয়ন আৰু চিন্তাৰ সাৰমৰ্ম কাকতে-কলমে প্ৰকাশ কৰাটোৱেই ছাত্ৰৰ প্ৰকৃত সাহিত্য সেৱা... সমাজতন্ত্ৰ আৰু ৰাজতন্ত্ৰৰ লগত বিৰোধ নোহোৱাকৈ ব্যৱস্থাৰ অনুৰূপকৈ (Constitutionally) সন্মিলনৰ কাৰ্য চলাওতে শৃংখলাপূৰ্ণ*

১০৩. শইকীয়া নগেন, পূৰ্বোক্ত, পৃ. ২৯৯-৩০০
১০৪. হাজৰিকা অতুল চন্দ্ৰ, অসম সাহিত্য সভাৰ ৰূপলেখা, পৃ. ১৫
১০৫. গোহাঞিবৰুৱা ৰচনাৱলী, পৃ. ৮৩৯
১০৬. পূৰ্বোক্ত, পৃ. ৮৯৩
১০৭. গোস্বামী যতীন্দ্ৰনাথ, কৃষ্ণকান্ত সন্দিকৈ ৰচনা সম্ভাৰ, পৃ. ২৮৯



*আৰু নীতিসংগত কাৰ্য-প্ৰণালী আমাৰ অলপ-অচৰপ শিকা হ'ব।*[১০৮] অসমৰ বাহিৰৰ কেইবাগৰাকী পণ্ডিতক সন্মিলনে সভাপতি নিৰ্বাচন কৰে, প্ৰফুল্ল চন্দ্ৰ ৰায়, সৰোজিনী নাইডু[১০৯] মিঃ চালাউদ্দিন খোদাবকচ (খোদাবকচ' আৰু সহধৰ্মিনীয়ে সন্মিলনৰ পুঁজিলৈ দান আগবঢ়ায়) কলিকতা বিশ্ববিদ্যালয়ৰ গুৰিয়াল আৰ্কুহাৰ্ট আদি বৰেণ্য ব্যক্তিক সভাপতিৰূপে বৰণ কৰিছিল। ইয়াৰ পৰা এইটো প্ৰতীয়মান হয় যে ছাত্ৰ সন্মিলনে অসমৰ বৰেণ্য সকলকেই নহয় ৰাষ্ট্ৰীয় পৰ্যায়ৰ পণ্ডিতৰ লগতো সততে সম্পৰ্ক ৰক্ষা কৰি অসমৰ বহুল প্ৰচাৰ বৰ্হিবিশ্বলৈও সংক্ৰমণ কৰাইছিল। 'মিলন' আছিল ছাত্ৰ সন্মিলনৰ মুখপত্ৰ। ইয়াৰ যোগেদিয়ে সন্মিলনৰ বা-বাতৰি জনসাধাৰণলৈ সংক্ৰমিত হৈছিল। সন্মিলনে অসমৰ সামগ্ৰিক স্বাৰ্থৰ হকে মাত মাতিছিল। অৱশ্যে বিবিধ কাকতত সন্মিলন সম্পৰ্কে বিৰূপ বাতৰি প্ৰচাৰ হৈছিল যদিও সন্মিলনে দলীয় ৰাজনীতিৰ উৰ্দ্ধত থাকি ৰাজ্যৰ স্বাৰ্থৰ হকেহে সমালোচনা আত্মশুদ্ধিৰ এটা মাধ্যমৰূপে বিবেচনা কৰিছিল। আত্মশুদ্ধিৰে সন্মিলনে নিজকে অসমৰ প্ৰথম বৌদ্ধিক-সামাজিক-সাংস্কৃতিক জীৱনৰ প্ৰতিনিধিত্ব কৰা কাৰণেই সন্মিলনখন অসমৰ প্ৰথম জাতীয় অনুষ্ঠানৰ মৰ্যাদাৰ শীৰ্ষ স্থানত বহিবৰ গণ্য। ইয়াৰ মূলতে আন এটা কাৰকো আছিল সেয়া হ'ল জাতি-ধৰ্ম-বৰ্ণ-সম্প্ৰদায় নিৰ্বিশেষে সন্মিলনৰ প্ৰতি নিৰপেক্ষ দৃষ্টিভংগী। ভাষা, সামাজিক আৰু সাংস্কৃতিক পৰিচয়ৰ ভিত্তিত জোনাকী, অ.ভা.উ.সা. সভাৰ আদৰ্শৰে উজ্জীৱিত হৈ সন্মিলনে জাতীয়তাৰ পৰিচয় স্থাপনত হাতীপুৰ দি ধৰিছিল। সন্মিলনৰ কাৰ্যবিৱৰণিত ইয়াৰ ইংগিত প্ৰতিটো পৃষ্ঠাত সন্নিৱিষ্ট হৈ আছে।


অসম ছাত্ৰ সন্মিলনৰ ১ম অধিৱেশনৰ মাননীয় সভাপতি, প্ৰতিনিধিবৰ্গ আৰু কৰ্মীসকল
গুৱাহাটী - ১৯১৬ চন, ২৫ ডিচেম্বৰ


সভাপতি শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়া

১০৮. পূৰ্বোক্ত, পৃ. ২৯২-২৯৩
১০৯. নাইডু সভানেত্ৰী হ'ব নোৱৰাত নবীনচন্দ্ৰ বৰদলৈ নৱম অধিৱেশনৰ সভাপতি হয়।

# আসাম ছাত্ৰ সন্মিলনৰ দ্বাদশ অধিৱেশন

## সন্মিলনৰ বিৱৰণ*

১৯১৬ চনৰ ডিচেম্বৰ মাহৰ ২৬ আৰু ২৭ তাৰিখে গুৱাহাটীত আসাম ছাত্ৰ সন্মিলনৰ দ্বাদশ অধিৱেশন কলিকতাৰ মিঃ চালাউদ্দিন খোদাবকচৰ সভাপতিত্বত বহে। বাৰিষ্টাৰি পাছ কৰি অহাৰ পিচৰ পৰাই তেখেতে জীৱনৰ বেছি ভাগেই ছাত্ৰৰ লগত থাকি কটাইছিল। তেখেতে ঢাকা আইন কলেজৰ ভাইচ প্ৰিন্সিপেল হৈছিল। সেইসময়ত তেখেত কলিকতা বিশ্ববিদ্যালয়ৰ আইন কলেজ আৰু পোষ্ট গ্ৰেজুৱেট বিভাগৰ অধ্যাপক। তেখেত আজীৱন ছাত্ৰ। তেখেতক সন্মিলনৰ সভাপতিৰ আসনত বহুৱাবলৈ পাই অসমৰ ছাত্ৰসকল আনন্দিত হৈছিল। তেখেতৰ সহধৰ্মিনীসহ তেখেত ২৪ ডিচেম্বৰ তাৰিখে গুৱাহাটীত পদাৰ্পণ কৰে। স্থানীয় ছাত্ৰসকলে আৰু প্ৰতিনিধিবৰ্গই ষ্টেচনত তেখেতক অভ্যৰ্থনা কৰে। ২৫ তাৰিখে আবেলি ৪ বজাত ছাত্ৰ প্ৰতিনিধিসকলৰ বিষয়-বাছনী সভা সভামণ্ডপতে বহে। সভাপতি আছিল দীননাথ শৰ্মা। প্ৰায় ১২০ জন প্ৰতিনিধিয়ে সভাত যোগ দিছিল, তাৰে তিনিগৰাকী প্ৰতিনিধি ছাত্ৰী।

২৬ তাৰিখে দুপৰীয়া ১ বজাৰ পৰা সন্মিলনৰ প্ৰথম দিনৰ কাম সভামণ্ডপত আৰম্ভ হয়। সন্মিলনৰ উপলক্ষে প্ৰায় ১ হেজাৰমান দৰ্শক, নিমন্ত্ৰিত ভদ্ৰলোক আৰু ছাত্ৰ উপস্থিত আছিল। ঐক্যতান বাদন, আৰম্ভণী গীত আৰু এটা আবৃত্তিৰ পিচত কাৰ্যনিৰ্বাহক সমিতিৰ প্ৰধান সম্পাদকে আদৰণি সম্ভাষণ পাঠ কৰে। তাৰ পিছত আৰু এটা আবৃত্তি হয় আৰু তাৰ পিচত জ্ঞানদাভিৰাম বৰুৱাদেৰৰ সভাপতি বৰণ প্ৰস্তাৱ শশীচন্দ্ৰ বৰবৰুৱাৰ দ্বাৰা সমৰ্থিত আৰু সুৰেন্দ্ৰনাথ বুঢ়াগোহাঁইৰ দ্বাৰা অনুমোদিত হৈ জয়ধ্বনিৰে গৃহীত হোৱাত সভাপতিদেৱে সভাপতিৰ আসন গ্ৰহণ কৰে। তাৰ পিচত এটা খাছীয়া গীত গোৱা হয়। এটা আবৃত্তি হৈ যোৱাৰ পিচত পুঁজিলৈ দান আৰু পুৰস্কাৰ আহ্বান কৰাত সদাশয় ভদ্ৰলোকসকলৰ পৰা দানৰ প্ৰতিশ্ৰুতি পোৱা হল আৰু কেইটামান পুৰস্কাৰো ঘোষণা কৰা হয়। তাৰ পিচত সৰ্ব্বেশ্বৰ শৰ্মাকটকীৰ, *''তেৰ শতিকাত আসামৰ ভৌগোলিক বিৱৰণ''* (প্ৰত্নতত্ত্ব) বিষয়ৰ ৰচনাখন সময়ৰ অভাৱত পঠিত বুলি গৃহীত হয়। আৰু এটি আবৃত্তি হোৱাৰ পিচত নিয়মতন্ত্ৰৰ পৰিৱৰ্তণী সমিতি গঠন কৰি সামৰণী গীতেৰে সেইদিনাৰ কাৰ্যাৱলী শেষ কৰা হয়।

২৭ তাৰিখে ১ বজাত ঐক্যতান বাদন, আৰম্ভণী গীত আৰু এটি আবৃত্তিৰে সন্মিলনৰ দ্বিতীয় দিনৰ কাৰ্য্য আৰম্ভ কৰা হয়। প্ৰথমতে প্ৰধান সম্পাদকে একাদশ বাৰ্ষিক কাৰ্য্যবিৱৰণী পাঠ কৰে। তাৰ পিচত এটি আবৃত্তি আৰু প্ৰস্তাৱ গ্ৰহণ কৰা হয়। এটি আবৃত্তি হোৱাৰ পিচত অতুল চন্দ্ৰ হাজৰিকাই এটি পদ্য পাঠ কৰে আৰু ডিম্বেশ্বৰ নেওগ, *'মাটি আৰু তাৰ ৰসায়ন'* ৰচনা পঠিত বুলি গৃহীত হয়। নিয়মতন্ত্ৰ সালসলনি সমিতিয়ে মীমাংসা কৰা নিয়মতন্ত্ৰৰ সালসলনি

* আসাম ছাত্ৰ সন্মিলনৰ বিষয়ে তুলনামূলকভাৱে বহলাই লিখা হৈছে অসম সাহিত্য সভাৰ লক্ষ্য আৰু উদ্দেশ্যৰ লগত থকা মিল বিচৰাৰ বাবে হ'ব পৰা সুবিধাৰ বাবে। — লেখক



সভাত পাঠ কৰা হয়। তাৰ পিচত পাৰ্বতি প্ৰসাদ বৰুৱাই এটি গান গোৱাৰ পিচত হিচাপ পৰীক্ষক সমিতিৰ "সকলো হিচাপ ঠিক পাইছো" (?) বুলি দিয়া মন্তব্য সভাত জনোৱা আৰু সন্মিলনৰ বাজেট কমিটিয়ে অহা বছৰৰ কাৰণে মঞ্জুৰ কৰা বাবে সভাত পঢ়ি শুনায়। যোৱা বছৰৰ কৰ্মচাৰীসকলে পদত্যাগ কৰাত অহা বছৰৰ কাৰণে নতুন নিৰ্বাচন হয়। ফণীধৰ দত্তই "ছাত্ৰ সন্মিলন অৱহেলা কৰা কেইটামান দৃশ্য"ৰ বিষয়ে লিখা এখনি ধেমেলীয়া ৰচনা সভাত পাঠ কৰা হলত সভাপতি ডাঙৰীয়াই তেখেতৰ মন্তব্য প্ৰকাশ কৰে আৰু তেজপুৰীয়া ছাত্ৰসকলৰ হৈ পদ্মকান্ত শৰ্মাই আসাম ছাত্ৰ সন্মিলনৰ ত্ৰয়োদশ অধিৱেশন তেজপুৰলৈ নিমন্ত্ৰণ কৰে। তেতিয়া সন্মিলনৰ প্ৰধান সম্পাদকে সকলোলৈকে শলাগৰ শৰাই আগবঢ়ায়। সভাপতি ডাঙৰীয়াৰ অনুমতি মতে মিচেচ্ কেম্প্‌বেলে *"মাদকদ্ৰব্য নিষেধ"* সম্পৰ্কে এটি বক্তৃতা দিয়ে। তাৰ পিচত সামৰণী গীতেৰে সন্মিলনৰ দ্বাদশ অধিৱেশনৰ কাম সমাপ্ত কৰা হয়।◆

# অসম সাহিত্য সভা

## প্ৰৱেশদ্বাৰত

অসম সাহিত্য সভা— এই তিনিটা শব্দৰ মাজত সোমাই খাঁৰী বান্ধি আছে আসাম প্ৰদেশ। সুদীৰ্ঘ দহোটা দশকৰ পৰিক্ৰমাত নানা ঘাত-প্ৰতিঘাত অতিক্ৰম কৰি আজি সভা মহীৰুহত পৰিণত হৈছে। সভাৰ আনন্দ, বেদনা, সফলতা-বিফলতাৰ প্ৰতিটো ধ্বনিয়েই জাতি-ধৰ্ম-ভাষা নিৰ্বিশেষে সকলোৰে হৃদয়ত স্পৰ্শ নকৰাকৈ থকা নাই। উত্তৰ-পূৰ্বাঞ্চলৰ সকলো নৃগোষ্ঠীকে হিয়াৰ কুটুমৰূপে সামৰি জাতীয়ত্বৰ পৰিচয় দিবলৈ আৰু অসমৰ জাতীয়তাৰ প্ৰতীকৰূপে চিহ্নিত হ'বলৈও সক্ষম হৈছে। অসম সাহিত্য সভাৰ প্ৰাণৰ স্পন্দন ধ্বনিত হৈছে জ্যোতিপ্ৰসাদৰ লেখাৰ মাজত—

ময়েই খাছীয়া  
মই জয়ন্তীয়া  
ডফলা চিংফৌ  
ভৈয়ামৰ মিৰি  
সোৱণশিৰীয়া ডেকা  
বিজয় আহোম কছাৰী কোঁচৰ  
মেছৰ কুমাৰ মই-ৰাজবংশী ৰাভা  
কপালত জ্বলে শত গৌৰৱ আভা।  
মই লালুং চুতীয়া লুচাই মিকিৰ গাৰো  
মিছিমি খামটি নগা আংগামী বীৰ  
পৰ্বতে-পাহাৰে জ্বলিছে উচ্চ শিৰ।  
সাম্য-মৈত্ৰীৰ ময়েই ৰণুৱা  
চাহ বাগিছাৰ ময়েই বনুৱা  
ন-অসমীয়া মৈমনছিঙীয়া  
থলুৱা নেপালী  
নৃত্য কুশলী মণিপুৰীয়া মই।



মই কত পৰ্বতৰ  
কত ভৈয়ামৰ  
শত নিজৰাৰ ধাৰ  
হিল দল ভাঙি  
বৈ আহি আহি  
বৰ লুইতত  
হৈ যাওঁ একাকৰ।[১]

এয়া যেন অসম সাহিত্য সভাৰে আত্মিক পৰিচয়ৰ দৃঢ় পিনদ্ধ ৰূপ। স্বদেশ আৰু স্বজাতিৰ সিংহ দুৱাৰত জাগ্ৰত প্ৰহৰী ৰূপত নিজক গঢ় দি প্ৰতিষ্ঠা কৰাৰ বাবেই অসমৰ জাতীয়ত্বই সভাক প্ৰাণৰ অনুষ্ঠানলৈ ৰূপায়িত কৰিছে। অসমৰ ভাষা-সাহিত্য-সমাজ-সংস্কৃতিৰ সাৰ্বিক বিকাশৰ বাবে সভাই কৰি অহা সংগ্ৰাম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ উমৈহতীয়া সুঁতিটো ভৰুণ কৰাৰ ইতিহাসেই সভাৰো ইতিহাস। অসমত বসবাস কৰা বিভিন্ন নৃগোষ্ঠীৰ লগত সম্ভাৱ-সম্প্ৰীতি বৃদ্ধিত আৰেগিক ঐক্যৰ খোপনি সুদৃঢ় কৰিবলৈ যত্ন কৰাৰ বাবেই সভা আজি মহিমামণ্ডিত। সভাৰ দৰ্শন সমীৰণে যেন বোজা বান্ধি লৈ ফুৰে। বিপক্ষৰ মূৰত থকা মণিৰ পোহৰ যাৰ ওচৰত নিষ্প্ৰভ সেই সভা অমোঘাগৰ্ভ সম্ভূতৰ দৰে, সূৰ্যোদয়ৰ হিৰণ কিৰণেৰে উজ্জ্বল। অসমীয়া ভাষা-সাহিত্যৰ লগতে বিভিন্ন নৃগোষ্ঠীৰ স্বতন্ত্ৰতা প্ৰতিপন্ন কৰিবলৈ ভাষাৰ পৰাধীনতাৰ পাটকাই পৰ্বতটো যিমান ওখ হৈ জিলিকি আছিল সভাৰ যত্নত সি পাটনাদত পৰি সি সিমান তললৈ নামি গ'ল। সভা হৈ পৰিল চন্দ্ৰ বদনৰ মৃগপহু। সভাৰ জলমলীয়া মৰলৰ বাহিৰে-ভিতৰে থাকি অসমৰ স্বাৰ্থৰ ৰশ্মিজাল পেলোৱা, সভাক যশস্যা কলচীত তুলি যিসকলে লাভ কৰিছিল নান্দনিক চেতনা সেইসকলৰ প্ৰযত্নৰে প্ৰস্তাৱনাৰ কালছোৱা ভৰুণ।

অসম সাহিত্য সভাক অসম কৰি ৰাখিবলৈ মংগলদৈত অনুষ্ঠিত অসম সাহিত্য সভাৰ একচত্বাৰিংশ অধিৱেশনত মহেশ্বৰ নেওগে আহ্বান জনাইছিল। অসম কৰি ৰাখিলেহে সভাৰ ওপৰত অৰ্পিত দায়িত্ব পালন কৰি দেশৰ প্ৰয়োজন সাধিব পাৰিব।[২] অসম সাহিত্যক অসম কৰি ৰাখিবৰ বাবেই ১৯২৪ চনৰ ২৫ মে' তাৰিখে সভাৰ লক্ষ্য আৰু উদ্দেশ্য পঞ্জীয়ন কৰা দলিলত সভাৰ উদ্দেশ্য সন্নিবিষ্ট হৈছে। (পৰিশিষ্ট চাওক) সভাই বিশ্বাস কৰে বা সভাৰ ঘাই লক্ষ্য অসমীয়া এটা দ্বীপ নহয় এক মানৱ, এক সাহিত্যৰ ধাৰণাত। অসম সাহিত্য সভা যজ্ঞৰ ঋত্বিকসকলৰ ধাৰণা মহেশ্বৰ নেওগৰ ভাষণাৱলীত স্পষ্ট— *"মধ্যযুগীয় মানসিকতভাৱে বিংশ শতিকাৰ এই বিয়লিত নতুন বাণীৰ জন্ম দিব নোৱাৰি। আনফালে সৃষ্টিশীল কলাকাৰৰ মনো দেশৰ সীমাৰ মাজত আৱদ্ধ হৈ থাকিব নালাগিব। ইয়াৰ অৰ্থ এইটো নহয় যে দেশৰ ঐতিহ্যক হুদু খেদোৱাদি খেদাই আমাৰ ঘৰৰ বেৰ-খোৰা ভাঙি ধোবাং বাং কৰিব লাগিব।"*[৩]

১. শৰ্মা সত্যেন্দ্ৰনাথ, সম্পা. জ্যোতিপ্ৰসাদৰ ৰচনাৱলী, পৃ. ৭৩৮-৪১, ১৯৮৬  
২. নেওগ মহেশ্বৰ, সভাপতিৰ অভিভাষণ, পৃ. ৮১  
৩. সভাপতিৰ অভিভাষণ, পৃ. ১১৭

সভাই দহোটা দশকৰ অভিজ্ঞতাৰে কালিদাসৰ সেই বিখ্যাত উক্তি দুটাও হৃদয়ংগম কৰি লৈছে অৰ্থাৎ— *পুৰাণম ইত্য এৱ ন সাধু সৰ্বম, নৱীনম ইত্য এৱ ন সাধু সৰ্বম*। সেয়ে পুৰণি মণি-মুকুতা, হিৰন্ময় পাত্ৰত থাপি অনাগতৰ হিৰণ কিৰণ পৰিবলৈও সভাই বাট উলিয়াই দিছে।

অৱশ্যে সভাই প্ৰথম অৱস্থাত নিজৰ মাতৃভাষা উদ্ধাৰৰ মাতৃভাষাক মৰ্যাদাসীন কৰি ৰখাৰ আৰু সাম্প্ৰতিক কালৰ উপযোগীকৈ সংবৰ্ধন সাধন কৰি অসমীয়া সাহিত্যৰ সৰ্বতোমুখী বিকাশৰ ঠেক মানসিকতাৰ পৰিচায়ক নহয়। এয়া ইতিহাস আৰু সমাজ বিদ্যাৰ বিশ্বজনীন শিক্ষা। উনবিংশ শতিকাৰ পৰা সমগ্ৰ বিশ্বব্যাপীৰ আত্ম পৰিচয় প্ৰতিষ্ঠাৰ মানসিকতা গঢ় লৈ উঠিছে। অসমীয়া ভাষাৰ পুনৰ প্ৰতিষ্ঠাৰ আন্দোলনক অসমীয়া ভাষা-ভাষীয়েও প্ৰথম স্থান দি আহিছে। এই মানসিকতা বিজ্ঞানসন্মত আৰু স্বাভাৱিক প্ৰক্ৰিয়াৰ অংশ বিশেষ। এই নীতি চিৰন্তন। এচামে সভাক জগৰীয়া নকৰাকৈ থকা নাই। কিয়নো সভাৰ নীতিক ঐতিহাসিক আৰু বিজ্ঞানসন্মত স্থিতিত ৰাখি বিচাৰ নকৰাৰ বাবেই সভাক জগৰীয়া কৰা হৈছে বুলি ভাবিবৰ অৱকাশ আছে। অসমৰ শিক্ষিত চামটোৱে সদায় সতৰ্ক হৈ আছিল যাতে চৰকাৰী কোনো সিদ্ধান্তই অসমীয়া ভাষাৰ ক্ষতিসাধন কৰিব নোৱাৰে। নিজৰ ভাষা-সাহিত্য-সংস্কৃতিৰ সৰ্বতোমুখী বিকাশৰ বাবে কৰা প্ৰযত্ন দোষণীয় নহয়। এয়া ইতিহাস প্ৰদত্ত শিক্ষা। এই কথা উপলব্ধি নকৰি অনেকে ক'ব খোজে সভাই অসমত বসবাস কৰা জনগোষ্ঠীৰ সাৰ্বিক বিকাশৰ কথা ভবা হ'লে জনগোষ্ঠীয় ভাষা-সাহিত্যৰ অনুষ্ঠানবোৰ গঢ় লৈ নুঠিলহেঁতেন। সভাৰ জনগোষ্ঠীয় ভাষাৰ সংৰৰ্ধন আৰু সংৰক্ষণৰ বাবে দৃঢ় পদক্ষেপ নোলোৱাৰ বাবেই তেওঁলোকৰ মনত বিভাজনমুখী প্ৰৱণতাই গঢ় লৈ উঠিল। সভাৰ অদূৰদৰ্শিতা, জাত্যাভিমানী বৰ্ণ হিন্দুৰ অৱজ্ঞা বা উচ্চাত্মিকা মনোভাৱৰ বাবেই জনগোষ্ঠীসমূহ বৃহত্তৰ জাতি গঠনৰ বা আৱেগিক ঐক্যৰ অংশীদাৰ হ'ব নোৱাৰিলে। কিন্তু কথাটো শুদ্ধ নহয়। ইয়াক সমাজতত্ত্বৰ দৃষ্টিৰে স্বাভাৱিক ক্ৰিয়া বুলিহে ক'ব পাৰি। ঐতিহাসিক পৰিঘটনা অধ্যয়ন নকৰাকৈ বহুতে সভাৰ নেতিবাচক সমালোচনা কৰে। অসমীয়া ভাষা-ভাষীৰ মাজৰ পৰা শিক্ষিত মধ্যবিত্ত শ্ৰেণীটো ভাষা-সাহিত্য-সংস্কৃতি-সমাজৰ সংৰক্ষণ আৰু পৰিৱৰ্ধনৰ বাবে ওলাই অহাৰ দৰে জনগোষ্ঠীৰ মাজতো স্বাভাৱিকভাৱে গঢ় লৈ উঠিছিল সজাগ-সচেতনতা সমাজতত্ত্বৰ বিজ্ঞানসন্মত ভিত্তিৰ আধাৰত। ঝাৰখণ্ড, ভিলভূমি গণ্ডোৱানাৰ জনগোষ্ঠী আত্মপ্ৰতিষ্ঠাৰ সংগ্ৰামৰ পৃষ্ঠভূমি একেই। নিজৰ অস্তিত্ব বৰ্তাই ৰাখিবৰ বাবে সগোত্ৰীয় জনগোষ্ঠীৰ মাজত জাগৰূক হোৱা সজাগ-সচেতনতাৰ ফলত আন্দোলনসমূহে আৱেগিক ঐক্য স্থাপন কৰিবলৈ সক্ষম হৈছে।

এইক্ষেত্ৰত মিছনেৰীসকলৰ অৱিহণা নাই বুলি ক'ব নোৱাৰি। বিভিন্ন সময়ত ধৰ্মান্তৰকৰণক জনগোষ্ঠীৰ সৰ্বতোমুখী বিকাশৰ আহিলাস্বৰূপে লোৱাত চিৰন্তন প্ৰৱাহিত জনগোষ্ঠীয় চিন্তা আৰু বোধ প্ৰভাৱান্বিত হৈছে। ২০০৫ খ্ৰীষ্টাব্দৰ ৩১ জানুৱাৰি তাৰিখে দৈনিক বাতৰিত নাগা বুদ্ধিজীৱী (এসময়ত নাগা হো হো-ৰ সম্পাদক)চাৰ্লছ চেচিৰ উক্তিৰ মাজত শুনিছিলোঁ। ইংৰাজ চৰকাৰে ঔপনিৱেশিক প্ৰশাসনক জনজাতিৰ ৰক্ষণাবেক্ষণ অৰ্পণ কৰিলে। *Haimenderf C.V.F. (Naked Nagas, 1939)* এ কৈছে— *tribals were*



*linked with primitiveness, and task of defining their direction of change was delegated to colonial administrator guided by the theory of isolation.*[৪] ভাৰত চৰকাৰেও জাতীয় সংহতি বৰ্তাই ৰাখিবৰ বাবে সাংবিধানিক ৰক্ষা কৱচ দিলে যদিও সেয়া মাত্ৰ আনুষ্ঠানিকতা বুলিহে বিৱেচিত হ'ল। তেওঁলোকৰ বিকাশত গুৰুত্ব নিদি আমাৰ নিকৃষ্ট নকল হ'বলৈ দিয়া হ'ল। নেহৰু ইয়াৰ ঘোৰ বিৰোধী আছিল। তেওঁ কৈছিল—"There is no point in trying to make them a second rate copy of ourselves"[৪(খ)] ১৯৫৫ চনত সেই সময়ৰ অসমৰ ৰাজ্যপাল জয়ৰাম দাস দৌলত ৰামে কৈছিল— Every flower has the right to grow according to its own fragrance to make up the cumulative beauty and splendeor of the garden. I would not like to change my roses into lilies nor my lilies into roses. Nor do I want to sacrifice my lovely orchids of rhododendrons of the hill.

সভাই বৰ্ণাঢ্য জাতিসত্তাৰ সামাজিক জীৱনত ভাতৃ আৰু ভগ্নীৰূপে শান্তিপূৰ্ণ সহ অৱস্থানত গুৰুত্ব দি আহিছে। গোলাপক পদুম বা পদুমক গোলাপ কৰিবলৈ যোৱা নাই। ২০০০ চনত সভাই আয়োজন কৰা 'অন্তৰংগ আলাপ' অনুষ্ঠানত সমৱেত হোৱা ৰাজনীতিক, বুদ্ধিজীৱী, সাংবাদিক আৰু জনগোষ্ঠীয় প্ৰতিনিধিসকলৰ ওচৰত তিনিটা প্ৰশ্ন উত্থাপন কৰিছিল— (১) অসমৰক সমাজ জীৱনত মূল সুঁতিৰ ধাৰণা বাস্তৱত আছেনে?, (২) অসমীয়া সাহিত্যত বিভিন্ন সামাজিক গোটৰ জীৱনৰ প্ৰতিফলন হৈছেনে? আৰু (৩) প্ৰাথমিক স্তৰত ঐচ্ছিক ভাষা হিচাপে জনগোষ্ঠীয় ভাষাক অসমীয়া মাধ্যমৰ বিদ্যালয়ত অন্তৰ্ভুক্ত কৰিব পাৰিনে? আলোচনাৰ পৰা এইটো প্ৰতীয়মান হয় যে অসমৰ বিভিন্ন ভাষা-সম্প্ৰদায় আৰু বৃত্তিৰ সামাজিক গোটসমূহৰ পাৰস্পৰিক সন্মান আৰু সহযোগিতাৰ মনোভাৱ আন্তৰিকতাৰে সৃষ্টি কৰিব লাগে। অসমৰ বিভিন্ন সামাজিক গোটৰ জীৱন সঠিকভাৱে অসমীয়া সাহিত্যত প্ৰতিফলিত হ'বলৈ জনগোষ্ঠীয় লেখক

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

৪. *গোস্বামী বসন্ত কুমাৰ (ক) দৈনিক বাতৰি, ১৭ ফেব্ৰুৱাৰি, ২০১৫ (প্ৰবন্ধ অসম সাহিত্য সভা আৰু অসমৰ জনগোষ্ঠী)*

(খ) *Lachman M. Khubchandani, Tribal Identity P. 96-97, 1992 একেখন গ্ৰন্থতে নেহৰুৰ Tribal Panchsheet— ৰ কথা এনেকৈ পোৱা যায়—*

(1) *The people should be developed along the line of their own fenius and we should avoid imposing my thing on them. We should try to encourage in every way their own traditional art and culture.*

(2) *Tribal rights in land and forest should be respected.*

(3) *We should right to retain and build up a team of their own people to do the work of administration and development... we should avoid introducing too many outsides into tribal territory.*

(4) *We should not over adminster those areas or overwhelm them with a multiplicity schemes. We should rather work through, and not in a rivalry to their own social and cultural institution.*

(5) *We should judge results not by statisties or amount of money spent but by the quality of human character that is evolved. ibid P.8*

ওলাই আহিব লাগিব। প্ৰাথমিক স্তৰত কোনো জনগোষ্ঠীয় ভাষাক ঐচ্ছিক ভাষা হিচাপে শিকিবলৈ সুযোগ দিয়াৰ পথ মুকলি কৰিলেও বিভিন্ন সামাজিক গোটৰ মানুহৰ প্ৰতি আৰু ভাষাসমূহৰ প্ৰতি আত্মীয়তাৰ ভাব গঢ় দি তুলিবলৈ সাংস্কৃতিক আন্দোলন গঢ়ি তুলিব লাগে যাতে বিভিন্ন সামাজিক গোটৰ লোকে উমৈহতীয়া সামাজিক জীৱনৰ পৰা মানসিক বিচ্ছিন্নতা অনুভৱ কৰিবলগীয়া নহয়। সেয়েহে সভাই উমৈহতীয়া সামাজিক জীৱনক ঐক্যবদ্ধ ৰূপত আগবঢ়াই নিবৰ বাবে বিভিন্ন সামাজিক গোটৰ ভাষা-সংস্কৃতিৰ বিকাশৰ সুযোগ দান কৰি পাৰস্পৰিক সন্মান আৰু সহযোগিতাৰ মনোভাৱ সৃষ্টি কৰিবলৈ যত্নপৰ হৈ আহিছে। সেয়েহে জনগোষ্ঠীয় সন্মিলন, জনগোষ্ঠীয় সাহিত্য মঞ্চ ঃ অসম, জনগোষ্ঠীয় ভাষা-সাহিত্য সভা মঞ্চ, জনগোষ্ঠীয় সন্মিলন, চৰচাপৰি সন্মিলন, দিহিং-পাটকাই উৎসৱ, প্ৰকাশন আদিত গুৰুত্ব দি আহিছে। এতিয়ালৈকে সভাই শতাধিক এনে গ্ৰন্থ প্ৰকাশ কৰি আহিছে। গতিকে জনগোষ্ঠীসমূহে ভাষা বিষয়ত লোৱা সিদ্ধান্ত স্বাভাৱিক, সামাজিক, ঐতিহাসিক অভিব্যক্তি। অসম সাহিত্য সভাই এই অভিব্যক্ত ৰূপৰ পৰা জনগোষ্ঠীক আতঁৰাই আনিব নোৱাৰে। আন্তৰ্জাতিক খ্যাতিসম্পন্ন পণ্ডিত সুনীতিকুমাৰ চট্টোপাধ্যায়ে ১৯৪৮ চনত 'ভাৰতেৰ ভাষা ও ভাষা সমস্যা' গ্ৰন্থত চাওতালী ভাষা বঙলা ভাষাৰ লগত আৰু বড়ো অসমীয়া ভাষাৰ লগত মিলি যাব বুলি কৈছিল। তেওঁ জীৱন কালতেই এই ভৱিষ্যৎ বাণীৰ অসাৰতা প্ৰমাণিত হ'ল। ৰাজনৈতিক আকাংক্ষা পূৰণৰ বাবেহে মেঘালয়, নাগালেণ্ড সৃষ্টি হ'ল বুলি বুৰঞ্জীয়ে প্ৰমাণ নকৰাকৈ থকা নাই।

অসমীয়া বুলি কোৱাটোও বহুতে জগৰৰ কথা বুলি ভাবে। সেইসকলৰ ভাবাদৰ্শ কি? যি ঐতিহাসিক কাৰণত অসমীয়া ভাষাৰ জন্ম হৈছিল কেনেকৈ তাক মাতৃভাষালৈ ৰূপান্তৰ কৰিছিল, মহাপুৰুষ শংকৰদেৱৰ সময়লৈকে সেই ভাষাক সামূহিক নাম নিদিয়াকৈয়ে ব্ৰহ্মপুত্ৰ উপত্যকাত ব্যৱহৃত হৈছিল। গতিকে অসমীয়া নামটো সংকীৰ্ণ কৰাটো ভ্ৰমাত্মকেই নহয় অনৈতিহাসিকো। ইয়াৰ মাজতেই আজি উত্থাপিত অসমীয়াৰ সংজ্ঞাটোও অন্তৰ্লীন হৈ আছে। অসমত বসবাস কৰা, আনকি ১৯৭১ চনৰ আগলৈকে অসমত আহি থিতাপি লোৱা পূৰ্ববংগৰ লোকসকলো অসমৰ বহল বৃত্তৰ মাজত সোমাই আছে। অসম সাহিত্য সভাই অসমত এক স্বাস্থ্যকৰ ভৱিষ্যৎ নিৰ্মাণৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। বিশ্ববিখ্যাত পণ্ডিত সুনীতি কুমাৰ চট্টোপাধ্যায়ে কৈছিল— *"অসমৰ লোক বুলিলে প্ৰধানতঃ বড়ো, আংশিকভাৱে অষ্ট্ৰিক মনখমেৰ (খাছী) আৰু দ্ৰাবিড়ী জাতিৰ থালসমূহক বুজায়, লগতে পশ্চিমৰ পৰা আগতে অহা আৰ্যসমূহকে ঠিক এনে সময়তে অসমৰ ইতিহাসত দুটা গুৰুত্বপূৰ্ণ ঐতিহাসিক ঘটনা ঘটে যাৰ পশ্চাৎ প্ৰতিক্ৰিয়া উত্তৰ ভাৰতত কেইবা শতিকা জুৰি ঘটিছিল। এই দুয়োটা সংকটেই বিদেশী আক্ৰমণৰ মাজেদি ঘটিছিল। সেই আক্ৰমণ আছিল ক্ষণস্থায়ী, কিন্তু এই আক্ৰমণে অসমৰ সমগ্ৰ ৰূপকে সলাই দিছিল আৰু অসম নতুন নামটোও আনিছিল।"*[৫] ১৯৭৩ চনত অসম সাহিত্য সভাই অনুষ্ঠিত কৰা প্ৰথম লেখক শিবিৰ *(এই শিবিৰ ৭ দিন হৈছিল, কেয়োদিনৰ*

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

৫. *চট্টোপাধ্যায় সুনীতি কুমাৰ, অসম আৰু ভাৰত (বাণীকান্ত কাকতি সোঁৱৰণী বক্তৃতামালাৰ দ্বিতীয় বক্তৃতা, Assam and India—ৰ নগেই শইকীয়াই কৰা অনুবাদ, সন্নিৱিষ্ট হৈছে হৰিপ্ৰসাদ নেওগ আৰু লীলা গগৈ সম্পাদিত অসমীয়া সংস্কৃতি গ্ৰন্থত, পৃ. ২৬৬, ১৯৭৫)*



*সঞ্চালক আছিল মহেশ্বৰ নেওগ)-ত জনগোষ্ঠীৰ পৰিৱৰ্তে 'থলুৱা' শব্দটোহে গ্ৰহণ কৰা হৈছিল। সেই শিবিৰত বড়ো, কাৰ্বি, মিচিং, ৰাভা, তিৱা আদি থলুৱা ভাষাসমূহৰ প্ৰতিনিধিৰ সাক্ষাৎত বড়ো ভাষাৰ প্ৰতিনিধিয়ে উদাত্ত কণ্ঠেৰে কৈছিল "আমি বড়ো ভাষা- সাহিত্যৰ উন্নতি বিচাৰোঁ, উদয়াচল নিবিচাৰোঁ।"*[৬] এই প্ৰসংগত ভৰেন নাৰ্জাৰিৰ কথাৰ আঁত ধৰি সঞ্চালকে কৈছিল— *"এখন ফুলনিত একে বিধৰ ফুল থকাতকৈ বহুত বৰ্ণৰ ফুল থাকিলেহে বেছি ধুনীয়া। কিন্তু এই ভাষাৰ ফুলনিখনৰ ফুল গছবোৰৰ আপডাল কৰোঁতে যাতে কাৰো অপকাৰ নহয় তালৈও চাব লাগে।"*[৭] জনজাতি বুলি নকৈ থলুৱা শব্দ ব্যৱহাৰ সম্পৰ্কে নেওগে কৈছে— *"জনজাতীয় বুলি নকৈ থলুৱা বোলাত আমাৰ সকলোৰে বাবে সেই সেই ভাষা আপোন যেন হৈ পৰিছে।"*[৮]

জনগোষ্ঠীয় ভাষা-সাহিত্য-সংস্কৃতিৰ প্ৰতি সভাই সন্মান জনাই আহিছে। প্ৰথম লেখক শিবিৰতেই সভাই জনগোষ্ঠী সম্পৰ্কত বিশেষ নীতি গ্ৰহণ কৰিছিল। সভাই সকলো জনগোষ্ঠীয় সমস্যাত মাত মতাৰ উপৰি এইটোও বিশ্বাস কৰিছিল যে অসম সাহিত্য সভাৰ সৰ্বতো বিকাশ সম্ভৱ হ'ব জনগোষ্ঠীয় ভাষা সংস্কৃতিৰ বিকাশৰ যোগেদিহে। গাৰো, মিৰি, ভোট, যৱন, অসম, কছাৰী, ব্ৰাহ্মণ, কায়স্থ সকলোকে সামৰি উচ্চতৰ জীৱনৰ সন্মান দান, সকলোকে হৰিভকত বিভূষাৰে বিভূষিত কৰা, যত জীৱন জংগম কীট পতংগম, অগ-নগ-জগক কায়াৰূপে স্থান দিয়া, মানৱতাবাদী শংকৰদেৱক নিহিত স্বাৰ্থত বন্দী কৰি নাৰাখিবলৈও সভাই আহ্বান জনাই আহিছে।

## সভাৰ মঞ্চত সাহিত্যিক-স্বদেশানুৰাগীৰহে ভিৰ

তাহানি পৰমাচাৰ্য পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে তেজপুৰত অনুষ্ঠিত অধিৱেশনৰ সভাপতিৰ ভাষণত কৈছিল— *"অসমীয়া মানুহক অতি সহজে খং তোলাব খুজিলে আন একো নকৰি কেৱল অসমীয়া ভাষাৰ নিন্দা কৰিবা... তেতিয়া দেখিবা শান্ত-শিষ্ট অসমীয়া মানুহে কেনে ৰুদ্ৰ মূৰ্তি ধাৰণ কৰে।"* গোস্বামীয়ে কোৱা কথাষাৰ সভাৰ ক্ষেত্ৰতো সমানে খাপ খাই পৰে। Establishment আৰু Status quo-ৰ বিৰুদ্ধেহে প্ৰতিবাদ অভিযোগ কৰা দেখা যায়। সভাৰ সম্পৰ্কত এনে উক্তিয়ে প্ৰতিক্ৰিয়া সৃষ্টি কৰিলেও সভাৰ নিজস্ব বৈশিষ্ট্য, শক্তি আৰু মৌলিক গুণেৰে সুপ্ৰতিষ্ঠিত। এনে অপবাদৰ পৰা সভাক মুক্ত কৰিবৰ কাৰণে নিয়মতন্ত্ৰ সভাই সলাই লৈছে। সম্প্ৰতি অসম সাহিত্য সভাৰ সাধাৰণ সভ্য, আজীৱন সভ্য, হিতৈষী সভ্য, পৰম হিতৈষী সভ্য, পৰম সুহৃদ হিতৈষী সভ্য, শাখা সভা, জিলা সভাৰ উপৰি আছে বিশাল জনসমুদ্ৰ। এই জনসমুদ্ৰৰ পৰাই সভাই লাভ কৰিছে প্ৰাণশক্তি আৰু ভাবশক্তি। সভা স্বদেশানুৰাগ আৰু মানৱিকতাৰ কুম্ভমেলা, সাহিত্যৰ উৎসৱ। এই উৎসৱলৈ কিয় আহে? তাৰ উত্তৰটো নগেন শইকীয়াই এনেকৈ দিছে— *"অসম সাহিত্য সভাৰ পিছফালে আছে অসমৰ বিশাল জনসমুদ্ৰ। এই জনসমুদ্ৰৰ বাবে অসম সাহিত্য সভা এটা ভাৱশক্তি (Spirt) এটা ভাৱনাৰ প্ৰতীক। অসম*

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

৬. *শইকীয়া নগেন, (সম্পা.) মহেশ্বৰ নেওগ ৰচনাৱলী, ৩য় খণ্ড, পৃ. ১০১৯-২০, ১৯৯৬*

৭. *পূৰ্বোক্ত, পৃ. ১০২০*

৮. *পূৰ্বোক্ত, পৃ. ১০১৯*

*সাহিত্য সভাৰ অধিৱেশনসমূহ যেন স্বদেশানুৰাগ আৰু মানৱিকতাৰ কুম্ভমেলা। অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈকে সমগ্ৰ অঞ্চলৰ পৰা জনতা আহে এই কুম্ভমেলাত যোগ দিবলৈ। কালক্ষয়, অৰ্থক্ষয় আৰু শক্তিক্ষয় কৰি কিয় আহে? আহে এবাৰ স্বদেশানুৰাগৰ সংগমস্থলীত অৱগাহন কৰি যাবলৈ। যিসকলে এই জনতাক কেৱল মেলা চাবলৈ সাহিত্যৰ ভূ-নোপোৱা মূঢ় জনতা বুলি তাচ্ছিল্য কৰে, সেইসকলৰ মুখত যেতিয়া জনতাৰ জয়গান শুনো তেতিয়া ভূতৰ মুখত ৰামনাম বুলি ভাবিবৰ মন নাযায়নে?... বিমূৰ্ত জনতাৰ মংগল সাধনৰ আদৰ্শৰ ধ্বজা বহন কৰি মূৰ্ত জনতাৰ হৃদয়াবেগক অসন্মান কৰোতাজনক জনসাধাৰণে বিশ্বাস কৰে কেনেকৈ?... সকলোৱে বিষয়বাব লাভৰ বাবে নাহে গাঁঠিৰ ধন ভাঙি আহে এই উৎসৱত যোগ দিবলৈ, আহে নিজৰ প্ৰিয় লেখকসকলক এবাৰ নিজ চকুৰে চাবলৈ।"*[১১]

গতিকে ইয়াত অ-সাহিত্যিকৰ ভিৰ বুলিব পাৰিনে? বিশাল জনসমুদ্ৰই এইকথা প্ৰতীয়মান কৰে যে তেওঁলোকৰ হৃদয়ত অসম সাহিত্য সভাৰ ভাৱমূৰ্তি থাপিত আৰু সঞ্চিত হৈ আছে।

অৱশ্যে মাজে-সময়ে এনে অভিযোগ উঠা শুনা যায় যে সভাত ৰাজনৈতিক দলৰ দৰে পদমৰ্যাদা বিচৰা লোকৰ অবাঞ্ছিত ভিৰ আজি হ'বলৈ ধৰিছে। এনে ভিৰ হোৱা দেখিলে ইয়াৰ প্ৰতিৰোধৰ ব্যৱস্থা সাহিত্য সভাই কৰিব লাগিব। কোটি কোটি শিলগুটিৰ মাজত কেতিয়াবা এজনাহে শালগ্ৰাম ওলায়, কিন্তু শিলগুটিবোৰ বিনামূলীয়া নিশ্চয় নহয়। ইয়াৰ মূল্য নিৰূপণৰ দায়িত্বৰ পৰা সভাই গা এৰা নিদিয়ে।

## সভাৰ মেলামুখী চৰিত্ৰ

১৯৬০ চনৰ ২৭, ২৮ আৰু ২৯ অক্টোবৰ তাৰিখে পলাশবাৰীত (মিৰ্জা) ত্ৰৈলোক্যনাথ গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত অধিৱেশন কেইবাটাও দিশৰ পৰা গুৰুত্বপূৰ্ণ আছিল। এই অধিৱেশনত সভা চহৰমুখী হয়। এই সময়ৰে পৰাই সভাৰ "বিস্তাৰ যুগ" আৰম্ভ হয় বুলি সাহিত্যাচাৰ্য অতুলচন্দ্ৰ হাজৰিকাই উল্লেখ কৰিছে।[১২] লগতে গ্ৰন্থৰ সংস্কৃতি এটিও গঢ় লৈ উঠে। মহেশ্বৰ নেওগে কৈছে— *From this session onwards the sammilan have been attracting large crowds to open meetings and evening performances of music etc.*[১৩] তেতিয়াৰ পৰাই সভাত ৰাজ্যখনৰ লাখ লাখ লোকে অংশ গ্ৰহণ কৰি সভাক জনমুখী কৰিলে। সভা মেলামুখী হোৱা প্ৰসংগত মহেশ্বৰ নেওগে কৈছে— *"মেলামুখী বোলোতে সভাক নিন্দা কৰা হয় নে প্ৰশংসা কৰা হয়? হাজাৰ হাজাৰ এক জনতাই সভাত আধুনিক কবিতা পাঠ কৰালৈ যেতিয়া কাণ দি থাকে, তেতিয়া ভাব হয় কবিতা বস্তুটিয়েই জনতাৰ উপলব্ধিৰ বস্তু হ'ল আৰু সাহিত্য সভাও জনমুখী হ'ল।"*[১৪] সাহিত্যৰ

---

১০. *মহেশ্বৰ নেওগ, সভাপতিৰ অভিভাষণ, পৃ. ১১২*
১১. *শইকীয়া নগেন, পূৰ্বোক্ত, পৃ. ৪৭৫*
১২. *হাজৰিকা অতুল চন্দ্ৰ, অসম সাহিত্য সভাৰ ৰূপলেখা, পৃ. ১৩৯, ১৯৭৮*
১৩. *Neog Maheswar, Annals of Assam Sahitya Sabha, P. 28, 1976*
১৪. *নেওগ মহেশ্বৰ, সভাপতিৰ অভিভাষণ, পৃ. ৮২*



সাধকসকলক সাহিত্যপ্ৰেমীসকলে আৱৰি ধৰাটো প্ৰশংসনীয় নে নিন্দনীয়? অৱশ্যে মুকলি সভা, প্ৰদৰ্শনী, গ্ৰন্থমেলা, সাংস্কৃতিক সন্ধ্যা আদিৰ তুলনাত শাখা সন্মিলনবোৰত শ্ৰোতাৰ উপস্থিতি সেৰেঙা। নিৰ্বাচিত প্ৰতিনিধিসকলো এনে সন্মিলনৰ পৰা আঁতৰি থাকে? ইয়াৰ কেৰোণ সাহিত্য সভাই বিচাৰি উলিয়াব লাগিব। প্ৰয়োজন হ'লে প্ৰতিনিধি পঠিওৱা ব্যৱস্থাৰো সাল-সলনি হ'ব পাৰে। প্ৰতিনিধিসকলৰ গাত সকলো গুণেই আছে কিন্তু নাই সহৃদয় সংবাদী মানসিকতা বা গুণটো। সভাৰ সৰ্বোচ্চ নীতি নিৰ্ধাৰক বিষয়-বাছনী সভাত গুৰুত্বপূৰ্ণ একোটা সিদ্ধান্ত ল'বৰ সময়ত সমুখত আঙুলি মূৰত লেখিব পৰা প্ৰতিনিধিহে উপস্থিত থাকে। এনে অৱস্থাৰ অৱসান হোৱাটো সভাৰ বাবে শুভ বুলি বিবেচিত হ'ব। প্ৰতিনিধিসকলৰ কেলিকেন্দেলিতে সীমাবদ্ধ হোৱাটো গ্ৰহণযোগ্য নহয়। এটা সময়ত প্ৰতিনিধি নিৰ্বাচনত শাখাসমূহে সতৰ্কতা অৱলম্বন কৰিছিল বাবেই প্ৰতিনিধি সভাবোৰ উচ্চস্তৰীয় মৰ্যাদা লাভ কৰিছিল। মাৰ্ঘেৰিটা আৰু ছিলং অধিৱেশনে প্ৰতিনিধি সভাক বিশেষ মৰ্যাদা দান কৰিছিল। এইপ্ৰসংগতে সভাৰ বিষয়ববীয়া নিৰ্বাচন সম্পৰ্কেও আলচ কৰা যুগুত সভাত পোন প্ৰথমবাৰৰ বাবে সভাপতি নিৰ্বাচনৰ পদ্ধতি আৰম্ভ হ'ল। ১৯৪৪ চনত "অসম সাহিত্য সভাৰ ৰূপলেখা"ত অতুল চন্দ্ৰ হাজৰিকাই কৈছে—"সাহিত্য সভাৰ বুৰঞ্জীত পোন প্ৰথমবাৰৰ বাবে সভাপতি নিৰ্বাচনৰ অভিযানৰ সূত্ৰপাত হ'ল। শ্ৰীনীলমণি ফুকনৰ অনুকূলে "দৈনিক বাতৰি"-ত আৰু কীৰ্তিনাথ বৰদলৈ সম্পাদিত "অসম ৰাইজ"-ত শৰৎচন্দ্ৰ গোস্বামীৰ অনুকূলে নিৰ্বাচনৰ প্ৰচাৰ কাৰ্য জোৰেৰে চলোৱা হৈছিল।"[১৫] ইয়াৰ আগতে সভাপতিজনা কেৱল মূল সভাৰহে সভাপতি আছিল। ◆

---

১৫. *অতুল চন্দ্ৰ হাজৰিকা, পূৰ্বোক্ত, পৃ. ৭৬*

◆◆◆◆◆

# যোৰহাট সাহিত্য সভাৰ পৰা অসম সাহিত্য সভালৈ

অসম সাহিত্য সভাৰ জন্মৰ আগতে যোৰহাট সাহিত্য সভাৰ জন্ম। যোৰহাট সাহিত্য সভাৰ জন্মলগ্নত ৰায়বাহাদুৰ জগন্নাথ বৰুৱা আৰু তেওঁৰ একমাত্ৰ পুত্ৰ দেৱেন্দ্ৰনাথ বৰুৱাৰ বৰঙণি অধিক। যোৰহাট সৰ্বজানিক সভাৰ প্ৰতিষ্ঠাতা জগন্নাথ বৰুৱাই বৰ্তমান যোৰহাট থিয়েটাৰ থকা মাটিডোখৰ কিনি দুফালে দুটা ঘৰ সজায়। তাৰে এটা ঘৰ সৰ্বজানিক সভাৰ আনটো ডায়েমণ্ড জুবিলী লাইব্ৰেৰিৰ বাবে।[১] এই লাইব্ৰেৰিয়েই যোৰহাট সাহিত্য সভাৰ চেৰাশালী। জগন্নাথ বৰুৱা আৰু দেৱেন্দ্ৰনাথ বৰুৱাৰ উপৰি কীৰ্তিচন্দ্ৰ মুকলিমুৰীয়া গোস্বামী, যোগেশ্বৰ ঠাকুৰ আৰু সেই সময়ৰ ভালেসংখ্যক কৃতবিদ্য ছাত্ৰৰ এই কেন্দ্ৰত সমাৱেশ হৈছিল। বুদ্ধিন্দ্ৰনাথ ডিলিহিয়াল ভট্টাচাৰ্য এই অনুষ্ঠানৰ সম্পাদক আছিল। সাহিত্যৰত্ন চন্দ্ৰধৰ বৰুৱা আছিল এই কেন্দ্ৰৰ প্ৰাণশক্তি। দুৰ্গেশ্বৰ শৰ্মা, হিতেশ্বৰ বৰবৰুৱা আদিৰ সাহিত্য সাধনাৰ বীজ ইয়াতেই অংকুৰিত হৈছিল। সেই সময়ৰ ছাত্ৰ আৰু গণ্যমান্য লোকসকলক লৈ সাহিত্য সভা পাতি তাত প্ৰবন্ধ, কবিতা পাঠ আৰু বক্তৃতা দিয়াৰ দিহা কৰিছিল। এই সভাত দেৱেশ্বৰ শৰ্মাইও[২] ভাগ লৈছিল পিচত অসম সাহিত্য সভাৰ দ্বিতীয় গৰাকী সহকাৰী সম্পাদক হয়।[৩] ৰাজনীতিক কুলধৰ চলিহাও ইয়াৰ লগত জৰিত হৈ আছিল।[৪] এই সভাৰ জন্মৰ পৃষ্ঠভূমিত "বাঁহী" আৰু "আসাম বান্ধৱ"ৰ অজাযুদ্ধই এক বিদ্যায়তনিক বিতৰ্ক সৃষ্টি কৰিছিল। "আসাম বান্ধৱ"ৰ সম্পাদক আছিল তাৰানাথ চক্ৰৱৰ্তী কাব্য বিনোদ। দুয়োপক্ষৰ ভাষা-বিতৰ্ক সময়তে (১৯১২) ডেপুটি ইন্সপেক্টৰৰূপে শৰৎ চন্দ্ৰ গোস্বামী যোৰহাটলৈ বদলি আহে। সেই সময়ত যোৰহাট সাহিত্য সভাৰ ঘাই উদ্‌গাতা দেৱেন্দ্ৰনাথ বেজবৰুৱা, দুৰ্গেশ্বৰ শৰ্মা, চন্দ্ৰধৰ বৰুৱা, দেৱেশ্বৰ চলিহাৰ লগত গোস্বামীৰ সম্পৰ্ক স্থাপন হয়।

অসমীয়া ভাষাৰ সংকীৰ্ণতা দূৰ কৰিবলৈ "*... এখন বলী আৰু কামিলা সভা পাতি অসমীয়া ভাষাৰ সংকীৰ্ণতা দূৰ কৰি তাক কেৱল অসম উপত্যকাতেই নহয় আমাৰ পৰ্বতীয়া জিলা*

১. *যোৰহাট সাহিত্য সভাৰ গ্ৰন্থাৱলী, ১৯৫৬*
২. *এইজন শৰ্মা দেৱেশ্বৰ উকিল, জনমভূমি পৰিয়ালৰ জন নহয়।*
৩. *যোৰহাট সাহিত্য সভা গ্ৰন্থাৱলী-১, পঞ্চপল্লৱ, পৃ. ৭৩-৭৪, ১৯৫৬*
৪. *প্ৰথমগৰাকী সহকাৰী সম্পাদক হৰিনাথ পাঠক*



*কেইখনৰো সৰ্বজনগ্ৰাহ্য ভাষা কৰি তুলিবলৈ মোৰ মনটোও বৰ ব্যাকুলতা আহিছিল।"*[৫] প্ৰথম অৱস্থাত 'ঘাই সভা' (অ.ভা.উ.সা.সভা)-ৰ যোৰহাটৰ শাখা (অ ভা উ সা স) খনকে সাহিত্য সভাৰূপে প্ৰতিষ্ঠা কৰাৰ কথা আলচ হৈছিল যদিও ভাষা বিষয়ত অত্যন্ত বিশুদ্ধবাদী হোৱাৰ কাৰণে কথাবোৰ মনঃপুত নহ'ল। সেয়ে শৰৎ চন্দ্ৰ গোস্বামীয়ে দায়িত্ব লৈ যেতিয়া কামত আগবাঢ়িছিল সেই সময়ত যোৰহাটৰ ৰাইজৰ পৰা যথেষ্ট আদৰ-সন্মান পাইছিল বুলি গোস্বামীয়ে উল্লেখ কৰিছে। যোৰহাটৰ ৰাইজৰ উদ্যোগ আৰু গোস্বামীৰ উদ্যোগী মনৰ মণিকাঞ্চন সংযোগতে ১৯১৫ চনৰ এপ্ৰিল-মে' মাহত[৬] যোৰহাট সাহিত্য সভা আনুষ্ঠানিকভাৱে স্থাপিত হ'ল। ইয়াত কেইবাগৰাকীও লোকে কবিতা, প্ৰবন্ধ পাঠ কৰিছিল। কবি দুৰ্গেশ্বৰ শৰ্মাই *"স্মৃতি আৰু হিন্দু আইন"*, ঘনকান্ত বৰুৱাই *"চেলাম ৰহস্য"* নামে খুহুতীয়া প্ৰবন্ধ পাঠ কৰিছিল। স্থাপন হোৱাৰ দিনা ৰাতিৰ সাজ আহাৰ শৰৎচন্দ্ৰ গোস্বামীৰ ঘৰতে হৈছিল। পাঠাৰ পনীয়া আঞ্জাৰে অতিথিক সোধ- পোচ কৰিছিল। এই লগভাতত যোগ দিছিল কুলধৰ চলিহা, দেৱেশ্বৰ চলিহা, দুৰ্গেশ্বৰ শৰ্মা আদিয়ে। যোৰহাট সাহিত্য সভাৰ প্ৰথম সভাপতি আছিল দেৱীচৰণ বৰুৱা। সভা হৈছিল বিষ্ণুৰাম বৰুৱা হলত। এই সভাত শৰৎচন্দ্ৰ গোস্বামীয়ে পাঠ কৰা প্ৰবন্ধটোৰ নাম *"কিবা কিবি বিষয়ে ৰচনা"*। এই ব্যংগ প্ৰবন্ধটো শুনি হেনো উপেন্দ্ৰনাথ বৰুৱাই বৰ ভাল পাইছিল।[৭] ইয়াৰ পিচত যোৰহাট সাহিত্য সভাৰ প্ৰতি মাহে অধিৱেশন বহিছিল আৰু অধিৱেশন বিবিধ বিষয় আছিল— *সৰল জ্যোতিষ* (দুৰ্গেশ্বৰ শৰ্মা), ভূ-তত্ত্ব (হৰিপ্ৰসাদ বৰুৱা) *এড়ী মূগা পাট* (গোলোক চন্দ্ৰ বৰুৱা), *শিক্ষাবিচাৰ* (শৰৎচন্দ্ৰ গোস্বামী)। অসম সাহিত্য সভাৰ জন্মৰ লগে লগে যোৰহাট সাহিত্য সভা নিষ্প্ৰভ হ'বলৈ ধৰিলে।[৮] অসম সাহিত্য সভাৰ প্ৰধান সম্পাদকৰ[৯] পৰা শৰৎচন্দ্ৰ গোস্বামীৰ অব্যাহতিৰ পিচত অসম সাহিত্য সভা মৃতপ্ৰায় হয়। সেই অৱস্থাৰ পৰা অসম সাহিত্য সভাক উদ্ধাৰ কৰে যোৰহাট সাহিত্য সভাই (সভাপতি ৰাধানাথ হাজৰিকা আৰু সম্পাদক টংকেশ্বৰ চলিহাই) যুদ্ধৰ বিভিবিকাই চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ অপাৰ ক্ষতি কৰে। সভাৰ পুথি নথি-পত্ৰ সংৰক্ষণ (তুলসী নাৰায়ণ শৰ্মাৰ ঘৰত সংৰক্ষণ), মিউনিচিপেলিটিৰ টেক্স, খাজনা দিব নোৱৰাৰ কাৰণে মাটি বিক্ৰীৰ সাধনী পত্ৰ— এইসকলো জঞ্জাল মূৰ পাতি লৈ সভাক পুনৰ জীৱন দান কৰিলে। উল্লেখযোগ্য সৈন্য-সামন্তই ভৱন খালী কৰাৰ পাচত কৃষ্ণকান্ত সন্দিকৈয়ে ভৱনৰ সংৰক্ষণৰ বাবে বৰঙনি আগবঢ়ায়।

ইয়াৰ আগত ১৯১৪ চনতে চন্দ্ৰনাথ শৰ্মাই অ ভা উ সা সভাত এখন সাহিত্য সভা হ'ব লাগে বুলি এটা প্ৰস্তাৱ দিছিল। প্ৰস্তাৱটো কালিৰাম দাসে সমৰ্থন কৰিছিল যদিও গৃহীত নহ'ল।[১০]

৫. *গোস্বামী যতীন্দ্ৰনাথ, (সম্পা.) শৰৎচন্দ্ৰ গোস্বামী ৰচনাৱলী, পৃ. ১৫১, ১৯৮৭*
৬. *প্ৰকৃততে অধিৱেশনৰ তাৰিখটো ১৭/৭/১৫, পূৰ্বোক্ত পৃ., ১৯৭*
৭. *পূৰ্বোক্ত, পৃ. ১৫২*
৮. *পূৰ্বোক্ত, পৃ. ১৫২*
৯. *ইংৰাজী General Secretary শব্দৰ প্ৰতিশব্দৰূপে প্ৰধান সম্পাদক*
১০. *Neog Maheswar, Annals of Asam Sahitya Sabha, P. 6, 1976, হাজৰিকা অতুল চন্দ্ৰ, পূৰ্বোক্ত, পৃ. ১৩*

অতুলচন্দ্ৰ হাজৰিকাৰ মতে চন্দ্ৰনাথ আসাম ছাত্ৰ সন্মিলনৰ মজিয়াতো এনে প্ৰস্তাৱ উত্থাপন কৰিছিল যদিও সফল নহ'ল।[১১]

১৯১৫ চনৰ জুলাই মাহত যোৰহাট সাহিত্য সভাই বিষ্টুৰাম হলত ৰায়বাহাদুৰ ফণীধৰ চলিহাৰ সভাপতিত্বত এখন ডাঙৰ সভা পাতে সভাত ১৫০ জনমান মানুহ উপস্থিত আছিল। পদ্মনাথ বৰুৱা (গোহাঞি বৰুৱা), বেণুধৰ ৰাজখোৱা, বেৰিষ্টাৰ আব্দুল মজিদ আদিয়ে একোটাকৈ বক্তৃতা দিয়ে। যোৰহাট সাহিত্য সভাৰ সম্পাদক শৰৎ চন্দ্ৰ গোস্বামীয়ে কয়— *"আপোনালোকৰ কৃপা আৰু আশীৰ্বাদ থাকিলে আমাৰ এই নুমলীয়া সভাই এদিন অসমৰ সাহিত্য ক্ষেত্ৰত নানাবিধ শস্যৰ জননী হ'ব পাৰিব।"*[১২] সেই চনতে যোৰহাটৰ বিষ্টুৰাম বৰুৱা হলত শিল্প উদ্যোগৰ প্ৰসাৰ আৰু জনপ্ৰিয় কৰিবৰ কাৰণে সেই সময়ৰ চৰকাৰে এখন সভা পাতিছিল। সভাপতিত্ব কৰিছিল অসম কমিছনাৰ P.R.T. Gadan ডাঙৰীয়ায়। সেই সভাত সাহিত্য সম্পৰ্কে আলোচনা হৈছিল ঃ অসম সাহিত্য সভা প্ৰতিষ্ঠাৰ বিষয়টো তাতে শেষ হয়। ১৯১৫ চনৰ ৩০ ডিচেম্বৰ তাৰিখে ডিব্ৰুগড়ৰ অসম কনফাৰেন্স সভা মণ্ডপত (কেইদিনমানৰ আগতে তাত অসম এছোচিয়েচনৰ সভা হৈছিল) ৰায়বাহাদুৰ ফণীধৰ চলিহাৰ সভাপতিত্বত এখন ডাঙৰ সাহিত্য সভা বহে। তাত নবীনচন্দ্ৰ বৰদলৈ, পদ্মনাথ বৰুৱা (গোহাঞি বৰুৱা), তফজুল হুছেই হাজৰিকা, দুৰ্গানাথ চাংকাকতি, সত্যনাথ বৰা, বেণুধৰ ৰাজখোৱা উপস্থিত আছিল (অসম এছোচিয়েচনলৈ আহিছিল যদিও সাহিত্য সভাৰ বাবে ডিব্ৰুগড়ত এদিন অতিৰিক্তভাৱে থাকিবলগীয়া হোৱাত তেওঁলোকে আনন্দ পাইছিল হেনো)।[১৩] সভাপতিত্ব কৰিছিল নবীনচন্দ্ৰ বৰদলৈয়ে।[১৪] তাতো ইতিবাচক কোনো সিদ্ধান্ত নহ'ল। ইয়াৰ পিচত ১৯১৫ চনত কামৰূপ শাসনাৱলীৰ সংকলক-সম্পাদক পদ্মনাথ ভট্টাচাৰ্য বিদ্যাবিনোদে অ.ভা.উ.সা. সভাত বংগীয় সাহিত্য সন্মিলনলৈ প্ৰতিনিধি পঠিয়াবৰ কাৰণে আয়োজন কৰা সভাত অসম সাহিত্য সন্মিলন এখন পাতিবৰ কাৰণে উদ্যোগ লৈছিল যদিও ফল নধৰিলে।[১৫] ইয়াৰ পিচত অসম সাহিত্য সভা গঠনৰ বাবে যোৰহাটতো বিবিধ আলোচনা হৈছিল। এই আলোচনা কুলধৰ চলিহা আৰু চন্দ্ৰধৰ বৰুৱাৰ লগত শৰৎচন্দ্ৰ গোস্বামীয়ে কৰিছিল।

১৯১৬ ডিচেম্বৰ মাহত গুৱাহাটীত গংগা গোবিন্দ ফুকনৰ সভাপতিত্বত অসম এছোচিয়েচনৰ সভা অনুষ্ঠিত হয়। সেই সভাৰ সভা মণ্ডপতে অসমীয়া ছাত্ৰৰ সাহিত্য সন্মিলন হৈছিল। লক্ষ্মীনাথ বেজবৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত এই সভালৈ সেই সময়ৰ বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰসকলক নিমন্ত্ৰণ কৰাৰ উপৰি অসমৰ অনেক গণ্যমান্য লোকক নিমন্ত্ৰণ কৰিছিল। অসমীয়া ছাত্ৰৰ সাহিত্য সন্মিলন নামটোত স্বয়ং বেজবৰুৱাই আপত্তি কৰিছিল। বেজবৰুৱাক সহযোগ কৰিছিল বাণীকান্ত

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

১১. *পূৰ্বোক্ত, পৃ. ১৩*

১২. *গোস্বামী যতীন্দ্ৰনাথ, অসম সাহিত্য সভা ঃ সিংহাৱলোকন, (অসম সাহিত্য সভাৰ ৫৯ তম শিৱসাগৰ অধিৱেশনৰ স্মৃতিগ্ৰন্থ, ৰংপুৰ ৰংপুৰ, পৃ. ৫, ১৯৯৩*

১৩. *Maheswar Neog, ibid P. 6*

১৪. *হাজৰিকা অতুল চন্দ্ৰ, পূৰ্বোক্ত, পৃ. ১৪*

১৫. *Neog Maheswar, ibid P. 6*



কাকতিয়ে, সেয়ে নামটো "আসাম ছাত্ৰ সন্মিলন" হ'ল। প্ৰস্তাৱযোগে এই সিদ্ধান্ত লোৱা হ'ল— *"But the permanent association established by a resolution of the meeting came to be termed not a Sahitya Sabha but Asam Chatra Sanmilan (Assam Student Conference)।"*[১৬] আসাম ছাত্ৰ সন্মিলনৰ অভূতপূৰ্ব কৃতকাৰ্যতাই সেই সময়ৰ ছাত্ৰসকলকেই নহয় প্ৰবীণসকলকো উৎসাহিত কৰিলে।

"আসাম ছাত্ৰ সন্মিলন"-ত যোগ দিবলৈ অহা অসম তথা গুৱাহাটীৰ গণ্যমান্য লোকসকল এদিন সমৱেত হ'ল গুৱাহাটীৰ অধিবক্তা গৌৰীকান্ত তালুকদাৰৰ ঘৰত তাত এখন সভা হৈছিল। এই সভাৰ অন্যতম আয়োজক আছিল অম্বিকাগিৰী ৰায়চৌধুৰী। সেই সভাৰ সভাপতি আছিল সূৰ্যকুমাৰ ভূঞা। সম্ভৱতঃ চনটো ১৯১৭। সাহিত্য সভা পতাৰ সম্পৰ্কত প্ৰায়েই বিৰোধ কৰি অহাসকলক উপেক্ষা কৰি পৰৱৰ্তী অসম এছোচিয়েচনৰ অধিৱেশনতে সাহিত্য সভা পাতিবই বুলি হাতীপুৰ দি ধৰিলে আৰু সংকল্প গ্ৰহণ কৰিলে। উদ্যোক্তাসকলে সেইদিনাই এখন তদৰ্থ সমিতি গঠন কৰি অসমৰ পিট চন্দ্ৰনাথ শৰ্মাক সম্পাদকৰ দায়িত্ব দিলে। সাহিত্য সভা পতাৰ বিপক্ষ দলৰ অন্যতম আছিল সত্যনাথ বৰা।[১৭] যি কি নহওক শিৱসাগৰৰ অসম এছচিয়েছনৰ সদস্যসকলক বিষয়টো অৱগত কৰাত আৰু যাৱতীয় প্ৰস্তুতি কৰিবলৈ জৰুৰী আহ্বান জনালে। শিৱসাগৰৰ ৰাইজ উৎফুল্লিত হ'ল। প্ৰথমতে শিৱসাগৰ পুখুৰীৰ পাৰত থকা বৰ্তমান জিলা আৰু ছেছন ন্যায়াধীশ বাসস্থানত প্ৰথম সভাখন হৈছিল। ইফালে শৰৎচন্দ্ৰ গোস্বামী, কুলধৰ চলিহা, চন্দ্ৰধৰ বৰুৱা সাজু হৈছিলেই। অৱশেষত ১৯১৭ চনৰ ২৮ ছেপ্টেম্বৰ তাৰিখে বেৰিষ্টাৰ তাৰাপ্ৰসাদ চলিহাৰ সভাপতিত্বত শিৱসাগৰৰ ৰাজহুৱা ক্লাব ঘৰত ডিচেম্বৰত হ'বলগীয়া অসম এছচিয়েচনৰ সভা মণ্ডপতে "সদৌ আসাম সাহিত্য সন্মিলন" ডিচেম্বৰ মাহত পাতিবৰ কাৰণে ৰাজহুৱা সিদ্ধান্ত হ'ল। সেই সভাতে আদৰণী সমিতি এখনো গঠন হ'ল। আদৰণী সমিতিৰ সভাপতি হৈছিল ১৮৯০ চনত Shaskepear's Comedy of Errors —ৰ "ভ্ৰমৰংগ"ৰূপে অনুবাদ কৰা গুঞ্জানন বৰুৱা আৰু কবি সাহিত্যানুৰাগী লক্ষ্মীকান্ত বৰুৱা হৈছিল সম্পাদক। এই সন্মিলনৰ সভাপতিৰূপে মনোনীত হ'ল *বিজুলী*(১৮৯০-৯২) আৰু *উষা*(১৯০৭-১৬) কাকতৰ সম্পাদক সু-সাহিত্যিক পদ্মনাথ বৰুৱা (গোহাঞি বৰুৱা)। আদৰণী সমিতিয়ে অধিক উৎসাহেৰে সভাৰ আয়োজন কৰিলে। সেই সভাত গঠন কৰা অভ্যৰ্থনা সমিতিৰ আন সদস্যসকলৰ নাম উল্লেখ কৰা হ'ল— দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱা, বিষ্ণুপ্ৰসাদ চলিহা, হৰেশ চন্দ্ৰ ৰাজখোৱা, তাৰিণী প্ৰসাদ বৰুৱা, মিন্নৰ আলী, ৰামকুমাৰ বৰুৱা, কেশৱকান্ত বৰুৱা, ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, দোলেশ্বৰ চাংকাকতী, ৰেভাৰেণ্ড

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

১৬. *Neog Maheswar, ibid, p 7 ছাত্ৰ সন্মিলনৰ গৌৰৱপূৰ্ণ অস্তিত্ব সম্পৰ্কে নেওগে কৈছে—"This body run a glorious existence in the twenties when the Non-Co-opereation Movement of Mahatma Gandhi stirred the young generation to a new phase of national Life." p.7*

১৭. *শৰৎ চন্দ্ৰ গোস্বামী ৰচনাৱলী, পৃ. ১৫৫*

এনড্ৰুজ, কুমুদেশ্বৰ বৰঠাকুৰ, প্ৰাণনাথ গোহাঁই, মফজুল হুছেইন, নিত্যানন্দ কোঁৱৰ, আৰ এ উড চাহাব। অভ্যৰ্থনা সমিতিক সহায়-সহযোগ আগবঢ়োৱাসকলৰ ভিতৰত আছিল ফনীধৰ চলিহা, কেশৱানন্দ ভঁৰালী, ৰাধিকাপ্ৰসাদ বৰুৱা, ভূপেন্দ্ৰনাথ ঘোষ, তাৰাপ্ৰসাদ চলিহা, অন্নদাচৰণ খাটনিয়াৰ, জমায়ৎদ্দিন আহমদ, গণেশচন্দ্ৰ ৰাজখোৱা, ভুৱন চন্দ্ৰ গগৈ আদি।[১৮] ইফালে যোৰহাটৰ শৰৎচন্দ্ৰ গোস্বামী, কুলধৰ চলিহা, চন্দ্ৰধৰ বৰুৱাও ৰৈ নাথাকিল। কুলধৰ চলিহাৰ লগত একেলগে বহি গোস্বামীয়ে নিয়মাৱলীৰ খচৰা প্ৰস্তুত কৰি লিখো কৰি লৈছিল আৰু সভাত পাঠ কৰিবৰ কাৰণে "*কীৰ্তনৰ সাহিত্য সৌষ্ঠৱ*" নামৰ এটি প্ৰবন্ধ যুগুত কৰি লৈছিল।

সেই সময়ত গোহাঞিবৰুৱা কলিকতাত আছিল। সভাপতি মনোনীত হোৱাৰ বাতৰিটো বিজুলী ডাকযোগে অৱগত কৰা হৈছিল। বাতৰিটি পাই ৰায়বাহাদুৰ ঘনশ্যাম বৰুৱাই গোহাঞি বৰুৱাৰ লগত আলোচনা কৰাৰ আগতেই গোহাঞিবৰুৱাৰ হৈ বৰুৱাই সন্মতি দি বাতৰি পঠিয়ালে। সন্মতিৰ বাতৰি পাই শিৱসাগৰীয়া ৰাইজ দুগুণ উৎসাহিত হ'ল। ◆

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

১৮. *১৯৭৭ চনত বংপুৰ সাহিত্য সভাৰ সহযোগত অসম সাহিত্য সভাই আয়োজন কৰা পঞ্চম লেখক শিবিৰৰ স্মৃতিগ্ৰন্থত প্ৰকাশিত দক্ষিণাকান্ত বৰুৱাৰ "অসম সাহিত্য সভাৰ পোন প্ৰথম অধিৱেশনৰ জিলিঙনি"ৰ পৰা লোৱা হৈছে।*

◆◆◆◆◆

# প্ৰথম অধিৱেশন শিৱসাগৰ

## (তাৰিখ ঃ ২৬ আৰু ২৭ ডিচেম্বৰ, ১৯১৭)

অসম সাহিত্য সভাৰ প্ৰথমগৰাকী সভাপতি পদ্মনাথ গোহাঞিবৰুৱা শিৱসাগৰত থকা তেখেতৰ বৰজোঁৱাই সিদ্ধেশ্বৰ গোহাঁই মুঞ্চিপৰ চৰকাৰী বাসস্থানত আছিল। তাৰপৰা ফণীধৰ চলিহাৰ নেতৃত্বত স্বেচ্ছাসেৱক[১৯] আৰু ডিব্ৰুগড়, যোৰহাট, নগাঁও, গুৱাহাটী, তেজপুৰ, গোপালপাৰাৰ অহা প্ৰতিনিধি আৰু স্থানীয় ৰাইজে বাগীত তুলি সভামণ্ডপলৈ আগবঢ়াই আনে।

সভা আৰম্ভ হয় দিনৰ ১ বজাত। সম্পাদক লক্ষীকান্ত বৰুৱা আৰু যতীন্দ্ৰনাথ দুৱৰাই ৰচনা কৰা গীতেৰে সভা আৰম্ভ হয়। অভ্যৰ্থনা সমিতিৰ সভাপতি গুঞ্জানন বৰুৱাই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। ইয়াৰ পিচত ৰায়বাহাদুৰ ফনীধৰ চলিহাই সভাপতিৰ আসন গ্ৰহণ কৰিবলৈ প্ৰস্তাৱ উত্থাপন কৰে। প্ৰস্তাৱটি হৰেশচন্দ্ৰ ৰাজখোৱা আৰু দেৱেশ্বৰ চলিহাই সমৰ্থন কৰে। দুটি সৰু ল'ৰাই সভাপতিক ফুলৰ মালা পিন্ধায়। ইয়াৰ পিছতেই সভাপতিয়ে ৮২ পৃষ্ঠাৰ ছপা অভিভাষণ পাঠ কৰে। অভিভাষণৰ ভাষা নিমজ আৰু সুশোভন। উপস্থাপনৰ পদ্ধতিও সুঠাম। সভাত প্ৰায় ৮০০ মানুহ গোট খায়। সকলোৱে এই সুদীৰ্ঘ অভিভাষণখন মন দি শুনে। এই কাৰ্যসূচীৰ অন্তত প্ৰবন্ধ পাঠ আৰম্ভ হয়। প্ৰথমে ৰত্নকান্ত বৰকাকতীয়ে "*অসমীয়া ভাষা*" নামৰ এটি প্ৰবন্ধ পাঠ কৰে। "*কীৰ্তনৰ সাহিত্য সৌষ্ঠৱ*"প্ৰবন্ধ পাঠ কৰে শৰৎচন্দ্ৰ গোস্বামীয়ে। "*অসমীয়া সাহিত্য আৰু মুছলমান*"প্ৰবন্ধ পাঠ কৰে মোছলেহউদ্দিন আহমদে। ডাঃ বিপিন বিহাৰী বৰাই "*গোবৰ ৰহস্য*"পাঠ কৰে। শৰৎচন্দ্ৰ গোস্বামী আৰু ৰত্নকান্ত বৰকাকতীৰ প্ৰবন্ধ আংশিকভাৱেহে পাঠ হয় আৰু পঠিত বুলি ধৰা হয়। শৰৎচন্দ্ৰ গোস্বামীৰ প্ৰবন্ধটো পত্ৰিকাৰ অষ্টম বছৰ প্ৰথম সংখ্যাৰ ১৬-২৮ পৃষ্ঠা ছপা হৈছিল।

ইয়াৰ পিচত 'বিষয় নিৰ্বাচনী সভা' গঠন হয়। 'বিষয় নিৰ্বাচনী সভা'ৰ সদস্যসকলৰ নাম প্ৰস্তাৱ কৰে তাৰাপ্ৰসাদ চলিহাই আৰু সমৰ্থন কৰে বংশীভূষণ বৰুৱাই। সভ্যসকল হ'ল— সভাপতি, অভ্যৰ্থনা সমিতিৰ সভাপতি, শৰৎচন্দ্ৰ গোস্বামী, কুলধৰ চলিহা, হৰিকৃষ্ণ দাস, দেৱেশ্বৰ শৰ্মা, শিৱনাথ ভট্টাচাৰ্য, মহাদেৱ শৰ্মা, চন্দ্ৰনাথ শৰ্মা, মিন্নুৰ আলী, মেছলেহউদ্দিন আহমদ, লক্ষ্মীকান্ত বৰুৱা, সিদ্ধেশ্বৰ গোহাঁই, দেৱেশ্বৰ চলিহা, আৰু লোহিতচন্দ্ৰ ভূএগা। গধূলি বিষয়

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

১৯. *স্বেচ্ছাসেৱকসকল আছিলঁ দুৰ্গাধৰ বৰুৱা, ভৱধৰ ঠাকুৰ, বখদৌলা, মাণিকচন্দ্ৰ ভট্টাচাৰ্য, পদ্মকান্ত বৰুৱা, গোফাৰ আব্দুল, পদ্মৰঞ্জন বৰুৱা আদি। স্বেচ্ছাসেৱকসকলৰ বাবে পদ্মধৰ চলিহাই গীত ৰচিছিল আৰু স্বেচ্ছাসেৱকসকলৰ যোগেদি গোৱাইছিল। (বৰুৱা দক্ষিণাকান্ত, পূৰ্বোক্ত)*

নিৰ্বাচনী সভাৰ বৈঠক আৰম্ভ কৰে। সেই বৈঠকত শৰৎচন্দ্ৰ গোস্বামীয়ে লিখো কৰি লৈ যোৱা নিয়মাৱলীৰ বিষয়ে খৰচি মাৰি আলোচনা কৰে।

২৭ ডিচেম্বৰ পুৱা ৮-৩০ বজাত পুনৰ বিষয় নিৰ্বাচনী সভাৰ বৈঠক বহে। আগদিনা বিষয় নিৰ্বাচনী সভাত আলোচনা কৰা নিয়মাৱলীখনৰ বিষয়ে পুনৰ আলোচনা হয়। বিষয় নিৰ্বাচনী সভাত স্থিৰ হোৱা নিয়মবোৰ এটা এটাকৈ পাঠ কৰি সিবোৰ সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰে। ইয়াতেই "সদৌ অসম সাহিত্য সন্মিলন"ৰ ঠাইত "আসাম সাহিত্য সভা" কৰা হয়। গোহাঞিঃ বৰুৱাই ব্যৱহাৰ কৰা সদৌ শব্দটো এৰা পৰে।[২০] ইয়াৰ পিচত অভ্যৰ্থনা সমিতিৰ সভাপতি গুঞ্জানন বৰুৱাই পাঁচশমান সভ্যৰ নাম প্ৰস্তাৱ কৰে আৰু সভাই গ্ৰহণ কৰে। ইয়াৰ পিচত সিদ্ধেশ্বৰ গোহাঁইয়ে সম্পাদৰ বাবে শৰৎচন্দ্ৰ গোস্বামীৰ নাম প্ৰস্তাৱ কৰে। সমিতিয়ে গ্ৰহণ কৰে। এতিয়া আহোঁ সভাৰ নামকৰণলৈ। এই প্ৰসংগত বেণুধৰ শৰ্মাই কৈছিল—*"তেতিয়া বছেৰেকীয়া অধিৱেশনৰ নাম আছিল "সদৌ অসমীয়া সাহিত্য সন্মিলনী" সভ্যসকলৰ ভিতৰত বাহিৰে-ভিতৰে সভাই-সমিতিয়ে আৰু ডাঙৰীয়াসকলৰ চ'ৰাত সাহিত্য সভাৰ "অসম" আৰু "সন্মিলন" শব্দ দুটাৰ ব্যাকৰণ বিধি অৰ্থমতে প্ৰয়োগ হোৱা নোহোৱালৈ থৈয়া-নথৈয়া তৰ্কাতৰ্কি হৈছিল।* "অসমীয়া" হ'লে নিভাঁজ অসমীয়াকিটাকহে বুজাব। "অসম" হ'লে অসমলৈ আহি অসমৰ অন্নেৰে পৰিপুষ্ট হোৱা যেয়ে-সেয়ে ইয়াৰ সভ্য হ'ব পাৰিব। গতিকে "আসাম সাহিত্য সন্মিলনী" হ'লে সাহিত্য সভাৰ পৰিসৰ বঢ়াৰ আশা থাকে।... "সন্মিলনী" হ'বনে, "সন্মিলন" হ'ব নাইবা* "সম্মেলন" হ'ব এই কেইটা লৈও বাদ-প্ৰতিবাদ চলিছিল। শেহান্তৰত "সদৌ আসাম সাহিত্য সন্মিলনী"টোৱেই ৰ'ললগে। গোহাঞিবৰুৱা পদ্মনাথে "সদৌ"টো লগ লগাই দিছিল হয়, পিচত কিন্তু এৰা পৰিল।"[২১] "অসমীয়া সাহিত্য সন্মিলনী"-ৰ ঠাইত "অসম" শব্দটো ব্যৱহাৰৰ এটা পৰিস্থিতিৰো উদ্ভৱ হৈছিল। যোৰহাটৰ "দাস এণ্ড কোম্পানী"ৰ স্বত্বাধিকাৰী বাঙালী জিতেন্দ্ৰনাথ দাস অসমীয়া ভাষাৰ পৃষ্ঠপোষক আছিল। সেই সভাতে জিতেন্দ্ৰনাথ দাস আজীৱন সভ্য হয়।

বিষয় নিৰ্বাচনী সভাত গৃহীত নিয়মাৱলীখন এনে ধৰণৰ—

**আসাম সাহিত্য সভাৰ নিয়মাৱলী**

(ক) নাম ঃ (১) আসাম সাহিত্য সভা

(খ) উদ্দেশ্য ঃ (২) অসমীয়া ভাষা আৰু সাহিত্যৰ সৰ্বাংগীন উন্নতি কৰাই এই সভাৰ উদ্দেশ্য।

২০. *গোহাঞিবৰুৱাৰ দুটা শব্দ বৰ প্ৰিয় আছিল— তেখেতে 'অনতি বিলম্বে' শব্দৰ ঠাইত 'অনতি পলমে' শব্দটো ব্যৱহাৰ কৰি ভাল পাইছিল। এবাৰ হেনো তেখেতে বেজবৰুৱালৈ চিঠি লিখোঁতে এই শব্দটো ব্যৱহাৰ কৰি তলত আঁচ পাৰি চকুত পৰাকৈ দিছিল। উত্তৰ পত্ৰত সেই শব্দটো বেজবৰুৱাই ব্যৱহাৰ কৰা দেখি গোহাঞি বৰুৱাই বৰ আনন্দ পালে। এই কথাটো আনৰ আগত এনেকৈ কৈছিল—'ত'লৈও শব্দটো লিখিছিলোঁ 'ত'-ৰ পৰাও লিখিছে।" গোহাঞি বৰুৱাই 'সদৌ' শব্দটো ব্যৱহাৰ কৰি বৰ ভাল পাইছিল। যেনে নুমলীয়া শব্দৰ ঠাই 'সদৌ সেহতীয়া বংশধৰ', 'সদৌ শেহত', 'সদৌ বন কাতি কৈ থৈ', সদৌ বুলি সদৌ অসম সাহিত্য সন্মিলন ইত্যাদি। (মহেশ্বৰ নেওগ ৰচনাৱলী, পৃ, ১০০১-১০০২, ১৯৯৬)*

* *আসাম অসমৰ বিতৰ্কৰ এটা বৃহৎ নথি-পত্ৰৰ ফাইল সভাত সংৰক্ষণ হৈ আছে।*

২১. *শৰ্মা বেণুধৰ, দুণৰি, পৃ. ৩৯, ১৯৬৩*



(৩) ৰাজনৈতিক বিষয়ত এই সভাই হাত নিদিয়ে।

(৪) অসমীয়া সাহিত্যৰ উন্নতিৰ অৰ্থে সভাই তলত দিয়ামতে বিশেষ কাৰ্য কৰিবলৈ যত্নপৰ হ'ব—

(ক) অভিধান আৰু ব্যাকৰণৰ সংস্কাৰ

(খ) প্ৰাচীন সাহিত্যৰ অনুসন্ধান

(গ) আমাৰ সাহিত্যত যি যি বিষয়ৰ পুথিৰ অভাৱ সেই সেই বিষয়ত পুথি লিখাৰ চেষ্টা।

(ঘ) অৱস্থাহীন সাহিত্যিকৰ সদগ্ৰন্থ প্ৰকাশ।

(ঙ) নিভাঁজ পুৰণি অসমীয়া সুৰৰ ৰেকৰ্ড (গ্ৰামোফ'ন) প্ৰস্তুত।

(চ) সংগীত আৰু চিত্ৰবিদ্যা শিক্ষাৰ অৰ্থে বৃত্তি দান।

(ছ) সভাৰ মুখপত্ৰ এখন প্ৰকাশ।

(জ) সাহিত্য উন্নতি অৰ্থে আন কোনো প্ৰকাৰ যত্ন।

ইয়াৰ লগতে সভাৰ গঠন, শাখা সভা, স্বীকৃত সভা, বাৰ্ষিক সাহিত্য সন্মিলন, অভ্যৰ্থনা সমিতি, বিষয়বাছনী সভা, সন্মিলনৰ সভাপতি, সন্মিলনৰ কাৰণে প্ৰবন্ধ টকা-কড়ি, নিয়ম পৰিৱৰ্তন আদি ছেদো অন্তৰ্ভুক্ত হয়। এই সভাৰ প্ৰতিবেদন পৰিশিষ্টত অন্তৰ্ভুক্ত কৰা হৈছে।

**কাৰ্যনিৰ্বাহক সভাৰ সদস্যসকল ঃ**

| | |
|---|---|
| সভাপতি | ঃ পদ্মনাথ গোহাঞিবৰুৱা |
| সম্পাদক | ঃ শৰৎচন্দ্ৰ গোস্বামী |
| সহকাৰী সম্পাদক | ঃ দেৱেশ্বৰ শৰ্মা |

**সদস্য ঃ**

| | |
|---|---|
| মংগলদৈ | ঃ তাৰানাথ চক্ৰৱৰ্তী, ৰমনীকান্ত বৰুৱা |
| তেজপুৰ | ঃ সভাৰ সভাপতি আৰু মহাদেৱ শৰ্মা |
| লক্ষীমপুৰ | ঃ ৰোহিতাশ্ব দাস, ডম্বৰুধৰ গগৈ |
| শদিয়া | ঃ মেদেলোৰাম দাস, গিৰীশ চন্দ্ৰ চৌধুৰী |
| ডিব্ৰুগড় | ঃ হৰিকৃষ্ণ দাস, নীলমণি ফুকন, মৌঃ মফিজুদ্দিন আহমদ হাজৰিকা। |
| শিৱসাগৰ | ঃ গুঞ্জানন বৰুৱা, লক্ষ্মীকান্ত বৰুৱা, সিদ্ধেশ্বৰ গোহাঁই |
| যোৰহাট | ঃ দেৱেশ্বৰ চলিহা, কুলধৰ চলিহা, ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, পূৰ্ণানন্দ শৰ্মা, মৌঃ জেহিৰুদ্দিন আহমদ |
| গোলাঘাট | ঃ শ্ৰীনাথ বেজবৰুৱা, কালিৰাম দত্ত |
| কহিমা | ঃ চন্দ্ৰকুমাৰ বৰা, সীতানাথ বৰবৰা |
| নগাঁও | ঃ ৰত্নকান্ত বৰকাকতী, মোছলেহউদ্দিন আহমদ |
| ছিলং | ঃ কমলাকান্ত বৰুৱা, সিংহদত্ত গোস্বামী |
| গুৱাহাটী | ঃ সত্যনাথ বৰা, চন্দ্ৰনাথ শৰ্মা, আজিজুৰ ৰহমান |

বৰপেটা ঃ কমলাকান্ত দাস, অম্বিকাগিৰী ৰায়চৌধুৰী
গোৱালপাৰা ঃ কমলেশ্বৰ নাথ, দুৰ্গেশ্বৰ শৰ্মা, চফিয়ৰ ৰহমান
ধুবুৰী ঃ অমৃতভূষণ অধিকাৰী, প্ৰমথনাথ চক্ৰৱৰ্তী, কীৰ্তিনাথ বৰদলৈ
প্ৰবাসী ঃ লক্ষ্মীনাথ বেজবৰুৱা, লোহিতচন্দ্ৰ ভূঞা, ৰাধানাথ ফুকন

এই সভাতে দহখন শাখা সভা আৰু দুখন স্বীকৃত সভাৰ পঞ্জীৱদ্ধ কৰা হয়, ২৫/৪/১৯১৮ তাৰিখৰ কাৰ্য-নিৰ্বাহক সভাত দহখন শাখাক স্বীকৃতি দিয়ে। যোৰহাট সাহিত্য সভাক ২৫/৪/১৮ তাৰিখে স্বীকৃতি দিয়ে সম্পাদক- দেৰেশ্বৰ চলিহা। বছৰেকীয়া বৰঙণি ১০.০০ টকা, স্বীকৃত সভা- গুৱাহাটী অ.ভা.উ.স. সভা, ৮/৬/১৮ সম্পাদক জলতিৰাম ভূঞা লহকৰ, বৰঙণি ১০.০০ সম্পাদক লক্ষ্মীকান্ত বৰুৱা, গোৰীপুৰ সাহিত্য সভা ২৬/৯/১৮, সম্পাদক পীতাম্বৰ চক্ৰৱৰ্তী, বৰঙণি ১০.০০ টকা, নলবাৰী সাহিত্য সভা, সম্পাদক শ্ৰীকান্ত ভট্টাচাৰ্য, ২৩/৯/১৮, বৰঙণি ১০.০০ টকা, নগাঁও সাহিত্য সভা, ১৩/৯/১৮, সম্পাদক ৰামেশ্বৰ বৰুৱা, বৰঙণি ১০.০০ টকা, উত্তৰ লক্ষীমপুৰ সাহিত্য সভা, সম্পাদক মৌঃ মহম্মদ চাদিৰ হুছেইন, বৰঙণি ১০.০০ টকা।

কুলধৰ চলিহাই সভাৰ সভাপতি, অভ্যৰ্থনা সমিতি, প্ৰতিনিধিকে মুখ্য কৰি সকলোলৈকে শলাগ জ্ঞাপন কৰে। ইয়াৰ পিচত পদ্মধৰ চলিহাই ৰচনা কৰা এটা গীতেৰে সভাৰ সামৰণি মাৰে।

অধিৱেশন উপলক্ষে ২৭ ডিচেম্বৰ তাৰিখে ৰাতি পদ্মনাথ গোহাঞি বৰুৱাৰ ৰচিত "জয়মতী" নাটকখন অভিনয় কৰা হয়। গদাপাণিৰ ভাৰত ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, জয়মতীৰ ভাৰত পদ্মধৰ চলিহা, জিনুৰ ভাৰত লোকনাথ শৰ্মাই লেচাইৰ ভাৰত পাৰ্বতিপ্ৰসাদ বৰুৱাই অভিনয় কৰে। ইয়াৰ উপৰি তাৰিণীপ্ৰসাদ বৰুৱা, বংশীভূষণ বৰুৱা, ৰত্নধৰ কাকতী, কালীকুমাৰ বৰুৱা, ৰামদেৱ গোস্বামী, কুমুদেশ্বৰ বৰঠাকুৰ আদি ৰংপুৰৰ নাট্য সমাজৰ শিল্পীসকলেও যোগ দিয়ে। মঞ্চত ব্যৱহাৰ কৰা আঁৰ কাপোৰ কলিকতাৰ পৰা আঁকাই অনা হৈছিল। সৰহকৈ মমবাতি আৰু ডাঙৰ ডাঙৰ লেম্পেৰে পোহৰৰ ব্যৱস্থা কৰা হৈছিল। অভিনয় বৰ উচ্চস্তৰৰ বুলি দৰ্শকে ভূয়সী প্ৰশংসা কৰিছিল[২২]। এই অনুষ্ঠানেৰে দুদিনীয়া কাৰ্যসূচীৰ সামৰণি পৰে।

**ৰংপুৰ ৰংপুৰ ৰংৰসে ভৰপূৰ**

ভাষা জননীৰ বেদীত অসম সাহিত্য সভাৰ প্ৰথম অৰ্ঘ্য নিৱেদনৰ বাবে শিৱসাগৰীয়া ৰাইজৰ গা সাতখন আঠখন হ'ল। শিৱসাগৰৰ ৰাইজৰ উৎসাহ-উদ্দীপনাই অভ্যৰ্থনা সমিতিক দিলে গভীৰ প্ৰেৰণা। এই প্ৰেৰণাৰে উদ্বুদ্ধ হৈ ৰংপুৰীয়া ৰাইজে চলোৱা প্ৰচাৰে শদিয়াৰ পৰা ধুবুৰীলৈকে সকলোৰে হৃদয়-মন আলোড়িত কৰিলে। দুখীয়া অসমীয়া ভাষাৰ ৰঞ্জিত মূৰ্তি দেখুৱাবলৈ যেয়ে যি পাৰে ৰচনা, প্ৰবন্ধৰ টোপোলা লৈ ৰংপুৰ নগৰলৈ আহিল। যাতায়তৰ সুচল নথকাৰ বাধা নেওচি ৰাইজ ৰংপুৰত গোট খালে। প্ৰতিনিধিৰ উপৰি ডিব্ৰুগড়, যোৰহাট, নগাঁও, গুৱাহাটী, তেজপুৰ, গোৱালপাৰা আদি ঠাইৰ পৰা প্ৰতিনিধি আৰু সাহিত্যানুৰাগী আহি ৰংপুৰক সুধৰ্মা সভালৈ ৰূপান্তৰ কৰিলে। সেই সময়ত সভাত প্ৰায় ৮০০ মানুহৰ সমাগম হৈছিল। সভাত

২২. বৰুৱা দক্ষিণাকান্ত, পূৰ্বোক্ত, পৃ. ২৫



সমৱেত হোৱা কেইজনমান উল্লেখযোগ্য পুৰুষ হ'ল— সত্যনাথ বৰা, বিপিন বিহাৰী বৰা, অম্বিকাগিৰী ৰায়চৌধুৰী, দুৰ্গেশ্বৰ শৰ্মা, ৰাধানাথ ফুকন, মফিজুদ্দিন আহমদ হাজৰিকা, ঘনশ্যাম বৰুৱা, চন্দ্ৰধৰ বৰুৱা, শৰৎচন্দ্ৰ গোস্বামী, অমৃতভূষণ অধিকাৰী, গংগাগোবিন্দ ফুকন, ফণীধৰ চলিহা, ৰত্নেশ্বৰ বৰুৱা, অক্ষয় কুমাৰ ঘোষ, তুলসীৰাম বৰুৱা, তীৰ্থেশ্বৰ নাওবৈচা ফুকন, জগন্নাথ বেজবৰুৱা, গুঞ্জানন বৰুৱা, ৰাধিকানাথ শৰ্মা আদি।

অধিৱেশনত যোগ দিবলৈ অহা লোকসকলৰ সাজ-পাৰৰ বিষয়ে শৰৎচন্দ্ৰ গোস্বামীয়ে কৈছে— *"গণ্যমান্য ইংৰাজী জনা লোক মাত্ৰেই ক'লা গৰম কাপোৰৰ কোট পেণ্টলুন বা চোগা চাপকন পিন্ধিছিল। বিশেষ ফেচন কৰিব খোজা বা চাহাব যেন গোন্ধোৱা কেইজনে পুৰা ইংৰাজী পোছাক পিন্ধিছিল। ইবিলাক মানুহে পাৰ্যমানে মুগা আৰু পাটৰ ছাপকন পিন্ধি গৈছিল। যিমানদূৰ মনত পৰে মই জনা মানুহৰ ভিতৰত কেৱল দাদাইহে সাধাৰণ ধুতি-চোলা পাগুৰী পিন্ধি সন্মিলনলৈ গৈছিল।*[২৩] *... তেতিয়াৰ দিনৰ ভদ্ৰতাৰ চিন কোট পেণ্টলুন, সভা-সমিতিৰ পোছাকো তেনে। মই এযোৰ ক'লা কোট-পেণ্ট পিন্ধি গৈছিলোঁ।"*[২৪] সভা পৰিচালনাৰ বাবে টকা-কড়ি সম্পৰ্কে আলোচনা হয়। সেই সভাতে ডাঃ হৰিকৃষ্ণ দাসে দহ টকা সভাৰ পুঁজিলৈ আগবঢ়ায়। অসম সাহিত্য সভাৰ পুঁজিলৈ হৃষ্টচিত্তে দিয়া প্ৰথম দান।[২৫]

**কাৰ্যনিৰ্বাহক সমিতিৰ প্ৰথম অধিৱেশন ঃ**

**২০-২-১৯১৮, সন্ধ্যা ঃ ৭-৩০ বজা**

**ঠাই ঃ কুলধৰ চলিহাৰ ঘৰ**

**উপস্থিত ঃ** কুলধৰ চলিহা, দেৰেশ্বৰ চলিহা, ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, পূৰ্ণানন্দ শৰ্মা (by proxy) সম্পাদক আৰু সহকাৰী সম্পাদক।

**প্ৰস্তাৱ ঃ**

১. আসাম সাহিত্য সভাৰ নিয়মাৱলী আৰু শিৱসাগৰত বহা অধিৱেশনৰ কাৰ্যবিৱৰণি ছপা কৰিবলৈ আৰু ছপাৰ খৰচ সভাৰ পৰা নিৰ্বাহ কৰিবলৈ সম্পাদকক ক্ষমতা দিয়া হয় (গৃহীত)।

২. সভাৰ সম্বন্ধে পোৱা টকা স্বীকাৰ কৰিবৰ নিমিত্তে ১,০০০ (এক হাজাৰ) ৰছিদ ছপা কৰিবলৈ আৰু ছপাৰ খৰচ সভাৰ পৰা নিৰ্বাহ কৰিবলৈ সম্পাদকক ক্ষমতা দিয়া হ'ল।

৩. ৰেভাৰেণ্ড এছ অ' ডি বগছ আৰু ৰেভাৰেণ্ড টি,এইছ টিলদেন চাহাবক এই সভাৰ সভ্য কৰি লোৱা হওক। (গৃহীত)

**প্ৰস্তাৱক ঃ** ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, সমৰ্থক দেৰেশ্বৰ চলিহা।

২৩. পণ্ডিত প্ৰতাপচন্দ্ৰ গোস্বামী
২৪. শৰৎচন্দ্ৰ গোস্বামী ৰচনাৱলী, পৃ. ১৫৫
২৫. পূৰ্বোক্ত পৃ. ১৫৫-১৫৬

# সাহিত্যকাণ্ডাৰী পদ্মনাথ গোহাঞিবৰুৱা

## (১৮৭১-১৯৪৬)

অসমীয়া ভাষা-সংস্কৃতিৰ বৰগছজোপাত বৰবাহ সাজিব খোজা ক্ষুদ্ৰ ক্ষুদ্ৰ চটক-টিপচিৰ ভিতৰত বিয়াগোম 'পক্ষীকেন্দ্ৰিক' ব্যক্তিজনেই সাহিত্যকাণ্ডাৰী পদ্মনাথ বৰগোহাঞি। গোহাঁই শব্দটোক ঞি কৰা পদ্মনাথৰ অপূৰ্ব নিৰ্মাণক্ষম প্ৰজ্ঞাৰে ব্যৱহাৰ শব্দ আৰু শৈলীৰ কথাই মনত পৰে। সদৌ শব্দৰ প্ৰতি আকৰ্ষিত হোৱা পদ্মনাথে সদৌজন, সদৌবন, সদৌটি, আঁচিয়া, গদী দুৱলীয়া (Lieutenant), তৰ্কালোচনা, অনতি পলমে ছাত্ৰাধ্যা, ৰাইজীয়া আদি অনেক শব্দ লুৰুকী অসমীয়া ভাষাত থাপিলে। গোহাঞিবৰুৱাৰ জন্ম শতবৰ্ষ (১৯৭১)-ত পণ্ডিত তীৰ্থনাথ শৰ্মাই পোনপ্ৰথমবাৰৰ বাবে গোহাঞিবৰুৱাৰ নামৰ আগত সাহিত্যকাণ্ডাৰী বাটচ'ৰা এটিও সজাই পৰাই দিলে।

গোহাঞি বৰুৱাৰ জন্ম উত্তৰ লক্ষীমপুৰৰ নকাৰি গাঁৱত ১৭৯৩ শকৰ আঘোণ মাহৰ ৯ তাৰিখে ১৮৯০ চনত প্ৰৱেশিকা পাছ কৰি কলিকতাত এফ এ আৰু ওকালতি পঢ়া গোহাঞিবৰুৱাই তেতিয়াৰ পৰাই তদগদচিত্তেৰে সাহিত্য সেৱাত মনোনিৱেশ কৰে। পোন প্ৰথম সাহিত্যিক পেন্সনাৰ গোহাঞি বৰুৱা অলেখ লেখা বাঁহী, আলোচনী, আৱাহন, মিলন, বৰদৈচিলা, জয়ন্তী আদিত প্ৰকাশ পাইছিল। দ্বিতীয় বছৰ তৃতীয় সংখ্যাৰ পৰা 'বিজুলী'ৰ সম্পাদক আৰু ঊষা (১৯০৭-১২) সম্পাদনা কৰিছিল। তদুপৰি "আসামবন্তি" (পিচত অসম বন্তি আৰু শেষত বন্তি সাদিনীয়া বাতৰি কাকত)- ৰো তেখেত সম্পাদক আছিল। "ছাত্ৰ অৱস্থাত ল'ৰা-ছোৱালীয়ে বেজবৰুৱাৰ নাম বৰকৈ শুনা নাছিল, পদ্ম বৰুৱাক হ'লে প্ৰায় সকলোৱেই জানিছিল।"[২৬] ইয়াৰ কাৰণ হ'ল ঊনবিংশ শতিকাৰ শেষ দশকৰ বিংশ শতিকাৰ তৃতীয় দশক মানলৈকে গোহাঞিবৰুৱাৰ পাঠ্যপুথি স্কুলত চলিছিল। *ভানুমতী* (১৮৯১), *লাহৰী* (১৮৯২), *উপন্যাস, জয়মতী* (১৯০০), *গদাধৰ* (১৯০৭), *সাধনী* (১৯১১), *লাচিত বৰফুকন* (১৯১৫), *বানৰজা* (১৯৩২) আদি নাটক, *গাঁওবুঢ়া* (১৮৯৭), *টেটোন তামুলী* (১৯০৯), ভূত *নে ভ্ৰম* (১৯২৪) আদি প্ৰহসন, *জুৰণি* (১৯০০),

২৬. *শৰ্মা বেণুধৰ, অৰ্ঘ্যাৱলী, পৃ. ৪২, ১৯৭০*



*লীলাকাব্য* (১৯০১), *ফুলৰ চানেকি* (১৯৪১), কবিতা পুথি, *জীৱনী সংগ্ৰহ* (১৯১৫) আদি দুকুৰিতকৈও অধিক গ্ৰন্থৰ প্ৰণেতা গোহাঞিবৰুৱাই অসম ছাত্ৰ সন্মিলন (১৯১৮ ডিব্ৰুগড়) আৰু অসম এছোচিয়েছনৰো (১৯১৯) সভাপতি হৈছিল। সদৌ অসম আহোম এছোচিয়েছন (৫ আৰু ৬ এপ্ৰিল, ১৯৪১)ৰ সভাপতিৰ আসনো অলংকৃত কৰিছিল। কমিছনাৰ পি আৰ টি গৰ্ডন চাহাবে কৈছিল— *Hemchandra (Goswami) is very intelligent and Padmanath (Gohain Barooah) is too clever.* বেণুধৰ শৰ্মাই কৈছে— *"গোহাঞিবৰুৱাৰ একনিষ্ঠতাই অসমীয়া সাহিত্যৰ ভঁৰাল যে চহকী কৰিলেই চাম গছৰ দৰে এচাম সাহিত্যিককো সৃষ্টি কৰি গ'ল।"*[২৭] আদ্য, মধ্য আৰু অন্ত্য এই তিনি লীলাত তিনি খণ্ডত ৰচিত *শ্ৰীকৃষ্ণ* (১৯৩০) গোহাঞি বৰুৱাৰ সাহিত্যিক জীৱনৰ কীৰ্তিস্তম্ভ।

অসম সাহিত্য সভাৰ সভাপতিৰ অভিভাষণখনি সাহিত্যৰ উপলব্ধিৰ ফালৰ পৰা এটি নিকা প্ৰবন্ধ হৈছে। অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ এটি চমু আভাসেৰে সমৃদ্ধ হৈ পিচৰ অনেক অভিভাষণৰ চানেকিৰ কাম কৰিছে।[২৮] গোহাঞিবৰুৱাৰ নিকা, প্ৰাণৱন্ত আৰু সাৱলীল ভাষাৰ এখন অপূৰ্ব চানেকি অভিভাষণখন।

**অভিভাষণৰ সুবচন**

*...সাহিত্যই জাতীয়ত্বৰ আচল চিনাকি, সাহিত্যই জাতীয়ত্বৰ প্ৰকৃত জীৱন, সাহিত্যৰ অবিহনে কোনো জাতিৰ অস্তিত্ব টিকিবৰ সম্ভাৱনা নাই। যি জাতিৰ সাহিত্য নাই সেই জাতিৰ ভাষা দোৱান মাথোন।*

***

*ভাষাত অকল শিক্ষিতৰ আধিপত্য নচলে, ই জনসাধাৰণৰহে সম্পত্তি।*

***

*যি জাতিৰ সাহিত্য কোৱা ভাষাৰ পৰা যিমান নিলগ হৈ যায় সেই জাতিৰ জাতীয় জীৱন সিমান ক্ষীণাবলৈ ধৰে আৰু অন্তত কেতিয়াবা তাৰ অস্তিত্বও লোপ পায়গৈ।*

***

*শংকৰীয়া যুগৰ সাহিত্য যেনেকৈ সমাজ বন্ধন আৰু জাতীয় জীৱন সংগঠনত কৃতকাৰ্য হৈছিল বৰ্তমান যুগৰ সাহিত্যই তাৰ এশ ভাগৰ এভাগো কৰিব পৰা নাই। কি কাৰণে কৰিব পৰা নাই সেইটো সাহিত্য সভা আৰু সন্মিলনীৰ আলোচ্য বিষয় হ'ব।*

২৭. *শৰ্মা বেণুধৰ, পূৰ্বোক্ত, পৃ. ৪৯*
২৮. *মহেশ্বৰ নেওগ ৰচনাৱলী, পৃ. ৯৯৮-৯৯৯*



# দ্বিতীয় অধিৱেশন গোৱালপাৰা

## ২৭, ২৮ আৰু ২৯ ডিচেম্বৰ, ১৯১৮

সাহিত্যৰত্ন চন্দ্ৰধৰ বৰুৱাৰ সভাপতিত্বত ১৯১৮ চনৰ ২৭, ২৮ আৰু ২৯ ডিচেম্বৰত তিনিদিনীয়া কাৰ্যসূচীৰে দ্বিতীয় অধিৱেশন বহে গোৱালপাৰাত। অৱশ্যে এই অধিৱেশনৰ বাবে হেমচন্দ্ৰ গোস্বামী নিৰ্বাচিত হৈছিল যদিও দুৰ্ঘটনাত পতিত হোৱাৰ কাৰণে সভাপতিত্ব কৰিবলৈ অপাৰগ হয়। সেয়ে কুলধৰ চলিহা আৰু শৰৎচন্দ্ৰ গোস্বামীয়ে ডেকা চন্দ্ৰধৰ বৰুৱাক সভাপতি হ'বলৈ মান্তি কৰিলে। প্ৰধান সম্পাদক শৰৎচন্দ্ৰ গোস্বামীয়ে ৰুগীয়া পত্নীক এৰি থৈ গোৱালপাৰালৈ গৈছিল। ইয়াৰ কাৰণ *"ৰাজহুৱা কাম কৰিব লাগিলে নিজৰ ল'ৰা-তিৰোতাই চালে কেনেকৈ হ'ব?"*— বুলি কুলধৰ চলিহাই কৈছিল। চলিহাৰ লগত দুয়ো ৰেলেৰে গুৱাহাটী পাই এৰাতি থাকি জাহাজলৈ বুলি ওলাই আহি দেখিলে যে জাহাজ নাই। গুৱাহাটীত দুৰাতি কটাই তৃতীয় দিনা জাহাজাত উঠি গোৱালপাৰালৈ ৰাওনা হ'ল। সেইখন জাহাজতে চন্দ্ৰধৰ বৰুৱাও আহিছিল।

সেই সময়ত অসম এছোচিয়েছনৰ অধিৱেশন তৰুণৰাম ফুকনৰ সভাপতিত্বত গোৱালপাৰাত অনুষ্ঠিত হৈছিল। গতিকে জাহাজাত ফুকনৰ উপৰি সাধাৰণ সম্পাদক ঘনশ্যাম বৰুৱাও আহিছিল।

গোৱালপাৰাত গঠিত অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল যতীন্দ্ৰনাথ চৌধুৰী। উপদেষ্টা আছিল দুৰ্গেশ্বৰ শৰ্মা আৰু কালিৰাম মেধি। দ্বিতীয় অধিৱেশন মহা সমাৰোহেৰে সম্পন্ন হ'ল। অসম এছোচিয়েছনৰ সভা মণ্ডপত সভা হৈছিল। সভাত প্ৰতিনিধিয়ে এশৰ ঘৰ চুইছিল। অসম এছোচিয়েছনৰ সভাপতি তৰুণৰাম ফুকনৰ উপৰি এছচিয়েছনৰ ভালেসংখ্যক লোক উপস্থিত আছিল। গোৱালপৰীয়া ৰাইজে অতি আন্তৰিকতাৰে অতিথিসকলক আপ্যায়ন কৰিছিল। অসম সাহিত্য সভাৰ এই অধিৱেশনে সমন্বয়ৰ ইতিহাস ৰচিছিল। গোৱালপাৰাৰ ধৰ্মনাৰায়ণ ঘোষ, বিপিনচন্দ্ৰ ঘোষ, কমলেশ্বৰ নাথ, সভাৰাম চৌধুৰী আদি গণ্যমান্য ব্যক্তিয়ে সভাৰ লগত মধুৰ সম্পৰ্ক স্থাপন কৰিছিল। যতীন্দ্ৰনাৰায়ণ চৌধুৰীয়ে আদৰণী ভাষণ পাঠ কৰিছিল অসমীয়াত। সেই সময়ত গোৱালপাৰাত বঙলা ভাষাই ঘাই ঠাই লাভ কৰিছিল। সেই সভাত অসমীয়াই ভাষণ পাঠ অভাৱনীয় বুলি বিবেচিত হৈছিল। সেই বছৰত এঘাৰখন শাখা সভাই স্বীকৃতি লাভ কৰে। অসম সাহিত্য সভাৰ প্ৰথম শাখা যোৰহাট সাহিত্য সভাই ১৫/৪/১৮ তাৰিখে স্বীকৃতি লাভ কৰে। সেই বছৰত গুৱাহাটী অ.ভা.উ.সা.সভা, উত্তৰ লক্ষীমপুৰ সাহিত্য সভা, নাজিৰা সাহিত্য সভা, নলবাৰী সাহিত্য সভা, শিৱসাগৰ সাহিত্য সভা, গৌৰীপুৰ সাহিত্য সভা, গোলাঘাট সাহিত্য সভা আৰু মংগলদৈ সাহিত্য সভাই স্বীকৃতি লাভ কৰে। শিৱসাগৰৰ বিমলালয় সভা আৰু ডিব্ৰুগড় সাহিত্য সভা স্বীকৃত সভাৰূপে অনুমোদিত হয়। ১৯১৭-১৮ চনত সভাৰ মুঠ শাখাৰ সংখ্যা এঘাৰখন হয়।



সেই চনৰ সভা পুঁজি উদং। সভাৰ মুঠ আয় ১৬২ টকা ২ অনা ৬ পাই, খৰচ হৈছিল ১০৬ টকা ৩ পাই। সেই সভাত গোহাঞিবৰুৱা উপস্থিত আছিল। সেই সভাত ২২৪২ টকা প্ৰতিশ্ৰুতি আৰু তাৰে ৬৪৭ টকা নগদ আদায় হয়। প্ৰস্তাৱক পদ্মনাথ গোহাঞি বৰুৱাই ১০০ টকা আৰু সমৰ্থক কুলধৰ চলিহাই ৫০ টকা আগবঢ়ায়। শিৱসাগৰ অধিৱেশনৰ সভাপতি পদ্মনাথ গোহাঞি বৰুৱা এই সভাতে প্ৰধান সম্পাদক নিযুক্ত হয়।

আলোচনামৰ্মে সভাৰ কাৰ্যালয় তেজপুৰত হ'ব, আৰু এখন অৱৰক্ষণ সমিতিও গঠন হয়। সেই সমিতিৰ বাবে মহাদেৱ শৰ্মাই প্ৰস্তাৱ কৰে আৰু দণ্ডিনাথ কলিতাই সমৰ্থন কৰে। সমিতিৰ সদস্য হ'ল দণ্ডিনাথ কলিতা, চন্দ্ৰধৰ বৰুৱা আৰু কুলধৰ চলিহা, শৰৎচন্দ্ৰ গোস্বামী সম্পাদক হ'ল। সভাত সংগৃহীত নগদ ধন লৈ শৰৎচন্দ্ৰ গোস্বামী যোৰহাট থিয়েটাৰক শতকৰা ১২ টকা সুতত ধাৰলৈ দিয়ে। ১২৩ টকা যোৰহাটৰ প্ৰভাত কোম্পানীক (পিচত এয়ে দাস এণ্ড কোম্পানী হয়) বছৰি ১২ টকা সুতত ৰখা হয়। আৰু লেখন সামগ্ৰী বিনামূলীয়াকৈ দিবলৈও ৰাজী হ'ল। অৱৰক্ষণ সমিতিৰ বাবে নিয়মাৱলী এখন যুগুতাবৰ বাবে আলোচনা হয়।

মাজতে পদ্মনাথ গোহাঞিবৰুৱা অসম সাহিত্য সভাক 'ঘাই সভা' কৰিবলৈ যত্ন কৰিছিল যদিও সফল নহ'ল। এই সভাতে আগৰ বছৰৰ নিয়মাৱলীখনৰ ১৩ টা সংশোধনী গ্ৰহণ কৰা হয়।

শিৱসাগৰৰ প্ৰথম অধিৱেশনত গ্ৰহণ কৰা প্ৰস্তাৱসমূহ ঘাইকৈ সাংগঠনিক দিশৰ আছিল। গোৱালপাৰা অধিৱেশনত দুটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰে—

১। কটন কলেজত অসমীয়া শিক্ষাদান আৰম্ভ হোৱাত এগৰাকী অসমীয়া বিষয়ৰ স্থায়ী অধ্যাপক নিযুক্তি দিবৰ কাৰণে এটা পদ সৃষ্টি কৰিব লাগে।

প্ৰস্তাৱক ঃ যতীন্দ্ৰনাৰায়ণ চৌধুৰী, সমৰ্থক ঃ ৰমাকান্ত বৰকাকতী। অনুমোদক ঃ হৰিপ্ৰসাদ নাথ আৰু প্ৰমথনাথ চক্ৰৱৰ্তী।

এই প্ৰস্তাৱ অনুসৰি অসমৰ পঢ়াশালিৰ পাঠ্য কিতাপ বাছনি সমিতি সভাৰ এজন প্ৰতিনিধি অন্তৰ্ভুক্ত কৰিবলৈ চৰকাৰৰ দাবী জনায়।

প্ৰস্তাৱ প্ৰসংগত মহেশ্বৰ নেওগে কৈছে —*'The Government of Assam turned down the request saying that "the Government do not favour the conversion of the part time lectureship in Assamese in the Cotton College to a whole time prafessorship. The question is engage farther consideration when University arragement are being revised"*

দ্বিতীয় প্ৰস্তাৱ সম্পৰ্কে নেওগে উদ্ধৃতি দি কৈছে—"but the Government did not comply"[২৯] এই অধিৱেশনৰ গঠিত কাৰ্যনিৰ্বাহক সমিতিয়ে মাহে ২০ টকা বেতনত অক্টোবৰ, নৱেম্বৰ আৰু ডিচেম্বৰ মাহৰ কাৰণে এজন কাৰ্যালয় সহায়ক নিয়োগৰ বাবে অনুমোদন জনায়। ১৮/২/১৯ তাৰিখৰ কাৰ্যনিৰ্বাহক সভাই মাহে ১০ টকা বেতনত এজন স্থায়ী কাৰ্যালয় সহায়ক নিযুক্তিত অনুমোদন জনায়।

গোৱালপাৰা অধিৱেশনত সভাৰ এখন পত্ৰিকা প্ৰকাশৰ বাবে আলোচনা হৈছিল যদিও সিদ্ধান্ত নহ'ল।

২৯. *Annals of Asam Sahitya Sabha, P 9 (quoted from Govt. of Assam, memo no 3919, dated 6 October 1921)*

# চন্দ্ৰধৰ বৰুৱা

## জন্ম ঃ ১৫ অক্টোবৰ ১৮৭৪, মৃত্যু ঃ ২৬ অক্টোবৰ, ১৯৬১

চন্দ্ৰধৰ বৰুৱাৰ জন্ম যোৰহাটত, কলিকতাৰ মেট্ৰোপলিটান ইনষ্টিটিউছনৰ পৰা এফ এ মহালাত উঠি চেণ্ট জেভিয়াৰ্ছ কলেজত বি এ পঢ়ে। পিতৃ বিয়োগৰ বাবে ১৮৯৬ চনত যোৰহাটমুখী হয়। ১৯০০ চনত আইনৰ পৰীক্ষা দি ওকালতি কৰে। ইয়াৰ পিচত চাহ খেতিত মন দিয়ে। অসম এছোচিয়েছন আৰু সৰ্বজানিক সভাৰো তেওঁ সক্ৰিয় কৰ্মী আছিল। পিচলৈ প্ৰাদেশিক ব্যৱস্থাপক সভা কাউন্সিল অব ষ্টেটৰ সদস্য হয়। ইউৰোপৰ ঘূৰ্ণীয়া মেজমেলত দুবাৰকৈ প্ৰতিনিধি হৈ বিলাতলৈ যায়।

বৰুৱা কবি, নাট্যকাৰ, গীতিকাৰ আৰু প্ৰবন্ধকাৰ *মেঘনাদ বধ* (১৯০৪), *তিলোত্তমা সম্ভৱ* (১৯২৬), *আহোম সন্ধ্যা* (১৯৩৬), *মোগল বিজয়* (১৯৩৬), *ৰাজৰ্ষি* (১৯৩৭) *পুনৰ্জন্ম* (১৯৩৭) নাটক। *ভাগ্য পৰীক্ষা* (১৯১১), *বিয়াবিলৈ* (১৯২৯), *প্ৰহসন*। খণ্ড কবিতাৰ পুথি *ৰঞ্জন* (১৯২৭)। *বিদ্যুৎবিকাশ* আৰু *কামৰূপ জীয়াৰী* (১৯৩৮), কাব্য, *মুক্তাৱলী* (১৯৪৬), নীতিমূলক কবিতা। *বিলাতৰ কথা* (১৯৩২), *জিৱণিৰ চিন্তা* (১৯৪৩), প্ৰবন্ধ সংকলন। *শান্তি* (১৯৪৩), একমাত্ৰ উপন্যাস। *ৰত্নকোষ* (প্ৰথম খণ্ড ১৯৬২, দ্বিতীয় খণ্ড ১৯৯৮), অসমীয়া সাহিত্যৰ চন্দ্ৰকোষ। *নতুন পাঠমালা* (১৯৩২), *উজু সাহিত্য* (১৯৪২) পাঠ্যপুথি। অসম সাহিত্য সভা পত্ৰিকাৰ প্ৰথমগৰাকী সম্পাদক, সভাৰ প্ৰধান সম্পাদক (১৯৩৪-৩৬), অ.ভা.উ.সা. সভাৰ সহকাৰী সম্পাদক (১৮৯৩-৯৫)। অসম সাহিত্য সভাৰ প্ৰথম সংগীত সন্মিলন (১৯২৫)ৰ সভাপতি আছিল। কামৰূপ সঞ্জীৱনী সভাই ১৯২৯ চনত, সাহিত্যৰত্ন, উপাধিৰে সন্মান জনায়।

### অভিভাষণৰ সুবচন

*লেখা-পঢ়া জনা মানুহৰ সংখ্যা নেবাঢ়িলে সাহিত্যানুৰাগীৰ সংখ্যা বাঢ়িব নোৱাৰে আৰু সাহিত্যানুৰাগীৰ সংখ্যা নেবাঢ়িলে দেশত ওখ খাপৰ গ্ৰন্থৰ সংখ্যাও নাবাঢ়ে।*

*আধুনিক অসমীয়া সাহিত্যৰ ভঁৰালত, পৃথিৱীৰ সকলো সাহিত্যতে আদৃত হ'বৰ উপযুক্ত কিছুমান ৰত্ন ওলাইছে বুলিলে একো অত্যুক্তি কৰা নহ'ব।*

*যি শিক্ষাই স্বভাৱটো ঘহি-পিহি নিমজ কৰি দিয়ে, মানুহৰ চকু গজাই দিয়ে, মনত উদ্ধাৰ আৰু বুদ্ধিক প্ৰখৰ কৰি দিয়ে আৰু কাৰ্যক্ষমতা আৰু যোগ্যতা বৃদ্ধি কৰি মানুহক সমাজৰ নিমিত্তে লাগতিয়াল কৰি তোলে, মই তাকেহে শিক্ষা বুলিছোঁ।*

*স্ত্ৰী জাতিক প্ৰকৃত শিক্ষাৰ পৰা বঞ্চিত কৰি ৰাখিলে কোনো দেশতে কোনো সমাজতে কেতিয়াও উন্নতি নহয়।*

*প্ৰকৃত উন্নতি হ'বলৈ হ'লে এই হাকিম, উকীল আৰু কেৰাণীসকলৰ উপৰি কৃষি, বাণিজ্য আৰু বিবিধ শিল্পত সম্পূৰ্ণ নিপুণ আৰু বিশাৰদ কিছুমান ডেকাৰ প্ৰয়োজন।*◆

# তৃতীয় অধিৱেশন, বৰপেটা

## (২৬, ২৭ ডিচেম্বৰ, ১৯১৯)

বৰপেটাৰ নখন্দা নৈৰ পাৰত মথুৰাপুৰীক্ষেত্ৰত সুসজ্জিত সভা মণ্ডপত এই সভা অনুষ্ঠিত হৈছিল। বৰপেটাৰ কীৰ্তন ঘৰৰ ডাঙৰ ডাঙৰ চন্দ্ৰাতপেৰে সভাঘৰ সজোৱা হৈছিল। অতিথি থাকিবৰ বাবে বৰপেটাৰ হাটীৰ ডেকাসকলে নখন্দা নৈৰ পাৰত চালিঘৰ সাজি দিছিল। তামোল-পাণৰ শৰাই আগবঢ়াই অভ্যৰ্থনা সমিতিয়ে ৰাইজৰ ভৰসা কৰি সেৱা ধৰিছিল। বৰপেটাৰ এই অধিৱেশনত কোনো শ্ৰমিকক হাজিৰা দি কাম কৰোৱা হোৱা নাছিল। বহুতে বৰ নাৱতে অতিথি ৰখাৰ ব্যৱস্থা কৰিছিল। সভাপতি হৈছিল কালিৰাম মেধি, মেধি বৰপেটাৰ জোঁৱাই। শহুৰ বলোৰাম দাস। সভাপতিৰ বাহৰ শহুৰৰ ঘৰতে হ'ল। তাৰ পৰা সভা মণ্ডপলৈ এমাইল পথৰ দুয়োকাষে কলপুলি পুতি গায়ন-বায়নেৰে সভাপতিক আদৰি নিছিল। বৰপেটাত নিৰ্মিত আতছবাজীৰে আসাম সাহিত্য সভাৰ নামটো উজ্জ্বলাই তোলা হৈছিল।

সেই সভাত দৰং জিলাৰ পদ্মনাথ গোহাঞি বৰুৱা, ডালিম চন্দ্ৰ বৰা, মহাদেৱ শৰ্মা, দণ্ডিনাথ কলিতা, চন্দ্ৰনাথ শৰ্মা, শিৱসাগৰ, যোৰহাটৰ পৰা দেৱেশ্বৰ শৰ্মা, দেৱেশ্বৰ বৰুৱা, বিষ্ণুপ্ৰসাদ চলিহা, গুৱাহাটীৰ বিষ্ণুৰাম মেধি, যোগেন্দ্ৰনাথ বৰুৱা, বিপিন বিহাৰী বৰা, কালিৰাম দাস, দুৰ্গানাথ বৰুৱা, কামাখ্যাৰাম বৰুৱা, হৰকান্ত গোস্বামী, কামেশ্বৰ চক্ৰৱৰ্তী, সুৰেশ বেনাৰ্জী, প্ৰতাপচন্দ্ৰ গোস্বামী, প্ৰতাপচন্দ্ৰ চৌধুৰী, যোগেশচন্দ্ৰ তামুলী, জ্ঞানদাভিৰাম বৰুৱা, সত্যনাথ বৰা, ৰঘুনাথ চৌধুৰী, গোৱালপাৰাৰ পৰা বীৰনাৰায়ণ দাস, ধৰ্মনাথ ঘোষ, জগবন্ধু চৰকাৰ, শিৱচন্দ্ৰ নাথ, হৰিশচন্দ্ৰ নাথ, বিপিন চন্দ্ৰ ঘোষ, প্ৰমথনাথ চক্ৰৱতী, গৌৰীপুৰৰ পীতাম্বৰ চক্ৰৱৰ্তী, হৰেশ্বৰ দাস, ভগৱানচন্দ্ৰ বৰুৱা, ছিলঙৰ ৰজনীনাথ ঠাকুৰ, সৰ্বেশ্বৰ শৰ্মাকটকী, মণিকান্ত শৰ্মা আদি উপস্থিত আছিল।[৩০]

অধিৱেশনত ৰাইজলৈ জনোৱা আহ্বানৰ প্ৰতি সন্মান জনাই সভাতে ১১৭৬ টকাৰ প্ৰতিশ্ৰুতি আৰু নগদ ৫০০ টকা উঠিছিল। সেই সভাত সত্যনাথ বৰা প্ৰধান সম্পাদক হয়। ঘাই সম্পাদক শব্দ এলাগী হয়। সভাৰ কাৰ্যালয় তেজপুৰৰ পৰা গুৱাহাটীলৈ যায়। অভ্যৰ্থনা সমিতিৰ আয়-


৩০. *অসম সাহিত্য সভাৰ ৰূপলেখা — পৃ. ২৬*

ব্যয় আছিল এনেধৰণৰ। মুঠ অৰ্থ সংগ্ৰহ ২৮৯৮ টকা ১০ অনা ৬ পাই। ৰাহি হৈছিল— ১২৭ টকা ৫ অনা ৯ পাই। খৰচৰ শিতানত দেখা যায়— তেজপাত ১২ অনা, চিলিম ২০ টা ১ অনা, হোকা ১০ টা ১ টকা দহ অনা, চেকনি ৪ খন ৪ অনা।[৩১] ৰাতি বৰপেটাত নিৰ্মিত আতচবাজী ফুটোৱা হৈছিল আৰু অম্বিকাগিৰী ৰায়চৌধুৰীৰ *'জয়দ্ৰথ বধ'*ৰ গীতাভিনয় হৈছিল। অতুলচন্দ্ৰ হাজৰিকাই কৈছে—*"সেই সময়ত তিৰোতা মানুহ ঘৰৰ ভিতৰত আৰু বৰজাপিৰ আঁৰতে আছিল।... কিন্তু বৰপেটাৰ* সেই সভাত এজনী দীপলিপ গাভৰুৱে পুৰুষ দৰ্শকৰ লগত বহিছিল। ... তেওঁ যে সভাত যোগেই দিছিল এনে নহয়, সভাপতিৰ নিষেধ অমান্য কৰি মঞ্চত উঠি এটি দীঘলীয়া বক্তৃতাও দিছিল। সেই সাহসী গাভৰুগৰাকী আছিল চন্দ্ৰপ্ৰভা দাস (শইকীয়ানী)"[৩২]

সভাত কেইবাটাও প্ৰস্তাৱ লোৱা হৈছিল। তাৰ ভিতৰত হেমকোষৰ দ্বিতীয় সংস্কৰণৰ প্ৰকাশ। গ্ৰন্থখনৰ স্বত্ব লৈ যোৰহাট আৰু গুৱাহাটীৰ পৰা পৰিয়ালৰ লগত যোগাযোগ কৰিছিল। ডিব্ৰুগড়ৰ শিৱনাথ ভট্টাচাৰ্যই প্ৰকাশ কৰিবলৈ আগবাঢ়ি আহিছিল যদিও প্ৰকাশ হৈ নুঠিল।

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

৩১. *পূৰ্বোক্ত পৃ. ২৭*
৩২. *পূৰ্বোক্ত পৃ. ২৭*



# কালিৰাম মেধি

ভাষাবিদ আৰু বৈয়াকৰণ কালিৰাম মেধিৰ ১৮৭৮ চনত জন্ম আৰু ২৪ জানুৱাৰি, ১৯৫৪ত নিজ ৰামদিয়া গাঁৱত মৃত্যু হৈছিল। পিতৃৰ নাম ভুকলি মেধি, মাতৃৰ নাম সোণতৰা মেধি। কালিৰাম মেধিৰ চাৰিজন ককাই-ভাইৰ ভিতৰত তেওঁ ডাঙৰ। মেধিৰ এজন ভাতৃ দীননাথ মেধিয়ে সাহিত্য চৰ্চা কৰিছিল। শিশু অৱস্থাৰ পৰা নানা ঘাত-প্ৰতিঘাতৰ মাজেদি শিক্ষা লাভ কৰি ১৯০২ চনত পদাৰ্থ বিজ্ঞানত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা এম এ পাছ কৰে।

১৯০৫ চনত ডেপুটি কলেক্টৰৰূপে চৰকাৰী চাকৰিত যোগ দিয়ে। নিষ্ঠাৰে সেৱা আগবঢ়াই উন্নতিৰ শিখৰত ভৰি দি শেষত ১৯৩৬ চনত জিলাধিপতিৰূপে অৱসৰ গ্ৰহণ কৰে। চাকৰি জীৱনতেই মেধি ডাঙৰীয়াই সাহিত্য চৰ্চাত মন দিয়ে। *আসাম বান্ধৱ, বাঁহী, চেতনা, আলোচনী, আৱাহন, সুৰভি, ৰামধেনু* আদিত নানা বিষয়ক প্ৰবন্ধ প্ৰকাশ পায়। 'কামৰূপ অনুসন্ধান সমিতি'-ৰ মুখপত্ৰত ভালেখিনি ইংৰাজীত লিখা প্ৰবন্ধ প্ৰকাশ পাইছিল। অসমীয়া ভাষাতত্ত্ব বিষয়ক গৱেষণা গ্ৰন্থ *অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব* (১৯৩৬) মেধিৰ যুগমীয়া কীৰ্তি। *প্ৰহ্লাদ চৰিত* (১৯১৩), *অংকাৱলী* (১৯৪৮), —এই দুখন বিজ্ঞানসন্মতভাৱে সম্পাদনা কৰা উল্লেখযোগ্য পুথি। অংকাৱলীত ২১ খন অংকীয়া নাট সন্নিৱিষ্ট হৈছে। মেধিয়ে সংকলন কৰা মহাপুৰুষ *শংকৰদেৱৰ বাণী*-ত বিভিন্ন গ্ৰন্থৰ পৰা সংগ্ৰহ কৰা বাণী আছে। মেধিৰ পাণ্ডিত্যক শ্ৰদ্ধা জনাই কামৰূপ অনুসন্ধান সমিতিয়ে ১৯৪৩ চনত তত্ত্বনিধি বিভূষাৰে বিভূষিত কৰে। তেখেতৰ অক্লান্ত পৰিশ্ৰমৰ ফলতেই সাহিত্যৰথী বেজবৰুৱাৰ মমৰ মূৰ্তি গুৱাহাটীত স্থাপিত হৈছিল। ১৯৫৪ চনৰ জানুৱাৰি মাহৰ ২৪ তাৰিখে তেখেতৰ প্ৰয়াণ হয়।

**অভিভাষণৰ সুবচন ঃ**

*বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰসূত্ৰপাত হ'ল। বিষ্ণু প্ৰেমত দেশ মুগ্ধ হ'ল। হৰি ভক্তি ৰসত লোক নিমগ্ন হ'ল। হৰি নামৰ অমিয় মাধুৰী বাঢ়িল। নৰ মাত্ৰে এক মহীয়সী শক্তিৰ প্ৰভাৱত নাচি উঠিল।*

*ৱাউচৰ্থ, বাৰ্ণচ আদি দুই-এজন কবিয়েহে জনসাধাৰণৰ সুখ-দুখলৈ মন কৰিছিল, ইংলণ্ডৰ পক্ষে কাল্পনিক আদৰ্শ সোণৰ সপোন সাহিত্যত শোভা পাব পাৰে। কিয়নো সি কল-কাৰখানাৰ*

*দেশ, ধনী আৰু ৰাজ্যাধিকাৰীৰ দেশ। কিন্তু আমাৰ নিচিনা কৃষিপ্ৰধান দেশত, দুখীয়া দেশত কাল্পনিক আদৰ্শই মন আকৰ্ষণ কৰিব নোৱাৰে। যাৰ খাবলৈ ভাত, পিন্ধিবলৈ কাপোৰ নাই তাৰ পক্ষে প্লেটৰ ইউটুনিয়াৰ দৰে কাল্পনিকৰ ৰাজ্য আৰু কাল্পনিক আদৰ্শ কিয়?*

*আমি আমাৰ কল্পনাতে বিভোৰ হৈ দৈনন্দিন জীৱনৰ পৰা ক্ৰমশঃ আঁতৰি গৈছোঁ। অকৃত্ৰিম এৰি কৃত্ৰিমলৈ আগবাঢ়িছোঁ আৰু সত্য এৰি মিছাত প্ৰৱৰ্তিব ওলাইছোঁ। আমাৰ নাট আৰু বেছিভাগ উপন্যাসে অসমীয়া জীৱনক স্পৰ্শ কৰিব পৰা নাই।*

*টলষ্টয়ে দৰিদ্ৰ জীৱনৰ কথা, খেতিয়কৰ কথা আৰু সমাজৰ নিম্নস্তৰৰ কথা ৰুচ সাহিত্যত ফুটাই তুলিলে আৰু উচ্চস্তৰৰ পাপময় জীৱনৰ চিত্ৰ সাধাৰণৰ আগত ফট্‌ফটীয়াকৈ দেখুৱালে। সৰ্বসাধাৰণৰ সুখ, দুখ, আশা-ভৰসা, ৰীতি-নীতি আৰু আচাৰ-ব্যৱহাৰ ৰুচ সাহিত্যৰ প্ৰধান আলোচ্য বিষয় হ'ল। ৰুচ সাহিত্যৰ উন্নতিৰ পথত বিদ্যুৎ বেগেৰে ছুটিল।*

*অৰ্জুনে পূজাৰ নিমিত্তে মাকক সুবৰ্ণৰ পদ্ম দিছিল। আমাৰ পূজাত মূল্যৱান ধাতুময় ফুল নালাগে। আমি প্ৰকৃত সুগন্ধি ফুলেৰে পূজা কৰিব পাৰিলে নিজক কৃতাৰ্থ মানিম।*

*কাব্য পৌৰাণিক ইতিহাসৰ জ্বলন্ত চিত্ৰ। তাৰ নায়ক জীৱহীন। কবিয়ে তাক যমপুৰীৰ পৰা আনি ভাবময় ৰাজ্যত বহুৱাই নিজ কল্পনাৰে তাৰ নতুন জীৱন দিয়ে।*

*উপন্যাস জাতীয় চৰিত্ৰৰ আৰ্হি। জাতীয় জীৱনৰ সকলো লক্ষণ ইয়াত চিত্ৰিত আৰু বৰ্ণিত হয়।*

*কবি কল্পনা ৰাজ্যত নিজ ভাবৰ বিভোৰ হয়, স্বৰ্গৰ পৰা মৰ্ত্যলৈ আৰু মৰ্ত্যৰ পৰা স্বৰ্গলৈ চাই ৰয়। চাওঁতে চাওঁতে আপোনাকে পাহৰি যায়।*

*যিমান কবিৰ নাম শুনো সিমান প্ৰকৃত কবি থকা হ'লে যিমান কবিতা দেখোঁ সেইবিলাক প্ৰকৃত কবিতা হোৱা হ'লে অসমীয়া সাহিত্যৰ আজি এনে কঙাল অৱস্থা নাথাকিল হয়।*

*ক'বলৈ গ'লে অসমীয়া বহুত কবিতাত প্ৰকৃত কবিতা নাই।*

*আমাৰ এই সাহিত্য সভাৰ উদ্দেশ্য অসমীয়া ভাষাৰ আৰু অসমীয়া সাহিত্যৰ সৰ্বাংগীন উন্নতি কৰা বা জাতীয় ভাষা আৰু জাতীয় সাহিত্যৰ উন্নতি কৰা।*

*অতীতৰ ভাব চিন্তা আকাংক্ষ্যা আদৰ্শ আৰু ভাষা বিচাৰি উলিয়াব লাগিব আৰু অতীতৰ লগত সামঞ্জস্য ৰাখি গন্তব্য পথত আগুৱাব লাগিব। জাতীয় সাহিত্য জাতিৰ অতীত কাহিনীৰ লগত গাঁথা ফুলৰ মালাৰ অনুৰূপ।*

*নিজৰ প্ৰাণত নিজৰ ভাষা যিমান সোৱাদ লাগে আৰু যিমান হৃদয়গ্ৰাহী হয় আনৰ ভাষা সিমান নহয়।*

*ইংৰাজী Good Morning সুপ্ৰভাত নকৰি নমস্কাৰ কৰিলেহে আমাৰ ভাষাত শুৱলা হ'ব।*

*শব্দত ব্ৰাহ্মণ, শূদ্ৰ বিচাৰিলে বা আৰ্য-অনাৰ্য বাছিলে জাতীয় ভাষা নাথাকে, জাতীয় সাহিত্য নহয়।*

*অসমীয়া সমাজৰ সম্পূৰ্ণ সহানুভূতি পালে এই সভাই অসমীয়া ভাষাৰ আৰু সমাজৰ সৰ্বাংগীন উন্নতি কৰিব পাৰিব বুলি আশা কৰিব পাৰি।*

*আমাৰ সকলোৰে উদ্দেশ্য একে, অভাৱ একে আৰু আশা একে। আমি জাতীয় ভাষা আৰু জাতীয় সাহিত্যৰ উন্নতিৰ ব্ৰতত ব্ৰতী। সাহিত্যিক উন্নতিৰ লগত জাতীয় উন্নতি, সমাজৰ উন্নতি কৃষি-বাণিজ্যৰ উন্নতি আৰু জাতীয় শিল্পৰ উন্নতি বন্ধা।*◆

# চতুৰ্থ অধিৱেশন, তেজপুৰ

## (২৮ আৰু ২৯ ডিচেম্বৰ, ১৯২০)

পুৰাণ প্ৰসিদ্ধ বাণ ৰজাৰ উপাস্য দেৱতা মহাভৈৰৱৰ পীঠস্থান তেজপুৰত ২৮ আৰু ২৯ ডিচেম্বৰ (১৯২০) তাৰিখে অসম সাহিত্য সভাৰ চতুৰ্থ অধিৱেশন অনুষ্ঠিত হৈছিল। কলিকতাৰ কোলাহলৰ মাজৰ 'জোনাকী' পৰুৱা জুই আঙনি কেইটিৰ অন্যতম পোহৰ বিলাওঁতা, দুখী অসমৰ বাইৰণ' পৰমাচাৰ্য পণ্ডিত হেমচন্দ্ৰ গোস্বামী এই অধিৱেশনৰ সভাপতি নিৰ্বাচিত হৈছিল। হেমচন্দ্ৰ গোস্বামীলৈ এই সাতখলপীয়া সিংহাসনখন অসমৰ ৰাইজে তিনিবাৰ আগবঢ়াইছিল। প্ৰথম দুবাৰ তেখেতে সভাপতিৰ এই আসনত বহিব খোজা নাছিল।[৩৩] অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল কৰ্মপ্ৰাণ চন্দ্ৰনাথ শৰ্মা। সেই সন্মিলন অনুষ্ঠিত হৈছিল অসম এছোচিয়েছনৰ সভা মণ্ডপত। সেই সভাতে শৰৎচন্দ্ৰ গোস্বামী প্ৰধান সম্পাদক নিৰ্বাচিত হয়। শৰৎ চন্দ্ৰ গোস্বামী ১৯২৭ চনলৈকে প্ৰধান সম্পাদক নিৰ্বাচিত হৈ আছিল। এই অধিৱেশনত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱা হৈছিল। তাৰ ভিতৰত মহামহোপাধ্যায় ধীৰেশ্বৰাচাৰ্য কবিৰত্নৰ 'বৃত্তমঞ্জৰী' ছপাৰ বাবে দাতা ওলাইছিল যদিও ছপা নহ'ল। বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগে পিচত ছপাই প্ৰকাশ কৰে। সেই অধিৱেশনতে সভাৰ কাৰ্যালয় গুৱাহাটীৰ পৰা যোৰহাটলৈ স্থানান্তৰ হয়। ইতিমধ্যে মহাত্মা গান্ধীৰ নেতৃত্বত হোৱা অসহযোগ আন্দোলনত সমগ্ৰ অসমত তোলপাৰ লাগিল। সাহিত্য পিছ পৰি ৰ'ল। কেৱল নৰ্মাল স্কুলৰ দুই-চাৰিজন ছাত্ৰ লৈ শৰৎচন্দ্ৰ গোস্বামীয়ে সভাখন আপদাল কৰি ৰাখিলে। তেনেকৈ শাখাবোৰো নিষ্ক্ৰীয় হ'ল। সেই বছৰৰ কাৰ্যনিৰ্বাহক সভাই পঞ্চম অধিৱেশন (১৯২১) যোৰহাটত পাতিবলৈ সিদ্ধান্ত কৰিলে। কিন্তু অধিৱেশন নহ'ল। সেই সম্পৰ্কে প্ৰধান সম্পাদকৰ টোকা হুবহু উদ্ধৃত কৰা হ'ল।

*'ইং ১৯২২ চনত, বোধকৰোঁ বাৰিষা কালত, " হেম গোসাঁই যোৰহাটলৈ বদলি হ'ল। এওঁৰ কথা অনেকে অনেক কৈছে। ময়ো কৰবাত কিবা চিঠি লেখিছোঁ। কিন্তু দুটা গুণে তেওঁৰ প্ৰতি মোৰ মন আকৃষ্ট কৰিলে। তেওঁ বৰ ধেমেলীয়া, ৰসিক কথা পাতিব পৰা মানুহ আছিল। সেইদেখি সামাজিক লোক আছিল। তাতো কৰি ডাঙৰ গুণ আছিল এওঁ বৰ আশাবাদী*

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

*৩৩. সভাপতিৰ অভিভাষণ, পণ্ডিত হেমচন্দ্ৰ গোস্বামী ৰচনাৱলী, অ সা স পৃ. ১৪৩, ১৯৭২*

(Optimist)। তেওঁ সদায় কৈছিল— অসমীয়া মানুহৰ বহুত উন্নতি হৈছে, ভাৰততো কথাই নাই। আৰু যিমানে যি নহক, আমাৰ ভাল নহই নোৱাৰে। অসমীয়া সাহিত্যৰো ভাল দিন আহিছে। এওঁৰ এই গুণটোৱে মোৰ মনত বৰ বিশ্বাস জন্মালে।

সাহিত্য সভাৰ কথা পাতিলে গোসাঁয়ে কয়— ৰ'বা, দিন আহক। চাবা তেতিয়া। এইদৰে গোসাঁইৰ লগত কথা-বতৰা পাতি আমি ঠিক কৰিলোঁ যে মানুহ যেতিয়া সভালৈ নাহে চাহ খাবলৈ কিজানি আহিব। ইয়াকে ভাবি আমি নাম আৰু 'চাহমেল' মিহলাই এটা নতুন অনুষ্ঠান পাতিলোঁ। দুয়ো গৈ ৰায়বাহাদুৰ দেৱীচৰণ বৰুৱাক ক'লো— তেৰেঁ প্ৰথম নিমন্ত্ৰণটো কৰক। ৰায়বাহাদুৰৰ কথা আগতে দেখিছোঁ। তেওঁ এই কথাত মান্তি হ'ল আৰু তেওঁৰ ঘৰতে আমি ১৫।২০ জন মান মানুহ গোট খালোঁ। নাম বুলিছোঁ এই কাৰণে যে আমি চাহৰ লগত আন আন বস্তুৰ উপৰি গাজি-মাহ, কুঁহিয়াৰ, নাৰিকল ইত্যাদিও দিছিলোঁ। অনুষ্ঠানটোৰ কোনো প্ৰোগ্ৰাম নাছিল। সকলোৱে নানা প্ৰকাৰ কথা পাতিলে। হেম গোসাঁয়ে নানাবিধ গল্প কৈ মানুহক হঁহুৱালে। সাহিত্যৰো আলোচনা হ'ল। দুই-তিনি ঘণ্টা এইদৰে থাকি আমি উঠিলোঁ। এই সামাজিক মিলনটো সকলোৰে পক্ষে নতুন ঘৰত আৰু তৃপ্তিপদ হ'ল। গতিকে, ইয়াৰ পাছতো যাতে তেনে মিলন হয় তাৰবাবে সকলোৰে আগ্ৰহ হ'ল।

ৰায়বাহাদুৰৰ পাছত মোৰ ঘৰত, ৰায়বাহাদুৰ কৃষ্ণকুমাৰ বৰুৱাৰ ঘৰত আৰু শ্ৰীযুত চন্দ্ৰধৰ বৰুৱাৰ ঘৰত এইদৰে টি পাৰ্টি হ'ল। বন্ধু-বান্ধৱ গোট খাই কথা বাৰ্তা পাতি সকলোৰে মন প্ৰস্তুত হ'ল যে আমি যোৰহটীয়া শিক্ষিত লোকে কিবা এটা ভাল কাম কৰিব লাগে।

সাহিত্য সভা *was always in the offing*। গতিকে, সাহিত্য সভা পতা ঠিক হ'ল। বৰদিনৰ বন্ধত (১৯২২ ইং) সন্মিলন পতাৰ কথা আছিল। কিন্তু বোধকৰোঁ কোনো ৰাজনৈতিক কাৰণত তেতিয়া সন্মিলন নাপাতি ১৯২৩ ইং ইষ্টাৰত পতা হ'ল। সভাপতি হ'ল অমৃতভূষণ দেৱঅধিকাৰী।

এই যে সন্মিলন হ'ল, তেতিয়াৰে পৰা হঠাৎ যেন সাহিত্য সভাৰ ভাগ্যৰ আকাশখন মুকলি হই গ'ল। ধুবুৰীৰ পৰা আৰম্ভ কৰি শদিয়া, কলিকতা, ঢাকা, কাশী আদি কবিসকলো কেন্দ্ৰতে সাহিত্য সভাৰ শাখা পাতিবলৈ এটা প্ৰৱল আগ্ৰহে দেখা দিলে। এই সময়তে শ্ৰীযুত হৰিনাৰায়ণ দত্তবৰুৱা সাহিত্য সভাৰ কামৰ লগত যুক্ত আছিল। শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা পত্ৰিকা সম্পাদক আছিল। কিন্তু এইবিলাক, যেতিয়া সাহিত্য সভা অতি স্থায়ীৰূপে স্থাপিত হ'ল, তেতিয়াহে।

শাখা সভা আদি স্থাপনত মই মোৰ ছাত্ৰ শিক্ষকসকলৰ পৰা বৰ সহায় আৰু সহযোগিতা পাইছিলোঁ। মোৰ দিনত নৰ্মালৰ তৃতীয় বাৰ্ষিক পাছ কৰি উঠা ল'ৰাবিলাক প্ৰকৃততে শিক্ষিত, মাৰ্জিত ৰুচিসম্পন্ন, প্ৰকৃত শিক্ষক আৰু স্বদেশ-প্ৰেমিক মানুহ হৈ উঠিছিল। তেওঁ বিলাকৰ অনেকেই পাছত শিক্ষক হিচাপে, সাহিত্যিক হিচাপে আৰু দেশৰ জনা বুজা মানুহ হিচাপে যথেষ্ট মান, সংকাৰ আৰ্জিছে। সাহিত্য সভাৰ আদি ভাগত তেওঁলোকেই বৰ উৎসাহী সভ্য আছিল, — আৰু নানা পৰিযত্ন কৰি সাহিত্য সভাৰ শাখা সভাবোৰ পাতিছিল।



এই সময়ত উত্তৰবঙ্গৰ বানপানী। বোধকৰোঁ ১৯২০ ইং চনৰ বাৰিষা। বঙালী কথা ক'ব জনা জাতি, আৰু আজিকালিৰ ভাষাত কৃতী প্ৰচাৰকৰ কষ্ট নিশ্চয় হৈছিল। চাৰ পি, চি, ৰয়ে 'সংকটত্ৰাণ সমিতি' বুলি ৰিলিফৰ কাম হাতত লৈছে। কলিকতীয়া কাগজৰ পিঠিত উত্তৰ বঙ্গৰ নানা প্ৰকাৰ দুৰ্দশাৰ ঘটনা আৰু ছবি। মানুহৰ মন দানৰফালে উদগ্ৰীৱ। যোৰহাটত টকা তুলিবলৈ সমিতি হ'ল। এছিষ্টাণ্ট চাৰ্জ্জন ডাঃ হিৰণ্যকুমাৰ সেন মোৰ বিশেষ বন্ধু। তাৰ অলপ আগতে মোৰ টান জ্বৰ হৈছিল। তাৰপৰা তেওঁ বহুতো পৰিযত্ন কৰি মোক ভাল কৰি তুলিছে। টকা তোলাত সহায় যি পাৰোঁ চেষ্টা কৰিলোঁ।

বাদুলিপাৰৰ শ্ৰীযুত ৰাধানাথ গোস্বামী সেই সময়ত যোৰহাটলৈ আছিল। এওঁবিলাক মাহৰাৰ গোসাঁই। তেওঁৰ অগ্ৰজ ˚ দেৱেশ্বৰ গোসাঁয়ে বাদুলিপাৰৰ ওচৰতে কুঁহিয়াৰবাৰী কৰি চেনিৰ কল স্থাপন কৰিছিল। যি সময়ৰ কথা কৈছোঁ, — তেতিয়া তেওঁলোকে চাহৰ খেতিও কৰিছে। ধনী মানুহ।

শ্ৰীযুত ৰাধা গোসাঁই আহি শ্ৰীযুত চন্দ্ৰধৰ বৰুৱাৰ ঘৰতে আছে। ˚ দেৱেশ্বৰ গোসাঁই ˚ হেমচন্দ্ৰ গোসাঁইৰ বিয়নি। চন্দ্ৰধৰ বৰুৱাৰ ঘৰতে উত্তৰবঙ্গ বানপানীৰ কাৰণে বহুতো (৫৫৯) টকা উঠিল। ৰাধা গোসাঁয়েও কিছু টকা দিলে ২০।২৫; কথাই কথাই ৰাধা গোসাঁয়ে কলে যে তেওঁ মাকৰ নামত কোনো সৎ কামত কিছু টকা দিবৰ মন কৰে। হেম গোসাঁই, চন্দ্ৰধৰ বৰুৱা আৰু মইও তালৈ আহিলোঁ। আমি পোনতে সাহিত্য সভাৰ কথা তুলি ধৰিলোঁ। কথা হ'ল যে গোসাঁয়ে ঘৰলৈ গৈ সকলো কথা-বাৰ্তা হ'ব। মাককো সুধিব। আমি প্ৰস্তাৱ কৰিলো, যে দুহাজাৰ টকা দিলে গোসাঁইৰ মাক কমলাদেৱীৰ নামত এটা সাহিত্য সভাৰ ঘৰ সজা হ'ব,— আৰু তাৰ নাম হ'ব "কমলাদেৱী সাহিত্য মন্দিৰ"।

গোসাঁই ঘৰলৈ গ'ল। এই সময়তে শ্ৰীযুত দেৱেন্দ্ৰনাথ বেজবৰুৱাই এখন নতুন মটৰ গাড়ী কিনিছে। তেতিয়া মটৰ গাড়ী যোৰহাটত আৰু অসমত বৰ কম। এদিন বেজবৰুৱাৰ গাড়ী হেম গোসাঁই ৰামেশ্বৰ বৰুৱা আৰু মই আমি শ্ৰীযুত ৰাধানাথ গোস্বামীৰ ঘৰ ওলালোগই। শ্ৰীযুত পূৰ্ণানন্দ পাঠকে ৰাধা গোসাঁইৰ মাজুজন দাদাকৰ ছোৱালী বিয়া কৰাইছিল। তেওঁ সিদিনা মটৰত গ'ল নে নাই মনত নাই কিন্তু এই টকা পোৱা কামত তেৰোঁ যথেষ্ট সহায় কৰিছিল।

আমি গোসাঁইৰ ঘৰত খাই-বই তৃপ্ত হৈ আহিলোঁ। ˚ কমলাদেৱীকো চাই-চিন্তি আহিলোঁ। তেওঁ তেতিয়া বুঢ়ী। কিন্তু আমাৰ লগত অতি সুন্দৰভাৱে কথা-বাৰ্তা কলে।

ইয়াৰ পাছতেই ৰাধা গোসাঁয়ে শ্ৰীযুত চন্দ্ৰধৰ বৰুৱালৈ টকা দি পাঠালে; আৰু প্ৰথমতে আমি সেই টকা "ষ্টাৰ এণ্ড কোং" বুলি বিশ্বাসী আৰু সকলোৰে মৰমৰ দোকানত এখনত জমা থলোঁ। পাছলৈ নি যোৰহাট টাউন বেঙ্কত থলো।

সাহিত্য সভাৰ ঘৰ কৰিব লাগে। টকা হ'ল এতিয়া ঠাই নাই।

এতিয়া য'ত 'চন্দ্ৰকান্ত সন্দিকৈ হল' আছে তাত পূৰ্বে গভৰ্ণমেণ্ট হাইস্কুলৰ হোষ্টেল আছিল। এই সময়ত (১৯২৩-২৪) সেই ঠাইডোখৰ খালি আছিল, আৰু যোৰহাট পোষ্টাফিচ আৰু এই ঠাই ডোখৰৰ মাজত হাইস্কুলৰ হেড্‌মাষ্টৰৰ ঘৰ আছিল। হেড্‌মাষ্টৰ আছিল ˚ ৰামেশ্বৰ বৰুৱা।

খালি ঠাইডোখৰ হাইস্কুলৰ জিম্মাত। স্কুলৰ ইনিস্পেক্টৰ আছিল ৰায়বাহাদুৰ ঁ দুৰ্গাধৰ বৰকটকী। বৰকটকী চাহাব সেই সময়ত ৰামেশ্বৰ বৰুৱাৰ ঘৰটোত থাকে।

এই খালি ঠাইডোখৰত প্ৰথমতে মোৰ চকু পৰিল। ৰামেশ্বৰ বৰুৱা আৰু বৰকটকীৰ লগত কথা-বাৰ্তা হই ঠিক কৰিলোঁ যে এই ঠাইডোখৰো শিক্ষা বিভাগক নালাগে বুলি পি, ডব্লিউ, ডিক, ধৰিবলগীয়া হ'ল।

তেতিয়া মিঃ ডিছ্নেী চীফ ইঞ্জিনিয়াৰ। এওঁ তাৰ পূৰ্বে যোৰহাটত চুপাৰভাইজিং ইঞ্জিনিয়াৰ আছিল। তাত থাকোঁতে মোৰ লগত অলপ জনা-শুনা আছিল,— আৰু নৰ্মাল স্কুলৰ কিবা ঘৰ বান্ধা কথাত মই কামিলা মানুহ বুলি তেওঁৰ অলপ ধাৰণা আছিল বুলি বিশ্বাস।

অনেক ভাবি শুনি ডিছ্নেী চাহাব মফছললৈ যোৰহাটলৈ অহাত তেওঁক স্থিৰ কৰিলো হেম গোসাঁই, শিক্ষা বিভাগক মাটি নালাগে বুলি কবলৈ হেড্মাষ্টাৰ ৰামেশ্বৰ বৰুৱা মুছলমান বুলি খাঁ বাহাদুৰ কেৰামত আলি (তেতিয়া তেওঁ খাঁ বাহাদুৰ হোৱা নাই) বাঙালী বুলি গভৰ্ণমেণ্ট প্লিডাৰ ৰায়বাহাদুৰ প্ৰমদা কিশোৰ ৰায়, আৰু মই— আমি পাচোঁজনে ডিছ্নেী চাহাবক দেখা কৰিলোগৈ। ডিছ্নেী চাহাবে অষ্ট্ৰেলিয়াৰ মানুহ। কথা পাতোঁতে দেখা গ'ল যে তেওঁৰ পুৰণি তথ্যাদি সম্পৰ্কে কিছু স্বাৰ্থ আছে। এতেকে মাটি দিয়া কথাত তেওঁৰ সহানুভূতি পালোঁ। আৰু পাছদিনা মোক মাতি নি পি, ডব্লিউ, ডি, ৰ ফালৰ পৰা মাটি সাহিত্য সভাক দিলে একো আপত্তি নাই বুলি লেখি দিলে। তেতিয়া শিক্ষা বিভাগৰ ফালৰ পৰাও লেখাই ললোঁ। যোৰহাটত তেতিয়া ডিপুটী কমিছ্নাৰ সম্ভৱতঃ মিঃ এলেন, নহলে, মিঃ গাৰ্নিং। যেয়ে হওক, ডিপুটী কমিছ্নাৰক কোৱা মাত্ৰককে সাহিত্য সভাক মাটি দিলে। পাট্টা পোৱাত আৰু কিবা কিবি কথাত দেৰী হ'ল।


এই কথা ইয়াতে লেখি থওঁ। সাহিত্য সভাৰ কামত সকলো মানুহৰ ইমান সহানুভূতি আছিল, আৰু মোৰ প্ৰতি যোৰহাটৰ মানুহৰ ইমান শ্ৰদ্ধা আছিল যে মই মোৰ সকলো কামতে কাছাৰীৰ আমোলা-মহৰী, আৰু আন বাহিৰা মানুহ আদি যাৰ পৰা যেতিয়াই কিবা সহায় বিচাৰিছিলোঁ, তাকে অতি সহজতে পাইছিলোঁ। গতিকে মাটিখিন পোৱাত মই অকণো কষ্টা কৰিবলগীয়া হোৱা নাছিল।

আজি গুৱাহাটীত মই তিমানখিনি সহায় সম্পদ পোৱা নাই। আগলৈ পাম বুলি আশা কৰোঁ।

টকা পালো। মাটি হ'ল। এতিয়া ঘৰ কৰিব লাগে।

'কমলা দেৱী সাহিত্য মন্দিৰ' নাম দি ঘৰৰ নক্সা তৈয়াৰ হ'ল।[৩৪]

৩৪. শৰৎচন্দ্ৰ গোস্বামী ৰচনাৱলীৰ পৰা হুবহু উদ্ধৃত কৰা হ'ল।



# সাত্ত্বিক পণ্ডিত হেমচন্দ্ৰ গোস্বামী

গোলাঘাটৰ ঢেকীয়াল মৌজাৰ গৌৰাংগ সত্ৰৰ হেমচন্দ্ৰ গোস্বামী (জন্ম ১৮৭২, মৃত্যু ২ মে' ১৯২৮)-ৰ পিতৃ ডম্বৰুধৰ গোস্বামী আৰু মাতৃ ঘনকান্তী দেৱী। ১৮৮৮ চনত এণ্ট্ৰেন্স পাছ কৰি কলিকতাৰ প্ৰেছিডেন্সি কলেজত বি. এ. শ্ৰেণীত অধ্যয়ন কৰে। কলিকতাত থাকোঁতেই বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালাৰ সংস্পৰ্শলৈ আহে। ১৮৮৯ চনত প্ৰকাশিত 'জোনাকী'-ৰ দ্বিতীয় বছৰৰ সম্পাদক আছিল। অসমীয়া সাহিত্যত চতুৰ্দশপদী কবিতা পোনতে গোস্বামীয়ে আৰম্ভ কৰে। *আসাম বন্ধু, উষা, বাঁহী, আলোচনী, মিলন চেতনা* আদি কাকতত নানা প্ৰবন্ধ আৰু কবিতা প্ৰকাশ পায়। অসমীয়া দ্বিতীয়খন শিশু আলোচনী 'অৰুণ'-ৰ সম্পাদক আছিল (১৯১৫)। গোস্বামীৰ একমাত্ৰ কবিতাপুথি *ফুলৰ চাকি* (১৯০৭)। গোস্বামীৰ উল্লেখযোগ্য গ্ৰন্থ হ'ল— *পুৰণি অসম বুৰঞ্জী* (১৯২২), *অসমীয়া সাহিত্যৰ চানেকি* (১৯২৯, সাতোটা খণ্ড)। Descriptive Catalogue of Assamese Manuscript (১৯৩০) এখন উল্লেখযোগ্য কীৰ্তি। হেম গোসাঁইৰ মৃত্যুত PRT Gardan চাহাবে কৈছিল— *It is over thirty years since I saw Hemchandra Goswami. He was then quite a young man, but already took much interest in Assamese history and literature. He helped me a good deal in hunting up references to ancient Kamrup in the purana... The Descriptive Catalogue of Assames Literature was the work of Hem Gossain alone and it is on this great achivement that his fame will probably rest and go down to posterity.*[৩৫]

গোস্বামীয়ে কৰ্ণেল পি আৰ টি গৰ্ডন চাহাবৰ সৈতে হেমকোষ প্ৰকাশত আত্মনিয়োগ কৰে। ১৯০০ চনত হেমকোষ প্ৰকাশ হৈ ওলায়। ১৯২৫ চনত চাকৰিৰ পৰা অৱসৰ লয়। ১৯২৮ চনৰ মে' মাহৰ ২ তাৰিখে এইজন পণ্ডিতে ইহলীলা সম্বৰণ কৰে। আসাম ছাত্ৰ সন্মিলনৰ এইগৰাকী প্ৰাক্তন সভাপতিৰ প্ৰতি শ্ৰদ্ধা জনাই মিলন কাকতৰ হেমচন্দ্ৰ সংখ্যা এটি প্ৰকাশ হয়।

৩৫. শৰ্মা বেণুধৰ, *অৰ্ঘ্যাৱলী*, পৃ. ৬৮

**অভিভাষণ সুবচন ঃ**

অ.ভা.উ.সা. সভাই যি ভেঁটি বান্ধিলে সেই ভেঁটিতে বিচিত্ৰ সাহিত্য মন্দিৰ সাজিবৰ নিমিত্তে এই সভাই জন্ম লৈছে। এতিয়া আৰু অসমীয়া ভাষা এটা উপভাষা আৰু অসমীয়া সাহিত্য এটা নোম নেগুৰ বৰ্জিত অপসাহিত্য বুলি ক'বলৈ সাহ কৰা মানুহ নিচেই কম, তেনে মানুহ নাই বুলি ক'লেও বোধকৰোঁ মিছা কোৱা নহ'ব।

এই সভাই এতিয়া বৰ্তমান ক্ষেত্ৰৰ উপযোগী কাম কেনেভাৱে কৰিলে অসমীয়া ভাষাৰ আৰু উন্নতি সাধন কৰিব পাৰি তাৰ আলোচনা কৰিবলৈ আমি এই সন্মিলনত গোট খাইছোঁহক।


সাহিত্য হৈছে এটা জাতিৰ জীৱনৰ প্ৰতিকৃতি।... জাতীয় সাহিত্যই এটা জাতিৰ আকৃতি-প্ৰকৃতি, স্বভাৱ চৰিত্ৰ, গঢ়-গতি, উন্নতি-অৱনতি সকলোবিলাক প্ৰকাশ কৰে। ... যি জাতিৰ সাহিত্য নাই সেই জাতি জীয়াই থাকোঁতেই মৰা। ... এটা জাতিৰ সমৱেত চেষ্টাৰ ফল যি জাতীয় সাহিত্য, তাত গোটেইটো জাতিৰ উৎকৰ্ষণা (Culture) আৰু আদৰ্শ (idea) পুঞ্জীকৃত হৈ ৰৈছে।

আমাৰ প্ৰথম পুঁজি হৈছে আমাৰ দেশৰ উজনিৰ পৰা নামনিলৈকে প্ৰচলিত গীতবিলাক। ... এই গাঁৱলীয়া নাঙঠা গীতবিলাক আমাৰ সাহিত্যৰ অমূল্য নিধি। এনেহেন জাতীয় সম্পত্তিলৈ আওকাণ কৰিলে লক্ষ্মীয়ে আমালৈ যে পিঠি দিব সি ধ্ৰুৱপ।

যদি আমি সঁচাকৈয়ে অসমীয়া ভাষাৰ উন্নতি কৰিব খুজিছোঁ তেনেহ'লে তাৰ দীন অৱস্থা দূৰ কৰিব লাগিব। ... জাতীয় স্বাৰ্থৰ ওচৰত নিজৰ স্বাৰ্থ বলিদান দিব লাগিব। বলিদানৰ বাহিৰে কেতিয়াও কোনো যজ্ঞ সম্পাদন কৰিব নোৱাৰি।

ইংৰাজী সাজ-পাৰ পিন্ধাত, ইংৰাজী কথা কোৱাত আনকি ইংৰাজী খানা খোৱাত আমাৰ জাতীয়ত্ব নেযায়, কিন্তু আমাৰ চিন্তাধাৰা, আমাৰ আধ্যাত্মিকতা, আমাৰ জাতীয় সভ্যতাক এৰি জাতীয় প্ৰাণ শক্তিৰ কেন্দ্ৰ পৰিত্যাগ কৰাত আমাৰ জাতীয়ত্ব লোপ পাব।


ভাষা হৈছে সাহিত্যৰ সাজ-পাৰ মাথোন, ভাব হৈছে তাৰ দেহ। সাহিত্যৰ দেহ যদি নিৰোগী থাকে আৰু প্ৰাণ যদি সবল থাকে, লিখকৰ অভিৰুচিমতে তাক সাজ-পাৰ পিন্ধোৱাত কোনো বাধা নাই, সৌন্দৰ্য আৰু ৰসৰ উদ্ৰেক কৰিব পাৰিলেই হ'ল। কিন্তু নিভাঁজ জাতীয় ভাষা হৈছে আমাৰ হোজা গাঁৱলীয়া মানুহৰ ভাষাহে। সেই গুণে আমাৰ গাঁৱলীয়া মানুহৰ মুখৰ ভাষাকে ব্যাকৰণৰ বিধানেৰে সংস্কাৰ কৰি সাহিত্য ৰচনা কৰাহে আমাৰ প্ৰধান কৰ্তব্য।



# সভাপতি নিৰ্বাচন

প্ৰথম শিৱসাগৰ অধিৱেশনৰ পৰৱৰ্তী কালত সভাৰ সভাপতিৰ বাবে নাম প্ৰস্তাৱ কৰিছিল আদৰণী সমিতিয়ে। প্ৰস্তাৱিত নামৰ তালিকা সমিতিয়ে কেন্দ্ৰীয় কাৰ্যালয়লৈ অনুমোদনৰ কাৰণে পঠিয়ায়। তেতিয়া প্ৰধান সম্পাদকে সেইসকলৰ মতামত লৈ ভোটৰ বাবে তালিকাখন শাখালৈ পঠিয়ায়।

মন কৰিবলগীয়া তালিকাত নাম থকা প্ৰস্তাৱিত সদস্যসকলৰ উত্তৰো আছিল অতি মাৰ্জিত আৰু বিনয়ভাব প্ৰকাশক। সেইসকলৰ প্ৰধান সম্পাদক পদটিৰ সৰ্বতো প্ৰকাৰে মৰ্যাদা ৰক্ষা কৰি অমৰ্থতা প্ৰকাশ কৰিছিল। কেন্দ্ৰীয় কাৰ্যালয়ে হাতে লিখা বিজ্ঞপ্তিযোগে সভাৰ শাখা মতামত বিচাৰে। শাখা সভাৰ মতামত পোৱাৰ পিছত সভাপতিৰ নাম ঘোষণা কৰা হয়।



# পঞ্চম অধিৰেশন, যোৰহাট

## ৩১ মাৰ্চ আৰু ১ এপ্ৰিল, ১৯২৩

তেজপুৰৰ চতুৰ্থ অৱিেশনৰ পিছত দুখন অধিৰেশন অনুষ্ঠিত নোহোৱাৰ কাৰণ আগতে উল্লেখ কৰা হৈছে। এই অধিৰেশন ১৯২৩ চনৰ ৩১ মাৰ্চৰ বিয়লি চাৰি বজাত আৰু ১ এপ্ৰিল দিনৰ ১ বজাত অনুষ্ঠিত হৈছিল। সভাপতিৰ আসন অলংকৃত কৰিছিল গোৱালপাৰাৰ দলগোমা সত্ৰৰ অধিকাৰ অমৃত ভূষণদেৱ অধিকাৰীয়ে। যোৰহাট চৰকাৰী বিদ্যালয়ত সভা বহিছিল। সভাত প্ৰায় এহেজাৰ লোক উপস্থিত আছিল। প্ৰতিনিধি ১৫০ জনমান হৈছিল। চন্দ্ৰধৰ বৰুৱাৰ পুত্ৰ অৰবিন্দ বৰুৱাৰ *"কি মই আসন দিবোঁ নাৰায়ণ"*গীতেৰে সভা আৰম্ভ হৈছিল। সভাপতিৰ ভাষণৰ পিছতে নবীনচন্দ্ৰ গোস্বামী আৰু যতীন বৰুৱাই "চিৰ চেনেহী মোৰ ভাষা জননী" আৰু "শৌৰ্য অসমা বীৰ্যে অসম" গীত গাইছিল। আৰম্ভণী গীতৰ পিচতে "গোপাল খেলায় তলে" বৰগীত এটি মূৰত পাগুৰি মাৰি গোলাঘাটৰ সৰু ল'ৰা এজনে গাইছিল। সেই সময়ত এইটো পৰিৱেশ বৰ গুৰুত্বপূৰ্ণ বুলি বিৱেচিত হৈছিল। অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল ৰাধাকান্ত সন্দিকৈ আৰু সম্পাদক আছিল ৰামেশ্বৰ বৰুৱা। এই সভাত দেৱেশ্বৰ শৰ্মা (চৰকাৰী উকীল), পূৰ্ণানন্দ শৰ্মা পাঠক, হৰিনাথ পাঠক চৌধুৰী, হৰিনাৰায়ণ দত্তবৰুৱা, অসমীয়া সাহিত্যৰ প্ৰথম বুৰঞ্জীখন লেখোঁতা দেৱেন্দ্ৰনাথ বেজবৰুৱা, কুঁহিৰ কবি লক্ষেশ্বৰ শৰ্মা বৰুৱা, জিতেন্দ্ৰকুমাৰ দাস (হাবা বাবু নামে জনাজাত, এওঁ যোৰহাট দাস এণ্ড কোম্পানীৰ গৰাকী আৰু কিছুকাল অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতিৰ সদস্য) *আসাম বিলাসিনী*-ৰ সম্পাদক কৃষ্ণকান্ত ভট্টাচাৰ্য, প্ৰখ্যাত নাট্যকাৰ গুণধৰ মিত্ৰদেৱ মহন্ত অধিকাৰ, নাট্যকাৰ পজিৰুদ্দিন আহমদ, মথুৰানাথ বৰুৱা হেডমাষ্টৰ, বিষ্ণুচন্দ্ৰ বৰুৱা, গোপালচন্দ্ৰ গোস্বামী, হেৰম্বপ্ৰসাদ বৰুৱা, স্বৰ্গীয় কুলধৰ চলিহা, প্ৰসন্ন কুমাৰ বৰুৱা, জেহিৰুদ্দিন আহমদ (হেডমাষ্টৰ) আদি উপস্থিত আছিল। অধিৰেশনৰ শেষত প্ৰীতিমেল হৈছিল ৰামেশ্বৰ বৰুৱাৰ ঘৰত অৰ্থাৎ চন্দ্ৰকান্ত সন্দিকৈ ভৱন থকা অংশত। ডটীয়া বাঙালী ওস্তাদ এজনে দুটামান গান গাইছিল। এই সভাত ১৮৬০ চনৰ আইনমতে অসম সাহিত্য সভা পঞ্জীয়ন কৰা আৰু কমলাদেৱী সাহিত্য মন্দিৰ সভাৰ কাৰ্যালয়ৰ বাবে নিৰ্মাণ কৰা কাৰ্যই গুৰুত্ব পাইছিল। সেই অনুক্ৰমে ১৯২৪ চনৰ ৫ মে' তাৰিখে অসম সাহিত্য সভা বিধিসন্মতভাৱে পঞ্জীয়ন হয়। সভাৰ কাৰ্যনিৰ্বাহক সমিতিৰ ২০ জন সদস্যই ইয়াত চহী কৰে।



সদস্যসকল— শৰৎচন্দ্ৰ গোস্বামী, প্ৰধান সম্পাদক হৰিনাথ পাঠক চৌধুৰী, উপ পঞ্জীয়ক, যোৰহাট, আদ্যনাথ শৰ্মা, সদস্য- চন্দ্ৰধৰ বৰুৱা, ৰায়বাহাদুৰ ৰাধানাথ সন্দিকৈ, ৰায়চাহাব দুৰ্গাধৰ বৰকটকী, ৰায়চাহাব গোলাপ চন্দ্ৰ বৰুৱা, হেমচন্দ্ৰ গোস্বামী, ৰামেশ্বৰ বৰুৱা, মৌলবী কেৰামত আলী, মৌলবী জেহিৰুদ্দিন আহমদ, পূৰ্ণানন্দ শৰ্মা পাঠক, দেৱেশ্বৰ শৰ্মা (উকীল), চন্দ্ৰনাথ দত্ত ফুকন, দেৱেন্দ্ৰনাথ বেজবৰুৱা, দেৱেশ্বৰ চলিহা, কুলধৰ চলিহা, বাবু জিতেন্দ্ৰ কুমাৰ দাস, কৃষ্ণকান্ত ভট্টাচাৰ্য।

দলিলত অসম সাহিত্য সভাৰ উদ্দেশ্য লিপিবদ্ধ হৈছে।

১. অসমীয়া ভাষা আৰু সাহিত্যৰ সৰ্বাংগীন উন্নতি সাধন।
২. আধুনিক অভিধান আৰু ব্যাকৰণ সংকল আৰু প্ৰকাশ।
৩. প্ৰাচীন সাহিত্য, বুৰঞ্জী, বৰগীত, লোকগীত, ফকৰা আদিৰ গৱেষণা আৰু অধ্যয়নৰ বাবে উৎসাহিত কৰা।
৪. অসমীয়াত যিবোৰ পুথিৰ অভাৱ সেইবোৰ পূৰণ কৰিবলৈ চেষ্টা।
৫. অভাৱগ্ৰস্ত সাহিত্যিক উপযুক্ত গ্ৰন্থ প্ৰকাশৰ বাবে সাহায্য দান।
৬. নিভাঁজ অসমীয়া সুৰৰ গ্ৰামোফ'ন ৰেকৰ্ড যুগুত।
৭. সংগীত কলা-সংস্কৃতিৰ অধ্যয়নৰ বাবে উৎসাহ দান।
৮. সভাৰ এখন তিনিমহীয়া পত্ৰিকা প্ৰকাশৰ বাবে ব্যৱস্থা।
৯. জনসাধাৰণৰ মাজত অসমীয়া ভাষা-সাহিত্যৰ গৱেষণাৰ বাবে প্ৰচাৰ পত্ৰৰ ব্যৱস্থা।
১০. উল্লিখিত কাৰ্য পৰিচালনাৰ বাবে সভাই দান-বৰঙনি সংগ্ৰহ কৰিব পাৰিব।
১১. পুথিভঁৰাল স্থাপন, যাদুঘৰ, গৱেষণাগাৰ, বৃত্তি, সাহিত্য-বিজ্ঞান, দৰ্শন, ধৰ্ম আদিৰ বাবে 'আসন'-ৰ ব্যৱস্থা।
১২. সভাৰ কেন্দ্ৰীয় কাৰ্যালয় যোৰহাটত হ'ব।

কলিকতাত অ.ভা.উ.সা.সভাৰ জ্বলোৱা বন্তিগছত জাতীয় প্ৰেমৰ তেল শলিতা দি উদ্দীপিত কৰাৰ চিন এয়া।

১৯২৪ চনৰ মাৰ্চ মাহৰ ২২ তাৰিখে সভাই ১ বিঘা, ৪ কঠা, ২ লোচা মাটি লাভ কৰিলে।[৩৬] চন্দ্ৰকান্ত ইনষ্টিটিউট সম্পূৰ্ণ নোহোৱালৈ যোৰহাট চৰকাৰী হাইস্কুলৰ এটা কোঠা স্কুল পৰিদৰ্শকে

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

৩৬. *গড়কাপ্টানী বিভাগৰ এডোখৰ মাটি খালি হৈ আছিল। এই মাটিত চৰকাৰী হাইস্কুলৰ হোষ্টেল আছিল। স্কুলৰ প্ৰধান শিক্ষক আছিল ৰামেশ্বৰ বৰুৱা। গড়কাপ্টানী বিভাগৰ সেই সময়ৰ মুখ্য অভিযন্তা আছিল O.H. Desenne সভাই তেওঁৰ ওচৰত মাটি বিচাৰি আৱেদন জনালে। বৰ্তমান চন্দ্ৰকান্ত সন্দিকৈ ভৱন থকা ঠাইত। যোৰহাটৰ এটা দল ১৯২৪ চনৰ ১১ ফেব্ৰুৱাৰি তাৰিখে O.H. Desenne ক লগ কৰিলে। অসম চৰকাৰ তেওঁ গড়কাপ্টানি বিভাগৰ সচিবলৈ 223 B পত্ৰমৰ্মে তেওঁ অনুমতি বিচাৰি পত্ৰ দিলে। সভাৰ ভাগ্য উদয় হ'ল। চৰকাৰে ৩০ চনীয়া পট্টা, পট্টা নং ২৫৮ যোগে সভাক মাটিখিনি চমজাই দিলে। (অসম সাহিত্য সভা পত্ৰিকা, ৩০ এপ্ৰিল, ১৯৩৮) ১ বিঘা ৪ কঠা ২ লোচা মাটি বাঢ়ি গৈ ২ বিঘা ২ কঠা ১০ লোচা হ'লগৈ। প্ৰথম অৱস্থাত দিয়া মাটিৰ উপৰি সভাৰ কম্পাউণ্ড বহাবৰ কাৰণে অসমৰ শিক্ষা বিভাগ আৰু চৰকাৰক অনুৰোধ জনোৱাত অতিৰিক্ত ৩ কঠা ৮ লোচা মাটি সভাক পট্টা কৰি দিলে (অসম সাহিত্য সভা পত্ৰিকা, প্ৰথম বছৰ ২ য় সংখ্যা)*

সভাক ব্যৱহাৰ কৰিবলৈ দিয়া বাবে ১৯২৩ চনৰ ১৯ ডিচেম্বৰ তাৰিখৰ কাৰ্যনিৰ্বাহক সভাই স্কুল পৰিদৰ্শকক ধন্যবাদ জনাই প্ৰস্তাৱ লয়।

ৰাধাকান্ত সন্দিকৈৰ দুই পুত্ৰ চন্দ্ৰকান্ত সন্দিকৈ আৰু ইন্দ্ৰকান্ত সন্দিকৈ। এই দুই পুত্ৰ এসপ্তাহৰ আগা-পিচাকৈ মৃত্যুমুখত পৰিল। এই দুই সন্তানৰ অকাল মৃত্যুৰ শোকত মৰ্মাহত হোৱা ৰাধাকান্ত সন্দিকৈয়ে দুই পুত্ৰৰ সোঁৱৰণৰ চিনস্বৰূপে সভালৈ পোনতে ২৫,০০০.০০ (পঁচিশ হেজাৰ) টকা আগবঢ়ায়। পিছত আৰু ৫,০০০.০০ (পাঁচ হেজাৰ) টকা দি মুঠ ৩০,০০০.০০ (ত্ৰিশ হেজাৰ) টকা সভাৰ ভৱন নিৰ্মাণৰ বাবে দানস্বৰূপে দিয়ে। সন্দিকৈ ডাঙৰীয়াৰ দান পোৱাৰ বাবেই কমলাদেৱী সাহিত্য মন্দিৰৰ বিষয়ে ৰাধানাথ গোস্বামীৰ লগত আলোচনা কৰি তেখেতে দিয়া ন্যাসৰ যোগেদি শিশু সাহিত্যৰ উন্নতিৰ বাবে কমলাদেৱী সাহিত্য মন্দিৰৰ পৰিৱৰ্তে কমলাদেৱী শিশু সাহিত্য ন্যাস পুঁজি গঠিত হ'ল। "দুইজন ৰাধাই সাহিত্য সভাৰ দাতাৰ তালিকাত শীৰ্ষস্থানত জিলিকি থাকিল।"[৩৭] এই সময়তে দক্ষিণাট সত্ৰৰ চলাজনা অধিকাৰ শ্ৰীশ্ৰীনৰদেৱ গোস্বামীয়ে ৫,০০০.০০ (পাঁচ হেজাৰ) টকাৰ দানৰ প্ৰতিশ্ৰুতি দিয়ে। ১৯২৬ চনৰ আগষ্ট মাহৰ ১৮ তাৰিখে এই ন্যাসৰ দলিল পঞ্জীয়ন হয় দক্ষিণপাট অধিকাৰ গোস্বামী ন্যাস পুঁজি নামেৰে। এই ন্যাসৰ বাঢ়ি পুঁজিৰে ধৰ্মপুথি আৰু পুৰণি পুথি প্ৰকাশ কৰিবলৈ দলিলত সন্নিৱিষ্ট হয়।

ৰাধাকান্ত সন্দিকৈয়ে আগবঢ়োৱা ন্যাসৰ চৰ্ত আৰু ভৱন সম্পৰ্কে পৰৱৰ্তী অধ্যায়ত আলোচনা কৰা হৈছে।*

**১০ এপ্ৰিল, ১৯২৪ চনলৈকে সভাৰ আয়-ব্যয়ৰ হিচাপ**

| | |
|---|---|
| ১০/৪/২৪ তাৰিখ পৰ্যন্ত সভাৰ জমা | ৮,৩৮৮ টকা এক অনা তিনি পাই |
| ১০/৪/২৪ তাৰিখ পৰ্যন্ত সভাৰ খৰচ | ০৪২৪ টকা দহ অনা |
| **মুঠ** | **৭৯৬৩ টকা ১১ অনা ৩ পাই** |

৩৭. হাজৰিকা অতুলচন্দ্ৰ, অসম সাহিত্য সভাৰ ৰূপলেখা, পৃ. ৩৭ (এই বৰ্ষৰ দ্বিতীয় কাৰ্যনিৰ্বাহক সমিতিয়ে শৰৎচন্দ্ৰ গোস্বামী আৰু সহকাৰী সম্পাদক হৰিনাথ পাঠক চৌধুৰী যোৰহাটৰ পৰা স্থানান্তৰ হোৱাত ৰামেশ্বৰ বৰুৱাক প্ৰধান সম্পাদক আৰু চন্দ্ৰনাথ ফুকনক সহকাৰী সম্পাদকৰ দায়িত্ব দিয়া হয়। এই বৰ্ষতে সভাৰ কাৰ্যালয়ৰ বাবে মাহে ২০ টকা দৰমহাত এজন সহায়ক আৰু মাহে ১০ (দহ) টকা দৰমহাত এজন চকীদাৰ নিয়োগ কৰে। অৱশ্যে ২৬/১/২৪ তাৰিখে পুনৰ সিদ্ধান্ত লৈ চকীদাৰক মাহে ১.০০ (এটকা) বেতন বঢ়াই দিয়ে।)

* আসাম এছোচিয়েচনে কংগ্ৰেছত যোগদান কৰাত (১৯২০) এই বৰ্ষৰ পৰা সভাই নিজাববীয়াকৈ অধিবেশন পাতে।

◆◆◆◆◆

# অমৃতভূষণ দেৱ অধিকাৰী

**(জন্ম ঃ ১৮৫৮, মৃত্যু ঃ ১৯৪২)**

অমৃতভূষণ দেৱ অধিকাৰীৰ গোৱালপাৰা জিলাৰ দলগোমাত জন্ম। এণ্ট্ৰেন্স পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ কলিকতাৰ স্কটিছ চাৰ্চ কলেজত ভৰ্তি হয় যদিও অৰ্থৰ অভাৱত চূড়ান্ত পৰীক্ষা নিদিয়াকৈ গুচি আহে। প্ৰথমে যোৰহাটৰ বেজবৰুৱা হাইস্কুলৰ সহকাৰী প্ৰধান শিক্ষকৰ দায়িত্ব পালন কৰে। ইয়াৰ পিচত গৌৰীপুৰ হাইস্কুলৰ অধীক্ষক হয়। গোৱালপাৰাত অসমীয়া ভাষাৰ অস্তিত্বৰ বাবে অধিকাৰীয়ে অশেষ যত্ন কৰে। অধিকাৰীদেৱৰ লগত সেই সময়ৰ গোৱালপৰীয়া সকলেও সহযোগ কৰাত এই ষড়যন্ত্ৰ ব্যৰ্থ হয়। তেখেত বৈষ্ণৱ ধৰ্ম আৰু সংস্কৃতিৰ একান্ত চৰ্চক। *বাঁহী, আৱাহন* আদিত নানা প্ৰবন্ধ প্ৰকাশিত হৈছিল। মহাপুৰুষ মাধৱদেৱৰ নামঘোষাৰ টীকাসহ *শ্ৰীমন্নামঘোষা* সম্পাদনা কৰি প্ৰকাশ কৰে। ভক্তি *ৰত্নাৱলীৰো* টীকাসহ সম্পাদনা কৰিছিল যদিও ছপা হৈ নোলাল।

**অভিভাষণৰ সুবচন ঃ**

*সাহিত্য সেৱাত আত্মপ্ৰকাশ আছে আৰু ই জ্ঞান বৃদ্ধিৰ ঘাই কাৰণ। যি জাতিৰ সাহিত্য আছে তাৰ সকলো আছে। সেই জাতি গণ্যমান্য ধন্য আৰু জগতত সভ্যৰূপে পৰিচিত।*

*বিদেশীয় লাগতিয়াল শব্দ আৰু ভাব আমাৰ ভাষাত গ্ৰহণ কৰি আমাৰ ভাষাক শুৱনি সম্পদশালী আৰু চহকী কৰা উচিত।*

*বৰ্তমান যুগত পৃথিৱীৰ সভ্য বাতৰি কাকতেই জাতীয় জীৱনী শক্তি অনুভূতিৰ নাড়ীস্বৰূপ।*

*দৰ্শন বিজ্ঞানমূলক ওখ ভাবৰ কথা সৰল প্ৰাঞ্জল ভাষাত লিখিলেহে পাঠক-পাঠিকাৰ উপযোগী হ'ব পাৰে আৰু তেনে কৰাহে গ্ৰন্থকাৰৰ বাহাদুৰী।*

*স্থানীয় শিক্ষাৰ ঠেক সঁজাৰ ভিতৰত ডাঙৰ সভ্যতা ডাঙৰ-দীঘল হৈ বাঢ়িব নোৱাৰে।*

*কাব্য ফুলনি সুবিশাল সাহিত্য কাননৰ অন্তৰ্ভুক্ত হ'লেও কবিয়ে কাব্যক সংকীৰ্ণ আৰু সীমাবদ্ধ নকৰি বিস্তৃত অৰ্থত সাহিত্যৰ প্ৰতিপাদক প্ৰতিশব্দৰূপে ব্যৱহাৰ কৰিছে।*

*যি জাতিৰ একতা নাই, জাতীয়তা নাই সেই জাতি জগতত কেতিয়াও সভ্য জাতি বুলি গণ্য হ'ব নোৱাৰে। কবিৰ কবিতা লিখা আৰু চিত্ৰকৰৰ ছবি আঁকা দুয়োয়েই চিত্ৰাংকন।*

◆◆◆◆◆

# ষষ্ঠ অধিৱেশন, ডিব্ৰুগড়

## (১৯ আৰু ২০ এপ্ৰিল, ১৯২৪)

অভ্যৰ্থনা সমিতিৰ সভাপতি শিৱৰাম শৰ্মা, যুটীয়া সম্পাদক মফিজুদ্দিন আহমদ হাজৰিকা, পদ্মধৰ চলিহা, সহ-সম্পাদকদ্বয় চৈয়দুৰ ৰহমান আৰু যাদৱেন্দ্ৰ বৰঠাকুৰ, বুৰঞ্জীবিদ কনকলাল বৰুৱা এই সন্মিলনৰ সভাপতি। বৰুৱাই কলিকতাত প্ৰকাশিত 'জোনাকী' আৰু অ.ভা.উ.সা. সভাৰ এগৰাকী সক্ৰিয় সহযোগী। ডিব্ৰুগড়ৰ জৰ্জ ইন্‌ষ্টিটিউট স্কুলত সভা হৈছিল। ১৯ এপ্ৰিল ২ বজাৰ পৰা গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰীপীতাম্বৰ দেৱগোস্বামীয়ে সভাত যোগ দিয়াটো উল্লেখযোগ্য বুলি বিবেচিত হৈছিল।[৩৮] এই সন্মিলনত কাৰ্যনিৰ্বাহক সমিতি আৰু অভ্যৰ্থনা সমিতিৰ প্ৰযত্নত প্ৰথম সংগীত সংঘ (সংগীত সন্মিলন) অনুষ্ঠিত হয়। সংগীত সংঘৰ বাবে পোনপ্ৰথমে প্ৰস্তাৱ আগবঢ়াইছিল কুমদেশ্বৰ বৰঠাকুৰে।

### প্ৰথম সংগীত সংঘ (সংগীত সন্মিলন)

২০ এপ্ৰিল, দেওবাৰে পুৱা ৭-৩০ বজাত ইন্দ্ৰেশ্বৰ বৰঠাকুৰৰ সভাপতিত্বত অনুষ্ঠিত হয়। শৰৎ চন্দ্ৰ গোস্বামীৰ সম্পাদকীয় প্ৰতিবেদনৰ পৰা জনা যায় যে সভাপতিৰ ভাষণখনত ভাৰতীয় সংগীত কলাৰ পৰিচয় আছিল। এই সংগীত সংঘৰ সম্পাদক নিযুক্ত হয় উমেশ চন্দ্ৰ দাস। এই অধিৱেশনতে প্ৰতিবছৰে অধিৱেশনৰ লগতে সংগীত সংঘ পাতিবলৈ স্থিৰ কৰা হয়।[৩৯]

---

৩৮. ষষ্ঠ সন্মিলনৰ বাবে চন্দ্ৰকুমাৰ আগৰৱালা, সত্যনাথ বৰা, ৰাধাকান্ত সন্দিকৈ, জ্ঞানদাভিৰাম বৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা, এ. মজিদ স্কোৱেৰৰ সভাপতিৰূপে নিৰ্বাচন কৰিবলৈ মফিজুদ্দিন আহমদ হাজৰিকাৰ সভাপতিত্বত ডিব্ৰুগড় সাহিত্য সভাৰ সভা পাতি ২৩/১/২৪ তাৰিখে প্ৰস্তাৱ কৰি ঘাই সভালৈ পঠিয়ায়। কিন্তু কেয়োজনে সভাপতি হ'বলৈ ইচ্ছা প্ৰকাশ নকৰাত কাৰ্যনিৰ্বাহক সমিতিয়ে বেণুধৰ ৰাজখোৱাৰ সভাপতিৰূপে নিৰ্বাচন কৰে আৰু বৰুৱাই সন্মতি প্ৰদান কৰে।

অধিৱেশনত যোগ দিবলৈ অহা প্ৰতিনিধিসকলক জাহাজ আৰু ৰেলৰ ভাড়া ৰেহাই দিবলৈ সভাই যোগাযোগ কৰিছিল ২৯/১/২৪ তাৰিখে। কিন্তু Eastern Bangal Railway ৬/২/২৪ তাৰিখে আৰু River Steam Navigation Co. Ltd. এ ২/২/২৪ তাৰিখে পত্ৰযোগে অপাৰগতা প্ৰকাশ কৰে।

৩৯. সংগীত সংঘৰ বাবে চন্দ্ৰধৰ বৰুৱা, পদ্মনাথ বৰুৱা (গোহাঞি বৰুৱা) দুৰ্গেশ্বৰ শৰ্মা, ইন্দ্ৰেশ্বৰ বৰঠাকুৰে এখন আঁচনি সভাত উত্থাপন কৰিছিল। (পৰিশিষ্ট চাওক)



### প্ৰথম প্ৰদৰ্শনী

এই অধিৱেশনৰ আন এটা উল্লেখযোগ্য দিশ হ'ল প্ৰদৰ্শনী। প্ৰথমবাৰৰ বাবে ডিব্ৰুগড়ত প্ৰদৰ্শনী অনুষ্ঠিত হৈছিল। প্ৰদৰ্শনীৰ ঘাই উদগাতা লক্ষেশ্বৰ বৰুৱা। প্ৰদৰ্শনী চাই সকলোৱে সন্তোষ প্ৰকাশ কৰিছিল। পুৰণি মুদ্ৰা, সাঁচিপতীয়া পুথিৰ চিত্ৰ। মৎস অৱতাৰ পুথিখনৰ দশ অৱতাৰৰ ছবি চাই সকলোৱে ভাল পাইছিল। ১৯৫৩ শকত জয়ানন্দই এই পুথিখন নকল কৰিছিল। দিনজয় সত্ৰৰ পৰা পুথিখন সংগ্ৰহ কৰা হৈছিল। প্ৰদৰ্শনীত প্ৰদৰ্শন কৰা পুথিবোৰ হ'ল ভক্তিতত্ত্ব সাৰ, গোৰক্ষ তত্ত্ব, ভীষ্মপৰ্ব (ৰাম সৰস্বতী), বঘাসুৰ বধ (১৩৭২ শক), উষা হৰণ (১৭১৬ শক), কুলাচল বধ, লংকাকাণ্ড, ৰামায়ণ, লংকাকাণ্ড ৰামায়ণ (১৭৩২ শক), চৰিত পুথি। ইয়াৰ উপৰি ১০০ বছৰৰ আগৰ লোৰ ওপৰত পিতলৰ পানী চৰোৱা দুডাল লোৰ খুঁটি, সূঁতা কটা, তাঁতবোৱা আদিও দেখুউৱা হৈছিল। গুৱাহাটীৰ বিপিন চন্দ্ৰ বৰাই এড়ী পলু, যঁতৰত এড়ী সূঁতা কটাৰ প্ৰণালী আদিও প্ৰদৰ্শিত হৈছিল।[৪০] ২০ এপ্ৰিল ১২ বজাৰ পৰা দ্বিতীয় অধিৱেশন অনুষ্ঠিত হয়।




### প্ৰতীক

এই অধিৱেশনতে সভাৰ ছাব মোহৰৰ বিষয়ে এটা প্ৰস্তাৱ লোৱা হৈছিল—"এই সন্মিলনে সিদ্ধান্ত কৰে যে সভাৰ ছাব মোহৰটি (Common Seal) কোনো চিত্ৰাদি বিশিষ্ট হ'ব নালাগে। তাত "সাহিত্য পৰম সম্পদ" বা "সাহিত্য জাতিৰ প্ৰাণ" তাতকৈ বেছি অৰ্থবোধক কোনো সুৱলা কথা থাকিব পাৰে।"[৪১(ক)] ১৯৫৩ চনত শ্বিলং অধিৱেশনত সভাৰ প্ৰতীক এটিৰ ব্যৱস্থা কৰিবলৈ আৰু প্ৰতীকৰ চানেকি আহ্বান কৰিবলৈ কাৰ্যনিৰ্বাহক সমিতিয়ে প্ৰস্তাৱ লয় যদিও কামত নাহিল। ইয়াৰ পিচত ১৩/৩/৫৫ আৰু ১৪/৩/৫৫ তাৰিখে সভাৰ কাৰ্যনিৰ্বাহক সমিতিৰ সেই বৰ্ষৰ দ্বিতীয় অধিৱেশনত তলত দিয়া প্ৰস্তাৱটি গৃহীত হয়।

### প্ৰস্তাৱ

অসম সাহিত্য সভাৰ প্ৰতীক এটি যুগুত কৰি দিবলৈ তলত দিয়া সদস্য সকলেৰে এটি উপসমিতি পাতি দিয়া হয় আৰু শীঘ্ৰে এই কাম সম্পন্ন কৰিবলৈ সভ্যসকলক অনুৰোধ জনোৱা হয়।

মহেশ্বৰ নেওগ (আহ্বায়ক)
নৰকান্ত বৰুৱা
তৰুণ দুৱৰা
কৰুণাধৰ বৰুৱা
মিত্ৰদেৱ মহন্ত[৪১(খ)]

---

৪০. বসন্ত কুমাৰ গোস্বামী আৰু আব্দুছ ছাত্তাৰ — অভিলেখ, পৃ. ১৭-১৮
৪১. (ক) পূৰ্বোক্ত পৃ. ২৫
৪১. (খ) অসম সাহিত্য সভা পত্ৰিকা, চতুৰ্দশ বছৰ প্ৰথম সংখ্যা, পৃ. ৪১

এনেকৈ কাৰ্যনিৰ্বাহক সমিতিত প্ৰতীক সম্পৰ্কে নানা আলোচনা হৈছিল যদিও শেষত আৰ্হি প্ৰস্তুত কৰিবৰ বাবে শিল্পীসকলৰ মাজত প্ৰতিযোগিতা পতা হৈছিল। কিন্তু আশানুৰূপ নোহোৱাত দ্বিতীয়বাৰ পুনৰ জাননী দিয়া হৈছিল আৰু এশ টকাৰ বঁটা ঘোষণা কৰা হৈছিল। এইবাৰ মুঠ ১৩ খন আৰ্হি সভাই লাভ কৰিছিল। আৰু প্ৰতীক নিৰ্বাচনৰ বাবে এখন বিশেষজ্ঞ সমিতিও গঠন কৰি দিছিল। বিশেষজ্ঞসকলে পৰীক্ষা কৰি উপযুক্ত প্ৰতীক নাপালে। বিশেষজ্ঞ সমিতিৰ পক্ষৰ পৰা তৰুণ দুৱৰা আৰু নৰকান্ত বৰুৱাই পত্ৰযোগে জনালে— *"অসম সাহিত্য সভা প্ৰতীকৰ বাবে পঠোৱা ১৩ খন আৰ্হি চিত্ৰ পৰীক্ষা কৰি চোৱা হ'ল। কিন্তু এই আৰ্হি চিত্ৰবোৰৰ মান উপযুক্ত নোহোৱাৰ বাবে বাছনিত তুলিব পৰা নগ'ল। সেই হেতুকেই আমাৰ মতে শিল্পীসকলক ন-কৈ আৰ্হি পঠিয়াবলৈ অনুৰোধ কৰাটোৰেই যুগুত হ'ব (২০/১২/৫৪)।"* পৰৱৰ্তী কালত জাননীযোগে আৰ্হি আহ্বান কৰা হৈছিল। এইবাৰ আৰ্হিসমূহৰ ভিতৰত যুগল দাসে প্ৰতীকটো আঁকিবলৈ সক্ষম হয়। শিল্পীগৰাকীয়ে অংকন কৰা প্ৰতীকটো সামান্য ইফাল-সিফাল কৰি সমিতিয়ে গ্ৰহণ কৰে।[৪২] এই প্ৰতীক ১৯৫৯ চনত সভাৰ অধিৱেশনৰ (নগাঁও) আৰম্ভণিৰ দিনা, যোৰহাটৰ কেন্দ্ৰীয় কাৰ্যালয়ত ৯ ছেপ্টেম্বৰ তাৰিখে সভাৰ প্ৰতীক অংকিত পতাকা আনুষ্ঠানিকভাৱে প্ৰথম উত্তোলন কৰা হৈছিল। তেতিয়াৰ পৰাই পত্ৰিকা, প্ৰকাশিত গ্ৰন্থ আদি সকলোতে প্ৰতীক ব্যৱহাৰ হ'বলৈ ধৰিলে। সভাৰ অধিৱেশনত পোণপ্ৰথমবাৰৰ বাবে পতাকা উত্তোলন কৰে পলাশবাৰী অধিৱেশনত বিদায়ী সভাপতি অতুল চন্দ্ৰ হাজৰিকাই (১৯৬০)[৪৩]।

**প্ৰতীকৰ ব্যাখ্যা**

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই বিহপুৰীয়া অধিৱেশনত পতাকা উত্তোলন কৰি দিয়া ভাষণখনতেই প্ৰতীকটোৰ ব্যাখ্যা আগবঢ়াইছে। বিদায়ী সভাপতি ভট্টাচাৰ্যই দিয়া ভাষণটিৰ প্ৰাসংগিকতালৈ লক্ষ্য কৰি উদ্ধৃত কৰা হ'ল—

*"যিজনে পতাকাত থকা প্ৰতীকবোৰৰ ভাব আৰু অনুভূতিসমূহ আপোন কৰি হৃদয়ত ল'ব পাৰে, তেওঁ পতাকাৰ অবিহনেও সেই ভাব আৰু অনুভূতিসমূহৰ প্ৰেৰণাৰে নিজৰ জীৱন পৰিচালিত কৰিব পাৰে। যিকোনো সমাজত এনে লোকৰ সংখ্যা কম। বাস্তৱ ক্ষেত্ৰত দেখা যায় জাতি, অনুষ্ঠান, সংঘ, ৰাষ্ট্ৰ সম্প্ৰদায়বোৰে সমূহীয়া জীৱন পৰিচালনা কৰিবৰ বাবে একোখন পতাকা গঢ়ি লয়।*

*অসম সাহিত্য সভায়ো নিজৰ আৰু জাতিৰ জীৱন পৰিচালনা কৰিবৰ বাবে এখন পতাকা গঢ়ি লৈছে। অতীতত ভাৰতবৰ্ষত পতাকাত ধ্বজ, বা কেতু শব্দৰেও চিনাকি দিয়া হৈছিল। চিহ্নাঙ্কিত কাপোৰকেই (সাধাৰণতে পাটৰ কাপোৰেই ব্যৱহৃত হয়) পতাকা বোলা হয়। এই পতাকা একোটা থিয় আৰু পোন খুটাত বা তেনে কোনো অবলম্বনৰ ওপৰত উৰুওৱা হয়। সাহিত্য সভাৰ পতাকাখনৰ আকাৰ আয়ত ক্ষেত্ৰাকাৰ আৰু নিৰ্দিষ্ট জোখৰ (২×৩)। ইয়াৰ*

৪২. অতুল চন্দ্ৰ হাজৰিকা, প্ৰধান সম্পাদকৰ বছৰেকীয়া প্ৰতিবেদন, ৩১/১২/১৯৫৪

৪৩. (ক) অসম সাহিত্য সভাৰ ৰূপলেখা, পৃ. ১৫২

(খ) পলাশবাৰী (মিৰ্জা) অধিৱেশনত পোণপ্ৰথমবাৰৰ বাবে পতাকা উত্তোলন বিধি প্ৰণয়ন হয়।



*চাৰিও দাঁতিত সেউজীয়া শেল দিয়া আছে, আৰু এই সেউজীয়া শেলে আমাৰ সাংস্কৃতিক জীৱনৰ বহল, জীৱন্ত, নিত্য নতুন আৰু গতিশীল ৰূপৰ শেলে আমাৰ সাংস্কৃতিক জীৱনৰ বহল, জীৱন্ত, নিত্য নতুন আৰু গতিশীল ৰূপৰ ক্ষেত্ৰ নিৰ্ধাৰিত কৰি আমাৰ মন তাৰ ওপৰত সন্নিৱিষ্ট কৰে। ই সমূহীয়া জীৱনৰ খেলি-মেলি আঁতৰাই সুন্দৰ সময়লয়ৰ সৃষ্টি কৰি প্ৰাণত মধুৰ ঝংকাৰ তোলে।*

*এই সমলয়ৰ ক্ষেত্ৰত সোঁমাজতে ওপৰ আৰু তল ৰেখাক প্ৰায় চুই যোৱা, সুসমন্বিতভাৱে গ্ৰথিত, শিল্পীৰ দ্বাৰা অংকিত চিহ্নসমূহ এক সুঠাম আৰু সংপৃক্ত ৰূপত আমাৰ আগত প্ৰকাশিত হৈছে। সমূহীয়াভাৱে ইহঁতে আমাক আমাৰ পৰম্পৰা, সৃষ্টি, ৰস, জীৱন, সংসাৰ আৰু মানুহৰ তাৎপৰ্যৰ আভাস দি চিত্তক সৰ্বোত্তম সাংস্কৃতিক সাধনাৰ সেন্দুৰীয়া আলিয়েদি আগবাঢ়িবলৈ প্ৰেৰণা দিয়ে। জানি-বুজি প্ৰেৰণা লভিলে আমি সৃষ্টিৰ পথ দেখা পাম, নুবুজি অন্ধভাৱে গ্ৰহণ কৰিলে ই আমাক ধ্বংসৰ পথলৈ লৈ যাব পাৰে। গতিকে এই পতাকাখন আমি বুজিবৰ হ'ল।*

*সমূহীয়া প্ৰতীকৰ একেবাৰে তলৰ পাদপীঠৰ বগা ঠাই টুকুৰাত ৰঙা আখৰত অংকিত হৈছে 'অসম সাহিত্য সভা'ৰ নামটো। এই নামৰ যোগেদি ইয়াৰ সংবিধান, পৰম্পৰা, কৰ্মসমূহ আৰু উত্তম সেৱকসকলৰ লিখনিয়েদি প্ৰকাশিত হোৱা উত্তম বাণীসমূহৰ সকলো শুভ প্ৰেৰণা প্ৰকাশিত হৈছে। পতাকাখনে অতীততো আমাৰ মনত কৰ্মোদ্যম সৃষ্টি কৰিছে, আৰু ভৱিষ্যতলৈ কৰিব।*

*এই নামেই প্ৰৱেশদ্বাৰ আৰু মণিকূটো। মণিকূটৰ ওপৰত থকা বেদীৰ পটভূমিত অৰ্থ প্ৰকাশিত এটি যাউতিযুগীয়া আঁহত পাতে ছায়াময় আৱৰণৰ মাজত নিজৰ মহিমা নিজে সদৰি কৰিছে। আঁৰত থাকি এই আঁহত পাতটিৰ আভাস-চিত্ৰই লুকাভাকু খেলি সমুখৰ ঠগাখনক (শৰাই), পুথিখনত 'চিৰ চেনেহী ভাষা জননী'ৰ অৰ্ধচন্দ্ৰাকাৰ দুবাহুৰ কোমল আকোৱালৰ মাজত প্ৰজ্বলিত আৰু অসীম কালৰ আৰু অনন্ত ব্ৰহ্মাণ্ডৰ প্ৰতীকস্বৰূপ তৰকাটিত ভৰি দি সৰ্বব্যাপক ওখ আকাশলৈ মুখ কৰি ধ্যানমগ্ন হৈ থকা তেজোময় অক্ষয় প্ৰদীপগছিক সংবৰ্ধিত অৰ্থ আৰু বহুযুগীয়া ভাৰতীয় সাংস্কৃতিক সাধনাৰ গতি শক্তি দান কৰিছে। মুঠতে এই সমূহীয়া প্ৰতীক চিহ্নবোৰে অলপৰ যোগেদি সমস্তকে দান কৰি আমাক এক সাংস্কৃতিক বিশ্ববীক্ষাৰ পথ প্ৰদৰ্শাইছে।*

*এই পতাকাৰ শিল্পী যুগল দাসে ছাঁয়াচ্ছন্ন আঁহত পাতটিকে পটভূমি ৰচনা কৰি অসম সাহিত্য সভাৰ নাম, ধাম, কাম আৰু চিন্তাক আমাৰ সৰ্বভাৰতীয় সংস্কৃতিৰ মহৎ পৰম্পৰা আৰু অসমীয়া লোক-সংস্কৃতিত মজ্জাগত হৈ পৰা তাৰ সুনিৰ্মল প্ৰভাৱৰ লগত সন্নিৱিষ্ট কৰি সেইবোৰক এটা যুগোপযোগী বহল তাৎপৰ্য প্ৰদান কৰিছে। মহেঞ্জোদাৰোৰ মোহৰবোৰত পোৱা ধৰ্মবিশ্বাস সম্বলিত এই আঁহত পাতটিয়ে পিছৰ যুগত সাহিত্য, লোক-সংস্কৃতি, ভাস্কৰ্য আৰু চিত্ৰত সততে পোৱা অশ্বত্থ গছ বা পিপ্পল গছৰ ৰূপ ধাৰণ কৰিছে। ঋকবেদ আৰু অথৰ্ববেদত পোৱা যায়, অশ্বত্থ গছৰ তলত কেনেকৈ শিখণ্ডিন আৰু দেজৰতাসকলে আহি আশ্ৰয় লৈছিলহি। দিগম্বৰ জৈনসকলৰ বিশ্বাস, দশম তীৰ্থংকৰ শীতল নাথৰ প্ৰতীক আছিল অশ্বত্থ গছ; চতুৰ্দশ তীৰ্থংকৰ অনন্ত নাথেও হেনো অশ্বত্থৰ তলতে তীৰ্থংকৰত্ব লাভ কৰিছিল। গীতাৰ দশম অধ্যায়ত আঁহত গছৰ পাতক বেদ বুলি অভিহিত কৰিছে। তেওঁৰ মতে সুদৃঢ়মূল এই সংসাৰৰূপী গছক বৈৰাগ্য*

ৰূপ অস্ত্ৰেৰে ছেদ কৰি পৰম পদ বিচাৰিলেহে মোক্ষ লাভ হয়। অসমীয়া লোক-বিশ্বাসমতেও আঁহত পবিত্ৰ। অকল এয়ে নহয়। এই অশ্বত্থ গছৰ তলতে গৌতম বুদ্ধই বুদ্ধত্ব লাভ কৰিছিল। এই কথাই আমাৰ শিল্পীক বিশেষভাৱে অনুপ্ৰেৰণা যোগাইছিল। মহান উপমা আৰু মহান সাধনাৰ অৱলম্বন স্বৰূপ এই বৃক্ষ যুগ যুগ ধৰি ধাৰাবাহিকৰূপে প্ৰৱাহিত ভাৰতীয় সাংস্কৃতিক সাধনাৰ এটা সাৰ্থক প্ৰতীক। সেয়েহে এই প্ৰতীকটি শিল্পীয়ে সাহিত্য সভাৰ পতাকাৰ অন্যান্য সংপৃক্ত চিহ্নসমূহৰ পটভূমিত ঠাই দিছে। ই আমাক সততে সোঁৱৰাই দিয়ে যে অসমীয়া সাংস্কৃতিক সাধনা ভাৰতীয় সাংস্কৃতিক সাধনাৰ পৰা অবিচ্ছিন্ন। এই কথা অতীততো সত্য আছিল, বৰ্তমান কালতো সত্য আৰু ভৱিষ্যতেও সত্য হ'ব।

বেদীৰ ওপৰত যিখন ঠগা বা শৰাই আছে, সেইখন আমাৰ ইমান সুপৰিচিত আৰু আপোন যে তাক আমি আমাৰ অসমীয়া সংস্কৃতিৰ ঐতিহাসিক আৰু ব্যৱহাৰিক প্ৰতীকৰূপে গ্ৰহণ কৰি লৈছোঁ। শৰাইখন আমি শ্ৰদ্ধা প্ৰদৰ্শনতো ব্যৱহাৰ কৰোঁ আৰু তাক অসমীয়া কলাৰ অনুপম নিদৰ্শন বুলিও ভাবোঁ। এই শৰাইখনৰ ওপৰত যিখন পুথি আছে, সেই পুথিখন আমাৰ চেতন আৰু অৱচেতন মনত সদায় জিলিকি থাকে। আমাৰ মানত থাপনাৰ পুথি পৰম বস্তু। পতাকাৰ এই পুথিখন সেই আৰ্হিতে থোৱা হ'লেও ইয়াত পুথিৰ অৰ্থ সম্পূৰ্ণৰূপে আধুনিক। এই পুথিতে থুপাই থোৱা আছে সমগ্ৰ মানৱীয় জ্ঞান, বিদ্যা, সাহিত্য কলাৰ ৰস, আৰু আমাৰ বাঞ্ছিত প্ৰমূল্যসমূহৰ অমৃতময় ভাণ্ডাৰ। এই অমৃতময় ভাণ্ডাৰত হাত নভৰালে আমাৰ সমস্ত মন তমসাবৃত হৈ পৰিব আৰু আমি অটল অন্ধকাৰত বুৰ গৈ অস্তিত্বৰহিত হৈ পৰিম। শৰাইখনৰ মাজেদি আমি পুথিৰ প্ৰতি শ্ৰদ্ধা, সাহিত্যৰ লগত কলাৰ নিবিড় আৰু সৃষ্টিশীল সম্পৰ্ক ৰক্ষাৰ সংকল্প আৰু কলাসমূহৰ উন্নতি সাধনৰ পৰিৱেশ ৰচনাৰ প্ৰতিশ্ৰুতি ব্যক্ত কৰিছোঁ। শুভ্ৰ ৰঙে জ্ঞান আৰু ৰসৰ সুকুমাৰ, নিৰ্মল, শান্তিময়, আনন্দময় আৰু সুন্দৰ ৰূপ প্ৰকাশ কৰিছে। এনে জ্ঞান আৰু ৰস সাধনাৰ যি ওখ, দুৰ্গম আৰু কঠোৰ পথ, সেই পথ অন্তহীন। সেই অন্তহীন পথ অতিক্ৰম কৰিবৰ বাবে ধৈৰ্যবল যোগাইছে আকাশমণ্ডলৰ ধ্ৰুৱতৰাটিয়ে আৰু সেই মণ্ডলৰ দিক্‌পালৰূপে থকা বাৰটি আখৰে। শেষোক্ত বাৰটি আখৰ লগ লগালে পৃথিৱীৰ সকলো জীৱন্ত ভাষাই চিৰ চেনেহী জননীৰ ৰূপ লয়। এই জননী আমাৰ আগত প্ৰতিভাত হৈ হৃদয়ৰ তলত তেজেৰে অনিৰ্বাণ প্ৰেমৰ অক্ষয়-প্ৰদীপ জ্বলাই আমাক দুৰ্গম বাটেদি ক্ৰমাৎ ওখৰ পৰা ওখলৈ নি আকাশত তুলি দি মনে বিচৰা সৰগখনৰ পোন বাট দেখুৱায়। এই অক্ষয় আকাশ-প্ৰদীপেই আপদে-বিপদে আমাৰ শেষ আশ্ৰয়। পৃথিৱীৰ চৌদিশে সময়ত বিচাৰি নোপোৱা জ্ঞান আৰু ৰসৰ শেষ সত্য আমি যেন অন্তৰ আকাশৰ প্ৰদীপৰ পোহৰত হঠাতে দেখা পাওঁ। অজ্ঞেয়ক জ্ঞেয়, অগম্যক গম্য, অচিন্ত্যক চিন্ত্য আৰু অধৰাক ধৰাৰ এই বাসনাৰ মাজতেই মাৰনাত্মাৰ অন্তিম তৃপ্তি। সেই সাধনাৰ ঠাই মানৱীয় জ্ঞান আৰু ৰসৰ সীমান্তত অৱস্থিত।

পতাকাখনৰ এইবিলাক ভাব মূলতঃ সাংস্কৃতিক হ'লেও ভৌতিক জীৱনৰ পৰা সিহঁত বিচ্ছিন্ন নহয়। সেইবাবে জীৱন-সংগ্ৰামত সন্মুখীন হোৱা অসমতা, অন্যায়, শোষণ, নিষ্ঠুৰতা, দাসত্ব, দ্বেষ আদি সামাজিক আৰু মানৱীয় সমস্যাবোৰৰ সাহসেৰে সন্মুখীন হ'বলৈও এই



প্ৰতীকবোৰৰ পৰা আমি বল পাব লাগিব। সত্যৰ লগত সুন্দৰৰ প্ৰযুক্তিবিদ্যাৰ লগত মানৱমঙ্গলৰ, উদ্যোগীকৰণৰ লগত প্ৰাকৃতিক পৰিবেশৰ, ব্যক্তিৰ লগত সমাজৰ, জাতিৰ লগত বিজাতিৰ, মানুহৰ লগত বিশ্বপ্ৰকৃতিৰ, সভ্যতাৰ লগত সংস্কৃতিৰ আৰু দৈনন্দিন কালৰ মূল্যবোধৰ লগত মহাকালৰ মূল্যবোধৰ সমন্বয় সাধনৰ সমস্যা। এই বহু আয়তনিক আদৰ্শগত আৰু পৰিবেশগত সমস্যাবোৰ মানুহৰ বাবে এক কঠোৰ ৰণাহ্বানস্বৰূপ। এইবোৰ সমস্যাৰ পৰা অসম সাহিত্য সভা আঁতৰি থাকিব নোৱাৰে, কাৰণ আঁতৰি থকা মানে আত্মহত্যা কৰাহে হ'ব। পতাকাখনে আমাক এইবোৰ কাম কৰিবলৈও কয় বা ইংগিত দিয়ে।

অসম সাহিত্য সভাই পৰম্পৰাৰ পৰা প্ৰেৰণা লওক, বৰ্তমানত ভৰি থৈ কামত নামক, সংস্কৃতিৰ দায়িত্ব গ্ৰহণ কৰি মানুহ, জাতি আৰু বিশ্বৰ ভৱিষ্যত গঢ়াতো ভাগ লওক, এয়ে যেন পতাকাখনৰ অব্যক্ত অতিৰিক্ত বাণী। ক্ষুদ্ৰত্ব বিসৰ্জন দিয়ক, বিৰাটৰ সাধনা কৰক। আমিয়েই আমাৰ বন্ধু, আমিয়েই আমাৰ শক্তি। আমি আমাৰ বন্ধু হ'লেহে অসমীয়া জাতিয়ে বিদেশী সমস্যাকে আদি কৰি সকলো সমুখৰ সমস্যা সমাধান কৰিব পাৰিব, আৰু গোটেই বিশ্বখনকে বন্ধু কৰি পৃথিৱী আৰু আকাশক একেখন মজিয়াতে মিলাব পাৰিব। পতাকাখনৰ ই হৈছে অদৃশ্য ইংগিত।[৪৪]

## অধিৱেশনৰ কৰ্মসূচী ১৯/৪/২৪

১। ঐক্যতান বাদন
২। মংগলাচৰণ
৩। বৰগীত — গিৰীশ চন্দ্ৰ ৰায়চৌধুৰী
৪। আদৰণী গীত (লোৱা জননী)
৫। কবিতা পাঠ
৬। অভ্যৰ্থনা সমিতিৰ সভাপতিৰ ভাষণ (শিৱৰাম গগৈ)
৭। সভাপতি নিৰ্বাচন - প্ৰস্তাৱক ঃ ৰজনীকান্ত বৰদলৈ, সমৰ্থক ঃ নীলাম্বৰ দত্ত
৮। সভাপতিক মাল্যদান
৯। অসম বন্দনা (সংস্কৃত)
১০। যোৱা বৰ্ষৰ কাৰ্যবিৱৰণী পাঠ
১১। বিষয় বাছনি সমিতি গঠন
১২। গজল
১৩। আবৃত্তি (বৰাগী আৰু বীণ)
১৪। নিমন্ত্ৰণৰ দুটিমান দৃশ্য (জৰ্জ ইন্সটিটিউটৰ ছাত্ৰ)
১৫। সামৰণি গীত
১৬। ঐক্যতান বাদন

৪৪. বিহপুৰিয়াত অনুষ্ঠিত পতাকা অভিবাদনৰ অংশ বিশেষ

*সন্ধ্যা ৬-৩০ বজাত বিষয় বাছনি সমিতিৰ অধিৱেশন*
*নিশা— মেজিক (প্ৰফেচাৰ ডি ভট্টাচাৰ্য)*
*দিনৰ ১২ বজাৰ পৰা ৬ বজালৈ প্ৰদৰ্শনী খোলা থাকিব।*

**দ্বিতীয় দিন**

**২০ এপ্ৰিল ১৯২৪**

১। *ঐক্যতান বাদন*
২। *বৰগীত গিৰীশ চন্দ্ৰ ৰায়চৌধুৰী*
৩। *সংগীত (ভাৰত ধাত্ৰী মোৰ)*
৪। *নিয়মাৱলী পৰিৱৰ্তন*
৫। *প্ৰস্তাৱ*
৬। *আবৃত্তি*
৭। *প্ৰবন্ধ পাঠ ঃ* *(১) ময়িদুল ইছলাম বৰা (ফাৰ্চী সাহিত্য), (২) স্বাস্থ্য - ডাঃ বিপিন বিহাৰী বৰা, (৩) পূজনীয় আই আৰু মৰমৰ ভাই-ভনীসকল- পদ্মাৱতী দেৱী ফুকননী।*

*পঠিত বুলি ধৰা প্ৰবন্ধ ঃ* *১. পাৰ্চী সাহিত্য- মৌ মহিবুল্লা, ২. ভাৰতৰ জাতি সমস্যা - কমলাকান্ত ভট্টাচাৰ্য, ৩. সংগীত - কীৰ্তিনাথ বৰদলৈ, ৪. কেইখনমান নষ্ট হৈ যোৱা শিলৰ ফলিৰ পাঠ - সোণাৰাম চৌধুৰী, ৫. আমাৰ কৃষি আৰু সাহিত্য - লক্ষেশ্বৰ বৰঠাকুৰ, ৬. অসমীয়া সাহিত্য - বিনন্দ চন্দ্ৰ লাহন, ৭. গোপাল - কণকচন্দ্ৰ শৰ্মা, ৮. দেশৰ উন্নতি তিৰোতা- চন্দ্ৰপ্ৰভা শইকীয়া, ৯. লৰচৰ নোহোৱা আচাৰ নীতি - ৰসেশ্বৰী শইকীয়া, ১০. আৰ্যকৃষ্টি - নাৰায়ণ বৰুৱা, ১১. গাঁৱলীয়া স্বাস্থ্য - মহানন্দ বৰুৱা*

*অমনোনীত ঃ* *(৮) মতা নে তিৰোতা- দণ্ডিনাথ কলিতা (৯) সংগীত (ভাৰত বন্দনা) (১০) ধেমেলীয়া আবৃত্তি (মনবৰ শৰ্মাৰ আক্ষেপ- উমেশ চৌধুৰী) (১১) সভাপতিৰ সামৰণী ভাষণ (১২) শলাগৰ শৰাই (১৩) সামৰণি গীত (অ' মোৰ আপোনাৰ দেশ) (১৪) ঐক্যতান বাদন*

*নিশা ১০ বজাৰ পৰা ঃ* *'মনোমতী' অভিনয়*

## দ্বিতীয় দিনৰ আৰম্ভণী গীত

**অসম সাহিত্য সন্মিলন**
**ডিব্ৰুগড় অধিৱেশন, ২০-৪-২৪**

ভাৰত ধাত্ৰী মোৰ, অসম মাতৃ মোৰ,
ধন্য জীৱন ধন্য প্ৰাণ;



"বন্দে ভাৰতম্" "বন্দে অসমম্"
ধৰাঁ সমস্বৰে পুণ্য-তান।
উদিছে তৰুণ সৌভাগ্য অৰুণ,
স্নানিছে কিৰণে মৰ্ত্যধাম;
জগোৱাঁ অসম অতীত কীৰ্তি,
উদ্ধাৰা মাতৃৰ লুপ্ত মান।
মাধৱ শঙ্কৰে মধুৰ ঝংকাৰে
বজালে যি মহা সাম্য-গান,
সিটি মহাসুৰে বান্ধি কোটি প্ৰাণ
বলা বীৰ-পদে লক্ষ্য স্থান।
মিলন-মন্ত্ৰে জননী-হস্তে
দিয়া হৃদয়ৰ অৰ্ঘ্য দান।
নাৰী শকতিৰ ৰাখি যি চানেকি
প্ৰয়াণিলে জয়া স্বৰ্গ-ধাম,
সিটি চানেকিৰে তুলি নাৰী প্ৰাণ
সমাধাঁ নাৰীৰ পুণ্য কাম।
ভাতৃ-ভগিনীৰ মাতৃ সেৱাৰে
কৰাঁ আমোদিত মাতৃ প্ৰাণ।
অসম গগণে ভূধৰে সলিলে
বিয়পি পৰিব নব্য প্ৰাণ,
উৰিছে উলাহে আনন্দ পতাকা
উঠিছে উন্নতি পুণ্য-বান;
ফুলিব সুন্দৰ অসম ফুলনি,
হ'ব মহাসুখে নৃত্য-গান।

— পদ্মধৰ চলিহা

## চন্দ্ৰকান্ত অভিধানৰ শুভাৰম্ভ

ডিব্ৰুগড়ত অনুষ্ঠিত ষষ্ঠ অধিৱেশনতে পোণ প্ৰথম চন্দ্ৰকান্ত অভিধান প্ৰণয়নৰ বিষয়ে আলোচনা হয় আৰু সেই চনৰে ছেপ্টেম্বৰ মাহৰ ১৯ তাৰিখৰ পৰা অভিধান প্ৰণয়ন সূচনা হয়। প্ৰাচীন পুথি আৰু চলন্ত ভাষাটোৰ শব্দ সংগ্ৰহৰ কাম আৰম্ভ হয়। তেখেতক সহায় কৰিবৰ কাৰণে নকুল চন্দ্ৰ

ভূঞাক মাহে ২৫ টকা বেতনত নিযুক্তি দিয়া হয়। অভিধান প্ৰণয়নত সহায় কৰিবৰ কাৰণে তলত নাম দিয়া সদস্যসকলক লৈ এখন সম্পাদনা সমিতি গঠন কৰা হয় [৪৫]—

(১) ৰায় বাহাদুৰ ৰাধাকান্ত সন্দিকৈ
(২) কুলধৰ চলিহা
(৩) চন্দ্ৰধৰ বৰুৱা
(৪) দেৱেশ্বৰ চলিহা
(৫) পূৰ্ণানন্দ শৰ্মা পাঠক
(৬) বিষ্ণুপ্ৰসাদ দুৱৰা
(৭) যোগেন্দ্ৰনাথ বৰুৱা
(৮) গোপাল চন্দ্ৰ বৰুৱা
(৯) শৰৎ চন্দ্ৰ গোস্বামী

ইয়াৰ উপৰি নগাঁৱৰ ৰুদ্ৰকান্ত গোস্বামীকো নিযুক্তি দিয়া হৈছিল। গোৰীপুৰৰ পীতাম্বৰ চক্ৰৱৰ্তী, হৰেন্দ্ৰনাথ শৰ্মা, কামৰূপৰ ধৰ্মনাথ শৰ্মা আৰু যোৰহাটৰ লক্ষেশ্বৰ শৰ্মাক মাননি দি শব্দ সংগ্ৰহৰ দায়িত্ব দিয়া হৈছিল।[৪৬]

প্ৰতি দেওবাৰ আৰু বুধবাৰে সম্পাদনা সমিতিৰ বৈঠক বহিছিল সন্ধ্যা ছয় বজাত। সম্পাদনা সমিতিয়ে অভিধানৰ কাম চোৱাৰ উপৰি অভিধান প্ৰণয়নৰ নীতি-নিৰ্দেশনা যুগুতাই দিছিল। সম্পাদনা সমিতিৰ পৰামৰ্শ মতেই কোঁহিৰাম দাসে অভিধান প্ৰণয়ন কৰিছিল। ১৯/৯/২৪ তাৰিখে আৰম্ভ কৰা অভিধানৰ ২৭/১২/২৫ তাৰিখলৈকে স্বৰবৰ্ণ আৰু ব্যঞ্জনবৰ্ণৰ 'ক' শেষ হৈছিল।[৪৭] ৮/১০/২৭ তাৰিখলৈকে অভিধানৰ 'ল' আখৰলৈকে সম্পূৰ্ণ হৈছিল। *"সংগ্ৰাহক শ্ৰীযুত কোঁহিৰাম দাস আৰু তেওঁৰ সহায়ক শ্ৰীযুত ৰুদ্ৰকান্ত গোস্বামী উভয়ে যথাসাধ্য চেষ্টা কৰি অভিধান প্ৰণয়নৰ কামত মুৰ পাতি লাগিছে। ... ৰায় বাহাদুৰ শ্ৰীযুত ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াই বাৰ্ধক্য আৰু শোকৰ কাৰণে*

৪৩. *(১) অসম সাহিত্য সভা পত্ৰিকা, প্ৰথম বছৰ, প্ৰথম সংখ্যা, পৃ. ১৫-১৬*
*(২) কোঁহিৰাম দাস, স্মৃতিগ্ৰন্থ, ১৯৮২, পৃ. ৫৮*

৪৬. *চন্দ্ৰকান্ত অভিধান আৰু ইন্দ্ৰকান্ত ব্যাকৰণ প্ৰণয়ন সম্পৰ্কে ১৯/১২/২৩ তাৰিখে অনুষ্ঠিত কাৰ্যনিৰ্বাহক সমিতিত জাননী দিবৰ কাৰণে প্ৰধান সম্পাদকক দায়িত্ব দিয়ে। সেইমৰ্মে তেতিয়াৰ প্ৰধান সম্পাদক শৰৎচন্দ্ৰ গোস্বামীয়ে দিয়া জাননীখন আছিল—*
*(ক) ৰায়বাহাদুৰ শ্ৰীযুত ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াৰ দানৰ সহায়েৰে চন্দ্ৰকান্ত অভিধান, আৰু ইন্দ্ৰকান্ত ব্যাকৰণ প্ৰণয়নৰ কাৰণে চেষ্টা কৰা হ'ব বুলি ইতিপূৰ্বে কাগজে-পত্ৰই জনোৱা হৈছে। কি প্ৰকাৰে এই কাজ ভালদৰে আৰু সোনকালে হ'ব পাৰে সেই বিষয়ে আসাম সাহিত্য সভাই ৰাইজৰ মত বিচাৰিছে। আমি সানুনয়ে প্ৰাৰ্থনা কৰোঁ যেন এই বিষয়ে ভাবি চিন্তি চাই জনা বুজা লোকসকলে আমাক বিহিত পৰামৰ্শ দিয়ে।*
*(খ) অভিধান আৰু ব্যাকৰণ প্ৰণয়নৰ কাৰণে তিনি-চাৰি হেজাৰ টকা খৰছ কৰা হ'ব। ছপাৰ কাৰণে বেলেগে আৱশ্যকীয় টকাৰ দিহা হোৱাৰ আশা আছে। এই টকা পুৰস্কাৰস্বৰূপে দিলে কোনো লোকে ব্যাকৰণ আৰু অভিধান সংকলনৰ কাম হাতত ল'ব খোজেনে তাকো সভাই জানিব খোজে। এই বিষয়টো আমি সুধি সমাজৰ পৰা উত্তৰ আশা কৰিছোঁ। অহা ফেব্ৰুৱাৰি মাহৰ ভিতৰতে যেন অনুগ্ৰহ কৰি জনায়। বিশেষৰূপে কিবা জানিবলৈ হ'লে আমাক লিখিলে অতি সাদৰেৰে জনোৱা হ'ব।*

৪৭. *পূৰ্বোক্ত, পৃ. ১৪-১৬*



*আতুৰ হৈ থকা দেহাৰেও সংগ্ৰাহকসকলৰ লিখাবোৰ দোহাৰি চাইছে। ৰায়বাহাদুৰ ডাঙৰীয়া সুযোগ্য পুতেক শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈদেৱেও দেউতাকক এই কাৰ্যত সহায় কৰিছে বুলি জানিবলৈ পাই আমি সন্তোষ পাইছোঁ। অভিধানৰ কাৰণে ৰায়বাহাদুৰ ডাঙৰীয়াই দিয়া ১৫,০০০ (পোন্ধৰ হেজাৰ) টকাৰ সুতেৰে সংগ্ৰাহকসকলক গোটেই বছৰৰ দৰমহা দিবলৈ নাটে। সেইবাবে তেখেতে ওপৰঞ্চি টকাখিনি সভাক ধাৰলৈ দি সভাক মহৎ উপকাৰ সাধন কৰিছে।"*[৪৮] নকুল চন্দ্ৰ ভূঞাই সহকাৰী সম্পাদকৰূপে ২৫ ফেব্ৰুৱাৰি তাৰিখৰ পৰা (১৯২৫) এবছৰ কাম কৰে। ১৯২৬ চনৰ এপ্ৰিল মাহৰ ৬ তাৰিখে তেখেতে ইস্তফা দিয়ে। তেখেতৰ ঠাইত ৰুদ্ৰকান্ত গোস্বামীৰ দায়িত্ব দিয়া হৈছিল যদিও ১৯২৮ চনৰ ৪ এপ্ৰিল তাৰিখে দায়িত্বৰ পৰা তেওঁ অব্যাহতি লয়। সকলোত কৈ অধিক সময় নিষ্ঠাৰে (প্ৰায় তিনিবছৰ) কোঁহিৰাম দাসে কাম কৰিছিল। মন কৰিবলগীয়া উল্লিখিত কোনোজনকে প্ৰথম পাতনিত শলাগ জ্ঞাপন কৰা নাই। তদুপৰি অভিধানখন প্ৰকাশ হোৱাৰ পিছত এটি গোচৰো তৰাৰ সম্ভেদ পোৱা যায়। চন্দ্ৰকান্ত অভিধান প্ৰকাশ পোৱাৰ অসন্তুষ্টিৰ এনেকৈ বহিৰ্প্ৰকাশ ঘটে। অভিধান পুঁজিত ধনৰ নাটনিৰ বাবে ৩০/১১/২৭ তাৰিখৰ পৰা দাসক সসন্মানে অব্যাহতি দিয়া হয়। (পৰিশিষ্টত দাসৰ নিযুক্তি পত্ৰ দিয়া হৈছে)

অভিধানখন ছপা হৈছিল 'অন্নদা প্ৰিন্টিং হাউচ'-ত। 'সতীশ চন্দ্ৰ ব্ৰহ্মচাৰী দ্বাৰা মুদ্ৰিত কৰা হ'ল' বুলি তলত "যোৰহাট, আসাম" ব্যৱহাৰ কৰিছিল। আসাম সাহিত্য সভাৰ দ্বাৰাই সংকলিত আৰু প্ৰকাশিত বুলিও লিখা হৈছিল। ১৮৫৪ শক প্ৰকাশ কাল। মূল্য ৭ টকা আছিল। পৰিশিষ্ট প্ৰচ্ছদ পত্ৰৰ চিত্ৰ দিয়া হৈছে। অন্নদা প্ৰিন্টিং হাউচ আচলতে যোৰহাটৰ শান্তি আশ্ৰমৰ ছপাশাল গংগাধৰ বৰকটকীয়ে কিনি আনি প্ৰতিষ্ঠা কৰিলে যোৰহাটত। গংগাধৰ বৰকটকীৰ পুত্ৰ অবজধৰ বৰকটকীও এই অভিধান ছপা কাৰ্যত জড়িত হৈছিল। চন্দ্ৰকান্ত অভিধান প্ৰকাশ হোৱাৰ পিছত পত্ৰিকাৰ দশম বছৰৰ ৩য় সংখ্যাত বিজ্ঞাপন প্ৰকাশ হৈছিল। পৰিশিষ্টত বিজ্ঞাপনৰ চিত্ৰ দিয়া হৈছে। ইয়াৰ পাতনি (১) যুগুত কৰিছিল সভাৰ প্ৰধান সম্পাদক দেৱেশ্বৰ চলিহাই। পাতনিখন পৰিশিষ্টত সংযোগ কৰা হৈছে। ইয়াৰ উপৰি দ্বিতীয়খন পাতনি লিখিছিল দেৱানন্দ ভঁৰালীয়ে (৩১/১২/৩৩)। এইখনেই আধুনিক ভাষাতত্ত্বৰ আৰ্হিত অসমীয়া ভাষাৰ প্ৰথম আলোচনা বুলিব পাৰি।[৪৯] চন্দ্ৰকান্ত অভিধান প্ৰকাশ হোৱাৰ পিছত সভা নানা সমালোচনাৰ সন্মুখীন হৈছিল। এই সম্পৰ্কে মহেশ্বৰ নেওগে কৈছে—It rouged a huge cloud of controvercy particularly over its explanation of names of different castes and tribes.[৫০] সেয়ে সভাই অভিধানখনৰ সংশোধনৰ কাৰণে

৪৮. *পূৰ্বোক্ত, দ্বিতীয় বছৰ, প্ৰথম সংখ্যা, পৃ. ৪৮*

৪৯. *Basanta Kumar Goswami, Theory of Assamese Dictionary unpublished (Theses), 1994, P. 62*

৫০. *অসম সাহিত্য সভা পত্ৰিকা ষষ্ঠ বছৰ তৃতীয় সংখ্যা, পৃ. ১৫১*

তলত দিয়া লোকসকলক লৈ এখন সংশোধন সমিতি গঠন কৰি দিছিল। সেই সমিতিৰ সভাপতি আছিল যোৰহাট কলেজৰ অধ্যক্ষ কৃষ্ণকান্ত সন্দিকৈ।

**সদস্যসকল হ'ল**

(১) পণ্ডিত উমাকান্ত মিশ্ৰ ব্যাকৰণ তীৰ্থ বিদ্যা বিনোদ
(২) অধ্যাপক তুলসী নাৰায়ণ শৰ্মা
(৩) মৌঃ জেহিৰুদ্দিন আহমদ, বি এ বি টি
(৪) লক্ষেশ্বৰ বৰুৱা, বি. এ. বি. টি.
(৫) ডিম্বেশ্বৰ নেওগ, বি. এ. বি. এচ. চি
(৬) হৰিনাৰায়ণ দত্ত বৰুৱা
(৭) প্ৰধান সম্পাদক

ছমাহৰ ভিতৰত সংশোধন সম্পূৰ্ণ কৰিবলৈ দিয়া হৈছিল যদিও ১০ মাহত ২০৩ টকা ৪ অনা খৰছ কৰি ব্যঞ্জন বৰ্ণৰ 'জ' আখৰ লৈহে সংশোধন কৰিব পৰা হ'ল কাৰণে ট্ৰাষ্ট ফণ্ডৰ সুতৰ টকা খৰছ হোৱাত ট্ৰাষ্ট ব'ৰ্ডে সংশোধনৰ কাম স্থগিত ৰাখে।[৫১] চন্দ্ৰকান্ত অভিধান সম্পৰ্কত হোৱা সমালোচনাৰ মোখনি মাৰে লক্ষ্মীনাথ বেজবৰুৱাই সেই চনৰ "বাতৰি"ত বেজবৰুৱাৰ লেখাই প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছিল (পৰিশিষ্ট চাওক)।

কৃষ্ণকান্ত সন্দিকৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হৈ থকা অৱস্থাত অভিধানখন প্ৰকাশৰ বাবে দান আগবঢ়ায় আৰু অসম সাহিত্য সভা আৰু চন্দ্ৰকান্ত ইন্দ্ৰকান্ত ন্যাস সমিতিয়ে দ্বিতীয় সংস্কৰণৰ দায়িত্ব গুৱাহাটী বিশ্ববিদ্যালয়ক অৰ্পণ কৰে। কৃষ্ণকান্ত সন্দিকৈয়ে ৩৭,০০০.০০ টকা বিশ্ববিদ্যালয়ক দানস্বৰূপে দিছিল। দানৰ এটা চৰ্ত আছিল— অভিধান বেছি পোৱা ধন বিশ্ববিদ্যালয়ে অভিধান প্ৰকাশন পুঁজিত জমা ৰাখিব। আৰু সময়ত তাৰে নতুন সংস্কৰণ উলিয়াব। লগতে অভিধানৰ সকলো কাম বিশ্ববিদ্যালয়ৰ যোগেদি হ'ব লাগে। বিশ্ববিদ্যালয়ৰ কাৰ্যপালিকাই ১৯৫৪ চনৰ মে' মাহত ড° সূৰ্যকুমাৰ ভূঞা, ডক্টৰ বিৰিঞ্চি কুমাৰ বৰুৱা, অধ্যাপক উপেন্দ্ৰচন্দ্ৰ লেখাৰু, অতুল চন্দ্ৰ হাজৰিকা, অধ্যাপক মহেশ্বৰ নেওগ, অধ্যাপক সত্যেন্দ্ৰনাথ শৰ্মাক লৈ চন্দ্ৰকান্ত অভিধান সংশোধন সমিতি গঠন কৰে। এই সমিতিয়ে সংশোধন কৰা নীতি-নিৰ্দেশনা তৈয়াৰ কৰাৰ লগতে প্ৰায় দুহেজাৰ

---

৫১. *Neog Maheswar, Annals of Assam Sahitya Sabha,, P. 18*

*শ্ৰীশৰৎ চন্দ্ৰ গোস্বামী*
*আসাম সাহিত্য সভাৰ প্ৰধান সম্পাদক*



অতিৰিক্ত শব্দ সংযোগ কৰে। ১৯৬২ চনত দ্বিতীয় সংস্কৰণ প্ৰকাশ হয়। ইয়াৰ পিছতো অভিধানখনৰ ৩য় আৰু ৪ৰ্থ সংস্কৰণো প্ৰকাশ হয় ক্ৰমে ড° মহেশ্বৰ নেওগ আৰু ড° মালিনী গোস্বামীৰ সম্পাদনাত।

## কৃষি বিষয়ক পুথি

ডিব্ৰুগড়ত অনুষ্ঠিত এই অধিৱেশনতে কৃষি বিষয়ক এখন পুথি প্ৰণয়ন কৰিবৰ বাবে ১০০.০০ টকাৰ পুৰস্কাৰ ঘোষণা কৰা হৈছিল। এই টকা সভাপতি কনকলাল বৰুৱা আৰু হেমচন্দ্ৰ গোস্বামীয়ে আগবঢ়াইছিল। লেখা প্ৰস্তুত কৰিবলৈ সেই সময়ৰ অসম ভেলিৰ Agricultural Superintendent মৌ ফজলুল হক আহমদ BA. GM RAS- ক দায়িত্ব দিয়া হৈছিল।[৫২]

### পুৰণি পুথি সংগ্ৰহৰ আঁচনি

এই অধিৱেশনতে পুৰণি পুথি সংগ্ৰহৰ আঁচনিও লোৱা হৈছিল। ইয়াৰ বাবে অৰ্থ-সাহায্য আগবঢ়াইছিল ডিব্ৰুগড়ৰ প্ৰসন্ন কুমাৰ বৰুৱাই।

### সভাৰ পঞ্জীয়ন

এই বৰ্ষত যোৰহাটত বহা পঞ্চম সন্মিলনত সভাক ১৮৬০ চনৰ ২১ নং আইন অনুসৰি পঞ্জীয়ন কৰিবৰ কাৰণে গ্ৰহণ কৰা প্ৰস্তাৱ ১৯২৪ চনৰ ৫ মে' তাৰিখে সভাৰ পঞ্জীয়ন হয়।

---

৫২. *অসম সাহিত্য সভা পত্ৰিকা, প্ৰথম বছৰ, প্ৰথম সংখ্যা, পৃ. ১৫*

*(১) সভাই সংগীতৰ বিকাশৰ কাৰণে সংগীত সংঘ প্ৰতিষ্ঠা কৰি এজন উপযুক্ত লোকক বাহিৰলৈ পঠিয়াই সংগীত শিকিবৰ কাৰণে ব্যৱস্থা কৰিবলৈ প্ৰস্তাৱ লয়।*

*(২) ঢাকাত থকা ছাত্ৰ-ছাত্ৰীয়ে অসমীয়া শিকিবলৈ আগ্ৰহ প্ৰকাশ কৰাত সভাই শিক্ষাৰ ব্যৱস্থা কৰিবলৈ কাৰ্যনিৰ্বাহক সমিতিক দায়িত্ব দিয়ে।*

*(৩) এই বৰ্ষতে সভাৰ প্ৰধান সম্পাদকে উত্তৰ লক্ষীমপুৰ শাখা সভাত সভাপতিৰ ভাষণত দ্বিত্ব বৰ্জন কৰিছিল এই সম্পৰ্কে সভাৰ মত এনেকৈ প্ৰকাশ পাইছিল— "... ৰেফযুক্ত সকলো বৰ্ণ এটীয়াকৈ লিখা প্ৰণালী আসাম সাহিত্য সভাই গ্ৰহণ কৰিছে বুলি আমি বুজাব খোজা নাই। সংস্কৃত ব্যাকৰণ অনুসৰি বিকল্প ৰেফযুক্ত বৰ্ণবোৰ তেখেতে লিখাৰ দৰে এটীয়াকৈ লিখিলেও অশুদ্ধ নহয়। কিন্তু তেনে নীতি বৰ্তমান অসমীয়া ভাষাত প্ৰচলিত নহয়।" (পত্ৰিকা ৫ম বছৰ, ৩য় সংখ্যা, পৃ. ৯৬)*

*এই সভাৰ একাদশ বাৰ্ষিক অধিৱেশনত Memorandum of Association এই ইংৰাজী শব্দৰ আগত 'সভা সংগঠনী দলিল' শব্দৰ প্ৰয়োগ কৰিবলৈ সিদ্ধান্ত কৰে (অ.সা.স.প. ৩ য় বছৰ ৬ষ্ঠ সংখ্যা, পৃ. ২৫৫)*

*এই সন্মিলনতে মৌলবী মফিজুদ্দিন আহমদ হাজৰিকাক এটা সাহিত্যিক পেঞ্চন দিবৰ কাৰণে চৰকাৰক সভাই অনুৰোধ জনাইছিল- আৰু চৰকাৰ মান্তি হৈছিল— I am to say that the Government have decided to grant a literary pension to the Maulavi and that the necessary orders sanctioning the pension will issue after the budget is passed by the council and when the date of Malavi's retirement from Government Service is known.*

◆◆◆◆◆

# কনকলাল বৰুৱা

কনকলাল বৰুৱাৰ জন্ম ১৬ ডিচেম্বৰ, ১৮৭২ আৰু মৃত্যু ১৯১৬ চনত। প্ৰখ্যাত বুৰঞ্জীবিদ আৰু প্ৰত্নতাত্ত্বিক, কলিকতাৰ অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ লগত ওতপ্ৰোতভাৱে জড়িত। 'জোনাকী' আলোচনীৰ সম্পাদকৰ দায়িত্বও পালন কৰিছিল। ১৮৯৬ চনত অসমীয়া পুথিৰ তালিকা এখন যুগুত কৰে। এই কাৰ্যত বৰুৱাক সহায় কৰে ৰমাকান্ত বৰকাকতীয়ে। বুৰঞ্জী আৰু পুৰাতত্ত্ব সম্বন্ধীয় অনেক প্ৰবন্ধ 'জোনাকী' আৰু 'বাঁহী'ত প্ৰকাশ পাইছিল। The Indian Culture নামৰ কলিকতাৰ পৰা ওলোৱা কাকতত বৰুৱাৰ ভালেখিনি লেখা প্ৰকাশ পাইছিল। কামৰূপ অনুসন্ধান সমিতিৰো তেখেত সভাপতি আছিল। এই সমিতিৰ মুখপত্ৰ The Journal of the Assam Research Society-ৰো বৰুৱা সম্পাদক আছিল। অসম সাহিত্য সভাৰ যত্নত স্থাপন হোৱা ৰাজ্যিক সংগ্ৰহালয়ৰ লগতো জড়িত হৈছিল। বৰুৱাৰ কালজয়ী সাহিত্য কৰ্ম *Early History of Kamrup (1933)*

কলিকতাত উচ্চ শিক্ষাৰে শিক্ষিত বৰুৱাই ১৯০৪-০৯ চনলৈকে বিভিন্ন বিভাগত উচ্চপদস্থ চাকৰি কৰি শেষত শিল্প বিভাগৰ সঞ্চালক আৰু সমবায় বিভাগৰ পঞ্জীয়কৰ দায়িত্বও পালন কৰে। ১৯২৮ চনত অৱসৰ গ্ৰহণ কৰা বৰুৱাই ১৯৩৩ চনত মন্ত্ৰী দপ্তৰ লাভ কৰে।

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

সভাত প্ৰতিনিধিৰ সংখ্যা ৬০ জন নগৰ চহৰৰ ভালেসংখ্যক লোক সমৱেত হৈছিল। সভাঘৰ মানুহেৰে থাহ খাই পৰিছিল।

গড়মূৰীয় অধিকাৰক ছালপীৰাত বহিবলৈ আসন দিয়া হয়।

ৰজনীকান্ত বৰদলৈয়ে সভাপতিক আসন গ্ৰহণ কৰিবলৈ প্ৰস্তাৱ কৰে সমৰ্থন কৰে ৰায় বাহাদুৰ নীলাম্বৰ দত্তই।

ডিব্ৰুগড়ৰ ১৮ জন আৰু আন ঠাইৰ ২৯ জন সভ্যৰে সন্ধ্যা ৬-৩০ বজাৰ পৰা বিষয়বাছনী সভা অনুষ্ঠিত হয়।

এই সন্মিলনত ৰাইজৰ ওচৰত অৰ্থসাহায্য বিচাৰি শৰৎ চন্দ্ৰ গোস্বামী আৰু কুলধৰ চলিহাই ৰাইজৰ ওচৰত আহ্বান জনায়। ফলত নগদ ৩৫.০০ টকা আৰু ১,৮২৭.০০ টকাৰ প্ৰতিশ্ৰুতি পোৱা হয়।

সন্মিলনত শৰৎ চন্দ্ৰ গোস্বামী পুনৰ প্ৰধান সম্পাদক হয় সহকাৰী সম্পাদক দেৱেন্দ্ৰনাথ বেজবৰুৱা আৰু হৰিনাথ পাঠক চৌধুৰী, ধনভঁৰালী দেৱেশ্বৰ শৰ্মা হিচাপ পৰীক্ষক ঈশ্বৰ প্ৰসাদ বৰুৱা প্ৰমুখ্যে ২০ জনীয়া কাৰ্যনিৰ্বাহক সমিতি গঠন হয়।

দ্বিতীয় দিনাৰ কাৰ্যসূচীৰ অন্তত জৰ্জ ইন্‌ষ্টিটিউটৰ চোতালত চাহ মেলৰ আয়োজন হয়। উল্লেখযোগ্য এই অধিৱেশনতে 'অ' মোৰ আপোনাৰ দেশ' গীতেৰে সভাৰ সামৰণি পৰে।

সভাৰ চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ বাবে মাটি বিচাৰি কৰা আবেদনৰ প্ৰতিলিপি পৰিশিষ্টত দিয়া হৈছে। পৰিশিষ্টত শ্ৰীশ্ৰীদক্ষিণপাটীয় গোস্বামীৰ চিঠি সংযুক্ত কৰা হৈছে।

◆◆◆◆◆

# অভিভাষণৰ সুবচন

*যি কাৰ্যৰ নিমিত্তে অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ জন্ম হৈছিল সেই কাৰ্য অতি সন্তোষজনকৰূপে সিদ্ধি হৈ যোৱাৰ পাছত সেই সভা এতিয়া আৰু নাই কিন্তু তাৰ পৰিৱৰ্তে এই সাহিত্য সভাই জন্ম ল'লে।*

*****


*অসমীয়া ভাষা উন্নতি সাধিনী সভাই নিজ দেশত গজাব নোৱাৰি বিদেশত জন্ম লৈছিল। কেঁচুৱা সভাক তুলি-তালি ডাঙৰ কৰিছিল পঢ়াশলীয়া ছাত্ৰবে। এই সভাই নিজ দেশতে জন্ম লৈছে আৰু গুৰিৰে পৰা কৃতবিদ্য পদাৰ্থযুক্ত সমাজৰ গণ্যমান্য লোকসকলে এই সভাৰ তত্ত্বাৱধান কৰিছে। দেশত মাতৃভাষা আৰু সাহিত্যৰ প্ৰতি লোকৰ কিমান অনুৰাগ বাঢ়িছে তাক ইয়াৰ পৰাই বুজিব পাৰি। অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ গুৰিয়াল আছিল ডেকা ল'ৰাবিলাকৰ। গতিকে সেই সভাৰ কাম স্বভাৱৰ গুণেই ক্ষিপ্ৰভাৱে চলিছিল আৰু সেই সময়ত তেনেভাৱে কাম নচলা হ'লে ইমান শীঘ্ৰে সিদ্ধি লাভ নহ'লহেঁতেন। বয়সীয়াল গুৰিয়ালৰ হাতত এই সভাৰ কাম গম্ভীৰভাৱে চলিলেও মোৰ মনেৰে কাজ বিশেষ সমীচীনভাৱে চলিছে আৰু এই সভাৰ দ্বাৰা যে সোনকালে হওক বা পলমে হওক অসমীয়া সাহিত্যৰ বিশেষ উন্নতি হ'ব তাত কোনো সন্দেহ নাই।*

*****

*আমাৰ দেশৰ বৰ্তমান আৱশ্যকৰ বাবে আৰু আমাৰ সাহিত্যৰ অংগ পূৰ্ণ কৰিবৰ নিমিত্তে আমাৰ সম্প্ৰতি ধৰ্মনীতি, সমাজনীতি বা ৰাজনীতি বিষয়ক পুথি বা আলোচনীতকৈ অৰ্থবিজ্ঞান, কৃষিবিজ্ঞান, শিল্প-বাণিজ্য, স্বাস্থ্যতত্ত্ব, শিক্ষা-সমবায় আদি কৰি লাগতিয়াল বিষয়বিলাকৰ ফালে, পুথি, সাময়িক পত্ৰিকা, প্ৰবন্ধ, বক্তৃতা প্ৰভৃতি ঘাইকৈ লাগে। বিশেষ এইবিলাকৰ বিষয়ে সৰল প্ৰাঞ্জল ভাৱ আমাৰ দেশত মানুহক বুজাবলৈ আৰু সেইবিলাকৰ ফালে আমাৰ মন ঢাল খুৱাবলৈ এই সভাই পাৰিলে এখনি সুবৃহৎ অসমীয়া আলোচনী উলিয়াব লাগে। এইবিলাকৰ বিষয়ে পুথি, প্ৰবন্ধ আদি লিখিবলৈ এই পাৰ্যমানে লেখকবিলাকক উৎসাহ দিব লাগে।*

*****

*সাহিত্যৰ কেইবাটাও অংগত যে অসমীয়া জাতি অইনতকৈ হীন তাক আমি স্বীকাৰ কৰিব লাগে। অসমীয়া জাতি যে সংগীতপ্ৰিয় তাৰ কোনো ভুল নাই. অসমীয়া ডেকা-গাভৰু, বোৱাৰী-জীয়াৰী, বুঢ়া-আদহীয়া সকলোৰে মুখতে গীত শুনিবলৈ পোৱা যায়। অসম দেশত যেনেকৈ গৰখীয়া, ম'হৰখীয়া, টঙীৰখীয়া, নাও বোৱা, হাবিকটা মানুহৰ মুখত গীত শুনা যায় ভাৰতবৰ্ষৰ আন ঠাইত তেনে কম। তথাপি সংগীত বিদ্যাৰ যে আমাৰ দেশত উন্নতি হোৱা নাই এই কথা নুই কৰিব নোৱাৰি।*



# সপ্তম অধিৱেশন, গুৱাহাটী

(২৭, ২৮ আৰু ২৯ ডিচেম্বৰ, ১৯২৪)

গুৱাহাটীৰ উজান বজাৰৰ লতাশিল পথাৰত সুসজ্জিত ৰভা ঘৰ আৰু সুসজ্জিত মঞ্চত
২৭, ২৮ আৰু ২৯ ডিচেম্বৰ (১৯২৪) তাৰিখে সভাৰ সপ্তম অধিৱেশন অনুষ্ঠিত হয়। অভ্যৰ্থনা
সমিতিৰ সভাপতি আছিল সত্যনাথ বৰা, লক্ষ্মীনাথ শৰ্মা আৰু সৰ্বেশ্বৰ শৰ্মা কটকী আছিল
যুটীয়া সম্পাদক। প্ৰদৰ্শনীৰ সম্পাদক হেমচন্দ্ৰ গোস্বামী আৰু জ্বলতিৰাম ভূঞা লহকৰ।
সভাপতি বেজবৰুৱাক ২৬ তাৰিখে গুৱাহাটী ষ্টেছনৰ পৰা গুৱাহাটীৰ ভালেসংখ্যক গণ্যমান্য
লোকে আদৰি আনে। বেজবৰুৱাৰ লগত কন্যা ৰত্না বেজবৰুৱা আৰু কলিকতাৰ পৰা কেইবাজনো
প্ৰতিনিধি আহিছিল। এই সন্মিলনৰ সভাপতিৰ আসন অলংকৃত কৰিছিল অসমীয়া ভাষা সাহিত্য-
সংস্কৃতিৰ যুগ প্ৰৱৰ্তক লক্ষ্মীনাথ বেজবৰুৱাই। বেজবৰুৱাৰ ওখ ব্যক্তিত্বত মোহিত হৈ সেই
সময়ৰ অসমীয়া সাহিত্যৰ ৰথী মহাৰথীসকল সভা মণ্ডপত সমৱেত হৈছিল। অসম সাহিত্য
সভাৰ ৰূপলেখাত অতুলচন্দ্ৰ হাজৰিকাই উল্লেখ কৰা দিগগজসকল হ'ল— সত্যনাথ বৰা,
কমলাকান্ত ভট্টাচাৰ্য, পদ্মনাথ গোহাঞিবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, ৰজনীকান্ত বৰদলৈ, হিতেশ্বৰ
বৰবৰুৱা, দণ্ডিনাথ কলিতা, নবীন চন্দ্ৰ বৰদলৈ, সূৰ্যকুমাৰ ভূঞা, বাণীকান্ত কাকতি, চৈয়দ মহিবুল্লা,
জ্ঞানদাভিৰাম বৰুৱা, মহম্মদ চালেহ, ডিম্বেশ্বৰ নেওগ, জ্যোতিপ্ৰসাদ আগৰৱালা আদি।[৫৩] দ্বিতীয়
দিনা অৰ্থাৎ ২৮ ডিচেম্বৰ তাৰিখে বিয়লি ২ বজাৰ পৰা সংগীত সংঘৰ অধিৱেশন বহে। সংগীত
সংঘৰ সভাপতি নগেন্দ্ৰনাৰায়ণ চৌধুৰী উপস্থিত থাকিব নোৱৰাত ৰজনীকান্ত বৰদলৈক সভাপতিৰ
দায়িত্ব দিয়া হয় আৰু তেখেতে চৌধুৰী ডাঙৰীয়াৰ অভিভাষণ পাঠ কৰে। সংঘৰ অধিৱেশনত
পদ্মধৰ চলিহাই এটি প্ৰবন্ধ পাঠ কৰে। প্ৰফুল্লচন্দ্ৰ বৰুৱা, ৰত্নেশ্বৰ বৰদলৈ, বিষয়চন্দ্ৰ মহন্তই গীত
গায় আৰু বাদ্য বজায়। সভাপতি অনুমতি লৈ পদ্মনাথ বৰুৱা (গোহাঞিবৰুৱা), হেমচন্দ্ৰ
গোস্বামীয়ে সভাক আৰ্থিক সাহায্য দিবৰ কাৰণে অনুৰোধ জনায়। সেইমৰ্মে পিছদিনা (২৯
ডিচেম্বৰ) সাহায্য বিচাৰি ঈশ্বৰ প্ৰসাদ বৰুৱাই সুন্দৰ বক্তৃতা এটি দিয়ে। সেই সভাত ৯৫ টকা
আঠ অনা আদায় হয়। ইয়াৰ ৬ টকা হেমচন্দ্ৰ বৰুৱাৰ মাৰ্বল পাথৰৰ ফলিৰ বাবে আৰু তিনি টকা

৫৩. *পূৰ্বোক্ত, পৃ. ৩৯*



সংগীত সংঘক দিয়ে। এই সন্মিলনৰ আন এটা উল্লেখযোগ্য দিশ হ'ল সন্মিলনত পাঠ কৰিবলৈ ২১ টা প্ৰবন্ধ সভাই পাইছিল।

পঠিত প্ৰবন্ধ ঃ

১। কামৰূপ (কবিতা) ঃ সোণাৰাম চৌধাৰী
২। ঘৰুৱা শিক্ষা ঃ পদ্মাৱতী দেৱী ফুকননী, স্নেহলতা ভট্টাচাৰ্য
৩। মতা নে তিৰোতা (কবিতা) ঃ দণ্ডিনাথ কলিতা
৪। বৰ্তমান অসমীয়া সাহিত্য ঃ সূৰ্যকুমাৰ ভূঞা, এম. এ. বি. এল.
৫। সাহিত্য ঃ লক্ষ্মীনাৰায়ণ চট্টোপাধ্যায়, এম. এ.
৬। সাহিত্য আৰু বৰ্তমান ঃ কমলাকান্ত ভট্টাচাৰ্য
যুগৰ সংস্কাৰ, পাঠক ঃ শ্ৰীযুত হৰমোহন দাস

আন আন পোৱা প্ৰবন্ধ ঃ

৭। স্ত্ৰী শিক্ষা ঃ মিছ্ কুইন
৮। ঘৰুৱা শিল্প ঃ বিপিন বিহাৰী বৰা,
৯। ভাষাৰ কথা ঃ হৰিনাৰায়ণ দত্তবৰুৱা
১০। ভাব আৰু ভাষা ঃ কুমুদেশ্বৰ বৰঠাকুৰ,
১১। স্বাস্থ্য তত্ত্ব ঃ মহানন্দ বৰুৱা
১২। সাহিত্য ঃ বিষয় চন্দ্ৰ বিশ্বাসী
১৩। দেশৰ উন্নতিত সাহিত্য ঃ চন্দ্ৰপ্ৰভা শইকীয়া
১৪। সমাজ ঃ প্ৰসন্ন নাৰায়ণ চৌধুৰী
১৫। সমাজ ঃ হংসনাথ ভানতী
১৬। প্ৰাচ্য দৰ্শন ঃ ষড়ানন তৰ্কতীৰ্থ
১৭। আসাম বুৰঞ্জী বিষয়ক কথা ঃ সুৰেন্দ্ৰ চন্দ্ৰ বন্দোপাধ্যায়
১৮। সাহিত্যৰ গতি ঃ বিনন্দ চন্দ্ৰ বৰুৱা
১৯। বিজ্ঞান ঃ ডিম্বেশ্বৰ নেওগ, বি.এচচি.
২০। উন্নতিৰ উপায় (কবিতা) ঃ দণ্ডিনাথ কলিতা
২১। শাপ মুক্তা

গুৱাহাটীৰ ১২ জন বিশিষ্ট সাহিত্যিকেৰে এটি সমিতি গঠিত হয় আৰু সন্মিলনৰ উদ্দেশ্যে পোৱা প্ৰবন্ধসমূহৰ সংগ্ৰহ ছপা কৰিবলৈ সিদ্ধান্ত কৰে।

অসমীয়া সাহিত্যৰ অন্যতম শ্ৰেষ্ঠ অভিভাষণখনৰ সম্পৰ্কত মহেশ্বৰ নেওগে উল্লেখযোগ্য মন্তব্য কৰিছে He presented his presidential address which have never since been surpassed in its range and content in his imitable style.[৫৪] অতুলচন্দ্ৰ হাজৰিকাই কৈছে— *"বেজবৰুৱাই তেওঁৰ ছপা অভিভাষণখন বৈ বৈ পঢ়িছিল আৰু সেই বিৰতিত জীয়েক*

৫৪. *Annals of Assam Sahitya Sabha, P 14*

*শ্ৰীমতী ৰত্নাৱলীয়ে বৰগীত আৰু ৰবীন্দ্ৰ সংগীত গাই শুনাইছিল।"*[৫৫] (অভিভাষণৰ প্ৰসংগত ৰবীন্দ্ৰনাথৰ সাহিত্যত ৰস সম্পৰ্কে কওঁতে বেজবৰুৱাই ৰত্না বেজবৰুৱাক ৰবীন্দ্ৰ সংগীত গাবলৈ কৈছিল) ২৭ ডিচেম্বৰ শনিবাৰে সন্ধ্যা ৬-৩০ বজাৰ পৰা ৮-৩০ বজালৈ আৰু ২৮ ডিচেম্বৰৰ পুৱা ৮-৩০— ১২-৩০ লৈ বিষয় বাছনী সভা বহে। প্ৰদৰ্শনী পতা হৈছিল কামৰূপ অনুসন্ধান সমিতিৰ ভৱনত। ২৮ ডিচেম্বৰ পুৱা ৭ বজাৰ পৰা ৮-৩০ বজালৈ প্ৰদৰ্শনী মুকলি আছিল। ২৭ তাৰিখে ৰাতি ৮ বজাত পুতলা অভিনয় হয়। ২৯ তাৰিখে বিয়লি ২ বজাৰ পৰা সন্মিলন মণ্ডপত প্ৰীতি সন্মিলন হয়। এই সন্মিলনতে উমাকান্ত গোস্বামীয়ে প্ৰফুল্লচন্দ্ৰ বৰুৱাক এটি ৰূপৰ মেডেল দিব বুলি জনায়। ২৯ ডিচেম্বৰ তাৰিখে কটন কলেজৰ এ এছ এল ক্লাবে কটন কলেজত জ্ঞানদাভিৰাম বৰুৱাৰ সভাপতিত্বত এখন সভা পাতে। এই সভাত চুড়মাৰ্হুন চাহাবে এটি সুন্দৰ বক্তৃতা দিয়ে। সন্ধ্যা ৮-৩০ বজাত সভা মণ্ডপত হোৱা সন্মিলনত ডেকাসকলক সংঘবদ্ধ কৰাত গুৰুত্ব দিয়ে। পৰৱৰ্তী বৰ্ষৰ বাবে শৰৎচন্দ্ৰ গোস্বামী প্ৰধান সম্পাদক, নকুলচন্দ্ৰ ভূঞা, আৰ. হৰিনাথ পাঠক, সহকাৰী সম্পাদক, ধনভঁড়ালী দেৱেশ্বৰ শৰ্মা, হিচাপ পৰীক্ষক ঈশ্বৰ প্ৰসাদ বৰুৱাক লৈ ২০ জনীয়া কাৰ্যনিৰ্বাহক সমিতি গঠন হয়।

এই সন্মিলনত মহা মহোপাধ্যায় ধীৰেশ্বৰাচাৰ্য ৰচিত 'বৃত্ত মঞ্জৰী' ছপাৰ বাবে পুঁজিত ১৭.০০ টকাহে আছিল, তেজপুৰ সন্মিলনত কেইবাগৰাকী দাতাই প্ৰতিশ্ৰুতি দিয়া সত্ত্বেও অৰ্থৰ অভাৱত সভাই গ্ৰন্থখন প্ৰকাশ কৰিব নোৱাৰিলে।

পৰৱৰ্তী সন্মিলন নগাঁৱত পাতিবলৈ বিষ্ণুচৰণ বৰা BLMLC ডাঙৰীয়াই নগাঁৱলৈ নিমন্ত্ৰণ কৰে। ৰাতিলৈ কুমাৰ ভাস্কৰ নাট্য মন্দিৰত ঘনকান্ত বৰুৱা ৰচিত (হাতে লিখা) 'উমা' নাটকৰ অভিনয় হয়।[৫৬]

এই অধিৱেশনতে 'বাঁহী' আৰু 'উষা' কাকতৰ অজা যুদ্ধৰ যুজুৎ স্বৰূপটো অতুল চন্দ্ৰ হাজৰিকাই ৰাপলেখাত পাৰ্শ্বজ্যোতি ৰূপে দেখুৱাইছে। পৰৱৰ্তী সন্মিলন আনন্দ চন্দ্ৰ আগৰৱালা আৰু প্ৰমথনাথ চক্ৰৱৰ্তীৰ অনমোদন ক্ৰমে ভুবন চন্দ্ৰ দত্তই ধুবুৰীলৈ নিমন্ত্ৰণ কৰে। এই সন্মিলনতে অসমৰ সকলো ঠাইতে যাতে সূচাৰুৰূপে সাহিত্য প্ৰচাৰ হয় তাৰবাবে এই সন্মিলনতে বেণুধৰ শৰ্মাক মাহে ত্ৰিছ টকা বানচ আৰু লগতে ফুৰা খৰচ দি প্ৰচাৰক নিযুক্ত কৰে। তেখেতে প্ৰথম তিনিমাহ কাম কৰি কেইবাখনো স্বীকৃত সভা গঠন কৰে আৰু সভ্য ভৰ্তি কৰে। পৰৱৰ্তী তিনিমাহ অৰ্থাৎ ৬ মাহত ৯ খন স্বীকৃত সভা গঠন কৰিছে বুলি সভাক অৱগত কৰে। সভ্যভৰ্তি বৰঙণি ১৪৯.০০ টকা সংগ্ৰহ কৰিছিল। তেখেতৰ ছমাহৰ দৰমহা ১৮০.০০ টকা আৰু ফুৰা খৰচ ১৩১.০০ টকা ২ অনা মুঠ খৰচ হৈছিল ৩১১ টকা ২ অনা। ইয়াৰ উপৰি আন ওঠৰজন লোকক প্ৰচাৰকৰূপে নিযুক্তি দিয়ে—

৫৫. হাজৰিকা অতুল চন্দ্ৰ, পূৰ্বোক্ত, পৃ. ৩৯
প্ৰতিনিধি ১০০ জনমান। কিন্তু অধিৱেশনত প্ৰায় তিনি হেজাৰ মানুহ সমৱেত হৈছিল।
৫৬. অসম সাহিত্য সভা পত্ৰিকা, প্ৰথম বছৰ প্ৰথম সংখ্যা, পৃ. ১৩



| | | |
|---|---|---|
| গৌৰীপুৰ | ঃ | পীতাম্বৰ চক্ৰৱৰ্তী |
| ডিব্ৰুগড় | ঃ | পদ্মধৰ চলিহা |
| উত্তৰ লক্ষীমপুৰ | ঃ | মহম্মদ চাদিৰ হুছেইন |
| মংগলদৈ | ঃ | কৃষ্ণকান্ত মহন্ত |
| শ্ৰীহট্ট | ঃ | হংসনাথ স্মৃতিতীৰ্থ |
| কলিকতা | ঃ | যতীন্দ্ৰনাথ দুৱৰা |

### হেমচন্দ্ৰ বৰুৱা স্মৃতি ফলক ঃ

এই অধিৱেশনত ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱা স্মৃতিফলক এখন তেখেতৰ বাসভৱনৰ টোলত প্ৰতিষ্ঠা কৰিবলৈ এটি প্ৰস্তাৱ গোপালকৃষ্ণ দেই উত্থাপন কৰে আৰু সভাই গ্ৰহণ কৰে। *"তেখেতে অনেক পৰিশ্ৰম কৰি ফলি স্থাপনৰ মাটি-বাৰী স্থিৰ কৰে। অতি শোকৰ কথা যে এই কাম সম্পূৰ্ণ হোৱা তেওঁ দেখিবলৈ নাথাকিল।"*[৫৭] গুৱাহাটী কাৰ্জন হলৰ ভূতপূৰ্ব পুথিভঁৰালী গোপালকৃষ্ণ দেই এটি প্ৰস্তাৱ আগবঢ়ায় আৰু হেমচন্দ্ৰ বৰুৱাৰ শেষ বাসস্থানৰ এচুকত এখন স্মৃতি ফলকে সৈতে এটি স্মৃতি স্তম্ভ স্থাপন কৰিবলৈ এটি সৰ্বসন্মত প্ৰস্তাৱ সভাই গ্ৰহণ কৰে।[৫৮(ক)]

অধিৱেশনত অসমীয়া সংগীত জগতত এটি নতুন যুগৰ সূচনা হ'ল। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ "গছে গছে পাতি দিলে ফুলৰে শৰাই" গীতটি প্ৰফুল্ল চন্দ্ৰ বৰুৱাই নিভাঁজ অসমীয়া সুৰত গাইছিল। গীতটিয়ে শ্ৰোতাৰ মাজত আলোড়ন সৃষ্টি কৰিছিল।[৫৮(খ)]

৫৭. অসম সাহিত্য সভা পত্ৰিকা, প্ৰথম বছৰ প্ৰথম সংখ্যা, পৃ. ১৩
অসম সাহিত্য সভা পত্ৰিকা, প্ৰথম বছৰ প্ৰথম সংখ্যা, পৃ. ১৩ কাৰ্যনিৰ্বাহক সভাক ভাৰ দিয়া হৈছিল।
৫৮. (ক) (১) তেখেতৰ শেষ কৰ্মস্থান গুৱাহাটীত এখনি মাৰবেল পাথৰৰ ফলি স্থাপন কৰিবলৈ কাৰ্যনিৰ্বাহক সভাক ভাৰ দিয়া হৈছিল। শ্ৰীযুত সিদ্ধিনাথ শৰ্মাদেৱে
কলিকতাৰ শ্ৰীযুত লক্ষ্মীধৰ শৰ্মা (MA) দেৱৰ তত্ত্বাৱধানত এখন মাৰবেলৰ ফলি তৈয়াৰ কৰাই অনা হ'ল। শ্ৰীযুত সিদ্ধিনাথ শৰ্মাদেৱে
আসাম সাহিত্য সভাক যিখিনি মাটি দান কৰিছে সেই মাটিতে এই ফলি স্থাপন কৰিবলৈ গুৱাহাটী অ.ভা.উ.সা. সভাৰ সম্পাদক শ্ৰীযুত
হৰমোহন দাস আৰু শ্ৰীযুত সৰ্বেশ্বৰ শৰ্মা কটকী মহাশয়ক ভাৰ দিয়া হৈছে।
তেখেতসকলে এই ফলি বৰ্তমান মাহৰ ২০ তাৰিখ ৰবিবাৰৰ দিনা স্থাপন কৰা হ'ল বুলি লিখিছে। এই কাৰ্যত কিমান টকা খৰচ
হ'ব আমি এতিয়াও সঠিক কৈ ক'ব নোৱাৰোঁ। মুঠ ১০০.০০ টকা খৰচ হৈছিল বুলি জনা যায়। ফলিখনত অসমীয়া সাহিত্যৰথী
বিভূষাটি ব্যৱহাৰ কৰা হৈছিল।
(২) সৰ্বেশ্বৰ শৰ্মা কটকী ৰচনাৱলী, সম্পা. লক্ষ্মীনাথ তামুলী, ২০০৪, পৃ. ২৬৮
হেমচন্দ্ৰ গোস্বামীৰ সভাপতিত্বত এখন ডাঙৰ সভা পাতি এই মাৰ্বল পাথৰৰ স্মৃতি ফলকখন পকা এটি স্তম্ভত স্থাপন কৰা হৈছিল।
(৩) এই মাৰ্বল পাথৰৰ স্মৃতি ফলকখন পকা এটি স্তম্ভত স্থাপন কৰা হৈছিল। 'অসমীয়া সাহিত্যিকৰ স্মৃতি ৰক্ষাৰ্থে এনেকৈ স্মৃতিস্তম্ভ স্থাপন কাৰ্য আসামত
ফলকখনৰ আৱৰণ উন্মোচন অনুষ্ঠান সম্পন্ন হৈছিল। 'অসমীয়া সাহিত্যিকৰ স্মৃতি ৰক্ষাৰ্থে এনেকৈ স্মৃতিস্তম্ভ স্থাপন কাৰ্য আসামত
এয়ে প্ৰথম" সৰ্বেশ্বৰ শৰ্মা কটকী ৰচনাৱলী, পৃ. ২৬৮
(৪) লক্ষ্মীনাথ তামুলী সম্পাদিত সৰ্বেশ্বৰ শৰ্মা কটকী ৰচনাৱলীৰ পৰা স্মৃতি ফলকৰ পাঠ উদ্ধৃত কৰা হ'ল — অসমীয়া
সাহিত্যৰথী" হেমচন্দ্ৰ বৰুৱাৰ স্মৃতিৰক্ষাৰ কাৰণে আসাম সাহিত্য সভাই তেখেতৰ শেষ বাসস্থানৰ এচুকত এই স্মৃতিস্তম্ভ
প্ৰতিষ্ঠা কৰিলে।

ইতি ১৮৪৬ শক
জন্ম ১৭৫৭ শক ২৪ আঘোণ, খ্ৰীঃ ১৮৩৫
মৃত্যু ১৮১৭ শক খ্ৰীঃ ১৮৯৬

(খ) উল্লিখিত গ্ৰন্থত সৰ্বেশ্বৰ শৰ্মা কটকীয়ে কৈছে— "এই স্মৃতিস্তম্ভ স্থাপন কৰোঁতেই অসমীয়াৰ কৰ্তব্য শেষ পৰা নাই। হেমচন্দ্ৰৰ নিচিনা প্ৰকৃত গুণী পুৰুষৰ কাৰ্যাৱলীয়েই তেওঁৰ স্মৃতি।" পৃ. ২৭০
প্ৰসংগক্ৰমে উল্লেখযোগ্য গুৱাহাটীৰ কাৰ্জন হলত হেমচন্দ্ৰ বৰুৱাৰ ছবি এখন দিবলৈ ASL Club ক অনুৰোধ কৰিছিল গোপালকৃষ্ণ
দেই। দেৱ এই প্ৰস্তাৱ সমৰ্থন কৰি চেতনা, ৬ষ্ঠবছৰ ৩য় সংখ্যা, কাতি ১৮৪৬ শকত মতামত প্ৰকাশ কৰিছিল।

সংগীত সন্মিলনৰ সভাপতি আছিল নগেন্দ্ৰনাৰায়ণ চৌধুৰী। কিন্তু স্বাস্থ্যজনিত কাৰণত উপস্থিত থাকিব নোৱৰাত তেখেতৰ লিখিত ভাষণটি পাঠ কৰা হয়।

## প্ৰথম হিতৈষী সভ্য

১৯২৬ চনত অসম সাহিত্য সভাই শাখা সভাসমূহৰ এখন তালিকা প্ৰস্তুত কৰিছিল। সেই তালিকাখনত প্ৰথম হিতৈষী সভ্যৰূপে সপ্তম সন্মিলনতে স্বীকৃতি দিয়া হয়। সভ্যসকল হ'ল ৰাধানাথ গোস্বামী (মাহৰা সত্ৰ), নবদেৱ গোস্বামী (দক্ষিণপাটীয় সত্ৰ), ৰাধাকান্ত সন্দিকৈ। এই তালিকামতে ১৯২৬ চনলৈকে সভাৰ স্থায়ী সভ্যৰ সংখ্যা ৮ জন, সাধাৰণ সভ্যৰ সংখ্যা ২৩৬ জন। শাখা আৰু স্বীকৃত সভাৰ সংখ্যা ৩৩ খন। (পৰিশিষ্ট চাওক)

এই অধিৱেশনত গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ হ'ল—

১. অসমীয়া ভাষাত ৰচিত মৌলিক নাটকৰ অভিনয়ত গুৰুত্ব
২. অসমীয়া সাহিত্যৰ প্ৰচাৰ আৰু পাঠক সমাজ গঠন কৰাৰ বাবে প্ৰাথমিক শিক্ষাৰ প্ৰচলন বাধ্যতামূলক হ'ব লাগে।
৩. চকুৰাখনা শাখা সাহিত্য সভাই ৰেফযুক্ত বৰ্ণ দ্বিত্ব বৰ্জন মীমাংসা কৰিবলৈ সভাক জনোৱা অনুৰোধ পৰৱৰ্তী স্তৰত বিবেচনা কৰিবলৈ সভাই সিদ্ধান্ত কৰে।
৪. হিন্দীক ভাৰতৰ ৰাষ্ট্ৰভাষা কৰিবলৈ অম্বিকাগিৰি ৰায়চৌধুৰীয়ে দিয়া প্ৰস্তাৱ সভাই বহলকৈ আলোচনা কৰি সিদ্ধান্ত কৰিব বুলি জনায়।

## চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত ন্যাস পুঁজি

১৯২৩ চনত দানবীৰ ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াই তেখেতৰ দুটি পুত্ৰ চন্দ্ৰকান্ত আৰু ইন্দ্ৰকান্তৰ স্মৃতি ৰক্ষাৰ কাৰণে সভাক ২৫,০০০ হেজাৰ টকা দিবলৈ সন্মতি জনাই চিঠি দিয়ে—

**শ্ৰীযুক্ত "আসাম সাহিত্য সভাৰ" প্ৰধান সম্পাদক মহাশয় সমীপেষু**

*মহাশয়,*

*মোৰ উঠি অহা দুজন পুত্ৰৰ অকাল মৃত্যুৰ কথা আপোনালোকে শুনিব পায়। আশা কৰিছিলোঁ সিহঁত আমাৰো বুঢ়াকালৰ সাৰথি হ'ব আৰু শক্তি অনুযায়ী দেশৰ কল্যাণকৰ কামতো খাটিব। কিন্তু বিধাতাৰ ইচ্ছা অন্য ৰূপ হ'ল। যিহক মোৰ গৃহিণী আৰু মোৰ এই মৰ্মান্তিক শোকত ৰাইজৰ সহানুভূতি পাই আমি পৰম দুখ-বেজাৰৰ মাজতো কিছু সান্ত্বনা পাইছোঁ।*

*আমাৰ দুই পুত্ৰৰ নামত সাধাৰণৰ উপকাৰৰ অৰ্থে আমি যৎসামান্য টকা খৰছ কৰিবলৈ মন কৰিছোঁ। সম্প্ৰতি মোৰ অৱস্থা চাই ২৫,০০০ (পঁচিশ হেজাৰ টকা) দিবৰ মন।*

*এই টকা কি দৰে খৰছ কৰিলে মোৰ ল'ৰা দুটিৰ নামো থাকে আৰু ৰাইজৰো উপকাৰ হয় সেই অৰ্থে মই যোৰহাটৰ গণ্য-মান্য লোকসকলৰ পৰামৰ্শ লৈছিলোঁ। তেখেতসকলৰ উপদেশমতে মই সেই টকা তলত লিখা দৰে দিব খোজোঁ।*

*১। এই পোন্ধৰ হেজাৰ টকা মূল্যৰ শতকৰা ৬ টকা সুদৰ কোম্পানীৰ কাগজ কিনিবলৈ যো-যা কৰিছোঁ। এই টকাৰে এটি Trust Fund কৰিবৰ মন কৰোঁ। ইয়াৰ নাম হ'ব 'চন্দ্ৰকান্ত-*



*ইন্দ্ৰকান্ত ট্ৰাষ্ট ফাণ্ড'। ইয়াৰ পৰা বছৰি যি আয় হ'ব সেই আয়ৰ সমস্ত টকা আসাম সাহিত্য সভাৰ যোগে খৰছ কৰিবলৈ মোৰ মন। ইয়াৰে প্ৰথমতে ইন্দ্ৰকান্ত ব্যাকৰণ নামেৰে অসমীয়া ভাষাৰ এখনি সম্পূৰ্ণ ব্যাকৰণ আৰু চন্দ্ৰকান্ত অভিধান নামেৰে এখনি অসমীয়া ভাষাৰ সম্পূৰ্ণ অভিধান যুগুত হ'ব লাগে। তাৰ বাবত এই টকা কিদৰে ব্যয় হ'লে ভাল, তাৰ ভাল দিহা আপোনালোকৰ পৰা পাবলৈ আশা কৰোঁ।*

*২। বাকী দহ হাজাৰ টকাৰে বিদ্যা চৰ্চাৰ কেন্দ্ৰ এটি কৰিবৰ উদ্দেশ্যে এটা ঘৰ বান্ধি তাক আসাম সাহিত্য সভাৰ তত্ত্বাৱধানত দিবৰ মন কৰিছোঁ। এই কেন্দ্ৰৰ নাম হ'ব "চন্দ্ৰকান্ত Institute" ইয়াত অসমীয়া হাতে লিখা পুথি, ঐতিহাসিক ব্যয়-বস্তু, প্ৰধান প্ৰধান ছপা কিতাপ আদি থাকিব লাগে। আৰু অনুসন্ধিৎসু লোকৰ পক্ষে বিদ্যা চৰ্চাৰ সুবিধাও থাকিব লাগে।*

*এই দুই বিষয়ে বিশেষ বিৱৰণি আৰু সৰ্ত আৰু অৱৰক্ষক (Board of Trustee) সভা ইত্যাদিৰ কথা মই পাছত বহলাই জনাম। ইতিমধ্যে সাহিত্য সভাই এই ভাৰ ল'লে মই কৃতাৰ্থ হ'ম। ঘৰটোও মই সোনকালে বন্ধাই দিব খোজোঁ। সেইকাৰণে সাহিত্য সভাৰ যি মাটি আছে বা হ'ব তাত অলপ ঠাই দি মোক ঘৰ বান্ধিবলৈ অনুমতি দিয়াৰ প্ৰাৰ্থনাও কৰিলোঁ।*

*শ্ৰীৰাধানাথ সন্দিকৈ*

*যোৰহাট*

*২৫/১১/২৩ ইং*

সভাই দানবীৰ সন্দিকৈৰ দান আন্তৰিকতাৰে গ্ৰহণ কৰে। ২৪ জানুৱাৰি ১৯২৫ তাৰিখে দলিল কৰা হয়। ট্ৰাষ্ট ব'ৰ্ডৰ প্ৰথম সদস্য (সভাৰ মনোনীত) কুলধৰ চলিহা আৰু শৰৎচন্দ্ৰ গোস্বামী)

## THE CHANDRAKANTA INDRAKANTA TRUST BOARD

This indenture made this 28th day of January in the year one thousand nine hundred and twenty five between Rai Bahadur Radhakanta Handiqui son of Baparam Handiqui deceased, of Jorhat town hereinafter called the donor of the first part, the Board of Trustees consisting of the members (1) the Donor himself, (2) C.S. Gunning Esqr., President, (3) Srijut Hiteswar Borboruah, the nominee of the Donor (4) Srijut Sarat Chandra Goswami and Srijut Kuladhar Chaliha, the representatives of the Assam Sahitya Sabha, hereinafter called the Board, which term shall include their successors in office or nominee as the case may be hereinafter specified of the second part and Srijut Sarat Chandra Goswami, the present General Secretary of the Assam Sahitya Sabha, Jorhat, a society registered under Act XXI of 1860, acting on behalf of the said Sabha of the third part.

Whereas the Donor is desirous of perpetuating the memory of his two beloved deceased sons named Chandrakanta Handiqui and Indrakanta Handiqui and for that purpose is willing to create a trust fund by making a

donation of Rs. 30,000/- to be called "The Chandrakanta-Indrakanta Memorial Endowment Fund" and to be used for the advancement and development of the Assamese Language in the manner hereinafter specified and whereas the Board and the Sabha have accepted the proposal of the Donor and are willing to act in this behalf and help and accommodate the Donor in carring out the objects of his donation.

Now this indenture withesseth and it is hereby declared that the Board shall consist of :–

1) The Deputy Commissioner of Sibsagar district for the time being the Chief Executive Officer of Government of the District in which the town of Jorhat is situated whether permanent or temporary who shall be the Ex-Officio President of the Board, C.S. Gunning Esqr., M.A. I.C.S. the present Deputy Commissioner of Sibsagar will be the first President.

2) The Donor himself during his life time and after his death a person nominated by him in this behalf from amongst his legal heirs. The person so niminated and each successive nominee shall appoint one of his legal heirs to succced him at his death.
In the event of the Donor or any of his successors appointed as above dying without having exercised the power of appointing his successor the Deputy Commissioner shall appoint a trustee from amongst the legal heirs of the Donor or his successor.

3) The nominee of the Donor for a period of five years only commencing from the date of nomination. The Donor reserves the right to select his nominee under this clause at the end of each period of five years. The old nominee shall continue to act till another is nominated. The same person may be nominated over again. The nomination under this clause shall be from amongst the members of the Donor's family, It is declared that the right under this clause will vest in the Donor's nominee and the nominees of the latter under clause (2) In the event of the Donor of any of his successors appointed under clause (2) above dying without having exercissed the power or nomination the Board shall co-operate a qualified person to fill any vacancy which may offur.

(4) The two represtatives of the Sabha niminated by if from amongst its members for a period of five years hereby agrees to nominate two such members at the end of each period of five years.

5) In the event of any vacancy occuring in the case of a member of the Board by reason of death, resignation, iability to attend to duty or incapability of serving before the expiration of the term of five years the Donor of his successor or the Sabha, as the case may be, shall nominate a member in the said and vacancy.
It is further declared that in case any nominee is not selected by any of the persons named in the above clauses or in case any member or any of the members or refuses to act as a trustee or trustees the remaining member or members shall constitute the Board.

(6) The General Secretary or any other office beater of the said Sabha nominated by the Governing body of the Sabha will act on behalf of the said Sabha as the third party.

It is declared that the object of the trust shall be he cultivation, encouragement and improvement of the Assamese Language and for that purpose the Donor hereby makes a donation of Rs. 30,000/- Rupees thirty thousand in cash to the Board out of which a sum of Rs. 15,000 shall be utillised in constructing a suitable house to be called the "Chandrakanta, Institute" at the site in the town of Jorhat which the Sabha has obtained from the Government of Assam and which is more specilly described in the schedule below and that the Sabha hereby agree to allow the said house to be constructed and located there permanently.

It is hereby agreed that the said house shall rest absolutely on trust in the Board shall have the right to use the house for other purpose if they be not inconsistent with the right hereby given to the Sabha.

The Donor further declares that the balance of the donation that is Rs. 15,000/-, shall be invested in 6 percent income tax free Bonds, 1931, in the name of the Donor. (Already so invested as detailed in the schedule below) who will have the power to re-invest the money in trust in Government secutrities of which the interest alone shall be drawn by the Board as it falls due through their President or any other member authority by the President in writting, and such interest be used in the first instance for executing such repairs to the said house as may be considered by the Board urgent and necessary and then in compiling and publishing within a period to be fixed by the Board an Assamese Dictionary to be names "Chandrakanta Abhidhan". After the completion of this dictionary the interest so drawn shall be used publishing within a period to be fixed by the Board may approve to perpetuate the memory of Indrakanta and then for promoting research and publishing literary works in the Assamese Language and also for such other purpose as the Board may approve.

If in the opinion of the Board the Sabha fails to fulfill the conditions mentioned in the deed or if the Sabha is dissolved or cease to exist, it will be competent for the Board to admit into the benefit of the Trust such other literary or scientific institution or do such other things within the scope of the Trust as the Board may deem fit.

In case there shall arise any difference of opinion among the Trustees at a meeting in regard to any Trust affairs or any act, matter or thing proposed to be done in relating thereto the matter will be referred to a subsequent full meeting the matter shall be decided by the majority of votes of the Trustees present at the meeting. The presence of at least three members one of whom shall be the Donor shall constitute a quorum. In the event of the Donor not being able to attend owing to ill-health or otherwise three members including the Deputy Commissioner shall form a quorum.

In witness whereof the parties to these presents have herente set and subscribed their respective hands the day, month and year first above mentioned Radhakanta Handiqui.

Signed and delivered at Jorhat by Raj Bahadur Radhakanta Handiqui in the presence of Iswar Prasad Baruah, E.A.C., Jorhat

Signed by C.S. Gunning Esqr., in the presence of Nilanath Sarma R.S., D.C.s office.

Sd/ C.S Gunning

Signed by Srijut Hiteswar Borboruah in the persence of Hariprasad Khaund, Jorhat.

Sd/- Hiteswar Borboruah

Signed by Srijut Kuladhar Chaliha in the presence of Deveswar Sarma, Pleader, Jorhat.

Sd/- Kuladhar Chaliha

1. Schedule of the land : – Situate in Jorhat town under the jurisdiction of Jorhat Sub Registry Office, covered by periodic Patta No. 35 Dag No. measuring B-1 K-4, 12, land bearing revenue of Rs. 5/7.

2. Schedule of bonds :– No. 002459, Rs. 100/-, No. 003049, Rs. 400/ No. 002445, Rs. 500/-, No. 002753, Rs. 1000/-, No. 002875 Rs. 1000/-, No. G 003187, Rs. 1000/-, No. G 003188, Rs. 1,000/- No. 003224, Rs. 1,000/-, No 003225, Rs. 1,000/- No. 0032226, Rs. 1,000/-, No.003227, Rs. 1000/-, No 002228, Rs. 1000/-, No. 003229, Rs. 1000/-, No. 003230, Rs 1000/-. No. 003231, Rs. 1000/-, No. 003232, Rs. 1000/-, No. 003233, Rs. 1000/-

Witness :–

Sd/- Radhakanta Handiqui



চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ বাবে অৰ্থ সাহায্য পোৱাত শ্ৰীশ্ৰীনৰদেৱ গোস্বামী ন্যাসৰ টকাৰে নৰদেৱ গ্ৰন্থাৱলী প্ৰকাশৰ ব্যৱস্থা কৰা হয়। প্ৰথমতে শ্ৰীদামোদৰ দেৱৰ চৰিত ছপাবলৈ সিদ্ধান্ত কৰা হয় আৰু কমলাদেৱী সাহিত্য মন্দিৰৰ টকা ৰাধানাথ গোস্বামীৰ সন্মতিক্ৰমে কমলা দেৱী শিশু সাহিত্য ন্যাস পুঁজি গঠন কৰা হয়। এই কথা পৰৱতী অধ্যায়ত আলোচনা কৰা হৈছে।[৫৯]

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

*৫৯. নগাঁৱত অনুষ্ঠিত অষ্টম অধিৱেশনৰ প্ৰস্তাৱটো আছিল— তৃতীয় প্ৰস্তাৱ—"এই সন্মিলনে শ্ৰীল শ্ৰীশ্ৰীযুক্ত দক্ষিণপাটীয় সত্ৰাধিকাৰ প্ৰভুৰ দান কাৰ্যনিৰ্বাহক সভাই প্ৰস্তুত কৰা দলিলৰ চৰ্তত মান্তি হৈ গ্ৰহণ কৰে আৰু সন্মিলনৰ অনুৰোধ ৰক্ষা কৰি শ্ৰীল শ্ৰীযুক্ত প্ৰভু ঈশ্বৰে এই দানৰ টকা পুৰণি পুথি আৰু সংস্কৃত গ্ৰন্থ প্ৰকাশৰ কাৰণে নিয়োগ কৰিবলৈ অনুমতি দিয়াত এই সন্মিলনে শ্ৰীশ্ৰীযুক্ত প্ৰভু ঈশ্বৰক সভক্তি ধন্যবাদ জ্ঞাপন কৰে। (অসম সাহিত্য সভা পত্ৰিকা, প্ৰথম বছৰ, প্ৰথম সংখ্যা, পৃ. ২৪)।*

*(২) নৰদেৱ ন্যাস পুঁজি প্ৰথম সদস্যসকল— শৰৎচন্দ্ৰ গোস্বামী, চন্দ্ৰধৰ বৰুৱা, কুলধৰ চলিহা, দেৱেশ্বৰ শৰ্মা, কেৰামত আলী।*

*এই পুঁজিৰ পৰা প্ৰকাশ কৰা প্ৰথম পুথিখন 'শ্ৰীশ্ৰীদামোদৰ দেৱৰ চৰিত্ৰ '(১৯২৮) ইয়াৰ পিছত 'শ্ৰীশ্ৰীবনমালী দেৱৰ চৰিত্ৰ' প্ৰকাশ হয়। তৃতীয় পুথিখন হ'ল সাত্বত তন্ত্ৰ। 'শ্ৰীশ্ৰীদামোদৰ দেৱৰ চৰিত্ৰ' আৰু 'শ্ৰীশ্ৰী বনমালী দেৱৰ চৰিত্ৰ' পুথি দুখনৰ সম্পৰ্কত কাকতে পত্ৰই আসোঁৱাহ ওলাইছিল। সেয়া বেজবৰুৱা আৰু উপেন্দ্ৰনাথ বৰুৱাই তাক খণ্ডন কৰিবলৈ যত্ন কৰিছে বুলি ষষ্ঠ বছৰ প্ৰথম সংখ্যা অ.সা.স. পত্ৰিকাত উল্লেখ কৰা দেখা যায় (পৃ. ৯)। অৱশেষত দুয়োখন গ্ৰন্থৰ প্ৰচাৰ সভাই বন্ধ কৰিবলগীয়া হয়। ষোড়শ অধিৱেশনৰ ৬নং প্ৰস্তাৱমৰ্মে দুয়োখন গ্ৰন্থৰ প্ৰচাৰ বন্ধ কৰাৰ প্ৰস্তাৱৰ পূৰ্ণ পাঠ—*

*যেহেতু অসম সাহিত্য সভাৰ পৰা প্ৰকাশিত নৰদেৱ গ্ৰন্থাৱলীৰ অন্তৰ্ভুক্ত শ্ৰীশ্ৰীদামোদৰ দেৱৰ চৰিত্ৰ আৰু শ্ৰীশ্ৰীবনমালী দেৱ চৰিত্ৰ পুথি দুখনে অনেক অসমীয়া ৰাইজৰ অন্তৰত বেদনা দিছে আৰু যেহেতু আমাৰ ভিতৰত মনোমালিন্য সৃষ্টি কৰা সাহিত্য সভাৰ উদ্দেশ্য নহয় সেই কাৰণে আজিৰ সভাই উক্ত পুথি দুখনৰ প্ৰচাৰ বন্ধ কৰে।*

*প্ৰস্তাৱক শ্ৰীযুত হলধৰ ভূঞা*

*সমৰ্থক - শ্ৰীযুত পৰমানন্দ ওজা*

*(অ.সা.স. পত্ৰিকা, ৬ষ্ঠ বছৰ ২য় সংখ্যা, পৃ. ৬৯)। এই সম্পৰ্কে ২৭/৬/৩৫ তাৰিখে আৰু ২৮/১০/৩৫ তাৰিখে সন্ধ্যা ৬-৩০ বজাত সমিতিৰ বৈঠকত কমাৰ গাঁও শংকৰ সেৱক সংঘ কল্যাণী বাণী মন্দিৰৰ পোৱা চিঠি লগতে নগাঁও শংকৰ সংঘ, বৰপেটা সত্ৰ আৰু বৰদোৱা থানৰ পত্ৰ পাঠ কৰাৰ পিছত যুক্তিসহ আলোচনা কৰি সাহিত্য 'সভাৰ বক্তব্য বা মন্তব্য' শীৰ্ষক সুকীয়া পাতনি লিখি পৰৱতী কাৰ্যনিৰ্বাহক উত্থাপন কৰিবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়ে, লগতে ১৬/১২/৩৭ তাৰিখৰ বৈঠকত আইনী ব্যৱস্থা ল'ব পাৰি নেকি উকীলৰ লগত পৰামৰ্শ কৰিবলৈ স্থিৰ কৰা হৈছিল। সাত্বত তন্ত্ৰ গ্ৰন্থ (ভাগৱত মিশ্ৰ) আৰু গীতা (পদ্য- ৰত্নাকৰ মিশ্ৰ প্ৰকাশ কৰিবলৈ সিদ্ধান্ত কৰে।)*



# লক্ষ্মীনাথ বেজবৰুৱা

সাহিত্য সম্রাট, সাহিত্যৰথী, ৰসৰাজ কীৰ্তিমুখৰ অধিকাৰী বেজবৰুৱা অসমীয়া ভাষা সাহিত্য সংস্কৃতিৰ অধিনায়ক। বেজবৰুৱাৰ জন্ম ১৮৬৪ চনৰ লক্ষ্মী পূৰ্ণিমাৰ দিনা। বেজবৰুৱা জন্মকুণ্ডলী উদ্ধাৰ কৰে সাহিত্যাচাৰ্য যতীন্দ্ৰনাথ গোস্বামীয়ে। বেজবৰুৱাৰ জন্ম পত্ৰিকা অসম ৰাজ্যিক সংগ্ৰহালয়ত সংৰক্ষিত। মহেশ্বৰ নেওগে কৈছে—“বেজবৰুৱা অসমৰ এক বিগত সংস্কৃতিৰ সুষমা। তেওঁ সেইদৰে এক নৱ অভিনৱ সংস্কৃতিৰ ধ্বজাবাহক।... বেজবৰুৱা অসমীয়া সাহিত্যৰ এক সাহিত্যিক ব্যক্তি মাথোন এনে নহয়। তেওঁ এটি আন্দোলন।”[৬০]

বেজবৰুৱা কলিকতাৰ জেনেৰেল এছেম্বলিজ ইন্‌ষ্টিটিউশ্বনৰ স্নাতক (১৮৯০)। দুগৰাকী সতীৰ্থ চন্দ্ৰকুমাৰ আগৰৱালা আৰু হেমচন্দ্ৰ গোস্বামীৰ সৈতে অভাউসা সভা প্ৰতিষ্ঠা কৰে আৰু জোনাকী (১৮৮৯) কাকত উলিয়ায়। আগৰৱালাৰ পিছত তেখেতে জোনাকীৰ তৃতীয় ভাগ সম্পাদনা কৰিছিল। বাঁহী-ৰ সম্পাদক (১৯১০-৩৫) হিচাপেও বেজবৰুৱাৰ অৱদান অমৰণ অভগণ। কলিকতাত থাকোঁতে ভোলানাথ বৰুৱাৰ লগত কাঠৰ ব্যৱসায় কৰিছিল (১৮৯৯) ইয়াৰ পিচত ৰ্বাৰ্ড কোম্পানীৰ লগত আৰু পাচত ওড়িষ্যাৰ সম্বলপুৰত নিজাকৈ ব্যৱসায় কৰে। সম্বলপুৰ পৌৰসভাৰ তিনিবছৰ তেখেত সভাপতি আছিল। বৰোদাৰ মহাৰজাৰ আমন্ত্ৰণক্ৰমে বৰোদাত *বৈষ্ণৱবাদ আৰু অসমত ইয়াৰ প্ৰভাৱ* শীৰ্ষক বক্তৃতা প্ৰদান কৰিছিল (১৯৩৩), অসম ছাত্ৰ সন্মিলনৰ প্ৰথম অধিৱেশন (১৯১৬) ৰ সভাপতি হৈছিল। অসম সাহিত্য সভাৰ ত্ৰয়োদশ অধিৱেশনত অনানুষ্ঠানিকভাৱে “ৰসৰাজ” উপাধি দিয়া হৈছিল। প্ৰথম অসমীয়া কাৰ্টুনিষ্ঠ বেজবৰুৱাই ধেমেলীয়া ৰচনাৰ বাহিৰে কাৰ্টুনৰ দ্বাৰা অসমীয়া সমাজৰ স্বৰূপ দাঙি ধৰি সংস্কাৰ বিচাৰিছিল।

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

*৬০. মহেশ্বৰ নেওগ, ‘অসমীয়া ভাষা সাহিত্যত লক্ষ্মীনাথ বেজবৰুৱাৰ স্থান’ প্ৰবন্ধ। অসম প্ৰকাশন পৰিষদ লক্ষ্মীনাথ বেজবৰুৱা, ১৯৬৮, পৃ. ২৫৮-২৫৯, ১৯৬৮*



বেজবৰুৱাৰ *দিনলেখা* (১৯৬৯) আৰু *পত্ৰলেখা* (১৯৬৯) উল্লেখযোগ্য গ্ৰন্থ। “অ' মোৰ আপোনাৰ দেশ” জাতীয় সংগীতৰ ৰচনা কৰা বেজবৰুৱাৰ ৰচনাৱলী দিন লেখাৰ পৰা হুবহু উদ্ধৃত কৰা হ'ল।

**বেজবৰুৱাৰ ৰচনাৱলী**

| | | |
|---|---|---|
| ১৮৯৫ চন | ঃ ২০ মাৰ্চ | ঃ পুৰা ‘ভদৰী’ গল্পৰ কিছু লিখোঁ। |
| | ঃ ২৩ মাৰ্চ | ঃ ‘ভদৰী’ গল্পটো শেষ কৰোঁ। |
| | ঃ ১৬ মে’ | ঃ ‘স্বৰ্গাৰোহণ’ লিখোঁ। |
| | ঃ ১৭ মে’ | ঃ ‘স্বৰ্গাৰোহণ’ লিখি শেষ কৰি সংশোধন কৰোঁ। |
| | ঃ ২৪ জুলাই | ঃ ‘কল্যাণৰ পাৰত’ গল্পটো লিখোঁ। |
| | ঃ ৭ আগষ্ট | ঃ ‘ভেমপুৰীয়া মৌজাদাৰ’ গল্পটো লিখোঁ। |
| ১৮৯৬ চন | ঃ ১৩ জানুৱাৰি | ঃ ‘শিৱসাগৰ’ গল্পটো লিখোঁ। |
| ১৪ জানুৱাৰি | ঃ | ঃ ‘শিৱসাগৰ’ গল্পটো বেচ সৰু-সুৰা এখন উপন্যাস হব। ‘জোনাকী’ত ছপাবলৈ পঠালোঁ। |
| ৯ নৱেম্বৰ | ঃ | ঃ মিলাৰামৰ তৃতীয় অধ্যায় পঢ়ি শেষ কৰিলোঁ। |
| ১৮৯৭ চন | ঃ ২৭ মাৰ্চ | ঃ ‘চোৰ’ গল্পৰ কিছু লিখোঁ। |
| ১৯০১ চন | ঃ ২৮ ছেপ্টেম্বৰ | ঃ ‘লিতিকাই’ কিতাপ আকাৰে ওলাল। |
| ১৯০২ চন | ঃ ৩ ছেপ্টেম্বৰ | ঃ ‘পুত্ৰবান পিতা’ গল্পটো গুৱাহাটীৰ ‘জোনাকী’ত প্ৰকাশৰ কাৰণে সত্যনাথ বৰালৈ পঠালোঁ। |
| ১৯০৪ চন | ঃ ফেব্ৰুৱাৰি | ঃ ‘সাধুকথা কুকি’ ছপা কৰিবলৈ দিলোঁ। |
| | ঃ ১২ মে’ | ঃ ‘কামত কৃতিত্ব লভিবৰ সংকেত’ পুথিৰ ইংৰাজী অনুবাদ আৰম্ভ কৰোঁ। |
| | ঃ ১৭ মে’ | ঃ ‘কামত কৃতিত্ব লভিবৰ সংকেত’ পুথিৰ কিছু অংশ অনুবাদ কৰোঁ। |
| | ঃ ৭ জুলাই | ঃ ‘কামত কৃতিত্ব লভিবৰ সংকেত’ পুথিৰ অনুবাদ শেষ কৰোঁ। |
| | ঃ ১৫ ডিচেম্বৰ | ঃ ‘কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা’ ওলায়। |
| ১৯০৫ চন | ঃ ২৭ ফেব্ৰুৱাৰি | ঃ ‘কাকতৰ টোপোলা’ ছপাৰ বাবে অতুল বাবুক ১১১/- টকা অনা দিওঁ |
| ১৯০৬ চন | ঃ ৫ এপ্ৰিল | ঃ মাৰ্চডেনৰ ইতিহাসৰ অনুবাদ শেষ কৰোঁ। |
| | ঃ ৬ এপ্ৰিল | ঃ মাৰ্চডেন অনুবাদ পুথিৰ পাণ্ডুলিপি ডাকযোগে ৰাজসাহীৰ মিঃ মজিদলৈ পঠালোঁ। |
| ১৯০৯ চন | ঃ | ঃ ডাঙৰীয়া দীননাথ বেজবৰুৱাৰ জীৱন-চৰিত প্ৰকাশ। |
| ১৯১১ চন | ঃ ৫ আগষ্ট | ঃ ‘শংকৰদেৱ’ পুথি প্ৰকাশ হয়। |

১৯১৩ চন : ফেব্ৰুৱাৰি মাহঃ 'জোনবিৰি' ওলাল।
: এপ্ৰিল : 'ককাদেডতা আৰু নাতি লৰা' ছপা হয়। ইয়াৰ পিছত 'জুনুকা' ছপা হয়। ইয়াৰ পিছত 'কদমকলি' ওলায়।
: নবেম্বৰ মাহ : 'নোমল' ওলায়।
: ডিচেম্বৰ : 'পাঁচনি', 'চিকৰপতি নিকৰপতি' ওলায়।
১৯১৫ চন : ফেব্ৰুৱাৰি : 'বাখৰ' ছপা হয়।
: ৩ জুন : হেম গোস্বামীক 'চক্ৰধ্বজ সিংহ'খন ছপাবৰ কাৰণে দিলোঁ।
: ১২ মাৰ্চ : 'শ্ৰীভাগবৎ কথা' ছপাবলৈ দিলোঁ।
: ছেপ্টেম্বৰ : 'জয়মতী কুঁৱৰী' প্ৰকাশ হয়। *

### ৰচনাৱলী

১। লিতিকাই (১৮৮৯-৯০ চনৰ জোনাকীত প্ৰকাশিত), ১৯০১ চনত কিতাপ আকাৰত ওলায়।
২। কামত কৃতিত্ব লভিবৰ সংকেত, ১৯০৩ চন।
৩। কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা, ১৯০৪ চন।
৪। পদুম কুঁৱৰী (উপন্যাস), ১৯০৫ চন।
৫। কৃপাবৰ বৰুৱাৰ ওভতনি, ১৯০৯ চন।
৬। ডাঙৰীয়া দীননাথ বেজবৰুৱাৰ জীৱন-চৰিত, ১৯০৯ চন।
৭। সুৰভি (চুটি গল্প), ১৯০৯ চন।
৮। সাধু কথাৰ কুকি (চুটি গল্প), ১৯১০ চন।
৯। শংকৰদেৱ, ১৯১১ চন।
১০। বুঢ়ী আইৰ সাধু, ১৯১২ চন।
১১। জোনবিৰি (চুটি গল্প), ১৯১৩ চন।
১২। ককাদেউতা আৰু নাতিল'ৰা, ১৯১৩ চন।
১৩। জুনুকা (সাধু), ১৯১৩ চন।
১৪। কদমকলি (কবিতা), ১৯১৩ চন।
১৫। নোমল (প্ৰহসন), ১৯১৩ চন।
১৬। পাঁচনি (প্ৰহসন), ১৯১৩ চন।
১৭। চিকৰপতি নিকৰপতি (প্ৰহসন), ১৯১৩ চন।
১৮। শংকৰদেৱ আৰু মাধৱদেৱ, ১৯১৪ চন।
১৯। বাখৰ, ১৯১৫ চন।
২০। শ্ৰীভগৱৎ কথা, ১৯১৫ চন।

* *গোস্বামী যতীন্দ্ৰনাথৰ "সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা", ১৯৬৮, পৃ. ১৭৭-১৭৯*



২১। জয়মতী কুঁৱৰী (নাটক), ১৯১৫ চন।
২২। চক্ৰধ্বজ সিংহ (নাটক), ১৯১৫ চন।
২৩। বেলিমাৰ (নাটক), ১৯১৫ চন।
২৪। ভাৰতবৰ্ষৰ বুৰঞ্জী (ই-মাৰ্চডেনৰ অনুবাদ), ১৯০৬।
২৫। History of Vaisnavism in India and Rasa-lila of Srikrishna (বৰোদা বক্তৃতা), ১৯৩৪ চন।

### মৰণোত্তৰ প্ৰকাশ

২৬। মোৰ জীৱন সোঁৱৰণ — বাল্যকাল (মাধৱচন্দ্ৰ বেজবৰুৱা সংগৃহীত), ১৯৪৪ চন।
২৭। কৃপাবৰ বৰুৱাৰ ভাবৰ বুৰবুৰণি (বিৰিঞ্চি কুমাৰ বৰুৱা আৰু সত্যেন্দ্ৰনাথ শৰ্মা সংগৃহীত), ১৯৫১ চন।
২৮। মোৰ জীৱন সোঁৱৰণ (যতীন্দ্ৰনাথ গোস্বামী সংগৃহীত), ১৯৬১ চন।
২৯। তত্ত্বকথা (অতুলচন্দ্ৰ হাজৰিকা সংগৃহীত), ১৯৬৩ চন।
৩০। বৰবৰুৱাৰ বুলনি (অতুলচন্দ্ৰ হাজৰিকা সংগৃহীত), ১৯৬৪ চন।

### অভিভাষণৰ সুবচন

*মানুহৰ প্ৰাণৰ মন্দিৰত সোমাবলৈ গ'লে মৰম, শ্ৰদ্ধা আৰু ভক্তিৰ পুষ্পাঞ্জলি লৈ আহিব লাগিব মিশ্যনেৰী, Script-ৰ জোতা পিন্ধি নাইবা প্ৰচাৰকৰ ঔদ্ধৰ্ত্যৰ ফানটি ভৰিত বান্ধি নহয়।*

*****

*মোক আলিংগন কৰক মযো আলিংগন কৰি পৰম সুখ লভোঁ। ল'ৰা ডেকা বুঢ়া সকলোকে মাতিছোঁ। মোৰ পকা চুলি, আৰু বয়সৰ ফালে চকু নিদিব (বুঢ়াইতো নিদিয়েই)। সেই কাম চিত্ৰগুপ্তই কৰে যদি কৰক মোৰ তাত আপত্তি নাই। হৃদয় দিয়ক, প্ৰাণৰ পৰশ দিয়ক। আপোনাসকলৰ পৰা পটাপট হাত চাপৰি মোক নালাগে, চাপৰিক লুইতৰ পাৰত গজা খাগৰিৰে সৈতে থাকিবলৈ বৰচাপৰিলৈ পঠিয়াওক।*

*****

*ধ্বনিকো জটাবল্কল পিন্ধাই লগতে পঠিয়ালেও মই হাক নিদিওঁ।*

*****

*অসমীয়া মানে কামৰূপীয়া, কামৰূপীয়া মানে অসমীয়া।*

*****

*বৰ্তমান যুগ। এই যুগৰ অসমীয়া ভাষা আৰু সাহিত্য নৰিয়া পাটীৰ পৰা উঠা থৰক বৰক নিশকতীয়া, ক্ষীণোৰা আৰু অতীত গৌৰৱৰ আধা ছাঁ আধা পোহৰ মাথোঁন।*

*অসমলৈ সাহিত্যৰ মাল মছলা আমদানি হৈছে, ইটা গঢ়িবলৈ কাঠৰ ফৰ্মা আহিছে। "ভদ্ৰতাৰ শিল"ক বৈ আনিবলৈ গৰু-ম'হৰ শকত আহিছে, চূণ, কাঠ, বালি আহিছে। কিন্তু নাই শিলাকুটী, নাই বাঢ়ৈ, নাই ৰাজমিস্ত্ৰী।*

*****

*জাতীয় জীৱনৰ ভৰা সোঁতাৰেই জাতীয় ইতিহাস আৰু সাহিত্যৰো ভৰসোঁতা।*

*****

*কোনো এটা জাতিৰ ৰাজনৈতিক, সামাজিক আৰু ধৰ্ম সম্বন্ধীয় সকলো কথাৰ ভূ সেই জাতিৰ সাহিত্যৰ ভিতৰেদি পোৱা যায়। যি দেশৰ জাতীয় জীৱনৰ যিমান সৌষ্ঠৱপূৰ্ণ সেই দেশৰ সাহিত্যও সিমান সৌষ্ঠৱপূৰ্ণ।*

*****

*জাতীয় জীৱনৰ উন্নতি অৱনতিত জাতীয় সাহিত্যৰ উন্নতি অৱনতি অনিবাৰ্য।*

*****

*জাতীয় জীৱনৰ সৌধ নিৰ্মাণ কৰিবলৈ হ'লে প্ৰথমতে ভেটি মাটি ডোখৰৰ গঢ় গতি চাই বুজি লোৱা আৱশ্যক।*

*****


*জাতীয় সাহিত্য জাতীয় জীৱনৰ প্ৰতিধ্বনি মাথোন।*

*****

*সাহিত্যত পৰিৱৰ্তন অৱশ্যে লাগে। নালাগে বুলিলেও পৰিৱৰ্তন আহিবই আহিব। সেইবুলি দেখা দৰকাৰ যে সেই পৰিৱৰ্তনত ভাষাৰ আৰু সাহিত্যৰ প্ৰাণটো নাযায়।*

*****

*এইটো স্পষ্টকৈ দেখিবলৈ পাওঁ যে যি সাহিত্যই যি ভাষাই নিজক সংকুচিত নকৰি গাৰ চাৰিওফালে দুতৰপীয়াকৈ গাধৈৰ চকোৰা নিদি চলিছে সেই ভাষা সেই সাহিত্য বৃদ্ধিপ্ৰাপ্ত হৈছে আৰু যি তাৰ ওলোটা বাটে চলিছে সি নিধনপ্ৰাপ্ত হৈছে।*



# অষ্টম অধিৱেশন, নগাঁও

## (২৭, ২৮ আৰু ২৯ ডিচেম্বৰ, ১৯২৫)

নগাঁৱত অনুষ্ঠিত অষ্টম অধিৱেশনৰ সভাপতি আছিল অসমীয়া উপন্যাস সাহিত্যৰ পিতৃপুৰুষ ৰজনীকান্ত বৰদলৈ। সভা অনুষ্ঠিত হৈছিল নগাঁও কাছাৰী ঘৰৰ উত্তৰে থকা পথাৰত। এই সন্মিলনৰ মণ্ডপ আছিল বিতোপন।[৬১] আদৰণী সমিতিৰ সভাপতি আছিল জ্ঞানদাভিৰাম বৰুৱা, সম্পাদক আছিল ৰামেশ্বৰ বৰুৱা আৰু বিষ্ণুচৰণ বৰুৱা, সহঃসম্পাদক- মতিৰাম বৰা আৰু হলধৰ ভূএগ্ৰা। ২৭ ডিচেম্বৰ আৰু ২৮ ডিচেম্বৰ বিয়লি ২ বজাৰ পৰা আৰু ২৯ ডিচেম্বৰ পুৱা ৮-৩০ বজাৰ পৰা সন্মিলন বহিছিল। সেই সময়ত নগাঁৱৰ যাতায়ত ব্যৱস্থাৰ বিষয়ে পূৰ্বতে গুণাভিৰাম বৰুৱাই 'সৌমাৰ ভ্ৰমণ'-ত উল্লেখ কৰি গৈছিল যদিও পৰৱতী কালত গৰুগাড়ী আৰু লগতে ৰেল চলাচলো আৰম্ভ হ'ল।

সেই সময়ত নগাঁৱত কলেৰা হোৱাত অধিৱেশন পিচুৱাব খোজা হৈছিল যদিও এই ৰোগ উপশম হোৱাত যথা সময়ত অধিৱেশন অনুষ্ঠিত হ'ল।

নগাঁও অধিৱেশনৰ সভা মণ্ডপত নগএগ্ৰা শিপিনীয়ে হাতে কটা সূতাৰ কাপোৰেৰে এই মণ্ডপ সজা হৈছিল। অধিৱেশনত ১০০ মান প্ৰতিনিধি উপস্থিত আছিল অধিৱেশনত প্ৰায় ডেৰ হাজাৰ লোকৰ সমাগম হৈছিল।

২৭ ডিচেম্বৰ দেওবাৰে দিনৰ ২ বজাত সভাপতি বৰদলৈ ডাঙৰীয়াক মণ্ডপৰ পৰা মঞ্চলৈ ঢোল খোলেৰে আদৰণি জনাই লৈ যায়। সভা আৰম্ভ হয় এটি সুৱলা বৰগীতেৰে। বৰগীতৰ অনন্ত আদৰণী ভাষণ পাঠ কৰে জ্ঞানদাভিৰাম বৰুৱায়। ইয়াৰ পিছত চন্দ্ৰধৰ বৰুৱাই সভাপতি নাম প্ৰস্তাৱ কৰে আৰু নুৰুদ্দিন আহমদৰ সমৰ্থনত বৰদলৈ ডাঙৰীয়াই সভাপতিৰ আসন গ্ৰহণ কৰে। এটি শিশুৱে এধাৰ মালাৰে বৰদলৈক সম্ভাষণ জনায়। এটি গীত গায়। ইয়াৰ পিছত সভাপতিয়ে অভিভাষণ পাঠ কৰে। সন্ধ্যা ৬ বজাত নগাঁৱৰ হোলিডে হ'মত বিষয় বাছনী সভা বহে আৰু নিয়মাৱলীৰ কেইবাটাও দফা সালসলনি কৰে।

৬১. অসম সাহিত্য সভা পত্ৰিকা, প্ৰথন বছৰ, প্ৰথম সংখ্যা, পৃ. ২০

২৮ ডিচেম্বৰ সোমবাৰে বিয়লি ১-৩০ বজাত সংগীত সংঘ (সংগীত সন্মিলন)ৰ অধিৱেশন আৰম্ভ হয় সংগীত সন্মিলনৰ সভাপতি হৈছিল চন্দ্ৰধৰ বৰুৱা। সংগীত সন্মিলনৰ সকলো দায়িত্ব নিষ্ঠাৰে পালন কৰিছিল কমলানন্দ ভট্টাচাৰ্য আৰু বত্নকান্ত বৰকাকতীয়ে। সন্মিলনত প্ৰবন্ধ পাঠ কৰে পদ্মধৰ চলিহাই। গীত পৰিৱেশন কৰে হৰিকৃষ্ণ দাস আৰু তেখেতৰ দুই কন্যা, প্ৰফুল্ল চন্দ্ৰ বৰুৱা, ৰমাকান্ত চৌধুৰী আদিয়ে।

মাখিবাহা স্কুলৰ হেডপণ্ডিত দণ্ডীৰাম দত্তই কৌতুক আৰু কামৰূপৰ দেওধনি নৃত্য প্ৰদৰ্শিত হয়।

২৯ ডিচেম্বৰ তাৰিখৰ অধিৱেশনত বিষয় বাছনী সভাৰ প্ৰস্তাৱ অনুমোদন কৰে। সন্মিলনত বজালীৰ ধৰ্মকিংকৰ গোস্বামীয়ে কৌতুক কবিতা পাঠ কৰে। এই সন্মিলনে Text Book Committee-ত দুজন সভ্য বাচি দিয়াৰ অধিকাৰ সভাক দিব লাগে বুলি দাবী জনাইছিল। কিন্তু ইতিমধ্যে ৰাধাকান্ত সন্দিকৈ, দেৱেন্দ্ৰনাথ বেজবৰুৱা এই দুজন Text Book Committee -ৰ সদস্য গতিকে চৰকাৰে জনালে— *Regarding the election of two members of the Assam Valley Text Book Committee by the Sabha. I am directed by the Director of Public Instruction to point out that the constitution of the text book committee is one of the questions which has been taken up by the secretary Education Enquiry Committee. In view of this and the term of the order contained in Govt. letter No 3919 E dt. 6th Oct. 1921, the Director of Public Instruction is indisposed to take the request of the conference into present consideration. He will however be glad if you will state for his information which members of the Assam Valley Text Book committee are also member of the Assam Sahitya Sabha. (No. 5249 dt. 25.3.26)*

এই অধিৱেশনতে পোন প্ৰথমবাৰৰ বাবে বুৰঞ্জী সন্মিলন আৰম্ভ হয়। এই সন্মিলনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল সূৰ্যকুমাৰ ভূঞা। ভূঞাদেৱে পৰৱৰ্তী বৰ্ষতো বুৰঞ্জী সন্মিলন পাতি ধাৰাবাহিকতা ৰাখিবলৈ পৰামৰ্শ দিয়ে। বুৰঞ্জী সন্মিলনৰ সভাপতি আছিল হিতেশ্বৰ বৰবৰুৱা। এই অধিৱেশনতে "অসম আৰু অসমীয়া" শীৰ্ষক এখন গ্ৰন্থ প্ৰণয়ন কৰিবলৈ সিদ্ধান্ত হয়।

তৃতীয় দিনাৰ সভাৰ শেষত বলিনাৰায়ণ বৰুৱাই ব্যায়াম প্ৰদৰ্শন কৰে। ব্যায়ামগাৰ প্ৰতিষ্ঠাৰ কাৰণে তেখেতে এহেজাৰ টকা সভাক দিব বুলি প্ৰতিশ্ৰুতি দিয়ে। সেই সভাতে কিছু ধন সংগ্ৰহ হয়। সন্মিলনৰ প্ৰথম দিনা শশীধৰ বৰবৰুৱাই নাইডু শাৰীৰিক ব্যায়াম প্ৰদৰ্শন কৰিছিল। প্ৰদৰ্শনীস্থলত ভালে কেইখন চিত্ৰ আৰু পুথি প্ৰদৰ্শন কৰা হৈছিল।

সন্মিলনৰ তিনিও দিনেই নগাঁৰৰ থিয়েটাৰ হলবোৰত থিয়েটাৰ হৈছিল। এই সন্মিলনত সভাৰ তিনিমহীয়া মুখপত্ৰ ১৯২৬ চনৰ ভিতৰত উলিয়াবৰ কাৰণে সিদ্ধান্ত গ্ৰহণ কৰে।

এই সভাত নতুন কাৰ্যনিৰ্বাহক সমিতি গঠন হয়। শৰৎ চন্দ্ৰ গোস্বামী পুনৰ প্ৰধান সম্পাদক নিৰ্বাচিত হয় আৰু চন্দ্ৰধৰ বৰুৱা পত্ৰিকা সম্পাদক মনোনীত হয়। এই বৰ্ষত কমলাদেৱী শিশু সাহিত্য ন্যাস দলিল পঞ্জীয়ন হোৱা নাই যদিও ৰোমেশ্বৰ শৰ্মাই *কথা মহাভাৰত*গ্ৰন্থৰ বাবে পুৰস্কাৰ লাভ




কৰে। তদুপৰি এই বৰ্ষৰ সন্মিলনত গৃহীত প্ৰস্তাৱমৰ্মে ন্যাসৰ ফালৰ পৰা *মহাৰাজ নৰনাৰায়ণ, মোমাই তামুলী বৰবৰুৱা, মণিৰাম দেৱান* গ্ৰন্থ লিখিবৰ কাৰণে জাননী দিয়ে আৰু প্ৰতিখনৰ বাবে ৫০.০০ টকা পুৰস্কাৰ ঘোষণা কৰা হয় (৩১/১২/২৫ তাৰিখৰ ভিতৰত পাণ্ডুলিপি আহ্বান কৰা হয়। বিনন্দ চন্দ্ৰ বৰুৱাই লিখা মহাৰাজ *নৰনাৰায়ণ* পুথিৰ বাবে কমলাদেৱী ন্যাস পুঁজিৰ বঁটা লাভ কৰে।

## বিদেশী নাগৰিকক লৈ হোৱা সমস্যা

জন্মলগ্নৰে পৰা সভাই অসমত বসবাস কৰা বাহিৰৰ লোকক আপোন কৰি লোৱাৰ পোষকতা কৰিছিল। এই অধিৱেশনত সভাপতি ৰজনীকান্ত বৰদলৈয়ে মৈমনচিঙীয়াসকলক অসমীয়া কৰি ল'বলৈ পৰামৰ্শ দিছিল। ১৯৩৬ চনলৈকে বিদেশী নাগৰিক সমস্যা বুলি কোৱা হোৱা নাছিল, ১৯৩৬ চনত তেজপুৰত হোৱা যোড়শ অধিৱেশনৰ সভাপতি ৰঘুনাথ চৌধাৰীয়ে প্ৰথম বিদেশী শব্দটো ব্যৱহাৰ কৰে।

এই অধিৱেশনতে শ্ৰীশ্ৰীআউনীআটি সত্ৰাধিকাৰে ৫৫০০.০০ টকা দান স্বৰূপে আগবঢ়োৱাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। কলেজৰ অসমীয়া পাঠ্যপুথি নিৰ্বাচন কৰোতে অসম সাহিত্য সভাৰ যোগেদি সাহিত্যিকসকলৰ লগত আলোচনা কৰিবৰ কাৰণে কলিকতা বিশ্ববিদ্যালয়, ঢাকা বিশ্ববিদ্যালয় আৰু বেনাৰচ হিন্দু বিশ্ববিদ্যালয় আৰু অসমৰ শিক্ষা বিভাগক অনুৰোধ জনাই প্ৰস্তাৱ লয়। ঢাকা বিশ্ববিদ্যালয়ৰ পৰা উত্তৰ দিয়া হয় যে সেই বিশ্ববিদ্যালয়ত অসমীয়া বিষয় নাই। মন কৰিবলগীয়া ঢাকা বিশ্ববিদ্যালয় স্থাপিত হয় ১৯২১ চনত। ঢাকা কলেজ (১৮৭৩) ত প্ৰথম শ্ৰেণী আৰম্ভ হৈছিল। ১৯১১ চনত চৰকাৰৰ Subsidise paper ত ঢাকাৰ পৰা এখন উন্নত মানৰ অসমীয়া বাতৰি কাকত প্ৰকাশ হৈছিল। বহুতে চৰকাৰৰ সহায়ত কাকত প্ৰকাশ কৰা দেখি ইতিকিং কৰিছিল যদিও বেজবৰুৱাই এনেকৈ মোখনি মাৰিছে-" গৱৰ্ণমেণ্টৰ দৰ্মহা, পেঞ্চন, খিতাপ অনুগ্ৰহ আৰু বাতৰি কাকতত দিয়া বিজ্ঞাপনক আদি সকলো ভাল কিন্তু বাতৰি কাকতক দিয়া ধনৰ সহায়টোহে চুৰা ...। আমি দেখিছোঁ বিশ্ববাৰ্তাত সকলো জানিবলগীয়া বিষয় চমুকৈ দিয়া হৈছে। কাকতখনৰ .... সুন্দৰ ছপা। অসমীয়াৰ লাগতিয়াল কথাৰে ই ভৰপুৰ। তেনেহলে আৰু কি লাগে ? আমি বিশ্ববাৰ্তাক সাদৰ সম্ভাষণ জনাইছোঁ আৰু আশা কৰিছো প্ৰত্যেক অসমীয়াৰ ঘৰ বিশ্ববাৰ্তাৰ আনন্দ বাৰ্তাৰে ধ্বনিত হ'ব। (বাঁহী ২য় বছৰ, ১২ শ সংখ্যা, ৫৪৯-৫১) তেনেকৈ Text book Committee-ত অসম সাহিত্য সভাৰ দুজন প্ৰতিনিধি দিবলৈ চৰকাৰক অনুৰোধ জনায়। পাঠ্যপুথি সমিতিৰ পৰা ২৫-০৩-২৬ তাৰিখে সভাই তথ্য দিয়া পত্ৰখন লাভ কৰে। গোৱালপাৰাৰ চৰকাৰী সাহায্য পোৱা বা নোপোৱা হাইস্কুলে আৰু অসমীয়া স্কুলেও অসমীয়া ভিন্ন অন্য ভাষা ভাষী শিক্ষকক বিভাগীয় পৰীক্ষা পাছ কৰাৰ নিয়ম কৰিবলৈ চৰকাৰক অনুৰোধ জনায়। ধুবুৰীৰ আদালত আৰু বিজনী কোৰ্ট অ ৱাৰ্ডছ ষ্টেটত অসমীয়া ভাষাক চৰকাৰী ভাষা কৰিবলৈ চৰকাৰক অনুৰোধ জনাই প্ৰস্তাৱ লোৱা হয়।



# চন্দ্ৰকান্ত সন্দিকৈ ইনষ্টিটিউট

১৯২৬ চনৰ ২ ডিচেম্বৰ তাৰিখে চন্দ্ৰকান্ত সন্দিকৈ হলৰ দুৱাৰ মুকলি কৰে সেই সময়ৰ অসমৰ গভৰ্ণৰ ছাৰ জন কাৰে (H.S. Excellency Sir John Kerr)[৬২]। সন্দিকৈ ডাঙৰীয়াই দিয়া দানেৰে বিতোপন ঘৰ-দুৱাৰ হ'ল। শৰৎ চন্দ্ৰ গোস্বামীয়ে কৈছে— *চন্দ্ৰকান্ত হল ঘৰে দুৱাৰে, মেজে-মজিয়াই বিজুলী পোহৰে, বিজুলী ফেনে চিকমিকাই থাকে। নগৰৰ সকলো গণ্যমান্য মানুহে গধূলি এবাৰ নে এবাৰ সাহিত্য সভাৰ হলত সোমাই যায়।*"[৬৩] উদ্বোধনী অনুষ্ঠান জাক-জমকতাৰে পাতিছিল। যেই সময়ৰ বাতৰি কাকতত ডাঙৰ ডাঙৰ হৰফেৰে বাতৰি প্ৰকাশ হৈছিল— চন্দ্ৰকান্ত সন্দিকৈ হলত উৎসৱ - Glories of Ancient Kamarupa Recalled, H.E. Governor at Johat, opening ceremony of C.K. Handique Institute ইত্যাদি আছিল বাতৰিৰ শিৰোনাম। ডাঙৰ আখৰেৰে চকুত লগাকৈ প্ৰকাশ কৰিছিল—Times of Assam ৰ পৰা তলত দিয়া বাতৰিটি উদ্ধৃত কৰা হ'ল।

**OPENING CEREMONY OF C.K. HANDIQUI INSTITUTE**

*H.E. Sir John Kerr and Lady Kerr were present in a number of public function at Jorhat. His Excellancy opened the C.K. Handiqui Institute on the 2nd December at 3 p.m. and Lady Kerr unveiled the portrait of the late Chandrakanta Handiqui B.A. Representative European and Indian Gentlemen to the number of more than 200 were present. The guests were treated with light refreshment by Rai Bahadur R.K. Han diqui after the ceremony was over.*

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

৬২. অসম সাহিত্য সভা পত্ৰিকাৰ প্ৰথম বছৰ প্ৰথম সংখ্যাত তাৰিখৰ ইফাল-সিফাল হৈছে—"ৰায়বাহাদুৰ শ্ৰীযুত ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াই সভাৰ ব্যৱহাৰৰ অৰ্থে দান কৰা চন্দ্ৰকান্ত সন্দিকৈ হলত যোৱা ২৮ ফেব্ৰুৱাৰি (১৯২৫ ইং) তাৰিখৰ পৰা সভাৰ কেন্দ্ৰীয় কাৰ্যালয়ত স্থাপিত হৈছে।" পৃ. ১৪

৬৩. (ক) বসন্ত কুমাৰ গোস্বামী আৰু আব্দুছ ছাত্তাৰ সম্পা. অভিলেখ, পৃ. ৩৯-৪২

(খ) সেই চনতে ১জন চকীদাৰ, ১জন পিয়ন, ১জন কেৰেণী নিযুক্তি দিয়া হৈছিল।



**HIS EXCELLENCY'S SPEECH**

His Excellency declared the Institute open said :-

Ladies and Gentlemen,

My wife and I are very pleased to come here this afternoon open this Chandrakanta Institute in compliance with the request of friend Rai Bahadur Radhakanta Handiqui and the trustees of the Chandrakanta and Indrakanta Trust Fund. A little more than three years age the Assam Valley was shoked by the news of the death of the young men whose memory we are honouring today. I can recall no more pathatic story than that of these two exceptionally gifted brothers struck down by the same fell disease within a few weeks of one another, and it adds to the tragedy that the elder lost his life in a noble, through vain, attempt to save his brother. The sad occurance made deep Impression all over Assam and the impression must I knew have been deepest here in Jorhat where the brothers were well known and much loved. My first duty is to express to the bereaved parents our deep sympathy with them in their irreparable loss. My second duty is to thank them for the munificent gift by which they have chosen to honour the memory of their beloved sons. This institute has been built and the Chandrakanta Indrakanta Trust Fund has been created for the cultivation, encouragement and improvment of the Assamese Language. I came to Assam too lat in life to learn Assamese. But I have been in the course of my tours many examples of the great treaseures of Assamese culture and learning that exist in many unexpected places and I have been much impressed by the keen and wide interest which is taken in Assamese literature and archaeology. No more suitable method could therefore have been found by an Assamese father for honouring the memory of his Assamese sons and I have no doubt that willing and able workers will always be forthcoming to assist in carrying out the benefactors with that this instutute should become a great centre of Assamese culture, I am flad to learn that it is already highly appreciated by the people of Jorhat, and I have no doubt that its influence will spread over the province as time goes on,

The first great task that it has undertaken is the compilation of a monumental etimological dictionnary of Assamese. I am glad to learn that thanks to the devotion and zeal of Sjt. Kohi Ram Das B.A., good progress has already been made with the execution of that work. When it is completed the next duty which will fall upon the Board of Trustees under the terms of the Trust deed will be to arrange for the preparation of a History of Assam, and I hope, it will not be long before that task too is taken in hand. With the thoughtfulness which is characteristic of the whole benegaction the Raj

Bahadur has directed that the dictionary shall be named 'Chandrakanta Abhidhan' in memory of his older son, and that the history shall bear the name of his younger son Indrakanta. The whole scheme is a great ideal, honourable to him who planned it and werthy of the best labours of those who will carry it out, when it is completed, it will secure the object of the generous benefactor in enshrining for over the names of his sons in the annuals of this institute.


The immediate responsibility for carrying out the intention of the Trust has been laid on the Assam Sahitya Sabha and I wish that comperent body all success in its task. But a munificent gift of this kind imposes duties not only on the immediate beneficlaties, but on every educated man and women in Assam, It is for them to help in the execution of the work by active sympathy and encouragement by giving advice and help in every way they can and perhaps by adding something from their little individual stock of knowledge to the great mass of learning which will be accumulated in this place. If my hopes are to any extent realised, this institute and its productions will be a national possesition of Assam will have a right to be proud, as well as a worthy memorial of those whom it is designed to honour.

Ladies and gentlemen, I have new great pleasure in declaring the Chandrakanta Institute open, and I wish it very sucess.

Times of Assam 11-12-1926

### সভাৰ অন্যান্য ন্যাস পুঁজি

| | | | |
|---|---|---|---|
| ১। চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত সামাজিক সমাৰোহ | | ঃ | ১৫৫০.০০ টকা |
| | দাতা | ঃ | ৰাধাকান্ত সন্দিকৈ |
| ২। হৰিহৰ চৌধুৰী বঁটা | | ঃ | ১,০০০.০০ টকা |
| | | | (অৰুণাচলৰ ছাত্ৰলৈ পুৰস্কাৰ) |
| | দাতা | ঃ | হৰিহৰ চৌধুৰী |



# ৰজনীকান্ত বৰদলৈ

উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈ (জন্ম ২৪ নবেম্বৰ, ১৮৬৭ চন, মৃত্যু ২৫ মাৰ্চ, ১৯৪০ চন)-এ জোনাকী, বাঁহী আদি আলোচনীৰ লেখকৰূপে আত্মপ্ৰকাশ কৰা বৰদলৈৰ *মিৰি জীয়ৰী* (১৮৯৫) জনজাতীয় জীৱনক লৈ লিখা প্ৰথম উপন্যাস। বৰদলৈ কলিকতাৰ চিটি কলেজৰ স্নাতক। ১৮৮৯ চনত গুৱাহাটীৰ উপায়ুক্তৰ কাৰ্যালয়ত, ১৯৯১ চনত উত্তৰ লক্ষীমপুৰত মাটিৰ হাকিম, নগাঁৱৰ উপায়ুক্তৰূপে ১৯০৯ চনত কাৰ্যনিৰ্বাহ কৰিছিল। ১৯১৮ চনত চাকৰিৰ পৰা অৱসৰ লৈ ১৯২০ চনত *অসম প্ৰদীপিকা* উলিয়ায়, প্ৰদীপিকা আৰু বাঁহীৰ মাজত ধৰ্মমত সম্বন্ধে নানা বাদ প্ৰতিবাদ হৈছিল। ছাৰ ৱাল্টাৰ স্কট, মেৰী কলেৰী, বংকিমচন্দ্ৰ চট্টোপাধ্যায় আদিৰ ঐতিহাসিক উপন্যাসৰ প্ৰভাৱ বৰদলৈৰ উপন্যাসত পোৱা যায়। ঐতিহাসিক উপন্যাসসমূহ হ'ল— *মনোমতী* (১৯০১), *ৰঙিলী* (১৯২৫), *ৰাধা ৰুক্মিণীৰ ৰণ* (১৯২৫), *নিৰ্মল ভকত* (১৯২৬), *দন্দুৱা দ্ৰোহ* (১৯২৮), *ৰহদৈ লিগিৰী* (১৯৩০), *খাম্বা থুইবী* (১৯৩২), *তাম্ৰেশ্বৰী মন্দিৰ* (১৯৩৬), *জ্ঞান সোপান* (পাঠ্যপুথি ১৮৯৭), *উষা কাকত, বাঁহী আলোচনী, আৱাহন* আদিত নানা প্ৰবন্ধ প্ৰকাশিত হৈছিল। ডিম্বেশ্বৰ নেওগে কৈছে— একে সময়ত *মিৰিজীয়ৰী* অসমীয়া সাহিত্যত অকল প্ৰথমেই নহয় অদ্বিতীয়, বুৰঞ্জীমূলক উপন্যাস *মনোমতী, ৰঙ্গিলী* আদি। সমসাময়িক উপন্যাস লেখক লক্ষ্মীনাথ, পদ্মনাথ আদিৰ পৰা ৰজনীকান্তৰ উপন্যাসৰ বিশেষত্ব প্ৰমাণ সদায় পোৱা হয়। ভালেখিনি ঠাইত এওঁৰ উপন্যাস পঢ়ি ককাদেউতাৰ মুখে জুহালৰ কাষত সাধুকথা শুনা যেন লাগে। কিন্তু তেতিয়াও আমি তেওঁৰ কাষৰ পৰা সতকাই উঠি আহিব নোৱাৰোঁ, তেওঁৰ উপন্যাসৰ নিৰ্মল চৰিত্ৰ অংকন আদি গুণ কোনোমতেই পাহৰিব নোৱাৰোঁ।[৬৪]

### অভিভাষণৰ সুবচন

*মাতেৰেও বুজোৱা আৰু তাৰ লগতে লিখাৰ দ্বাৰায়ো বুজাব পৰা বা প্ৰকাশ কৰিব পৰা বাক্য বিন্যাসক ভাষা বোলে।*

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

*৬৪. নগেন শইকীয়া, সম্পা. ডিম্বেশ্বৰ নেওগ ৰচনাৱলী, ২০১২, পৃ. ২৪৪*

*(মুঠতে) সাহিত্যই কৰ্ম ভক্তি জ্ঞান এই সমস্ত আমাক দি আমাৰ জীৱনক সৌন্দৰ্যময় কৰি তুলিব পাৰে।*

*****

*জাতীয় চৰিত্ৰ, জাতীয় উন্নতি, জাতীয় আৰ্হি এই সমস্তৰে ওপৰত সেই জাতিৰ সাহিত্য নিৰ্ভৰ কৰে।*

*****

*..ৰৰ্তমানে আমাৰ সাহিত্য কেইবা বিষয়তো পাছ পৰি আছে আৰু আমাৰ ভাষা আৰু সাহিত্যৰ সন্মুখত আনকি অসমীয়াৰ জাতীয়তাৰ সমুখতো ঘোৰ বিপদৰ ভাবৰেও দেখা দিছে।*

*****

*অসমীয়াই কবিতা লিখিবলৈ, কাব্য লিখিবলৈ, উপন্যাস লিখিবলৈ আন কোনো ঠাইলৈকে হাত মেলিব নালাগে।*

*****


*গাঁৱলীয়া প্ৰজাৰ বনুৱাইহে শিক্ষিতসকলৰ বল।*

*****

*কানি, ভাং, চিগাৰেট অসমীয়াই একক। দেখিব তেতিয়া হ'লে অসমীয়াৰ শৰীৰলৈ এটা নতুন জীৱনী শক্তি আহিব। জীৱনী শক্তি আহিলেই কানীয়া অসমীয়াৰ ঘৰ-দুৱাৰ আৰু চোতালৰ আগৰ পৰা জাবৰ-জোঁথৰ গুচিব।*

*****

*চাহ বাগিচাৰ যিবিলাক বনুৱা ওলাই আহি বস্তিত ফাল্টু হৈ বহিছে সেইসকলকো আমি অসমীয়া ভাষা দি পাৰিলে গোসাঁইসকলে উদাৰ ভাবৰ হিন্দু ধৰম দি অসমীয়া কৰি ল'ব লাগিব আৰু ভাটীৰ পৰা অহা মৈমনচিঙীয়া আৰু ঢাকায়া মুছলমানসকলক আমাৰ অসমীয়া মুছলমানসকলে অসমীয়া কৰি ল'ব লাগিব।*



# নৱম সন্মিলন, ধুবুৰী

## (২৯ আৰু ৩০ ডিচেম্বৰ, ১৯২৬)

জোনাকী যুগৰ অন্যতম প্ৰতিষ্ঠিত সাহিত্যিক *বিপ্ৰ দামোদৰ* (১৯১৮) *নামঘোষা* (১৯১৯), *কাণখোৱা* (১৯২৩), আৰু *গুণমালা* (১৯২৩) ইংৰাজী ভাষালৈ তৰ্জমা কৰি অসমৰ ৰত্নৰ পোহৰ জগত বিলাবলৈ যত্নপৰ হোৱা বেণুধৰ ৰাজখোৱাৰ সভাপতিত্বত ধুবুৰীত নৱম অধিৱেশন অনুষ্ঠিত হয়। আদৰণী সমিতিৰ সভাপতি আছিল জমিদাৰ ৰবীন্দ্ৰনাথ চৌধুৰী। এই অধিৱেশনত যিমান গণ্য-মান্য লোক গোট খাইছিল। ইয়াৰ আগৰ কেয়োখন সন্মিলনক চেৰ পেলালে। উজনিৰ পৰাও মহিলাসকল উপস্থিত হৈছিল। আদৰণী সমিতিয়ে সুন্দৰকৈ অতিথিক থকা-খোৱাৰ ব্যৱস্থা কৰি দিছিল। গোৱালপাৰাৰ ৰাইজ আৰু ৰাভাসকলৰ সভাৰ প্ৰতি অনুৰাগ আছিল উল্লেখযোগ্য।

সভাপতি ৰাজখোৱাই অভিভাষণখন পঢ়োঁতে দুঘণ্টা সময় লাগিছিল। সভাপতিৰ ভাষণে সভাস্থলীত প্ৰতিক্ৰিয়া সৃষ্টি কৰিছিল।[৬৫] অধিৱেশনত বুৰঞ্জী সন্মিলন অনুষ্ঠিত হৈছিল। এই সন্মিলনত সভাপতিত্ব কৰিছিল সূৰ্যকুমাৰ ভূঞাই। খান আমানটুল্লা আহমদ চৌধুৰীয়ে এটি প্ৰবন্ধ পাঠ কৰিছিল।[৬৬]

অসম সাহিত্য সভাই এই অধিৱেশনতে প্ৰথমবাৰৰ বাবে দৰ্শন সন্মিলন অনুষ্ঠিত হৈছিল। সভাপতিত্ব কৰিছিল পণ্ডিত ষড়ানন তৰ্ক তীৰ্থই।[৬৭]

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

৬৫. *এই প্ৰতিক্ৰিয়াৰ কথা সেই সময়ৰ বাতৰি কাকতত বিৰূপভাৱে প্ৰকাশ পাইছিল। কিন্তু প্ৰকৃততে ঘটনাটো এনেধৰণৰ—"সন্মিলনৰ দ্বিতীয় দিনৰ সভাত এজন বাঙালী ভদ্ৰলোকে সভাপতিয়ে আগদিনা পাঠ কৰা অভিভাষণৰ কোনো অংশ সমালোচনা কৰি এটা বক্তৃতা দিবলৈ ঠিয় হৈছিল। কিন্তু সভাপতিৰ বক্তৃতাৰ সেই সভাতে সমালোচনা কৰা ৰীতিতো কোনো দেশত কোনোকালে আজিলৈকে চলা নাই দেখি সভাপতি ডাঙৰীয়াই তেওঁক সেই বক্তৃতা দিবলৈ অনুমতি নিদিলে। সেই কথাতে ওফোন্দ পাতি সেই ভদ্ৰলোকজনে গোৱালপাৰাৰ সকলো বাঙালী উঠি আহা বুলি দুকুৰিমান বাঙালী বন্ধুৰে সৈতে সভাৰ পৰা ওলাই গ'ল। সেইবাবে সভাৰ সদস্যসকল বৰ দুখিত হ'ল। কিন্তু ইয়াৰ বাবে সভাৰ কাৰ্যৰ কোনো ব্যাঘাত হোৱা নাছিল। (অসম সাহিত্য সভা পত্ৰিকা, ১ম বছৰ, দ্বিতীয় সংখ্যা, পৃ. ১২৪-১২৫) অৱশ্যে প্ৰায় ৪০/৪৫ মিনিট উপস্থিত বুদ্ধিৰে বক্তৃতা দি তৰুণৰাম ফুকনে পৰিস্থিতি অনুকুল কৰিলে।*

৬৬. *আমনটুল্লা চৌধুৰী "কোচ বিহাৰেৰ ইতিহাস" প্ৰণেতা আৰু অধ্যাপক আছিল।*

৬৭. *ষড়ানন তৰ্কতীৰ্থৰ ভাষণটি সভাৰ পত্ৰিকাৰ প্ৰথম বছৰ দ্বিতীয় সংখ্যাত প্ৰকাশ হৈছিল। দৰ্শন শাখাৰ দ্বিতীয় সন্মিলন হৈছিল ১৯৩৬ চনত।*

মূল অধিৱেশনত লক্ষ্মীনাথ বেজবৰুৱাই "গোৱালপাৰা ডিষ্ট্ৰিক এছোছিয়েছন'-ৰ হাকাম অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতিৰ অভিভাষণৰ বিষয়ে একাষাৰ" নামেৰে এটি প্ৰবন্ধ পাঠ কৰে।[৬৮] আৰু কন্যা ৰত্নাৱলীয়ে গোৱা *অসমা সুষমা কামৰূপা জয়তু জননী ধৰিত্ৰী দুহিতা* গীতেৰে সভাৰ উদ্বোধন কৰা হয়। বেজবৰুৱা আনন্দ চন্দ্ৰ আগৰৱালাৰ ঘৰত অতিথিৰূপে আছিল। আৰু তেখেতৰ ভোজনৰ ব্যৱস্থাৰ বিষয়ে সোধাত বেজবৰুৱাই কৈছিল—"মই মাতৃৰ চৰণ সেৱা কৰিবলৈ আহিছোঁ, মোৰ মাতৃয়ে যি খায় সৰুৰে পৰা যি খাই ডাঙৰ হ'লোঁ তাৰেই দিলেহে ধাউতি" ('আৱাহন'ৰ ৯ম বছৰ ৫ম সংখ্যা) আনন্দ চন্দ্ৰ আগৰৱালাৰ পত্নীয়ে খাদ্যৰ দিহা কৰিছিল এনেকৈ— ভাতত দিয়া, পাতত দিয়া, ভজা, খাৰ, খাৰলি, শাকৰ আঞ্জা, কাঁহুদী, মাটি মাহৰ খাৰ, কচু, ঢেকীয়া, বাঁহগাজ, বৰা চাউলৰ খোলা চাপৰীয়া পিঠা।" দুয়োদিনে নাটৰ অভিনয় হৈছিল— অম্বিকাগিৰী ৰায়চৌধুৰীৰ *জয়দ্ৰথ বধ* (গোৱালপাৰাৰ ৰাইজৰ দ্বাৰা) দ্বিতীয় দিনা বেজবৰুৱাৰ *জয়মতী কুঁৱৰী* অভিনয় কৰিছিল সদৌ অসম শিল্পীসকলে। গদাধৰৰ নাম ভূমিকাত ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, জয়মতীৰ ভূমিকাত প্ৰফুল্লচন্দ্ৰ বৰুৱা আৰু ডালিমীৰ ভূমিকাত অভিনয় কৰিছিল গোৱালপাৰাৰ প্ৰবোধ চন্দ্ৰ দাস।[৬৯] কমলাদেৱী ন্যাস পুঁজিৰ প্ৰথম গ্ৰন্থ *কথা মহাভাৰত* প্ৰকাশ হয় এই বছৰতে।[৭০] দণ্ডিনাথ কলিতাৰ উপন্যাস *সাধনা*ৰ বাবে সভাই ঘোষণা কৰা তিনিশ টকাৰ পুৰস্কাৰ এই অধিৱেশনতে প্ৰদান কৰা হয়। এই অধিৱেশনতে বিনন্দ চন্দ্ৰ বৰুৱাৰ মহাৰাজ নৰনাৰায়ণ (কমলাদেৱী ন্যাস পুঁজি) গ্ৰন্থ প্ৰকাশ কৰিবলৈ সভাই সিদ্ধান্ত কৰে। ধুবুৰী অধিৱেশনৰ পৰোক্ষ ফল—জমিদাৰ নগেন্দ্ৰনাৰায়ণ চৌধুৰীৰ আৰ্থিক সাহায্য আৰু ডাঃ দীননাথ শৰ্মাৰ সম্পাদনাত কলিকতাৰ পৰা উচ্চমানৰ আলোচনী আৱাহন প্ৰকাশ বুলি অতুলচন্দ্ৰ হাজৰিকাই উল্লেখ কৰিছে।[৭১]

এই বছৰতেই (১৮৪৮-৪৯ শক) অসম সাহিত্য সভা পত্ৰিকাই পোহৰ দেখে। সাহিত্যৰত্ন চন্দ্ৰধৰ বৰুৱাৰ সম্পাদনাত প্ৰকাশিত প্ৰথম বছৰ প্ৰথম সংখ্যা পত্ৰিকা যোৰহাটৰ দৰ্পণ প্ৰেছত মুদ্ৰিত হয়। ছপাৰ দায়িত্বত আছিল টুনিৰাম শৰ্মা।[৭২] ধুবুৰী অধিৱেশনৰ আয়োজন বৰ সুন্দৰ হৈছিল।

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

৬৮. *সভাৰ পত্ৰিকাৰ প্ৰথম বছৰ দ্বিতীয় সংখ্যাত প্ৰবন্ধটো ছপা হৈছে।*

৬৯. *হাজৰিকা অতুলচন্দ্ৰ, পূৰ্বোক্ত, পৃ. ৫১*

৭০. *এইখনেই সভাৰ প্ৰথম প্ৰকাশিত গ্ৰন্থ।*

৭১. *পূৰ্বোক্ত পৃষ্ঠা ৫১*

৭২. *প্ৰথম সংখ্যা পত্ৰিকাতে সম্পাদকে পত্ৰিকাৰ লক্ষ্যৰ কথা এনেকৈ কৈছে— এই পত্ৰিকাৰ সাহিত্য সেৱাই একমাত্ৰ উদ্দেশ্য আৰু সমস্ত অসম দেশৰ আধুনিক সাহিত্যৰ সৰ্বাদিসন্মত আদৰ্শ অনুসৰণ কৰাই প্ৰধান লক্ষ্য। দৰ্শন, বিজ্ঞান, ইতিহাস, অৰ্থনীতি, সংগীত প্ৰভৃতি সাহিত্যৰ সকলো শাখাৰে নিৰৱভাৱে চৰ্চা কৰিবলৈ ই সদায় যত্ন কৰিব। এই পত্ৰিকা অসমীয়া সাহিত্যত ৰতি থকা, অসমীয়া সাহিত্যৰ মংগল কামনা কৰা সকলো মানুহৰে উমৈহতীয়া সম্পত্তি। ইয়াক মৰমৰ চকুৰে চাবলৈ ইয়াক সজ বাট লগাই দিবলৈ, ইয়াক ইয়াৰ মহৎ উদ্দেশ্যৰ জোখাৰে গঢ় লগাই ল'বলৈ তেখেতসকলৰ ওচৰত আমি অতি সৰল ভাবেৰে মিনতি কৰিছোঁ আৰু আমাৰ এই চেষ্টাত তেখেতসকলৰ সম্পূৰ্ণ সহানুভূতি ভিক্ষা কৰিছোঁ। মুঠতে এই পত্ৰিকা উলিয়াই অকল মাথোন গুটি পচোৱা হৈছে, এই গুটিৰ পৰা গছ গজাই, ডাঙৰ কৰি, গুটি লগাই তাক ভোগ কৰিবলৈ বহুত সময় যত্ন, ধন, আশাসুধীয়া চিত্ত আৰু নেৰানেপেৰা পৰিশ্ৰমৰ প্ৰয়োজন হ'ব।"*

*(পৰৱৰ্তী পৃষ্ঠাত)*



## পুথিভঁড়াল

তিনিজন গৱেষকৰ নিযুক্তি দিয়াৰ পৰিকল্পনাৰে পোণ প্ৰথমে শৰৎচন্দ্ৰ গোস্বামীয়ে সভাৰ পুথিভঁৰাল স্থাপনৰ মানস কৰে। সভাৰ কেয়োখন সন্মিলনতে গ্ৰন্থ সংগ্ৰহত গুৰুত্ব দিয়া দেখা যায়। অনানুষ্ঠানিকভাৱে পুথি সংগ্ৰহ কৰি ৰখাৰ ব্যৱস্থা কৰা হৈছিল। সভাৰ চন্দ্ৰকান্ত সন্দিকৈ হল হোৱাৰ লগে লগে গ্ৰন্থ ৰখাৰ ব্যৱস্থাও কৰা হয়। এই অধিৱেশনতে প্ৰথম এটি প্ৰস্তাৱ লোৱা হয় আৰু তাৰবাবে বাজেটত ১৫০০.০০ টকা সুকীয়াকৈ ৰখা হয় আৰু পুথিভঁৰাল স্থাপনৰ বাবে সুকীয়া এটা বিভাগো স্থাপন কৰা হৈছে বুলি জনা যায়। অসম সাহিত্য সভাৰ প্ৰথম পুথিভঁৰালীৰূপে ৰোমেশ্বৰ শৰ্মাই দায়িত্ব লৈছিল। ১৯১৭-২৬ চনৰ ভিতৰত পুথিভঁৰালৰ গ্ৰন্থৰ সংখ্যাই ৫৬৪ সংখ্যা চুইছিলগৈ। এই সংখ্যাত ইংৰাজী সংস্কৃত আৰু বঙলা কিতাপ অন্তৰ্ভুক্ত হোৱা নাই।

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

*(টোকা ৬৯-ৰ পৰৱৰ্তী অংশ)*

*পত্ৰিকাখনৰ নামকৰণ সম্পৰ্কে অসমৰ ৰাইজৰ মতামত বিচাৰি জাননী দিয়া হৈছিল, সেইমতে পোৱা সকলো প্ৰস্তাৱ বিবেচনালৈ আনি কাৰ্যনিৰ্বাহক সমিতিয়ে অসম সাহিত্য সভা পত্ৰিকা নামটোকে বিবেচনা কৰে। পত্ৰিকাখন তিনিমহীয়া কৰা হৈছিল। সভাই হিচাপ কৰি দেখুৱাইছে যে ৩৩৩ জন গ্ৰাহক হ'লেই পত্ৰিকাখন নিয়মীয়া কৰিব পৰা হ'ব। প্ৰতিমাহৰ মূল্য ৩ টকা ধাৰ্য হৈছিল। মুঠতে ৪টকা বৰঙণি দিওঁতাসকলক বিনামূল্যে পত্ৰিকা দিয়া হ'ব। এনে গ্ৰাহক ৩৩৩ জনৰ আৱশ্যক। পত্ৰিকাখন মাহেকীয়া কৰিবৰ কাৰণেও বিভিন্ন সময়ত পৰামৰ্শ আহিছিল (পত্ৰিকা প্ৰথম বছৰ ৪ৰ্থ সংখ্যা)। অৱশ্যে ৰঙিয়াত অনুষ্ঠিত অধিৱেশনত পত্ৰিকা মাহেকীয়া কৰিবৰ কাৰণে সভাপতি গিৰিধৰ শৰ্মাই অহোপুৰুষাৰ্থ কৰি হেমন্ত কুমাৰ শৰ্মাৰ সম্পাদনাত এবছৰ নিয়মীয়াকৈ প্ৰকাশ কৰিবলৈ সক্ষম হৈছিল যদিও যথেষ্ট আৰ্থিক ক্ষতি হোৱাত পত্ৰিকাৰ মাহেকীয়া প্ৰকাশ বন্ধ হয়।*

৭৩. *পত্ৰিকা, প্ৰথম বছৰ দ্বিতীয় সংখ্যা, পৃ. ১১৮-২২*

◆◆◆◆◆

# বেণুধৰ ৰাজখোৱা

জোনাকীত "ছাত্ৰ ৰচনা"ৰে কলম হাতত লোৱা বেণুধৰ ৰাজখোৱা (১১ ডিচেম্বৰ, ১৮৭২, মৃত্যু ২২ জুন, ১৯৫৫) এগৰাকী কবি, নাট্যকাৰ, প্ৰবন্ধ ৰচক। *বিজুলী* আলোচনীৰ ৩য় বছৰৰ সম্পাদক ৰাজখোৱাৰ ভালেখিনি গৱেষণামূলক প্ৰবন্ধ *বিজুলী*-ত প্ৰকাশ পায়। *Short Account of Assam (1915), Historical Sketches of Old Assam (1917), Some popular, Superstion of Assam (1920)*, ৰবীন্দ্ৰনাথেও প্ৰশংসা কৰা *অসমীয়া খণ্ডবাক্য কোষ* (১৯১৭) উল্লেখযোগ্য পুথি। *নামঘোষা, গুণমালা, কাণখোৱা বিপ্ৰ দামোদৰ* ইংৰাজী অনূদিত তেওঁৰ পুথি। *ল'ৰা পুথি* (১৮৮২) সেউতী *কিৰণ* ওখ খাপৰ বিয়োগান্ত নাটক, *Assamese Demonology (1905)* উল্লেখযোগ্য গ্ৰন্থ। *দুৰ্যোধনৰ উৰু ভংগ* (১৯০৪) আৰু *দক্ষযজ্ঞ* (১৯০৮) পৌৰাণিক নাটক, *বাঁহী* নামেৰে গীতৰ পুথি প্ৰকাশ হয় (১৯০৬), সামাজিক নাটক *কুৰি শতিকাৰ সভ্যতা* (১৯০৮), ধেমেলীয়া নাটক *দবৱাৰ আৰু কলিযুগ* (১৯১২) আৰু *বিহু* (১৯১৪) ১৯২৯ আৰু ১৯৩০ চনৰ ভিতৰত *জীৱন সন্ধিয়া, দেহাৰ প্ৰলয়, সিপুৰীৰ বাতৰি* নামৰ কবিতা পুথি প্ৰকাশ পায়। *পুনৰুত্থান* নামৰ আন এখন কবিতা পুথি ১৯৩১ চনত প্ৰকাশ হয়। গীতৰ পুথি *অসমীয়া ভাই* (১৯০১) *সৰু ল'ৰাৰ গান* (১৯১০), উল্লেখযোগ্য *তিনি ঘৈণী, অশিক্ষিতা ঘৈণী* (১৯১২) *যমপুৰী* (১৯৩১), *চোৰৰ সৃষ্টি* আদি সামাজিক নাটক। *Notes on the Sylhettee Dialect*– গ্ৰন্থত শ্ৰীহট্টৰ বিৱৰণ আছে। কলিকতাৰ ৰিপন কলেজৰ স্নাতক বেণুধৰ ৰাজখোৱাই উপপতি সমাহৰ্তাৰূপে চাকৰিত যোগ দি শিৱসাগৰ জিলাৰ উপায়ুক্তৰূপে ১৯৩১ চনত অৱসৰ গ্ৰহণ কৰে। ৰাজখোৱাই জীৱনৰ শেষলৈকে সাহিত্য চৰ্চা কৰি অসমীয়া ভাষা-সাহিত্যক ভাবে-ভাষাই ব্যঞ্জিত কৰি গৈছে।

### অভিভাষণৰ সুবচন

*স্কুলত পঢ়া কালৰে পৰা মই অসমীয়া ভাষা-সাহিত্যৰ কাৰণে উদ্ৰাউল। হনুমন্তৰ হিয়া ফলিত যেনেকৈ ৰাম নাম লিখা আছিল। মোৰো হিয়া ফলিত সেইদৰে অসমীয়া ভাষা আৰু সাহিত্য এইকথা লিখা আছে।*

*সকলো সমাজতে প্ৰজা শক্তিতকৈ ডাঙৰ শক্তি নাই। যি কাৰ্যত প্ৰজাৰ বল নাই সেই কাৰ্য কেতিয়াও নিয়াৰি হ'ব নোৱাৰে। যি কাৰ্যত প্ৰজাৰ বল থাকে সেই কাৰ্যৰ সিদ্ধি অনিবাৰ্য।*

*কামৰূপ ৰাজ্য ভগৱতীৰ বিশেষ অনুগৃহীতা। নামঘোষা ধৰ্মৰ অদ্বিতীয় পুথি। ইয়াৰ ভাষা আৰু ভাব অতি গহীন।*

*কোনোবাই ইংৰাজক তেওঁবিলাকৰ ডাঙৰ কবি কোন সুধিলে একে আষাৰে উত্তৰ দিব মিল্টন আৰু ছেক্সপীয়েৰ। আমাক কোনোবাই এনে প্ৰশ্ন কৰিলে একে আষাৰে উত্তৰ দিব— শংকৰদেৱ আৰু মাধৱদেৱ।*

*সাহিত্যৰ উন্নতিয়েই জাতিৰ উন্নতি বুজিব লাগে। গ্ৰন্থকাৰসকলৰ পৰা দান বুলি পুথি খোজা দস্তুৰটো এৰিব লাগে। লিখকসকলক উৎসাহ দিয়াটো সাহিত্য সভাৰ ঘাই কাম বুলি ধৰিব লাগে। ...সাহিত্য ধৰ্মত প্ৰতিষ্ঠিত হ'ব লাগে নহ'লে সি ঠাৰৰিব নোৱাৰে। মিছাৰে সাহিত্য সৃষ্টি নহয়।* ◆

# দশম অধিৱেশন, গোৱালপাৰা

## ৮ আৰু ৯ অক্টোবৰ, ১৯২৭

যুক্তিযুক্ত অনুমানেৰে ভৱিষ্যতক প্ৰত্যক্ষ কৰা মৃতপ্ৰায় জননীক জাতীয়ত্বৰে অনুপ্ৰাণিত কৰি অতীত গৌৰৱ উদ্ধাৰ কৰিবলৈ আহ্বান জনোৱা ৰাজনীতিক, অসমখ্যাত চিকাৰী সংস্কৃত, বঙলা, ফাৰ্চী, ইংৰাজী ভাষাৰ সুবিজ্ঞ পণ্ডিত সু-সাহিত্যিক তৰুণৰাম ফুকনৰ সভাপতিত্বত ১৯২৭ চনৰ ৮ আৰু ৯ অক্টোবৰ দুদিনীয়া কাৰ্যসূচীৰে গোৱালপাৰাত দ্বিতীয়বাৰৰ বাবে অনুষ্ঠিত হৈছিল বাৰ্ষিক অধিৱেশনৰ। অসম দেশৰ 'উত্তমাংগ' অসমীয়া সাহিত্যৰ লীলাভূমি গোৱালপাৰাৰ নাট্য মন্দিৰত অধিৱেশন বহিছিল। সভাত নিয়মাৱলী সংশোধন, উপন্যাস, ৰন্ধন প্ৰকৰণ, সৰল ৰসায়ন আদি গ্ৰন্থৰ পুৰস্কাৰ সম্পৰ্কে প্ৰধান সম্পাদকে অৱগত কৰে। কাৰ্যনিৰ্বাহক সমিতিত গোৱালাপাৰা বিচ্ছেদৰ বিষয়েও আলোচনা হয়। সম্প্ৰীতিৰ দিশটোত সমিতিয়ে গুৰুত্ব দিয়ে।

পূৰ্ব বছৰৰ প্ৰধান সম্পাদক শৰৎ চন্দ্ৰ গোস্বামী সহকাৰী পৰিদৰ্শকৰূপে নিযুক্তি পোৱাত অস্থায়ীভাৱে পূৰ্ণানন্দ শৰ্মা পাঠকক প্ৰধান সম্পাদকৰ দায়িত্ব দিয়া হয়। এই অধিৱেশনত পূৰ্ণানন্দ শৰ্মা পাঠকক প্ৰধান সম্পাদক নিৰ্বাচিত হয়।

সভাই অসম চৰকাৰৰ পৰা এই বছৰতে বাৰ্ষিক হিচাপে ১,০০০.০০ টকা অনুদান লাভ কৰে। যোৰহাট মিউনিচিপেল বোৰ্ড, তেজপুৰ, নগাঁও, শিৱসাগৰ, মঙগলদৈ, গোৱালপাৰা লোকেল বোৰ্ডৰ পৰাও অনুদান লাভ কৰে। এই বছৰত শাখা সভাৰ সংখ্যা ৩৩ খন। এই বৰ্ষত সভ্যৰ সংখ্যা ২৯৫।

গোৱালপাৰাৰ দ্বিতীয় অধিৱেশনত জনসমাগম অধিক হৈছিল। অধিৱেশনত পাঁচ হাজাৰ মানুহ গোট খাইছিল। অধিৱেশনত মহিলাসকলেও যোগ দিছিল। নাট্য মন্দিৰৰ ওপৰতো মানুহ বহিছিল। মঞ্চত বহিছিল সভাপতি তৰুণৰাম ফুকন, ৰাধাকান্ত সন্দিকৈ, জ্যোৎস্নানাথ চৌধাৰী, মন্মথনাথ ঘোষ, নবীন চন্দ্ৰ বৰদলৈ, অমৃত ভূষণদেৱ অধিকাৰী, প্ৰভাত চন্দ্ৰ গোস্বামী, ধৰ্মকিংকৰ গোস্বামী, দ্বাৰিকানাথ গোস্বামী, বিপিন বিহাৰী বৰা, কালিৰাম মেধি, দুৰ্গেশ্বৰ শৰ্মা, কনকচন্দ্ৰ গগৈ, হৰেকৃষ্ণ দাস, কমলাকান্ত ভট্টাচাৰ্য, শিৱনাথ ভট্টাচাৰ্য, ধৰ্মনাৰায়ণ ঘোষ, হৰিপ্ৰসাদ নাথ, মিজান্নুৰ ৰহমান, দাৰাজুদ্দিন আহমদ, ৰমাকান্ত বৰকাকতী, দেৱানন্দ ভঁৰালী, দেৱেশ্বৰ চলিহা, গুণগোবিন্দ দত্ত।

সভাপতিক এখন সুসজ্জিত গাড়ীত তুলি আৱৰ্ত ভৱনৰ পৰা স্বেচ্ছাসেৱকসকলে গীত বাদ্যাদিৰে শোভাযাত্ৰা কৰি সভামণ্ডপ পোৱাৰ লগে লগে আদৰণী সমিতিৰ সম্পাদক বিপিন চন্দ্ৰ ঘোষ আৰু প্ৰধান সম্পাদক পূৰ্ণানন্দ শৰ্মা পাঠকে আদৰি আনি মঞ্চত বহুৱালে। সভাপতিৰ আসন গ্ৰহণৰ লগে লগে ঐক্যতান বাদনেৰে সভাৰ কাৰ্যসূচী আৰম্ভ হয়। অসুস্থতাৰ কাৰণে আদৰণী সমিতিৰ সভাপতি ভোলানাথ চৌধাৰী উপস্থিত থাকিব নোৱৰাৰ বাবে আদৰণী সমিতিৰ সভাপতিৰ অভিভাষণ পাঠ কৰে সম্পাদকে। ইয়াৰ পিছত অভ্যৰ্থনা সমিতিৰ সম্পাদক বিপিনচন্দ্ৰ ঘোষৰ প্ৰস্তাৱ আৰু মিজানুৰ ৰহমানৰ সমৰ্থনত সভাপতিয়ে আসন গ্ৰহণ কৰে। সভাপতিৰ ভাষণৰ অন্তত এটি শিশুৱে এধাৰ ফুলৰ মালাৰে সভাপতিক আদৰণি জনায়।

দ্বিতীয় দিনা ভাষাতত্ত্ব শাখাৰ সভাপতি কালিৰাম মেধি আৰু ইতিহাস শাখাৰ সভাপতি দুৰ্গেশ্বৰ শৰ্মাই প্ৰবন্ধ যুগুত কৰি আনিছিল যদিও সময়ৰ অভাৱত পঠিত নহ'ল।

ইয়াৰ পিছত নতুন কাৰ্যনিৰ্বাহক সমিতি গঠন হয়।

পূৰ্ণানন্দ শৰ্মা পাঠক প্ৰধান সম্পাদক আৰু চন্দ্ৰধৰ বৰুৱা পুনৰ পত্ৰিকা সম্পাদক নিৰ্বাচিত হয়। ধনভঁৰালীৰূপে নিৰ্বাচিত হয় গুণগোৱিন্দ দত্ত আৰু সহকাৰী সম্পাদকৰূপে হৰিনাৰায়ণ দত্তবৰুৱা নিৰ্বাচিত হয়।

পৰৱৰ্তী সন্মিলন কোক্ৰাঝাৰলৈ হৰেন্দ্ৰনাৰায়ণ মণ্ডলে নিমন্ত্ৰণ কৰে আৰু হৰ্ষধ্বনিৰে সকলোৱে সমৰ্থন কৰে। সভাত উপস্থিত থকা ধৰ্মকিংকৰ গোস্বামী আৰু প্ৰতাপ চন্দ্ৰ গোস্বামী সমজুৱাৰ হৈ বক্তৃতা দিয়ে। তদুপৰি বিপিন চন্দ্ৰ বৰাই এড়ী পোহা আৰু সূতা কটা সম্পৰ্কে বক্তৃতা প্ৰদান কৰে। শেষৰ দিনা অভ্যৰ্থনা সমিতিৰ সভাপতি ভোলানাথ চৌধাৰীয়ে নিজে উপস্থিত থাকিব নোৱৰাৰ কাৰণে দুখ প্ৰকাশ কৰি দুআষাৰ কয়।[৭৪] এই বৰ্ষতে কৃষ্ণকান্ত সন্দিকৈক এটি গীত আৰু অভিনন্দন পত্ৰৰে অভিনন্দন জনোৱা হয়। সভাৰ ষষ্ঠ অধিৱেশনতে এই সিদ্ধান্ত লোৱা হৈছিল।

## কৃষ্ণকান্ত সন্দিকৈ দেৱৰ আদৰণী সভা

২২।৪।২৭ তাৰিখে বহা সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সভাৰ ষষ্ঠ অধিৱেশনৰ অষ্টম প্ৰস্তাৱমতে ১৯।৫।২৭ তাৰিখে গধূলি ৭ বজাত এখনি আদৰণী সভা বহে। তাত প্ৰথমতে তলত দিয়া গীতটোৰে সন্দিকৈ দেৱক আদৰ কৰা হয়—

৭৪. *অসম সাহিত্য সভা পত্ৰিকা, ২য় বছৰ, ১ম সংখ্যা, পৃ. ৫৯*
*দ্বিতীয় দিনৰ সন্মিলনত প্ৰতিযোগী আন এখন সভাই সভাপতিৰ হাতত মৌলৱী চফিয়ৰ ৰহমানে দিয়া চিঠি পাঠ কৰাৰ পিছত মৌলৱী মিজানুৰ ৰহমান, বিপিন চন্দ্ৰ ঘোষ, ধৰ্মনাৰায়ণ ঘোষ আদিয়ে তীব্ৰ প্ৰতিবাদ কৰি কয়—"এই সভাৰ কোনো অস্তিত্ব নাই, ই কেৱল দুই-তিনিজনৰ চক্ৰান্তমূলক ভিতৰুৱা কথা... সেই সভাত গোৱালপাৰাবাসীৰ কোনো সম্বন্ধ নাই (প্ৰতিনিধিৰ ফালৰ পৰা দলিয়াই পেলাওক, দলিয়াই পেলাওক ধ্বনিত হয়) (পূৰ্বোক্ত পৃ. ৫৯)*
*এই বৰ্ষত কাৰ্যনিৰ্বাহক সমিতিৰ ১২ খন অধিৱেশন হয়। প্ৰথম দুখনত সভাপতিত্ব কৰে ৰাধাকান্ত সন্দিকৈয়ে, তৃতীয়খনত সভাপতিত্ব কৰে কমলাকান্ত বৰুৱাই (পূৰ্বোক্ত পৃ. ৬০-৬৩)*
*উল্লেখযোগ্য এই অধিৱেশনত অসমীয়া সুৰৰ আলোচনাৰে এখন গ্ৰন্থ যুগুত কৰিবৰ কাৰণে আহ্বান জনাই ১০০ টকাৰ পুৰস্কাৰ ঘোষণা কৰা হৈছিল।*



আনন্দ আজি উঠলি পৰিছে
আজলী আসাম আই,
অশেষ ভাগৰে জ্ঞান আহৰা
আপোন পোনাটি পাই।।
(আজলী আসাম আই)
মঙ্গল উৰুলি উঠিছে আপুনি
জয় জয় ৰৱ দশো দিশে শুনি
সৰগৰ পৰা ফুল সৰি পৰে
আপাহৰ অন্ত নাই।
(আজলী আসাম আই)
আশিস বৰষা অনাদি অনন্ত
যশৰ জেউতি পাওক দিগন্ত,
চিৰকাল থক জিলিকি ধৰণী
আই মুখ পোহৰাই।
(আজলী আসাম আই)
শ্ৰীহৰিনাৰায়ণ।

তাৰ পাছত তেওঁক এখনি অভিনন্দন পত্ৰ দিয়ে। অভিনন্দন পত্ৰত তলত দিয়া কথাখিনি আছিল—

আসাম সাহিত্য সভা চন্দ্ৰকান্ত সন্দিকৈ হল।
যোৰহাট।

শ্ৰীযুক্ত কৃষ্ণকান্ত সন্দিকৈ এম, এ (কলিকতা আৰু অক্সফোৰ্ড) দেৱৰ শ্ৰীকৰকমলেষু

সন্দিকৈ দেৱ,

আপুনি কলিকতা বিশ্ববিদ্যালয়ত সংস্কৃত শাস্ত্ৰৰ শিক্ষা সমাপন কৰি সাত বছৰ ইউৰোপৰ নানান ঠাইত নানান প্ৰতীচ্য আৰু প্ৰাচ্য ভাষাত ওজা হৈ ঘূৰি ঘৰ পাইছেহি।

এই কাৰণে আমি আনন্দিত হৈছোঁহঁক, কিন্তু আমাৰ তাতোকৈ বেছি আনন্দ হৈছে এই কাৰণে, যে আপুনি আপোনাৰ চৰিত্ৰৰ সৰলতাৰে, বিদ্যাৰ গৌৰৱেৰে আৰু স্বভাৱৰ মাধুৰ্যেৰে অসমীয়া জাতিৰ প্ৰাণত নতুন আশাৰ সঞ্চাৰ কৰিছে।

আপোনাৰ উদাহৰণ পাই অসমীয়া ডেকা নতুন বিদ্যাচৰ্চাত উৎসাহিত হ'ব। আপোনাৰ আদৰ্শৰ গুণত তেওঁলোকে পৃথিৱী ঘূৰি ফুৰিও অসমীয়া হৈ থাকিব। আৰু আপোনাৰ আদৰ্শৰে অসমীয়া ল'ৰাই কৰ্মক্ষেত্ৰত আগবাঢ়িবলৈ বল পাব।

এই আশাত আজি আমি আটায়ে মিলি আপোনাক আমাৰ অভিনন্দন জনাইছোঁ। ভগৱন্তই আপোনাৰ মংগল কৰোক।

আপোনাৰ পিতৃ-মাতৃ, বন্ধু-বান্ধৱে সবাৰো উপৰি আপোনাৰ দেশ মাতৃকাই আপোনাৰ পৰা যি প্ৰকাৰে কাৰ্যৰ আশা কৰিছে, তেনে কাৰ্য কৰিবলৈ তেওঁ আপোনাক শক্তিমন্ত কৰি দীৰ্ঘায়ু দান কৰক। ইতি—

আসাম সাহিত্য সভাৰ হৈ

চন্দ্ৰকান্ত সন্দিকৈ হল, যোৰহাট
১৯ মে', ১৯২৭ ইং

শ্ৰীশৰৎচন্দ্ৰ গোস্বামী
প্ৰধান সম্পাদক।

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

* *এই অধিৱেশনতেই গোৱালপাৰা বিচ্ছেদ সম্পৰ্কে সভাই নিজস্ব মত প্ৰকাশ কৰে। (পৰিশিষ্ট চাওক) (পত্ৰিকা ২/১ ৫২/৫৩)*

* *কাৰ্যালয়ৰ কেৰাণীয়ে বিচৰা আগধন সম্পৰ্কে সভাই তলত দিয়া দৰে সিদ্ধান্ত কৰা দেখা যায়।*

*(ক) তিনিমাহৰ বেতন হাওলাট পাবৰ নিমিত্তে কেৰাণীয়ে দিয়া আৱেদন পাঠ কৰা হয় আৰু তলত দিয়া বন্দবস্ত মতে ১০০.০০ টকা হাওলাট দিবলৈ স্থিৰ কৰা হয়।*

*(খ) হাওলাটী টকা দিয়াৰ পূৰ্বে জামিন এজনৰ সৈতে সহযোগী হৈ এখন দলিল সম্পাদন কৰিব লাগিব।*

*(গ) হাওলাটী টকা মাসিক ৫ টকা নিৰিখে দৰ্মহাৰ পৰা কাটি লোৱা হ'ব।*

*(ঘ) প্ৰভিডেন্ট ফাণ্ড নিৰিখে সুত লোৱা হ'ব।*

*(ঙ) কোনো কাৰণ বশতঃ এই টকা আদায় হোৱাৰ পূৰ্বেই কামৰ তাৰৎ অন্ত পৰিলে বাকী টকা আদায় কৰিব লাগিব। অন্যথা কৰিলে কেৰাণীৰ প্ৰভিডেন্ট ফাণ্ডৰ পৰা কাটি ল'বলৈ প্ৰধান সম্পাদকৰ ক্ষমতা থাকিব।*

◆◆◆◆◆

# তৰুণৰাম ফুকন

তৰুণৰাম ফুকনে (জন্ম ১৮৭৭ চন, ২২ জানুৱাৰি, মৃত্যু ২৮ জুলাই ১৯৩৯) কলিকতাৰ প্ৰেছিডেন্সি কলেজৰ পৰা এফ এ আৰু লণ্ডনৰ পৰা বেৰিষ্টাৰ হৈ কলিকতা আৰু গুৱাহাটীত ওকালতি কৰিছিল। দিল্লীৰ ব্যৱস্থাপক সভাৰ সদস্য আৰু গুৱাহাটী লোকেল ব'ৰ্ডৰো সভাপতি হৈছিল। এজন খ্যাতনামা ৰাজনীতিক, বাগ্মীপুৰুষ ফুকন বিখ্যাত চিকাৰীও আছিল। তেখেতৰ *চিকাৰ কাহিনী* (পৰৱৰ্তী কালত প্ৰকাশিত) *যোগতত্ত্ব* (১৯৩৪), *স্তুতিমালা* (১৯২৬), *নিংনি ভাৰবীয়াৰ গীত* উল্লেখযোগ্য সাহিত্য কৰ্ম। ভাৰতীয় ৰাষ্ট্ৰীয় কংগ্ৰেছৰ পাণ্ডু অধিৱেশনৰ সভাপতি, তেজপুৰত অনুষ্ঠিত অসম ছাত্ৰ সন্মিলনৰ সভাপতি আদি পদত অধিষ্ঠিত হৈছিল। "দেশভক্তৰ কথাত, কামত, বক্তৃতাত হাস্যৰসৰ ফল্গুধাৰা সততে প্ৰৱাহিত হৈছিল। সেইবোৰক সাহিত্যৰ ৰূপত ধৰি থোৱা হ'লে দেশভক্তৰ আন এজন কৃপাবৰ হ'ব পাৰিলেহেঁতেন" বুলি অতুলচন্দ্ৰ হাজৰিকাই উল্লেখ কৰিছে।[৭৫]

## অভিভাষণৰ সুবচন

*সাহিত্যিক মই কেতিয়াও নাছিলোঁ, সাহিত্য-ফুলনিৰ ভিতৰত সোমাই জননীৰ চৰণত ফুল এপাহি দিবৰ স্পৰ্ধাও অভাজনৰ নাই। যত্ন কৰা, প্ৰাণ দি পুৰুষাৰ্থ কৰা লেৰেলা পুলিটি বৰযুণ পাই ঠন ধৰি উঠাৰ দৰে, লয় পাওঁ পাওঁ হোৱা পুৰণি কীৰ্তি জাতীয়তা-পানীছিটা পাই মূৰ্তিমতী হৈ উঠিব।*

*বীজত বৃক্ষ নিহিত থাকিলেও যেনেকৈ তাক উদ্ভূত কৰিবলৈ ক্ষেত্ৰকৰ্ষণৰ আৱশ্যক অন্তৰ্নিহিত মনুষ্যত্বক প্ৰকাশিত আৰু জাগ্ৰত কৰিবলৈকো সেইদৰে সাধনাৰ আৱশ্যক।*

*নিজে মানুহ হৈ স্বদেশবাসীক মানুহ নামৰ উপযুক্ত কৰি তুলিব নোৱাৰাকৈয়ে বিশ্বমানৱ কৰাৰ চেষ্টা প্ৰায়েই কাৰ্যকৰী হোৱা দেখা নাযায়।*

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

৭৫. শইকীয়া চন্দ্ৰপ্ৰসাদৰ ভূমিকা 'তৰুণৰাম ফুকন ৰচনাৱলী'ত অতুলচন্দ্ৰ হাজৰিকাৰ উক্তি, পৃ. ২, ১৯৭৭

আমাৰ বহুতো সম্পদ আছিল সেইটো গৌৰৱৰ কথা। যি আছিল তাক বঢ়াব পৰা নাই সেইটো দুখৰ কথা। কিন্তু যি আছিল তাক লোপ পাব দিয়াটো বিশেষ শোক আৰু লাজৰ কথা।

*****

ভাই অসমীয়া। অতীত গৌৰৱৰ কথা স্মৰণ কৰি বৰ্তমান অৱস্থা উপলব্ধি কৰা, যুক্তিযুক্ত অনুমানৰ দ্বাৰা ভৱিষ্যত প্ৰত্যক্ষ কৰা শৰীৰত তেজ মাংস যদিহে প্ৰকৃততে আছে, তেন্তে গা শিয়ঁৰি উঠিব, মন উত্ৰাৱল হ'ব হৃদয় অশান্তিৰে ভৰি পৰিব। কিন্তু শোক কৰিলেই নহ'ব শোকৰ ঘাই কাৰণ গুচাবলৈ যথাসাধ্য চেষ্টা কৰিব লাগিব।

*****

জাতীয় সম্পদৰ ভিতৰত সাহিত্য সম্পদেই শ্ৰেষ্ঠ সম্পদ। ধনজন যশ-মান ঐশ্বৰ্য বিভূতি, জ্ঞান গৰিমা আদি যতমানে সম্পদ আছে সকলোৰে প্ৰকাশ সাহিত্যত। জাতীয় উন্নতি কৰিব খুজিলে সাহিত্যৰ উন্নতি কৰিবই লাগিব।

*****

আই-মাতৃৰ সুখ-দুখৰ বাতৰি পাবলৈ হ'লে তেওঁৰ ভাষা জানিব লাগিব।

*****

অনুবাদ কৰা সাহিত্য উন্নতিৰ ঘাই কাম।

*****


সাহিত্য শব্দটোৰেই এটা সমষ্টি বা সংহতি বুজায়। সমাজ আৰু জাতিক অতিক্ৰম কৰি কোনো সাহিত্য হ'বই নোৱাৰে। সাহিত্যৰ কথা বস্তু ৰসৰ স্ফুৰণ ইত্যাদি সাজ-সঁজুলি আমাৰ সমাজৰ আভ্যন্তৰীণ জীৱন প্ৰৱাহৰ পৰা গোটাব লাগে। নহ'লৈ সাহিত্য সুন্দৰ স্বাভাৱিক আৰু মৰ্মস্পৰ্শী হ'বই নোৱাৰে।

*****

সাহিত্য সভাই অসম জননীৰ সাদৰী মাত গোৱালপাৰা, ধুবুৰী নহয়, কোঁচ বিহাৰ ৰংপুৰ আদি ঠাইৰ আইক এৰি যোৱা, পাহৰি থকা পুত্ৰসকলকো শুনাব লাগিব।

*****

অসম মাতৃৰ স্নেহে ব্ৰহ্মপুত্ৰৰ হিয়া ওপচাই গংগা, যমুনাক হিয়াত সাৱটি লৈ সমুদ্ৰৰ বিশাল বক্ষ উত্ৰাৱল কৰি তুলিব লাগিব। তেহে আই মাতৃৰ মুখ উজ্জ্বল হ'ব, তেহে সাহিত্য সভাৰ সাৰ্থকতা হ'ব।



# একাদশ অধিৱেশন, যোৰহাট

## ৩০, ৩১ মাৰ্চ, ১৯২৯

এই অধিৱেশনৰ সভাপতি হৈছিল অগ্নিকবি কমলাকান্ত ভট্টাচাৰ্য। বৰ্তমানৰ জগন্নাথ বৰুৱা কলেজৰ এটা কোঠাত দুৰ্গেশ্বৰ শৰ্মা আছিল তেখেতেই সেই ঘৰতে সভাপতি ভট্টাচাৰ্যক আলহীৰূপে থকাৰ ব্যৱস্থা কৰি দিছিল। অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল ৰায়বাহাদুৰ শিৱপ্ৰসাদ বৰুৱা। কিন্তু কলিকতাত তেখেত অসুস্থ হোৱাত অধিৱেশনত উপস্থিত থাকিব নোৱাৰিলে। দিনৰ ২ বজাৰ আগে আগে এখন সুসজ্জিত মটৰত গায়ন-বায়নেৰে শোভাযাত্ৰা কৰি সভাপতিক আগবঢ়াই আনে। সভামণ্ডপ পোৱাৰ লগে লগে আদৰণী সমিতি আৰু কাৰ্যনিৰ্বাহক সমিতিৰ সদস্যসকলে মঞ্চত বহুৱালে। সভামণ্ডপ নিৰ্মাণ হৈছিল চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ সমুখৰ মুকলি ঠাইত। অধিৱেশনত ৫০০০ মান অতিথি সমৱেত হৈছিল।[৭৬] আৰম্ভণিতে ৰত্নেশ্বৰ বৰদলৈয়ে এটি বৰগীত আৰু সৰু সৰু সাতোটা ল'ৰাই "আজি পুণ্য তিথি অ' মোৰ অতিথি"— এই গীত সমস্বৰে গায়। গীতৰ পিছত গড়মূৰীয়া সত্ৰাধিকাৰে বেদোক্ত মন্ত্ৰৰে মংগলাচৰণ কৰি এটি প্ৰাৰ্থনাৰে সভা উদ্বোধন কাৰ্য সম্পন্ন কৰিছিল।

গোৱালপাৰাত অনুষ্ঠিত দশম বৰ্ষৰ অধিৱেশনত একাদশ অধিৱেশনখন কোক্ৰাঝাৰলৈ নিমন্ত্ৰণ কৰিছিল যদিও নানা দুৰ্যোগৰ বাবে তাত অধিৱেশন পাতিব পৰা নহ'ল। সেয়ে কাৰ্যনিৰ্বাহক সমিতিয়ে আন ঠাইত সন্মিলন পাতিবলৈ যত্ন কৰিছিল। কিন্তু সফল নোহোৱাত যোৰহাটতে অধিৱেশন পাতিবলৈ সিদ্ধান্ত কৰে। তদুপৰি যোৰহাটত কেন্দ্ৰীয় কাৰ্যালয় আছে। আন ঠাইৰ পৰা নিমন্ত্ৰণ নকৰিলে যোৰহাটত অধিৱেশন পতাটো নিয়ম হ'ল আৰু নিয়মাৱলীতো বিষয়টোৱে স্থান পালে।

আদৰণী সমিতিৰ সভাপতি শিৱপ্ৰসাদ বৰুৱাৰ হৈ সহকাৰী সম্পাদক হেৰম্বপ্ৰসাদ বৰুৱাই আদৰণী ভাষণ পাঠ কৰে। ইয়াৰ পিছত ২১ টা শিশুৱে সমস্বৰে "সৌৰ্যে অসমা বীৰ্যে অসমা"— গীত গাই শ্ৰোতাক আনন্দ দিয়ে। ইয়াৰ পিছত চন্দ্ৰধৰ বৰুৱাৰ প্ৰস্তাৱ কুলধৰ চলিহাৰ সমৰ্থন আৰু মহম্মদ আলী আৰু জিতেন্দ্ৰ কুমাৰ দাসৰ অনুমোদনত কমলাকান্ত

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

৭৬. একে সময়তে যোৰহাটত মহিলা সন্মিলন হৈছিল যদিও প্ৰায় ১০০ গৰাকী মহিলা অধিৱেশনত যোগ দিয়ে।

ভট্টাচাৰ্যই সভাপতিৰ আসন গ্ৰহণ কৰে আৰু উপস্থিতসকলে হৰ্ষধ্বনিৰে সভাপতিৰ সম্বৰ্ধনা জনায়। ইয়াৰ পিছত তিনিটি শিশুৱে এটি সংস্কৃত স্তোত্ৰ গাই সভাপতিক মাল্য দান কৰে। ইয়াৰ পিছত সভাপতিয়ে অভিভাষণ পাঠ কৰে সভাপতি অসুস্থ কাৰণে বাকী অংশ দুৰ্গেশ্বৰ শৰ্মাই পাঠ কৰি দিয়ে, দুটি শিশুৱে এটি সংস্কৃত শ্লোক হাৰমণিয়াম বজাই গাই শ্ৰোতাক আনন্দ দিয়ে। এটি শিশুৱে ধেমেলীয়া কবিতা এটা আবৃত্তি কৰে আৰু আন এটি শিশুৱে জন্মভূমি কবিতাটো আবৃত্তি কৰে। আন কেইটামান শিশুৱে পুৰণি সুৰত বৰফুকনৰ গীত গায় আৰু সভাৰ অন্তত "বন্দে স্বদেশৰূপিনী, অতুলা অসমা জননী" গীতেৰে প্ৰথম দিনা দিনৰ ভাগৰ কাৰ্যসূচী সমাপ্ত হয়। সন্ধ্যা ৮ বজাত প্ৰতিনিধি সভা অনুষ্ঠিত হয়। সভাপতিৰ নিৰ্দেশক্ৰমে প্ৰমথনাথ চক্ৰৱৰ্তীয়ে প্ৰতিনিধি সভাত সভাপতিত্ব কৰে। এই সভাতে মূল অধিৱেশনৰ সন্মতিৰ বাবে প্ৰস্তাৱ যুগুত কৰা হয়।

দ্বিতীয় দিনা (৩১/৩/২৯) ৰ কাৰ্যসূচী পুৱা ৮ বজাত বুৰঞ্জী সন্মিলনেৰে আৰম্ভ হয়। সন্মিলনত সভাপতিত্ব কৰে প্ৰমথনাথ চক্ৰৱৰ্তীয়ে। সন্মিলনত মফিজুদ্দিন আহমদ হাজৰিকা, মহাদেৱ শৰ্মা, গোলাপচন্দ্ৰ বৰুৱা, ৰামেশ্বৰ বৰুৱা, জুলতিৰাম ভূএগা, মুক্তানন্দ গোস্বামী, দ্বাৰিকানাথ গোস্বামী, কামাখ্যাচৰণ ভট্টাচাৰ্য, প্ৰতাপ গোস্বামী আদিয়ে সন্মিলনত অংশ গ্ৰহণ কৰে বক্তৃতা আৰু পৰামৰ্শ আগবঢ়ায়।[৭৭] সেইদিনা বিয়লি দুই বজাৰ পৰা দ্বিতীয় মুকলি অধিৱেশন হয়। চন্দ্ৰধৰ বৰুৱা ৰচিত—"জয় কামৰূপা কামদা" গীত ৰত্নেশ্বৰ বৰদলৈয়ে পৰিৱেশন কৰি সভা আৰম্ভ কৰে। ইয়াৰ পিছত মিত্ৰদেৱ মহন্তই ৰচনা কৰা "চিৰ চেনেহী মোৰ ভাষা জননী" গীতটো ২১ টা শিশুৱে সমস্বৰে গায়।[৭৮] এই অধিৱেশনত আলিগড় মুছলিম বিশ্ববিদ্যালয়ৰ তৰফৰ পৰা সহ উপাচাৰ্য ডক্টৰ জিয়াউদ্দিন আহমদে বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি ভাষণ প্ৰদান কৰে।[৭৯] বক্তৃতাৰ ঘাই বিষয় আছিল শিক্ষা বিস্তাৰ আৰু বিশ্বব্যাপী হোৱা আন্দোলন বিষয়ক অধিৱেশনৰ উল্লেখযোগ্য আন এটা দিশ হ'ল সেই সময়ৰ অসমৰ গভৰ্ণৰ ছাৰ লৌৰি হেমন্ত বাহাদুৰে নগাঁৱৰ নতুন অধিবাসী মৈমনচিঙীয়া

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

৭৭. *অসম সাহিত্য সভা পত্ৰিকা ৩য় বছৰ ষষ্ঠ সংখ্যা, পৃ, ২৪৭-২৬০ এই বুৰঞ্জী সন্মিলনত তিনিটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ হৈছিল। সেই প্ৰস্তাৱৰ আজিও প্ৰাসংগিকতা আছে—*

*(১) অসম সাহিত্য সভাৰ শাখা আৰু স্বীকৃত সভা আৰু সভ্যসকলক স্থানীয় ঐতিহাসিক তথ্য, পুৰণি স্মৃতিৰ তালিকা, স্থানীয় প্ৰবাদ যুগুত কৰাৰ বাবে প্ৰস্তাৱ কৰে।*

*(২) এই শাখাত অৰ্থাৎ বুৰঞ্জী শাখাক স্থায়ী আৰু কাৰ্যকৰী কৰিবলৈ সভাৰ এজন কাৰ্যনিৰ্বাহক সদস্যক অন্তৰ্ভুক্ত কৰিব লাগে।*

*(৩) অসমৰ বিভিন্ন ঠাইৰ পুৰণি তথ্য বিচাৰ কৰি এখন ইতিহাস প্ৰণয়ন কৰিবলৈ আৰু লগতে গৱেষণা আদি কাৰ্য কৰিবলৈ স্থায়ীভাৱে বুৰঞ্জী শাখা স্থাপন কৰিব লাগে।*

৭৮. *গীতটোৱে সভাস্থলত গোটেখোৰা সকলোকে মন্ত্ৰমুগ্ধ কৰিছিল (পূৰ্বোক্ত, পৃ. ২৫১)*

৭৯. *অতুলচন্দ্ৰ হাজৰিকা- 'অসম সাহিত্য সভাৰ ৰূপলেখা'। কিন্তু ১৩-৪-৩৫ — ২০.৪.৩৮ আৰু ২৪-৫-৪১ — ২৩-৪-৪৭ তাৰিখলৈকে ড° জিয়াউদ্দিন আহমদ সহ উপাচাৰ্য অৰ্থাৎ Pro ViceChancellor হিচাপে আছিল।*



প্ৰজাক অসমীয়া ভাষা গ্ৰহণ কৰিবলৈ অসমীয়া ভাষা শিকিবলৈ উদগনি দিছিল। এই অধিৱেশনতে ব্ৰহ্মানন্দ দত্তই গোলাঘাট সাহিত্য সভাৰ হৈ পৰৱৰ্তী সন্মিলন গোলাঘাটলৈ নিমন্ত্ৰণ কৰে। সভাই গ্ৰহণ কৰে। শেষত ২১ টা শিশুৱে "আমি অসমীয়া নাম যুগমীয়া" গীত পৰিৱেশন কৰে।

পূৰ্ণানন্দ শৰ্মা পাঠক প্ৰধান সম্পাদকৰূপে নিৰ্বাচিত হয়। চন্দ্ৰধৰ বৰুৱা পত্ৰিকা সম্পাদক, মিত্ৰদেৱ মহন্ত সহকাৰী পত্ৰিকা সম্পাদক, হেৰম্বপ্ৰসাদ বৰুৱা ধনভঁৰালী, জিতেন্দ্ৰ কুমাৰ দাস হিচাপ পৰীক্ষক, ৰাধানাথ হাজৰিকা, লক্ষেশ্বৰ শৰ্মা যুটীয়া সহকাৰী সম্পাদকক লৈ ২০ জনীয়া কাৰ্যনিৰ্বাহক সমিতি গঠন হয়।

ইয়াৰ পিছত সভাৰ সামৰণি পৰে আৰু কমল কুমাৰী বৰুৱাই চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ আগচোতালত আয়োজন কৰা চাহ মেলত সকলোৱে ভাগ লয়। তেতিয়াই কমলাবাৰী সত্ৰৰ ভকতসকলে ওজাপালী আৰু শিৱসাগৰ ছাত্ৰ সভাই ছায়াচিত্ৰ দেখুৱাইছিল ৰাতি ৯ বজাত বিপিন চন্দ্ৰ বৰুৱা প্ৰণীত *বুদ্ধদেৱ* নাটকৰ অভিনয় হৈছিল যোৰহাট থিয়েটাৰত।[৮০]

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

৮০. *অসম সাহিত্য সভাৰ ৰূপলেখাত মিত্ৰদেৱ মহন্তৰ বৈদেহী বিয়োগ অভিনয় হৈছিল বুলি উল্লেখ আছে (পৃ. ৫৭) কোচ বিহাৰত ৰংপুৰ জলপাইগুৰিতো পুৰণি পুথি অনুসন্ধানৰ বাবে প্ৰতাপ চন্দ্ৰ গোস্বামীক দায়িত্ব দিয়ে। উল্লেখযোগ্য যে ডাকঘৰ, অসমীয়া ভাষা প্ৰয়োগৰ দাবী আদালত আৰু আন চৰকাৰী কাৰ্যালয়ৰ জাননী আদিত অসমীয়া ভাষা ব্যৱহাৰ কৰিবৰ কাৰণে চৰকাৰক এই সন্মিলনত অনুৰোধ কৰে। এই বিষয়ে ডিব্ৰুগড়ত অনুষ্ঠিত সপ্তম অধিৱেশনত অসম উপত্যকাৰ আদালত, ডাকঘৰ, ৰেল ষ্টেছন, জাহাজঘাট আদি চৰকাৰী আৰু কোম্পানীৰ অফিচত ফৰ্ম আৰু নোটত অসমীয়া ভাষা ব্যৱহাৰ কৰিবলৈ চৰকাৰক অনুৰোধ জনাই প্ৰস্তাৱ লৈছিল।*

**আখৰ-জোঁটনিৰ উপসমিতি**

*অসমীয়া ভাষাৰ আখৰ-জোঁটনিৰ বেমেজালি গুচাবৰ কাৰণে সমিতিয়ে এখন উপসমিতি গঠন কৰি দিয়ে। সদস্যসকল— কৃষ্ণকান্ত সন্দিকৈ, চন্দ্ৰধৰ বৰুৱা, ৰজনীকান্ত বৰদলৈ, কালিৰাম মেধি, শৰৎচন্দ্ৰ গোস্বামী, ময়িদুল ইছলাম বৰা, প্ৰধান সম্পাদক পূৰ্ণানন্দ শৰ্মা পাঠক। অৱশ্যে সভাৰ ৭ম অধিৱেশনত ৰেফযুক্ত বৰ্ণৰ দ্বিত্ব বৰ্জন সম্পৰ্কে আলোচনা আৰু প্ৰস্তাৱো গ্ৰহণ কৰা হৈছিল। প্ৰথমগৰাকী সভাপতি পদ্মনাথ গোহাঞিবৰুৱাই প্ৰস্তাৱ আকাৰে উত্থাপন কৰিছিল আৰু তলত দিয়া পৰামৰ্শ আগবঢ়াইছিল।*

*এই অধিৱেশনত Memorandum of Association ৰ আগত সভা সংগঠনী দলিল শব্দ ব্যৱহাৰ কৰিবলৈ বিষয় বাছনী সভাই সিদ্ধান্ত কৰে। Assam Velley Text Book Committee- ত অসম সাহিত্য সভাৰ পাঁচজন প্ৰতিনিধি অন্তৰ্ভুক্ত কৰিবৰ কাৰণে অনুৰোধ জনাই সভাই প্ৰস্তাৱ লৈছিল, আৰু অসম সাহিত্য সভাই অনুমোদন জনোৱা আখৰ-জোঁটনি ব্যৱহাৰ কৰিবলৈ অনুৰোধ জনাইছিল। অসমীয়া ভাষা আৰু সাহিত্যৰ প্ৰচাৰৰ অৰ্থে ৫০০.০০ টকা আয়-ব্যয়ক অতিৰিক্তকৈ ৰখা হৈছিল।*

**শ্ৰীশ্ৰীনৰদেৱ গোস্বামীৰ চিত্ৰপটৰ আৱৰণ উন্মোচন উৎসৱ**

*অসম সাহিত্য সভাৰ বিষয় বাছনী সভাৰ সিদ্ধান্তমৰ্মে নৰদেৱ গোস্বামীৰ চিত্ৰপটৰ আৱৰণ উন্মোচন কৰা হৈছিল ১৯২৯ চনৰ ১০ নৱেম্বৰ তাৰিখে। উন্মোচন কৰিছিল সেই সময়ৰ গড়মূৰীয়া সত্ৰাধিকাৰে। উল্লেখযোগ্য যে কমলাদেৱী আৰু ৰাধানাথ গোস্বামীৰ চিত্ৰপটো সভাত স্থাপন কৰিবলৈ বিষয় বাছনী সভাই সিদ্ধান্ত কৰিছিল আৰু ১৯৩৪ চনৰ ৭ ছেপ্টেম্বৰ তাৰিখে চন্দ্ৰকান্ত সন্দিকৈ ভৱনত স্থাপন কৰা হৈছিল। পট স্থাপনৰ দিনা অসম সাহিত্য সভা আৰু স্থানীয় গণ্যমান্য লোক সভাত উপস্থিত আছিল বুলি জনা যায় (অ সা স পত্ৰিকা, ৬ষ্ঠ বছৰ, ১ম সংখ্যা, পৃ. ৭) (পৰিশিষ্ট চাওক)* ◆

# কমলাকান্ত ভট্টাচাৰ্য

কমলাকান্ত ভট্টাচাৰ্য (জন্মঃ ২জুন, ১৮৯৫, খৃঃ, মৃত্যু ঃ ৪ জানুৱাৰি, ১৯৫১) বহুমুখী প্ৰতিভাধৰ। তেওঁ এগৰাকী সাহিত্যিক স্বদেশ আৰু স্বজাতিৰ প্ৰতি দায়বদ্ধ, গায়ক, সুৰকাৰ, অভিনেতা, সৰ্বোপৰি গান্ধীৰ অসহযোগ আন্দোলনৰ সংগ্ৰামী। বিয়াল্লিছৰ মুক্তি সংগ্ৰামত জীৱন আহুতি দিয়া ছহীদসকলৰ প্ৰতি শ্ৰদ্ধা জনাই *বিয়াল্লিছৰ ছহীদ*(১৯৪৮) কবিতা পুথি প্ৰকাশ পায়। গীতৰ পুথি *বাউলী*(১৯২৮)। নাটক *নগাকোঁৱৰ* (১৯৩৬), *অৱসান* (১৯৩৬), *চিত্ৰাংগদা* (১৯৫৬), *সাৱিত্ৰী* (১৯৫৬), *মৰাণ জীয়ৰী* (১৯৭৪)। চেনোলা গ্ৰামোফ'ন কোম্পানীৰ পৰা কেইবাটাও গীতৰ বাণীবদ্ধ হৈছিল। *চিন্তানল আগছোৱা* (১৮৯০), *শেহছোৱা* (১৯২২), *চিন্তা তৰংগ আগছোৱা* (১৯৩৩), *কঃ পন্থা* (১৯৩৪), অপ্ৰকাশিত পুথি *টুপীৰ দোকান, কছাৰী জাতিৰ বুৰঞ্জী, মোৰ মনত পৰা কথা* উল্লেখযোগ্য। এই প্ৰসংগত মহেশ্বৰ নেওগে কৈছে—"*জোনাকী-ৰ ৰোমাণ্টিচিজমৰ প্ৰৱৰ্তক আগৰৱালা আৰু বেজবৰুৱাৰ সাদৰৰ হৰিভকত বিশ্বনাথৰ কমলাকান্ত ভট্টাচাৰ্যই (১৮৫৩-১৯৩৬) জোনাকীৰ আতঁৰে আতঁৰেই অৰুনোদই যুগৰ পৰা মৃত্যুৰ সময়লৈকে আধুনিক অসমীয়া সাহিত্যৰ সমস্ত যুগ ঢাকি লৈ স্বদেশ প্ৰেমৰ একুৰা চিৰ অনিৰ্বাপিত অগনি লৈ তাৰ ফিৰিঙতিবোৰ নানা গদ্য পদ্য প্ৰবন্ধত ছটিয়াই আহিছিল।*"৮১

কমলাকান্তই ১৯১৪ চনত কটন কলেজৰ পৰা এফ এ পৰীক্ষাত উত্তীৰ্ণ হৈ কলিকতাত বি এ পঢ়িছিল যদিও পৰীক্ষা নিদিয়াকৈ অসমলৈ আহে আৰু শিক্ষকতা কৰিছিল যদিও বি এল পৰীক্ষা দি নগাঁৱত ওকালতি কৰে।

## অভিভাষণৰ সুবচন

*ভাষাৰ বাপেক ভাব, ককাক জ্ঞান। সিফালে নেজানো, দেখা নাই, শুনা নাই, জ্ঞান বুলিলেই বুজিব নোৱৰা হৈ পৰে। জ্ঞান নানাবিধ নানা তৰহৰ সীমা নাই, অন্ত নাই। তথাপি জ্ঞান এক। গোটেই বিশ্বব্ৰহ্মাণ্ডখনিয়েই জ্ঞান যোনিয়েই চাবা তেনিয়েই জ্ঞান।*

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

সোমেশ্বৰ শৰ্মা ন্যাস পুঁজি ঃ এই সন্মিলনতে ফণীধৰ শৰ্মাই তেখেতৰ পিতৃ সোমেশ্বৰ শৰ্মাৰ নামত এটি ন্যাস পুঁজি সভাক দিবলৈ প্ৰতিশ্ৰুতি দিয়ে। এই ন্যাস পুঁজি তিনি হেজাৰ টকাৰে গঠিত হ'ব। ন্যাস পুঁজিৰ বাবে গঠিত সমিতিৰ সদস্যসকল হ'ল—

পদ্মনাথ শৰ্মা, ৰামেশ্বৰ শৰ্মা, ফণীধৰ শৰ্মা, শৰৎচন্দ্ৰ গোস্বামী, দেৱেশ্বৰ শৰ্মা, হেৰম্ব প্ৰসাদ বৰুৱা আৰু প্ৰধান সম্পাদক। সভাৰ ন্যাস পুঁজিৰ তালিকাত সোমেশ্বৰ শৰ্মা ন্যাস পুঁজিৰ নাম পোৱা নাই। আনহাতে পত্ৰিকাৰ ৩য় বছৰ ৬ষ্ঠ সংখ্যা (২৫৮-৫৯) ত সোমেশ্বৰ শৰ্মাৰ বিষয়ে লিখা প্ৰবন্ধত আছে— "*এনে এজন পুৰুষৰ স্মৃতি ৰক্ষাৰ কাৰ্য হাতত ল'বলৈ সুযোগ পাই সাহিত্য সভা অতিশয় সুখী হৈছে...।*" এই প্ৰবন্ধটো বেণুধৰ শৰ্মাই লিখা যেন লাগে। কিয়নো ন্যাস সমিতিয়ে বেণুধৰ শৰ্মাক সোমেশ্বৰ শৰ্মাৰ বিষয়ে প্ৰবন্ধ লিখিবলৈ অনুৰোধ কৰিছিল (পূৰ্বোক্ত পৃ. ২৫৪) ১৯২৯ চনৰ কাৰ্যবিৱৰণীত সোমেশ্বৰ শৰ্মা ন্যাস পুঁজিৰ ন্যাস সমিতিৰ বৈঠক ২০/৫/২৯ আৰু ১১/৬/২৯ তাৰিখে চন্দ্ৰকান্ত সন্দিকৈ ভৱনত বৈঠক বহাৰ কথা পোৱা যায়। কিন্তু থূলৰ অভাৱত বৈঠকখন পুনৰ জাননী দি আহ্বান কৰা কথা পূৰ্ণানন্দ শৰ্মা পাঠকে লিপিবদ্ধ কৰিছে। সভাৰ ন্যাস পুঁজিৰ কোনো দলিল আদি পোৱা নহ'ল।

৮১. মহেশ্বৰ নেওগ, অসমীয়া সাহিত্যৰ ৰূপৰেখা, পৃ. ২৪১



*সাহিত্য কি? নানাবিধ ঠাল-ঠেঙুলি আৰু পাতফুলেৰে ধুনীয়াকৈ সজাই শুৱলা কৰা ভাষাকে সাহিত্য বুলিব লাগে।*

*****

*জাতীয় উন্নতি কৰিবলৈ হ'লে আৰ্থিক উন্নতি হ'ব লাগে।*

*****

*কবিয়ে কথাৰে বৰ্ণোৱা চিত্ৰখনি আৰু চিত্ৰকৰে আঁকি দিয়া মূৰ্তিখনি একে বিদ্যা একে সাহিত্য।*

*****

*(কিন্তু) মই বাহু তুলি কওঁ যে স্ত্ৰীসকলৰ ওপৰত আমাৰ উচিত বিচাৰ হোৱা নাই। তেওঁলোকৰ প্ৰকৃত শিক্ষাৰ বহুল প্ৰচাৰ কৰিবলৈ সৰ্বতোভাৱে যত্ন কৰিব লাগে।*

*****


*জ্ঞানৰ পৰা ভাব আৰু ভাবৰ পৰা পদাৰ্থৰ সৃষ্টি।*

*****

*(সেই) বিশ্বধৰ্মৰ যোগেদি আমি যি সাহিত্য সৃষ্টি কৰিম সেই সাহিত্য হ'ব মিলনৰ সাহিত্য। দাৰ্শনিক কথা প্ৰকাশ কৰিবলৈ ওখ ওখ ভাবৰ বিকাশ কৰিবলৈ যেতিয়া ভাষা উপযোগী হয় তেতিয়া জাতীয় উন্নতিৰ উৰ্ধগতি বুলি বুজিব লাগে।*

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

*একাদশ সন্মিলনত যোগ দিয়া অতিথিসকল— ৰজনীকান্ত বৰদলৈ, প্ৰমথনাথ চক্ৰৱতী, ৰজনীকুমাৰ পদ্মপতি। কামাখ্যানাথ ভট্টাচাৰ্য, দ্বাৰিকানাথ গোস্বামী, জ্বলতিৰাম ভূঞা লহকৰ, দীনেশ্বৰ গোহাঁই ভক্তিবিনোদ, পদ্মধৰ চলিহা, বেণুধৰ শৰ্মা,মুক্তানন্দ গোস্বামী, লক্ষ্মীধৰ শৰ্মা, গোলাপচন্দ্ৰ গোস্বামী, যজ্ঞৰাম ভূঞা, ভ্ৰমৰচন্দ্ৰ শইকীয়া, মৌলৱী মফিজুদ্দিন আহমদ হাজৰিকা, প্ৰতাপচন্দ্ৰ গোস্বামী, মহাদেৱ শৰ্মা, হলিৰাম মহন্ত ঠাকুৰ, ৰামেশ্বৰ বৰুৱা, ডাক্টৰ মহানন্দ বৰুৱা, সাহিত্যভূষণ। লক্ষ্মীকান্ত বৰুৱা, আনন্দৰাম হাজৰিকা, বিচিত্ৰ নাৰায়ণ দত্তবৰুৱা, কৃষ্ণনাথ বেজবৰুৱা,, ব্ৰহ্মানন্দ দত্ত, লক্ষ্মীৰাম নাথ, নগেন্দ্ৰনাথ বৰুৱা, মহেশ্বৰ শইকীয়া, হৰকান্ত শৰ্মা, কমলচন্দ্ৰ বৰুৱা, শ্ৰীযুত বিনন্দচন্দ্ৰ বৰুৱা, তুলসীনাৰায়ণ শৰ্মা, বিপিনবিহাৰী বৰা, পাৰ্বতীপ্ৰসাদ বৰুৱা, যোগকান্ত বৰুৱা, হেমচন্দ্ৰ বৰুৱা, উপেন্দ্ৰনাথ বৰুৱা, ৰায়চাহাব নাৰায়ণ চন্দ্ৰ শৰ্মা বাৰুৱা, খগকান্ত মজিন্দাৰ বৰুৱা, চাৰুচন্দ্ৰ ব্যাকৰণশাস্ত্ৰী, গুৰুপ্ৰসাদ চলিহা, ইত্যাদি।*



# দ্বাদশ অধিৱেশন, গোলাঘাট

## (৩০ আৰু ৩১ মাৰ্চ, ১৯৩০)

জ্ঞান মালিনীৰ কবি মফিজুদ্দিন আহমদ হাজৰিকাৰ সভাপতিত্বত দুদিনীয়া কাৰ্যসূচীৰে দ্বাদশ অধিৱেশন গোলাঘাটত অনুষ্ঠিত হয়। আদৰণী সমিতিৰ সভাপতি আছিল শিৱভক্ত ব্ৰহ্মানন্দ দত্ত।[৮২] এই সন্মিলনৰ বাবে সভাপতি নিৰ্বাচিত হৈছিল চন্দ্ৰকুমাৰ আগৰৱালা। আগৰৱালাই এই বাব ল'বলৈ অস্বীকাৰ কৰা বাবে জ্ঞান মালিনীৰ কবিজনাক সভাপতিৰূপে কাৰ্যনিৰ্বাহ সমিতিয়ে মনোনীত কৰে। এই সন্মিলনৰ বাবে ১৫ আৰু ১৬ অক্টোবৰ নিৰ্দিষ্ট কৰা হৈছিল। কিন্তু সেই সময়তে গোলাঘাটত কৃষ্ণকান্ত সন্দিকৈৰ সভাপতিত্বত অসম ছাত্ৰ সন্মিলনৰ অধিৱেশন তৰুণৰাম ফুকনৰ সভাপতিত্বত সদৌ অসম যুৱক সংঘৰ অধিৱেশনো হৈছিল। সেয়ে সভাৰ প্ৰস্তাৱিত দিনৰ সালসলনি কৰি ৩০ আৰু ৩১ মাৰ্চ (১৯৩০) নিৰ্দিষ্ট কৰা হয়।

সেইবাৰ বুৰঞ্জী সন্মিলনত সভাপতিত্ব কৰিছিল তেজপুৰৰ ৰজনীকুমাৰ পদ্মপতিয়ে। অধিৱেশনত নগেন্দ্ৰনাৰায়ণ চৌধুৰীয়ে *কিৰাত* প্ৰবন্ধ এটি দিছিল। সময়ৰ অভাৱত প্ৰবন্ধটি পাঠ নকৰিলে যদিও পত্ৰিকাত প্ৰবন্ধটো প্ৰকাশ হৈছিল।[৮৩] বুৰঞ্জী সন্মিলনৰ সভাপতিৰ অভিভাষণ পত্ৰিকাত প্ৰকাশ হৈছে। অধিৱেশনত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ লোৱা হৈছিল। সেই প্ৰস্তাৱৰ প্ৰাসংগিকতা আজিও আছে।[৮৪] অভ্যৰ্থনা সমিতিৰ উপসভাপতি আছিল গোলাপ চন্দ্ৰ গোস্বামী, সম্পাদক আছিল নগেন্দ্ৰনাথ বৰুৱা আৰু ৰমাকান্ত বৰুৱা।[৮৫] সেই সময়ত গোলাঘাটৰ সকলো

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

৮২. *বৰ্তমান গোলাঘাটৰ নতুন আমোলাপট্টিত দত্তই প্ৰতিষ্ঠা কৰা শিৱ মন্দিৰ এতিয়াও আছে।*

৮৩. *অসম সাহিত্য সভা পত্ৰিকা, ৪ৰ্থ বছৰ ১ম সংখ্যা, পৃ. ৪-১২*

৮৪. *পূৰ্বোক্ত পৃ. ৪৯-৫৬*

৮৫. *(১) অসমীয়া ভাষাৰ নতুন পুৰণি সকলো পুথি আৰু কিতাপৰ চমু পৰিচয় সম্বলিত তালিকা প্ৰকাশ কৰাৰ সিদ্ধান্ত*
*(২) ঐতিহাসিক নাটক ৰচনাৰ বাবে ১৫০.০০ টকাৰ পুৰস্কাৰ ঘোষণা*
*(৩) লক্ষ্মীনাথ বেজবৰুৱাক অভিনন্দন জনাবৰ বাবে লোৱা প্ৰস্তাৱ।*
*(৪) সভাৰ পুথিভঁৰাল পৰিপুষ্টিৰ কাৰণে ২৫,০০০.০০ টকাৰ অনুদান বিচৰা। ইয়াৰ আঁচনি যুগুতাবলৈ কৃষ্ণকান্ত সন্দিকৈ, কুলধৰ চলিহা, শৰৎচন্দ্ৰ গোস্বামী, ফাইজুদ্দিন আহমদক দায়িত্ব দিয়ে।*
*(৫) এখন বহল অসম বুৰঞ্জী প্ৰণয়ন*
*(৬) শাখা আৰু স্বীকৃত সভাক স্থানীয় ঐতিহাসিক তথ্য পুৰণি স্মৃতিৰ তালিকা আৰু প্ৰবাদসমূহৰ সংৰক্ষণৰ ব্যৱস্থা কৰা*
*(৭) অসমৰ এখন প্ৰকৃষ্ট ইতিহাস প্ৰণয়নৰ ব্যৱস্থা। (পূৰ্বোক্ত পৃ. ৮১-৮২)*
*(৮) এই অধিৱেশনতে সুন্দৰীদিয়াৰ শ্ৰীৰামচন্দ্ৰ দাসক কাছাৰলৈ পঠিওৱা হৈছিল। কাছাৰ ভ্ৰমণ কৰি তেখেতে দিয়া প্ৰতিবেদন পৰিশিষ্টত দিয়া হৈছে।*



ৰাজহুৱা সভা জ্যোতিৰ্ময়ী উদ্যানত হৈছিল। মহিলা সমিতি আৰু ছাত্ৰ সন্মিলনৰ সভাও তাতেই হৈছিল। বেজবৰুৱা ১৯৩০ চনত গোলাঘাটলৈ যাওঁতে সেই উদ্যানতে ৰাজহুৱাভাৱে সম্বৰ্ধনা জনাইছিল। অধিৱেশনৰ বিস্তৃত বিৱৰণ ক'তো লিপিৱদ্ধ ৰূপত পোৱা নহ'ল। সেয়ে অধিৱেশনখন জ্যোতিৰ্ময়ী উদ্যানত হোৱাই সম্ভৱ। এই অধিৱেশনত ৰায়চাহাব কমলাকান্ত বৰুৱা প্ৰধান সম্পাদক নিৰ্বাচিত হয় ৰাতি দৈৱচন্দ্ৰ তালুকদাৰৰ *ৰুক্মিণী হৰণ* নাট এমেছাৰ হলত অভিনয় হৈছিল।

## মফিজুদ্দিন আহমদ হাজৰিকা

জ্ঞান মালিনীৰ কবি মফিজুদ্দিন আহমদ হাজৰিকা (জন্ম ৩০ আগষ্ট, ১৮৭০, মৃত্যু ২৯ অক্টোবৰ, ১৯৫৮)। হাজৰিকাৰ প্ৰথম কাব্যগ্ৰন্থ *জ্ঞান মালিনী* (১৮৯৬, প্ৰথমচোৱা), বেজবৰুৱাই এই কবিতা পুথিখনৰ ভাব-ভাষা ওখ খাপৰ বুলি উল্লেখ কৰিছে। পুথিখনৰ *দিনকণা* কবিতাটি স্থায়ী মূল্যৰ আৰু প্ৰাণৱন্ত। হাজৰিকাৰ *জ্ঞান মালিনীৰ বীণ* আৰু *তত্ত্ব পাৰিজাত* দুখন পুথি অপ্ৰকাশিত আছিল যদিও ১৯৭০ চনত প্ৰকাশ হয়।

আহমদ হাজৰিকাৰ জন্ম ডিব্ৰুগড়ত। ডিব্ৰুগড়তে শিক্ষা জীৱনৰ পাতনি মেলি শিক্ষা সম্পূৰ্ণ নকৰাকৈয়ে ডিব্ৰুগড়ৰ কাছাৰীত চাকৰি জীৱন আৰম্ভ কৰি ১৯২৬ চনত চিৰস্তাদাৰৰূপে অৱসৰ গ্ৰহণ কৰে।

অসমীয়া সাহিত্যত চুফীবাদী ভাবাদৰ্শ হাজৰিকাৰ যোগেদি পোনপ্ৰথমে প্ৰৱেশ কৰে। কবিৰ ভাষা সৰল, প্ৰাঞ্জল। অভিভাষণখনিয়ে এপাহি ফুলৰ মৰ্যাদা পাবৰ যোগ্য।

অসম সাহিত্য সভাৰ প্ৰস্তাৱমৰ্মে চৰকাৰে সাহিত্যিক পেঞ্চন প্ৰদান কৰা হাজৰিকা সৰ্বধৰ্মৰ প্ৰতি সম শ্ৰদ্ধা আছিল। *কীৰ্তন* আৰু *কোৰান* এই দুপদক তেখেতে শিৰোভূষণস্বৰূপে স্থান দিছে।

অসম সাহিত্য সভা *পত্ৰিকাত হাজৰিকাৰ সভাপতিৰ অভিভাষণ সম্পৰ্কে এনেকৈ মতামত প্ৰকাশ কৰিছে—"সাহিত্য সভাৰ সভাপতি মফিজুদ্দিন আহমদ হাজৰিকা ডাঙৰীয়াৰ অভিভাষণ শুনিবলৈ বৰ জুটি লগা হৈছিল। ভাষণৰ ভাব-ভাষা আৰু ভংগীয়ে দৰ্শক আৰু শ্ৰোতাসকলক মুগ্ধ কৰি ৰাখিছিল।*[৮৬]

### অভিভাষণৰ সুবচন

*নেৰানেপেৰা নানান ধুমুহা আৰু ধুপালনিৰ কোবত মুচকঁচ যোৱা আমাৰ আজলী, নিমাতী, চিৰদুখিনী অসম মাতৃৰ থোঁতথুঁতি মাতৰ হেনাহুচা গুচাই সলসলীয়া কৰিবৰ নিমিত্তে আজি আপোনাসকল (বাণী পুত্ৰসকল) চাৰিওফালৰ পৰা আহি এই গোলাঘাট নগৰত থুপ খাই যে দলদোপ হেন্দোলদোপ লগাইছেহি ই এক মহান আৰু মহীয়ান দৃশ্য।*

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

৮৬. *পত্ৰিকা, ৪ৰ্থ বছৰ প্ৰথম সংখ্যা পৃ. ৩৮*

*(তেনেহ'লে) যদি ভাইহঁতে মোৰ বুকুখনকে চান্দমাৰি পাতি পাকৈত হ'বৰ নিমিত্তে হাত ঠিক কৰি ল'বলৈ ভাল পায় মইনো মোৰ এই নিৰস বুকুখন পাতি দি একতাৰ চানেকি দেখুওৱাত পাচ হঁহকিম কিয়?*

*****

*ভাৰত সন্তান অসম আৰ্হিৰ সন্তান, হিন্দু-মুছলমানক শিক্ষা দিবৰ নিমিত্তে তেওঁৰ কি অপূৰ্ব কৌশল।*

*****


*মুছলমানসকলে ভাৰতবৰ্ষত ৰাজত্ব কৰা এই ৭০০ বছৰৰ ভিতৰত ইছলাম ধৰ্মৰ ভালেমান বস্তু হিন্দু ধৰ্মৰ ভিতৰত সোমাল। অন্ততঃ সেইখিনিৰ ওপৰতে মিলনৰ ভেটি তুলি দুয়োপক্ষে অসমীয়াৰ জাতীয়তাৰ আৰু জাতীয় সাহিত্যৰ যুগমীয়া হাউলি থিয় কৰিব পাৰোহঁক।*

*****

*যি জাতিৰ মানুহে উপজিবৰ পৰা যি ভাষাৰে মাক-বাপেক, ভাই-ককাই, বাই-ভনী, বংশ পৰিয়াল আদিৰ লগত কথা পাতে, যি ভাষাৰে হাঁহে, মাতে, যি ভাষাৰে দুখ-বেজাৰ কৰে, যি ভাষাৰে হাই-খৰিয়াল কৰে, যি ভাষাৰে মনৰ ভাব প্ৰকাশ কৰে, যি ভাষাৰে সাধুকথা কয় আৰু যি ভাষাৰে আশা-ভৰসাৰ কথা কয় সেই জাতিৰ সেয়ে মাতৃভাষা।*

*****

*মহৎ লোকৰ অন্তৰ ভাৱৰূপী মণি-মুকুতাৰ ভঁৰাল, জ্ঞান-গৱেষণাৰ খনি দয়া ধৰ মৰ আকৰ। সেইবিলাকৰ চকমকনি সাহিত্যৰ ভিতৰেদি জিলিকি উঠি পঢ়ুৱৈসকলৰ মন উদ্বাৰল কৰে।*



# ত্ৰয়োদশ অধিৱেশন, শিৱসাগৰ

## (২৮ ডিচেম্বৰ, ১৯৩১)

১৯৩১ চনৰ ২৮ ডিচেম্বৰ তাৰিখে শিৱসাগৰৰ ৰাইজৰ নিমন্ত্ৰণক্ৰমে দ্বিতীয়বাৰ এই অধিৱেশন অনুষ্ঠিত হয়। এই অধিৱেশনৰ সভাপতি আছিল আৱাহন কাকতৰ জন্মদাতা মেছাপাৰৰ জমিদাৰ সু-সাহিত্যিক নগেন্দ্ৰনাৰায়ণ চৌধুৰী। আদৰণী সমিতিৰ সভাপতি আছিল ভুৱন চন্দ্ৰ গগৈ। এই অধিৱেশনত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাক সম্বৰ্ধনা জনোৱা হৈছিল। সম্বৰ্ধনা পত্ৰ ভৰাই দিবৰ কাৰণে এটি কাছাকেট কলিকতাৰ অসমীয়া ভাষা উন্নতি সাধিনী সভাই অসম সাহিত্য সভাক দিছিল।[৮৭]

### সাহিত্য সভাৰ অভিনন্দন পত্ৰ

এই অভিনন্দন গ্ৰহণ কৰি বেজবৰুৱাই দিয়া বক্তৃতা পৰিশিষ্টত দিয়া হৈছে।

সভাপতি চৌধুৰীয়ে এই অনুষ্ঠানত বেজবৰুৱাক 'ৰসৰাজ' উপাধিৰে বিভূষিত কৰে। তেতিয়াৰ পৰাই বেজবৰুৱাৰ নামৰ আগত এই বাখৰ লাগিল। এই মুকলি সভাতে বুৰঞ্জী সন্মিলনো হৈছিল। ইয়াত সভাপতিত্ব কৰিছিল সোণাৰাম চৌধুৰীয়ে। তেখেতে ভাষণখন ৯টা ভাগত ভাগ কৰি পাঠ কৰিছিল। ভাষণ ছপা কৰা নাছিল। বুৰঞ্জী সন্মিলনৰ অভিভাষণ ছপা কৰিবৰ কাৰণে বেজবৰুৱাই পৰামৰ্শ দিছিল।[৮৮] প্ৰদৰ্শনীৰ দুৱাৰ মুকলি কৰিছিল অসমৰ প্ৰাক্তন প্ৰধান মন্ত্ৰী ছাৰ চৈয়দ মহম্মদ চাদুল্লাই।

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

*৮৭. ২১/৭/৩০ তাৰিখে কলিকতাৰ অ. ভা.উ.স. সভাৰ সম্পাদক পৰমানন্দ ওঝাই চিঠিৰে জনাইছিল—"আসামবাসীয়ে যি মানপত্ৰ দিবলৈ স্থিৰ কৰিছে সেই মানপত্ৰখনি আগবঢ়াই দিয়া পাত্ৰ (caskst) টি দিবলৈ ইচ্ছা কৰিছে। কিন্তু কিমান খৰছ পৰিব আৰু পাত্ৰটি কেনেকুৱা বিধৰ হ'ব লাগিব সেই বিষয় আগতে জনাব লাগিব আৰু পৰাপক্ষত তাৰ খৰছ ১০০.০০ টকাৰ ভিতৰত পৰিলে ভাল।" (পত্ৰিকা, ৪ৰ্থ বছৰ, ৫ম সংখ্যা, পৃ. ২০২-২০৩) উল্লেখযোগ্য এই অভিনন্দন পত্ৰ ছপা হৈছিল সাঁচিপাতত আৰু হাতী দাঁতেৰে তৈয়াৰ কৰা কাছকেটত ভৰাই এখন পিতলৰ শৰাইত দিয়া হৈছিল। অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱেশ্বৰ চলিহাই অভিনন্দন পত্ৰ দিয়াৰ আগতে কৈছিল—"বেজবৰুৱা ডাঙৰীয়াক এই সন্মান দেখুৱাওঁতে আমি ধনৰ দুখীয়া হ'ব পাৰোঁ, নানা প্ৰকাৰ বাহ্যিক জাকজমকীয়া সোণ-ৰূপৰ টেমা সাজি সোণালী কাকতত সোণালী আখৰেৰে অভিনন্দন দিব নোৱাৰিব পাৰোঁ, কিন্তু আমি অন্তৰত নিঃকিন নহওঁ ভাবত নিছলা নহওঁ।" (আৱাহন ৩য় সংখ্যা পুহ ১৮৫৩)*

*৮৮. এই অভিভাষণখন অতি মূল্যৱান। সেয়ে সভাই পুস্তিকা আকাৰে ছপা কৰে। শিৱসাগৰৰ এই অধিৱেশনৰ আন তথ্য-পাতি পোৱা নহ'ল।*

সন্ধ্যা আয়োজন কৰা মৌ মেলত পাৰ্বতি প্ৰসাদ বৰুৱাৰ গীতিনাট *কমলা কুঁৱৰী* অভিনীত হৈছিল। এই অধিৱেশনত দেৱেশ্বৰ চলিহা প্ৰধান সম্পাদক আৰু দেৱানন্দ ভঁৰালী পত্ৰিকা সম্পাদক নিৰ্বাচিত হয়। এই বৰ্ষত বেজবৰুৱাক সাহিত্যিক পেন্সন দিবলৈ সভাই চৰকাৰৰ ওচৰত আৱেদন জনাইছিল— কিন্তু চৰকাৰে তেখেত পেন্সন পোৱাৰ উপযোগী বুলি স্বীকাৰ কৰিও অৰ্থৰ অভাৱত অপাৰগতা প্ৰকাশ কৰে।[৮৯]

## নগেন্দ্ৰনাৰায়ণ চৌধুৰী

সাহিত্যাচাৰ্য অতুলচন্দ্ৰ হাজৰিকাই কোৱা গোৱালপাৰা ৰত্ন নগেন্দ্ৰনাৰায়ণ চৌধুৰী (জন্ম ২৭ ডিচেম্বৰ, ১৮৮৯, মৃত্যু ১৩ নৱেম্বৰ, ১৯৪৭) বিখ্যাত আৱাহন আলোচনীৰ পৃষ্ঠপোষক। গাঁৱৰ জীৱনৰ পটভূমিত ভালেখিনি গল্প ৰচনা কৰিছিল। চৌধুৰী সংৱেদনশীলতাই চৰিত্ৰবোৰক বিবিধ ঘাত-প্ৰতিঘাতেৰে সৃষ্টি কৰিবলৈ যত্ন কৰিছে। কলিকতাৰ এ এছ এল ক্লাবৰ লগত জড়িত চৌধুৰীৰ স্বদেশ আৰু স্বজাতিৰ প্ৰতি আছিল দায়বদ্ধ। তেখেতৰ সংগীত কলাতো আছিল দখল। তদুপৰি অপ্ৰকাশিত অৱস্থাত নাটক, কবিতা আদিও সংৰক্ষিত হৈ আছে বুলি জনা যায়। ১৯৭৮ চনত অসম প্ৰকাশন পৰিষদে নগেন্দ্ৰনাৰায়ণ চৌধুৰীৰ গল্প নামেৰে প্ৰকাশ কৰে। এই সংকলনখন সম্পাদনা কৰিছিল হেমন্ত কুমাৰ শৰ্মাই। তেখেত এগৰাকী যাদুকৰো আছিল। চৌধুৰীৰ জন্ম শতবাৰ্ষিকী উৎসৱত তেখেতৰ যাদুৰ সামগ্ৰী প্ৰদৰ্শিত হৈছিল। অসমীয়া ভাষা-সাহিত্যৰ প্ৰতি অগাধ শ্ৰদ্ধা তেখেতৰ অভিভাষণত প্ৰকাশ পাইছে। ১৯৩৬ চনত তেজপুৰত অনুষ্ঠিত সভাৰ সংগীত সন্মিলনৰো সভাপতি আছিল।

গোৱালপাৰাৰ থলুৱা মাত-কথাক লিখিত অসমীয়া ভাষাৰ সৈতে সাদৃশ্য প্ৰতিষ্ঠা কৰাৰ উপৰি তেনে ভাষাক ৰচনাতো প্ৰয়োগ কৰি দেখুৱাইছিল। *মোৰ জীৱন স্মৃতিত* চৌধুৰী অসমীয়া ভাষা কেনেকৈ শিকিছিল তাৰ কথা লিপিবদ্ধ হৈছে। গোৱালপাৰাত অধিকাংশ জমিদাৰে বঙলা ভাষা সংস্কৃতিৰ প্ৰচাৰ কৰিছিল মেছপাৰাৰ এইজন জমিদাৰ চৌধুৰীয়ে ইয়াৰ বিৰুদ্ধাচৰণ কৰিছিল। ১৯২৬ চনত ধুবুৰী সন্মিলনত বেণুধৰ ৰাজখোৱাৰ ভাষণ শুনি স্থানীয় বাঙালী লোকে প্ৰতিবাদ কৰিছিল। তেতিয়া গোৱালপৰীয়া ৰাইজ চৌধুৰীৰ কাষ চাপিছিল। এই ঘটনাই চৌধুৰীক আৱাহন (১৯২৯) কাকত জন্ম দিবলৈ প্ৰেৰণা যোগাইছিল। লক্ষীমপুৰত প্ৰাথমিক শিক্ষা লাভ কৰা চৌধুৰীয়ে এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হৈ ঢাকা, গয়া, কলিকতা আদি ঠাইলৈ যায়। কলিকতাৰ জুবিলি আৰ্ট, একাডেমিৰ পৰা আৰ্টৰ শিক্ষা লাভ কৰিছিল। ঐন্দ্ৰজালিক Thurston-ৰ ওচৰত ইন্দ্ৰজাল বিদ্যা শিকি সেইবোৰ অসমত প্ৰদৰ্শন কৰিছিল।

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

৮৯. *চৰকাৰৰ পত্ৰ নং D/11561-625, dt. 17.8.34, Annals of Asam Sahitya Sabha– গ্ৰন্থত পোৱা মতে তাৰিখৰ অলপ ইফাল-সিফাল হৈছে— এনেকৈ—"The under secretary to the Govt. of Assam in the Education Department's memo no, 1490E dated 16th July 1934. আনকি সেই বছৰত সভালৈ দিয়া অনুদানো চৰকাৰে বন্ধ কৰিছিল।*



## অভিভাষণৰ সুবচন

*নানা বিচিত্ৰতা আৰু প্ৰতিযোগিতাৰ ভিতৰেদি এই সমাজ গঢ়ি উঠে। সেই সমাজ নিয়ন্ত্ৰণৰ নিমিত্তে ভাবৰ শৃংখলাৰ দৰকাৰ।*

*****

*মানৱ জাতিৰ চিৰকলীয়া ভাবৰ পিৰালিৰ ওপৰত প্ৰতিষ্ঠিত এটা জাতিৰ মৰ্মবাণীৰ বিতোপন ৰূপস্বৰূপে প্ৰকটিত হৈ নিত্যতা প্ৰকাশ কৰিছে। গতিকে ই চিৰন্তন শ্বাসত আৰু ই কোনো ব্যক্তি বা শ্ৰেণীবিশেষৰ অথবা কোনো বস্তু বিশেষৰ নহয়। ই ৰোগী, ভোগী, সুখী, দুখী, গৃহী, সন্ন্যাসী প্ৰভৃতি সকলোৰে এই নিমিত্তে ই সাৰ্বজনীন।*

*****

*প্ৰতিভাই কোনো মানুহৰ উপদেশৰ অপেক্ষা নকৰে।*

*****

*ব্যক্তি বা জাতিৰ ৰসবোধ শক্তি, তাৰ শিক্ষা আৰু কালধৰ্মৰ ওপৰত বহুখিনি নিৰ্ভৰ কৰে। বাৰিষাৰ মল্লাৰ ৰূপে চ'তৰ খৰখৰাঙত গালে পৰিশ্ৰম তেনেই ব্যৰ্থ হোৱা সম্ভৱ।*

*****

*... শব্দ মাত্ৰেই যেনেকৈ ভাষা নহয় তেনেকৈ কিবা অলপ লিখিলেই সাহিত্য নহয়।... ভাব সমুদ্ৰৰ মন্থনৰ পৰা ওলোৱা অমৃত হলাহল আদি সকলোখিনি সাহিত্য পদ বাচ্য। কেতিয়াবা ই বজ্ৰ নিৰ্ঘোষৰ দৰে ভয়ংকৰ কেতিয়াবা মংগল শংখ নিনাদৰ নিচিনা স্নিগ্ধকৰ আকৌ কেতিয়াবা বাঁহীৰ সুৰদী সুৰৰ দৰে মন প্ৰাণ উন্মাদকৰ।*

*****

*পুৰণি ভেটিত নতুন থিয় হ'লেও বৰ্তমান হিচাপত অতীতৰ বিচাৰ নচলে।*

*****


*আমাৰ সাহিত্যিকসকলৰ প্ৰধান কৰ্তব্য হোৱা উচিত এফালে যেনেকৈ নতুন ভাবধাৰা প্ৰচাৰ কৰি মৌলিকত্ব দেখুউৱা তেনেকৈ জগতৰ সাহিত্যসিন্ধু মন্থন কৰি অমৃত গৰল উচ্চৈঃশ্ৰবা ঐৰাৱত প্ৰভৃতি যিহকে পোৱা যায় তাকে লৈ নিজ সাহিত্যৰ কলেৱৰ বৃদ্ধি কৰা।*

*****

*অকল আনৰ অনুকৰণ কৰি বানানৰ বিপ্লৱ আনিলে তাৰ পৰিণাম ধ্বংসও হ'ব পাৰে।*

*****

*আমাৰ দেশত যিমান দিনলৈকে পাঠক সমাজ গঢ়ি নুঠে সিমান দিনলৈকে আমাৰ জাতীয় সাহিত্যৰ উন্নতি বা মংগলৰ নিমিত্তে শিক্ষিত সমাজে অলপ স্বাৰ্থ ত্যাগ কৰি কাকত বা কিতাপবিলাকক উৎসাহ দি জীয়াই ৰাখিবলৈ চেষ্টা কৰা উচিত।*



# চতুর্দশ অধিৱেশন[৯০], উত্তৰ লক্ষীমপুৰ

(২৭ আৰু ২৮ ডিচেম্বৰ, ১৯৩৩)

লক্ষীমপুৰৰ ৰাইজৰ আগ্ৰহৰ বাবেই চতুৰ্দশ সন্মিলন লক্ষীমপুৰত সফলতাৰে অনুষ্ঠিত হৈছিল। আদৰণী সমিতিৰ সভাপতি আছিল জননেতা সৰ্বেশ্বৰ বৰুৱা। সভাপতিত্ব কৰিছিল জ্ঞানদাভিৰাম বৰুৱাই। এই অধিৱেশনতে সাহিত্যৰথী[৯১] পদ্মনাথ গোহাঞিবৰুৱাক সভাই অভিনন্দন জনাইছিল।

এই সন্মিলনত চন্দ্ৰধৰ বৰুৱা প্ৰধান সম্পাদক, দেৱেন্দ্ৰনাথ বেজবৰুৱা আৰু তুলসীনাৰায়ণ শৰ্মা সহকাৰী সম্পাদক দেৱেশ্বৰ শৰ্মা- ধনভঁৰালী, দেৱেশ্বৰ চলিহাক পুথিভঁৰালী নিৰ্বাচন কৰা হয়। এই বৰ্ষত সভাই বিত্তৰ সংকটত ভূগী বিশেষ উল্লেখযোগ্য কাম কৰিব নোৱাৰিলে। প্ৰধান সম্পাদকে দুখেৰে জনায় যে এই বৰ্ষৰ দৰে সভাই কোনো দিন বিত্তীয় সংকটত ভোগা নাছিল। বুৰঞ্জী সন্মিলনত সভাপতিত্ব কৰিছিল প্ৰত্নতাত্ত্বিক সৰ্বেশ্বৰ শৰ্মা কটকীয়ে।

চন্দ্ৰকান্ত অভিধান ২৮/২/৩৩ তাৰিখে ছপা হৈ ওলোৱাৰ পিছত হোৱা সমালোচনা সভাই বিবেচনা কৰে আৰু এখন শুদ্ধ ৰূপত কোলাৰ কাকত (Suppliment) যুগুতাই দিবৰ কাৰণে সিদ্ধান্ত কৰে।

এই সন্মিলনৰ সিদ্ধান্তমৰ্মে অসমীয়া ভাষাৰ প্ৰচাৰ সমিতিৰ বৈঠকে ২৭/২/৩৩ তাৰিখে বেণুধৰ শৰ্মা আৰু হৰিনাৰায়ণ বৰুৱাক ২০০.০০ টকা খৰচৰ অনুমোদন বিচাৰি অহা-যোৱাৰ বাবদ আগধন হিচাপে ৫০.০০ টকা দিবলৈ অনুমোদন জনায়। লগতে তেখেতসকলে তলত দিয়া গ্ৰন্থসমূহৰ যোগান ধৰিবলৈ সভাক অনুৰোধ কৰে—

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

*৯০. ত্ৰয়োদশ আৰু চতুৰ্দশ অধিৱেশনৰ কোনো নথি-পত্ৰ সংগ্ৰহ কৰিব পৰা নহ'ল। ১৯২৩ চনৰ পৰা ১৯৫৪ চনলৈকে থকা কাৰ্যবিৱৰণী বহীত এই দুখন অধিৱেশনৰ বিতং তথ্য পোৱা নহ'ল।*

*৯১. অসম সাহিত্য সভা পত্ৰিকা, ৬ষ্ঠ বছৰ, ১ম সংখ্যা, পৃ. ৬-৭ (বেজবৰুৱা আৰু গোহাঞিবৰুৱা দুয়োজনকে কেতিয়াবা সাহিত্যৰথী, কেতিয়াবা অসমীয়া সাহিত্যৰথী বুলিও বিভিন্ন সময়ত কোৱা হৈছিল।) বেজবৰুৱা আৰু গোহাঞি বৰুৱাৰ অভিনন্দন পত্ৰ আৰু উত্তৰ সম্পৰ্কে পত্ৰিকাত উল্লেখ কৰা হৈছে— এই অভিনন্দন পত্ৰ প্ৰদানৰ সম্পৰ্কে অভিনৱ প্ৰথা আৰু উপকৰণে কাৰ্যনিৰ্বাহক সমিতিৰ কৃতিত্ব প্ৰকাশ কৰিছিল বুলি সম্পাদকৰ শৰাইত উল্লেখ কৰা হৈছিল (পূৰ্বোক্ত পৃ. ৭)*



১। Hunter's Statistical Account of Assam, Cachar Vol II
২। History of Assam, Gait.
৩। Wards Account of Assam
৪। Report on the Cacharis, Asistic Society Journal
৫। History of North Cachar Hill and Mybong
৬। Kachari Civilisation
৭। Endless Kachari Grammen

এই বৰ্ষতে সভাই গঠন কৰি দিয়া *"উপাধি আৰু চনদ"* শাখা গঠন কৰে।

এই অধিৱেশনত ২৩টা প্ৰস্তাৱ লোৱা হৈছিল।[৯২]

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

*৯২. অসমীয়া পঞ্জিকা প্ৰকাশ, ঠায়ে ঠায়ে পুথিভঁৰাল স্থাপন, সাঁথৰ-পটন্তৰ সংগ্ৰহ, শাখা সভা গঠন আদি। কিন্তু ধনৰ অভাৱত কাম কৰিব পৰা নাই। কিয়নো চৰকাৰে ১৯২৫-২৬ চনত ১০০০.০০ টকা, ২৬-২৭ চনত ৩০০০.০০ টকা, ২৭-২৮ চনত ১০০০.০০ টকা, ২৮-২৯ চনত ৩০০০.০০টকা, ২৯-৩০ চনত ১০০০.০০ টকা, ৩০ চনৰ পৰা সভাই চৰকাৰৰ অৰ্থ সাহায্যৰ পৰা বঞ্চিত হয়। অৱশ্যে দুজন মন্ত্ৰীয়ে চৰকাৰৰ হৈ ২০০.০০ টকা অনুদান দিয়ে। অৱশ্যে পত্ৰিকা প্ৰকাশৰ বাবে ১৯৩৫-৩৬ চনৰ বাজেটত ৬০০.০০ টকা ধাৰ্য কৰা হৈছে বুলি জনায়—*

*Regarding a grant I am to say that Govt. regret inability to make any grant during the current financial year. The question of provide a grant of Rs. 600/- in the next year's budget (1935-36) for the republication of the Sabha's journal "Assam Sahitya Sabha Patrika" will engage the consideration of the Govt. (No. 1476 E-D/14-7-34)*

*ইয়াৰ ফলত ১৯৩২ চনত বন্ধ হোৱা পত্ৰিকা ১৯৩৬ চনৰ পৰা পুনৰ প্ৰকাশ হয়। উল্লেখযোগ্য এই সন্মিলনতে চলন্ত পুথিভঁৰাল পাতিবলৈ চৰকাৰক দাবী জনোৱা হৈছিল।এই বৰ্ষত মুঠ সভ্যৰ সংখ্যা ৬৯ জন। সভ্যসকলে বৰঙনি দিবৰ কাৰণে ডাক যোগাযোগত টকাখৰছ হয় সেয়ে কাকতৰ যোগেদি বৰঙনি দিবলৈ বিজ্ঞপ্তি দিয়া হৈছিল।*

*মহিলাসকলক সভাত নগা চাৰি এখন দিবলৈ লক্ষীমপুৰৰ সন্মিলনত ৰত্নপ্ৰভা ৰাজখোৱাই আবেদন জনাইছিল। অসম সাহিত্য সভাৰ আয়ৰ ঘাই উৎস ১। সভ্যৰ বৰঙণি, ২। স্বীকৃত সভাৰ বৰঙণি, ৩। লোকেল ব'ৰ্ড আৰু মিউনিচিপেল ব'ৰ্ডৰ দান, ৪। চৰকাৰৰ অনুদান, ৫। সন্মিলনৰ সময়ত সংগ্ৰহ কৰা দান, (৬) উচ্চপদস্থ কৰ্মচাৰীৰ পৰা পোৱা দান, ৭। নৰদেৱ ট্ৰাষ্ট ফাণ্ডৰ গ্ৰন্থ বেচি পোৱা ধন। সেই সময়ত অসমৰ লোকেল ব'ৰ্ড আছিল ৬খন আৰু যোৰহাট মিউনিচিপেল ব'ৰ্ডে সভাক ১৯২৬ চনৰ পৰা সাহায্য দিছিল। ১৯৩০ চনৰ পৰা চৰকাৰৰ সাহায্য সভাই নাপালে। ইফালে নৰদেৱ ন্যাস পুঁজিৰ গ্ৰন্থ বিক্ৰি কৰি যি আয় হৈছিল সেয়াও গ্ৰন্থ নিষিদ্ধ কৰাৰ কাৰণে আয়ৰ সকলো পথ ৰুদ্ধ হৈ পৰিল। আনহাতে সভাৰ সভ্য আৰু স্বীকৃত সভাৰ বৰঙনিও কমি আহিল। ১৯৩৮-৩৯ চনত সভ্যৰ বৰঙণি ৮০.০০ টকা আৰু স্বীকৃত সভাৰ পৰা ৭০.০০ টকা সভাই লাভ কৰিছিল। ১৯৩৭-৩৮ চনত সভ্যৰ সংখ্যা ৪৪৯ জন সেই অনুপাতে বৰঙণি নাপালে। মন কৰিবলগীয়া যে এই বৰ্ষত ৫খন নতুন আৰু ৪খন পুৰণা শাখাৰ পৰাহে বৰঙণি সভাই পাইছিল। অৰ্থৰ অভাৱত সভাৰ কাম-কাজ ব্যাহত হৈছিল। সেয়ে ১৯৩২ চনলৈকে ৪বছৰ প্ৰকাশ হোৱা পত্ৰিকা ১৯৩৬ চনলৈকে চাৰি বছৰ প্ৰকাশ বন্ধ হৈ পৰে। আনকি সভাৰ কৰ্মচাৰীক ৮/৯ মাহৰ বেতন দিব পৰা নাছিল। সেয়ে চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত ট্ৰাষ্ট নৰদেৱ ট্ৰাষ্ট আৰু কমলাদেৱী ট্ৰাষ্টৰ পৰা ক্ৰমে ১৩ টকা, ২টকা আৰু ৩টকা মাহে কৰ্মচাৰীৰ বেতনৰ কাৰণে মঞ্জুৰ কৰিছিল। তাৰে কৰ্মচাৰীক বেতন দিয়া হৈছিল। এই সময়ছোৱাত বিত্তীয় সংকটে জুৰুলা কৰা সভা নিয়মতান্ত্ৰিকতাৰ জঞ্জালৰ মাজতো সোমাব লগা হয়। সেইকথাই ১৯৩৬ চনৰ ষোড়শ অধিৱেশনৰ পৰা গুৰুতৰ ৰূপ ধাৰণ কৰে।*

### জ্ঞানদাভিৰাম বৰুৱা

অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ অন্যতম কাণ্ডাৰী গুণাভিৰাম বৰুৱাৰ সুযোগ্য পুত্ৰ জ্ঞানদাভিৰাম বৰুৱা (জন্ম ১৯ আগষ্ট, ১৮৮০, খৃ. ২৭ জানুৱাৰি, ১৯৫৫) বেৰিষ্টাৰ জে বৰুৱা হৈ বিলাতৰ পৰা আহি 'মুনচিফ' চাকৰিত যোগ দিয়ে। বৰুৱাৰ চাৰি পাহ 'সুগন্ধি পাৰিজাত' হ'ল— *ভেনিচৰ সাউদ* (১৯১২), *বিলাতৰ চিঠি* (১৯৩৯), *দদাইৰ পঁজা* (১৯৩০), *Folk Tales of Assam* (১৯১৫)। *বাঁহী, মিলন আৱাহন, আসাম হিতৈষী, চেতনা, বৰদলৈচিলা, জয়ন্তী, ৰামধেনু* আদিত ভালেখিনি প্ৰবন্ধ প্ৰকাশ পায়। দদাইৰ পঁজা সম্পৰ্কে বৰুৱাই কৈছে— *"এই কিতাপখনি Uncle Tom's Cabin এই কিতাপখন মোৰ অসমীয়া ভাষাত অনুবাদ হোৱা নাই। সেই দেখি মোৰ অতি সামান্য বুদ্ধিৰে এই কিতাপখনিৰ অলপ আভাস মোৰ ভাষাত লিখি অসমীয়া জনা আৰু পঢ়া মানুহক দিম বুলি এই সৰু কিতাপখনি লিখিলোঁ।*[৯৩] অভিনেতা হিচাপেও বৰুৱাৰ খ্যাতি আছিল।

### অভিভাষণৰ সুবচন

*অসমীয়া অসমীয়া সেই অসমীয়াই কামস্কাটাতেই ভাল কাম কৰক বা হনললুতেই ভাল কাম কৰক। যি ঠাইতে তেনে অসমীয়া মানুহ থাকে তেওঁ আমাৰ ভাই আৰু তেওঁ আমাৰ ককাই।*

*****

*আমাৰ মহাপুৰুষসকলৰ কথা অসমৰ বাহিৰ কৰিলে অসমৰো মংগল হ'ব আৰু আন আন দেশৰো মংগল হ'ব।*

*****

*...ইংৰাজী, ইউৰোপীয় এনেকি বঙলা সাহিত্যৰো উন্নতি হৈছে প্ৰকাশকৰ দল থকাৰ নিমিত্তে।*

*****

*...বিশ্ববিদ্যালয় হ'লে মোৰ আৰু আপোনালোকৰ যি অলপ বিশৃংখলতা আছে সি দূৰ হ'ব।*

*****

*অসমীয়া ভাষাত পাণ্ডিত্যপূৰ্ণ প্ৰবন্ধ লেখা সুধীবৃন্দক অসম সাহিত্য সভাই উপাধি দিয়াটো শোভনীয় হ'ব।*

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

*৯৩. অসম সাহিত্য সভাৰ ভাষণাৱলী, দ্বিতীয় খণ্ড, পৃ. ৩*

◆◆◆◆◆

# পঞ্চদশ অধিৱেশন, মঙ্গলদৈ

## (২৬ আৰু ২৭ ডিচেম্বৰ, ১৯৩৪)

পঞ্চদশ অধিৱেশনখন চন্দ্ৰধৰ বৰুৱাৰ আহ্বানত মঙ্গলদৈত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছিল। অধিৱেশনত সভাপতিত্ব কৰিছিল ভাঙনি কোঁৱৰ আনন্দ চন্দ্ৰ আগৰৱালাই। অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল তপেশ্বৰ শৰ্মা। সেই সময়ৰ মহকুমাধিপতি প্ৰাক্তন সভাপতি কালিৰাম মেধি উপদেষ্টা আছিল। অভ্যৰ্থনা সমিতিৰ সম্পাদক তিনিজন— ৰামেশ্বৰ শৰ্মা, বদৰুদ্দিন আহমদ আৰু গুণাৰাম ডেকা। কেইবাগৰাকীও সদস্যৰ ভিতৰত উল্লেখযোগ্য— পূৰ্ণানন্দ ৰাজখোৱা, ৰত্নেশ্বৰ দাসগুপ্তা, কুমুদৰাম বৰা, শুকলাল ঘোষ, হীৰালাল পাটোৱাৰী, মৌজাদাৰ শৰৎচন্দ্ৰ বৰুৱা।[৯৪] প্ৰতিনিধি শিবিৰত প্ৰতিনিধিসকলৰ হেনো আনন্দে নধৰে হিয়া।

সংগীত সন্মিলনৰ সভাপতি আছিল ফুলনিৰ কবি পদ্মধৰ চলিহা। অধিৱেশনৰ অন্তত চাহ মেলৰ আয়োজন কৰিছিল তপেশ্বৰ শৰ্মাৰ ঘৰত। ৰাতিলৈ তপেশ্বৰ শৰ্মা ৰচিত হাতে লিখা নাটক *শিৰাজী* অভিনীত হৈছিল।

### এই সন্মিলনৰ গুৰুত্বপূৰ্ণ কাৰ্যাৱলী ঃ

১। সভাৰ অনুৰোধমৰ্মে কামৰূপ শাসনাৱলী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ শ্ৰেণীৰ পাঠ্যপুথিৰূপে নিৰ্বাচিত হৈছিল।[৯৫]

২। এই অধিৱেশনত চতুৰ্দশ সন্মিলনৰ প্ৰস্তাৱমৰ্মে 'আসাম' শব্দৰ ঠাইত 'অসম' আৰু 'অসমীয়া' উচ্চাৰণ শুদ্ধ বুলি ঘোষণা কৰা হ'ল। প্ৰস্তাৱক আছিল পদ্মনাথ গোহাঞিবৰুৱা আৰু সমৰ্থক আছিল নীলমণি ফুকন।[৯৬]

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

*৯৪. অতুলচন্দ্ৰ হাজৰিকা, অসম সাহিত্য সভাৰ ৰূপলেখা, পৃ. ৬৪*

*৯৫. পত্ৰিকা, ৬ষ্ঠ বছৰ প্ৰথম সংখ্যা, পৃ. ৬২*

*৯৬. পত্ৰিকা, ৬ষ্ঠ বছৰ প্ৰথম সংখ্যা, পৃ. ৬২*

*অসম, আসাম, অসমীয়া*

*চতুৰ্দশ সন্মিলনত গৃহীত হোৱা ৫ম প্ৰস্তাৱটো আছিল— "অসম, আসাম আৰু অসমীয়া আদি বানান আৰু উচ্চাৰণৰ লগত সামঞ্জস্য নথকা শব্দবোৰৰ লিখা, উচ্চাৰণ আৰু বানান সম্পৰ্কে যি বেমেজালি আছে*

*(ক্ৰমশঃ পৰৱৰ্তী পৃষ্ঠাত)*

৩। অসম সাহিত্য সভাৰ জন্মলগ্নৰে এখন ইতিবৃত্ত লিখিবৰ কাৰণে সিদ্ধান্ত[৯৭]

৪। সভাৰ চন্দ্ৰকান্ত সন্দিকৈ ভৱনত অসমীয়া ভাষাৰ স্বৰ্গগত খ্যাতনামা সাহিত্যিকসকলৰ প্ৰতিমূৰ্তি শিলৰ বা চিত্ৰাদিৰে সংগ্ৰহ কৰি চিত্ৰালয় যুগুত কৰা।[৯৮]

## পুৰস্কাৰ

১। ১৯৩৫ চনৰ ভিতৰত শ্ৰেষ্ঠ বুলি বিবেচিত গ্ৰন্থ লেখকক মংগলদৈ টাউন কমিটিৰ সভাপতি শুকলাল ঘোষে এটি সোণৰ পদক আগবঢ়ায়।

২। *অসমীয়া সাহিত্যত ইছলাম আৰু অসমীয়া মুছলমানৰ ঠাই ক'ত* শীৰ্ষক লেখাক সোণৰ পদক আগবঢ়ায় মৌলবী মহিবুল্লাই। ৩০/৯/৩৫ তাৰিখ বা তাৰ পূৰ্বে প্ৰধান সম্পাদকৰ হাতত ৰচনা লেখা পৰিব লাগিব।

৩। পটন্তৰ আৰু ফকৰা সংগ্ৰাহকক ২৫ টকা মূলৰ পুৰস্কাৰ দিবলৈ আনন্দ চন্দ্ৰ আগৰৱালাই ঘোষণা কৰে। এই কাম ১৫/১০/৩৫ তাৰিখৰ ভিতৰত সম্পূৰ্ণ হ'ব লাগিব।

৪। সম্বত শব্দৰ সলনি শকাব্দ ব্যৱহাৰৰ দাবী।[৯৯]

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

*সেই বেমেজালি গুচাই উচ্চাৰণ আৰু বানানৰ মাজত মিল ৰাখি এটি উচিত গঢ় দিবলৈ তলত লিখা সমিতি গঠিত হওক। উক্ত সমিতিৰ সদস্যসকলৰ যুক্তিপূৰ্ণ মতামত সংগ্ৰহ কৰি অহা সন্মিলনত উপস্থিত কৰিবলৈ প্ৰধান সম্পাদকক ভাৰ দিয়া হওক।"*

*সদস্যসকল*

*সৰ্বেশ্বৰ কটকী, সোণাৰাম চৌধুৰী, বাণীকান্ত কাকতি, বেণুধৰ শৰ্মা, পদ্মনাথ গোহাঞিবৰুৱা, আনন্দচন্দ্ৰ আগৰৱালা, কৃষ্ণকান্ত সন্দিকৈ, দেৱানন্দ ভঁৰালী, সৰ্বেশ্বৰ বৰুৱা, ৰজনীকান্ত বৰদলৈ, হিতেশ্বৰ বৰবৰুৱা, লক্ষীনাথ বেজবৰুৱা, সূৰ্যকুমাৰ ভূঞা, চন্দ্ৰধৰ বৰুৱা, ৰাধানাথ ফুকন, ময়িদুল ইছলাম বৰা, প্ৰধান সম্পাদক। এই সমিতিয়ে অসমৰ পণ্ডিতসকলৰ পৰা মতামত আহ্বান কৰিছিল। সোণাৰাম চৌধুৰী, ৰজনীকান্ত বৰদলৈ, ৰাধানাথ ফুকন, দেৱানন্দ ভঁৰালী, আনন্দ চন্দ্ৰ আগৰৱালা, নগেন্দ্ৰ নাৰায়ণ চৌধুৰী, ৰমাকান্ত বৰুৱা, কালিৰাম মেধি আদিয়ে অংশ গ্ৰহণ কৰে।*

*আখৰ জোঁটনি*

*সভাৰ একাদশ সন্মিলনত গৃহীত হোৱা ১১নং প্ৰস্তাৱটো আছিল—"অসমীয়া আখৰ জোঁটনিৰ বৰ্তমান বেমেজালি গুচোৱাৰ সম্পৰ্কে আৱশ্যকীয় তদন্ত আৰু মতামত গ্ৰহণ কৰিবৰ নিমিত্তে তলত দিয়া সভ্যসকলৰ সৈতে এখনি সমিতি গঠন হওক, এই সমিতিয়ে মন্তব্যৰ শেষ মীমাংসা কৰি সাহিত্য সভাই কৰ্তব্য নিৰ্ধাৰণ কৰিব।"*

*সদস্যসকল*

*চন্দ্ৰধৰ বৰুৱা, ৰজনীকান্ত বৰদলৈ, কালিৰাম মেধি, কৃষ্ণকান্ত সন্দিকৈ, শৰৎ চন্দ্ৰ গোস্বামী, ময়িদুল ইছলাম বৰা।*

৯৭. *পূৰ্বোক্ত, পৃ. ৬২, দেৱেশ্বৰ চলিহাই এই কাম সম্পাদন কৰিছিল ১ মাৰ্চ, ১৯৩৩ তাৰিখে (পৰিশিষ্ট চাওক)*

৯৮. *পূৰ্বোক্ত, পৃ. ৬২.৩৩*

৯৯. *পূৰ্বোক্ত, পৃ ৬২-৬৩*

*চৰকাৰৰ কাকত পত্ৰত সম্বত শব্দৰ সলনি শকাব্দ শব্দ প্ৰচলন কৰিবলৈ সভাই দাবী উত্থাপন কৰিছিল। তাৰ উত্তৰত চৰকাৰে সভাক অৱগত কৰিছিল— In reply I am to say that the English year and not the* ***Sambat*** *or Bengalee year is used in Govt. forms such as* ***Pattahs****. No change is needed no. 1985 AP D 2-3-4) (পত্ৰিকা পূৰ্বোক্ত ৪৭)*



## উপাধি সম্পৰ্কে পৰামৰ্শ

সভাৰ চতুৰ্দশ অধিৱেশনত লোৱা প্ৰস্তাৱমৰ্মে উপাধি আৰু চনদ দিবৰ কাৰণে গঠন কৰা উপ-সমিতিৰ বৈঠক বহিছিল চন্দ্ৰকান্ত সন্দিকৈ ভৱনত। এই বৈঠকে দিয়া পৰামৰ্শসমূহ হ'ল।

১। কোনো বিষয়ত কোনো কৃতবিদ্য অসমীয়াই অসমীয়াই অসমীয়া ভাষা আৰু সাহিত্যৰ সৰ্বাংগীন উন্নতি কামনাকে মূল উদ্দেশ্য কৰি অসমীয়া ভাষাত মৌলিক গৱেষণামূলক প্ৰবন্ধ (Thesis) লিখি সভাৰ কাৰ্যনিৰ্বাহক সমিতিলৈ পঠিয়াব লাগিব। তেনে প্ৰবন্ধ কাৰ্যনিৰ্বাহক সমিতিয়ে তেনে বিষয় বিশেষ অভিজ্ঞ অন্ততঃ তিনিজন লোকৰ দ্বাৰাই পৰীক্ষা কৰোৱাব লাগিব আৰু পৰীক্ষকসকলৰ মন্তব্য বিবেচনা কৰি কাৰ্যনিৰ্বাহ সভাই লিখকক 'ভাৰতী' বা 'সৰস্বতী' উপাধি আৰু চনদ দিবলৈ স্থিৰ কৰিব পাৰিব।

২। প্ৰবন্ধ বিশ্ববিদ্যালয়ৰ প্ৰচলিত সৰ্বোচ্চ উপাধি (Doctorate Degree) ৰ উপযুক্ত হ'ব লাগিব।

৩। ××××

৪। কাৰ্যনিৰ্বাহক সমিতিয়ে উপাধি দিবলৈ স্থিৰ কৰিলে প্ৰবন্ধৰ (Thesis) বিষয় বুজি ভাৰতী বা সৰস্বতী শব্দৰ আগত প্ৰবন্ধৰ মূল বিষয়টো (Main subject under which the thesis is completed) লগাই দিব পাৰিব।[১০০]

## আনন্দচন্দ্ৰ আগৰৱালা

আনন্দচন্দ্ৰ আগৰৱালা (জন্ম ঃ ভাদ, ১৮৭৪, মৃত্যু ঃ ১৬ ডিচেম্বৰ, ১৯৩৯)। ভাঙনি কোঁৱৰৰূপে বিভূষিত আগৰৱালা *জোনাকী* কাকত আৰু তাৰ কৰ্ণধাৰ বেজবৰুৱা, চন্দ্ৰকুমাৰ, হেমচন্দ্ৰ গোস্বামীৰ সংস্পৰ্শলৈ আহে কলিকতাত এফ এ পঢ়ি থকা সময়ত। আগৰৱালাৰ অধিকাংশ কবিতা জোনাকী আৰু বিজুলীত প্ৰকাশ পাইছিল। গুণাভিৰাম বৰুৱা সম্পাদিত শিশু আলোচনী *ল'ৰাবন্ধু* (১৮৮৮) কাকতৰ আগৰৱালা সহায়ক আছিল কেইজন বন্ধুৰ সহযোগত *ব্ৰহ্মসংগীত* নামেৰে এখন গীতৰ পুথি উলিয়ায়। আগৰৱালাৰ অধিকাংশ কবিতা আছিল অনূদিত। তেখেতৰ ভাঙনি এনে শুৱলা আছিল যে সেই সময়ৰ ছাত্ৰ-ছাত্ৰীয়ে কবিতাবোৰ কণ্ঠস্থ কৰিছিল। শ্ৰীহৰ্ষ ছদ্মনামতো তেখেতে কবিতা ৰচনা কৰিছিল। হেমচন্দ্ৰ বৰুৱাৰ দৰে তেখেতৰ *কোমলপাঠ* (১৯১০) *আদিপাঠ* (১৯২০) ছাত্ৰ-ছাত্ৰীৰ অধিক প্ৰিয়। *জিলিকনি* (১৯২০) আৰু পৰৱৰ্তী কালত প্ৰকাশিত *পদুমণি* (১৯৭৪) উল্লেখযোগ্য কবিতা পুথি। তেজপুৰৰ অ.ভা.উ.সা. সভাৰ প্ৰাণস্বৰূপ আগৰৱালাই ১৯২৯ চনত চাকৰিৰ পৰা অৱসৰ লৈ বুৰঞ্জী আৰু পুৰাতত্ত্ব অধ্যয়নত মনোনিৱেশ কৰে। *পুৰণি কথা, আমাৰ দেশৰ আদিবাসী মানুহ, বৰাহ ৰাজ্য* আৰু *বৰাহ মিহিৰ মানসা নদী* আৰু *বড়ো জাতি, সোণৰ অসম, সাহিত্যিক যৎকিঞ্চিৎ, অসম কোষ* পুৰণি তথ্য *অৰুন্ধতীৰ উপাখ্যান* আদি অনেক প্ৰবন্ধ বিবিধ কাকত, আলোচনীত প্ৰকাশ হৈছিল।

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

১০০. *সভাৰ এই কথাখিনি কাৰ্যবিৱৰণি বহীৰ উৰলি যোৱা পৃষ্ঠাৰ পৰা পাঠ উদ্ধৃত কৰা হৈছে। পৰামৰ্শ দাতা এই সমিতিৰ সদস্যসকল হ'ল ৰাধানাথ ফুকন, শৰৎচন্দ্ৰ গোস্বামী, পূৰ্ণানন্দ শৰ্মা পাঠক আৰু চন্দ্ৰধৰ বৰুৱা। এই সমিতিৰ বৈঠক বহে ২৬ নৱেম্বৰ ১৮৫৬ শক। এই সন্মিলনতে এজন ডেকা ভাস্কৰে চন্দ্ৰকান্ত মন্দিৰত থ'বৰ কাৰণে এজন স্মৰণীয় পুৰুষৰ মূৰ্তি বিনা বানচে নিৰ্মাণ কৰিবলৈ আগবঢ়োৱা প্ৰস্তাৱ সন্মিলনে গ্ৰহণ কৰে আৰু ৰাধাকান্ত সন্দিকৈৰ প্ৰতিমূৰ্তি স্থাপন কৰিবলৈ সিদ্ধান্ত কৰে। (পূৰ্বোক্ত পৃ. ৪৯, ১৫১)*

তেজপুৰত অনুষ্ঠিত সভাৰ অধিৱেশনত অভ্যৰ্থনা সমিতিৰ সভাপতিৰ দায়িত্ব পালন কৰিছিল। চিপাহী হিচাপে চাকৰিত যোগ দি নিজ অধ্যৱসায়ৰ বলত আগৰৱালাই ৰায়বাহাদুৰ উপাধিও লাভ কৰিছিল।

### অভিভাষণৰ সুবচন

*এটা জাতিৰ বীৰসকলৰ স্মৃতিয়ে সেই জাতিটোক জীৱন্ত কৰি ৰাখে।*

*****

*অসম মাতৃ ৰত্নগৰ্ভা। ইয়াত কালে কালে অনেক ধৰ্মবীৰ আৰু কৰ্মবীৰে জন্ম গ্ৰহণ কৰি এই দেশক মহৎ পৱিত্ৰ আৰু ধন্য কৰি গৈছে।*

*****

*অসমৰ মাটি, অসমৰ পানী, ফল ফুল, শস্য, গছ-লতা এনেকি ঘাঁহবিলাকো আমাৰ প্ৰিয়। আমি এই দেশত উপজি এই দেশতে মৰিবলৈ বাঞ্ছা কৰোঁ। এই দেশত জন্মলাভ কৰি আমি আমাৰ জীৱন সাৰ্থক বুলি ভাবোঁ। আমি অসমীয়া বুলি জগতৰ আগত চিনাকি দি গৌৰৱবোধ কৰোঁ।*

*****

*অসমক সকলো প্ৰকাৰে অসমীয়া বা অতুলনীয় কৰি ৰাখিবলৈ চেষ্টা কৰা প্ৰত্যেক অসমীয়াৰ কৰ্তব্য। সকলো অসমীয়াই মুঠ বান্ধি একতা সূত্ৰত আবদ্ধ হৈ সমৱেত চেষ্টা কৰিলেহে আমাৰ উন্নতি হ'ব। জাতীয় উন্নতিৰ নিমিত্তে লাগে ঐক্যতা, গভীৰ স্বদেশানুৰাগ আৰু স্বজাতি প্ৰেম। লাগে অদম্য উদ্যম একাগ্ৰতা, সেৱা পৰায়ণতা আৰু স্বাৰ্থত্যাগ, লাগে জাতিৰ বিশিষ্টতাৰ সন্ধান আৰু সেই বিশিষ্টতাক ফুটাই তুলিবলৈ একান্ত চেষ্টা।*

*****

*অসমীয়া ভাষা আৰু সাহিত্যৰ উন্নতিৰ ওপৰত আমাৰ জাতীয় উন্নতি ঘাইকৈ নিৰ্ভৰ কৰিছে।*

*****

*আমাৰ সকলো শক্তি স্বদেশ আৰু স্বজাতিৰ সেৱাত অসমীয়া ভাষা আৰু সাহিত্যৰ উন্নতিত লগাব লাগিব। শক্তিৰ কাম সৃষ্টি কৰা, বিনাশ কৰা নহয়। যাৰ শক্তি আছে তেওঁলৈ কামো আছে। যাৰ প্ৰীতি আছে তেওঁলৈ সেৱাৰ প্ৰাপ্তিও আছে। সৰুটি হৈ অৰ্থাৎ বিনয়ী, সংযমী আৰু সৰলচিতীয়া হৈহে সংসাৰত সৰুকি পাৰি। সেৱক হৈহে নায়ক হ'ব পাৰি। শক্তিৰ চৰ্চা মানে আত্মবিশ্বাস আত্মসন্মান স্বাৱলম্বন বা স্বাধীনতা। স্বাধীনতাই আনন্দ।*

*****

*দেৱী ক্ষেত্ৰ বুলিয়েই নেকি। আমাৰ ভাষা আৰু সাহিত্যৰ ওপৰত মাতৃ জাতিৰ প্ৰভাৱ সুন্দৰকৈ দেখা যায়। আমাৰ ভাষাটোক স্বভাৱ সুন্দৰী, বনকুঁৱৰী ঋষিকন্যাৰ লগত ৰিজাব পাৰি।*

*****

*আমাৰ ভাষা এনে কোমল এনে মধুৰ এনে শুৱলা আৰু স্বাভাৱিক যে সঁচাকৈয়ে তাক ঋষিকন্যাৰ নিচিনা, প্ৰকৃতি সুন্দৰী অসম মাতৃৰ মধুৰ বাণী বুলিব পাৰি। খহটা কঠিন শব্দও মাতৃৰ মুখত পৰি নিমজ হৈছে।* ◆

# ষোড়শ অধিৱেশন, তেজপুৰ

## (১১ এপ্ৰিল, ১৯৩৬)

১১/৪/৩৬ তাৰিখে তেজপুৰত ষোড়শ অধিৱেশন বহে। অধিৱেশনত সভাপতিত্ব কৰিছিল বিহগী কবি ৰঘুনাথ চৌধাৰীদেৱে।[১০১] আদৰণী সমিতিৰ সভাপতি আছিল আনন্দ চন্দ্ৰ আগৰৱালা। সংগীত সন্মিলনৰ আদৰণী সমিতিৰ সভাপতি আছিল জ্যোতিপ্ৰসাদ আগৰৱালা। নগেন্দ্ৰনাৰায়ণ চৌধুৰীৰ সভাপতিত্বত সংগীত সন্মিলন হৈছিল। এই সন্মিলনতে নৰদেৱ গোস্বামী ন্যাস পুঁজিৰে প্ৰকাশিত *শ্ৰীশ্ৰীদামোদৰ দেৱৰ চৰিত্ৰ* আৰু *শ্ৰীবনমালী দেৱৰ চৰিত্ৰ* প্ৰচাৰ বন্ধ কৰিবৰ কাৰণে সন্মিলনে প্ৰস্তাৱ গ্ৰহণ কৰে।[১০২] দেৱানন্দ শৰ্মা প্ৰধান সম্পাদক নিৰ্বাচিত হয়। সহকাৰী সম্পাদক হয় মিত্ৰদেৱ মহন্ত।

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

*১০১. সভাৰ কাৰ্যনিৰ্বাহক সমিতিয়ে পোনতে (২০/১১/৩৫) লক্ষ্মীনাথ বেজবৰুৱাক ষোড়শ সন্মিলনৰ সভাপতিৰূপে নাম ঘোষণা কৰে আৰু বেজবৰুৱাই সন্মতি নিদিলে পুনৰ ভোট লোৱা হ'ব বুলি জনালে। এই দ্বিতীয় অংশৰ বিৰোধিতা কৰি নীলমণি ফুকনে বিবৃতি দিছিল যদিও নৰজিল। গতিকে ৫ মাৰ্চ, ১৯৩৬ তাৰিখে বেজবৰুৱাকেই সভাপতিৰূপে কাৰ্যনিৰ্বাহক সভাই ঘোষণা কৰিলে। কিন্তু বেজবৰুৱা সন্মত নহ'ল। সেই বৰ্ষৰে ১৬ মাৰ্চ তাৰিখে সভাই আনুষ্ঠানিকভাৱে চৌধাৰীৰ নাম ঘোষণা কৰে। উল্লেখযোগ্য বাতৰি কাকতৰ বাদানুবাদ প্ৰকাশ হোৱাত বেজবৰুৱাই বাণীকান্ত কাকতিক সভাপতি পাতিবলৈ পৰামৰ্শ দিছিল। Annals of Asam Sahitya Sabha, PP 18-19*
*এই বৰ্ষতে অসমৰ গভৰ্ণৰ ছাৰ মাইকেল কীন সভাৰ পৃষ্ঠপোষক হয়। গভৰ্ণৰৰ নিৰ্দেশমৰ্মে সেই সময়ৰ শিক্ষামন্ত্ৰীয়ে ১৯৩৫ চনৰ ছেপ্টেম্বৰ মাহত সভা পৰিদৰ্শন কৰে। ইয়াৰ ফলত সভাই ২০০.০০ টকাৰ অনুদান পাইছিল আৰু পৰৱৰ্তী বৰ্ষৰ বাজেটত চৰকাৰে ১,০০০.০০ টকা ধাৰ্য কৰিছিল।*
*ময়িদুল ইছলাম বৰা লণ্ডন বিশ্ববিদ্যালয়ৰ পৰা আৰু বাণীকান্ত কাকতিয়ে কলিকতা বিশ্ববিদ্যালয়ৰ পৰা পি এইছ ডি উপাধি লাভ কৰাত সন্মিলনত অভিনন্দন জনায়।*
*অসম বিশ্ববিদ্যালয় সম্পৰ্কে কানিংহাম চাহাবৰ আঁচনিৰ সভাই বিৰোধিতা কৰে আৰু চেডলাৰ কমিছনৰ অনুমোদিত আঁচনি অনুযায়ী গুৱাহাটীত বিশ্ববিদ্যালয় স্থাপন হ'ব লাগে বুলি দাবী জনায়।*
*বৈজ্ঞানিক পৰিভাষা সংকলন কৰি চন্দ্ৰকান্ত অভিধানৰ পৰিশিষ্টত অন্তৰ্ভুক্ত কৰিবলৈ এখন সমিতি গঠন হয়।*
*বাণীকান্ত কাকতি, সভাপতি বিৰিঞ্চি কুমাৰ বৰুৱা, সম্পাদক*
*সদস্য — সুশীল কুমাৰ বৰুৱা, ৰোহিণী কুমাৰ বৰুৱা, হিৰণ্য কুমাৰ ভূঞা।*
*এই সন্মিলনতে ভাৰতীয় লোক সেৱা আয়োগৰ পৰীক্ষাত যিহেতু 'এ' বিভাগত অসমীয়া পাঠ্যক্ৰম আছে। গতিকে 'বি' বিভাগতো অসমীয়া ভাষা পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কৰিবৰ কাৰণে সভাই দাবী উত্থাপন কৰে।*

*১০২. পৰৱৰ্তী সন্মিলনত এই সিদ্ধান্তৰ বিৰোধিতা কৰা হৈছিল।*

সভাৰ বিত্তৰ অভাৱৰ বাবে আশানুৰূপ কাম-কাজ নহ'ল। ১৯৩০ চনৰ পৰা চৰকাৰে অনুদান বন্ধ কৰে। লোকেল ব'ৰ্ড আৰু সভ্যভৰ্তিৰ বৰঙণিৰে কেৱল মাটিৰ খাজনা, ঘৰৰ টেক্স, দৰমহা, কাগজ-কলম কিনাতেই ব্যয় হৈছিল। পুঁজি টনকিয়াল কৰিবৰ কাৰণে পদ্মনাথ গোহাঞিবৰুৱা, আনন্দ চন্দ্ৰ আগৰৱালা, পদ্মধৰ চলিহা আৰু সভাৰ প্ৰধান সম্পাদকক লৈ এখন সমিতি গঠন কৰা হৈছিল। পৰৱৰ্তী বৰ্ষত এই সম্পৰ্কে বিশেষ সন্মিলনো পাতিবলগীয়া হৈছিল।[১০৩]

## ৰঘুনাথ চৌধাৰী

অসমীয়া সাহিত্যৰ জোনাকী যুগৰ ৰোমান্টিক কাব্য আন্দোলনৰ কবি ৰঘুনাথ চৌধাৰী (জন্ম ৬ মাঘ, ১৮৭৮, মৃত্যু ১৮ নৱেম্বৰ, ১৯৬৭)। শিশু অৱস্থাতেই মাতৃ স্নেহৰ পৰা বঞ্চিত হোৱা, পৰিয়ালৰ নানা দুৰ্যোগৰ বাবে তেখেতে পলমকৈ বিদ্যালয়লৈ যায়। সাত বছৰ বয়সত ৰঘুনাথ ককায়েক গৰ্গৰাম চৌধাৰীৰ আশ্ৰয়ত থাকি গুৱাহাটী ছাত্ৰ বৃত্তি স্কুল আৰু ইংৰাজী স্কুলত প্ৰাথমিক শিক্ষা লাভ কৰে। ইংৰাজ স্কুলৰ কঠোৰ অনুশাসনত চৌধাৰীৰ মন বিদ্ৰোহী হৈ উঠে আৰু সিমানতে শিক্ষাৰ অন্ত পৰে। মহা মহোপাধ্যায় ধীৰেশ্বৰ ভট্টাচাৰ্য আৰু মিথিলাৰ পণ্ডিত বাল মুকুন্দ ঝাৰ সান্নিধ্যত ঘৰতে সংস্কৃত অধ্যয়ন কৰে। ১৮৯৯ চনত গুৱাহাটী বালিকা নিম্ন প্ৰাথমিক স্কুলৰ প্ৰধান শিক্ষক ৰূপে ১৯০৩ চনলৈকে কাম কৰে। তদুপৰি তেখেত এজন ভাল খেতিয়কো আছিল। ১৯২১ চনৰ অসহযোগ আন্দোলনৰ এজন সমৰ্থক আছিল আৰু কাৰাবাস খাটিবলগা হৈছিল।

ৰঘুনাথ চৌধাৰী বিহগী কবি আৰু প্ৰকৃতি কবিৰূপে পৰিচিত। *জোনাকী, বাঁহী, আৱাহন, আলোচনী, বৰদৈচিলা* আদিত কবিতা আৰু প্ৰবন্ধ প্ৰকাশ হৈছিল। চৌধাৰীৰ *সাদৰী* (১৯১০), *কেতেকী* (১৯১৮), বুৰঞ্জীমূলক খণ্ডবাক্য *কাৰবালা* (১৯২৩), *দহিকতৰা* (১৯৩১), *নৱমল্লিকা* (১৯৫৮) গুৱাহাটীৰ পৰা প্ৰকাশিত *আলোচনী*ৰো সম্পাদক। চৌধাৰী, বিশ্বশান্তি অসম পৰিষদৰ সভাপতি আছিল ১৯৪৮ চনত। গুৱাহাটী সবিতা সভাৰ লগত ওতপ্ৰোতভাৱে জৰিত চৌধাৰীয়ে ৰাজ্য ভাষা আন্দোলন, ৰাজ্য পুনৰ গঠন আন্দোলনৰ লগতো জৰিত হৈছিল। চৌধাৰীৰ কবিতা বঙলা আৰু ইংৰাজী ভাষালৈও অনূদিত হৈছিল। তেখেতে *চন্দ্ৰমল্লিকা, চাকি আৰু গছা, খদা আৰু জাপি* উল্লেখযোগ্য চুটিগল্প।

## অভিভাষণৰ সুবচন

*প্ৰকৃতিৰ (সেই) ৰসাত্মিকা মহীয়সী শক্তিয়েই সাহিত্য। ভাব ৰাজ্যৰ বিপুল সম্পদ সাহিত্য বাস্তৱৰ জীৱন্ত ছবি। মানৱ হৃদয়ৰ এটি নৈসৰ্গিক স্পন্দন নিহিত শক্তিৰ উন্মেষ সাংসাৰিক ঘাত-প্ৰতিঘাতৰ ধাৰাবাহিক গতি।*

*সাহিত্যৰ প্ৰাণস্বৰূপ ঘাই উপাদান ৰস আৰু ৰূপ। ৰসসিক্ত কল্পনা শক্তিয়ে অনুভূতিৰ সহায়ত সুন্দৰৰ সাধনা কৰে সৃষ্টি কৰে। প্ৰকৃত ৰস কামনাহীন।... অহৈতুকী প্ৰেমৰ সাধনাই*

১০৩. সপ্তদশ সন্মিলন দ্ৰষ্টব্য।



*চিৰসুন্দৰৰ ধ্যান মূৰ্তি। সাধকে দেৱবাঞ্ছিত অৰূপ ৰূপৰ স্বৰূপ ধ্যানত ধ্যানমগ্ন হৈ সাহিত্য সৃজন কৰে।*

*কল্পনা, সত্য অনুভূতি আৰু সহজ অন্তৰ্দৃষ্টি থাকিলে প্ৰকৃত সাহিত্য সৃষ্টি হয়। ব্যৰ্থ প্ৰেমৰ কাহিনী বিয়োগান্ত সাহিত্য নহয়। পৰিপূৰ্ণ সংযম আৰু গাম্ভীৰ্যৰ ভিতৰেদি হে দুখৰ অভিব্যক্তি, বিয়োগৰ আত্মপ্ৰকাশ। ব্যৰ্থ কৰুণ আৰু গভীৰ কলা প্ৰতিভাৰ সৌন্দৰ্য সেইখিনিতে। ব্যথাৰ পূজাই সেইখিনিতে সাৰ্থকতা লাভ কৰে।*

*মকৰাই যেনেকৈ জাল বয় মুখৰ লালটি দি তেনেকৈ কৃষ্টিৰ পূজাৰীসকলে ৰসপ্ৰধান কল্পনা শক্তিৰ বলত সহজ ভংগীত বাক্যৰ সহযোগত সুচাৰু কলা প্ৰতিভাৰ প্ৰাণ প্ৰতিষ্ঠা কৰে।*

*গণ মানৱক নিয়ন্ত্ৰণ কৰে সাহিত্যই। গণ সাহিত্য তেতিয়া সৃষ্টি হয় যেতিয়া মানুহে মানুহক চিনি পায়, মানুহে মানুহৰ মৰম বুজিব পাৰে ইজনৰ কৰ্ম বেদনাত সিজনৰ নিভৃত তন্ত্ৰীত ব্যৰ্থৰ ঝংকাৰ উঠিব। কোটি কোটি নৰনাৰীৰ প্ৰাণক উদ্বুদ্ধ কৰি তুলিব পাৰে।*

*কবি দাৰ্শনিক ঔপন্যাসিক আৰু বৈজ্ঞানিক সাহিত্য সেৱকসকলে বিশ্বভুৱনৰ ৰহস্য কুহেলিকা ভেদ কৰি অন্তৰ্নিহিত গূঢ় সত্য বস্তুখিনি প্ৰকাশ কৰে।*

*সাহিত্যৰ সৌন্দৰ্যই কবিতা কল্পনাৰ স্বাভাৱিকতাই কবিতা।*

*প্ৰেম শাশ্বত, সত্য আৰু সনাতন বস্তু।*

*কাব্য ব্যক্তিগত জীৱনৰ অভিজ্ঞতাৰ ৰূপময় চিত্ৰ।*

*মানুহৰ অন্তৰে বিভূতিখিনিয়েই মানৱ সৌন্দৰ্য প্ৰাণৰ পৰীক্ষা।*

*জাতিৰ বা ব্যক্তিৰ আৰ্থিক অৱস্থাৰ উন্নতি নহ'লে কোনো প্ৰকাৰ সংস্কাৰৰ সম্ভাৱনা নাথাকে।*

*আধুনিক শিক্ষা পদ্ধতিৰ বিষয়ে মোৰ প্ৰধান অভিযোগ শিক্ষাৰ কেন্দ্ৰবিলাকত আমাক মানুহ কৰি তুলিবলৈ কোনো ব্যৱস্থা নাই, চৰিত্ৰ গঠনত অন্তৰৰ সদ বৃত্তিবিলাকৰ স্ফুৰণ নাই, জীৱনৰ সম্পূৰ্ণ বিকাশ নাই।*

*যি জাতিৰ তৰুণৰ দান আদৰ্শনিষ্ঠ, পুত চৰিত্ৰ নিৰ্ভীক আৰু জ্ঞানৰ পূজাৰী হৈ জাতি গঠনৰ কঠোৰ কৰ্তব্য কান্ধত তুলি ল'বলৈ সমৰ্থ হ'ব সেই জাতিৰ তৰুণৰ দৰে বিশ্বসভাত ওলগৰ শৰাই লাভ কৰিব পাৰিব।*



# সপ্তদশ সন্মিলন, গুৱাহাটী

## (২৬ ডিচেম্বৰ, ১৯৩৭)

পণ্ডিতপ্ৰৱৰ কৃষ্ণকান্ত সন্দিকৈৰ সভাপতিত্বত এদিনীয়া কাৰ্যসূচীৰে গুৱাহাটীত উৎসৱমুখৰ পৰিৱেশত জজ খেলপথাৰত অধিৱেশন হৈছিল। এই অধিৱেশনতেই সভামণ্ডপ ডাঙৰকৈ সজা হৈছিল আৰু জনতাৰ সমাগমো অধিক হৈছিল। আদৰণী সমিতিৰ সভাপতি আছিল লোকপ্ৰিয় গোপীনাথ বৰদলৈ। সম্পাদকসকল হ'ল সৰ্বেশ্বৰ শৰ্মা কটকী, উমেশ চন্দ্ৰ চৌধাৰী আৰু হৰমোহন দাস, ব্ৰহ্মপুত্ৰ উপত্যকাৰ কমিছনাৰ হিজিন্স এই অধিৱেশনত উপস্থিত আছিল।[১০৪]

গুৱাহাটীৰ এই অধিৱেশনতে পোন প্ৰথমবাৰৰ বাবে আদৰণী সমিতিয়ে *প্ৰবন্ধ সংগ্ৰহ* নামেৰে এখন গ্ৰন্থ প্ৰকাশ কৰে।[১০৫]

অধিৱেশনৰ লগতে বুৰঞ্জী সন্মিলন, সংগীত সংঘৰ সভা, অৰ্থনীতি সন্মিলন, দৰ্শন সন্মিলন আৰু পুথিভঁৰাল[১০৬] সন্মিলনো হৈছিল। সভাপতিত্ব কৰিছিল ক্ৰমে কনকলাল বৰুৱা, কীৰ্তিনাথ শৰ্মাবৰদলৈ, উমাকান্ত গোস্বামী, ৰাধিকানন্দ চৌধুৰী আৰু ৰামেশ্বৰ বৰুৱা হয়।

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

১০৪. *অতুল চন্দ্ৰ হাজৰিকা, পূৰ্বোক্ত পৃ. ৭১*

১০৫. *এই সংকলনৰ সম্পাদক আছিল মাধৱচন্দ্ৰ বেজবৰুৱা। পাতনি লিখিছিল গোপীনাথ বৰদলৈ, মহম্মদ মহিবুল্লা, উমেশ চন্দ্ৰ চৌধুৰী আৰু হৰমোহন দাসে। পাতনিত উল্লেখ কৰা হৈছে—"অসম সাহিত্য সভাৰ বছৰেকীয়া অধিৱেশন উপলক্ষে অভ্যৰ্থনা সমিতিয়ে আগ ধৰি প্ৰবন্ধ গোটাই পুথি প্ৰকাশ কৰাৰ এয়ে প্ৰথম চেষ্টা।' (পাতনি)*

*গ্ৰন্থৰ আৰম্ভণিতে প্ৰাথমিক শিক্ষা সম্পৰ্কীয় কিছুমান সমস্যা প্ৰবন্ধটি 'কেলকেটা ৰিভিউৰ পৰা' ভাঙনি কৰিছে মুক্তালাল বৰুৱাই। গ্ৰন্থৰ শেষত শ্যামচৰণ গাংগুলীৰ Bengali Spoken and Written ৩৮ পৃষ্ঠাৰ পুস্তিকা আৰু কনকলাল বৰুৱাৰ বুৰঞ্জী সন্মিলনৰ সভাপতিৰ ভাষণ সন্নিৱিষ্ট হৈছে। গ্ৰন্থখনৰ প্ৰথম খণ্ডত ১৬ টা আৰু দ্বিতীয় খণ্ডত ১৫ টা প্ৰবন্ধ সন্নিৱিষ্ট হৈছে।*

১০৬. *এই অধিৱেশনত চৈয়দ আব্দুল মালিকক "অসমীয়া সাহিত্যত ইছলাম আৰু অসমীয়া মুছলমানৰ ঠাই ক'ত" ৰচনাৰ বাবে মহম্মদ মহিবুল্লাই ঘোষণা কৰা স্বৰ্ণপদক দিয়া হয়। পৰিভাষা প্ৰণয়ন আগৰ বৰ্ষত পৰিভাষা প্ৰণয়নৰ প্ৰস্তাৱ অনুযায়ী পাটীগণিত, বীজগণিত, জ্যামিতি, জ্যোতিৰ্বিদ্যা, পদাৰ্থ বিজ্ঞান, ভূগোলৰ পৰিভাষা অশেষ যত্নৰে যুগুত কৰা আৰু চৰকাৰৰ পৰা ৫০০.০০ টকা অনুদান লাভ কৰে। তেজপুৰ অধিৱেশনত লোৱা বৈজ্ঞানিক পৰিভাষা সমিতিৰ যত্নৰ ফলত ১৯৩৭ চনত বিৰিঞ্চি কুমাৰ বৰুৱাৰ সম্পাদনাত অসমীয়া বৈজ্ঞানিক পৰিভাষা গ্ৰন্থৰূপে প্ৰকাশ হয়। এই গ্ৰন্থৰ পাতনিখন পৰিশিষ্টত দিয়া হৈছে। তেনেকৈ*



*'বৃত্তমঞ্জৰী' গ্ৰন্থ প্ৰকাশৰ বাবে তেজপুৰৰ অভ্যৰ্থনা সমিতিয়ে ২০০.০০ টকা বিজনীৰ ৰজাৰ পৰা ৫০.০০ টকা অৰ্থ সাহায্য লাভ। গ্ৰন্থখন ছপাবলৈ দিলে বৰপেটা মিউনিচিপেলটিয়ে ২৫.০০ টকা দিবলৈ প্ৰতিশ্ৰুতি দিছিল। ভাৰতীয় চিভিল চাৰ্ভিচ পৰীক্ষাত বিষয় তালিকা 'বি' বিভাগত অসমীয়া ভাষাক অন্তৰ্ভুক্ত কৰিবলৈ জনোৱা দাবীৰ সম্পৰ্কত চৰকাৰে সভাক অৱগত কৰে এনেকৈ—*

*That the Government of Assam have decided after very careful consideration not to make any recommendation to the Government of India on the subject unit the Calcutta University have recognised Assamese as a Principal subject for the B.A. and M.A. Examination. ইয়াৰ পিছত ২৯/৩/৩৮ তাৰিখত চৰকাৰে জনায়— The Calcutta University is new prepared to recognise Assamese language as a second language for the B.A. Examination. The University was also moved in the matter of inclussion of Assamese as a principal subject in the M.A. Examination. Step have already been raken for the grant of a contribution to the University for the appartment of a lecturer in Assamese. ইয়াৰ পিছত কলিকতা বিশ্ববিদ্যালয়ে ঘোষণা কৰে ১৬/৮/৩৮ তাৰিখৰ ৪৩২৮ নং পত্ৰযোগে Assamese has been recognised by the Calcutta University as a principal modern Indian Language for the M.A. Examination of the University. উল্লেখযোগ্য ২৯/৩/৩৮, তাৰিখৰ কলিকতা বিশ্ববিদ্যালয়ৰ চিঠিৰ মৰ্মে সভাই কলিকতা বিশ্ববিদ্যালয়ক ১২০০.০০ টকাৰ অনুদান দিবলৈ চৰকাৰক অনুৰোধ কৰে। অসমীয়া ভাষাক কলিকতা বিশ্ববিদ্যালয়ে স্বীকৃতি দিয়াৰ লগে লগে সভাই ACS পৰীক্ষাত অসমীয়া ভাষাৰ বিষয় অন্তৰ্ভুক্ত কৰিবলৈ চৰকাৰক দাবী জনাইছিল। তাৰ উত্তৰত ৬/৯/৩৯ তাৰিখে ১৬৮৭-৬৩০৩ পত্ৰযোগে সভাক জনালে—The Federal Public service commission has been asked the Government of India to watch the result of the institutions at the Calcutta University of the course in Assamese literature in particular the member of students it attacts. It is two or three years time the commission funds themselves in a position to formulate any conclusions the Secretary of State will be prepared to consider the matter further. (পত্ৰিকা, নৱম বছৰ, প্ৰথম সংখ্যা পৃ. ৮-৯)। তদুপৰি কলিকতা বিশ্ববিদ্যালয়ৰ অসমীয়া পাঠ্যক্ৰম বাছি দিয়াৰ ভাৰ সাহিত্য সভাক দিবৰ কাৰণেও সভাই বিশ্ববিদ্যালয়ৰ লগত যোগাযোগ কৰিছিল। সভাৰ পত্ৰমৰ্মে বিশ্ববিদ্যালয়ক জনায়— Text books in Assamese for various examination are prescribed after consulting experts on the subject. The Board of Studies in different subjects are constituted by election from members of the various faculties (৪/৩/৩৮ পত্ৰ নং ২১৮৭-৪৫) সভাই আক্ষেপ কৰিছিল যে তেনে পাঠ্যক্ৰম expert- ৰ যোগেদি আহিলেও অমনোনীত হ'ল। অসমীয়া সাহিত্যৰ অধিনায়ক বেজবৰুৱাও expert সমিতিৰ বাবে উপযুক্ত নহ'ল বুলি সভাই দুখ প্ৰকাশ কৰিছে। (পত্ৰিকা ১০ ম বছৰ ৩য় সংখ্যা, পৃ. ৩০)। তদুপৰি বৰ্ষটোত সভাই গভীৰ অৰ্থ সংকটৰ সন্মুখীন হৈছিল। কৰ্মচাৰীৰ দৰ্মহা, বিদ্যুতৰ মাচুল, খাজনা, ডাক খৰচৰ ধনো নোপোৱাত ভালেখিনি কাম অসম্পূৰ্ণ হৈছিল বুলি প্ৰধান সম্পাদক দেৱানন্দ শৰ্মাৰ প্ৰতিবেদনৰ পৰা জনা যায়। বছৰটোত পত্ৰিকাৰ বাবে চৰকাৰে দিয়া ৬০০.০০ টকাৰ বাবে সভাৰ আয় ৭৪৭ টকা দুৱনা, আৰু মুঠ ব্যয় ৯১৬ টকা ১৪ অনা ৯ পাই। অসমীয়া ভাষাৰ প্ৰচাৰৰ বাবে এটি প্ৰচাৰ বিভাগ এই বৰ্ষতে খোলা হয়। এই বিভাগৰ সভ্যসকল- হৰিনাৰায়ণ বৰুৱা, কুমুদেশ্বৰ বৰঠাকুৰ, কৰুণাকান্ত গগৈ, দেৱেন্দ্ৰনাথ শৰ্মা, কেশৱকান্ত বৰুৱা, হৰেন্দ্ৰনাথ বৰুৱা, মাধৱ চন্দ্ৰ বেজবৰুৱা।*

*কলিকতা বিশ্ববিদ্যালয়ৰ ব'ৰ্ড অব ভাৰ্ণেকুলাচৰ সভ্যস্বৰূপে কৃষ্ণকান্ত সন্দিকৈ, লক্ষ্মীনাথ বেজবৰুৱা, বাণীকান্ত কাকতিক অন্তৰ্ভুক্ত কৰিবলৈ সভাই বিশ্ববিদ্যালয়ক অৱগত কৰে।*

*তদুপৰি ১৯৪০ চনৰ পৰা ভাৰতীয় প্ৰাদেশিক ভাষাৰ পৰীক্ষাত অসমীয়া ঘাই ভাষাৰূপে স্থান লাভ কৰাৰ কথা পত্ৰিকা সম্পাদক ডিম্বেশ্বৰ নেওগৰ পত্ৰিকাৰ যোগেদি বিষয়টো ৰাইজক অৱগত কৰে।*◆

সভাপতি সন্দিকৈৰ ভাষণ আছিল ভাষা-সাহিত্য-সংস্কৃতিৰ দিক্ নির্ণায়ক অথচ পাণ্ডিত্যপূর্ণ।

সন্মিলনত সভাপতিৰ ভাষণে শ্ৰোতাক মন্ত্রমুগ্ধ কৰিছিল। অভিভাষণখনক সেই সময়ৰ বিদ্বৎ মণ্ডলীয়ে 'বিশ্ব সাহিত্যৰ এটি সমীক্ষা' বুলিও অভিহিত কৰিছিল।

## পত্রিকা প্রকাশত অথন্তৰ

পত্রিকা সম্পাদকৰ লগত কাৰ্যনিৰ্বাহ সমিতিৰ মতৰ অমিল হোৱাত ৭ম বছৰ ৪ৰ্থ সংখ্যা পত্রিকা সম্পাদনা সমিতিয়ে প্রকাশ কৰে।

পত্রিকাৰ সপ্তম বছৰৰ তৃতীয় সংখ্যাৰ সম্পাদকীয় 'চাহপানীৰ টেকেলিত প্রচণ্ড ধুমুহা' আৰু 'আমাৰ আপোন কথা' সভাই অসন্মানজনক বুলি বিবেচনা কৰে (১৬/৯/৩৮)। ২৫/৯/৩৮ তাৰিখৰ ভিতৰত দুয়োটি টোকা পত্রিকাত স্থান দিয়াৰ বাবে দোষ স্বীকাৰ কৰি তৃতীয় সংখ্যা পত্রিকাৰ পৰিশিষ্টত সম্পাদনা সমিতিৰ অনুমোদন অনুসৰি ছপাবলৈ নির্দেশ দিয়ে আৰু এই সংখ্যা পত্রিকাৰ প্রচাৰ বন্ধ কৰে। এই কাৰ্য অমান্য কৰিলে পত্রিকা সম্পাদকে পত্রিকাৰ সমুদায় ছপা ব্যয় বহন কৰিব লাগিব বুলি পত্রিকা সম্পাদনা সমিতিয়ে সিদ্ধান্ত কৰে। (সপ্তম বছৰ ৩য় সংখ্যা, পৃ. ১৩৩-১৩৬)

## বিশেষ সন্মিলন

আনহাতে অর্থ সংকটৰ বাবে পত্রিকা প্রকাশত সমস্যা সৃষ্টি হয়। আনকি ১৯৩৯ চনৰ ৪ জানুৱাৰি তাৰিখে কাৰ্যনিৰ্বাহক সমিতিয়ে এখন বিশেষ সন্মিলন পাতিবলৈ সিদ্ধান্ত কৰে। অসম সাহিত্য সভাৰ বৰ্তমান অৱস্থা টনকিয়াল কৰাৰ উদ্দেশ্যে আৰু সভাৰ স্থায়িত্ব ৰক্ষাৰ নিমিত্তে এই সন্মিলন আহ্বান কৰা হৈছিল। তদুপৰি পৰৱৰ্তী সন্মিলন গোৱালপাৰালৈ নিমন্ত্রণ কৰা হৈছিল যদিও গোৱালপাৰাবাসীয়ে অধিৱেশন পাতিবলৈ অমৰ্থতা প্ৰকাশ কৰে। সেয়ে কাৰ্যনিৰ্বাহক সমিতিৰ বিশেষ সন্মিলন আহ্বান কৰিবলগীয়া হৈছিল। এই সন্মিলনত সভাপতিত্ব কৰিছিল ৰায়বাহাদুৰ হেৰম্ব প্ৰসাদ বৰুৱাই। এই সন্মিলনে সভাৰ সংগঠনী দলিলৰ চৰ্ত আৰু মৰ্ম অক্ষুণ্ণ ৰাখি নিয়মাৱলী সংশোধন কৰে। ৮ আৰু ৯ এপ্ৰিল তাৰিখে সংশোধিত হোৱা নিয়মাৱলী দুজন সদস্যৰ বাহিৰে সকলোৱে সমৰ্থন কৰে আৰু পৰিৱৰ্তিত নিয়মাৱলী অসম সাহিত্য সভাৰ নিয়মাৱলীৰূপে গৃহীত হয়। উপস্থিত মুঠ সভ্যৰ সংখ্যা ১৯৫ জন। অসম সাহিত্য সভাৰ ৰূপলেখাত ১৬ জন সদস্য উপস্থিত থকা বুলি কোৱা হৈছে যদিও অষ্টম বছৰ প্ৰথম সংখ্যাৰ সম্পাদকীয় প্রতিবেদনত ১৯৫ জন বুলি উল্লেখ আছে। এই সন্মিলনে ষোড়শ সাহিত্য সন্মিলনত গৃহীত হোৱা *শ্ৰীশ্ৰী দামোদৰ দেৱৰ চৰিত্ৰ* আৰু *শ্ৰীশ্ৰীবনমালী দেৱৰ চৰিত্ৰ*- ৰ প্ৰচাৰ বন্ধ কৰাটো যুক্তিসংগত নহয় বুলি বিবেচনা কৰে আৰু সেই প্ৰস্তাৱ বাতিল কৰে। আৰু নতুনকৈ কাৰ্যনিৰ্বাহক সমিতি গঠন কৰে। প্ৰধান সম্পাদক ৰামেশ্বৰ বৰুৱা, ধনভঁৰালী আৰু হিচাপৰক্ষক জেহিৰুদ্দিন আহমদ, পুথিভঁৰালী তুলসী নাৰায়ণ শৰ্মা, পত্ৰিকা সম্পাদক ডিম্বেশ্বৰ নেওগ, হিচাপ পৰীক্ষক নজমল হুছেইন নিৰ্বাচিত হয়। ইয়াৰ পিছত ১৯৪০ চনৰ ২৭ আৰু ২৮ জুলাই তাৰিখে বাৰ্ষিক সাধাৰণ সভা পাতিবৰ কাৰণে ১ জুলাই তাৰিখে সিদ্ধান্ত কৰে। সেইমৰ্মে জেহিৰুদ্দিন আহমদক সভাপতি পাতি এই সাধাৰণ সভা অনুষ্ঠিত হৈছিল। সভাই ৮ আৰু ৯ এপ্ৰিল (১৯৩৯) তাৰিখৰ নিয়মাৱলী সংশোধন সম্পৰ্কে মাধৱচন্দ্ৰ বেজবৰুৱাৰ পত্ৰ (১৯/৪/৪০) শিৱসাগৰ সাহিত্য সভাৰ চিঠি (৩/৫/৪০), খনীন্দ্ৰচন্দ্ৰ বৰুৱাৰ চিঠি (১৬/৭/৪০) আৰু বিশ্বনাথ সাহিত্য সভাৰ চিঠি (২৩/৭/৪০) প্ৰধান সম্পাদকে পাঠ কৰি শুনোৱাৰ পিছত সভাই ৮ আৰু ৯ এপ্ৰিল, (১৯৪০) তাৰিখৰ সন্মিলন বৈধ আৰু আইন সংগত বুলি বিবেচনা কৰে। লগতে এই বৰ্ষৰ ১৩ আৰু ১৪ অক্টোবৰ তাৰিখে পৰৱৰ্তী সন্মিলন যোৰহাটত পাতিবলৈ সিদ্ধান্ত কৰে। আৰু ময়িদুল ইছলাম বৰাক সভাপতি নিৰ্বাচন কৰে। পূৰ্ণানন্দ শৰ্মা পাঠকক প্ৰধান সম্পাদক, ধীৰেশ্বৰ ভট্টাচাৰ্যক সহকাৰী সম্পাদক, তুলসী নাৰায়ণ শৰ্মাক পুথিভঁৰালী, ৰামেশ্বৰ বৰুৱাক পত্ৰিকা সম্পাদক, জেহিৰুদ্দিন আহমদক ধনভঁৰালী, হিচাপ পৰীক্ষক জিতেন্দ্ৰনাথ দাসক নিৰ্বাচন কৰা হয়। অৱশ্যে এই অধিৱেশন নানা কাৰণত ১৩ আৰু ১৪ অক্টোবৰত অনুষ্ঠিত নহ'ল। ডিচেম্বৰ মাহতহে অনুষ্ঠিত হ'ল। (অসম সাহিত্য সভা পত্ৰিকাৰ প্ৰধান সম্পাদকৰ প্ৰতিবেদন অষ্টম বছৰ প্ৰথম সংখ্যা।)



## কৃষ্ণকান্ত সন্দিকৈ

আন্তৰ্জাতিক খ্যাতিসম্পন্ন পণ্ডিত কৃষ্ণকান্ত সন্দিকৈ (জন্ম ২০ জুলাই, ১৮৯৮, মৃত্যু ৭ জুন, ১৯৮২) এগৰাকী একাডেমিক ঋষি। কলিকতা বিশ্ববিদ্যালয়ত সংস্কৃত, অক্সফ'র্ডত আধুনিক বুৰঞ্জী অধ্যয়ন কৰা সন্দিকৈয়ে সাহিত্য, দৰ্শন, নৃতত্ত্ব সমাজতত্ত্ব, ইতিহাস, প্ৰত্নতত্ত্ব, শিল্পশাস্ত্ৰ, স্থাপত্য চিত্ৰকলা সৌন্দৰ্যতত্ত্ব, সংগীত নৃত্য, নাটক, কবিতা, গীত আদি জগতত বিচৰণ কৰি অসমীয়া তথা ভাৰতীয় সাহিত্যক মহিমামণ্ডিত কৰিলে।

সন্দিকৈৰ যুগমীয়া কীৰ্তিস্তম্ভ *নৈষধ চৰিত্ৰ অৱ শ্ৰীহৰ্ষ* (১৯৩৪), *যশস্তিলক এণ্ড ইণ্ডিয়ান কালচাৰ* (১৯৪৯), *প্ৰবৰ সেনৰ সেতুবন্ধ* (১৯৫৮)। সন্দিকৈয়ে *বাঁহী* আলোচনী, *চেতনা মিলন, অসম সাহিত্য সভা পত্ৰিকাত কবিতা*, গীত, প্ৰবন্ধ, জীৱনী আদি ভালেখিনি লেখা প্ৰকাশ হৈছিল। ১৯৩০ চনৰ আসাম ছাত্ৰ সন্মিলনৰ সভাপতি, সৰ্বভাৰতীয় প্ৰাচ্য সন্মিলনৰ প্ৰাচীন সংস্কৃত শাখাৰ সভাপতি (১৯৫১), ভাৰত আন্তঃবিশ্ববিদ্যালয় সমিতিৰ সভাপতি (১৯৫২)। ১৯৫৫ চনত ভাৰত চৰকাৰৰ পদ্মশ্ৰী, ১৯৬৭ চনত পদ্মবিভূষণ সন্মানেৰে সন্মানিত সন্দিকৈক অসম সাহিত্য সভাই সভাৰ সৰ্বোচ্চ সন্মান সদস্য মহীয়ান উপাধিৰে (১৯৭৮) বৰণ কৰে। সাহিত্যাচাৰ্য যতীন্দ্ৰনাথ গোস্বামীয়ে সম্পাদনা কৰা কৃষ্ণকান্ত সন্দিকৈ ৰচনা সম্ভাৰ গ্ৰন্থৰ বাবে সাহিত্য অকাদেমিয়ে ১৯৮৫ চনত মৰণোত্তৰভাৱে সাহিত্য অকাদেমি বঁটা আগবঢ়ায়।

সন্দিকৈয়ে যোৰহাটৰ চৰকাৰী হাইস্কুলৰ পৰা ১৯১৩ চনত প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষাত বৃত্তি পাই উত্তীৰ্ণ হয়। দুবছৰ কটন কলেজত পঢ়ি আই এ পাছ কৰে আৰু বৃত্তি পায়। ১৯১৮ চনত কলিকতাৰ সংস্কৃত কলেজৰ পৰা প্ৰথম শ্ৰেণী পাই বি এ পাছ কৰে আৰু প্ৰসন্ন কুমাৰ সৰ্বাধিকাৰী সোণৰ পদক আৰু বৃত্তি পায়। ১৯১৯ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা সংস্কৃত বেদ শাখাত প্ৰথম

শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰি এম এ পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯২০ চনত অক্সফোৰ্ড বিশ্ববিদ্যালয়ত পাশ্চাত্য ইতিহাস অধ্যয়ন কৰিবলৈ যায়। ১৯২৩ চনত আধুনিক বুৰঞ্জী বিভাগত অনাৰ্ছ লৈ এম এ পাছ কৰে। অক্সফোৰ্ড বিশ্ববিদ্যালয়ত সন্দিকৈয়ে ফৰাচী আৰু জাৰ্মান ভাষা শিকে। ১৯২৩ চনৰ পৰা ১৯২৭ চনলৈকে পেৰিছ বিশ্ববিদ্যালয় আৰু বাৰ্লিন বিশ্ববিদ্যালয়ত গ্ৰীক, লেটিন আৰু ইটালিয়ান ভাষা অধ্যয়ন কৰে। তাত থাকোঁতেই স্পেনিছ আৰু ৰুছ ভাষা শিকে। ১৯২৭ চনত অসমলৈ ঘূৰি আহে। ইয়াৰ পিছত প্ৰায় সোতৰ বছৰ কাল যোৰহাট কলেজ (বৰ্তমান জগন্নাথ বৰুৱা কলেজ)ৰ অধ্যক্ষ হয় আৰু ১৯৪৮ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথমগৰাকী উপাচাৰ্যৰূপে যোগ দিয়ে।

ভাৰতবৰ্ষ আৰু বিদেশৰো বহুতো পণ্ডিতে সন্দিকৈৰ পাণ্ডিত্য শ্ৰদ্ধাৰে স্বীকৃতি দিছিল।

## অভিভাষণৰ সুবচন

ভাষা আৰু জাতীয় প্ৰগতিৰ কাৰণে শংকৰ মিশ্যন স্থাপন তিথি পালনতকৈও বেছি আৱশ্যকীয় বুলি বোধ হয়। ভাষা বিভ্ৰাটৰ দোহাই দি আমাৰ ভাষাৰ পৰা কিছুমান বৰ্ণ বাদ দি বৰ্ণবিন্যাস সৰল কৰাৰ এটা প্ৰস্তাৱ মাজে মাজে শুনা যায়। কিন্তু এনে কৰিলে কিছুমান বেমেজালি আতঁৰিলেও তাৰ ঠাইত নতুন বেমেজালি সৃষ্টি হোৱাৰ আশংকা আছে। আন পক্ষে কোনো কোনো যুটীয়া আখৰৰ অনাৱশ্যক অংশ বাদ দিলে একো বেমেজালি নঘটিব বুলি বোধ হয়। 'ধৰ্ম', 'কৰ্ম' আদি শব্দৰ পৰা এটা 'ম' বাদ দিলে প্ৰথম শিকাৰুৰ সুবিধা হ'ব। এইবিলাক কথাত লাহে লাহে সংযতভাৱে অগ্ৰসৰ হ'লে সিদ্ধি হোৱাৰ আশা আছে।

ভাষাৰ কথা এৰি দি অসমীয়া সাহিত্যৰ বৰ্তমান অৱস্থালৈ চালে তাক সন্তোষজনক বুলিব নোৱাৰি। ব্যক্তিগত প্ৰতিভা আৰু ক্ষমতাৰ বাহিৰেও পাৰিপাৰ্শ্বিক অৱস্থাৰ ওপৰত সাহিত্যৰ বিকাশ অনেক পৰিমাণে নিৰ্ভৰ কৰে। জীৱনৰ অভিজ্ঞতাৰ লগত সাহিত্যৰ সৃষ্টি হ'ব নোৱাৰে। বাস্তৱতে সাহিত্য এটা বিৰাট অভিজ্ঞতা। ব্যক্তিগত আৰু সামাজিক সকলো প্ৰকাৰ অভিজ্ঞতাৰ প্ৰকাশ থল হৈছে সাহিত্য। মহাকবি গ্যঠেই তেওঁৰ মৃত্যুৰ অলপ আগেয়ে লিখা এখন ৰচনাত তেওঁ সমসাময়িক জাৰ্মান কবিসকলক এই অভিজ্ঞতাৰ গাম্ভীৰ্যৰ বিষয়েই উপদেশ দিছিল। অকল কাব্য-সাহিত্যতে নহয়, সাহিত্যৰ সকলো বিভাগতে অভিজ্ঞতাৰ সঞ্জীৱনী শক্তি আৱশ্যক। আধুনিক ইউৰোপীয় সাহিত্যৰ অভিব্যক্তি আলোচনা কৰোঁতেও জাৰ্মান মনিষী ডিল্‌ঠায়ে এই জীৱন-অভিজ্ঞতাৰ প্ৰভাৱৰ ওপৰত ভৰ দিছে।

বাস্তৱতে মানসিক, আধ্যাত্মিক, সামাজিক, ৰাজনৈতিক, ব্যক্তিগত— এনে কোনো অভিজ্ঞতা নাই যি সাহিত্যৰ অন্তৰঙ্গ হোৱা নাই। সপোনৰ ছঁয়াময়া অভিজ্ঞতাও সাহিত্যৰ আকৰ্ষণ শক্তিৰ বশ হৈছে।

অভিজ্ঞতাৰ ওপৰত প্ৰতিষ্ঠিত হ'লেও সাহিত্য বাস্তৱতে অভিজ্ঞতাৰ কেটেলগ বা যাদুঘৰ নহয়। নিৰ্বাচন-কৌশল, কল্পনা আৰু ৰীতিৰ সহায়েৰে অভিজ্ঞতাৰ কেঁচা সজুলি গঢ়ি পিতি ল'লেহে প্ৰকৃত সাহিত্যৰ সৃষ্টি হয়। মহাকবি গ্যঠেই কৈছিল যে সকলো বিষয়তে কবিত্ব আছে, উলিয়াই ল'ব পাৰিলেই হয়। এই কথাটো যে এটা গভীৰ সত্য লুকাই আছে সেই বিষয়ে সন্দেহ নাই, প্ৰতিভাৰ




অসাধ্য একো নাই। তথাপি সাহিত্যৰ বুৰঞ্জী আলোচনা কৰিলে দেখা যায় যে সামাজিক আৰু জাতীয় অভিজ্ঞতা, গোটেই জীৱন-অভিজ্ঞতা ব্যাপক, বিস্তীৰ্ণ আৰু বৈচিত্ৰ্যপূৰ্ণ হ'লেহে আইল-বহল সাহিত্যৰ সৃষ্টি আৰু বিকাশ হয়। আমাৰ সাহিত্যৰ উন্নতিও যে অকল লেখকসকলৰ ব্যক্তিগত সাধনাৰ ওপৰতে নিৰ্ভৰ কৰিছে এনে নহয়, আমাৰ সমাজো শিক্ষা-দীক্ষা, শ্ৰম, শিল্প, আৰ্থিক প্ৰগতি— সকলো বিষয়তে আগবাঢ়ি সাহিত্যৰ যোগান ধৰিব পৰা হ'ব লাগিব। সাহিত্য আৰু সমাজ এটা ঘনিষ্ঠ সমন্ধত পৰস্পৰ সংশ্লিষ্ট হৈ আছে। সাহিত্যহীন সমাজ পংগু আৰু বৰ্বৰ আৰু সমাজৰ লগত সম্পৰ্ক নথকা সাহিত্য ক্ষীণ আৰু দুৰ্বল।

উচ্চ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত জীৱন ব্যাপী সাধনা নহ'লে ওখ খাপৰ সাহিত্যৰ সৃষ্টি হোৱা টান। আমাৰ মাজত ব্যক্তিগত সাধনাৰ অভাৱ অকল সাহিত্যতে নহয় জীৱনৰ সকলো ক্ষেত্ৰতে দেখা যায়। সাহিত্যৰ ক্ষেত্ৰত ইয়াৰ ফল অতি শোচনীয় হৈছে। অলপ মন কৰিলেই দেখা যায় যে আমাৰ প্ৰায়বিলাক লেখকেই তৰুণ অথবা প্ৰায়বিলাক ৰচনা লেখকসকলৰ তৰুণ অৱস্থাত লিখা। তৰুণৰ সাহিত্যসেৱা অতি প্ৰশংসনীয় আৰু প্ৰয়োজনীয়, কিন্তু যি বয়সত মানুহৰ চিন্তা পূৰঠ হয় আৰু অভিজ্ঞতা হয় তাৰ আগতে সাহিত্য সেৱাৰ ওৰ পৰিলে সাহিত্য তৰাং আৰু অপৈণত হোৱাটো স্বাভাৱিক। আনৰ কথা নকওঁ আমাৰ তৰুণ লিখাৰুসকলে চুটি গল্প লিখাত বেছি সময় নষ্ট নকৰি নানা প্ৰকাৰৰ জ্ঞান আহৰণ কৰি সাহিত্যত যোগালে বেছি লাভ হ'ব। অৱশ্যে চুটি গল্পও আধুনিক সাহিত্যৰ এটা প্ৰধান অংগ, কিন্তু ইয়াৰ কাৰণেও সূক্ষ্ম কলা আৰু বিশ্লেষণ শক্তিৰ আৱশ্যক।

ৰংঘৰৰ উন্নতিৰ লগত সাহিত্যৰ উন্নতি জড়িত হৈ আছে। আমোদ-প্ৰমোদৰ বিষয়তো আমাৰ উৎসাহ আৰু নেৰা-নেপেৰা সাধনাৰ অভাৱ হ'লে অতি দুখৰ কথা হ'ব। সকলো দেশতে ৰংঘৰে নাট্য সাহিত্য জীয়াই ৰাখিছে আৰু ছেক্সপীয়েৰৰ পৰা ইবছেনলৈকে প্ৰায়বিলাক ডাঙৰ নাট্যকাৰৰে ৰংঘৰৰ লগত ঘনিষ্ঠ সম্বন্ধ দেখা যায়। মস্কোৰ আৰ্ট থিয়েটাৰ স্থাপিত নোহোৱা হ'লে ৰুছ সাহিত্যই চেখকক নাট্যকাৰৰূপে নাপালেহেঁতেন। অনেক সময়ত অভিনেতাসকলেও নিজে নাটক লিখি সাহিত্যৰ সেৱা কৰিছে।

শিলং পাহাৰৰ ওপৰত এটা চৰকাৰী বিশ্ববিদ্যালয় হ'লে অসমীয়া ভাষা আৰু কৃষ্টিৰ প্ৰাধান্য কিমান দূৰ থাকিব সেই বিষয়ে সন্দেহ আছে। বিশ্ববিদ্যালয়ৰ কাৰণে আন্দোলন কৰোঁতে এই কথাটো মনত ৰাখিলে ভাল হয়। নহ'লে হিতে বিপৰীত হোৱাৰ আশংকা আছে।



# অষ্টাদশ সন্মিলন, যোৰহাট

## (২৭ আৰু ২৮ ডিচেম্বৰ, ১৯৪০)

১৯৩৮ আৰু ১৯৩৯ এই দুই বৰ্ষ নানা পৰিস্থিতি অতিক্ৰম কৰি ময়িদুল ইছলাম বৰাৰ সভাপতিত্বত যোৰহাটত অধিৱেশন বহে ১৯৪০ চনত। অধিৱেশনত মণিপুৰ আৰু অসমৰ সমন্বয়ৰ পৰিৱেশ সৃষ্টি হৈছিল মণিপুৰৰ মহাৰাজ চূড়চন্দ্ৰ সিংহৰ যোগদানেৰে।

এই অধিৱেশনত কোনো শাখা সন্মিলন অনুষ্ঠিত হোৱা নাছিল। বৰং নানা ধৰণৰ বাদানুবাদ, অনুসন্ধান সমিতি গঠন কৰা পৰিস্থিতিৰ সৃষ্টি হৈছিল।[১০৭] এই সন্মিলনৰ আগে আগে অসমত সভাৰ অনুৰোধ অনুযায়ী চৰকাৰে যাদুঘৰ স্থাপন স্থাপন কৰাটো সভাৰ কৃতিত্ব। তদুপৰি সন্মিলনে কটন কলেজত অসমীয়া বিষয়ৰ স্নাতকোত্তৰ শ্ৰেণী আৰম্ভ কৰিবলৈ, ICS পৰীক্ষাত অসমীয়া বিষয়ক ঐচ্ছিক বিষয় হিচাপে অন্তৰ্ভুক্ত কৰা বিষয়ে সন্মিলনে প্ৰস্তাৱ লয়। ১৯৪১ চনৰ পিয়লত অসমীয়া ভাষা-ভাষীৰ সংখ্যা যাতে শুদ্ধ ৰূপত প্ৰকাশ পায় তাৰ কাৰণে সভাই চৰকাৰৰ লগত যোগাযোগ কৰিছিল। লগতে বিদেশৰ পৰা অহা আৰু অসমত স্থায়ীভাৱে থাকিবলৈ লোৱা আৰু লগতে অসমীয়া ক'বলৈ শিকা লোকক অসমীয়াস্বৰূপে পৰিগণিত কৰিবলৈ Indian Tea Association ৰ সভাপতি Mr. Maclenam চাহাবক অনুৰোধ কৰে। লগতে গোৱালপাৰা চৰ অঞ্চলত প্ৰাথমিক আৰু মজলীয়া স্কুলত অসমীয়া ভাষাৰ ব্যৱহাৰৰ কাৰণে লোকেল ব'ৰ্ডৰ

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

১০৭. ৮ আৰু ৯ এপ্ৰিল, ১৯৩৯ আৰু ২৭ আৰু ২৮ জুলাই, ১৯৪০ এই দুখন অধিৱেশনৰ বৈধতাৰ প্ৰশ্ন উত্থাপিত হোৱাত দুজন অৱসৰপ্ৰাপ্ত সত্ৰ ন্যায়াধীশ, দুজন তেনে জজ আৰু এজন অধিবক্তাৰে এই সন্মিলনত অনুসন্ধান সমিতি গঠন কৰা হয়। তদুপৰি সন্মিলনত কোনো বিষয়ববীয়াও নিৰ্বাচন কৰা নহ'ল আৰু কাৰ্যনিৰ্বাহক সমিতিও গঠিত নহ'ল। আনহাতে সভাই ১৯৪১ চনৰ ২৬ জুলাই তাৰিখে দ্বিতীয় বিশেষ অধিৱেশন যোৰহাটত পাতে। এই অধিৱেশনত যোৰহাটৰ দহজন প্ৰতিনিধি আৰু আন ঠাইৰ দুজন মুঠ বাৰজন প্ৰতিনিধি উপস্থিত আছিল। সভাপতিত্ব কৰিছিল চন্দ্ৰধৰ বৰুৱাই। অনুসন্ধান সমিতিয়ে এই অধিৱেশন অবৈধ বুলি ঘোষণা কৰিলে। ২৩ অক্টোবৰ ১৯৪১ তাৰিখে পূৰ্বৰ আৰু বৰ্তমানৰ দুজন প্ৰধান সম্পাদকৰ শুনানি লয়। তেখেতসকল হ'ল ৰামেশ্বৰ বৰুৱা আৰু পূৰ্ণানন্দ শৰ্মা পাঠক। আনহাতে নীল ফুকনক কাৰ্যালয়ৰ হৈ সোধ-পোচ কৰা হৈছিল। ফুকনে ২৮ আৰু ২৯ ডিচেম্বৰ তাৰিখে ময়িদুল ইছলাম বৰাৰ সভাপতিত্বত হোৱা সন্মিলনৰ লিখিত বিজ্ঞপ্তি পুংখানুপুংখৰূপে সমিতিত উত্থাপন কৰে। সমিতিয়ে এই শুনানি লৈ একমত হৈ ৰায় দিয়ে যে— ১৯৪১ চনৰ ১৮ ডিচেম্বৰ তাৰিখে, ৮ আৰু ৯ এপ্ৰিল, ১৯৩৯ তাৰিখে বিশেষ অধিৱেশনে সভাৰ নিয়মাৱলী সম্পৰ্কে লোৱা সিদ্ধান্ত আৰু তেজপুৰ অধিৱেশনৰ সিদ্ধান্ত (১৯৩৬) বাতিল কৰা কাৰ্য অৰ্থাৎ **শ্ৰীশ্ৰীদামোদৰ দেৱৰ চৰিত্ৰ** আৰু **শ্ৰীবনমালী দেৱৰ চৰিত্ৰ** প্ৰচাৰ সম্পূৰ্ণ ক্ষমতাৰ অপব্যৱহাৰ (Ultra Vires) সেয়ে সেই দুই সিদ্ধান্ত বাতলি কৰে।



ওচৰত দাবী জনায়।[১০৮] প্ৰথম দিনৰ কাৰ্যসূচী ৰাতিলৈ গণেশ গগৈ ৰচিত শকুনিৰ প্ৰতিশোধ নাটক আৰু 'এটি চুৰট' নাটকৰ অভিনয় হৈছিল। মণিপুৰৰ ৰজাই অভিনয় চাই হোনো বৰ ভাল পাইছিল। নাম ভূমিকাত অভিনয় কৰিছিল মিত্ৰদেৱ মহন্তই।[১০৯]

### চিত্ৰপট উন্মোচন

মণিপুৰাধিপতি চূড়াচান্দ সিংহে ৰাধাকান্ত সন্দিকৈ আৰু বেজবৰুৱাৰ তৈল চিত্ৰ উন্মোচন কৰে।

### দ্বিতীয় মহাসমৰ (১৯৩৯-১৯৪৫)

এফালে সভাৰ নিয়মতন্ত্ৰৰ বেমেজালি দূৰ হ'ল যদিও দ্বিতীয় মহাসমৰৰ প্ৰভাৱ অসমতো পৰিল। এই যুদ্ধ ঘাইকৈ অক্ষ শক্তি আৰু মিত্ৰশক্তি নামে খ্যাত আন্তৰ্জাতিক সংঘাত। এই যুদ্ধত অসমৰ ভিতৰত যোৰহাট আৰু উপকণ্ঠ অঞ্চলত যুদ্ধৰ আখৰাৰ কেন্দ্ৰস্থল হৈ পৰে। যুদ্ধ আৰম্ভ হোৱাৰ পৰা ইংৰাজ প্ৰশাসনে যুদ্ধনীতিৰ বাস্তৱ ৰূপায়নত গুৰুত্ব দিয়াত যোৰহাট নগৰৰ বৃহৎ ঘৰবোৰ সেনা চাউনিলৈ ৰূপান্তৰ কৰা হ'ল। জগন্নাথ বৰুৱা কলেজ, ছোৱালী হাইস্কুল, যোৰহাট গৱৰ্ণমেণ্ট স্কুল, ফণীধৰ শৰ্মাৰ ঘৰ বিষ্ণুৰাম বৰুৱা হল আনকি অসম সাহিত্য সভাৰ কাৰ্যলয়ো সেনাই দখল কৰিলে। বোমা বিস্ফোৰণৰ পৰা ৰক্ষা পাবলৈ Z আৰ্হিৰ খাল কটা হ'ল। ১৯৪৫ চনৰ বিশ্বযুদ্ধৰ অৱসান হ'ল। যুদ্ধত ১১ কোটি সৈন্যই অংশ গ্ৰহণ কৰিছিল। যোৰহাটৰ প্ৰশাসনে সভাৰ ভৱন দখল কৰি কিতাপ-পত্ৰ সকলো বাহিৰলৈ দলিয়াই পেলাই বিস্তৰ ক্ষতিসাধন কৰিলে। গ্ৰন্থসমূহ আৰু নথি-পত্ৰ তুলসীনাৰায়ণ শৰ্মা আৰু যতিনাৰায়ণ শৰ্মাই সংৰক্ষণ কৰি নিজৰ ঘৰত ৰাখে। সভাৰ কাম-কাজ কাৰ্যালয়ৰ স্থানান্তৰ হৈ ঘৰে ঘৰে বহি চলোৱা হৈছিল। সেই বছৰত সভ্যভৰ্তি বৰঙণি ১৯.০০ টকাহে পাইছিল বুলি প্ৰধান সম্পাদকৰ প্ৰতিবেদনৰ পৰা জনা যায়।

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

ইয়াৰ পিছত ১৯৪২ চনৰ ৪ এপ্ৰিল তাৰিখে কাৰ্যনিৰ্বাহ সমিতিয়ে জৰুৰী বিশেষ বৈঠক এখন আহ্বান কৰে। সেই সভাত একৈশজন সদস্য উপস্থিত থাকে। সেই সভাতে নীলমণি ফুকনক সভাপতি পাতে আৰু অনুসন্ধান সমিতিৰ প্ৰতিবেদন গৃহীত কৰে আৰু যোৰহাট বিশেষ অধিৱেশনৰ সিদ্ধান্ত নাকচ কৰে। জৰুৰী বৈঠকে পূৰ্ণানন্দ শৰ্মা পাঠকক ১৫ এপ্ৰিল (১৯৪২) তাৰিখৰ ভিতৰত ৰামেশ্বৰ বৰুৱাক প্ৰধান সম্পাদক হিচাপে কাৰ্যভাৰ চমজাই দিবলৈ নিৰ্দেশ দিয়ে যদিও বৰুৱা সন্মত নহয় তেতিয়াহ'লে সহকাৰী সম্পাদকক (১৯৩৭ চনৰ) কাৰ্যভাৰ দিবলৈ নিৰ্দেশ দিয়ে আৰু লগতে পুৰণা কাৰ্যনিৰ্বাহক সমিতিৰ বৈঠক (১৯৩৭ চনৰ) এপ্ৰিল মাহৰ ভিতৰতে পাতিবলৈ নিৰ্দেশ দিয়ে। ৰামেশ্বৰ বৰুৱাই পুনৰ প্ৰধান সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰে। ইয়াৰ ফলত নিয়মতন্ত্ৰৰ সংকট দূৰ হ'ল। কিন্তু পত্ৰিকা সম্পৰ্কে সমস্যাৰ সৃষ্টি হৈছিল কাৰণে পত্ৰিকা সম্পাদক ডিম্বেশ্বৰ নেওগে জনাইছিল "অসম সাহিত্য সভাৰ বিচাৰক সমিতিয়ে মাজতে ন-ধৰণে পতা সভাৰ কাৰ্য বিধি অসিদ্ধ বুলি স্থিৰ কৰাত এই মুখপত্ৰৰ পুৰণি সম্পাদকৰূপে আমি পুনৰ নিজ কাৰ্যভাৰ গ্ৰহণ কৰিবলগীয়া হয়।" ২৫ অক্টোবৰ (১৯৪২) তাৰিখে প্ৰচলিত নিয়মাৱলী মতে সম্পাদকে কাৰ্যনিৰ্বাহক সমিতিক জনায় যে অসিদ্ধ বুলি স্থিৰ হোৱা কাৰ্য বিধিমতে চলা পত্ৰিকা সভাৰ পত্ৰিকা বুলি লেখত ধৰিবলৈ সম্পাদকক দায়িত্ব দিয়ে। (পত্ৰিকা, ১০ ম বছৰ, ৩য় সংখ্যা, পৃ. ৪০)। উল্লেখযোগ্য ডিম্বেশ্বৰ নেওগে পত্ৰিকাখন আটোমটোকাৰীকৈ উলিয়াইছিল। প্ৰথম পৃষ্ঠাৰ পৰা বেটুপাতৰ চতুৰ্থ পৃষ্ঠালৈকে ব্যৱহাৰ কৰিছিল।

১০৮. এই সম্পৰ্কত লোকেল বৰ্ডে সভাক ২-৩-৩৮ তাৰিখৰ পত্ৰযোগে জনায়— There is specific rule framed by Govt. in this respect. The Board can't after it their will. The Sabha may move the Govt. if they like. সেই অনুক্ৰমে শিক্ষামন্ত্ৰীক সভাই আৱেদন জনায় আৰু সভাৰ প্ৰস্তাৱ প্ৰেৰণ কৰে।

১০৯. ৰূপলেখা, পৃ ৭৫

### সভাপতি নিৰ্বাচন

এই অধিৱেশনত সভাপতি নিৰ্বাচনৰ পোন প্ৰথম ভোট যুদ্ধৰ অৱতাৰণা হ'ল। নীলমণি ফুকনৰ 'দৈনিক বাতৰি'য়ে ফুকনক সভাপতি পাতিব লাগে বুলি আৰু কীৰ্তিনাথ বৰদলৈৰ তিনিদিনীয়া 'অসমে, শৰৎ চন্দ্ৰ গোস্বামীৰ হৈ প্ৰচাৰ চলায়। শৰৎ চন্দ্ৰ গোস্বামীয়েনাম প্ৰত্যাহাৰ কৰাত নীলমণি ফুকন পৰৱৰ্তী সন্মিলনৰ সভাপতিৰূপে নিৰ্বাচিত হ'ল।

### অসম সাংবাদিক সংঘ

এই অধিৱেশনতে পোন প্ৰথমবাৰৰ বাবে সাংবাদিক সংঘ প্ৰতিষ্ঠা হয়। ইয়াৰ বিৱৰণ পোৱা নহ'ল।

### ময়িদুল ইছলাম বৰা

মাত্ৰ ৪৫ বছৰ বয়সতে ইহলীলা সম্বৰণ কৰা ডক্টৰ ময়িদুল ইছলাম বৰা (জন্ম ২২ ছেপ্টেম্বৰ, ১৮৯৯, মৃত্যু ৫ মে', ১৯৪৪)ৰ *My first Reader, My Second Reader* এসময়ত অসম আৰু বংগদেশত পাঠ্যপুথিৰূপে চলিছিল। অসমীয়া ভাষাত লিখা প্ৰবন্ধৰ ভিতৰত উল্লেখযোগ্য হ'ল—*১৭ শতিকাৰ অসমৰ ৰণ বল* (অসম সাহিত্য সভা পত্ৰিকা)। বৰাৰ গৱেষণা গ্ৰন্থ *Baharistan - i- Ghy bi* বুৰঞ্জী আৰু পুৰাতত্ব বিভাগে দুটা খণ্ডত প্ৰকাশ কৰে। শৰৎ চন্দ্ৰ গোস্বামীৰ কন্যা "প্ৰতিভাদেবী সোঁৰৱণী" বক্তৃতা পাণ্ডিত্যপূৰ্ণ আছিল। বক্তৃতাৰ বিষয় আছিল *History of Assam as Told by the Muslim Historians.* ১৯২৮ চনত *Islamic Culture* - নামৰ আলোচনীত প্ৰকাশিত উল্লেখযোগ্য প্ৰবন্ধ হ'ল *New Light on Mugal India for Assamese Sources* প্ৰতিভা দেৱী সোঁৰৱণী বক্তৃতামালাৰ যোগেদি বৰাৰ গভীৰ জ্ঞান, বিস্তৃত অধ্যয়ন আৰু তথ্যানুসন্ধানী মনৰ পৰিচয় পোৱা যায়।

গুৱাহাটীৰ কটন কলেজৰ পৰা আই এ আৰু বি এ পৰীক্ষাত উত্তীৰ্ণ হৈ ১৯২৩ চনত ঢাকা বিশ্ববিদ্যালয়ৰ পৰা ফাৰ্ছী সাহিত্যত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰে। ১৯২৯ চনত বিলাতলৈ গৈ দুবছৰ কাল থাকি ডক্টৰেট উপাধি লাভ কৰে। লণ্ডনৰ পৰা ঢাকা বিশ্ববিদ্যালয়তে ফাৰ্ছী শিক্ষা বিভাগৰ অধ্যক্ষ হয়।

১৯৩৪ চনৰ যোৰহাটত বহা আসাম ছাত্ৰ সন্মিলনৰ তেখেত সভাপতি আছিল। তেনেকৈ যোৰহাটৰ বাণী সন্মেলনৰ বহাগী অধিৱেশনত সভাপতিত্ব কৰে।

### অভিভাষণৰ সুবচন

*স্বদেশ প্ৰেম কোনো বিশেষ সম্প্ৰদায়, শ্ৰেণী বা ব্যক্তিৰ একচেতীয়া সম্পত্তি নহয়। ই কোনো সীমাৰ ভিতৰত আৱদ্ধ নাথাকে।*

*ৰাজনীতি আৰু সমাজনীতি দুয়ো সমানে দেশক উন্নতিৰ পথত আগুৱাই নিয়ে।*

*পৃথিৱীৰ প্ৰত্যেক দেশ আৰু জাতিৰ ৰাজনৈতিক সমাজনৈতিক আৰু অৰ্থনৈতিক বিপ্লৱ আৰু সংস্কাৰ সাহিত্যৰ মাজেদিয়েই ফুটি উঠা দেখিবলৈ পোৱা যায়।*

*সাম্প্ৰদায়িক সমস্যা বহুতে ৰাজনৈতিক সমস্যা বুলি কয়।*

*ওখ ধৰণৰ গৱেষণাৰ কাম পৰিপাটীকৈ কৰিবৰ কাৰণে আমাৰ এটা সুকীয়া বিশ্ববিদ্যালয়ৰ আৱশ্যক।*

◆◆◆◆◆

# ঊনবিংশ অধিৱেশন, শিৱসাগৰ

## ২৯ আৰু ৩০ ছেপ্টেম্বৰ, ১৯৪৪

বাগ্মীবৰ নীলমণি ফুকনৰ সভাপতিত্বত শিৱসাগৰত ২৯ আৰু ৩০ ছেপ্টেম্বৰ তাৰিখে দুদিনীয়া কাৰ্যসূচীৰে ঊনবিংশ সন্মিলন অনুষ্ঠিত হয়। এই সন্মিলনৰ ঘাই উদগাতা আছিল পদ্মধৰ চলিহা। সভাৰ আভ্যন্তৰীণ সমস্যা আৰু দ্বিতীয় বিশ্বযুদ্ধৰ প্ৰভাৱৰ ফলত নিষ্ক্ৰীয় হৈ পৰা অসম সাহিত্য সভা এই অধিৱেশনতে পুনৰ জনম লাভ কৰে।[১১০] অভ্যৰ্থনা সমিতিৰ সম্পাদক আছিল পদ্মধৰ চলিহা যুটীয়া সম্পাদক আছিল টুনীৰাম কাকতী আৰু ৰিয়াজুল হুছেইন।

অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল মহম্মদ মুহিবুল্লা। প্ৰথম দিনা নিৰ্বাচিত সভাপতি ফুকনক হাতীত উঠাই গায়ন-বায়ন আৰু সমদলেৰে সভামণ্ডপলৈ আগবঢ়াই আনে। সভামণ্ডপত গোট খোৱা প্ৰায় ছয় হেজাৰ লোকে হাত চাপৰি বজাই সভাপতিক অভিভাদন জনোৱা দৃশ্য নয়নাভিৰাম হৈছিল।

পোনতে পুথি প্ৰদৰ্শনী সমিতিৰ সভাপতি বেণুধৰ শৰ্মাই ভাষণ দিয়াৰ পিছত সেই সময়ৰ অসমৰ প্ৰধানমন্ত্ৰী ছাৰ ছাদুল্লাই এটি সাৰগৰ্ভ বক্তৃতা দি প্ৰদৰ্শনীৰ দ্বাৰ উদ্‌ঘাটন কৰে।

বিয়লি তিনিবজাত মূল সভা আৰম্ভ হয় এটি ঐক্যতান বাদন আৰু আৰম্ভণী গীতেৰে। আদৰণী সমিতিৰ সভাপতি মহম্মদ মুহিবুল্লাই আদৰণী ভাষণেৰে সমৱেতসকলক সম্ভাষণ জ্ঞাপন কৰাৰ অন্তত চন্দ্ৰধৰ বৰুৱাৰ প্ৰস্তাৱ আৰু হৰেশ চন্দ্ৰ ৰাজখোৱাৰ সমৰ্থন আৰু নলিনীবালা দেৱীৰ অনুমোদনক্ৰমে হাত চাপৰিৰে মুখৰিত হোৱা পৰিৱেশত নীলমণি ফুকনে সভাপতিৰ আসন গ্ৰহণ কৰে। আসন গ্ৰহণ কৰাৰ লগে লগে কেইগৰাকীমান শিশুৱে বৰণৰ গীত গাই সভাপতিক মালা পিন্ধায়। প্ৰধান সম্পাদকৰ প্ৰতিবেদন পাঠৰ অন্তত সভাপতিয়ে ভাষণ প্ৰদান, সভাপতিৰ ভাষণ শুনি শ্ৰোতামণ্ডলী মুগ্ধ হয় আৰু ভাষণে সভালৈ শক্তি ঘূৰাই আনিলে বুলি সমৱেতসকলে মন্তব্য কৰে।

এই অধিৱেশনতে বিষয়বাছনী সভাৰ সমিতি গঠন হয় আৰু সন্ধ্যা ৭ বজাত সভাৰ সামৰণী ঘোষণা হয়।

১১০. *Neog M. Annals of Asam Sahitya Sabha, P. 22*

## বিষয়বাছনী সভা

১৯৩৬ চনৰ আগলৈকে সভাৰ বিষয় বাছনী সভাসমূহত নিয়মাৱলী সংশোধনৰ কাৰ্যসূচী আছিল যদিও সময়ৰ অজুহাতত কাৰ্যনিৰ্বাহক সমিতিয়েহে নিয়মাৱলী সাল-সলনি কৰিছিল। অৱশ্যে এই অধিৱেশনত সন্ধ্যা ৮-৩০ বজাত বিষয়বাছনী সভা বহে। প্ৰধান সম্পাদক ৰামেশ্বৰ বৰুৱাই মহেশ্বৰ নেওগ আৰু মুক্তানাথ বৰুৱাক নিয়মাৱলী সাল-সলনিৰ সকলো প্ৰস্তাৱ দি স্বাস্থ্যজনিত কাৰণত সভাৰ পৰা বিদায় লয়। ৰাতি দুইমান বজালৈকে সকলো প্ৰস্তাৱ আলোচনা কৰি ১৭ টা প্ৰস্তাৱ গ্ৰহণ কৰে। দ্বিতীয় দিনা বিষয় বাছনী সভাত গৃহীত প্ৰস্তাৱসমূহ বিয়লি ২-৩০ বজাৰ সভাত মিত্ৰদেৱ মহন্তই উত্থাপন কৰে যদিও বহুতো সদস্যই এই নিয়মতন্ত্ৰৰ বিৰোধিতা কৰে। তেতিয়া সভাপতিয়ে বিষয়টো ভোটত দিয়ে। প্ৰস্তাৱৰ সপক্ষে ৭৭ জনে আৰু ১৩ জনে বিপক্ষে ভোট দিয়াত সংশোধনী সিদ্ধান্তসমূহ গৃহীত হ'ল বুলি সভাপতিয়ে ঘোষণা কৰে। অধিৱেশনত ডিম্বেশ্বৰ নেওগক প্ৰধান সম্পাদক, বলীনাৰায়ণ বৰুৱা সহকাৰী সম্পাদক, তুলসীনাৰায়ণ শৰ্মা পুথিভঁৰালী, মিত্ৰদেৱ মহন্ত ধনভঁৰালী আৰু এঘাৰজন সদস্য নিৰ্বাচিত হয়। ইয়াৰ পিছত ডিব্ৰুগড়ৰ শিৱ সিংহাসন মিশ্ৰই পৰৱৰ্তী সন্মিলন ডিব্ৰুগড়লৈ নিমন্ত্ৰণ কৰে আৰু এই প্ৰস্তাৱ সন্মিলনে গ্ৰহণ কৰে।

মূল অধিৱেশনৰ অন্তত অম্বিকাগিৰি ৰায়চৌধুৰীৰ সভাপতিত্বত কালিচৰণ চলিহা মেম'ৰিয়েল হলত সংগীত সন্মিলনৰ অধিৱেশন বহে।[১১১]

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

১১১. *সভাপতিক বাদ দি ১৫ জন সদস্যৰে কাৰ্যনিৰ্বাহ সমিতি গঠন কৰা হয়। ইয়াৰে ৬ জন সদস্য কেন্দ্ৰীয় কাৰ্যালয়ৰ এলেকাৰ অৰ্থাৎ যোৰহাটৰ হ'ব। ইয়াৰ আগত ১৯৩৮ চনৰ পৰা ২১ জন সদস্য যোৰহাটৰ আৰু ১২ টা মহকুমাৰ প্ৰত্যেকৰ পৰা ২ জনকৈ সদস্য নিৰ্বাচিত হৈছিল। কিন্তু এনে সদস্যই সভাত প্ৰায়ে যোগ দিয়া দেখা নাযায়। ইয়াৰ ফলত সদস্য নিৰ্বাচন গণতান্ত্ৰিক হ'ল আৰু যোৰহাটৰ সদস্য সংখ্যা হ্ৰাস হ'ল।*

***অসম সাহিত্য সভা***

*এই সন্মিলনতেই 'আসাম'ৰ পৰিৱৰ্তে 'অসম সাহিত্য সভা' আৰু ইংৰাজীত Asam Sahitya Sabha লিখিবৰ কাৰণে সিদ্ধান্ত হ'ল। ইয়াৰ পিছত ছিলঙত অনুষ্ঠিত অধিৱেশনৰ সপ্তম প্ৰস্তাৱমৰ্মে ভাৰতৰ সংবিধানত Asam বুলি স্বীকৃতি দিবলৈ ভাৰত চৰকাৰক সভাই দাবী জনায়।*

***সভাপতিৰ ক্ষমতা***

*ইয়াৰ আগলৈকে সভাপতিজন মূল সভাত সভাপতিত্ব কৰাতে দায়িত্ব শেষ হৈছিল। সন্মিলনত গৃহীত নিয়মাৱলীমতে সভাপতিক সভাৰ মুখ্য কাৰ্যকৰ্তাৰ মৰ্যাদা দিয়া হ'ল। বছৰটোৰ শেষত হোৱা অধিৱেশনলৈকে সভাপতিৰ কাৰ্যকাল অব্যাহত ৰখা হ'ল।*

***অসম সাহিত্য সভা সমিতি***

*এই অধিৱেশনত কাৰ্যনিৰ্বাহক সমিতিক পৰামৰ্শ দিবৰ কাৰণে 'অসম সাহিত্য সভা সমিতি' নামেৰে এখন সমিতি গঠন হয়।*

*প্ৰতি শাখাই প্ৰতি তিনিজনৰ ভিতৰত এজন আৰু ওপৰঞ্চি দুজনৰ ভিতৰত এজন সদস্যৰে এই সমিতি গঠন হ'ব। সন্মিলন বহাৰ আগত বা পিছত এখন বৈঠক বহুৱাব লাগিব। এই সমিতিৰ নিৰ্দেশমতে কাৰ্যনিৰ্বাহক সমিতিয়ে কাম কৰিব। ইয়াৰ পৰৱৰ্তী ডিব্ৰুগড় অধিৱেশনত এই সমিতিৰ নাম 'অসম সাহিত্য সভা পৰিষদ' হয়।*



***উপবিধি***

*এই সন্মিলনত এখন উপবিধি গঠন কৰা হয়। এই উপবিধিত শাখা সভা, আদৰণী সমিতি, প্ৰকাশন শাখা গঠনৰ প্ৰ-পত্ৰ আদি যুগুত।*

***আজীৱন সভ্য***

*এই সন্মিলনলৈকে সভাৰ আজীৱন সভ্যৰ সংখ্যা ৬০ জন হৈছিল। এই পুঁজিৰ সুকীয়া হিচাপ খুলি বেংকত বৰগুনি জমা থ'ব লাগিব। মূল পুঁজিৰ হৰণ-ভগন নকৰি কেৱল তাৰ সুতহে সভাৰ কামত খৰছ কৰিব পাৰিব বুলি সিদ্ধান্ত লোৱা হয়। উল্লেখযোগ্য সভাপতি আৰু সম্পাদক দুয়ো লগ লাগি উদং ধনৰ ভঁৰাল এনেকৈয়ে টনকীয়াল কৰে।*

***পুনৰ আভ্যন্তৰীণ বেমেজালি***

*শিৱসাগৰ এই অধিৱেশনে নিয়মাৱলীৰ আমূল পৰিৱৰ্তন কৰিলে যদিও একাংশ লোক ইয়াত অসন্তুষ্ট হয়। তদুপৰি পূৰ্বৰ প্ৰধান সম্পাদক ৰামেশ্বৰ বৰুৱাই সভাৰ নথি-পত্ৰ সভাক চমজাই নিদিয়াত আৰু যোৰহাটৰ সদস্যই কাৰ্যনিৰ্বাহ কৰিবলৈ বদ্ধপৰিকৰ হয়। তেওঁলোকে যোৰহাট থিয়েটাৰত কেৰামত আলীৰ সভাপতিত্বত এখন বিশেষ সন্মিলন আহ্বান কৰে। ১৯৪৪ চনৰ ২৬ ডিচেম্বৰ তাৰিখে এই সন্মিলনত সভাপতিত্ব কৰিছিল কেৰামত আলীয়ে। সন্মিলনত ২৭ জন সভ্য আৰু দৰ্শকৰ সংখ্যা আছিল ১৪ জন। উল্লেখযোগ্য প্ৰধান সম্পাদক ৰামেশ্বৰ বৰুৱাক পৰৱৰ্তী বৰ্ষৰ প্ৰধান সম্পাদক ডিম্বেশ্বৰ নেওগক কাৰ্যভাৰ চমজাই দিবৰ কাৰণে উকীলৰ যোগেদি জাননী দিয়া হৈছিল আৰু মোকৰ্দমা কৰিবলৈও সাজু হৈছিল। যি কি নহওক এই সন্মিলনে তলত দিয়া সিদ্ধান্তসমূহ প্ৰস্তাৱ আকাৰে গ্ৰহণ কৰে—*

*(১) ঊনবিংশ সন্মিলনে নিয়মাৱলী সংশোধন কৰা কাৰ্য অবৈধ।*

*(২) নীমলণি ফুকনৰ হাতত থকা কাৰ্যবিৱৰণী বহী আৰু অন্যান্য নথি-পত্ৰ ঘূৰাই আনিবলৈ প্ৰধান সম্পাদক ৰামেশ্বৰ বৰুৱাক নিৰ্দেশ দিয়ে।*

*(৩) ডাকঘৰত আৱদ্ধ হৈ থকা চিঠি-পত্ৰ ল'বলৈ ৰামেশ্বৰ বৰুৱাক কৰ্তৃত্ব দিয়ে।*

*অৱশ্যে সন্মিলনত তুলসী নাৰায়ণ শৰ্মাই সমিল মিলেৰে কাম কৰিবৰ বাবে এটি প্ৰস্তাৱ আগবঢ়ায় যদিও গৃহীত নহ'ল। এই সন্মিলনৰ এনে চেষ্টা ফলৱতী নহ'ল বুলি পৰৱৰ্তী ২৬/১২/৪৭ তাৰিখৰ কাৰ্য বিৱৰণিৰ পৰা জনা গ'ল।*

***ঊনবিংশ সন্মিলনৰ বিশেষত্ব***

*(১) শিলচৰৰ তাৰাপুৰ প্ৰাথমিক বিদ্যালয় অসমীয়া বিষয়ৰ শিক্ষকস্বৰূপে মাহে ৩০.০০ (ত্ৰিশ) টকা দৰমহাত প্ৰমোদ চন্দ্ৰ হাজৰিকাক নিযুক্তি দিয়ে আৰু বাজেটত ৪০০.০০ (চাৰিশ) টকা মঞ্জুৰ। (ইয়াৰে ৩৬০.০০ (তিনিশ ষাঠি) টকা দৰমহা আৰু ৪০.০০ (চল্লিশ) টকা যাৱতীয় খৰচৰ বাবদ)।*

*(২) ডক্টৰ সুনীতি কুমাৰ চট্টোপাধ্যায়, কাকাচাহেব কালেলকাৰ, বেণীমাধৱ বৰুৱা, শৈলেন্দ্ৰ প্ৰসাদ বৰুৱাক হিতৈষী সভ্য কৰা হয়।*

*(৩) প্ৰকাশন —*

*(ক) যিচুখ্ৰীষ্টৰ বাণী ঃ মি. ছি গল্ডস্মিথ।*

*(খ) বুদ্ধৰ বাণী প্ৰথমে ছপাবলৈ সিদ্ধান্ত কৰা হৈছিল যদিও বিৰিঞ্চি কুমাৰ বৰুৱাৰ পৰামৰ্শমতে উপেন্দ্ৰচন্দ্ৰ লেখাৰুৰ 'ধম্মপদ' ছপাবলৈ সিদ্ধান্ত গ্ৰহণ।*

*(গ) শংকৰদেৱৰ বাণী ঃ কালিৰাম মেধি*

*(ঘ) মহম্মদৰ বাণী ঃ মহম্মদ তয়েবুল্লা*

*(ঙ) শিশু বিশ্বকোষ ঃ দহোটা খণ্ড*

*প্ৰথম খণ্ড ঃ বিশ্বজগত — লক্ষেশ্বৰ শৰ্মাবৰুৱা*

*দ্বিতীয় খণ্ড ঃ উদ্ভিদ জগত — ছেৰিফুদ্দিন আহমদ*

*তৃতীয় খণ্ড ঃ জীৱজগত — মুক্তানাথ বৰুৱা*
*চতুৰ্থ খণ্ড ঃ মানৱসৃষ্টি — তুলসীনাৰায়ণ শৰ্মা*
*পঞ্চম খণ্ড ঃ মঠমন্দিৰ — মিত্ৰদেৱ মহন্ত*
*ষষ্ঠ খণ্ড ঃ শাসননীতি — বিনন্দ চন্দ্ৰ বৰুৱা*
*সপ্তম খণ্ড ঃ শিক্ষা — ডিম্বেশ্বৰ নেওগ*
*অষ্টম খণ্ড ঃ বিজ্ঞান দৰ্শন — প্ৰেমেশ্বৰ শৰ্মা*
*নৱম খণ্ড ঃ শিল্প — দেৱীপ্ৰসাদ গোহাঞি*
*দশম খণ্ড ঃ সময় — নীলমণি ফুকন*

*উল্লেখযোগ্য বিশ্বকোষৰ সম্পাদনাৰ ব্যয়স্বৰূপে প্ৰথম অৱস্থাত ২৫ টকাকৈ দিবৰ কাৰণে কাৰ্যনিৰ্বাহক সমিতিয়ে অনুমোদন জনায়। প্ৰকাশনৰ সকলো গ্ৰন্থৰ ব্যয় কাৰ্যনিৰ্বাহ সমিতিয়ে অনুমোদন জনায়*

**সভাৰ উপাধি প্ৰদান**

*এই বৰ্ষৰ মুকলি অধিৱেশনত গৃহীত প্ৰস্তাৱ অনুসৰি বাণীকান্ত কাকতিক ভাষাতত্ত্বৰ গৱেষণাৰ বাবে 'ভাষাৰ্ণৱ' আৰু পুৰাতত্ত্বৰ মৌলিক অনুসন্ধানৰ বাবে কাৰ্যনিৰ্বাহক সমিতিৰ ২/২/৪৭ তাৰিখৰ বৈঠকত সিদ্ধান্ত লয় আৰু ডিব্ৰুগড়ত হ'ব লগা বিংশ সন্মিলনত উপাধি প্ৰদান কৰিবলৈ সমিতিয়ে সিদ্ধান্ত কৰে।*

*(চ) অসম সাহিত্য সভাৰ বুৰঞ্জী ঃ শৰৎচন্দ্ৰ গোস্বামী, দেৱেশ্বৰ চলিহা, পূৰ্ণানন্দ শৰ্মাপাঠক।*

*(ছ) অসমীয়া সাহিত্যৰ বিৱৰণমূলক তালিকা ঃ প্ৰতাপ চন্দ্ৰ গোস্বামী, সূৰ্যকুমাৰ ভূঞা, বাণীকান্ত কাকতি, ৰাজমোহন নাথ, মহম্মদ চালেহ।*

*এই সকলো গ্ৰন্থ যুগুত হোৱা আৰু পিছৰ কাৰ্যনিৰ্বাহক সমিতিক চমজাই দিয়াৰ তথ্য পোৱা যায়।*

**আদৰণী সমিতি**

*শিৱসাগৰৰ এই অধিৱেশনতে পোন প্ৰথমবাৰৰ বাবে তলত দিয়া সিদ্ধান্তসমূহ লোৱা হয়—*

*(১) সন্মিলন নিমন্ত্ৰণ কৰাৰ তিনি মাহৰ ভিতৰত সন্মিলন বহিবলগা ঠাইত ৰাজহুৱা সভাপতি আদৰণী সমিতি গঠন কৰিব লাগিব।*

*(২) মূল সভাৰ অনুমোদন অনুযায়ী সন্মিলনৰ সকলো কাম আদৰণী সমিতিয়ে কৰিব লাগিব।*

*(৩) অভিভাষণ ছপোৱাৰ খৰচ আদৰণী সমিতিয়ে বহন কৰিব লাগিব।*

**নতুন ন্যাস পুঁজি**

*এই বৰ্ষত শিখ ধৰ্ম আৰু সাহিত্যৰ বিশ্বজনীন চিন্তা অসমৰ শিশুৱে আৰু জনসাধাৰণে বুজি পোৱাকৈ প্ৰচাৰৰ উদ্দেশ্যে 'ছৰ্দাৰ ছোহাব সিং ছৰ্দাৰ তাহেল সিং' ন্যাস গঠনৰ বাবে ২,০০০.০০ (দুহেজাৰ) টকাৰ দান সভাই লাভ কৰে।*

*উল্লেখযোগ্য এই অধিৱেশনৰ সভাপতি আৰু প্ৰধান সম্পাদকৰ চেষ্টাত সভাৰ হিচাপ পত্ৰৰ পৰা আৰম্ভ কৰি যেনেকৈ স্বচ্ছতা আছিল তেনেকৈ সভাৰ ভাৱমূৰ্তি উজ্জ্বল কৰিবলৈও চেষ্টা কৰা দেখা যায়। কাৰ্যবিৱৰণীক তথ্যমতে সেই বৰ্ষত বাজেটত আয় ৬,০০০.০০ (ছয় হেজাৰ) টকা আৰু ব্যয় ৫,৫০০.০০ (পাঁচহেজাৰ পাঁচশ) টকা, ৰাহি ৫০০.০০ (পাঁচশ) টকা ধৰা হৈছিল। সকলো টকা-কড়ি বাজেটমতে খৰচ হৈছিল।*

**ডিব্ৰুগড় অধিৱেশন**

*ডিব্ৰুগড়লৈ অধিৱেশন নিমন্ত্ৰণ কৰিও কামৰ অগ্ৰগতি নোহোৱা দেখি সভাৰ লগত জড়িত লোক উদ্বিগ্ন হৈ পৰে। এই সম্পৰ্কে অতুলচন্দ্ৰ হাজৰিকাই যুগুত কৰা অসম সাহিত্য সভাৰ ৰূপলেখা-ৰ পৰা তলৰ কথাখিনি উদ্ধৃত কৰা হ'ল আৰু সভাৰ বিষয়ববীয়াসকলৰো এই সম্পৰ্কত গা নলৰা দেখি একাংশ সাহিত্যানুৰাগী লোক চিন্তিত হৈ পৰে। তাৰ আভাস তলত তুলি দিয়া চিঠিখনৰ পৰাই জনা যাব।*



*ছিলং মুকুল সংঘৰ যোৱা ২৫/৮/৪৬ তাৰিখে আৰ্ল স্বাস্থ্যনিৱাসত বহা বৈঠকৰ সিদ্ধান্তমতে অসম সাহিত্য সভা সম্বন্ধে তলৰ গোহাৰিটি ৰাইজৰ আগত দাঙি ধৰা হ'য় ঃ*

*'অসম সাহিত্য সভা অসমীয়া সাহিত্যিক সমাজৰ একমাত্ৰ উমৈহতীয়া অনুষ্ঠান। কিন্তু কিছুদিনৰ পৰা জানিব পৰা গৈছে যে অসম সাহিত্য সভাত কিছুমান বেমেজালি সোমাইছে আৰু তাৰে ফলত একপ্ৰকাৰ এটা অচল অৱস্থাৰ সৃষ্টি হৈছে। ই সঁচাকৈয়ে অত্যন্ত পৰিতাপৰ বিষয়। ইয়াৰ পৰা অসমৰ সাহিত্যিক সমাজৰ আৰু লগতে অসমীয়া সাহিত্যৰো প্ৰভূত ক্ষতি হৈছে বুলি মুকুল সংঘই বিৱেচনা কৰে। উক্ত বেমেজালিবিলাক গুচাব নোৱাৰিলে অসম সাহিত্য সভা অচিৰে মৃতকল্প হ'ব বুলি সংঘৰ আশংকা। বিশেষতঃ যোৱা বছৰ সন্মিলন বহুৱাব নোৱাৰা হেতুকে সাহিত্য সভাৰ ভিতৰুৱা বেমেজালিবিলাক দকৈ শিপাবৰ সুবিধা হৈছে মাথোন। আগতে নিমন্ত্ৰণ কৰামতে ডিব্ৰুগড় সাহিত্য সভাই অহা পূজাৰ বন্ধত নোৱাৰিলেও বৰদিনৰ বন্ধত সন্মিলন বহুৱাবৰ কাৰণে আৱশ্যকীয় আয়োজন কৰিব বুলি সংঘই আশা আৰু অনুৰোধ কৰে। যদিহে ডিব্ৰুগড় সাহিত্য সভাই তেনে আয়োজন কৰিবলৈ অক্ষম হয় তেনেহ'লে আন কোনো শাখা বা স্বীকৃত সভাই সেই কাম তুৰন্তে হাতত ল'লে মহৎ উপকাৰ হ'ব। এই বিষয়ে ডিব্ৰুগড় সাহিত্য সভা আৰু আন আন স্বীকৃত আৰু শাখা সভাবোৰৰ দৃষ্টি আকৰ্ষণ কৰা হ'ল। যদি পূজা বা বৰদিনৰ বন্ধত সন্মিলন নিমন্ত্ৰণ কৰা কোনো শাখা সভাৰ পক্ষে সম্ভৱ নহয় তেতিয়া হ'লেও সাহিত্য সভাৰ বৰ্তমান অৱস্থা বেছি দিন চলি থাকিবলৈ দিয়াটো কোনো প্ৰকাৰে বাঞ্ছনীয় নহ'ব। তেনেস্থলত ছিলং মুকুল সংঘই তলত দিয়া ধৰণে কাম হাতত ল'বলৈ সাহ কৰিব খোজে —*

*অহা দুৰ্গা পূজা আৰু লক্ষ্মীপূজাৰ মাজভাগতে সাহিত্য সভাৰ ন-পুৰণি স্বীকৃত আৰু শাখা -সভাবিলাকৰ প্ৰত্যেকৰে একোজনকৈ প্ৰতিনিধি লৈ ছিলং চহৰতে অসমীয়া সাহিত্যানুৰাগী আৰু সাহিত্য সভাৰ কল্যাণকামীসকলৰ এখনি আলোচনা সভাৰ পুনৰুদ্ধাৰ হ'ব সেই কল্পে এই সভাত সিদ্ধান্ত গ্ৰহণ কৰিব পৰা হ'ব।*

*মুকুল সংঘই অসম সাহিত্য সভাৰ সভ্য আৰু কাৰ্যকাৰসকল, শাখা আৰু স্বীকৃত সভাসমূহ আৰু সকলো অসমীয়া সাহিত্যানুৰাগী লোককে সনিৰ্বন্ধ অনুৰোধ জনায় যেন তেখেতসকলে এই সম্পৰ্কে, বিশেষকৈ ওপৰত কোৱামতে ছিলঙত আলোচনা পতা সম্বন্ধে মুকলি অভিমত সোনকালে তেওঁলোকলৈ লিখি পঠায়।*

২৫/৮/৪৬ **শ্ৰীঅতুলচন্দ্ৰ বৰুৱা**
লাইট্‌মখ্ৰা, ছিলং সম্পাদক, মুকুল সংঘ

বাতৰি কাকতত এই চিঠি প্ৰকাশ হোৱাৰ পিছত সম্পাদক, সভাপতিয়ে বিবৃতি দি নিজৰ বক্তব্য দাঙি ধৰে। আনেও লিখিলে। এইদৰে বাতৰি-কাকতৰ পিঠিত কিছুদিনলৈ বাদ-প্ৰতিবাদ চলি আছিল। সেইবোৰলৈ লক্ষ্য কৰি সুৰভিৰ সম্পাদক ৰঘূনাথ চৌধাৰী ডাঙৰীয়াই সম্পাদকীয় মন্তব্য লিখিলে ঃ "অসম সাহিত্য সভাৰ বছেৰেকীয়া অধিৱেশন সম্বন্ধে ছিলং মুকুল সংঘৰ যুক্তিযুক্ত প্ৰস্তাৱ, সাহিত্য সভাৰ সম্পাদক আৰু সভাপতিৰ উত্তৰ-প্ৰত্যুত্তৰ আদি আমাৰ চকুত পৰিছে। মুঠতে এনে বগিয়াবগি আৰু সদৌ অসমীয়া সমাজৰ নিষ্ক্ৰিয়তাৰ ফলত এইবাৰো পূজাৰ বন্ধত সাহিত্য সভাৰ বছেৰেকীয়া অধিৱেশন সম্ভৱপৰ হৈ নুঠিল। অদূৰ ভৱিষ্যততো হোৱাৰ লক্ষণ দেখা নাই। ই যে অতি পৰিতাপৰ কথা, সন্দেহ নাই। ডিব্ৰুগড় ৰহস্যজনকভাৱে বাংমুখৰ, ছিলং অপ্ৰত্যাশিতভাৱে হতাশ। এয়েই হৈছে চমুকৈ সাহিত্য সভাৰ বৰ্তমান শোকলগা পৰিস্থিতি।

(সুৰভি, ভাদ ১৮৬৮ শক)

ইয়াৰ পিছতেই ডিব্ৰুগড় অধিৱেশনৰ দিন স্থিৰ হ'ল।

## নীলমণি ফুকন

বাগ্মীবৰ সকলোৰে ককা নীলমণি ফুকন (জন্ম ২২ জুন, ১৮৮০, মৃত্যু ২১ জানুৱাৰি, ১৯৭৮) এগৰাকী কবি, প্ৰাবন্ধিক, সাংবাদিক আৰু সুবক্তা। ফুকনৰ *জ্যোতিকণা* (১৯৩৮), *মানসী* (১৯৪৩), *গুটিমালি, জিঞ্জিৰি* (১৯৫১), *অমিত্ৰা* (১৯৫২), *সন্ধানী* (১৯৫৩), *আহুতি* (১৯৬১), *শতধাৰা* (১৯৬২), *মৰ্মবাণী* (১৯৬৩), *মৰা ডালত কুঁহিপাত* (১৯৬৫), *মানস প্ৰতিমা* (১৯৭১)—কবিতাৰ পুথি। *সাহিত্য কলা* (১৯৪০), *জয়াতীৰ্থ* (১৯৪১), *চিন্তামণি* (১৯৪২) উল্লেখযোগ্য গদ্য ৰচনা। দুবাৰকৈ অসম সাহিত্য সভাৰ সভাপতি (১৯৪৪, ১৯৪৭) ফুকনে সাহিত্য অকাদেমিৰ ফেলশ্বিপ সন্মানেৰে সন্মানিত হৈছিল (১৯৭২)।

ফুকন কটন কলেজৰ প্ৰথম দলৰ ছাত্ৰ। এই কলেজৰ পৰা ফুকনে এফ এ পাছ কৰি কোচ বিহাৰৰ ভিক্টৰীয়া কলেজৰ পৰা স্নাতক হয় (১৯০৭)। *আলোচনী* (১৯১০-১৭), *সাদিনীয়া অসমীয়া* (১৯১৮) আদি কাকতৰ লগত জৰিত হোৱাৰ উপৰি *ন-জোন* (১৯৩৪) মাহেকীয়া আলোচনীৰো সম্পাদক আছিল। ডিব্ৰুগড়ৰ জৰ্জ ইনষ্টিটিউটত শিক্ষকতাৰে কৰ্মজীৱন আৰম্ভ কৰা ফুকন দুবাৰকৈ অৰ্থাৎ অসম কাউন্সিল আৰু অসম বিধান সভাৰো সদস্য আছিল। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত যোগ দি কাৰাবৰণ কৰিছিল। ১৯৬৮ চনত এফ্ৰো এছিয়ান সন্মিলনত অসমক প্ৰতিনিধিত্ব কৰিছিল। সদৌ কৈৱৰ্ত সন্মিলন, সদৌ অসম সাহায্যপ্ৰাপ্ত হাইস্কুল শিক্ষক সন্মিলন, সদৌ অসম কৃষক সন্মিলন অসম ট্ৰেড ইউনিয়ন কংগ্ৰেছৰ সভাপতি, গুৱাহাটী আৰু ঢাকা বিশ্ববিদ্যালয়ৰ ক'ৰ্টৰ সদস্য, বৃন্দাবন বৈষ্ণৱ বিশ্ববিদ্যালয়ৰ চিনেটৰ সদস্য আছিল। ওজস্বী ভাষণেৰে সকলো মুগ্ধ কৰা ফুকনৰ গাত বাগ্মীবৰ বিভূষাটি লিপিট খাই পৰিল। (উপেন্দ্ৰ বৰকটকীৰ বিশ্বকোষৰ লেখা (ষষ্ঠ খণ্ড) আৰু ভাষণাৱলী দ্বিতীয় খণ্ড)

### অভিভাষণৰ সুবচন

*প্ৰাণৰ সংযোগত হিমালয়ো বেজীৰ জলাটো। তাৰ মাজেদিয়েই যোগসূত্ৰ অনায়াসে সৰকিব পাৰে।*

*****

*মানুহে হাতে ঢুকি পোৱা শিকলিডালতকৈ মনে ঢুকি পোৱা মধ্যাকৰ্ষণ শক্তিৰ কঠিনতা কম অনুভৱ নকৰে। যিটো প্ৰেৰণাই মানুহক সভ্যতা সৃষ্টি কৰিবলৈ উদগালে, সেই সভ্যতাৰ পৰিপুষ্টিৰ বাবেই সাহিত্য শিল্প কলাৰ সৃষ্টি হ'ল। সেই কাৰণেই সাহিত্য কলাই সভ্যতাৰ ঘাই ভেটি। সেই ভেটিৰ ওপৰতে সভ্যতা থিয় হৈ আছে। ভৰি থোৱা মাটিৰ পৰা মূৰে ঢুকি পোৱা আকাশৰ গ্ৰহ, নক্ষত্ৰলৈকে যদি সভ্যতাৰ বিস্তাৰ ভূমি তেন্তে ভৰিৰ ধূলি মাকটিৰ পৰা আকাশৰ উজ্জ্বল তৰালৈকে সাহিত্যৰ বিষয়বস্তু হ'ব পাৰে।*

*****

*সাহিত্যৰ লক্ষণেই প্ৰগতিশীল নহৈ নোৱাৰে। নৈয়ে এবি থৈ যোৱা মৰা বিল কেইখনে নৈৰ স্ৰোতস্বিনী নাম লোপ কৰিব নোৱাৰে। মৰিশালি এখনে ওচৰৰ জীৱন্ত মানুহৰ বসতিৰ কথাকেই সোঁৱৰাই দিয়ে। কথা হৈছে সামাজিক আদৰ্শৰ পৰিৱৰ্তনৰ লগে লগে সাহিত্যৰ আদৰ্শও নিশ্চয়*



*পৰিৱৰ্তন হয় আৰু সেয়ে তাৰ প্ৰগতিশীলতা। তাকে নকৰিলে বঁজা অমিতাৰ দৰে সাহিত্য শুৱনি হৈ লহপহকৈ বাঢ়ি আহিব পাৰে কিন্তু সি নিস্ফল।*

*****

*আত্মবিশ্বাস লোপ পাই আহিলেই আত্মবিস্মৃতি ঘটে তেতিয়া স্থবিৰ অৱস্থাত হাতৰ মুঠিত থকা বস্তুটোকো পেলাই দি থপিয়াই ফুৰিব লাগে।*

*****

*যিটো ভাষাই বৈদিক যুগৰ পৰা খাৰু মণি কেৰু মিনা কৰা অলংকাৰ নিজৰ পাট মেজাংকৰিৰ মেখেলা সাজি-পাৰ পিন্ধি, ধুতি-বিধুতি কানি অসমীয়া সাহিত্যৰ লখিমীৰ ভঁৰালত টোপে টোপে অসমীয়া ভাষাৰ কঠীয়া লৈ সাহিত্যক্ষেত্ৰ মাণিকী মাধুৰী, জহা ৰুই দাই চপাই ভোজ-ভাত খাই ৰং ৰহস্যৰ মাজত কাল কটাইছিল আজি তেনে মেটমৰা ভঁৰালত বাহিৰৰ এন্দুৰ, ডালশলীয়া সোমাইছে বুলি ঘৰ-দুৱাৰ ভঁৰাল-চোতাল এৰি হাবিত সোমাবলগা হ'লনে?*

*****

*অধঃপতিত জাতিয়েই সদায় নিজৰ বিষয়ে সন্দিহান হৈ উঠে।*

*****

*যমে টেঁটুত চেঁপা দিও যিষাৰ মাত হৰিব নোৱাৰে জীৱটোৰেও যিষাৰ মাত মাতি বিদায় লয় জীৱন্ত অৱস্থাত সেই মাতৃভাষাৰ বাবে ইমান সন্দেহ। ... সমাজত মেধাৱী লোকৰ জন্ম হ'লে ভাষাৰ সোঁত এনেও প্ৰবল হৈ চাৰিওফালে টৌৱাই যাবই যাব।*

*****

*অসম সাহিত্য সভাই ক'ৰবাত পাক লগোৱা সাহিত্য ক্ষেত্ৰৰ জগন্নাথৰ ৰথখন স্বপ্ৰসিদ্ধ সাহিত্যকসকলে একে হেচোঁকতে ক'তো নধৰাকৈ আকৌ চলাই নিব বুলি সতীৰ্থসকলে উদগ্ৰীৱ হৈ চাই আছে।*

*****


*এদিন এই অসমতেই অসমীয়া মুছলমানে বিদেশী মোগল বাহিনীৰ বৰটোপৰ গুলী বুকু পাতি লৈ দেশৰ স্বাধীনতা ৰক্ষা কৰিছিল।*

*****

*যুগধৰ্ম বুলি যিদৰে এটা কথা আছে সেইদৰে যুগবাণীকো স্বীকাৰ কৰিব লাগিব। এই যুগবাণী মানৰ সমাজৰ সৰ্ববিধ চিন্তা কৰ্মৰ মাজেদি প্ৰকাশ পায়।*

*****

*আস্থাই এটা অনুষ্ঠানৰ প্ৰাণশক্তি।*



# বিংশ অধিৱেশন, ডিব্ৰুগড়

(৪, ৫ আৰু ৬ এপ্ৰিল, ১৯৪৭)

তিনি বছৰৰ অন্তত ৪,৫ আৰু ৬ এপ্ৰিল তাৰিখে (১৯৪৭) ডিব্ৰুগড়ত বাগ্মীবৰ নীলমণি ফুকনৰ সভাপতিত্বত বিংশ অধিৱেশন বহিল।[১১২] বুৰঞ্জী সন্মিলন অনুষ্ঠিত হৈছিল সৰ্বানন্দ ৰাজকুমাৰৰ সভাপতিত্বত। সংগীত সন্মিলনত পৌৰোহিত্য কৰিলে সংগীতজ্ঞ এ. কে. ৰুস্তমজীয়ে।

এই অধিৱেশনত মুক্তানাথ বৰুৱা প্ৰধান সম্পাদক নিৰ্বাচিত হয়।[১১৩]

♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦

*১১২. এই অধিৱেশনৰ সভাপতিৰ বাবে ভোটত নীলমণি ফুকনে ৯ টা বাণীকান্ত কাকতিয়ে ২টা, যতীন্দ্ৰনাথ দুৱৰা ১টা ভোট। সেয়ে নীলমণি ফুকন সভাপতিৰূপে ঘোষিত হয়। অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল বেণুধৰ ৰাজখোৱা।*

*১১৩. এই বৰ্ষত গুৰুত্বপূৰ্ণ কোনো কাম হোৱা দেখা নগ'ল। অৱশ্যে পূৰ্বৰ সকলো মনোমালিন্য নাইকিয়া হোৱাৰ পৰিৱেশ সৃষ্টি হ'ল। ডিব্ৰুগড় অধিৱেশনৰ পিছত ২৭/১০/১৯৪৭ তাৰিখে জেহিৰুদ্দিন আহমদৰ সভাপতিত্বত পুনৰ এখন বিশেষ সন্মিলন যোৰহাটত অনুষ্ঠিত হ'ল। এই সন্মিলনে সভাৰ প্ৰধান সম্পাদক মুক্তানাথ বৰুৱাই দিয়া ১/৫/৪৭ তাৰিখৰ পত্ৰমৰ্মে তলত দিয়া প্ৰস্তাৱটো গ্ৰহণ কৰে—*

*"... দেশৰ বৰ্তমান পৰিৱৰ্তিত অৱস্থালৈ লক্ষ্য ৰাখি একেখন অসম সাহিত্য সভাকে সকলো কাৰ্য চলাবলৈ সুবিধা দি সমীচিন বুজি ভৱিষ্যতে নিয়মাৱলী সম্পৰ্কীয় আপত্তি তুলিবলৈ স্বত্ব ৰক্ষা কৰি ২৬/১২/৪৭ তাৰিখৰ বিশেষ সন্মিলনৰ প্ৰথম প্ৰস্তাৱ খণ্ডন ক্ৰমে নতুন সম্পাদকক কাৰ্যভাৰ সম্পূৰ্ণৰূপে যথাসম্ভৱ সোনকালে গটাই দিবলৈ প্ৰধান সম্পাদকক ক্ষমতা দিয়া হ'ল" মন কৰিবলগীয়া ১৬/১১/৪৩ তাৰিখৰ পৰা সভাৰ সকলো কাকত-পত্ৰ আলমাৰি আদি ৩১/১০/৪৭ তাৰিখলৈকে প্ৰধান সম্পাদকৰ ঘৰত আৱদ্ধ কৰি ৰখাৰ বাবে পূৰ্বৰ সম্পাদকক ঘৰ ভাড়া দিবলৈও সিদ্ধান্ত কৰা হয় আৰু সকলো মীমাংসা কৰিবলৈ প্ৰধান সম্পাদকক মুক্তানাথ বৰুৱাক দায়িত্ব দিয়া হয়। ইয়াৰ পৰা সভাখন বঞ্চিত হোৱাৰ পৰিৱেশ সৃষ্টি হ'ল।*

**বছৰটোৰ উল্লেখযোগ্য কাম**

*১। ইতিমধ্যে শিলচৰৰ তাৰাপুৰ স্কুলত অসমীয়া শিক্ষক নিযুক্তি সম্পৰ্কে আগতে কৈ অহা হৈছে। এই বৰ্ষত সভাই উদাৰবন্দ, শ্ৰীহট্টৰ জাপলুং অসমীয়া পঢ়াশালী, জাপিৰবন্দ আদিত বছৰত কমেও দহখন পঢ়াশালি পাতিবলৈ কৰা সিদ্ধান্ত আৰু ইয়াৰ বাবে বিংশ সন্মিলনে ৫,০০০.০০ (পাঁচ হেজাৰ) টকা মঞ্জুৰ কৰে।*

*২। বুৰঞ্জী নৃতত্ত্ব আদি টীকাসহ অসমৰ জনগোষ্ঠীয় সাহিত্যৰ সাধু, ফকৰা, গীত-মাত আদি সম্পাদনৰ কাৰণে সভাই ৫,০০০.০০ (পাঁচ হেজাৰ) টকা মঞ্জুৰ কৰে।*



*৩। এই সন্মিলনতে নতুন ৰাষ্ট্ৰতন্ত্ৰ অসমৰ ৰাষ্ট্ৰভাষা (তেতিয়াৰ) অসমীয়া হ'ব লাগে আৰু অসমত বাহিৰৰ পৰা আহি স্থায়ীভাৱে বসতি কৰা লোকসকলৰ উপৰি প্ৰতি শিক্ষানুষ্ঠানতে অসমীয়া বাধ্যতামূলক হ'ব লাগে বুলি সমিতিয়ে সিদ্ধান্ত কৰে আৰু চৰকাৰৰ লগত সভাই যোগাযোগ কৰে। তদুপৰি ভাষাৰ ভিত্তিত অসমৰ সীমা নিৰ্ধাৰণ কমিছনত সভাৰ প্ৰতিনিধি বিচাৰি কৰা আবেদন উল্লেখযোগ্য।*

*৪। পাৰ্বত্য অঞ্চল আৰু জনগোষ্ঠীৰ মাজত সম্প্ৰীতি দৃঢ় কৰিবৰ কাৰণে সংশ্লিষ্ট ভাষা শিকি তেওঁলোকৰ সাহিত্য প্ৰচাৰ কৰিবলৈ দহজন অসমীয়া দেশহিতৈষী ব্যক্তিক নিযুক্ত কৰিবলৈ সভাই সিদ্ধান্ত কৰে আৰু তাৰবাবে ৫,০০০.০০ (পাঁচ হেজাৰ) টকা ব্যয় মঞ্জুৰ কৰে।*

*৫। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ বৰগীত, ভটিমা দেৱ নাগৰি আৰু উৰ্দু লিপিৰে সদৌ ভাৰতত প্ৰচাৰ কৰিবৰ বাবে সভাৰ যত্ন। আৰু বৰগীত দেৱনাগৰি লিপিত ৰূপান্তৰ সম্পূৰ্ণ হোৱাৰ বাবদ ৩০.০০ (ত্ৰিশ টকা) মাননি দিয়া হয় (১৩/২/৪৯) ইয়াৰ লগত টীকা সংযোগ কৰাৰ বাবদ অতিৰিক্ত ২০.০০ টকা দিয়া হয়।*

*৬। এই বৰ্ষৰ পৰা (১৯৪৭) কটন কলেজত স্নাতকোত্তৰ শ্ৰেণী খুলিবলৈ চৰকাৰে সিদ্ধান্ত কৰিছে সেয়ে অসমীয়া এম এ শ্ৰেণীৰ লগতে বুৰঞ্জী বিষয়ৰ স্নাতকোত্তৰ শ্ৰেণী খোলা আৰু বি এ সন্মান বিষয়ত অসম বুৰঞ্জীৰ পাঠ্যক্ৰম প্ৰস্তুত কৰিবৰ কাৰণে সভাই চৰকাৰৰ লগত যোগাযোগ কৰে।*

*৭। সভাৰ অনুৰোধত ইতিবাচক উত্তৰ পাই সভাই নীলমণি ফুকনক গুৱাহাটী বিশ্ববিদ্যালয়ৰ ক'ৰ্টৰ সদস্যৰূপে মনোনীত কৰে। (৫/৮/৪৮)*

*৮। দ্বিতীয় মহাসমৰৰ সময়ত তুলসীনাৰায়ণ শৰ্মাই ঘৰলৈ লৈ যোৱা কিতাপ আৰু আন বয়-বস্তু নষ্ট হৈ থকা অৱস্থাতে গ্ৰহণ কৰি পুনৰ সংস্থাপন কৰে। ৬ খন চকী সম্পূৰ্ণ নষ্ট হোৱা বুলি সভাই গণ্য কৰে। এই বৰ্ষতে পূৰ্বৰ প্ৰধান সম্পাদক ৰামেশ্বৰ বৰুৱাই সভাৰ নথি-পত্ৰ মুক্তানাথ বৰুৱাক চমজাই দিয়ে। (৫/৮/৪৮)*

*৯। প্ৰাদেশিক সীমা যিহেতু ভাষাৰ ভিত্তিত হ'ব। সেয়ে সীমা নিৰ্ধাৰণ কমিছনত অসম সাহিত্য সভাক প্ৰতিনিধিত্ব দিবৰ কাৰণে সভাই দাবী জনাইছিল যদিও ১৬/৯/৪৭ তাৰিখে প্ৰধান মন্ত্ৰীয়ে দিয়া চিঠি ১২/১০/৪৭ তাৰিখৰ কাৰ্যনিৰ্বাহকৰ বৈঠকত 'নিৰাশজনক' বুলি সমিতিয়ে মত পোষণ কৰে। পুনৰ দাবী জনাবলৈ সমিতিয়ে সিদ্ধান্ত কৰে।*

*১০। উল্লেখযোগ্য সভাই বিশ্ববিদ্যালয়সমূহক বহিঃ প্ৰাদেশিক ক্ষমতা দিয়াৰ বিৰোধিতা কৰিছিল। কিয়নো প্ৰাদেশিক বিশ্ববিদ্যালয়ৰ সৈতে প্ৰতিযোগিতা হ'ব আৰু প্ৰাদেশিক বিশ্ববিদ্যালয়ৰ সংস্কৃতিমূলক কাৰ্য পদ্ধতিত ব্যাঘাত জন্মিব। গতিকে নীতিগতভাৱে বিশ্ববিদ্যালয়সমূহক বহিঃপ্ৰাদেশিক ক্ষমতাৰ সভাই বিৰোধিতা কৰিছিল।*

*১১। তদুপৰি এই বৰ্ষত কাছাৰ আৰু মণিপুৰক অসমৰ পৰা ফালি নি ত্ৰিপুৰাৰ লগত লগাই 'পূৰ্বাঞ্চল' প্ৰদেশ গঠন কৰিবৰ বাবে চৰকাৰে কৰা চেষ্টাক সভাই প্ৰতিবাদ কৰে।*

**অনুশাসনমূলক ব্যৱস্থা**

*১। "অসম সাহিত্য সভাৰ বৰ্তমান পৰিস্থিতি" সম্পৰ্কে সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতিৰ নামত ৰামেশ্বৰ বৰুৱা, ধীৰেশ্বৰ ভট্টাচাৰ্য আৰু দেৱানন্দ ভঁৰালীয়ে তৈয়াৰ কৰা বিজ্ঞপ্তি ৰামেশ্বৰ বৰুৱাই প্ৰচাৰ কাৰ্য অবৈধ বুলি সভাৰ ২৭/১/৪৬ তাৰিখৰ বৈঠকত ঘোষণা কৰে। মিছা বাতৰি প্ৰচাৰ আৰু নিয়মনীতি উলংঘা কৰাৰ বাবে আৰু ঊনবিংশ সন্মিলনৰ প্ৰথম অবৈধ সভাত সভাপতিত্ব কৰা বাবে কেয়োজনৰ সভ্যপদ তিনি বছৰলৈ বাতিল কৰে আৰু ভৱিষ্যতে সভাৰ যিকোনো দায়িত্ব নিদিয়াৰ সিদ্ধান্ত কৰে।*

*২। বাতৰি কাকতৰ যোগেদি সভাক হেয় কৰি বিবৃত্তি দি যাৰ অপৰাধত ডিম্বেশ্বৰ নেওগক কৈফিয়ৎ তলব কৰা হয় ১৩/২/৪৯ তাৰিখে।*

## অভিভাষণৰ সুবচন

বিজ্ঞানে ঢাহি-মুহি খোৱাৰ যন্ত্ৰ-পাতি গোটাই দি এই বৈজ্ঞানিক সিদ্ধি দিয়া কামত তেওঁলোকক সহায় কৰে। দাসী ঘৰণী হ'লে যিটো হয়, বিজ্ঞানেও আজি তাকে কৰিছে। আজি প্ৰায় দুশ বছৰে বৈজ্ঞানিক যন্ত্ৰপাতিৰ সভ্যতাৰ বিদ্যুৎ বেগে মানুহক আত্মস্থৰ ঠাইত অতিষ্ঠ কৰি তুলিলে। এই বিদ্যুৎ গতিয়ে পৃথিৱীক সৰগ পৰা মানুহৰ দৰে আধাপোৰা কৰি এৰি দিছে। এটি আনৱিক শক্তিৰ আৱিষ্কাৰতেই জগতখন ফুঁতে উৰাব পাৰি বুলি আকৌ আশংকাৰ সৃষ্টি হৈছে। আতংকিত অৱস্থাত মানুহে যিবিলাক অযুগুত কাম হঠাতে কৰি পেলায়, সেয়ে পুনৰ অভিনয় হোৱাৰ আশংকা হৈছে। প্ৰতীচ্য জগতেও এতিয়া এই কথা অনুভৱ কৰিছে। তাতো মিলিত জাতি সংঘ (U.N.O.) আৰু মিলিত জাতি শিক্ষা বিজ্ঞান সংস্কৃতি সংঘই (UNESCO) এই বিষয়ে বিচাৰ কৰি বুজি উঠিছে যে যান্ত্ৰিক সভ্যতাৰ কোঢ়া মুঠিৰ হাত সাৰিব নোৱাৰিলে মানৱ জাতিৰ মুক্তিতকৈ বন্ধনহে সহজ হৈ পৰিব। ইয়াৰ হাত সৰাহে এতিয়া মানৱ ধৰ্ম হোৱা উচিত। সাম্ৰাজ্যৰ লোভ, উপনিৱেশৰ মোহ এতিয়াও এৰিবলৈ টান পোৱা বাবেহে এই কথা ভালদৰে মুখ ফুটাই ক'ব পৰা নাই। কিন্তু অন্ততঃ গদাধৰে নিশ্চয় এইকথা গদিয়াই দিছে। সত্যৰ অপলাপ চিৰকাল হ'ব নোৱাৰে। কল্কি অৱতাৰ, সপ্ত ম্লেচ্ছৰ যুঁজ, পৃথিৱীখন বুন্দামাৰ, তাৰ পাছত সত্য যুগৰ পুনৰ প্ৰৱৰ্তন— এইখিনিও শাস্ত্ৰৰ বচন। জগতে এই সত্য যুগৰ অপেক্ষা নকৰি নোৱাৰে। বেদ, বাইবেল, কোৰাণেও সেই বাক্য জগতক কাহানিবাই শুনাই থৈছে। এতিয়া এই সত্য কেৱল দাৰ্শনিকৰ চকুৰে চালেই নহ'ব। নাইবা, বৈজ্ঞানিকৰ ৰঞ্জন ৰশ্মিৰে গৰ্ভৰ ভিতৰলৈকে দেখিলেও নচলিব। দৈনিক আচৰণত সি প্ৰতিফলিত হ'ব লাগিব। ইমানেই বাকী আছে।

*****

যেতিয়া ভাষাৰ ভেটিতেই সংযুক্ত স্বাধীন ভাৰতৰ প্ৰাদেশিক ৰাষ্ট্ৰবিলাক গঠন কৰা হ'ব, সৰ্বভাৰতীয় ৰাষ্ট্ৰভাষা হিন্দুস্থানী হোৱাৰ দৰে, প্ৰাদেশিক ৰাষ্ট্ৰভাষাও যেতিয়া সেই সেই প্ৰদেশৰ মাতৃভাষাই হ'ব, এতিয়া প্ৰাদেশিক ভাষা আৰু সাহিত্যৰ ঠাই আৰু আহল-বহল হ'ব লাগিব। এতিয়া অসমীয়া ভাষা খিলঞ্জীয়া সাতামপুৰুষীয়া অসমীয়া মানুহেই হৈ থাকিব নোৱাৰিব। অসমত স্থায়ীভাৱে বসবাস কৰা পমুৱা-বনুৱা আদি লোকসকল, বেহা-বেপাৰ, চাকৰি-বাকৰি কৰা লোকেও দাঁতি কাষৰীয়া উপজাতিসকলেও অসমীয়া ভাষা ৰাষ্ট্ৰভাষা হিচাপে শিকিবই লাগিব।

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

**মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ উৎসৱ**

১৯৪৯ চনৰ আহিন মাহৰ শুক্লা দশমী তিথিত মহা সমাৰোহেৰে শংকৰদেৱৰ ৫০০ বছৰীয়া জন্মোৎসৱ পাতিবলৈ সিদ্ধান্ত কৰে। যোৰহাট, গোলাঘাট, শিৱসাগৰ, ডিব্ৰুগড়, তিনিচুকীয়া, উত্তৰ লক্ষীমপুৰ, নগাঁও, গুৱাহাটী, তেজপুৰ, মংগলদৈ, নলবাৰী, বৰপেটা, ধুবুৰী, ছিলং, গোৱালপাৰা, শুৱালকুচি, কলিয়াবৰ, কোচ বিহাৰ, কলিকতা আদি ঠাইত উৎসৱৰ শাখা সমিতি স্থাপন কৰে। অসমীয়া, হিন্দী আৰু ইংৰাজীত শংকৰদেৱৰ ৰচনা প্ৰকাশ কৰিবলৈ বাণীকান্ত কাকতি, কালিৰাম মেধি, হৰিনাৰায়ণ দত্তবৰুৱা, শশীচন্দ্ৰ বৰবৰুৱা, হৰমোহন দাস, মহেশ চন্দ্ৰ দেৱগোস্বামী, অম্বিকাগিৰি ৰায়চৌধুৰী, প্ৰসন্নলাল চৌধুৰী আৰু বীৰেশ্বৰ শৰ্মাক লৈ সম্পাদনা সমিতি গঠন কৰা হৈছিল। অৱশ্যে পৰৱৰ্তী কাৰ্যবিৱৰণীত এই সম্পৰ্কে বিতং তথ্য পোৱা নহ'ল।



আজি সকলো বিষয়তে যুদ্ধোত্তৰ পৰিকল্পনা হৈছে। এই পৰিকল্পনা এৰি, যোৱা মহাসমৰত ঠকা-সৰকা হোৱা জগতৰ পুনৰ্সংগঠন অসম্ভৱ বুলি, আত্মঘাতী জাতিবিলাকে বেছ বুজিছে। বুজিও, আজি দুশ বছৰে মজ্জাগত হৈ পৰা বৈজ্ঞানিক ব্যভিচাৰৰ লিপ্সা এৰি দিব পৰা নাই। তপস্বিনী বেশ ধৰিছে যদিও, বৃদ্ধা বেশ্যাৰ মনৰ বিকাৰ এতিয়াও যোৱা নাই। এই মনৰ বিকাৰ সম্পূৰ্ণৰূপে নুগুচিলে, জগতে শাৰীৰিক নিকাৰ ভোগৰ হাত এতিয়াও নেসাৰে। যোৱা দুশ বছৰৰ বৈজ্ঞানিক তথ্যৰ অপপ্ৰয়োগেই এই বিকাৰৰ কাৰণে। ইয়াৰ একমাত্ৰ প্ৰতিষেধক হৈছে আন্তৰ্জাতিক সংস্কৃতিৰ ৰস সেন্দুৰ মাৰি বেলেগ বেলেগ ধাতুৰ জাতিক বেলেগ অনুপানেৰে খুৱাই সুস্থ কৰি তোলা। বেলেগ বেলেগ অনুপানেৰে এই একে পালি দৰবেই সকলোকে সুজিব। এই সংস্কৃতিগত আদৰ্শক এতিয়া মজ্জাগত কৰি ল'ব লাগিব। এনে কামত অসম সাহিত্য সভাৰ দৰে এটা জাতীয় সাংস্কৃতিক অনুষ্ঠানৰ কাম কি হ'ব পাৰে এবাৰ দকৈ ভাবি চোৱা আমাৰ নিতান্ত কৰ্তব্য।

*****

প্ৰাচ্য জগতত ধৰ্ম কেৱল বিশ্বাসেৰে বস্তু নাছিল। ই প্ৰতি মুহূৰ্ততে মানৱ জাতিৰ নিশ্বাস-প্ৰশ্বাসৰ মাজেদি আত্মাৰ ভিতৰ খোটালিত অহা-যোৱা কৰি থকা এক দৈৱিক শক্তি আছিল। এই নেদেখা আকৰ্ষণী শক্তিয়ে, আকাশৰ গ্ৰহ, নক্ষত্ৰবিলাক স্ব স্ব স্থানত ৰখাৰ দৰে, প্ৰাচ্য জাতিবিলাকক, বাহিৰে সংঘবদ্ধ নোহোৱা সত্ত্বেও, ক'তো ঠেকা-ঠেকি নলগাকৈ একেখন মহাদেশৰ অন্তৰ্ভুক্ত কৰি, এক বিচিত্ৰময় মানৱতাৰ সৃষ্টি কৰিছিল। ধৰ্ম, নীতি, সদাচাৰ এই মহাদেশত অনুভূতিতকৈ অধিকতৰ আচৰণ বস্তু আছিল। এইদৰে আচৰিত ধৰ্মই মানৱ সমাজক কোনোকালে আতংকিত কৰা নাছিল। আচৰণৰ প্ৰত্যক্ষতাই মনৰ বিভীষিকা দূৰ কৰিছিল। মনৰ বিভীষিকা দূৰ হোৱাৰ বাবে প্ৰত্যেক জাতিৰেই আত্মদৰ্শন হৈছিল। আত্মদৰ্শনেই সমদৰ্শিতাৰ দিব্য দৃষ্টি। একেষাৰ কথাৰে ক'বলৈ হ'লে মহাত্মা গান্ধী আজি প্ৰাচ্য মহাদেশৰ অন্তৰ্দৃষ্টিৰ মহাঋষি, এই মহাদেশৰ মানৱতাৰ প্ৰতীক। তেওঁতেই জগতৰ আত্মবল এদিন নহয় এদিন কেন্দ্ৰীভূত নহৈ নোৱাৰিব। আজি বুদ্ধদেৱৰ অহিংসা, হজৰত মহম্মদৰ ভাতৃত্ব, মহাপ্ৰভু যীশুৰ প্ৰেম— তেওঁতেই ত্ৰিৱেণী-সংগম হৈছে।

*****

অসমত থকা বনুৱাসকলৰ মাজত অসমীয়া ভাষা সোমাই পৰিছে যদিও ভালদৰে গা লগা নাই। সি একৰকম মিহলি অসমীয়া হৈ আছে। এতিয়া তেওঁলোকৰ মাজত নিয়মমতে অসমীয়া ভাষাৰ পঢ়াশালি যথেষ্ট দিয়া উচিত আৰু তাত অসমীয়া ভাষা প্ৰচাৰৰ বাবে ভাল দিহা হ'ব লাগে। অসমীয়া সাহিত্য সভাৰ জৰিয়তেও এটা কাম হ'ব পাৰে।

*****

তৰুণ লিখক-লিখিকাসকলো আগবাঢ়ি আহক। তেওঁলোকক ৰস থকা চকুৰে অসমীয়া সংস্কৃতিৰ ভৱিষ্যত বহুদূৰলৈকে দেখিবলৈ পাব। তেওঁলোকৰ লিখনীয়ে জাতীয় চিন্তাধাৰাত এটা নতুন উন্মাদনা আৰু উন্মেষদিয়ক। জাতিৰ পৰি অহা মন আকৌ ঠন ধৰি উঠিব। অসম সাহিত্য সভাৰ লগত তেওঁলোকৰ প্ৰগতিশীল মনৰ সংযোগ হ'লে সভাৰ স্থবিৰতাও সতকাই আহিব নোৱাৰে। গছৰ কুঁহি কেইটি, পাত কেইখিলা, শাখা-প্ৰশাখাবিলাক সমানে বাঢ়ি নাহিলে

সেই গছৰ গুৰিও শকত হোৱা টান। সেয়ে নহ'লে গা-গছজোপাই বিস্তাৰ লাভ কৰি যথেষ্ট সুৱদী ফল দিব নোৱাৰে।

*****

পুথি প্ৰকাশক আৰু ব্যৱসায়ীসকলেও সংঘবদ্ধ হৈ সহজ সৰল গণ-সাহিত্যৰ উপযোগী সস্তীয়া পুস্তিকা, সেইদৰে সংঘবদ্ধ এশ্ৰেণী লিখকৰ হতুৱাই লিখাই জনসাধাৰণৰ মাজত পঢ়ুৱৈ সমাজ সৃষ্টি কৰালে তেওঁলোকৰ ব্যৱসায়ো চলে আৰু লগতে দেশত সাহিত্য প্ৰচাৰো হয়।

*****

অসম পমুৱা সমস্যা ইমান জটিল হৈ নুঠিলহেঁতেন যদি পমুৱাৰ শতকাৰ ৯৫ জনেই মৈমনচিঙীয়া মুছলমান নহ'লহেঁতেন। এওঁলোকে অসমীয়া ভাষা গ্ৰহণ কৰি সৰ্বতোভাৱে অসমীয়া হৈ থাকিবলৈ সম্পূৰ্ণ আগ্ৰহ দেখুৱাইছিল। 'বাতৰি'ৰ পাতে পাতে তেওঁলোকৰ শুদ্ধ অসমীয়াত লিখা খা-খবৰ, প্ৰবন্ধ, আন কি, অসমীয়া কবিতায়ো ঠাই পাইছিল। 'সংৰক্ষিণী' সভাৰ সভ্য, শাখা সভাৰ কাৰ্যকৰী সমিতিত তেওঁলোকে সোমাই কাম কৰিবলৈ আগবাঢ়িছিল। কিন্তু আমাৰ নেতাসকলৰ অদুৰদৰ্শিতা ইফালে এই চলতে 'পাকিস্তান'ৰ দোহাই দি সাম্প্ৰদায়িকভাৱে সহজ ৰাজনৈতিক ক্ষমতাৰ অধিকাৰী হ'বলৈ বিচৰা লীগ নেতাসকলে পমুৱা সমস্যাটো সাম্প্ৰদায়িক সমস্যালৈ ঢাল লোৱাই পাছত সাম্প্ৰদায়িক সংঘৰ্ষৰ টিঙিৰি কৰি তুলিলে। এতিয়া তাৰ জুয়ে কিদৰে কোৱাব খুজিছে সেই কথালৈ এই নেতাসকলে ভালদৰে মন কৰিছে নে? এতিয়াও 'পাকিস্তান'ৰ পৰিকল্পনা অসমত এজন অসমীয়াও জীয়াই থাকে মানে, বাহিৰৰ আক্ৰমণে সফল কৰি তুলিব, এনে দুঃসাহস এৰি, ইছলামৰ শান্তি ধৰ্মত কলংক নানে যেন। এই কামত অসমীয়া মুছলমান ভাইসকলে প্ৰতিৰোধ দিয়া আৰু বেছি কৰ্তব্য বুলি ভাবো। এই বিষয়ে যোৱা সন্মিলনত অৰণ্যত ৰোদন হ'লেও, কৰ্তব্য ভাবি মৈমনচিঙীয়া ভাইসকললৈ সৰলভাৱে যিখিনি কথা কৈছিলোঁ এতিয়াও সেইকথা তেওঁলোকক দকৈ ভাবি চাবলৈ কওঁ। তেওঁলোকক চিৰকাললৈ অসমীয়া মানুহৰ লগত মিলিব নোৱাৰা কৰি থৈ কেইজনমান নেতাই নিজে ৰাজনৈতিক ক্ষমতা লাভ কৰি নিজ স্বাৰ্থ সিদ্ধি কৰিবলৈ, তেওঁলোকক কেৱল বিপদত পেলাইছে। অসমীয়া ভাষা গ্ৰহণ কৰি, বলেৰে 'পাকিস্তান' কৰিবৰ উদ্দেশ্যে আহি সোমোৱাসকলক ঠাই নিদি, অসমীয়া হৈ তেওঁলোকে অসমীয়াৰ সকলো স্বত্ব বিচাৰক তাত কাৰো আপত্তি থাকিব নোৱাৰে। অসমত কোনোকালে হিন্দু, মুছলমানৰ কি সামাজিক, কি অৰ্থনৈতিক, কি ধৰ্মগত কোনো ৰকম সংঘৰ্ষ স্বাৰ্থ নাই। অসম দেশ অসম স্থান হৈয়েই থাকিব। ইয়াত 'হিন্দুস্থান' বা 'পাকিস্তান'ৰ নামত সংঘৰ্ষৰ অপৱিত্ৰ স্থান কৰিবলৈ যোৱাসকল মাত্ৰ নৰকলৈ যাব। অসমীয়া জাতি কি হিন্দু, কি মুছলমান— এই অসমতেই অসমী আইৰ কোলা শুৱাই শান্তিৰে বসবাস কৰিবলৈ সক্ষম হ'বই হ'ব। মাজতে অলপমান বিঘিনি ঘটিব পাৰে। এতিয়া ইছলাম ধৰ্মত প্ৰকৃত বিশ্বাসী অসমীয়া মুছলমান আৰু হিন্দু ধৰ্মতো বিশ্বাসী অসমীয়া হিন্দুৰ ঘাই কৰ্তব্য হ'ব লাগিব মৈমনচিঙীয়া সকলৰ মাজত অসমীয়া ভাষা প্ৰচাৰ কৰি তেওঁলোকক অসমীয়া ভাবাপন্ন কৰি তোলা।

◆◆◆◆◆

# একবিংশ সন্মিলন, মাৰ্ঘেৰিটা

## (১১ আৰু ১২ মাৰ্চ, ১৯৫০)

১৯৪৭ চনৰ ডিব্ৰুগড়ত অধিৱেশনৰ তিনি বছৰৰ অন্তত স্বাধীন ভাৰতৰ এই প্ৰথম অধিৱেশন বহে। টিৰাপ ফ্ৰন্টিয়াৰ এজেঞ্চিৰ সেই সময়ৰ হেড কোৱাৰ্টাৰ মাৰ্ঘেৰিটা চহৰত।[১১৪] এই অধিৱেশনত শাখাসমূহৰ পৰা প্ৰতিনিধি কমকৈ আহে। কেৱল ডিব্ৰুগড়, তিনিচুকীয়া, তিতাবৰ, শিৱসাগৰ, মংগলদৈ আৰু ছিলঙৰ প্ৰতিনিধিহে উপস্থিত থাকে। ইতিমধ্যে গঠিত বহুতো শাখাৰ মৃত্যু হয়। সেই অনুপাতে সভাত উপস্থিতিৰ সংখ্যা উৎসাহজনক আছিল।

সভাৰ দুয়োদিনেই সভাপতিক গায়ন-বায়ন আৰু সমদলেৰে সভামণ্ডপলৈ আগবঢ়াই আনে। শ্ৰোতৃমণ্ডলীৰ হৰ্ষধ্বনিৰ মাজত সভাপতিয়ে আসন গ্ৰহণ কৰে। অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল বিপিন কুমাৰ বৰগোহাঁই। এই অধিৱেশনত মাৰ্ঘেৰিটাৰ নগা, চিংফৌ, খামটি, ফাকিয়াল, দুৱলীয়া, খাময়াং, নেপালী, হিন্দুস্থানী, মাৰোৱাৰী, বাঙালী আদি সকলোৰে সহযোগ কৰিছিল। মাৰোৱাৰী সম্প্ৰদায়ে ল'লে অতিথি আপ্যায়নৰ দায়িত্ব, নেপালী ব্যৱসায়ী তেজ বাহাদুৰ প্ৰধানে ধুনীয়াকৈ সভামণ্ডপ নিৰ্মাণ কৰি দিলে। অধিৱেশনে অসমৰ সকলো শ্ৰেণীৰ ৰাইজক আকৰ্ষণ কৰি নিৰ্দিষ্ট সময়ত সভাপতিয়ে ভাষণ পাঠ কৰে উপস্থিতসকলে নীৰৱে ভাষণ শুনে আৰু সভাপতিৰ জাতীয়ত্বৰ পৰিচয়বাহী ভাষণত মুগ্ধ হয়। সন্ধ্যা সংগীত সন্মিলন (কৃষ্টি) ইন্দ্ৰেশ্বৰ বৰঠাকুৰৰ সভাপতিত্বত সাংস্কৃতিক অনুষ্ঠান হয়। সাংস্কৃতিক অনুষ্ঠানত জনগোষ্ঠীসকলেও ভাগ লৈছিল। যি উদ্দেশ্যৰে এই অধিৱেশন মাৰ্ঘেৰিটাত পতা হৈছিল সেয়া সফলতা কঢ়িয়াবলৈ সক্ষম হয়।

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

১১৪. সভাপতি নিৰ্বাচনৰ বাবে ২৩/১০/৪৯ তাৰিখে কাৰ্যনিৰ্বাহক সমিতিৰ বৈঠক থুলৰ অভাৱত সেইদিনা নবহি ৬/১১/৪৯ তাৰিখেহে বৈঠক বহে। শাখা আৰু অভ্যৰ্থনা সমিতিৰ পৰা পোৱা প্ৰাৰম্ভিক নামৰ গণনাত পাঁচজনৰ নাম পোৱা যায়— ১। যতীন্দ্ৰনাথ দুৱৰা, ২। বাণীকান্ত কাকতি, ৩। নলিনীবালা দেৱী, ৪। দুৰ্গেশ্বৰ শৰ্মা, ৫। অম্বিকাগিৰি ৰায়চৌধুৰী। মন কৰিবলগীয়া কাৰ্যনিৰ্বাহক সমিতিয়ে এই পাঁচজনৰ নাম শাখালৈ পঠিয়াই "শাখাৰ পৰা অহা চিঠি খুলিবলৈ আৰু সৰহ সংখ্যক ভোট পোৱা জনকে সভাপতি নিৰ্বাচন হ'ল বুলি ঘোষণা কৰিবলৈ প্ৰধান সম্পাদকক ভাৰ" দিয়ে। সেইমতে ৰায় চৌধুৰী সভাপতি নিৰ্বাচিত হ'ল।

দ্বিতীয় দিনা সভাত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয় আৰু মাৰ্ঘেৰিটা সভামণ্ডপতে বহা কাৰ্যনিৰ্বাহক সমিতিৰ বৈঠকত কেশৱনাৰায়ণ দত্তক প্ৰধান সম্পাদক, হেমচন্দ্ৰ দত্তক সহকাৰী সম্পাদক, ক্ষেত্ৰধৰ বৰগোহাঁইক ধনভঁৰালী আৰু পত্ৰিকা সম্পাদক আৰু পুথিভঁৰালী নিৰ্বাচন নহ'ল।

এই অধিৱেশনত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ লোৱা হয় আৰু বহুৰটোৰ ভিতৰত প্ৰস্তাৱসমূহ কাৰ্যকৰী কৰিবলৈ সিদ্ধান্ত কৰা হয়।[১১৪] পৰৱৰ্তী সন্মিলন ছিলিং মুকুল সংঘৰ হৈ সভাপতি হৰিপ্ৰসাদ বৰুৱাই ছিলঙলৈ অধিৱেশন নিমন্ত্ৰণ কৰে আৰু হৰ্ষধ্বনিৰে নিমন্ত্ৰণ গ্ৰহণ কৰে।

ৰাজ্যভাষাৰ স্বীকৃতি সম্পৰ্কীয় কাৰ্যসূচীৰ বিষয়ে বেলেগ অধ্যায়ত আলোচনা কৰা হৈছে। অসমৰ বৃহত্তৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি লোকপিয়লত নানা অজুহাত লৈ যাতে গোৱালপাৰাৰ স্থায়ী অধিবাসীক অনা অসমীয়া বুলি ধৰি নলয়। সেইবিষয়ে সভাই দৃঢ়মত পোষণ কৰে।

**জনগোষ্ঠীয় সাহিত্য**

অসমৰ জনগোষ্ঠীয় কৃষ্টিৰ লগত পৰিচয় স্থাপনৰ অৰ্থে গল্প আৰু সাধুৰ অসমীয়া ভাঙনি যুগুতাবৰ কাৰণে সমিতি গঠন। জনজাতীয় নিৰ্বাচিত কিছুমান শব্দ অসমীয়া ভাষাত স্থান দিয়া, পৰিভাষা প্ৰয়োগ কৰা বিষয়ক লৈও সমিতি গঠন কৰা হয়।

**বিশ্ববিদ্যালয়ত সংগীতৰ পাঠ্যক্ৰম**

সভাই গুৱাহাটী বিশ্ববিদ্যালয় অন্তৰ্গত শিক্ষানুষ্ঠানসমূহত সংগীত পাঠ্যক্ৰম প্ৰৱৰ্তন আৰু তাৰবাবে প্ৰয়োজনীয় পাঠ্যপুথি প্ৰণয়নৰ কাৰণে বিশ্ববিদ্যালয় আৰু শিক্ষা বিভাগক অনুৰোধ জনায়।

**নিয়মাৱলী**

উল্লেখযোগ্য পুনৰ নিয়মাৱলী সংশোধনৰ বাবে ৭ জন সদস্যৰে সমিতি গঠন কৰি পৰৱৰ্তী কাৰ্যনিৰ্বাহকত উত্থাপন কৰিব পৰাকৈ যুগুতাই দিবলৈ নিৰ্দেশ দিয়ে। নিয়মাৱলী সংশোধন সমিতিৰ সদস্যসকল— পদ্মধৰ চলিহা, কেশৱনাৰায়ণ দত্ত, প্ৰেমধৰ ৰাজখোৱা, পদ্মকুমাৰী গোহাঁই, মিত্ৰদেৱ মহন্ত, মুক্তানাথ বৰুৱা, পাৰ্বতি প্ৰসাদ বৰুৱা, এই সমিতিত উত্থাপন কৰিবৰ বাবে সংশোধনী প্ৰস্তাৱ বিচৰা হৈছিল যদিও প্ৰস্তাৱ নোপোৱাত ২৬/৮/৫১ তাৰিখে হোৱা

**ৰাজ্যভাষাৰ দাবী সম্পৰ্কীয় সভাৰ প্ৰথম প্ৰস্তাৱ**

১১৩. *প্ৰস্তাৱসমূহৰ ভিতৰত উল্লেখযোগ্য প্ৰস্তাৱটি হ'ল— অসম ৰাজ্যভাষা সম্পৰ্কীয়। সেই বছৰৰ ১৩ মাৰ্চ তাৰিখৰ ব্যৱস্থাপক সভাৰ অধিৱেশনতেই অসমীয়া ভাষাক ৰাজ্যভাষা বুলি স্বীকৃতি দিবলৈ সজোৰে দাবী উত্থাপন কৰে আৰু লগতে গাৰো পাহাৰ আৰু লুচাই পাহাৰৰ (বৰ্তমান মিজোৰাম) স্কুলক বাদ দি সকলো হাইস্কুলতে শিক্ষাৰ মাধ্যম অসমীয়া হ'ব লাগে বুলি দাবী জনায়। বেলৰে ট্ৰেডিং কোম্পানী, বি ও চি, অসম ব্ৰাঞ্চ অব টি এছচিয়েছনৰ অধীনৰ বিদ্যালয়ত অসমীয়া ভাষাক বাধ্যতামূলক বিষয় কৰিবলৈ অনুৰোধ জনায়। তদুপৰি দেখা যায় এই প্ৰস্তাৱৰ প্ৰতি চৰকাৰৰ কোনো সহাঁৰি নাপাই ৪/৬/৫০ তাৰিখৰ কাৰ্যনিৰ্বাহক সমিতিয়ে ২ জুলাই আৰু ১৬ জুলাই (১৯৫০) তাৰিখে ৰাজ্যভাষাৰ বাবে দাবী দিৱস পালন কৰিবলৈ আহ্বান জনায়।*



সমিতিৰ বৈঠকত কিছুমান সংশোধনী পৰামৰ্শ দিয়ে আৰু সেইমতেই ৩০/৯/৫১ তাৰিখে বহা কাৰ্যনিৰ্বাহক সমিতি বাৰ্ষিক অধিৱেশনত উত্থাপন কৰিবলৈ অনুমোদন জনায়।

**সদৌ ভাৰত সংস্কৃতি সন্মিলন**

২৮/১/৫১ তাৰিখে গুৱাহাটীৰ কাৰ্জন হলত অনুষ্ঠিত কাৰ্যনিৰ্বাহক সমিতিয়ে মাৰ্চ মাহত নতুন দিল্লীত বহিবলগীয়া ভাৰত সংস্কৃতি সন্মিলনত অসমক প্ৰতিনিধিত্ব কৰিবলৈ চৰকাৰৰ পৰা অৰ্থ সাহায্য বিচৰা হয় আৰু সভাপতি ৰায়চৌধুৰীক প্ৰতিনিধিত্ব কৰিবলৈ আৰু চৰকাৰৰ লগত যোগাযোগ কৰিবলৈ দায়িত্ব দিয়ে।[১১৫]

**ভাষা বিকাশ সন্মিলন[১১৬]**

পুনা বিশ্ববিদ্যালয়ে এই বৰ্ষৰ মে' মাহত আয়োজন কৰা ভাষা বিকাশ সন্মিলনত প্ৰধান সম্পাদক কেশৱনাৰায়ণ দত্তক সভাৰ হৈ প্ৰতিনিধিত্ব কৰিবলৈ অনুমোদন জনায়। দত্তই ইংৰাজীত এখন পুস্তিকা প্ৰকাশ কৰিছিল—The Asom Sahitya Sabha : A Brief History of the Association and its Work. (পৰিশিষ্ট চাওক)

**গুৱাহাটী বিশ্ববিদ্যালয়ৰ ক'ৰ্টৰ সদস্য**

এই বৰ্ষতে প্ৰধান সম্পাদক কেশৱনাৰায়ণ দত্তক গুৱাহাটী বিশ্ববিদ্যালয়ৰ ক'ৰ্টলৈ সভাৰ প্ৰতিনিধিস্বৰূপে মনোনীত কৰে আৰু পাঠ্যপুথি নিৰ্বাচন সমিতিলৈ সভাপতি ৰায়চৌধুৰীৰ নাম অনুমোদন কৰে (কা.বি. ৪/৬/৫০)

৩০/৯/৫১ তাৰিখৰ কাৰ্যনিৰ্বাহক সমিতিয়ে সামাজিক শিক্ষাব'ৰ্ডত অসম সাহিত্য সভাৰ প্ৰতিনিধি হিচাপে প্ৰধান সম্পাদক কেশৱনাৰায়ণ দত্তক অনুমোদন কৰে।

**আভ্যন্তৰীণ সমস্যা**

অসম সাহিত্য সভাৰ পূৰ্বৱৰ্তী দুগৰাকী প্ৰধান সম্পাদকে উত্থাপন কৰা সভাৰ হিচাপ ৯/৪/৫০ তাৰিখে বহা কাৰ্যনিৰ্বাহক সমিতিয়ে গ্ৰহণ নকৰিলে আৰু হিচাপ পৰীক্ষা নকৰালৈকে সকলো নথিপত্ৰ প্ৰাক্তন প্ৰধান সম্পাদক ডিম্বেশ্বৰ নেওগ আৰু মুক্তানাথ বৰুৱাৰ তত্ত্বাৱধানত ৰখাৰ সিদ্ধান্ত কৰে (১৯৪০-৫০)। সভাই চৰকাৰী হিচাপ পৰীক্ষকৰ হতুৱাই হিচাপ পৰীক্ষা কৰালত ভালেমান আসোঁৱাহ ধৰা পৰে। চৰকাৰৰ পক্ষৰ পৰা প্ৰধান সম্পাদকলৈ আৰু প্ৰধান সম্পাদকে ভূতপূৰ্ব প্ৰধান সম্পাদকলৈ দিয়া পত্ৰ পাঠ কৰে আৰু বহু যোগাযোগ কৰা সত্ত্বেও প্ৰধান সম্পাদক দুগৰাকীয়ে উত্তৰ নিদিয়াত ইয়াৰ বাবে প্ৰাক্তন প্ৰধান সম্পাদক দায়ী থাকিব বুলি লোৱা প্ৰস্তাৱ শিক্ষা বিভাগ আৰু হিচাপ পৰীক্ষকলৈ পঠিয়াবলৈ সিদ্ধান্ত কৰে। ইতিমধ্যে নীলমণি ফুকনৰ আৱেদনৰ ভিত্তিত গুৱাহাটী বেংকৰ স্থায়ী জমা সম্পৰ্কে নিষেধাজ্ঞা আৰোপ কৰে। (উল্লেখযোগ্য ৭/৯/৫২ তাৰিখে নীলমণি ফুকনৰ ওপৰত অনুশাসনমূলক ব্যৱস্থা লৈ ফুকনক সভ্য পদৰ পৰা বাদ দিয়া হৈছিল) আনহাতে অসম সাহিত্য পৰিষদে ১৯৫১ চনৰ জুলাই মাহৰ ১ তাৰিখে বহা সাধাৰণ

১১৫. *অতুলচন্দ্ৰ হাজৰিকাৰ অসম সাহিত্য সভাৰ ৰূপলেখাত (পৃ. ৮৫) বৰ্ণিত বিষয়ৰ লগত অমিল দেখা যায়।*

১১৬. *পূৰ্বোক্ত, পৃ. ৮৫*

পৰিষদৰ বৈঠকত ইম্পেৰিয়েল বেংক আৰু অন্যান্য বেংকৰ হিচাপৰ লেনদেন বন্ধ কৰিবৰ কাৰণে বেংকত আৱেদন কৰাত বেংকে লেনদেন বন্ধ কৰি দিয়ে। ইয়াৰ ফলত সভা দুৰ্যোগৰ সন্মুখীন হয়। আনকি সভাৰ হিচাপ সম্পৰ্কে এগৰাকী বিষয়ববীয়া আৰক্ষীৰ সোধপোচৰো সন্মুখীন হৈছিল। ১৯৫১ চনৰ ১ জুলাই তাৰিখে ডিব্ৰুগড়ত বহা অসম সাহিত্য পৰিষদৰ বৈঠকত ৩০ ছেপ্টেম্বৰ, ১৯৫১ তাৰিখৰ কাৰ্যনিৰ্বাহক সমিতিয়ে অবৈধ ঘোষণা কৰে। কিন্তু তেতিয়াও সভাত মতানৈক্য চলিয়ে থাকিল। কাৰ্যনিৰ্বাহক সমিতি আৰু পৰিষদৰ দলাদলি চলি থাকিল। সভা আভ্যন্তৰীণভাৱে দুৰ্বল হ'ল যদিও এটা সুখবৰ সভাৰ পত্ৰিকা কেশৱনাৰায়ণ দত্তৰ সম্পাদনাত পুনৰ প্ৰকাশ হ'ল। মুক্তানাথ বৰুৱা পত্ৰিকা সম্পাদক হৈছিল যদিও পত্ৰিকা উলিয়াব নোৱৰাত কাৰ্যনিৰ্বাহক সমিতিয়ে কেশৱনাৰায়ণ দত্তক পত্ৰিকা সম্পাদকৰ দায়িত্ব দিয়ে। আন এটা উল্লেখযোগ্য ভাল খবৰ হ'ল অসমৰ জনজাতিসকলোৰে মূল, সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক সকলো দিশ সামৰি এখন গ্ৰন্থ লেখকক এহেজাৰ টকা মাননি দিবলৈ স্থিৰ কৰে। ১৯৫২ চনৰ ১০ ছেপ্টেম্বৰ তাৰিখে "Assam Tribune"-ত বাতৰিটো এনেকৈ প্ৰকাশ হৈছিল— *The reward of Rs. 500/- which was lately anounced for the compilation of the best book in Assamese on the tribes of Assam, giving a history of their origin and their social, cultural and economic life has been raised to Rs. 1000/-. The book is to be submitted in manuscript before March 3,1953.* উল্লেখযোগ্য ১৯৬২ চনত ড° প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্যৰ সম্পাদনাত "অসমৰ জনজাতি" গ্ৰন্থখন প্ৰকাশিত হয়। তেতিয়া প্ৰধান সম্পাদকৰ দায়িত্ব পালন কৰিছিল ড° মহেশ্বৰ নেওগে।

## ভগৱানলৈ প্ৰাৰ্থনা

সভাৰ দলাদলি আভ্যন্তৰীণ কন্দলত মৰ্মাহত হৈ ৰায়চৌধুৰীয়ে কেশৱনাৰায়ণ দত্তৰ সম্পাদনাত প্ৰকাশিত পত্ৰিকাৰ দ্বিতীয় সংখ্যাৰ ১৭৬ আৰু ১৭৭ পৃষ্ঠাত (১৯৫২) লিখিলে ভগৱানলৈ প্ৰাৰ্থনা বুলি।

"ছিলঙত অসম সাহিত্য সভাৰ ২২ অধিৱেশন বহিব। মাহ-সময়-বাৰ ঠিক হোৱা নাই যদিও 'মুকুল সংঘ'ৰ চেষ্টাত শক্তিশালী অভ্যৰ্থনা সমিতি গঠিত হৈ প্ৰাথমিক কাম উদ্যমেৰে আৰম্ভ কৰা হৈছে। ইং ১৯৫০ চনত মাৰ্ঘেৰিটাত বহা ২১ শ অধিৱেশনৰ সভাপতি আছিলোঁ মই। মাজতে ২ বছৰীয়া ফাঁক এটা পেলাই এই ২২ শ অধিৱেশন বহুৱাবলৈ দিহা কৰা হৈছে ৰাজধানী ছিলঙত। মাজতে এই দুই বছৰীয়া ফাঁকটো কিয় পৰিল, তাৰ কাৰণ সম্প্ৰতি উল্লেখ নকৰি, ছিলঙৰ এই ২২ শ অধিৱেশনক বিৰাট সাফল্য দিবলৈকে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালোঁ।

ইং ১৯৫০ চনৰ পৰাই মই গাৰো-পৰ্বতৰ ওচৰ-চুবুৰীয়া কোনো ঠাইত, কাছাৰত নাইবা ছিলঙত সাহিত্য সভাৰ এই ২২ শ অধিৱেশন পতাৰ চেষ্টাত লাগি আছিলোঁ। গাৰো-পৰ্বত বা ধুবুৰীৰ কোনো ভিতৰুৱা ঠাইত ১৯৫১/৫২ ৰ ভিতৰতে এই অধিৱেশন পতাৰ বন্দৱস্ত কৰিবলৈকে ধুবুৰীৰ কংগ্ৰেছ নেতা শ্ৰীশৰৎ চন্দ্ৰ সিংহৰ (ex : M.L.A.) যোগেদি আৰু ছিলঙত



পাতিবলৈকে 'ছিলং মুকুল সংঘ'ৰ যোগেদি যত্ন কৰি আছিলোঁ। শ্ৰীশৰৎ চন্দ্ৰ সিংহই কেইবাবাৰো চেষ্টা কৰি নোৱাৰিলে বুলি কোৱাত 'মুকুল সংঘ'ৰ ওপৰতে বেছিকৈ ভৰ দিলোঁ। বহুতদিন 'মুকুল সংঘ'ই মোৰ অনুৰোধলৈ কাণ দিয়া নাছিল। কিন্তু মোৰ নেৰা-নেপেৰা আগ্ৰহত, আৰু কাৰ্যনিৰ্বাহক সভাৰ পৰাও অনুৰোধ কৰাত, ছিলঙত অসম সাহিত্য সভাৰ অধিৱেশন এখন বহুৱাৰ আৱশ্যকতা বুজি 'মুকুল সংঘ'ই এই ২২ শ অধিৱেশনৰ আয়োজন কৰিছে। এইবাবে 'মুকুল সংঘ'লৈ মোৰ শলাগ জনাই, অসমীয়া ভাষা-সাহিত্যৰ সেৱক মাত্ৰককে সনিৰ্বন্ধ অনুৰোধ জনালোঁ, যেন পৰ্বত-ভৈয়ামৰ সাহিত্যিকবৃন্দ ভাগি গৈ ছিলঙৰ এই অধিৱেশনত উপস্থিত হৈ অসমত অসমীয়া ভাষা-সাহিত্যক বিশ্ব-বৰেণ্যৰূপ দিবলৈকে অসমীয়াৰ ভিতৰত বজ্ৰগোট বান্ধে।

মই সভাপতি নিৰ্বাচিত হোৱাৰ দিনাখনৰ পৰাই (ইং ১৯৫০ ৰ মে' মাহ) মনত স্থিৰ কৰিছিলোঁ, যে এইবাৰ সাহিত্য সভাৰ যোগেদি পৰ্বত-ভৈয়ামৰ গোটেইটো অসমীয়া জাতিক দৃঢ় বন্ধনত গাথি পেলাই অসমত অসমীয়া ভাষা-সাহিত্য সংস্কৃতিৰ অধিকাৰ সুদৃঢ়কৈ প্ৰতিষ্ঠিত কৰিবলৈ মন-প্ৰাণ ঢালি কাম কৰিম। এই সংকল্পৰে প্ৰথমতে কৰ্মক্ষেত্ৰত সোমাই আগবাঢ়িছিলো। সেই কাম কেইটাৰ সাফল্যৰ খবৰ প্ৰত্যেকজন ভূ-ৰখা অসমীয়াই জানে। গতিকে, মই বহলাই ক'বৰ আৱশ্যকতা সম্প্ৰতি অনুভৱ নকৰিলোঁ। কিন্তু মই কামত এহাশুধীয়া আগবাঢ়ি যোৱাৰ বাবে তাত নিয়তিৰ কুটিল-কুৰ্চুং পৰিহাস পৰিল। গতিকে, মোৰ কৰ্মগতিও স্তব্ধ হৈ পৰিল। এইবোৰ কথা সম্প্ৰতি ক'বলৈ মোৰ মন নগ'ল। এইবাবে মই মনত যি বেদনা পাইছোঁ, তাৰ খবৰ মাজে-সময়ে কাকত পত্ৰত ৰাইজক জনাই আহিছোঁ। মন দি পঢ়িলে, সাহিত্য সভা পত্ৰিকাৰ 'নতুন প্ৰকাশ'ৰ এই ২য় ৩য় সংখ্যাত লিখকসকলৰ, বিশেষকৈ অসম সাহিত্য সভাত নিঃস্বাৰ্থ কৰ্ম-শক্তিৰে প্ৰাণ প্ৰতিষ্ঠা কৰোঁতা স্বৰ্গীয় শৰৎ চন্দ্ৰ গোস্বামীৰ নিজ হাতেৰে লিখি থৈ যোৱা 'সাহিত্য সভাৰ কথা'খিনিৰ পৰাই পাব।

ছিলঙৰ এই ২২ শ অধিৱেশনত, সাহিত্য সভাৰ পৰা তাৰ কলিজা খুলি খোৱা এই বিষাক্ত কীটৰ বীজ সমূলি ধ্বংস কৰি তাক নদন-বদন জগত জিলিকা কৰি তুলিবলৈ সকলোৰে অন্তৰত সৎ সাহসৰ ধাৰা ঢালি দিবলৈকে ভগৱানৰ ওচৰত পুনৰ প্ৰাৰ্থনা জনালোঁ। আশা কৰোঁ নিৰাশাত নপৰিম।"



## অম্বিকাগিৰি ৰায়চৌধুৰী

ৰায়চৌধুৰীৰ (জন্ম ১০ ডিচেম্বৰ, মৃত্যু ২ জানুৱাৰি ১৯৬৭)। প্ৰাথমিক শিক্ষা বৰপেটাত লাভ কৰে। তৰা পৰা বৃত্তি পাই উত্তীৰ্ণ হৈ গুৱাহাটীৰ সোণাৰাম হাইস্কুল, কলেজিয়েট হাইস্কুলত তৃতীয় শ্ৰেণীলৈকে পঢ়ি (১৮৯৭-১৯০৫) স্কুল এৰে আৰু বংগ ভংগ আন্দোলনত গা ঢালি দিয়ে। গুৱাহাটীত স্কুল এৰাৰ পিছতেই এনাৰ্কিষ্ট পাৰ্টি (সন্ত্ৰাসবাদী দল খোলে (১৯০৫)। পুলিচৰ কোপদৃষ্টিৰ পৰা হাত সাৰিবলৈ বৰপেটাত থাকিবলৈ লয় (১৯০৭-১৯১৪)। এই সময়তে বৰপেটাত সনাতন সংগীত সমাজ স্থাপন কৰি *জয়দ্ৰথ বধ*, *'ভক্ত গৌৰব'*, *'কল্যাণময়ী'* আদি নাটক লিখি অসমীয়া নাটক, বঙলা নাটৰ প্ৰভাৱৰ মুক্ত কৰিবলৈ যত্ন কৰে। শাৰীৰিক আৰু মানসিক ব্যায়াম চৰ্চাৰ বাবে *'শ্ৰীশংকৰদেৱ চাৰ্কাছ'* পাৰ্টি খোলে। সমাজ সেৱাৰ বাবে *'গৰীৱ সমাজ'* দুখীয়া ছাত্ৰৰ সহায়ৰ বাবে *'বৰপেটা পুৱৰ ফণ্ড'* খোলে।

ৰায়চৌধুৰীৰ *তুমি* (১৯১৬), *বীণা* (১৯১৬), *অনুভূতি* (১৯৫৪), *স্থাপন কৰ স্থাপন কৰ* (১৯৫৬), *বেদনাৰ উলকা* (১৯৬৪), আদি ৰায়চৌধুৰীৰ কাব্য। গীতৰ পুথি *আজি বন্দো কি ছন্দৰে* (১৯৫৯) আৰু *আজি কাৰ আৱাহন* গদ্যৰ পুথি *আহুতি* (১৯৫৪)। ইয়াত আগত *জগতৰ শেষ আদৰ্শ* আৰু *বিশ্বশান্তি স্থাপনৰ পথ* (১৯১৬) আৰু *ডেকা ডেকেৰীৰ বেদ* (১৯৪২) প্ৰবন্ধ পুথি প্ৰকাশ হয়। ১৯০৪ চনত ৰচিত *বন্দিনী ভাৰত* নাটকখন চৰকাৰে বাজেয়াপ্ত কৰে। *শতধাৰা* (১৯২২) প্ৰকাশৰ বাবে ফাটেক খাটিছিল। *বেদনাৰ উল্কা* নামৰ কাব্য গ্ৰন্থৰ বাবে তেওঁ সাহিত্য অকাদেমি বঁটা (১৯৬৭) লাভ কৰে। অসম সাহিত্য সভাৰ প্ৰথমখন কাৰ্যনিৰ্বাহকৰ সদস্য হোৱাৰ উপৰি সভাৰ উনবিংশ অধিৱেশন (১৯৪৪) ৰ সংগীত সন্মিলনৰ সভাপতি আছিল।

বিপ্লৱী মণিষাৰ প্ৰতীক ৰায়চৌধুৰীয়ে *'অসম সংৰক্ষিণী সভা,* (১৯২৬) ৰ জন্ম দি পিছত এই সভাক জাতীয় মহাসভালৈ ৰূপান্তৰ কৰে। গুৱাহাটীত 'অৰুণা প্ৰেছ' স্থাপন কৰি মাত্ৰ দুটকা মূলধনেৰে *'চেতনা'* (১৯১৯-২৬) মাহেকীয়া আলোচনী উলিয়ায়। অসম জাতীয় মহাসভাৰ বাণী প্ৰচাৰৰ বাবে গান্ধীজীৰ হৰিজন কাকতৰ আৰ্হিত পযেকীয়া *ডেকা অসম* (১৯৩৬) উলিয়ায়। *আসাম বান্ধৱ* (১৯১৪) কাকতৰ সহকাৰী সম্পাদকৰ দায়িত্বও পালন কৰিছিল। জেলত থকাকালত ৰচনা কৰা জাতীয় চেতনা আৰু দেশাত্মবোধ উদ্দীপক ভালেকেইটা কবিতা সম্পৰ্কে ড° বিৰিঞ্চি কুমাৰ বৰুৱা আৰু ড° বাণীকান্ত কাকতিয়ে কৈছিল—*Roy Chaudhury is the most elemental genius in the social activities of present day Assam. With little schooling and less home training he has sucked in inspiration from this common air and he breaths through every pare. He is a multiple personality- a musician, or musical composer, a poet, a politician, a magical organiser of volunteer corps.* (ভাষণাৱলী ২য় খণ্ড, পৃ. ১৯)



## অভিভাষণৰ সুবচন

*সাহিত্য সম্বন্ধে মোৰ জ্ঞান নহ'লেও,— তাৰ লগত সম্বন্ধ ঘটোৱা সৌভাগ্যৰ পৰা মই বঞ্চিত হ'লেও, — সাহিত্যৰ ৰূপ সম্পৰ্কে মোৰ অনুভূতিত মাজে সময়ে কিছু উপলব্ধিয়ে দেখা দিয়া যেন মই গম পাওঁ। সেই গমটো, দ্বিৰুক্তি দোষেৰে কণ্টকিত হোৱা যেন দেখিলেও, আপোনালোকৰ ধৈৰ্যচ্যুতি ঘটাবলৈকে নহয়, মোৰ নিজস্ব খেয়ালৰ তৃপ্তি পলুৱাবলৈকেহে।*

*****

*সাহিত্য সম্বন্ধীয় মোৰ সেই উপলব্ধিটোৱে যেন দৰিয়াই ডাঠকৈ মোৰ অন্তৰত ধ্বনিবিলাক তোলে,— (১) আত্মবিকাশৰ প্ৰচণ্ড চিকুৰত উদ্ভৱ হোৱা সমস্যাৱলী সমাধানৰ তৃপ্তিদায়ক চেষ্টাটোৱেই সাহিত্য, — (২) সীমাৰেখাৰে আৱদ্ধকৃত আত্মাৰ অসীমাত্মাত মিলন ঘটোৱা ৰসময় প্ৰচেষ্টাৰ আকুল আৱেগত প্ৰস্ফুটিত হৈ উঠা জীৱন সৌন্দৰ্যৰ জাতিস্মাৰ ৰূপ— (৩) জীৱনৰ লীলায়িত প্ৰতিবিম্ব, — (৪) ৰহস্যময় জীৱনৰ বৈচিত্ৰ্য প্ৰকাশৰ পৰিকল্পনা প্ৰসূত নিত্য নতুনৰ লৱণু বিকাশ, — (৫) অপূৰ্ণতাৰ বেষ্টনী ভাঙি জীৱনক পূৰ্ণতাৰ ৰসাপ্লুত আনন্দত থিতি কৰা প্ৰয়াসৰ তেজোদ্দীপ্ত আকুলতা, —(৬) দৃশ্যমান জগতৰ জটিলতাৰ লগত অদৃশ্যমান জগতৰ সমন্বয় ঘটাই আত্মানন্দ উপভোগ কৰা ৰসবীজৰ অফুৰন্ত সঁফুৰা,— (৭) অসীম ধিয়াই চলা অবিশ্ৰান্ত পথত নিত্য নতুনৰ হিল্লোল তুলি উদীপ্ত প্ৰেৰণাৰে মানৰ মনক ক্ৰমে বহললৈ আগবঢ়াই নিয়াৰ সতেজ ইংগিত। আন শ্ৰেণীৰ জীৱৰ ভিতৰতো এনে কিবা সাহিত্য থাকিব পাৰে। কিন্তু মই ইয়াত কেৱল মোৰ মানৰ সাহিত্য উপলব্ধিৰ কথাহে কৈছোঁ। নাজানো, সাহিত্যাধিকাৰী বিদ্বজ্জনৰ মনত সাহিত্য সম্বন্ধীয় মোৰ এই উপলব্ধিখিনি কেনেদৰে ব্যাঘাত হয়। সাহিত্য সম্বন্ধীয় মোৰ এই উপলব্ধিটো আৰু কেবা ৰকম ভংগীৰে প্ৰকাশ কৰিব পাৰি।*

*****

*সাহিত্য বস্তুটো জীৱনৰ প্ৰতিবিম্ব। যি জীৱনৰ যেনে ৰূপ, তাৰ লিখাত তেনে প্ৰতিবিম্বই পৰে। জীৱনত আত্মজ্ঞান, আত্মবিশ্বাস, আত্মশ্ৰদ্ধা, আত্মমৰ্যাদাৰ অনুভূতিটো যিমানেই স্পষ্ট, প্ৰখৰ আৰু সতেজ হৈ বৰ্তিব, সেই জীৱনৰ বিৰাট উজ্জ্বল প্ৰতিবিম্ব বুকুত লৈ তিমানেই মহান সাহিত্যৰ সৃষ্টি হ'ব। সেই সাহিত্যইহে মানৱীয় মনোজগতত একছত্ৰী অধিকাৰ থাপি, মানৱৰ সকলো দুৰ্বলতা, অপূৰ্ণতা, কলুষ, ক্লেদ, গ্লানি, নীচতা, ভীৰুতা, ক্লেশ দৈন্য ধ্বংস কৰি তাক নিখুঁত মানৱীয় ৰূপত প্ৰকৃতিস্থ কৰি তুলিব। সেয়ে বিশ্ব মানৱীয় সাহিত্য। সাহিত্যৰ উদ্দেশ্য, মানৱক প্ৰকৃত মানৱীয় গুণত মহানভাৱে পৰিশোভিত কৰি তোলা। যি সাহিত্যৰ এই পৰিকল্পনা নাই, সি মানৱীয় সাহিত্য নহয়— অমানৱীয় কু-সাহিত্য, — সাহিত্যৰ নামত মানৱত্ব ধ্বংসকাৰী কলুষ ভৰা মনৰ বিষোদগাৰ। সাহিত্য সম্বন্ধে মোৰ এয়ে উপলব্ধি। নাজানো কৃতী সাহিত্য-পণ্ডিতসকলৰ ধাৰণাত মোৰ এই উপলব্ধিৰ কিবা মিল আছে নে নাই। নাথাকিলেও, মোৰ তাত ভাবিবলগীয়া একো নাই। কাৰণ, সাহিত্য সম্বন্ধে মোৰ একো জ্ঞান নাই বুলি মই আগতে কৈ থৈছোঁ।*

সাহিত্য বোলা বস্তুটো বৰ বিশাল। কৈ অন্ত কৰিব নোৱাৰি। যি সাহিত্যৰ বিষয়বস্তুটো হৈছে অনন্তৰূপী বিৰাট ব্ৰহ্মাণ্ড,— নিত্য নতুন সৃষ্টি-বৈচিত্ৰ্যৰ অফুৰন্ত ধল,— গুহ্যতকৈও গুহ্যতম মনোজগত, তাৰ সম্বন্ধে কৈ অন্ত কৰিব যোৱাটো মোৰ দৰে অসাহিত্যিকৰ ধৃষ্টতা বুলি মই জানো। সেইটো মহা বিদ্যাধাৰী মহা পণ্ডিতসকলৰ কাম। গতিকে, বিষয়টো এইখিনিতে থুপাই থৈ, অসম সাহিত্য সভাৰ লগত হাড়ে-হিমজুৰে জড়িত মোৰ অসমীয়া ভাষা সাহিত্য সম্পৰ্কে চুটিকৈ কেষাৰমান কৈ, মোৰ জাতিটোক সাহিত্য সৃষ্টিৰ প্ৰকৃত পথত আগুৱাই যোৱা সম্বন্ধে কিছু ইংগিত দিম। ভাল পালে গ্ৰহণ কৰিব, নাপালে ঠেকেছা মাৰি পেলাই থ'ব। আক্ৰমণকাৰীৰ আঘাতৰ পৰা মোক আৰু মোৰ ভাষা, সংস্কৃতি, অৰ্থনীতি, সমাজনীতি আৰু পৈতৃক ঘৰ-ভেটি ৰক্ষাৰ, মুঠৰ ওপৰত মোৰ অস্তিত্ব ৰক্ষাৰ ন্যায় ধৰ্মসঙ্গত স্বাভাৱিক প্ৰচেষ্টাটো যদি ৰাজনৈতিক আৰু সাম্প্ৰদায়িক বাধা-নিষেধৰ পৰ্যায়ত পৰে বুলি কোনোৱে ক'ব খোজে, তেন্তে সেইটো ইয়াত নাখাটিব। আত্মৰক্ষাতো জীৱনৰ স্বাভাৱিক ধৰ্ম। যত জীৱৰ এই ধৰ্মটো অচল, তাত আত্মাও অস্তিত্বহীন। মানুহে নিজে গঢ়া ৰীতি-নীতিৰ ওপৰত ভৰ দি যি নিয়ম কাৰণ আৰু শব্দাৱলী যি যি অৰ্থত ব্যৱহাৰ কৰে, সেই অৰ্থবোৰে জীৱৰ আত্মৰক্ষাৰ স্বাভাৱিক ধৰ্মটোক চুকি নাপায়। আত্মৰক্ষাৰ ধৰ্মটো জীৱৰ লগত অহা আৰু লগত যোৱা বস্তু। এই ধৰ্মতো য'ত উজ্জ্বল হৈ চলে, তাতেই জীৱৰ জী থকাৰ চিনটোও তেজোদীপ্ত হৈ জ্বলে। এই ধৰ্ম সাধনৰ বাবে জীৱে কোনো সামাজিক নিয়ম কাৰণ, বিধি-ব্যৱস্থা বাধা-নিষেধ নামানে। আত্মৰক্ষাতকৈ জীৱৰ আন ডাঙৰ ধৰ্ম একো নাই আৰু হ'ব নোৱাৰে। অৱশ্যে, যি জীৱনৰ আত্মা বুলি বস্তু এটাৰ অস্তিত্বৰ প্ৰতি সন্মান-গৌৰৱ জ্ঞান আছে, তাৰ ওচৰতহে এই ধৰ্মৰ মূল। যাৰ সেই জ্ঞান নাই, আত্মাটোক হাট-বজাৰৰ কিনা-বিকা বস্তুৰ দৰে ব্যৱহাৰ কৰে, সি আত্মৰক্ষাৰ এই স্বাভাৱিক ধৰ্মৰ পৰাও বঞ্চিত। যদি কোনোৱে দেখা পায়, যে তেওঁৰ আত্মস্থিতি, আত্মসন্মান আনৰ দ্বাৰা আক্ৰমিত হৈছে, তেন্তে সেই আক্ৰমণ যি কোনো উপায় কৌশলেৰে চুৰ্ণ কৰি আত্মৰক্ষা কৰিবলৈকে কোনো বাধা-নিষেধ, নিয়ম-কাৰণ নামানিবলৈ তেওঁ তিলমানো সংকুচিত হোৱা উচিত নহয়। তেনে কৰিলে, জীৱৰ স্বাভাৱিক ধৰ্মক তেওঁ কলংকিত কৰা হ'ব। আজি জলজল পটপটকৈ চকুৰ আগত দেখা পোৱা গৈছে, মোৰ অস্তিত্বৰ ওপৰত চাৰিওফালৰ পৰা প্ৰচণ্ড আক্ৰমণ চলিছে,— মোৰ পৈতৃক ঘৰ ভেটিৰ ওপৰত, পিতৃ-পিতামহৰ পূণ্যস্মৃতিৰাজীৰ ওপৰত, ভাষা-সংস্কৃতি, সমাজ, অৰ্থনীতিৰ ওপৰত। যদি মই আত্মজ্ঞান আৰু আত্ম-মৰ্যাদাশীল জীৱ হওঁ, তেন্তে, জীৱ ধৰ্মৰ অনুপ্ৰেৰণাত উদ্দীপিত মোৰ ওচৰত, সেই আক্ৰমণ চুৰ্ণ কৰি মোৰ আত্মৰক্ষা কৰিবলৈকে কি ৰাজনৈতিক আৰু সাম্প্ৰদায়িক বাধা-নিষেধৰ মূল্য থাকিব পাৰে? সাহিত্য সভাৰ উক্ত নিয়মটোৰ অৰ্থ মই মোৰ আত্মৰক্ষামূলক স্বাভাৱিক ধৰ্ম পালনৰ প্ৰয়োজনীয়তাৰ ফালৰ পৰা গ্ৰহণ কৰিহে আলোচনাত হাত দিছোঁ। কাৰণ, আত্মৰক্ষাৰ জ্ঞান নাথাকিলে আত্মনিঃসৃত সাহিত্যও ওলাব নোৱাৰে। তাক 'ৰাজনৈতিক বা সাম্প্ৰদায়িক' যিহকেই কোৱা নহওক।



জীৱনটোৰ যেনে ৰূপ, তেনে প্ৰতিবিম্ব লৈয়েই সাহিত্যই জন্ম লাভ কৰে। সাহিত্যকাৰৰ জীৱনটো যদি দেশক, জাতিক, মানৱ প্ৰাণী জগতক সকলো প্ৰকাৰৰ দুৰ্বলতাৰ পৰা মুক্ত কৰি সমাজত প্ৰকৃত মানৱত্বৰ বিকাশ কৰি তোলা ভাব, চিন্তা আৰু পৰিকল্পনাত আপ্লুত হোৱা জীৱন হয়, তেন্তে সেই সাহিত্যকাৰৰ লিখনীৰ পৰা ওলোৱা হৃদয়-নিঃসৃত সাহিত্যইহে অব্যৰ্থ অনুপ্ৰেৰণাৰে দেশক আৰু জাতিক মহত্বলৈ, বিৰাটত্বলৈ আগুৱাই নিব পাৰে। কিন্তু জীৱনটো যদি নিজ স্বাৰ্থৰ তৃপ্তিৰ হকে, দেশদ্ৰোহ, জাতিদ্ৰোহ আৰু নানা দুৰ্নীতিৰ কলুষ-ক্লেদেৰে ভৰি থকা জীৱন হয়, তেন্তে যশোলিপ্সু মনেৰে আখৰৰ মুখত অমৰত্ব লাভ কৰাৰ উৎকট আস্ফালন লৈ কিবা এসোপা লিখি ছপা কৰি উলিয়ালেও, সি প্ৰকৃতভাৱে উৎকটেই হয়।

*****

চহৰ-নগৰৰ বৰমুৰীয়া নেতা আৰু ধনীসকল, স্কুল-কলেজৰ শিক্ষক, ছাত্ৰ-ছাত্ৰীসকল, অফিছ-আদালতৰ উকীল মোক্তাৰ, হাকাম হাকিম, কেৰাণী মহৰি, মণ্ডল কাননগোসকল, গাঁও পথাৰৰ খেতিয়ক বনুৱাসকল, শাসনযন্ত্ৰৰ অসমীয়া চালকসকল, এম,এল,এ, সকল, পাৰ্লিয়ামেণ্টৰ অসমীয়া সদস্যসকল, যিফালেই চকু যায়, সেইফালেই যেন বিৰাট একোডোখৰ নিতত জড়পিণ্ড। গাত চেতনা নাই, তত নাই। নিজ দেশ, নিজ জন্মভূমি, নিজ জাতিৰ ভৱিষ্যতৰ প্ৰতি শোচনীয় অৱহেলা। আত্মশ্ৰদ্ধা, আত্মবিশ্বাস, আত্মচেতনাহীন শুকান শিল একোডোখৰ। ধনীসকলৰ নাই ত্যাগ দেশৰক্ষাৰ হকে ধন দিবলৈ, শিক্ষিতসকলৰ নাই চেষ্টা সমাধান দিবলৈ, ছাত্ৰ-ছাত্ৰীৰ নাই উদ্যম পৈতৃক ঘৰত নিজ ভৱিষ্যৎ ৰক্ষা কৰিবলৈ। হানি খুছি নাক মুখ বিকৃত ৰক্তাক্ত কৰিলেও অন্তৰ জিকাৰ খাই নুঠে, গাত তত নাচাপে, আত্মৰক্ষাৰ উদ্যমৰ উমান পোৱা নাযায়। মাজে সময়ে বহু চেষ্টা আৰু আশাৰে কিছু তত চপাই তুলি ধৰিলেও, খন্তেকৰ পাছতে অৱসাদ জড়তাত বহি পৰে। অৱশ্যে, কেতিয়াবা কেতিয়াবা চিঞৰ-বাখৰৰ কিছু সঁহাৰি উঠে সন্দেহ নাই। কিন্তু সেইটো, নিজৰ ভিতৰৰ পৰা অদম্য উৎসাহেৰে উঠি অহা আত্মৰক্ষামূলক কৰ্মপ্ৰৱণ স্বাধীন উৎস নহয়, আনৰ ইচ্ছাত আত্মসমৰ্পণ কৰা অভিসন্ধিৰ ইংগিতত পৰিচালিত হোৱা কাঠ পুতলাৰ দাসত্বপূৰ্ণ অংগী-ভংগী। ফলত, সকলো ফালেদি তিলে তিলে অসমীয়াৰ অস্তিত্বটো লুণ্ঠিত আৰু দুৰ্বল হৈ আহিল।

*****

অসম হিন্দু প্ৰধান দেশ আৰু তাক অসমীয়াই সদায় হিন্দু প্ৰধান কৰিয়েই ৰাখিব। সেইবাবেই, ভাৰত বৃটিছৰ অধীনত থকা সময়তেই, ৩০ বছৰ আগৰ পৰাই, বঙ্গৰ মৈমনচিঙীয়া মুছলমানৰ আমদানিৰ বিৰুদ্ধে 'সংৰক্ষিণী সভা' আৰু 'জাতীয় মহাসভা'ৰ জৰিয়তে আমি আন্দোলন চলাই আহিছোঁ। কিন্তু অসম হিন্দু প্ৰধান হ'লেও, খুব লঘিষ্ঠ সংখ্যক অসমীয়া মুছলমানৰ প্ৰতি গৰিষ্ঠ সংখ্যক অসমীয়া হিন্দুই কোনো বিৰুদ্ধ মনোভাৱ কেতিয়াও পৰিপোষণ কৰা নাই। আহোম ৰাজৰ দিনৰ পৰাই অসমীয়া হিন্দু বৌদ্ধ মুছলমানে অসমত সদায় সম্ভাৱেৰে ভাই-বন্ধুৰ দৰে বাস কৰি আছে। সেইবাবে, বঙ্গ আদি বাহিৰৰ প্ৰভাৱ নপৰালৈকে অসমীয়া হিন্দু-মুছলমানৰ কোনো সাম্প্ৰদায়িক বিকৃতিয়ে অসমীয়া সমাজত দেখা দিয়া নাছিল আৰু বাহিৰৰ প্ৰভাৱে কিছু বিকৃত

কৰিলেও, সেই পুৰণি সম্ভাৰৰ সম্বন্ধই, বংগৰ দৰে ঘৃণনীয় বীভৎসভাৱে ই অসমীয়া সমাজত দেখা দিব দিয়া নাই। সেইবাবেই, অসম হিন্দু-প্ৰধান হৈও, বংগৰ সেই ঘৃণনীয় বীভৎস হিন্দু-মুছলমানী সাম্প্ৰদায়িক জঘন্যতাৰ ভাবটো অসমে তাৰ ঘৰত কেতিয়াও সোমাবলৈ নিদিব। আমি অসমীয়া। হিন্দু বৌদ্ধ ট্ৰাইবেল মুছলমান মিলি আমি অসমৰ অসমীয়া— ভাৰতীয় মহাজাতিৰ অন্তৰ্ভুক্ত আমি অসমীয়া জাতি। অসম অসমীয়াৰ দেশ। বিৰাট ভাৰতীয় পৰিয়ালৰ এটা পৰিয়াল অসমীয়াৰ অসম দেশখন নিজঘৰ,— যিদৰে ভাৰতমাতাৰ বঙ্গালী পৰিয়ালটোৰ নিজ কোঠা বা ঘৰ বঙ্গ, বিহাৰী পৰিয়ালটোৰ নিজ কোঠা বা ঘৰ বিহাৰ।

*****

কিন্তু কোনোটোৰে দাসত্বত নপৰিবলৈকে অসমীয়া বদ্ধপৰিকৰ হওক। আত্মৰক্ষা কৰিবলৈকে অদম্য উৎসাহেৰে সাজু হৈ উঠক, নিৰ্ভীক বীৰদৰ্পেৰে আগবাঢ়ক। শই, শই হেজাৰে হেজাৰে অসমীয়া ডেকা-গাভৰু কঠোৰ নিয়মানুবৰ্তিতাৰে, সুশৃংখলিত দৃঢ়তাৰে, আজি আমাৰ মাতৃভূমিৰ, ভাষা-সংস্কৃতিৰ, সমাজ অৰ্থনীতিৰ ঘোৰ দুৰ্দিনত কঠোৰ সেৱাব্ৰতেৰে কৰ্মক্ষেত্ৰত জপিয়াই পৰক, যাওক, পৰ্বতীয়া অসমীয়াসকলক নিজৰ বুকুলৈ টানি আনক, গাঁৱলীয়াসকলৰ মনত শিক্ষাৰে জাতীয় চেতনা জগাই তোলক, নিজ মাটিখিনিৰ লগত, নিজ দেশৰ ভাই-ভনীকিটিৰ গভীৰ সম্বন্ধ স্থাপন কৰি একাগ্ৰভাৱে বিৰাট সাহিত্য সৃষ্টি কৰক, হাট-বজাৰ বেহা-বেপাৰ হাতত লওক, মাটি কেৰুখৰিত খেতি কৰি অপৰ্যাপ্ত খাদ্যশস্য উৎপাদন কৰক, অসমীয়া সাহিত্যৰ বিৰাট স্ফূৰণ ঘটাই তোলাৰ পথ বিৰাটভাৱে মুকলি কৰক।



# উপসংহাৰ

## ১৯১৭-১৯৫০

১৯১৭ চনৰ পৰা ১৯৫০ চনলৈকে এই পৰিক্ৰমাত অসম সাহিত্য সভাৰ বিষয়বাবৰ পাদপ্ৰদীপৰ সন্মুখত থাকি স্মৰণযোগ্য অৰিহণা আগবঢ়াই থৈ সুৱাস অসমী আইৰ চৰণ কমলত পূজাৰ নৈৱেদ্যৰে ওপচাই পেলাইছিল সেইসকলৰ সকলোৰে নাম তথ্যপাতিৰ পৰা সংগ্ৰহ কৰিব পৰা নহ'ল। আজি সভাৰ শতবৰ্ষৰ শুভ আৰু মংগলময় মুহূৰ্তত এইসকলক স্মৰণ কৰাটো অসম সাহিত্য সভাৰ দায়িত্ব আৰু কৰ্তব্য বুলি বিবেচিত হৈছে। এই সুৱাস আঁৰ কাপোৰৰ আঁৰত থকা পুৰুষ-মহিলাসকলৰ একাংশৰ নাম উল্লেখ কৰা হৈছে। একান্ত ইচ্ছা থকা সত্বেও নিৰ্দিষ্ট তথ্যপাতিৰ অভাৱত সকলোৰে নাম উল্লেখ কৰিব নোৱাৰি সভাই সেই অজ্ঞাতনামা স্মৰণীয় আৰু বৰণীয় ব্যক্তিসকলক শ্ৰদ্ধাৰে স্মৰণ কৰিছে।

| | | |
|---|---|---|
| পীতাম্বৰ চক্ৰৱৰ্তী (গৌৰীপুৰ) | মৌলৱী ফিজনুৰ আলী | গুঞ্জানন বৰুৱা |
| মহম্মদ চাদিৰ হুছেইন (লক্ষীমপুৰ) | কামাখ্যাৰাম বৰুৱা | লক্ষ্মীকান্ত বৰুৱা |
| কৃষ্ণকান্ত মহন্ত (মংগলদৈ) | বিপিনচন্দ্ৰ ঘোষ | ইন্দ্ৰেশ্বৰ বৰঠাকুৰ |
| বিষ্ণুচৰণ বৰা | গোপালচন্দ্ৰ বৰুৱা | ৰাধিকানাথ শৰ্মা |
| হংসলাল স্মৃতিতীৰ্থ (শ্ৰীহট্ট) | প্ৰসন্ন কুমাৰ বৰুৱা | সিদ্ধেশ্বৰ গোহাঞিঃ |
| চৈয়দ মহিবুল্লা | দুৰ্গাধৰ বৰকটকী | কুলধৰ চলিহা |
| হৰেশ্বৰ ভট্টাচাৰ্য (কাঃ সহায়ক) | ডাঃ হৰিকৃষ্ণ দাস | যতীন্দ্ৰনাৰায়ণ চৌধুৰী |
| বিষ্ণুচন্দ্ৰ গোস্বামী | ৰমানন্দ চৌধুৰী | দুৰ্গেশ্বৰ শৰ্মা (গোৱালপাৰা) |
| প্ৰমদা কিশোৰ ৰায় | হিৰন্ময়ী বৰগোহাঁই | ৰাম প্ৰসাদ দাস |
| দেৱেন্দ্ৰনাথ বেজবৰুৱা | হেমকান্ত মহন্ত | |
| পণ্ডিত প্ৰতাপচন্দ্ৰ গোস্বামী[১] | বিদ্যাধৰ বৰুৱা | |

১. গোস্বামীয়ে কোচবিহাৰ ভ্ৰমণ কৰি তাত পোৱা পুথিৰ এখন তালিকা সভাক দিছিল। তালিকাখনত ১৩৮ খন অসমীয়া পুথি আৰু ১৯৪ খন সংস্কৃত পুথি আৰু ৩৫ খন বঙলা পুথি আছিল পৰিশিষ্টত তালিকাখন দিয়া হৈছে।

শ্ৰীৰামচন্দ্ৰ দাস[২]
হৰিনাৰায়ণ দত্তবৰুৱা[৩]
আদ্যনাথ শৰ্মা
দণ্ডীনাথ কলিতা
হৰমোহন দাস
হৰিনাথ পাঠক চৌধুৰী
জ্বলতিৰাম লহকৰ
চন্দ্ৰনাথ দত্তফুকন
ৰাধানাথ হাজৰিকা
ধীৰেশ্বৰ ভট্টাচাৰ্য
হেমচন্দ্ৰ দত্ত
শোভাৰাম ব্ৰহ্মচৌধুৰী
মৌঃ বাক্‌চু মহম্মদ
ওচমান আলী সদাগৰ
গোপালকৃষ্ণ দে
ডাঃ হৰেকৃষ্ণ দাস[৫]
আনন্দৰাম ভট্টাচাৰ্য
কালিদাস খাটনিয়াৰ
চন্দ্ৰকান্ত বৰুৱা
মিঠাৰাম গোহাঁই
বৃন্দাবনচন্দ্ৰ গোস্বামী
কেশৱচন্দ্ৰ দাস
ভদ্ৰেশ্বৰ বৰুৱা
দীননাথ মেধি
মিলাদেৱ গোস্বামী
ভুৱনচন্দ্ৰ দত্ত
মুক্তানন্দ গোস্বামী
মৌঃ আমজাদ আলী
আব্দুল চামাদ চৌধুৰী
হৰমোহন সেন
কৌঁহিৰাম দাস[৪]
প্ৰফুল্লচন্দ্ৰ গগৈ

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

২. *শ্ৰীৰামচন্দ্ৰ দাসে সুৰমা উপত্যকা ভ্ৰমণ কৰি (১১/৪/৩০) তাত অসমীয়া ভাষাৰ প্ৰচাৰ চলাইছিল তাৰাপুৰ, গড়ৰ ভিতৰ, উদাৰবন্দ আদি ঠাইলৈ গৈ কাম কৰিছিল। শ্ৰীদাসে তাত সংগ্ৰহ কৰা পুথিবোৰ হ'ল— কাণখোৱা (৪২ পৃষ্ঠা) অগ্নিপুৰাণ, বৈষ্ণৱগীতা, সত্যনাৰায়ণ পাঁচালী, স্বৰ্গ খণ্ড (৬১ পৃ.) গড়ুৰ পুৰাণ (১৯ পৃ.), লীলামালা (৪২ পৃ.), ও কৰতি (২৭ পৃ.), দশম (১৫৭৯ পদ থকা), কীৰ্তন।*

৩. *দত্তবৰুৱাই কৰচোং সত্ৰ, আইভেঁটি নসত্ৰ, ভোগবাৰী সত্ৰ, বালিসত্ৰ আদিৰ পুথিৰ পৰিচয় সভাত উত্থাপন কৰে সেই পুথিসমূহৰ বিষয়ে সাহিত্য সভা পত্ৰিকা (প্ৰথম বছৰ ২য় সংখ্যা, ৭২-৭৬)*
*ইয়াৰ উপৰি ১৯২৭ চনৰ মাৰ্চ-এপ্ৰিল মাহত মাজুলীলৈ গৈ দক্ষিণপাট চামগুৰি কমলাবাৰী আউনীআটী, বেঙেনাআটী, নৰসিংহ সত্ৰলৈ গৈ ২১০ খন পুথিৰ নাম তালিকা প্ৰস্তুত কৰিছিল। (পৰিশিষ্ট চাওক)*

৪. *অসম সমবায় কঁহাৰ সংঘৰ প্ৰতিষ্ঠাতা, দৰ্শনাচাৰ্য কৌঁহিৰাম দাসে ১৯২৫ চনৰ পৰা ১৯২৮ চনলৈকে অসম সাহিত্য সভাই প্ৰকাশ কৰা চন্দ্ৰকান্ত অভিধানৰ সংকলকৰ দায়িত্বত আছিল। তেখেতক মাহে ৭৫.০০ টকাৰ মাননিৰে নিযুক্তি দিয়া হৈছিল, বছেৰেকীয়া বৃদ্ধি আছিল ৫.০০ টকা। যোৱাৰ সময়ত তেখেতৰ প্ৰাপ্য সভাই দিছিল।*

৫. *সভাৰ প্ৰথমখন অধিৱেশন (১৯১৭) ত ডাঃ হৰেকৃষ্ণ দাসে সভাৰ পুঁজিলৈ ১০.০০ টকা আগবঢ়ায়। এইটোৱে আনুষ্ঠানিকভাৱে পোৱা দান। (তেতিয়া সাহিত্য সভাৰ পুঁজিৰ ঘৰত শূন্য। ডাঃ হৰেকৃষ্ণ দাস ডাঙৰীয়াই চোলাৰ জেপৰ পৰা দহটকীয়া নোট এখন উলিয়াই শূন্যৰ আগত ১ এটা লগাই দহ কৰি দিলে, এয়ে সাহিত্য সভাৰ মূল ভঁৰাললৈ প্ৰথম দান। (অসম সাহিত্য সভাৰ ৰূপলেখা, পৃ. ২১)*

## মহামিলন

১৯১৭ চনত প্ৰতিষ্ঠা হোৱা অসম সাহিত্য সভাৰ ১৯৫০ চনলৈকে সঞ্চালনিকৈ বাৰ্ষিক অধিৱেশনসমূহ অনুষ্ঠিত হোৱা নাছিল। ১৯৫০ চনলৈকে হ'ব লাগিছিল ৩৪ খন অধিৱেশন। কিন্তু হৈছিল ২১ খন। এই অধিৱেশনৰ সভাপতিসকলৰ অভিভাষণত অসমীয়া ভাষাক ৰক্ষণাবেক্ষণ দিয়াৰ মহামন্ত্ৰই ঘাইকৈ স্থান পাইছিল। লগতে অসমীয়া ভাষাক আধুনিক কালোপযুগী কৰা আৰু অসমীয়া সাহিত্যৰ সৰ্বতোমুখী বিকাশ কৰা। সভাৰ কাৰ্যনিৰ্বাহক সমিতি বিভিন্ন সময়ত পাহাৰ-ভৈয়ামৰ লোকসকলৰ লগত সম্প্ৰীতিৰ ভাব সৃষ্টি কৰিবলৈও যত্নপৰ হোৱা দেখা যায়। তদুপৰি মিছনেৰীসকলৰ বাহিৰে আন কোনো সংগঠনে পাহাৰৰ অধিবাসীসকলৰ ভাষা সম্পৰ্কে গভীৰ অধ্যয়ন কৰা দেখা নাযায়। ইতিমধ্যে সভাই সেইসকলৰ মাজত অসমীয়া ভাষা প্ৰচাৰ কৰি সেইসকলক শিক্ষিত কৰি তুলিবৰ কাৰণে যত্নপৰ হৈছিল। তদুপৰি বিংশ শতিকাৰ প্ৰথমাৰ্ধ পৰ্যন্ত আমাৰ পাহাৰ-ভৈয়ামৰ জনগোষ্ঠীয় ভাষাসমূহৰ নিজস্ব লিপি নাছিল। সেয়ে নিজৰ গোষ্ঠীৰ মাজতে সীমাবদ্ধ হৈ থকাৰ কাৰণে সংশ্লিষ্ট ভাষাসমূহে বিকাশ লাভ কৰা নাছিল।[৬] সেই ভাষাসমূহ তেওঁলোকৰ মাজত ব্যৱহাৰিক মাধ্যমৰূপে আছিল। সেয়ে অসমীয়া ভাষাই তেওঁলোকৰ বাবে যোগাযোগৰ ঘাই আহিলা। সভাই তেওঁলোকৰ মাজত সোমাবলৈ যেনেকৈ যত্নপৰ হৈছিল আৰু অসমীয়া ভাষা প্ৰচাৰৰ বাবেও যত্নপৰ হৈছিল। কিন্তু তেওঁলোকৰ বাবে সেই সময়ত অসমীয়া ভাষাই আছিল দ্বিতীয় মাতৃভাষাস্বৰূপ। সেয়ে সামাজিক বিদ্যায়তনিক প্ৰয়োজন পূৰাবৰ কাৰণে অসমীয়া ভাষা তেওঁলোকে ব্যৱহাৰ কৰিবলগীয়া হৈছিল।[৭] ই সেই সময়ত এক স্বাভাৱিক প্ৰক্ৰিয়াহে আছিল। কোনো কোনো সমালোচকে কোৱাৰ দৰে অসম সাহিত্য সভাই কৰা ভুলৰ বাবেই জনগোষ্ঠীসমূহ অসন্তুষ্ট হোৱা নাছিল। বৰং এই সময়ছোৱাত অসমত বসবাস কৰা সকলোকে সামৰি অসমীয়াৰ পৰিচয় দিবলৈ যত্ন কৰিছিল। সভাৰ দৃষ্টিত 'অসমীয়া' এই শব্দটো সংকীৰ্ণতাৰ গণ্ডীত নাছিল। পৰ্বত-ভৈয়াম সকলোকে সামৰি এক বহল পৰিচয় প্ৰতিষ্ঠাৰ বাবে এই সময়ছোৱাত কাম কৰিছিল ঐক্য-সম্প্ৰীতিৰ এটা ভাবশক্তি গঢ় দি

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

৬. *ভেৰিয়াৰ এল উইন এজন নৃতাত্ত্বিক তেওঁ Philosophy for Nefa. The Nagas in the 19th Century. The Tribal world of Verrier Edwin : An Autobiography আদি কুৰিখনতকৈও অধিক গ্ৰন্থ লিখিছিল। তেওঁৰ 'The fundamental Problem' নামৰ প্ৰবন্ধ এটা A philosopy for NEFA-ত প্ৰকাশ পাইছিল। প্ৰবন্ধটোৰ সম্পৰ্কত সাহিত্য সভাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিল বিশেষকৈ প্ৰবন্ধটোৰ The policy of leave them alone-ৰ তীব্ৰ প্ৰতিবাদ সভাই কৰিছিল। (ৰাজ্যিক ভাষা ঃ অসমীয়া, পৃ. ৫)*

৭. *গোৱালপাৰা আৰু গাৰো পাহাৰৰ যিবিলাক বড়ো জাতীয় লোক গাৰো ৰাভাই অসমীয়া ভাষাত শিক্ষা পাবলৈ ইচ্ছা কৰে সেইবিলাক ছাত্ৰক অসমীয়া ভাষাত শিক্ষা দিবৰ ব্যৱস্থা কৰিবলৈ যোল লক্ষ অসমীয়াৰ প্ৰায় এক চতুৰ্থাংশ মুছলমান। তেওঁলোকক এৰি হিন্দুৱে বা হিন্দুক এৰি তেওঁলোকে উন্নতি পথত আগুৱাব নোৱাৰে। অসমৰ হিন্দু-মুছলমানৰ মিলা-প্ৰীতিৰ ভাব গোটেই ভাৰতৰ আদৰ্শ স্থানীয়। (কালিৰাম মেধি, ভাষণাৱলী, পৃ. ৪৮)*

তুলিবলৈ কেনেকৈ যত্ন কৰিছিল এই কথা আগতে কোৱা হৈছে। পূৰ্ববংগৰ পৰা আহি অসমত বসবাস কৰা মৈমনছিঙীয়া সকলকো অসমীয়া বৃত্তটোৰ অন্তৰ্ভুক্ত কৰি সামৰি লৈছিল। তেওঁলোকেও এজন দায়িত্বশীল অসমীয়াৰ দৰে অসমৰ সুখ-দুখৰ সমভাগী হৈছিল। এই সময়ছোৱাত কৰ্তৃপক্ষক অনুৰোধ কৰা হৈছিল। (পত্ৰিকা, প্ৰথম বছৰ ২য় সংখ্যা, পৃ. ১১৪) গতিকে সভাই জোৰ কৰি অসমীয়া ভাষা শিকাবলৈ আগ্ৰহ প্ৰকাশ কৰা নাছিল। সেইসকল অসমৰ জাতীয় জীৱনৰ অবিচ্ছেদ্য অংগ হৈ পৰিল। বিদেশী শব্দটো এইসকলৰ ক্ষেত্ৰত ব্যৱহাৰ হোৱা নাছিল।[৮] চাহ বাগিচাৰ কৰ্মীসকলকো সভাই জাতীয় জীৱনৰ অবিচ্ছেদ্য অংগৰূপে আকোঁৱালি লৈছে। তেওঁলোকৰ মাজত প্ৰচলিত সাধু লোককথা, সংস্কৃতি ভাষা, নৃত্যগীত আদিৰ পুথি প্ৰকাশ কৰি সমন্বয় সাকোঁ সুদৃঢ় কৰাটো মন কৰিবলগীয়া।

সভাৰ আৰম্ভণিৰ পৰা ১৯৫০ চনলৈকে সভাৰ পঞ্জীয়ন দলিল আৰু নিয়মাৱলীৰ আধাৰত নিয়ন্ত্ৰিত হৈছিল। সেই সময়ৰ সভাৰ লগত জড়িত সকলোৱেই অসমীয়া ভাষাক ভাবে ভাষাই ব্যঞ্জিত কৰি সবল স্থিতি দিবলৈ সততে যত্নপৰ হোৱাত আৰু লগতে অৰ্থৰ অভাৱত ভালেমান আঁচনি কাৰ্যকৰী কৰিব পৰা নাছিল। সভাৰ প্ৰতিখন কাৰ্যনিৰ্বাহক সমিতিত অৰ্থ সংগ্ৰহৰ বাবে আলোচনা হৈছিল। সেই সময়ত আয়ৰ ঘাই উৎস আছিল সভ্যভৰ্তি বৰঙনি, ন্যাস পুঁজিৰ সুত, আঢ্যৱন্ত লোকৰ দান, লোকেল ব'ৰ্ডৰ পৰা পোৱা অনুদান। এই অনুদানৰ ওপৰত ভিত্তি কৰিয়েই সভাই বাজেট যুগুতাইছিল। উদাহৰণস্বৰূপে ১৯২৬ চনৰ ১১ আগষ্টত দাখিল কৰা বাজেটত আছিল

আয় ঃ ৭,৬০০.০০ টকা, ব্যয় ঃ ৫,৬০০.০০ টকা।

এই ৫,৬০০.০০ টকা ব্যয় মঞ্জুৰ কৰা হৈছিল (১) চকীদাৰৰ দৰ্মহা ১ টকা বৃদ্ধি আৰু কেৰেণীৰ দৰ্মহা ৫.০০ বৃদ্ধি। লগতে ৪০০.০০ টকা টাইপ মেচিন আৰু চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ টোলৰ বাবে ২০০.০০ টকা। তদুপৰি সভাৰ পুথিভঁৰালৰ গ্ৰন্থ ক্ৰয়ৰ বাবে ১,৫০০.০০ টকা বাজেটত ধাৰ্য দেখা যায়। চৰকাৰৰ পৰা কোনো বছৰত ১,০০০.০০ টকা বা ৩,০০০.০০ টকা আকৌ কোনো সময়ত ২০০.০০ টকা অনুদান পাইছিল। সভাৰ মুঠ ফাইল কিমান আৰু নতুন ফাইল কেইটা কিনা হ'ল। কিমানখন চিঠি সভাই পালে কিমানখন ডাকযোগে পঠিয়ালে সকলো হিচাপ তন্নতন্নকৈ দেখুওৱা হৈছিল। আনকি অধিৱেশনৰ সময়ত ব্যৱহাৰ কৰিবলৈ ধুম্ৰপায়ী সকলকো সুবিধা দিয়া হৈছিল।[৯]

৮. ... অসমত এটা সুকীয়া সুবিধা হৈছে যে ধৰ্মত বাজে আন সকলো কথাত অসমীয়া হিন্দু আৰু মুছলমান প্ৰায় এক। অসমীয়া ভাষাৰ প্ৰতি দুইৰো সমান মৰম অসমীয়া সাহিত্যলৈ উন্নতি দুইৰো সমান ধাউতি (পদ্মনাথ গোহাঞিবৰুৱা ভাষণাৱলী, পৃ. ৬)

৯. হোকা, চিলিম, মলাধঁপাতৰো ব্যৱস্থা কৰা হৈছিল।



# সভাৰ সংশোধিত নিয়মাৱলী

সভাৰ নিয়মাৱলী সংশোধন কৰিবৰ কাৰণে অধিৱেশনথলীত সমিতি গঠন কৰা হৈছিল। সমিতিৰ প্ৰতিৱেদন মূল সভাৰ দ্বিতীয় দিনা সভাত উত্থাপন কৰি গ্ৰহণ কৰা হৈছিল। ১৯২৩ চনত সংশোধিত নিয়মাৱলীখন উদ্ধৃত কৰা হ'ল।

## পৰিৱৰ্তিত নিয়মাৱলী

### আসাম সাহিত্য সভাৰ নিয়মাৱলী

(ক) নাম

১। এই সংঘৰ নাম হ'ব "আসাম-সাহিত্য সভা"।

(খ) উদ্দেশ্য

২। অসমীয়া ভাষা আৰু সাহিত্যৰ সৰ্বাঙ্গীন উন্নতি কৰাই এই সভাৰ উদ্দেশ্য।

৩। ৰাজনৈতিক বিষয়ত এই সভাই হাত নিদিয়ে।

৪। অসমীয়া সাহিত্যৰ উন্নতিৰ অৰ্থে সভাই তলত দিয়া মতে বিশেষ কাৰ্য কৰিবলৈ যত্নপৰ হ'ব।

- অভিধান আৰু ব্যাকৰণৰ সংস্কৰণ।
- প্ৰাচীন সাহিত্যৰ অনুসন্ধান, যেনে পুৰণি পুথি, বৰগীত, সাধুকথা, ফকৰা আদিৰ সংগ্ৰহ।
- আমাৰ সাহিত্যত যি যি পুথিৰ অভাৱ সেই সেই বিষয়ৰ পুথি লিখাৰ চেষ্টা।
- অৱস্থাহীন সাহিত্যিকৰ সদগ্ৰন্থ প্ৰকাশ।
- নিভাঁজ পুৰণি অসমীয়া সুৰৰ 'ৰেকৰ্ড' (গ্ৰামোফোনৰ প্ৰস্তুত)
- সংগীত আৰু চিত্ৰ বিদ্যা শিক্ষাৰ অৰ্থে বৃত্তিদান।
- সভাৰ মুখপত্ৰ এখন প্ৰকাশ।
- সৰ্বসাধাৰণৰ মাজত সাহিত্য প্ৰচাৰৰ চেষ্টা।
- সাহিত্যৰ উন্নতিৰ অৰ্থে আন কোনো প্ৰকাৰৰ যত্ন।

**(গ) সভাৰ গঠন**

৫। সভাৰ সভ্যসকলৰ তিনিটা শ্ৰেণী থাকিব ঃ-

(ক) বিশিষ্ট সভ্য

(খ) স্থায়ী সভ্য

(গ) সাধাৰণ সভ্য

৬। অসমীয়া ভাষা আৰু সাহিত্যৰ বিশেষ হিতাকাংক্ষী যি কোনো লোককে কাৰ্যনিৰ্বাহক সভাই বিশিষ্ট সভ্য কৰি ল'ব পাৰিব।

৭। যি সভ্যই বছৰেকীয়া বৰঙণিৰ সলনি একেযোগে সভালৈ অন্যূন এশ টকা দান কৰে তেওঁ স্থায়ী সভ্য বুলি গণ্য হ'ব।

৮। অসমীয়া ভাষা আৰু সাহিত্যৰ হিতাকাংক্ষী মাত্ৰই

৯। এইসকল সভ্যৰ উপৰি কাৰ্যনিৰ্বাহক সভাই যিকোনো বিশিষ্ট ব্যক্তিক বিশেষ বিবেচনা কৰি সভাৰ 'হিতৈষী' (Patron) ভুক্ত কৰি ল'ব পাৰিব।

১০। কোনো সভ্যৰ বয়স ১৮ বছৰৰ কম হ'ব নোৱাৰে। প্ৰত্যেক 'স্থায়ী' আৰু সাধাৰণ সভ্যই ভৰ্তি কি এটকা আৰু প্ৰত্যেক সাধাৰণ সভ্যই বছৰেকীয়া বৰঙনি অন্যূন এটকাকৈ দিব লাগিব।

১১। কোনো লোকে সভ্য হ'ব খুজিলে সভাৰ সম্পাদকক জনাব লাগিব, দুজন সভ্যই চিঠিৰ দ্বাৰা বা সভাৰ কোনো অধিৱেশনত মৌখিক প্ৰস্তাৱ আৰু সমৰ্থন কৰিলেহে সভ্য মনোনীত হ'ব পাৰিব।

১২। তলত দিয়া কাৰণত কোনোটো বৰ্তিলে সভ্যৰ নাম সভ্য শ্ৰেণীৰ পৰা বাদ পৰিব।

(ক) সভ্যপদ ইস্তফা দিলে।

(খ) সভ্যৰ মৃত্যু হ'লে

(গ) দুবছৰৰ বছৰেকীয়া বৰঙণি নিদিলে।

১৩। বাকী বৰঙণি দিলে আকৌ সত্যবাণীত ভুক্ত হ'ব লাগিব। বছৰেকীয়া বৰঙনি নিদিলে ভোট দিব নোৱাৰিব। বিশিষ্ট সভ্যৰ কোনো ভোট নেথাকিব।

(ঘ) কাৰ্যনিৰ্বাহক সভা

১৪। সভাৰ সকলো কাম কৰিবলৈ এখন কাৰ্যনিৰ্বাহক সভা থাকিব লাগিব।

১৫। কাৰ্যনিৰ্বাহক সভাৰ এজন সম্পাদক থাকিব। তেওঁ সভাৰো প্ৰধান সম্পাদক (General Secretary) হ'ব।


১৬। অনধিক কুৰিজন সভ্যৰে কাৰ্যনিৰ্বাহক সভা গঠিত হ'ব। সম্পাদকৰ সহায়ৰ অৰ্থে এজন বা অধিক সহকাৰী সম্পাদক থাকিব। কোনো সভাৰ ঠাই খালি হ'লে সভাই সেই ঠাই পূৰাই ল'ব। অন্যূন ছয় জন সভ্য উপস্থিত হ'লে কোৰাম (Quoram) হ'ব।

১৭। প্ৰতি লাগতিয়াল ঠাইত কাৰ্য-নিৰ্বাহক সভাই শাখা বা স্বীকৃত সভা স্থাপন কৰিবলৈ যত্নপৰ হ'ব।

১৮। কোনো সাহিত্য সভাই "আসাম সাহিত্য সভাৰ" স্বীকৃত (Afiliated) সভা হ'বলৈ ইচ্ছা কৰিলে কাৰ্যনিৰ্বাহক সভাই তাৰ মীমাংসা কৰিব।

১৯। সভ্যভুক্ত কৰাৰ ভাৰো এই সভাৰ ওপৰত থাকিব।

২০। কাৰ্যনিৰ্বাহক সভা প্ৰতি সাধাৰণ সন্মিলন গঠিত হ'ব। এই সভাৰ সভ্যসকল পুনঃনিৰ্বাচিত হ'ব পাৰিব।



# উল্লেখযোগ্য দিশ

এই সময়ছোৱাতে সভাৰ নামত মাটি চৰকাৰে আবণ্টন দিয়ে। মাটিৰ আবণ্টন দিয়াৰ ঘাই বিষয়াজন আছিল OH Desenne, Officiating Secretary, Govt. of Assam তেওঁ দিয়া পত্ৰ নং ২২০৩ B, 11th Feb, 1924. এই পত্ৰখনৰ গুৰুত্ব উপলব্ধি কৰি পৰিশিষ্টত দিয়া হৈছে। তদুপৰি চন্দ্ৰকান্ত সন্দিকৈ ভৱন নিৰ্মাণ, চন্দ্ৰকান্ত অভিধান প্ৰকাশ, অভিধান প্ৰকাশ হোৱাৰ পিছত বিতৰ্ক। বিতৰ্কৰ অৱসান, এই বিতৰ্কত বেজবৰুৱাই ভাগ লৈছিল। বেজবৰুৱাৰ আহ্বান অনুযায়ী বিতৰ্কৰ সামৰণি। বেজবৰুৱাই জনোৱা আহ্বান হুবহু উদ্ধৃত কৰা হ'ল। বেজবৰুৱাৰ পৰামৰ্শবোৰ যে গুৰুত্বপূৰ্ণ এইকথা সাম্প্ৰতিক কালৰ ভাষা বিজ্ঞানীৰ দৃষ্টিগোচৰ হ'লে নিশ্চয় বিজ্ঞানসন্মত বুলিয়েই ক'লেহেঁতেন—

## বেজবৰুৱাৰ অভিমত

অভিধানখনত কিছুমান শব্দ ভুল, বা কোনো কোনো শ্ৰেণীৰ মানুহৰ অমনোনীত ব্যাখ্যা যে আছে, স্বীকাৰ কৰিবই লাগিব। কিন্তু আমি সোধো, ইমান এখন ডাঙৰ কিতাপত তেনেকুৱা আসোঁৱাহ লগা দুটা চাইটা কথা যে থাকিব, তাত আশ্চৰ্য কি? বৰং আৰু যে সৰহ নাই, সেইটোহে আচৰিত কথা। হেমকোষত ভুল নাইনে? ইংৰাজী ইমানবোৰ অভিধান ওলাইছে, তাত তেনে ভুল বা মন নোখোৱা কথা নাইনে? বেদক নিৰ্ভুল বোলে; তাতো অনেক ভুলৰ কথা থকা পণ্ডিতসকলে কয়। গীতা-ভাগৱতৰ ভুলক প্ৰক্ষিপ্ত, ব্যাকৰণৰ ভুলক আৰ্ষপ্ৰয়োগ ইত্যাদি কত আখ্যাৰে ব্যাখ্যা কৰা হয়। আমাৰ মনেৰে আমাৰ চন্দ্ৰকান্ত অভিধানক আমি সকলোৰে মৰম আৰু শ্ৰদ্ধাৰ চকুৰে চাই যিসকলৰ গুণত তেনে এখন কিতাপ আমি পালোঁ, সেইসকলৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশহে কৰা উচিত। তাৰ সমালোচনা কৰিবলৈ সমালোচকসকলক আমি নিবাৰণ কৰা নাই। হওক তাৰ ভুৰি ভুৰি সমালোচনা। প্ৰকৃত সমালোচনা সোণৰ পক্ষে জুইহে। শ্ৰদ্ধা, মৰম, আৰু বন্ধুভাৱৰ সমালোচনা নিশ্চয় লাগে। কিন্তু ইমান এটা অমূল্য বস্তুক দুযাৰি-চাৰিযাৰ আওপকীয়া আৰু আওঢলীয়া কথাৰে বাগৰাই খাৰৈত পেলাবলৈ যোৱা দেখিলে, তেনে সমালোচকৰ প্ৰতি শ্ৰদ্ধা নহৈ দুখ হে লাগে।

আমি কওঁ— নিৰপেক্ষ সমালোচনা চলক। সেই সমালোচনাবোৰ সাহিত্য সভাই জুকিয়াই থৈ, এবছৰৰ মূৰত কাৰ্যনিৰ্বাহক সমিতিৰ দ্বাৰাই সেইবোৰ ভালকৈ পৰীক্ষা কৰোৱাই, এখন পৰিশিষ্ট বা শুধৰণী ছপাই অভিধানৰ গাত জাপি দিয়ক। এবছৰ সাহিত্য সভা মনে মনে থাকক। তাকে নকৰি আজি এটা শব্দৰ ব্যাখ্যা, কাইলৈ এটা শব্দৰ ব্যাখ্যা শুধৰাই খপৌ-জপৌ কৰিলে, বেমেজালি বাঢ়িব হে। (বাতৰি, নৱেম্বৰ, ১৯৩৩)◆

# ৰাজ্যভাষা আইন

অসম সাহিত্য সভাই চৰকাৰী নথি-পত্ৰ, ডাকঘৰ, ষ্টিমাৰ কোম্পানী, ৰেলষ্টেশ্বন আদিত অসমীয়া ভাষা প্ৰয়োগ কৰিবলৈ কাৰ্যনিৰ্বাহক আৰু মুকলি অধিৱেশনত প্ৰস্তাৱ লৈ সংশ্লিষ্ট কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰা দেখা যায়। কিন্তু সংশ্লিষ্ট কৰ্তৃপক্ষৰ পৰা বিষয়টোৰ সম্পৰ্কত সদুত্তৰ সভাই লাভ কৰা নাছিল। সেয়ে মাৰ্ঘেৰিটা অধিৱেশনৰ সভাপতি অম্বিকাগিৰি ৰায়চৌধুৰীৰ যত্নত অসমীয়া ভাষাক ৰাজ্যিক ভাষাস্বৰূপে গ্ৰহণ কৰিবলৈ মুকলি সভাত (১৯৫০) তলত দিয়া প্ৰস্তাৱটো আনুষ্ঠানিকভাৱে গ্ৰহণ কৰে—"মাৰ্ঘেৰিটাত বহা অসম সাহিত্য সভাৰ এই ২১ শ অধিৱেশনে অসম চৰকাৰক জোৰেৰে দাবী জনায় যে তেৰ মাৰ্চত আৰম্ভ হোৱা অসম ব্যৱস্থাপক সভাৰ অধিৱেশনতেই অসমীয়া ভাষাক অসমৰ ৰাজ্যভাষা বুলি আৰু সম্প্ৰতি (খাছি, লুকাই, মিজো) আৰু গাৰো পাহাৰৰ স্কুলকেইটা বাদ দি অসমৰ সকলো হাইস্কুলতে অসমীয়া ভাষা শিক্ষাৰ মাধ্যম হ'ব বুলি চৰকাৰীভাৱে ঘোষণা কৰক আৰু আগতে দিয়া তেনে স্কুলবিলাকৰ পৰা আৰ্থিক সাহায্য আৰু স্বীকৃতি উঠাই ল'ব লাগে।" এই প্ৰস্তাৱ অনুযায়ী সাহিত্য সভাই চৰকাৰৰ পৰা সদুত্তৰ নাপাই ৪/৬/৫০ তাৰিখৰ কাৰ্যনিৰ্বাহক সমিতিৰ বৈঠকত দাবী দিৱস পালনৰ সিদ্ধান্ত কৰে। সেইমতে ২ জুলাই আৰু ১৬ জুলাই (১৯৫০) তাৰিখে সদৌ অসমত সভাই দাবী দিৱস পালন কৰে।

ইয়াৰ পিছতো সবাই নিজৰ স্থিতি প্ৰকাশ কৰি জোৰেৰে দাবী উত্থাপন কৰি সভাৰ এই স্থিতি থকা সত্ত্বেও লোকসভাৰ অসমৰ প্ৰতিনিধি দেৱকান্ত বৰুৱাই গোৱালপাৰাত বহা পশ্চিমবংগ ৰাজনৈতিক সন্মিলনত বক্তৃতা প্ৰসংগত পূব ভাৰতৰ ৰাষ্ট্ৰভাষা বঙালী হোৱা উচিত বুলি মন্তব্য কৰাত অসমত বিক্ষোভ প্ৰদৰ্শন কৰা হৈছিল।[১০] সেয়ে দেৱকান্ত বৰুৱাৰ লগত যোগাযোগ কৰি

---

১০. এনে মতবাদে তিক্ততাৰ সৃষ্টি নকৰাকৈ থকা নাই। এই প্ৰসংগত সভাৰ পত্ৰিকাৰ সম্পাদকীয় চ'ৰাত আছে—"বংগীয় নেতৃবৰ্গৰ... নিজৰ দেশৰ কথা এৰি অসমৰ ৰাজ্যিক ভাষা সম্পৰ্কে অনিমন্ত্ৰিত মত দাখিল কৰিবলৈ প্ৰয়াস কৰিলে আৰু ক'লে যে ত্ৰিপুৰা আমাক নালাগে অসমেই লওক। কিন্তু অসম দ্বিভাষী প্ৰদেশ বুলি ঘোষণা কৰিব লাগে।" (অসম সাহিত্য সভা পত্ৰিকা, চতুৰ্দশ বছৰ দ্বিতীয় আৰু তৃতীয় সংখ্যা, পৃ. ১৭৫-১৭৬) অসম আৰু বংগৰ মাজত সম্প্ৰতি সম্পৰ্ক সৌহাদ্যপূৰ্ণ।



উত্তৰ নাপাই সভাই দুখ প্ৰকাশ কৰে। সেই বছৰৰে ১৬ মে' তাৰিখে 'অসম ট্ৰিবিউন' কাতত তলত দিয়া বাতৰিটি প্ৰকাশ হয় আৰু বৰুৱাৰ নামো উল্লেখ কৰা হয়। *In fact Bengali had achieved the status of some kind of a Lingua Franca in Eastern India. Bengali Language was understand by many peaple in Eastern India and that in fact Bengali had achieved the Status of some kind of a lingua franca in Eastern India and therefore it was hardly necessary to agitate for its development and expansion.* বৰুৱাৰ এই বিবৃত্তিক সভাৰ কাৰ্যনিৰ্বাহক সভাত (১৬/৫/৫৪, ১৭/৫/৫৪) ভ্ৰান্তিমূলক আৰু গৰ্হিত বুলি মতপ্ৰকাশ কৰে আৰু বঙালী ভাষা Lingua Franca-ৰূপে সদৌ পূব ভাৰত বিশেষকৈ অসমত কোনোদিনে ব্যৱহাৰ হোৱা নাই। তদুপৰি অসমক দ্বিভাষী ৰাজ্য কৰিবৰ বাবে বংগীয় নেতা দুই-এজনৰ মন্তব্যত সভা ক্ষুণ্ণ হৈছিল।[১১] ইয়াৰ পিছত সভাই চৰকাৰৰ লগত যোগাযোগৰ ধাৰাবাহিকতা ৰক্ষা কৰে নানা আৱেদন-নিৱেদন কৰিও সদুত্তৰ নোপোৱাত সভা ক্ষুণ্ণ হয়।

১৯৫৬ চনৰ সৰ্বভাৰতীয় চৰকাৰী ভাষা আয়োগত সাক্ষ্য দিবৰ কাৰণে সভাক নিমন্ত্ৰণ কৰা হৈছিল। সভাৰ পক্ষৰ পৰা ড° সত্যেন্দ্ৰনাথ শৰ্মাক প্ৰতিনিধিত্ব কৰিবলৈ অনুমোদন জনোৱা হয়। শৰ্মাই ৩০ নৱেম্বৰত সাক্ষ্য দান কৰি তলত দিয়া বিষয় উত্থাপন কৰে।[১২]

*সৰ্বভাৰতীয় শাসন সম্পকীয় সকলো কথা হিন্দী*

*১। সংবিধান অনুসৰি ১৯৬৫ চনৰ পৰা সৰ্বভাৰতীয় শাসন সম্পকীয় সকলো কথা হিন্দী ভাষাৰ যোগেদি হ'ব লাগে নে নেলাগে সেই সম্পৰ্কে প্ৰশ্ন কৰাত কোৱা হয় যে অন্ততঃ ১৯৭০ চনলৈকে ইংৰাজীয়েই মাধ্যম হৈ থকা উচিত। ইতিমধ্যে অহিন্দী ভাষা-ভাষী অঞ্চলসমূহত হিন্দী শিক্ষাৰ সুবিধা বৃদ্ধি কৰি দিব লাগে বুলি সাক্ষ্যদান প্ৰসংগত কোৱা হয়।*

*২। হিন্দীলিপি আৰু ব্যাকৰণ সহজ কৰি দিবলৈ অনুৰোধ কৰা হয়। হিন্দীভাষাত থকা লিংগ সম্পকীয় জটিলতা আঁতৰ কৰি সহজ কৰি দিয়া উচিত বুলি মত প্ৰকাশ কৰা হয়।*

*৩। সৰ্বভাৰতীয় পৰীক্ষাৰ মাধ্যম বৰ্তমান ইংৰাজীয়েই থকা উচিত বুলি মত প্ৰকাশ কৰা হয়। ১৯৭০ চনৰ পাছত হিন্দীক মাধ্যম কৰিলেও অহিন্দী ভাষাভাষী অঞ্চলৰ পৰীক্ষাৰ্থীসকলৰ সুবিধাৰ কাৰণে হিন্দীভাষী পৰীক্ষাৰ্থীসকলে অন্য এটা ভাৰতীয় ভাষাত পৰীক্ষা দিয়াৰ বাধ্যতামূলক চৰ্ত থকা উচিত বুলি কোৱা হয়।*

*৪। বৈকল্পিক (Optional) ভাষাস্বৰূপে ইংৰাজীক ৰখা উচিত। ভাৰতৰ বাহিৰৰ বিশেষকৈ পাশ্চাত্য দেশসমূহৰ লগত সম্বন্ধ ৰাখিবলৈ আৰু জগতৰ সাহিত্যিক আৰু বৈজ্ঞানিক উন্নতিৰ লগত আমাৰ পৰিচয় আৰু সম্বন্ধ ৰাখিবলৈ ইংৰাজীৰ প্ৰয়োজন, সেই কাৰণে ইংৰাজী শিক্ষাৰ ওপৰত গুৰুত্ব কমাই আনিলেও সম্পূৰ্ণ বহিষ্কাৰ কৰা সমীচীন নহয় বুলি মত প্ৰকাশ কৰা হয়।*

*৫। বিশ্ববিদ্যালয়ৰ মাধ্যম বৰ্তমান ইংৰাজী থকাই উচিত বুলি মত প্ৰকাশ কৰা হয়।*

---

১১. এই বংগীয় কংগ্ৰেছ নেতাৰহে। ইয়াৰ লগত বংগদেশৰ বৌদ্ধিক মহলৰ সম্পৰ্ক নাছিল।

১২. সাহিত্য সভা বাৰ্ষিকী, দ্বিতীয় ভাগ, পৃ. ১২০, ১৯৫৬

*৬। অসমৰ নেফাক লৈ শাসন সম্পৰ্কীয় সকলো কথা আঞ্চলিক ভাষাৰ যোগেদি হোৱা উচিত বুলি মত প্ৰকাশ কৰা হয়। ইয়াৰ পিছত নগাঁৱত সাহিত্যাচাৰ্য অতুলচন্দ্ৰ হাজৰিকাৰ সভাপতিত্বত হোৱা অষ্টবিংশ অধিৱেশনত তলত দিয়া প্ৰস্তাৱটো গ্ৰহণ কৰা হয়—*

*অসম সাহিত্য সভা আৰু অসমৰ জনমতে সংবিধানৰ মৌলিক অধিকাৰ অনুযায়ী অসমীয়া ভাষাক অসমৰ ৰাজ্যিক ভাষা বুলি ঘোষণা কৰিবলৈ কেইবা বছৰ ধৰি দাবী কৰা অহা সত্ত্বেও জনমত উপেক্ষা কৰি অসম চৰকাৰে ঘোষণা নকৰাত এই সভাই গভীৰ উদ্বেগ প্ৰকাশ কৰে আৰু অনতিপলমে অসমীয়া ভাষা ৰাজ্যিক ভাষা ঘোষণা কৰিবলৈ আজিৰ সভাই পুনৰ চৰকাৰক দাবী কৰে। অসমীয়া ভাষাক ৰাজ্যিক ভাষা বুলি ১৯৬০ চনৰ ভিতৰতে ঘোষণা কৰিবৰ বাবে। বিধান সভাত প্ৰস্তাৱাদি উত্থাপন কৰি কাৰ্যকৰী কৰিবলৈ বিধান সভাৰ সদস্যসকলক টানি অনুৰোধ জনায়।”*

অসম সাহিত্য সভাই ১৯৫৯ চনৰ ১২ ছেপ্টেম্বৰ তাৰিখে ‘ৰাজ্যিক ভাষা দিৱস’ সমগ্ৰ অসমতে পালন কৰিবলৈ আহ্বান জনায় আৰু এই দিৱস সফলভাৱে ৰূপায়িত হয়।

## সভাৰ মত আৰু সভাৰ প্ৰস্তাৱৰ প্ৰতি সমৰ্থন

স্বাধীন ৰাষ্ট্ৰ এখনৰ সৰ্বাংগীন উন্নতিৰ ক্ষেত্ৰত বিভিন্ন ৰাজ্যসমূহৰ শিক্ষা-সংস্কৃতি আৰু সভ্যতাৰ বিকাশৰ ক্ষেত্ৰত সেই অঞ্চলৰ ভাষাই প্ৰধান আধাৰ। ভাৰতৰ সেই সময়ৰ সাতখন ৰাজ্যই নিজ নিজ আঞ্চলিক ভাষাক তেওঁলোকৰ ৰাজ্যিক চৰকাৰী ভাষা বুলি ঘোষণা কৰিছে আৰু আন কেইবাখনো ৰাজ্যই তেনে কৰিবলৈ সাজু হৈছে। সংবিধান স্বীকৃত অসমীয়া ভাষাৰ ৰাজ্যিক পৰ্যায়ৰ বিকাশৰ ক্ষেত্ৰ হ'ল অসম ৰাজ্য।

অসম ৰাজ্যিক ভাষাৰ সমস্যাটো ৰাজনীতিকসকলেই জটিল কৰিছে বুলি সভাই মতপোষণ কৰিছিল। জটিলতা সৃষ্টিৰ ঘাই কাৰণ হ'ল— নেফাকে মুখ্য কৰি (বৰ্তমান অৰুণাচল) পাৰ্বত্য অঞ্চল, কাছাৰ আৰু অনঅসমীয়া। পাৰ্বত্য অঞ্চল সম্পৰ্কত সভাই স্থিতি যুক্তিৰে প্ৰতিষ্ঠা কৰিছিল। পাৰ্বত্য অঞ্চলত মিছনেৰীসকলে অসমীয়া ভাষাতে পুস্তিকা লিখি, বাইবেল অনুবাদ কৰি কেনেকৈ কুঠী পাতিছিল, মিছেছ ৱাৰ্ডে A Glimpse of Assam নামৰ পুথিতো পাৰ্বত্য অঞ্চলত অসমীয়া ভাষাৰ স্থিতি স্পষ্টৰূপে দেখুৱাইছে—“আমাৰ দাঁতি কাষৰীয়া ঠাইত থকা পৰ্বতীয়া জাতিবিলাক যেনে আবৰ[১৩], ভূটিয়া, দফলা, গাৰো, হাজং, খামটি, খাচী, কুকি লালুং, মণিপুৰী, মেছ, মিকিৰ[১৪], মিৰি[১৫], মিচিমি, নগা, ৰাভা, চিংফৌ আৰু টিৱাপ আদি অসমৰ প্ৰত্যেক অংশতে দেখা যায়। তেওঁলোকৰ নায়কজনৰ লগত কথা-বতৰা হোৱাৰ উপায় একমাত্ৰ অসমীয়া ভাষাই।” সেই সময়ত সামূহিক ভাবৰ আদান-প্ৰদানৰ ক্ষেত্ৰত শিক্ষিত লোক আৰু খ্ৰীষ্টানসকলে ইংৰাজী ভাষা ব্যৱহাৰ কৰে। কিন্তু সাধাৰণ শ্ৰেণীৰ মাধ্যম আছিল অসমীয়া ভাষা। অসম সাহিত্য সভাৰ

১৩. *সম্প্ৰতি ‘আদি’*
১৪. *সম্প্ৰতি ‘কাৰ্বি’*
১৫. *বৰ্তমান মিচিং*



এই দাবীৰ প্ৰতি নেফা আদি মিছিং ছাত্ৰ সমাজৰ সম্পাদক টাগাং টাকি, নাগাসকলৰ গোৱিন্দ চন্দ্ৰ পৈৰা, সেই চনৰ ১৫ মে' তাৰিখে “Resolution adopted by All Assam Hindustan, conferrence” এ Declare Assamese as State Language of Assam বুলি তিনিচুকীয়াৰ বৈঠকত ঘোষণা কৰি কৈছিল—*A historic decision was taken by the open session of the All Assam Hindustani Sanmilan held here today under the presidentship of Sri Ambika Prosad Singh, Deputy finance Minister, Bihar where it unamiomently adopted a resolution urginh the Govt. of Assam to declare forthwith Assamese as state language of Assam.*[১৬] তেনেকৈ সু-সাহিত্যিক ছগনলাল জৈন, তেনেকৈ হাইলাকান্দিৰ জনকল্যাণ সংঘ ভৱনত হাইলাকান্দি শাখা সাহিত্য সভাৰ সভাপতি লোকেন্দ্ৰ মোহন চক্ৰৱৰ্তী, হাইলাকান্দিৰ লক্ষ্মীনগৰত প্ৰবীৰ কুমাৰ নাথ, দক্ষিণ হাইলাকান্দিৰ মামুদপুৰ গাঁৱৰ ব্ৰজেন্দ্ৰ কুমাৰ চন্দ্ৰৰায়ৰ সভাপতিত্বত বহা ৰাজহুৱা সভা, ভজন্তিপুৰ দ্বিতীয় খণ্ডত সুহাগমণি বৰ্মনৰ সভাপতিত্বত বহা সভা, মনাচেৰাৰ প্ৰসন্ন কুমাৰ দাস পুৰকায়স্থৰ সভাপতিত্বত বহা সভা, বোৱালীপাৰৰ ৰাজহুৱা সভাৰ সভাপতি প্ৰফুল্ল কুমাৰ সিংহ, বৰ হাইলাকান্দিৰ চাহাজাহান চৌধুৰীৰ সভাপতিত্বত বহা সভা, শিলচৰৰ অধিবক্তা যোগেন্দ্ৰচন্দ্ৰ দত্তৰ সভাপতিত্বত বহা সভা, গুমৰা শাখা সাহিত্য সভাত হৰিপ্ৰসাদ নেওগ আৰু চৈয়দ আব্দুল মালিকক সম্বৰ্ধনা জনাওঁতে দিয়া অভিনন্দন পত্ৰত সভাৰ ৰাজ্যভাষাৰ দাবীক সমৰ্থন কৰে। উত্তৰ কাছাৰত কালিৰাম কলিতাৰ সভাপতিত্বত ডিফুত বহা ৰাজহুৱা সভাতো সভাৰ প্ৰস্তাৱক সমৰ্থ কৰা দেখা যায়।

খাচীয়া পাহাৰত বিধায়ক মহম্মদ সিঙে জনজাতীয় আৰু অজনজাতীয় প্ৰতিনিধি সভাত সভাৰ দাবীৰ প্ৰতি সমৰ্থন আগবঢ়ায়। তেনেকৈ সদৌ অসম ভগনীয়া সন্মিলন, চৰ্দাৰ বেইৰাম সিঙৰ সভাপতিত বহা শ্ৰীগুৰু সিং সভাত সভাৰ সপক্ষে প্ৰস্তাৱ গ্ৰহণ, মাৰ্ঘেৰিটাৰ পলিটিকেল কলনীত বৌদ্ধধৰ্মাৱলম্বী ৰাইজে সভা পাতি সভাক সমৰ্থন কৰে। কেদাৰমল ব্ৰাহ্মিণৰ সভাপতিত্বত বহা প্ৰতিনিধিত্বমূলক সভা, ঢিং ভগনীয়া সন্মিলন, সদৌ অসম ৰাজনৈতিক নিৰ্যাতিত সংঘ, যোৰহাট জিলাৰ অন্যান্য পিচপৰা শ্ৰেণী সন্মিলন, অসম ছাত্ৰ ফেডাৰেছন, টিপলিং মৌজাৰ প্ৰায় ২০খন বস্তিৰ বনুৱা, তেজপুৰৰ বনুৱা শ্ৰেণী, কৰুণাটিং বাগিছা, শাওঁতলী, বেতিয়নী, নতুন মাটি বাগিছা, বৰকাঠনি, নাফুক, চাফ্ৰাই, মথুৰাপুৰ চাহ বাগিছা আদিয়ে সভাৰ প্ৰস্তাৱৰ প্ৰতি সমৰ্থন জনায়। তদনুৰূপভাৱে ব্ৰহ্মপুত্ৰ উপত্যকাৰ লক্ষীমপুৰ, নাওহলীয়া, বৰডুবি, নাহৰকটীয়া, ডিগবৈ সাহিত্য সেৱা সমিতি, গোৱালপাৰাৰ দত্ত মা, কোকৰাঝাৰ, বঙাইগাঁও, বিদ্যাপাৰা, সৃজনগ্ৰাম, কামৰূপৰ গুৱাহাটী উকীল সন্থা, প্ৰাৰ্থনা সভা, মহিলা সংঘ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ছাত্ৰ, বিপ্লৱী কমিউনিষ্ট পাৰ্টি, আগৰতলা ৰাজহুৱা সভা, পলাশবাৰী, শুৱালকুছি, জ্যোতি সাহিত্য সভা, শুৱালকুছি ৰাজহুৱা সভা, কৰৱা টিহু, জ্ঞানোদয়


১৬. *ৰাজ্যিক ভাষা ঃ অসমীয়া, পৃ. ১৩-১৪*

সমাজ, সৰুপেটা, হালোৰা গাঁও (সৰুপেটা) জেব্ৰাভিঠা, ধৰ্মপুৰ, উত্তৰ গুৱাহাটী, পশ্চিম বৰিগোৱা, ৰঙিয়া ননৰা, বৰপেটা।

উল্লেখযোগ্য যে গুৱাহাটী সবিতা সভাই পতা ৰাজহুৱা সম্পৰ্কে এখন কৰ্ম পৰিষদ গঠন কৰা, কটন কলেজৰ ছাত্ৰ-ছাত্ৰীয়ে মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ দিছিল।

কামপুৰত হোৱা শংকৰদেৱ সংঘৰ বাৰ্ষিক অধিৱেশনত পোৱা প্ৰস্তাৱ, নগাঁও, বেবেজীয়া, ঢিং, শিলঘাট, পুৰণিগুদাম আদিৰ পৰা দাবী উত্থাপিত হ'ল। দৰং জিলাৰ অ.ভা.উ.সা.সা, জামুগুৰি, নদুৱাৰ, মঙ্গলদৈ, দুনী, জামুগুৰিৰ লক্ষ্মী-সৰস্বতী মন্দিৰ শিৱসাগৰৰ বৰুৱাবাহী যুৱক, বোকাখাত, বেতিয়নী, কমাৰবন্ধা, ফৰকাটিং, দেৰগাঁও, মৰিয়নী, মহুৱা, গোলাঘাট আদৰ্শ পুথিভঁৰাল, হাতীয়েখোৱা, কুৱালগুৰি, শ'লগুৰি, শিমলুগুৰি, কাকডোঙা, যোৰহাট, মাজুলী, জাঁজী, নাজিৰা, দেওৰজা, মৰাণ, দিচাংমুখ, শিৱসাগৰ ৰাজহুৱা সভা, টীয়ক, সোণাৰী, লংপতীয়া, সোণাৰী, আমগুৰি, নাজিৰা টাউন কংগ্ৰেছ কমিতি, শিৱসাগৰ জিলা প্ৰজা চ'চিয়েলিষ্ট পাৰ্টি আদি।

অনুৰূপভাৱে স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীয়েও ভাষাৰ দাবী দিৱসত অংশগ্ৰহণ কৰে। গুৱাহাটী বিশ্ববিদ্যালয়, কাশী অসম সংঘ, গড়গাঁও কলেজ, টীয়ক পূৰ্বাঞ্চল কলেজ, পাঠশালা হাইস্কুল, চাৰিগাঁও ছাত্ৰ সভা, বেতিয়নী হাইস্কুল, সাপেখাটী বীনাপানি হাইস্কুল, লংপতীয়া হাইস্কুল, হাতীপুখুৰী এম ই, দীঘলীপুখুৰী এম ই, পুব অভয়পুৰ ছাত্ৰ একতা সভা, মৰিয়নী হাইস্কুল, ডুমডুমা হাইস্কুল, ছিপাঝাৰ হাইস্কুল, পাথৰিঘাট হাইস্কুল, জামুগুৰি হাইস্কুল, কনিহা হাইস্কুল, পাটাচাৰকুছি বিদ্যাপীঠ, পলাশবাৰী হাইস্কুল, নলবাৰী গৰ্ডন হাইস্কুল, চামগুৰি হাইস্কুল, বড়িগোগ হাজো হাইস্কুল আদি।



# বাতৰি কাকতৰ ভূমিকা

ৰাজ্যভাষা আন্দোলনত অসম আৰু অসমৰ বাহিৰৰ বাতৰি কাকতসমূহেও সভাৰ দাবী সমৰ্থন কৰিছিল।

২৬ মাৰ্চৰ **'টাইমছ অৰ ইণ্ডিয়া'** কাগজৰ সম্পাদকীয় মন্তব্যৰ হুবহু নকল তুলি দিয়া হ'ল—

"It is dificult to understand why the Assam Government cannot make up its mind on the question of the State language. The public meetings held on the State Language Demand Day have shown that its fears about opposition to Assamese are entirely misplaced. The Asam Sahitya Sabha has rightly urged the Government to replace English by Assamese. Many other bodies have also made similar representations. Replying to a question in the State Assembly last week. Mr. Chaliha mentioned two points which, he said, had to be borne in mind before any decision was taken in the matter. The State Language must be such as the common people can understand and everything should be done to break "the barriers" of language which "now separate the diverse population of Assam" Both these points strengthen the case for Assamese. Unfortunately Mr. Chaliha did not explain what he meant by his critics have pointed out, no sizeable section of Assamese as the State language. To wait as Mr. Chaliha has suggested for all the non-Assamese speaking minorities to make the demand for adoption of Assamese will only mean postponing the decision indefinitely and for no valid reason, If the Government it keen on sounding minority opinion, it can invite the views of the district councils and the non-Assamese linguistic groups on the issue. The excuses made by the Assam Government for the delay in coming to a decision only show how sadly out of touch it is with public opinion in the State."

**১১ মাৰ্চৰ 'আসাম ট্ৰিবিউন' কাগজে লিখিছে—**

"... For sometime past public feelings in the state have been justifiably exercised over the supine attituede of the Government in the matter of declaring Assamese as the State Language. The Asam Sahitya Sabha had passed a resolution

demanding that Assamese be declared as the State Language. It is very supprising that in a state where 60 percent of the population is Assamese and where even the rest of the population talking a variety of languages and dilects is using Assamese for their inter-comunication. The Sate Language issue should have been allowed to hang fire all these years."

**গুৱাহাটী হিন্দী সাপ্তাহিক পূৰ্বজ্যোতিয়ে (১১ মাৰ্চ) লিখিছে,**

"আজ ৰাজ ভাষাকে ৰূপ মেঁ অসমীয়া কে ন্যায়পূৰ্ণ দাৱে কো প্ৰায়ঃ সভী নে স্বীকাৰ কৰ নিয়া হে। অতঃ অসমীয়া কো উসকা ন্যায়োচিত অধিকাৰ প্ৰাপ্ত হো জানে পৰ অসম কে অন্য ভাষা ভাষিয়োঁ কো লিএ শঙ্কা কী কোই গুঞ্জাইশ নহী।"

**১৯ ফাগুনৰ নতুন অসমীয়াই লিখিছে,**

"সংবিধানত উল্লিখিত আঞ্চলিক ভাষাবিলাকক অবিলম্বে সংশ্লিষ্ট ৰাজ্যবিলাকৰ ৰাজ্যিক চৰকাৰী ভাষা কৰিবলৈ ৰাষ্ট্ৰপতি ডাঃ ৰাজেন্দ্ৰ প্ৰসাদকে মুখ্য কৰি আমাৰ ৰাষ্ট্ৰীয় কৰ্ণধাৰসকলে দঢ়াই দঢ়াই পৰামৰ্শ দিব লাগিছে। তেতিয়াহে স্বাধীনতাৰ প্ৰকৃত পৰিৱেশ উপভোগ কৰিব পৰা যাব আৰু সৰ্বভাৰতীয় ক্ষেত্ৰত হিন্দীক চৰকাৰী ভাষা কৰাটোও সহজ হ'ব বুলি তেওঁলোকে কৈছে। ভাৰতৰ সৰহ ভাগ ৰাজ্যিক চৰকাৰেই সেইমতে কাম কৰিছে। কিন্তু অসম চৰকাৰ এই বিষয়ে আচৰিতভাৱে নিমাত।"

**৩ চ'তৰ জনমভূমি কাকতে লিখিছে—**

"অসমীয়াক ৰাজ্যভাষা বুলি ঘোষণা কৰিলেই, সংখ্যালঘুসকলৰ ওপৰত এই ভাষা জাপি দিয়া নহয়। অসমীয়াসকলে সংখ্যালঘুসকলৰ সাংস্কৃতিক বিকাশ আৰু উন্নতিত বাধা দিবলৈ নাযায়।"

**৪ চ'তৰ অসমবাণীয়ে লিখিছে—**

"... ভাৰতত শতকৰা ৪০ জন লোক হিন্দী ভাষা-ভাষী হোৱা সত্বেও ভাৰত চৰকাৰে হিন্দীক ৰাষ্ট্ৰভাষা হিচাপে গ্ৰহণ কৰিছে। অসমত ৮৮ লাখ ৩০ হাজাৰ লোকসংখ্যাৰ শতকাৰ ৬০ অসমীয়া ভাষা-ভাষী। এনে অৱস্থাত অসমৰ বৰ্তমান চৰকাৰে ৰাজনৈতিক কাৰণত অসমীয়া ভাষাক আঞ্চলিক ভাষা হিচাপে গ্ৰহণ নকৰাৰ কোনো যুক্তি নাই।

ইয়াৰ উপৰি অসম বিধান সভাৰ ভালেকেইজন সদস্য আৰু অন্যান্য নেতৃস্থানীয় লোকে
অসমীয়াক ৰাজ্যিক ভাষা ঘোষণা কৰাৰ সমৰ্থন জনাই লিখিছে।[১৭]

অসম সাহিত্য সভাই আহ্বান জনোৱা মতে সমগ্ৰ অসমত অভূতপূৰ্ব ৰূপত ভাষা দিৱস
পালন কৰে। 'ৰাজ্যিক ভাষাঃ অসমীয়া এখন পুস্তিকা ছপা কৰি বিতৰণ কৰে।[১৮] ১৯৬০ চনৰ
বিধান সভাৰ বাজেট অধিৱেশনত বিৰোধী দলপতি হৰেশ্বৰ গোস্বামীয়ে ৰাজ্যিক ভাষা প্ৰস্তাৱৰ
জাননী দিয়ে। বিৰোধী দলৰ প্ৰশ্নৰ উত্তৰত সেই সময়ৰ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাই সদনক

১৭. ৰাজ্যিক ভাষাৰ সমৰ্থনত, পৃ. ১৯২০-২১, ১৯৬০
১৮. পৰিশিষ্ট চাওক



জনায় যে সংখ্যালঘূ সম্প্ৰদায়ে দাবী জনালেহে অসমীয়া ভাষাক ৰাজ্যিক ভাষাৰূপে গ্ৰহণ কৰাৰ কথা বিবেচনা কৰিব পৰা হ'ব। এই কথাত সভা ক্ষুণ্ণ হয় আৰু ১৯৬০ চনৰ ১১ মাৰ্চ তাৰিখে 'ৰাজ্যিক ভাষা দাবী দিৱস'ৰ আহ্বান জনায়। সভাৰ এই আহ্বানে অভূতপূৰ্ব সঁহাৰি লাভ কৰে। এই দিৱসৰ লগত সংগতি ৰাখি 'ৰাজ্যিক ভাষাৰ সমৰ্থনত' এখন পুস্তিকা প্ৰকাশ কৰে।[১৯] ২১/৫/৬০ তাৰিখে কিছুসংখ্যক বাঙালী আৰু জনগোষ্ঠীয় লোকে অসমীয়া বিৰোধী ধ্বনি দিয়ে। বঙলা ভাষী অসমৰ অঞ্চল বিশেষত (লামডিং, মৰিয়নি) অসমীয়া বিৰোধী সমদল উলিয়ায়) ইয়াৰ ফলত অসমত উত্তেজনা বৃদ্ধি হয়, সমগ্ৰ অসম অশান্ত হৈ পৰে। পুলিচৰ গুলীত কটন কলেজৰ ছাত্ৰাৱাসত ৰঞ্জিত বৰপূজাৰীৰ মৃত্যু হয়। শিলিগুৰিৰ উদীয়মান লেখক সূৰ্য বৰা নিহত হয়। ইয়াৰ বাহিৰেও ধীৰেশ্বৰ দেউৰী, মিনেশ্বৰ দাধৰা, মফিজুদ্দিন আহমদ নিহত হয়। অসমৰ বিৰোধী দলপতি হৰেশ্বৰ গোস্বামী আৰু তেখেতৰ পত্নী আহত হয়। ধুবুৰীৰ চাহাবুদ্দিন আহমদ, কালিন্দ্ৰনাথ আহত হয়। এই নৃশংস ঘটনাক সভাই নিন্দা আৰু প্ৰতিবাদ কৰে আৰু সকলো ঘটনা বৰ্ণাই Assam State Language শীৰ্ষক এখন ইংৰাজী পুস্তিকা প্ৰকাশ কৰি ভাৰতৰ ৰাষ্ট্ৰপতি, উপৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰী, প্ৰতিৰক্ষা মন্ত্ৰী, আইনমন্ত্ৰী আৰু বিত্তমন্ত্ৰী, ভাৰতৰ সদস্য ভাৰতৰ ভাৰতীয় জাতীয় কংগ্ৰেছৰ সভাপতি, লোকসভাৰ অধ্যক্ষ, লোকসভাৰ অসমৰ সদস্য ভাৰতৰ বিভিন্ন ৰাজ্যৰ ৰাজ্যপাল, বিভিন্ন ৰাজ্যৰ মুখ্যমন্ত্ৰীলৈ মুঠ ৫০০ খন পুস্তিকা বিভিন্ন বাতৰি কাকত বিভিন্ন ৰাজ্যৰ ৰাজ্যপাল, বিভিন্ন ৰাজ্যৰ মুখ্যমন্ত্ৰীলৈ মুঠ ৫০০ খন পুস্তিকা বিতৰণ কৰা হয়।

ইয়াৰ পিছত নগাঁৱত জুলাই মাহৰ ৫ আৰু ৬ তাৰিখে বহা কাৰ্যনিৰ্বাহক সমিতিয়ে চৰকাৰক
তলত দিয়া নীতিসমূহ মানি ল'বলৈ দাবী জনায়।
চৰকাৰী ভাষা হিচাপে ঘোষণা।

১। অসমীয়া ভাষা সমগ্ৰ অসমত একমাত্ৰ চৰকাৰী ভাষা হিচাপে ঘোষণা।

১। অসমীয়া ভাষা সমগ্ৰ অসমত একমাত্ৰ চৰকাৰী ভাষা হিচাপে ৰাখিবলগীয়া হ'লে, সেই
২। ৰাজ্যৰ কোনো কোনো অঞ্চলত অগত্যা স্থিতাৱস্থা বাহাল ৰাখিবলগীয়া হ'লে, সেই
২। ৰাজ্যৰ কোনো কোনো অঞ্চলত অগত্যা স্থিতাৱস্থা আইন সম্পূৰ্ণভাৱে বলৱৎ।
অঞ্চলতো ১৯৬৫ চনৰ ভিতৰত ৰাজ্যিক চৰকাৰী ভাষা আইন সম্পূৰ্ণভাৱে বলৱৎ।
৩। ৰাজ্যৰ যাৱতীয় চৰকাৰী কামত অসমীয়া ভাষা প্ৰচলন।
৪। ৰাজ্যিক চৰকাৰে চূড়ান্ত ব্যৱস্থা লোৱাত পলম কৰাত ৰাজ্যজুৰি যি বিৰোধ আৰু অশান্তিৰ
সৃষ্টি হৈছে তাক প্ৰকাশিত কৰিবৰ কাৰণে বিধান সভাৰ জৰুৰী অধিৱেশন পাতি হ'লেও
সৃষ্টি হৈছে তাক প্ৰকাশিত কৰিবৰ কাৰণে বিধান সভাৰ আইন বলৱৎ কৰাৰ ব্যৱস্থা।
১৯৬০ চনৰ ২ অক্টোবৰৰ পৰা ৰাজ্যিক চৰকাৰী ভাষা আইন বলৱৎ কৰাৰ ব্যৱস্থা।
১৯৬০ চনৰ ২ অক্টোবৰৰ পৰা ৰাজ্যিক চৰকাৰী ভাষা অসন্তুষ্ট হয়। তেতিয়াৰ কেন্দ্ৰীয় মন্ত্ৰী
মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাৰ প্ৰতিও সভা অসন্তুষ্ট হয়। তেতিয়াৰ কেন্দ্ৰীয় মন্ত্ৰী
ফকৰুদ্দিন আলি আহমদ অসমলৈ আহি শান্তিৰ পৰিৱেশ সৃষ্টিৰ বাবে যত্নপৰ হয়।
ফকৰুদ্দিন আলি আহমদ অসমলৈ আহি শান্তিৰ পৰিৱেশ বৰ্তাই সভাই ইংৰাজীত Assam's State
এই আন্দোলনত হোৱা অশান্ত পৰিস্থিতি বৰ্তাই সভাই ইংৰাজীত Assam's State
Language নামৰ পুস্তিকা এখন প্ৰকাশ কৰে। ১৯৬০ চনৰ ৪ আৰু ৫ তাৰিখে আয়োজিত
সৰ্বদলীয় সন্মিলনত সভাই এটি ভাষা সূত্ৰ উত্থাপন কৰে—

১৯. পৰিশিষ্ট চাওক

" সংখ্যালঘিষ্ঠসকলৰ ভাষাক যথাযথ ৰক্ষণাবেক্ষণৰ ব্যৱস্থা কৰি অসমীয়া ভাষাক অসমৰ একমাত্ৰ চৰকাৰী ভাষা কৰিব লাগে।" সভাৰ হৈ নীলমণি ফুকন, খনীন্দ্ৰচন্দ্ৰ বৰুৱা আৰু প্ৰধান সম্পাদকে প্ৰতিনিধিত্ব কৰে।

কিন্তু চৰকাৰে ১০/১০/৬০ তাৰিখে অসমীয়া ভাষাক জিলা পৰ্যায়ৰ ভাষা কৰি হিন্দীক চৰকাৰী ভাষা কৰি এখন দ্বিভাষিক বিল সদনত উত্থাপন কৰে। ইয়াৰ বিৰুদ্ধে প্ৰবল জনমত গঢ় লৈ উঠিল। (পৰিশিষ্টত চাওক - বিমলা প্ৰসাদ চলিহাৰ ভাষণ)

২৪/১০/৬০ তাৰিখে অসমীয়াক চৰকাৰী ভাষা কৰি লগতে ইংৰাজীত সচিবালয় আৰু বিভাগীয় পদাধিকাৰসকলৰ ভাষা কৰি সংশোধিত ৰূপত বিধান সভাত চৰকাৰী ভাষা আইন বিলখন গৃহীত হ'ল, সেই বছৰৰ ডিচেম্বৰ মাহত ই আইনত পৰিণত হ'ল। আনহাতে ভাৰত চৰকাৰে স্বৰাষ্ট্ৰ মন্ত্ৰী লালবাহাদুৰ শাস্ত্ৰীৰ দ্বিভাষী সূত্ৰৰ প্ৰতি সমৰ্থন জনাই অসম চৰকাৰে চৰকাৰী ভাষা আইন (১৯৬০) ৰ পঞ্চম ছেদটো সংশোধন কৰিবলৈ যত্ন কৰাত সভাই ভাৰতৰ স্বৰাষ্ট্ৰ মন্ত্ৰী আৰু সেই সময়ৰ স্থানীয় (কাছাৰ) কৰ্তৃপক্ষৰ ওচৰত আবেদন কৰিলে আৰু অসমীয়া ভাষাৰ স্থিতাৱস্থা বাহাল ৰাখিলে। সভাৰ পৰা এটা সঁজাতি দলে ১৩ ছেপ্টেম্বৰ (১৯৬১) এখন পৰিপূৰক স্মাৰক পত্ৰ দাখিল কৰে। এই স্মাৰক পত্ৰৰ লগত Assam's Language Question নামৰ এখন পুস্তিকাও প্ৰকাশ কৰে। আৰু ১৯৬১ চনত ভাষা আইনৰ পঞ্চম ছেদ সংশোধন কৰি ছেপ্টেম্বৰত হোৱা বিধান সভাৰ অধিৱেশনত অসমীয়াৰ লগতে কাছাৰত বঙলা ভাষাকো জিলা পৰ্যায়ত স্বীকৃতি দিয়া হ'ল।

অসমৰ ৰাইজৰ বিপুল দাবীত ১৯৬০ চনৰ ৰাজ্যভাষা আইন সেই চনৰ ১৯ ডিচেম্বৰ তাৰিখে ৰাজপত্ৰৰ অসাধাৰণ সংখ্যাত প্ৰকাশ হয়। আইনৰ পৰিচয় প্ৰদানত কোৱা হৈছে—

(১) এই আইনখন ১৯৬০ চনৰ অসম চৰকাৰী ভাষা আইন নামে অভিহিত কৰা হৈছে।

(২) এই আইন ৰাজ্য চৰকাৰে অধিসূচনা যোগে যি তাৰিখ নিৰূপন কৰিব সেইমতেই বলৱৎ হ'ব আৰু অসম ৰাজ্যৰ বিভিন্ন চৰকাৰী কাম-কাজৰ বাবে ভিন ভিন তাৰিখ নিৰূপিত হ'ব পাৰে। ব্যৱস্থা আছে যে অসম ৰাজ্যৰ যিকোনো অংশৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ দ্বাৰা ধাৰ্য কৰা এই তাৰিখ আইনখনত সন্মতি প্ৰদান সম্পৰ্কে ৰাজপত্ৰত প্ৰথমে প্ৰকাশিত হোৱা তাৰিখৰ পৰা দহ বছৰতকৈ বিলম্ব হ'ব নোৱাৰিব।

এই উপচ্ছেদ মতে সমগ্ৰ অসমত এই আইনৰ প্ৰয়োগ ১৮/১২/৭০ তাৰিখতকৈ বিলম্ব হ'ব নোৱাৰিব কাৰণেই সেই সময়ৰ মুখ্য সচিবৰ ২/১২/৭০ তাৰিখৰ পি এল চি ২/৭০/১০ এ নং অধিসূচনা অনুযায়ী ৪/১২/৭০ তাৰিখৰ পৰা ৰাজ্যৰ সচিবালয় পৰ্যায়ত অসমীয়া ভাষা প্ৰয়োগ হ'ব বুলি ঘোষণা কৰিছিল। আইনখনৰ ৩ ছেদত আছে—

(৩) ভাৰতীয় সংবিধানৰ ৩৪৬ আৰু ৩৪৭ অনুচ্ছেদৰ ব্যৱস্থাৱলী অক্ষুণ্ণতাক্ৰমে আৰু নিম্নোক্ত ব্যৱস্থা সাপেক্ষে অসম ৰাজ্যৰ সকলো নাইবা যিকোনো চৰকাৰী কাম-কাজত অসমীয়া ব্যৱহৃত হ'ব। ব্যৱস্থা আছে যে ইংৰাজী ভাষা ব্যৱহাৰৰ অনুমতি থকা পৰ্যন্ত আৰু তাৰ পিছত



ৰাজ্যিক চৰকাৰৰ সচিবালয় আৰু বিভাগীয় মুৰব্বীৰ কাৰ্যালয়সমূহৰ নিৰ্দিষ্ট চৰকাৰী কাম-কাজত নিৰ্দেশিত ধৰণে ইংৰাজীৰ ঠাইত হিন্দীও ব্যৱহৃত হ'ব। অধিকন্তু ব্যৱস্থা আছে যে—

(ক) ভাৰতীয় সংবিধানৰ ২১৩ অনুচ্ছেদ অনুযায়ী ঘোষিত সললো অধ্যাদেশ

(খ) ৰাজ্যিক বিধান সভাৰ দ্বাৰা ঘোষিত সকলো আইন।

(গ) বিধান সভাত উত্থাপন কৰিবলগীয়া সকলো বিধেয়ক বা ইয়াৰ ওপৰত আনিবলগীয়া সংশোধনী।


(ঘ) ভাৰতীয় সংবিধান অনুযায়ী ৰাজ্যিক চৰকাৰে জাৰি কৰা সকলো আদেশ, বিনিময়, নিয়মাৱলী, উপবিধি বা সংসদ নাইবা ৰাজ্যিক বিধান সভাৰ দ্বাৰা প্ৰণীত সকলো আইন ৰাজপত্ৰত অসমীয়া ভাষাতে প্ৰকাশিত হ'ব।

১৯৬০ চনৰ পৰা ১৯৭৯ চনলৈকে এজন সদস্য সচিবৰ তত্ত্বাৱধানত ৰাজ্যভাষা প্ৰয়োগ শাখা গঠিত হ'ল। ১৯৭৮ চনৰ ১,২ আৰু ৩ মাৰ্চ তাৰিখে দিল্লীত অনুষ্ঠিত অখিল ভাৰতীয় ৰাজ্যভাষা সন্মিলনৰ ৭ নং ব্যৱস্থা অনুসৰি অসমত চৰকাৰী ভাষা প্ৰয়োগ সঞ্চালকালয় গঠিত হ'ল। এই সঞ্চালকালয়ে প্ৰশাসনীয় পৰিভাষা প্ৰণয়ন কৰিছিল। অৱশ্যে ১৯৬৬-৮৪ চনৰ পিছত পৰিভাষা সাম্প্ৰতিকীকৰণ হোৱা নাই।

অসম ৰাজ্যভাষা আইনখন এতিয়া সকলো স্তৰতে প্ৰয়োগ নোহোৱাত সভাই সময়ে সময়ে চৰকাৰক সোঁৱৰাই আহিছে। সভাই ভাবে ভাব আৰু ভাষা শিক্ষা শিশু অৱস্থাৰ পৰাই আৰম্ভ হ'ব লাগে। শব্দই ভাষাৰ শৰীৰ ভাব ভাষাৰ জীৱন। এই জীৱনৰ মাজতেই সাহিত্য-সংস্কৃতিৰ নীৰৱময় অৱস্থান। এইকথা উপলব্ধি কৰিবলৈ সভা এতিয়াও যত্নপৰ।

## আভ্যন্তৰীণ বেমেজালি

প্ৰথমজনা প্ৰধান সম্পাদক শৰৎচন্দ্ৰ গোস্বামীৰ পিছত ১৯৩৪ চনলৈকে সভাখন চলি আছিল। আনহাতে নীলমণি ফুকনৰ আগলৈকে অৰ্থাৎ ১৯৪৪ চনৰ আগলৈকে সভাপতিজন কেৱল মুকলি অধিৱেশনত সভাপতিত্ব কৰিছিল আৰু তাৰ পিছত সভাপতিৰ একো কৰণীয় নাছিল। সভাৰ ঘাই কাৰ্যকৰ্তা আছিল প্ৰধান সম্পাদক। সেইফালৰ পৰা প্ৰধান সম্পাদকজন সুদক্ষ প্ৰশাসকো, পৰৱৰ্তী বৰ্ষবোৰৰ প্ৰধান সম্পাদকৰ কালছোৱাত প্ৰশাসনৰ শিথিলতা, আত্মকলহ সৰ্বোপৰি দ্বিতীয় মহাযুদ্ধই সভাৰ কাৰ্যসূচীত বিঘিনী ঘটাইছিল। তদুপৰি বিশেষ অধিৱেশন, জৰুৰী অধিৱেশন আদিত অনুষ্ঠিত হৈছিল। এইবোৰৰ বাবে সভাৰ ভাৱমূৰ্তিত ম্লান হৈছিল বাতৰি কাকতত প্ৰকাশিত নানা বাতৰিৰ মাধ্যমেদি।



# এই সময়ৰ সভাপতিসকল

১৯১৭-১৯৫০



পদ্মনাথ গোহাঞিবৰুৱা
(শিৱসাগৰ, ১৯১৭)



চন্দ্ৰধৰ বৰুৱা
(গোৱালপাৰা, ১৯১৮)



কালিৰাম মেধি
(বৰপেটা, ১৯১৯)



হেমচন্দ্ৰ গোস্বামী
(তেজপুৰ, ১৯২০)





অমৃতভূষণদেৱ অধিকাৰী
(যোৰহাট, ১৯২৩)



কনকলাল বৰুৱা
(ডিব্ৰুগড়, ১৯২৪)



লক্ষ্মীনাথ বেজবৰুৱা
(গুৱাহাটী, ডিচেম্বৰ ১৯২৪)



ৰজনীকান্ত বৰদলৈ
(নগাঁও, ১৯২৫)



বেণুধৰ ৰাজখোৱা
(ধুবুৰী, ১৯২৬)



তৰুণৰাম ফুকন
(গোৱালপাৰা, ১৯২৭)


কমলাকান্ত ভট্টাচাৰ্য
(যোৰহাট, ১৯২৯)


মফিজুদ্দিন আহমদ হাজৰিকা
(গোলাঘাট, ১৯৩০)


নগেন্দ্ৰনাৰায়ণ চৌধুৰী
(শিৱসাগৰ, ১৯৩১)


জ্ঞানদাভিৰাম বৰুৱা
(উত্তৰ লক্ষীমপুৰ, ১৯৩৩)


আনন্দচন্দ্ৰ আগৰৱালা
(মংগলদৈ, ১৯৩৪)


ৰঘুনাথ চৌধাৰী
(তেজপুৰ, ১৯৩৬)




কৃষ্ণকান্ত সন্দিকৈ
(গুৱাহাটী, ১৯৩৭)


ময়িদুল ইছলাম বৰা
(যোৰহাট, ১৯৪০)


নীলমণি ফুকন
(শিৱসাগৰ, ১৯৪৪)
(ডিব্ৰুগড়, ১৯৪৪)


অম্বিকাগিৰি ৰায়চৌধুৰী
(মাঘেৰিটা, ১৯৫০)

# এই সময়ছোৱাৰ প্ৰধানসম্পাদকসকল

১৯১৭ চনৰ পৰা ১৯৩৪ চনলৈকে অধিৱেশনসমূহ নিয়মীয়াকৈ হৈছিল যদিও তাৰ পিছত ১৯৫০ চনলৈকে নিয়মীয়াকৈ অধিৱেশন হোৱা নাছিল। এই বিষয়ে আগতে উল্লেখ কৰা হৈছে। ইয়াৰ কাৰণ বিস্তৃত ৰূপত দেখুৱাবলৈ যত্ন কৰা হৈছে। সভাৰ ঘাই কাৰ্যকৰ্তা ১৯৪৪ চনৰ আগলৈকে প্ৰধান সম্পাদকগৰাকী। এই সময়ছোৱাৰ সভাৰ উত্থান-পতন, সাহিত্য-সংস্কৃতি-ভাষাৰ উৎকৰ্ষ সাধনত তদগত্ চিত্তেৰে এইসকলে সেৱা আগবঢ়াইছিল। এইসকলৰ সভাৰ প্ৰতি সকলো সময়তে দায়বদ্ধ ৰূপটো প্ৰতিফলিত হোৱা দেখা যায়। এইসকল প্ৰধান সম্পাদকৰ চমু পৰিচয় তলত দিয়া হ'ল।

## শৰৎচন্দ্ৰ গোস্বামী



শৰৎচন্দ্ৰ গোস্বামী (জন্ম ১৮ মে', ১৮৮৭, মৃত্যু ১৯ ডিচেম্বৰ, ১৯৪৪) অসম সাহিত্য সভাৰ প্ৰতিষ্ঠাতা প্ৰধানসম্পাদক। নলবাৰীৰ নাৰায়ণপুৰ সত্ৰৰ পণ্ডিত ললিতচন্দ্ৰ গোস্বামী আৰু মুকুন্দপ্ৰিয়া দেৱীৰ পুত্ৰ শৰৎচন্দ্ৰ গোস্বামী। পিতৃ-মাতৃৰ পাচোঁটা সন্তানৰ প্ৰথম দুগৰাকী কন্যা, তৃতীয়জন শৰৎচন্দ্ৰৰ ককায়েক বিদ্যাৰত্ন, ধৰ্মভূষণ, বিদ্যা বিশাৰদ প্ৰতাপচন্দ্ৰ গোস্বামী। শৰৎচন্দ্ৰ পঞ্চম সন্তান ঘৰতে প্ৰাথমিক শিক্ষা লাভ কৰি ১৮৯৭ চনত নলবাৰী মজলীয়া স্কুলত ভৰ্তি হয় আৰু ১৯০৪ চনত বৃত্তি পাই এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হৈ কটন কলেজত কলা বিভাগত নাম লগায়। ১৯০৬ চনত এফ এ পাছ কৰি কলিকতাৰ বৰ্তমান বিদ্যাসাগৰ কলেজত বি এ পৰীক্ষাত উত্তীৰ্ণ হৈ সংস্কৃতত এম এ পঢ়ে। মংগলদৈত কৰ্মজীৱন আৰম্ভ কৰি তাৰ পৰা ঢাকালৈ গৈ বি টি পঢ়ে।

গোস্বামী একেধাৰে এগৰাকী শিক্ষাবিদ, পণ্ডিত, গৱেষক আৰু সু-সংগঠক। গল্প লেখকৰূপেও অসমীয়া সাহিত্যত গোস্বামীৰ স্থান আছে। *গল্পাঞ্জলি* (১৯১৪), *ময়না* (১৯২০), *বাজিকৰ* (১৯৩০), *পৰিদৰ্শন* (১৯৫৬)। একমাত্ৰ উপন্যাস *পানিপথ* (১৯৩০) আৰু নাটক



*পৰীক্ষা* (১৯১০)। শিক্ষা বিচাৰি, *বহুশ্ৰেণী শিক্ষা প্ৰণালী* (১৯২৮), *শিক্ষাবিজ্ঞান* (১৯৫২) উল্লেখযোগ্য পুথি। তেখেতে ৰচনা কৰা পাঠ্যপুথি হ'ল— *ভূগোল পাঠ* (১৯২৮), *গণিত ভূগোল, অসম দেশৰ পুৰণি কথা* (১৯২৮), *বৃটিছ সাম্ৰাজ্যৰ বুৰঞ্জী* (১৯২৮), *সৰল ব্যাকৰণ* (১৯৩৩) দহখন শিশু-সাহিত্যৰ উপৰি আদিপাঠ, স্কাউটিং আদি গ্ৰন্থও ৰচনা কৰে।

অসম উপত্যকাত চলন্ত পুথিভঁৰাল তেখেতে স্থাপন কৰে। ইয়াৰ উপৰি *জোনাকী, বাঁহী, আসাম বান্ধৱ, আলোচনী, চেতনা, প্ৰভাত, আৱাহন, অসম সাহিত্য সভা পত্ৰিকা* নানা ৰচনা প্ৰকাশ হৈছিল।

অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক (১৯১৭-১৮, ১৯২০-২৩, ১৯২৩-২৪, ১৯২৪, ১৯২৪-২৫, ১৯২৫-২৬, ১৯২৬-২৭) ৰূপে কাৰ্যনিৰ্বাহ কৰা সময়ছোৱাত চন্দ্ৰকান্ত সন্দিকৈ ভৱন নিৰ্মাণ, চন্দ্ৰকান্ত অভিধানৰ কাম, ন্যাস পুঁজি গঠন, প্ৰকাশন, সভাৰ পত্ৰিকা প্ৰকাশ আদি কাৰ্য সম্পন্ন হৈছিল।

## পদ্মনাথ গোহাঞিবৰুৱা



অসম সাহিত্য সভাৰ ১৯১৭ চনত অনুষ্ঠিত প্ৰথমগৰাকী সভাপতিৰূপে কাৰ্যনিৰ্বাহ কৰাৰ উপৰি গোৱালপাৰাত অনুষ্ঠিত অধিৱেশনত প্ৰধান সম্পাদকৰ দায়িত্বও পালন কৰে (১৯১৮-১৯)।

## সত্যনাথ বৰা



সত্যনাথ বৰা (জন্ম ১৮৬০, মৃত্যু ১৯২৫) ই ১৮৮৯ চনত আইন পৰীক্ষাত উত্তীৰ্ণ হৈ গুৱাহাটীত ওকালতি কৰে। বৰাৰ গদ্যৰ নিজস্ব এক শৈলী আছিল। পাশ্চাত্য সাহিত্যৰ বেকনৰ গদ্যৰীতিৰ লগত বৰাৰ গদ্যৰ মিল থকা যেন লাগে। প্ৰথম প্ৰকাশিত পুথি *গীতাৱলী* (১৮৮২) গীতৰ সংকলন। গদ্যৰ পুথি *সাহিত্য বিচাৰ* (১৮৮৮), *সাৰথি* (১৯১১) *কেন্দ্ৰসভা* (১৮১৪), *আকাশ ৰহস্য* (১৯১৫), *চিন্তাকলি* (১৯৩৫), *বহল ব্যাকৰণ* (১৯২৫)। বহল ব্যাকৰণ ছাত্ৰ-ছাত্ৰীৰ উপযোগী যদিও ইয়াৰ পাতনিখন আধুনিক ভাষাবিজ্ঞানৰ কাষ চপা।

বৰা 'জোনাকী' কাকতৰ নিয়মীয়া লেখক আছিল আৰু গুৱাহাটীৰ পৰা প্ৰকাশিত জোনাকী (১৯০১) সম্পাদনাৰ দায়িত্বও গ্ৰহণ কৰিছিল। সভাৰ প্ৰধান সম্পাদকৰূপে ১৯১৯-২০ চনত কাৰ্যনিৰ্বাহ কৰিছিল।



### পূর্ণানন্দ শৰ্মাপাঠক

১৯২৭-২৮, ১৯২৯, ১৯৪০-৪২লৈ পূর্ণানন্দ শৰ্মা পাঠকে প্রধান সম্পাদকৰ দায়িত্ব সুখ্যাতিৰে বহন কৰিছিল।

### কমলাকান্ত বৰুৱা (১৯৩০-৩১)



১৯২৮ চনত যোৰহাটত হোৱা অধিৱেশনৰ সম্পাদক ৰায় চাহাব কমলাকান্ত বৰুৱা সভাৰ দ্বাদশ বাৰ্ষিক অধিৱেশনত (গোলাঘাট) প্রধান সম্পাদক হয়। সম্পাদকৰূপে দুমাহমান কাম কৰি কাৰ্যনিৰ্বাহকৰ বৈঠকৰ দিন স্থিৰ কৰিছিল যদিও তাৰ আগতে ১৯৩০ চনৰ ১ জানুৱাৰি তাৰিখে স্বৰ্গীয় হয়। (পত্রিকা ৫ম বছৰ/৩য় সংখ্যা)

### দেৱেশ্বৰ চলিহা



দেৱেশ্বৰ চলিহা (জন্ম ১৮৭৬, মৃত্যু ১৯৫২) ই কলিকতাৰ ৰিপন কলেজত উচ্চশিক্ষা আৰু ঢাকাত আইন শিক্ষা লাভ কৰে আৰু যোৰহাটত ওকালতি কৰে। Associate Press of India- ৰ সংবাদদাতা আছিল। এগৰাকী ভাষাতাত্ত্বিক চলিহাই Origin and Growth of the Assamese Language and its Literature (১৯৪১) গ্রন্থখন প্রকাশ কৰে। তেখেতৰ আন আন গ্রন্থসমূহ হ'ল- *মহাভাৰতৰ কথা, শ্বেক্সপীয়েৰৰ গল্প, অন্নবস্ত্র, আইন-আদালত, বাংলা ভাষা আৰু অসমীয়া ভাষা* উল্লেখযোগ্য। অসম সাহিত্য সভাৰ চন্দ্ৰকান্ত অভিধানৰো তেওঁ সম্পাদনা সমিতিৰ সদস্য আছিল। অসম সাহিত্য সভাৰ ১৯৩২-৩৩ আৰু ১৯৩৩-৩৪ বৰ্ষৰ প্রধান সম্পাদকৰ দায়িত্ব পালন কৰে।



### চন্দ্ৰধৰ বৰুৱা

সভাৰ গোৱালপাৰাত অনুষ্ঠিত ১৯১৮ চনৰ দ্বিতীয় অধিৱেশনৰ সভাপতি বৰুৱাদেৱে ১৯৩৪-৩৬ বৰ্ষত প্রধান সম্পাদকৰ দায়িত্বও পালন কৰে। বৰুৱাদেৱে ১ম, ২য় ৩য় ৬ষ্ঠ বছৰৰ পত্রিকা সম্পাদনা কৰে।



### দেৱানন্দ শৰ্মা

১৯৩৬-৩৭ তেজপুৰত অনুষ্ঠিত অধিৱেশনত প্রধান সম্পাদকৰূপে কাৰ্যনিৰ্বাহ কৰে।

### ৰামেশ্বৰ বৰুৱা



এগৰাকী কৃতী শিক্ষক, কৰ্মযোগী, দক্ষ প্রশাসক, কবি, নাট্যকাৰ, গীতিকাৰ ৰামেশ্বৰ বৰুৱাই যোৰহাটৰ চাৰিগাঁৱত জন্ম গ্রহণ কৰিছিল। এফ এ পাছ কৰি ছিলঙৰ সচিবালয়ত কিছুদিন চাকৰি কৰিছিল। পিছত কোচবিহাৰত বি এ পঢ়ে ১৯০৬ চনত বিএ পাছ কৰি তেজপুৰ চৰকাৰী হাইস্কুলত চাকৰি জীৱন আৰম্ভ কৰে। ইয়াৰ নগাঁও, গোলাঘাট, গুৱাহাটী, যোৰহাট চৰকাৰী স্কুলত প্রধান শিক্ষক হয়। ১৯৩৭ চনত অৱসৰ লৈ যোৰহাটৰ চাৰিগাঁৱত বাস কৰে।

তেখেতে ৰচনা কৰা গীত *সংগীতকোষ, সংগীত সাধনাত* সন্নিৱিষ্ট হৈছে। The Namghosa and its Place in Literature এখন উল্লেখযোগ্য গ্রন্থ। তেখেতৰ সাহিত্যচৰ্চাৰ বিষয়ে বেজবৰুৱা, মিত্ৰদেৱ মহন্ত, অতুলচন্দ্ৰ হাজৰিকা, যজ্ঞেশ্বৰ শৰ্মা আদিয়ে ভূয়সী প্রশংসা কৰিছিল। নীতিমালা (৫খণ্ড), *চহাসুখী, সজ বনুৱা, মুখেন মাৰিতং জগত, ব্যংগ নাটক, লীলা সম্বৰণ, চিলাৰায়, সুমলা* উল্লেখযোগ্য। *শ্ৰীশ্ৰীশংকৰদেৱৰ বাণী, তামোল নোখোৱা সম্প্রদায়, অসমৰ থানসত্ৰৰ পৰিচয়* উল্লেখযোগ্য গ্রন্থ। অসম সাহিত্য সভাৰ জন্মলগ্নৰে পৰা বৰুৱা জৰিত। ১৯১৭ চনত বহা প্রথম অধিৱেশনত বৰুৱাই প্রতিনিধিৰূপে যোগ দিয়ে। ইয়াৰ পিছৰ বছৰত নগাঁৱৰ পৰা কাৰ্যনিৰ্বাহক সমিতিৰ সদস্য হয়। ১৯২৫ চনত নগাঁও সাহিত্য সভাৰ সম্পাদক হয়। সেই বৰ্ষত নগাঁৱত হোৱা সভাৰ অষ্টম অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ তেখেত সভাপতি আছিল। ১৯৩৭ চনৰ গুৱাহাটীত বহা অধিৱেশনৰ 'পুথিভঁৰাল সন্মিলন'-ৰ সভাপতি আছিল। অসম সাহিত্য সভাৰ প্রধান সম্পাদকৰ দায়িত্ব তেখেতে পালন কৰিছিল (১৯৩৭-৩৯, ১৯৩৯-৪০, ১৯৪২-৪৪)। অসম সাহিত্য সভা পত্রিকা (৯ম আৰু ১১ দশ বৰ্ষ) সম্পাদনা কৰিছিল। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ লগতো বৰুৱা ঘনিষ্ঠভাৱে জৰিত আছিল।



### মুক্তানাথ বৰুৱা

অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতিৰ সদস্য হোৱাৰ উপৰি ডিব্রুগড়ত অনুষ্ঠিত অধিৱেশনত ১৯৪৭-৫০ চনলৈকে প্রধান সম্পাদক সম্পাদকৰ দায়িত্ব পালন কৰিছিল।



## ডিম্বেশ্বৰ নেওগ

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডিম্বেশ্বৰ নেওগ ১৯৪৪ চনত শিৱসাগৰত বহা উনবিংশ অধিৱেশনত প্ৰধান সম্পাদক নিৰ্বাচিত হয়। অসমীয়া শিশু বিশ্বকোষ, অসম সাহিত্য সভাৰ বুৰঞ্জী, বুদ্ধদেৱৰ বাণী ইত্যাদি পুথি ৰচনাৰ আঁচনি লোৱা হৈছিল। নেওগকে ডিম্বেশ্বৰ বিষয়ে যথাস্থনত পৰিচয় দিয়া হৈছে।

## কেশৰ নাৰায়ণ দত্ত



কেশৰ নাৰায়ণ দত্ত (জন্ম ১৯০৪- মৃত্যু ১৭.২.৭১) সাংবাদিক, শিক্ষাবিদ, বুৰঞ্জীবিদ। পাঠশালাৰ ৰতনপুৰ গাঁৱত জন্ম। পিতৃ ৰামেশ্বৰ দত্ত, মাতৃ অহল্যা দত্ত। ১৯২১ চনত নলবাৰীৰ গৰ্ডন হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ, কটন কলেজত শিক্ষা গ্ৰহণ কৰি ইতিহাস বিষয়ত অনাৰ্ছত প্ৰথম শ্ৰেণী পাই উত্তীৰ্ণ হৈ স্বৰ্ণপদক পায়। ১৯২৮ চনত কলিকতাৰ প্ৰেছিডেন্সি কলেজৰ পৰা প্ৰথম শ্ৰেণী লৈ এম এ পাছ কৰে।

১৯৩০ চনত কামৰূপ একাডেমিৰ প্ৰধান শিক্ষক ইয়াৰ পিছত ১৯৩৩ চনত সোণাৰাম হাইস্কুলৰ প্ৰধান শিক্ষকৰূপে যোগ দিয়ে। ১৯৩৬ চনত ছিলঙৰ ছেণ্ট এডমাণ্ডছ কলেজত অধ্যাপকৰূপে যোগ দিয়ে। ত্ৰিশৰ দশকৰ শেষত Assam Tribune কাকতৰ নিয়মীয়া লেখক আৰু সাংবাদিক আছিল। ছিলঙত থাকোঁতেই অসম সাহিত্য সভাৰ লগতো জৰিত হয়। ১৯৫১ চনত দিল্লীত অনুষ্ঠিত নিখিল ভাৰত সাংস্কৃতিক সমাৰোহত অসম সাহিত্য সভাৰ প্ৰতিনিধিৰূপে যোগ দি ওজস্বী ভাষণেৰে বিদ্বান মণ্ডলীৰ পৰা প্ৰশংসা পাইছিল।

ভাৰতীয় ইতিহাস কংগ্ৰেছৰ সদস্যৰূপে বিভিন্ন অধিৱেশনত গৱেষণা-পত্ৰ পাঠ কৰিছিল। ১৯৬০ চনত ইতিহাস কংগ্ৰেছৰ আলীগড় অধিৱেশনৰ আধুনিক ইতিহাস শাখাৰ সভাপতি আছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৰ্টৰ সদস্যৰূপে অসম সাহিত্য সভাৰ হৈ দত্তক প্ৰতিনিধিত্ব কৰিবলৈ দিয়া হৈছিল। ১৯৫১ চনত বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ উপসঞ্চালকৰ দায়িত্ব লয়। ভাৰতৰ স্বাধীনতা আন্দোলনৰ ইতিহাস সংকলনৰ অস্থায়ী গৱেষণা বিষয়াও আছিল। ১৯৫৭ চনত ডিব্ৰুগড়ত হোৱা সভাৰ অধিৱেশনত বুৰঞ্জী সন্মিলনৰ সভাপতি আছিল। কেশৱনাৰায়ণ দত্তৰ অক্ষয় কীৰ্তি Landmarks of the Freedom Struggle in Assam (১৯৫৮)। অসম সাহিত্য সভাৰ ১৯৫০-৫৩ চনৰ প্ৰধান সম্পাদক আছিল। তদুপৰি অসম সাহিত্য সভা পত্ৰিকাৰো (নতুন প্ৰকাশ) সম্পাদক আছিল।[২০]

২০. শইকীয়া বাজেন, সম্পা. বিশ্বকোষ ৭ ম খণ্ড, পৃ. ৯৬৮-৯৬৯

# অসম সাহিত্য সভাৰ সহকাৰী সম্পাদকসকল

১। দেৱেশ্বৰ শৰ্মা (তৰাজান)
২। চন্দ্ৰনাথ শৰ্মা আৰু দণ্ডিনাথ কলিতা
৩। চন্দ্ৰনাথ শৰ্মা আৰু জ্বলতিৰাম লহকৰ
৪। হৰিনাথ পাঠক চৌধুৰী আৰু হৰিনাৰায়ণ দত্তবৰুৱা
৫। হৰিনাথ পাঠক চৌধুৰী আৰু হৰিনাৰায়ণ দত্তবৰুৱা
৬। দেবেন্দ্ৰনাথ বেজবৰুৱা আৰু হৰিনাথ পাঠক চৌধুৰী
৭। হৰিনাঠ পাঠক চৌধুৰী আৰু নকুলচন্দ্ৰ ভূঞা
৮,৯। বিষ্ণুচন্দ্ৰ বৰুৱা আৰু হৰিনাৰায়ণ দত্তবৰুৱা
১০। হৰিনাৰায়ণ দত্তবৰুৱা আৰু বিষ্ণুচন্দ্ৰ বৰুৱা
১১। লক্ষেশ্বৰ শৰ্মা বৰুৱা আৰু ৰাধানাথ হাজৰিকা
১২। লক্ষেশ্বৰ শৰ্মা বৰুৱা আৰু হেৰম্বপ্ৰসাদ বৰুৱা
১৩। লক্ষেশ্বৰ শৰ্মা বৰুৱা আৰু মিত্ৰদেৱ মহন্ত
১৪। লক্ষেশ্বৰ শৰ্মা বৰুৱা আৰু মিত্ৰদেৱ মহন্ত
১৫। দেৱেন্দ্ৰনাথ বেজবৰুৱা আৰু তুলসীনাৰায়ণ শৰ্মা, ১৯৩৪-৩৫
১৬। মিত্ৰদেৱ মহন্ত ১৯৩৬-৩৭
১৭। মুক্তানাথ বৰুৱা ১৯৩৭-৩৯
১৮। " ১৯৩৯-৪০
১৯। ধীৰেশ্বৰ ভট্টাচাৰ্য্য ১৯৪০-৪১
২০। মুক্তানাথ বৰুৱা আৰু ধীৰেশ্বৰ ভট্টাটাৰ্য্য ১৯৪২-৪৪
২১। বলীনাৰায়ণ বৰা ১৯৪৪-৪৭
২২। জিতেন্দ্ৰকুমাৰ বৰুৱা ১৯৪৭-৫০
২৩। হেমচন্দ্ৰ দত্ত ১৯৫০-৫৩

## অসম সাহিত্য সভাৰ পত্ৰিকা সম্পাদকসকল

| | |
|---|---|
| ১ম, ২য়, ৩য় বছৰ | — চন্দ্ৰধৰ বৰুৱা |
| ৪ৰ্থ বছৰ | — দেৱানন্দ ভৰালী |
| ৫ম বছৰ | — পূৰ্ণানন্দ শৰ্মা পাঠক আৰু ডিম্বেশ্বৰ নেওগ |
| ৬ষ্ঠ বছৰ | — চন্দ্ৰধৰ বৰুৱা |
| ৭ম, ৮ম বছৰ | — ডিম্বেশ্বৰ নেওগ |
| ৯ম, ১০ম বছৰ | — ৰামেশ্বৰ বৰুৱা |
| ১১শ বছৰ | — ডিম্বেশ্বৰ নেওগ |
| নতুন প্ৰকাশ (১৮৭৪ শক) | — কেশৱনাৰায়ণ দত্ত |

## ন্যাস পুঁজি
(১৯১৭—১৯৫০)

১৯২৩ চনত বৰপথাৰৰ কমলাদেৱী ন্যাস পুঁজি শ্ৰীশ্ৰী গোমোঠা মাহৰা সত্ৰৰ ৰাধানাথ গোস্বামীয়ে তেখেতৰ মাতৃ কমলা দেৱীৰ স্মৃতিত আগবঢ়োৱা ২০০০.০০ টকাই সভাৰ প্ৰথম অক্ষয় পুঁজি। যোৰহাটৰ আদালতত ৪/১/৩১ তাৰিখে ন্যাস দলিল পঞ্জীয়ন হয়।

এই ন্যাসৰ যোগেদি প্ৰকাশিত পুথি

| | | |
|---|---|---|
| ১। কথা মহাভাৰত | — ৰোযেশ্বৰ শৰ্মা * | ১৯২৪ |
| ২। মহাৰাজ নৰনাৰায়ণ | — বিনন্দচন্দ্ৰ বৰুৱা | ১৯২৫ |
| ৩। ৰাজস্থানৰ গল্প | — বিনন্দচন্দ্ৰ বৰুৱা | ১৯২৬ |
| ৪। বিজ্ঞানৰ কথা | — ৰোহিনীকান্ত বৰুৱা | ১৯৩৬ |
| ৫। লম্বোদৰ বৰাৰ জীৱনী | — জীৱন বৰুৱা | ১৯৪০ |
| ৬। হেমচন্দ্ৰ গোস্বামীৰ জীৱনী | — প্ৰেমধৰ ৰাজখোৱা | ১৯৪০ |
| ৭। আনন্দৰাম বৰুৱাৰ জীৱনী | — সোণাৰাম শইকীয়া | ১৯৪০ |
| ৮। পানীন্দ্ৰনাথ গগৈ | — ভ্ৰমৰ শইকীয়া | ১৯৪০ |
| ৯। গুণাভিৰাম বৰুৱাৰ জীৱনী | — আজলীতৰা নেওগ | ১৯৪০ |

## দক্ষিণপাট সত্ৰৰ অধিকাৰ গোস্বামী ন্যাস পুঁজি

দক্ষিণপাট সত্ৰৰ হে নৰদেৱ অধিকাৰ গোস্বামীয়ে ১৯২৪ চনত ৫,০০০.০০ টকাৰ ন্যাস পুঁজিৰ দান আগবঢ়ায়। ১৯২৬ চনৰ ......... তাৰিখে এই ন্যাসৰ দলিল যোৰহাটত পঞ্জীয়ন হয়।



## প্ৰকাশিত গ্ৰন্থ

১। শ্ৰীশ্ৰী দামোদৰদেৱৰ চৰিত্ৰ
২। শ্ৰীশ্ৰী বনমালীদেৱৰ চৰিত্ৰ (ৰমাকান্ত দ্বিজ)
৩। সাত্বত তন্ত্ৰ (ভাগৱতী মিশ্ৰ)
৪। শ্ৰীশ্ৰী ব্ৰহ্মবৈৱৰ্ত পুৰাণ (বলোৰাম দ্বিজ)

* এইখনেই সভাৰ প্ৰথম প্ৰকাশন। মূল পুথি দুস্প্ৰাপ্য, কিন্তু দ্বিতীয় পুথিখন প্ৰচ্ছদপট সন্নিৱিষ্ট কৰা হৈছে। (লেখক অ.সা.স.ই.)

## অন্যান্য ন্যাস পুঁজি

১। চন্দ্ৰকান্ত -ইন্দ্ৰকান্ত সামাজিক সমাৰোহ পুঁজি (১৯২৯), (দাতা - ৰাধাকান্ত সন্দিকৈ)
২। চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত ন্যাস পুঁজি, (দাতা - ৰাধাকান্ত সন্দিকৈ)
মূল পুঁজি - ১৭,৪০০.০০ টকা
গচ্ছিত টকাৰ সুতেৰে চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ অৱৰক্ষণত খৰচ কৰা হয়।

## অন্যান্য প্ৰকাশন
১৯১৭—১৯৫০

অসমীয়া বৈজ্ঞানিক পৰিভাষা
চন্দ্ৰকান্ত অভিধান
The Asam Sahitya Sabha
Bulletin on the All Assam State Language Day Observance.

## অভ্যৰ্থনা সমিতিৰ সভাপতিসকল
(১৯১৭—১৯৫০)

| | | |
|---|---|---|
| ১। | গুঞ্জানন বৰুৱা | (শিৱসাগৰ, ১৯১৭) |
| ২। | জমিদাৰ যতীন্দ্ৰনাৰায়ণ চৌধুৰী | (গোৱালপাৰা, ১৯১৮) |
| ৩। | ৰাম প্ৰসাদ দাস | (বৰপেটা, ১৯১৯) |
| ৪। | দেশপ্ৰাণ চন্দ্ৰনাথ গোস্বামী | (তেজপুৰ, ১৯২০) |
| ৫। | ৰাধাকান্ত সন্দিকৈ | (যোৰহাট, ১৯২৩) |
| ৬। | শিৱৰাম শৰ্মা | (ডিব্ৰুগড়, ১৯২৪) |
| ৭। | সত্যনাথ বৰা | (গুৱাহাটী, ১৯২৪) |
| ৮। | জ্ঞানদাভিৰাম বৰুৱা | (নগাঁও, ১৯২৫) |
| ৯। | ৰবীন্দ্ৰনাৰায়ণ চৌধুৰী | (ধুবুৰী, ১৯২৬) |
| ১০। | ভোলানাথ চৌধুৰী | (গোৱালপাৰা, ১৯২৭) |

১১। শিৱপ্ৰসাদ বৰুৱা (যোৰহাট, ১৯২৯)
১২। ব্ৰহ্মানন্দ দত্ত (গোলাঘাট, ১৯৩০)
১৩। ভুৱন চন্দ্ৰ গগৈ (শিৱসাগৰ, (১৯৩১)
১৪। সৰ্বেশ্বৰ বৰুৱা (উত্তৰ লক্ষীমপুৰ, ১৯৩৩)
১৫। তপেশ্বৰ শৰ্মা (মঙ্গলদৈ, ১৯৩৪)
১৬। আনন্দচন্দ্ৰ আগৰৱালা (তেজপুৰ, ১৯৩৬)
১৭। গোপীনাথ বৰদলৈ (গুৱাহাটী, ১৯৩৭)
১৮। হেড়ম্বপ্ৰসাদ বৰুৱা (যোৰহাট, ১৯৪০)
১৯। মৌঃ মহিবুল্লা (শিৱসাগৰ, ১৯৪৪)
২০। বেণুধৰ ৰাজখোৱা (ডিব্ৰুগড়, ১৯৪৭)
২১। বিপিন কুমাৰ বৰগোহাঁই (মাৰ্ঘেৰিটা, ১৯৫০)



**গুঞ্জানন বৰুৱা**
**(শিৱসাগৰ, ১৯১৭)**

## শাখা সন্মিলনৰ সভাপতিসকল
## (১৯১৭—১৯৫০)

### বুৰঞ্জী সন্মিলন

হিতেশ্বৰ বৰবৰুৱা (নগাঁও, ১৯২৫)
ড° সূৰ্যকুমাৰ ভূঞা (ধুবুৰী, ১৯২৬)
প্ৰথমনাথ চক্ৰৱৰ্তী (যোৰহাট, ১৯২৯)
ৰজনীকুমাৰ পদ্মপতি (গোলাঘাট, ১৯৩০)
সোণাৰাম চৌধুৰী (শিৱসাগৰ, ১৯৩১)
সৰ্বেশ্বৰ শৰ্মা কটকী (উত্তৰ লক্ষীমপুৰ, ১৯৩৩)
কনকলাল বৰুৱা (গুৱাহাটী, ১৯৩৭)
সৰ্বানন্দ ৰাজকুমাৰ (ডিব্ৰুগড়, ১৯৪৭)



### বিজ্ঞান সন্মিলন

জীৱনৰাম ফুকন (ডিব্ৰুগড়, ১৯৪৭)

### দৰ্শন সন্মিলন

ষড়ানন তৰ্কতীৰ্থ (ধুবুৰী, ১৯২৬)
ৰাধিকানন্দ চৌধুৰী (১৯৩৭)

### অৰ্থনীতি সন্মিলন

উমাকান্ত গোস্বামী (গুৱাহাটী, ১৯৩৭)

### পুথিভঁৰাল সন্মিলন

ৰামেশ্বৰ বৰুৱা (গুৱাহাটী, ১৯৩৭)

### সংগীত সংঘ (সংগীত সন্মিলন)


ইন্দ্ৰেশ্বৰ বৰঠাকুৰ (ডিব্ৰুগড়, ১৯২৪)
ৰজনীকান্ত বৰদলৈ (গুৱাহাটী, ১৯২৪)
চন্দ্ৰধৰ বৰুৱা (নগাঁও, ১৯২৫)
পৰাগধৰ চলিহা (মঙলদৈ, ১৯৩৪)
নগেন্দ্ৰনাৰায়ণ চৌধুৰী (তেজপুৰ, ১৯৩৬)
কীৰ্তিনাথ শৰ্মাবৰদলৈ (গুৱাহাটী, ১৯৩৭)
অম্বিকাগিৰি ৰায়চৌধুৰী (শিৱসাগৰ, ১৯৪৪)
শ্ৰীৰুক্তমী (ডিব্ৰুগড়, ১৯৪৭)
ইন্দ্ৰেশ্বৰ বৰঠাকুৰ (মাৰ্ঘেৰিটা, ১৯৫০)

### প্ৰদৰ্শনীৰ দ্বাৰ উদ্‌ঘাটক

ছাৰ চৈয়দ চাদুল্লা (শিৱসাগৰ, ১৯৩১)
ৰত্নকুমাৰী ৰাজখোৱা (ডিব্ৰুগড়, ১৯৪১)

### বক্তৃতা

সভাৰ প্ৰতিষ্ঠাপক প্ৰধান সম্পাদক শৰৎ চন্দ্ৰ গোস্বামীৰ কন্যাৰ অকাল বিয়োগত প্ৰতিভাদেৱী স্মাৰক বক্তৃতা ১৯৪৭ চনত ভাষাচাৰ্য সুনীতিকুমাৰ চট্টোপাধ্যায়ে প্ৰদান কৰে। এই বক্তৃতা "Kirata Janakriti" ৰূপে প্ৰকাশ হয়।



# পৰিশিষ্ট



# আসাম সাহিত্য সন্মিলনৰ কাৰ্য-বিৱৰণি

## শিৱসাগৰ ২৬ আৰু ২৭ ডিচেম্বৰ, ১৯১৭ চন

আসামত সাহিত্য সভা এখনি স্থাপন কৰিবৰ কাৰণে ১৯১৭ চনৰ ২৮ ছেপ্টেম্বৰ তাৰিখে শিৱসাগৰৰ ক্লব-ঘৰত শ্ৰীযুত তাৰাপ্ৰসাদ চলিহা বাৰিষ্টাৰ ডাঙৰীয়াক সভাপতি পাতি এখনি সভা পতা হয়। তাত ১৯১৭ চনৰ ডিচেম্বৰ মাহত আসামৰ শিক্ষিত আৰু সাহিত্যানুৰাগী পুৰুষসকলক নিমন্ত্ৰণ কৰি এখনি "সদৌ আসাম সাহিত্য সভা" গঠন কৰিবৰ প্ৰস্তাৱ কৰা হয় আৰু সেই উদ্দেশ্যে হোৱা সন্মিলনীত শ্ৰদ্ধাস্পদ ৰায় চাহাব শ্ৰীযুত পদ্মনাথ গোহাঞিবৰুৱা ডাঙৰীয়াক সভাপতি বৰণ কৰা হয়।

সেই অনুসাৰে ১৯১৭ চনৰ ২৬ ডিচেম্বৰ তাৰিখে শিৱসাগৰৰ আসাম কনফাৰেন্সৰ ৰভা ঘৰতে সদৌ আসাম সাহিত্য সন্মিলনী বহিছিল। ঠিক এক বজাত সভাৰ কাৰ্য আৰম্ভ হৈছিল। শ্ৰীযুক্ত লক্ষ্মীকান্ত বৰুৱাদেৱৰ ৰচিত গান এটিৰে সভাৰ কাৰ্য আৰম্ভ কৰাৰ পাছত অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীযুত গুঞ্জানন বৰুৱা ডাঙৰীয়াই সভাৰ উদ্দেশ্য বুজাই দিয়াত অনাৰেবল ৰায় বাহাদুৰ ফণীধৰ চলিহাৰ প্ৰস্তাৱ মতে আৰু শ্ৰীযুত হৰেশচন্দ্ৰ ৰাজখোৱা আৰু শ্ৰীযুত দেৱেশ্বৰ চলিহা সমৰ্থন মতে ৰায় চাহাব শ্ৰীযুক্ত পদ্মনাথ গোহাঞিবৰুৱা ডাঙৰীয়াই সভাপতি আসন গ্ৰহণ কৰে।

সভাত ৭০০/৮০০ মানুহ গোট খাইছিল। এই বক্তৃতা (সভাপতিৰ ভাষণ) শেষ হোৱাৰ পাছত ৰচনা পাঠ আৰম্ভ হয়। প্ৰথমে নগাঁও নিবাসী মৌলবী মোছ্‌লেহউদ্দিন আহমদৰ "অসমীয়া সাহিত্য আৰু মুছলমান" বিষয়ক ৰচনা পাঠ কৰা হয়। তাৰ পাছত গুৱাহাটীৰ বিপিনবিহাৰী বৰা ডাঙৰীয়াৰ "গোবৰ-ৰহস্য" বিষয়ক দীঘল অথচ ৰসপূৰ্ণ ৰচনাই সভাক অতিকৈ আমোদ দিলে। তাৰ পাছত শ্ৰীযুক্ত শৰৎ চন্দ্ৰ গোস্বামী ডাঙৰীয়াৰ "কীৰ্তনৰ সাহিত্য সৌষ্ঠৱ" শীৰ্ষক ৰচনাৰ এক খণ্ড পাঠ কৰা হয় আৰু শেহান্তৰত শ্ৰীযুক্ত ৰত্নকান্ত বৰকাকতীৰ "অসমীয়া ভাষা' বিষয়ক প্ৰবন্ধ পঢ়িবলৈ সময়ৰ নাটনি হোৱাত তাৰ এভাগ পঢ়াৰ পাছত বাকীভাগ পঠিত বুলি গণ্য কৰা হ'ল। তাৰ পাছত শ্ৰীযুক্ত তাৰাপ্ৰসাদ চলিহা ডাঙৰীয়াৰ প্ৰস্তাৱ আৰু শ্ৰীযুত বংশীভূষণ বৰুৱাৰ সমৰ্থন মতে তলত লিখা ভদ্ৰলোকসকলক বিষয়- নিৰ্বাচনী সভাৰ সভ্য নিযুক্ত কৰা হ'ল। সভাপতি ডাঙৰীয়া, অভ্যৰ্থনা সমিতিৰ সভাপতি ডাঙৰীয়া, শ্ৰীযুত শৰৎ চন্দ্ৰ গোস্বামী, শ্ৰীযুত

হৰিকৃষ্ণ দাস, শ্ৰীযুত কুলধৰ চলিহা, শ্ৰীযুত দেৱেশ্বৰ শৰ্মা, শ্ৰীযুত শিৱনাথ ভট্টাচাৰ্য, শ্ৰীযুত মহাদেৱ শৰ্মা, শ্ৰীযুত চন্দ্ৰনাথ শৰ্মা, মৌলবী মিন্নৰ আলি, মৌলবী মোছ্লেহউদ্দিন আহমদ, শ্ৰীযুত লক্ষ্মীকান্ত বৰুৱা, শ্ৰীযুত সিদ্ধেশ্বৰ গোঁহাই, শ্ৰীযুত দেৱেশ্বৰ চলিহা, শ্ৰীযুত লোহিতচন্দ্ৰ ভূঞা।

লেখক
স্বা ঃ শ্ৰীসিদ্ধেশ্বৰ গোঁহাই
অভ্যৰ্থনা সমিতিৰ সভ্য

স্বাঃ শ্ৰীগুঞ্জানন বৰুৱা,
অভ্যৰ্থনা সভাৰ সভাপতি
স্বাক্ষৰ ঃ শ্ৰীলক্ষ্মীকান্ত বৰুৱা,
অভ্যৰ্থনা সমিতিৰ সম্পাদক



Recd [illegible]

[illegible]
৮. ২. ১৯২৪

[illegible]

মাননীয় মহোদয়

[illegible]

[illegible]
শ্ৰীৰাধানাথ গোস্বামী
৮. ২. ১৯২৪

কমলাদেৱী শিশু সাহিত্য ন্যাসৰ বাবে ৰাধানাথ গোস্বামীয়ে দিয়া চিঠি

বদুলিপাৰ গো:
১. ২. ৩৪

[illegible]

[illegible]— আপোনাৰ ২৪.১২.৩৩ তাৰিখৰ [illegible]
[illegible]
অসম সাহিত্য [illegible]
[illegible]
[illegible]
[illegible]
[illegible] ৫০০০ [illegible]
[illegible]
[illegible]
[illegible]
[illegible]
[illegible]
[illegible]
[illegible]
[illegible]
[illegible]
[illegible] অসম সাহিত্য [illegible]
[illegible] ৫০০০ [illegible]
[illegible]
[illegible]
[illegible] ইতি—

[illegible]
[illegible]

ৰাধানাথ গোস্বামীৰ চিঠি



INDIA

64 Jecofaid [illegible]
[illegible] S.R. [illegible] D.R.
4.1.1932

Radhanath [illegible]

Deed of Settlement and Trust.

This indenture made this 4th day of January One thousand Nine hundred and Thirty one between Srijut Radhanath Goswami son of The late Sj. Krishnadev Goswami of Badulipar, Golaghat in the district of Sibsagar by caste Brahmin by profession spiritual guide and land-holder (hereinafter called the Donor) of the first part and the Assam Sahitya Sabha Jorhat (as at present constituted) [illegible] Act XXI of 1860 [illegible] General Secretary [illegible] (hereinafter called the Sabha) of the Second part.

The Board of Trustees consisting of the members at present :-

1. The Donor himself as a patron and a life member.
2. Srijut Debeswar Chaliha, -- the present General-Secretary of the Assam Sahitya Sabha.
3. Srijut Purnananda Sharma, B.L. [illegible] member of the Sabha.
4. Srijut Devendranath Bezbaroa, B.A., B.E. [illegible] member of the Sabha.
5. Rai Bahadur Radha Kanta Handiqui, Ordinary member of the Sabha.

(hereinafter called the Board) which term shall include their successors in office of the third part.

Whereas the Donor from a desire to promote ~~and~~ further the objects of the said Assam Sahitya Sabha ~~and~~ --

কমলাদেৱী শিশু সাহিত্য ন্যাসৰ দলিল

R. N. Goswami

-2-

willing to create a trust fund by already making a donation of Rs 2000/- (Two thousand only) to be called -- "The Kamaladevi Endowment Fund" to be used for the publication of Literature suitable for children in Assam. ~~And whereas the said~~ Sabha has accepted the proposal of the Donor and willing to carry out the objects of his donation.

Now this indenture witnesseth that it is hereby declared that the Board shall consist of :-

1. The Donor himself during his lifetime or his duly constituted agent, and after his death, a person nominated by him in this behalf from amongst his legal heirs. The person so nominated and each successive nominee shall appoint one of his legal heir to succeed him at his death.

In the event of the Donor or any of his successors appointed as above dying without having exercised power of appointing the successor, the Board shall appoint a trustee from amongst the heirs of the Donor or his successors.

(2) The General Secretary of the Sabha during the continuance of his office as such shall be the president.

(3) The three members of the said Sabha elected by its Governing Body ---- any vacancy during the period being filled by a member to be elected by the said Body for a period of five years commencing from the date of election. And at the expiration of that term the new trustee shall be elected out of the members of the said Institution by its Governing Body. The old members shall be eligible for re-election.

3. It is hereby further agreed and declared that the trustee shall be at liberty to retire from the trust and that a member shall be disqualified to hold his office if he ceases to be a member of the said Institution for ~~transaction of business~~ any three members including the Donor

the Donor ... said Assam ...



-3-

Donor or his agent shall form a quorum.

4. The Donor hereby declares that the donation namely Rs 2000/- (Rupees Two Thousand only) shall be invested in the Imperial Bank of the Government of India or any other established Bank in the name of the Sabha represented by the General Secretary in perpetuity of which the interest alone shall be drawn by the Board as it falls due through their president and such interest be used for the purpose of publishing literature suitable for children mentioned above selected by the Governing Body of the Sabha.

If the Sabha be dissolved or ceased to exist or its Governing Body be transferred elswhere from Jorhat it will be competent for the Board as stands at the time of the benefits of the trust to devolve upon such other literary institution having publication of literature for children as its object.

IN WITNESS WHEREOF the parties to these presents hath hereunto set subscription their respective hands the day, month and year first above written.

Radhanath Goswami 4.1.1931

Signed by Srijut Radhanath Goswami of Badlipar in the presence of:-

Witnesses :- 1. Chandra Barooah, Jorhat town

2. Bharat Chandra Goswami, Barpathar Town, Badlipar.

R.K. Goswami

-4-

Signed by the said :-

(1) Omiomo Chaliha

(2) Purnananda Sharma

(3) Devendra nath Barbarua

(4) [illegible]

in the presence of :-

Witnesses .... 1. Bishnuchandra Borooah

2. Muktanath Barua
Jorhat.

Typed by :-
Naradnath Goswami





শ্ৰীযুক্তা কমলা দেৱী

NOTICE.

TENDERS FOR PIECE WORK.

Tenders will be received at the Office of the Secretary to the Sahitya Sabha, Jorhat, up to ~~30th April~~ 15th May 1924 for the following work:-

Name of Work --- Navadev Mandir

Items ---- As per List enclosed.

Tenders must be in a form like Form F-2 of the Public Works Department. Any information regarding the work will be had of Rai Bhahadur Sadhiram Das.

Tenders will include the whole of the work above-named.

The Sabha does not bind itself to accept the lowest or any tender.

Jorhat,
The 24th April 1924.

Secretary to the Assam
Sahitya Sabha, Jorhat.

Office Copy
26/4/24

Received 3 Tenders—
from 1) Sj Jagna Ram ...
2) Maulavi ...
3) Sj Ramsing ...
These are with Sj D Borooah for safe custody

নৱদেৱ সাহিত্য মন্দিৰ নিৰ্মাণৰ নিবিদা



ENCLOSURE --- Items of Work.

| | | | | |
|---|---|---|---|---|
| (1) | Earth Work in excavation per % cft. | | | ... |
| (2) | Sand filling | " % | cft. | ... |
| (3) | Concrete in lime | " % | cft | ... |
| (4) | First Class brick work in lime | " % | cft | ... |
| (5) | Terraced floor including ½" Cement plaster | " % | sft | ... |
| (6) | ½" Cement plaster | " % | sft | ... |
| (7) | 5" brick nogged wall up to window sill including Cement pointing out side and sand plastering --- inside | " % | sft | ... |
| (8) | Ekra wall sand plaster and white washing | " % | sft | ... |
| (9) | 1" planked movable partition wall with a door and roller fitted for easy handling | " | sft | ... |
| (10) | Wrought wood-work first class (name of wood to be mentioned) ... | " | cft | ... |
| (11) | Moulding at top and base of post ... | " | each | ... |
| (12)A. | Do. Do. small | " | each | ... |
| (12) | Door (local wood) | " | sft | ... |
| (13) | R. S. Joist post | " | cwt | ... |
| (14) | Wrought Iron Work | " | cwt | ... |
| (15) | Cast iron saddle for giving rafter ... | " | each | ... |
| (16) | Unwrought wood work first class ... | " | cft | ... |
| (17) | ½" planked roofing ... | " % | sft | ... |

Enclosure . Page 2.

| | | |
|---|---|---|
| (18) 12" x 1" barge board | | Rft |
| (19) ½" mesh wire netting | | sft |
| (20) Vinitians in gable | | sft |
| (21) Ekra plastered ceiling | per | % sft |
| (22) 24 B.W.G. C.I. roofing | " | %-sft |
| (23) 12" lop galvanized ridging | " | rft |
| (24) 3" wide galv. sheet vally | " | rft |
| (25) 1½" x ⅛ flat iron wind tins | " | rft |
| (26) Dorme in roof | " | each |
| (27) Bolts and nuts | " | Item |
| (28) Nails and spikes | " | Item |
| (29) Linseed oiling doors and windows | " | Item |
| (30) Kiriside oiling | " | L.S. |
| (31) Painting Iron work | " | Item |
| (32) One-third P. two-third glazed doors ... | ... " | sft |
| (33) Glazed windows ... | ... " | sft |
| (34) Finials ... | ... " | L.S. |





শ্ৰীশ্ৰী দক্ষিণপাটীয় অধিকাৰ নৱদেৱ গোস্বামী

শ্ৰীশ্ৰী নৰদেৱ গোস্বামীৰ চিঠি



হেমচন্দ্ৰ গোস্বামীয়ে দিয়া নৰদেৱ ন্যাসৰ পৰা প্ৰকাশ কৰিব খোজা পুথি সম্পৰ্কে দিয়া পৰামৰ্শ

[illegible]

তাং……

[illegible]



[illegible]

আসাম সাহিত্য সভা।
পোৱা হল।
তাং……

নং ২০৫

তাং ২/২/২৫

[illegible]

শ্ৰীশ্ৰী যুক্ত প্ৰভু দেৱৰ ৬৯৪ নং, আৰু ৪৯৩ নং, ২২-১-২৫ তাং চিঠি পাই আজি অতি আনন্দিত হলোঁ; আৰু সকলো অসমীয়া বাইজে [illegible] আনন্দ পাব বুলি আমাৰ বিশ্বাস।

প্ৰভু ঈশ্বৰৰ দয়াত উক্ত [illegible] যোৰহাট [illegible] বেংকত জমা হৈছে। ইয়াৰ পাছত আৰু কোনো উত্তৰ [illegible] বিষয়ে মিমাংসা কৰা যাব। এতিয়া যি বেংকত জমা হল [illegible] আৰু নিৰাপদ।

উক্ত জিনিস আজিলৈ কিদৰে [illegible] সেইদৰে [illegible] আমাৰ সহকাৰী সম্পাদক শ্ৰীযুত হৰিনাথ পাঠক চৌধুৰী [illegible] ৰেজিষ্টাৰ্ড [illegible] [illegible]। [illegible] প্ৰভু ঈশ্বৰৰ [illegible] হয়। ইতি—

সেৱকাধীন—

(স্বাঃ) শ্ৰীশৰৎচন্দ্ৰ গোস্বামী

প্ৰঃ সঃ

শ্ৰীশ্ৰী নবদেৱ গোস্বামীলৈ শৰৎ চন্দ্ৰ গোস্বামীয়ে দিয়া পত্ৰ



নং [illegible]

পূজ্যবৰেষু,

এই চিঠিৰ লগত আপোনালৈ [illegible] [illegible]। [illegible] [illegible]।

[illegible] শ্ৰীশ্ৰীযুত [illegible] প্ৰভুৰ [illegible] [illegible]। [illegible] [illegible]। ইতি—

[illegible]

(স্বাক্ষৰ) শ্ৰীশৰৎচন্দ্ৰ গোস্বামী

২৩/১২৫

[illegible] শ্ৰীযুত হেমচন্দ্ৰ গোস্বামী [illegible]

শৰৎ চন্দ্ৰ গোস্বামীয়ে হেমচন্দ্ৰ গোস্বামীলৈ দিয়া পত্ৰ

শ্ৰীহৰি

2/5/28

[illegible]

হেমচন্দ্ৰ গোস্বামীয়ে শৰৎ চন্দ্ৰ গোস্বামীলৈ দিয়া পত্ৰ



[illegible]

ইতি—

[illegible]

আসাম সাহিত্য সভা।
পোৱা হল।
তাং ৭৬
৩-৮-২৪

17-9-24

বিত্তমঞ্জৰী প্ৰকাশ সম্পৰ্কে হেমচন্দ্ৰ গোস্বামীয়ে দিয়া চিঠি

শ্ৰীশ্ৰী মাধৱো জয়তি —

[illegible]

কল্যাণ মস্তু

শ্ৰীযুক্ত শৰৎ চন্দ্ৰ গোস্বামী বি.এ. বি.টি
(যোৰহাট)

আপোনাৰ প্ৰেৰিত ৯-১-২৫ তাং পত্ৰ পাই সুখী হলোঁ। শ্ৰীযুক্ত হৰিনাথ পাঠক গৌহাটীৰ ১১ নং পত্ৰ আৰু আমাৰ অধ্যাপক শ্ৰীযুক্ত [illegible] মুখে আসাম সাহিত্য সভাৰ কথা শুনা হৈছে। [illegible] আমি [illegible] পাঁচ শ টকা [illegible] দিয়া হৈছিল, কিন্তু সেই টকা [illegible] সংস্কৃত অসমীয়া [illegible] সভাৰ [illegible] আমাৰ [illegible]। [illegible]

[illegible] ২১-১-২৫

শ্ৰীশ্ৰী নৱদেৱ গোস্বামীয়ে দিয়া পত্ৰ



শ্ৰীশ্ৰী মাধৱো জয়তি —

[illegible]

শুভাশীৰ্ব্বাদ —

"আসাম সাহিত্য সভাৰ" সহকাৰী সম্পাদক —
শ্ৰীযুক্ত হৰিনাথ পাঠক গৌহাটীৰ [illegible] —
(যোৰহাট)

বিশেষ [illegible] আসাম সাহিত্য সভাৰ সপ্তম সন্মিলনত গৃহীত হোৱা দ্বিতীয় আৰু পঞ্চম প্ৰস্তাৱ দুটিৰ নকল সহকাৰে পঠোৱা আপোনাৰ ১২ নং পত্ৰ পাই সন্তোষ [illegible] হৈছে।

ইতি পূৰ্বে আসাম সাহিত্য সভাই ঘৰ সাজিবৰ কাৰণে আমাক অনুৰোধ কৰাত, সেই গৃহ আৰম্ভ কৰিবৰ কাৰণে আমি আগতীয় ৫০০ পাঁচ শ টকা সভাক দিয়া হৈছিল। [illegible] সভাই ঘৰৰ কথা এৰি সেই টকাৰে [illegible] সংস্কৃত বা অসমীয়া সাহিত্য [illegible] বিলাক [illegible] উপকাৰাৰ্থে [illegible] মূল্যৱান গ্ৰন্থ [illegible] আমাক [illegible]। [illegible] বাস্তৱিকতে এই কথাত আমি সভাৰ [illegible] আমাৰ বিশ্বাস। [illegible] সেই বিলাক [illegible]

নম্বৰ :— ২০

Registered under Act XXI of 1860.
ASSAM SAHITYA SABHA
(ESTABLISHED DECEMBER, 27, 1917)
JORHAT.

Dated..............................192 .

ইং ১৮৬০ চনৰ ২১ আইন অনুসৰি ৰেজিষ্টাৰি কৰা।

আসাম সাহিত্য সভা।

(স্থাপিত পুহ, ১৮৩৯ শক। ২৭ ডিচেম্বৰ, ১৯১৭ ইং)

যোৰহাট।

তাৰিখ

শ্ৰীশ্ৰী নবদেৱ গোস্বামীলৈ প্ৰধান সম্পাদক শৰৎ চন্দ্ৰ গোস্বামীয়ে দিয়া চিঠি



ASSAM SAHITYA SABHA
(ESTABLISHED DECEMBER, 27, 1917)
JORHAT.

ইং ১৮৬০ চনৰ ২১ আইন অনুসৰি ৰেজিষ্টাৰি কৰা।

আসাম সাহিত্য সভা।

(স্থাপিত পুহ, ১৮৩৯ শক। ২৭ ডিচেম্বৰ, ১৯১৭ ইং)

যোৰহাট।

নম্বৰ— ২৪

তাৰিখ

হৰিচৰণ পাঠক চৌধাৰীয়ে শ্ৰীশ্ৰী নৰদেৱ গোস্বামীলৈ দিয়া পত্ৰ



দক্ষিণ পাটীয় গোস্বামীয়ে দিয়া পত্ৰ

Ref. $\frac{299}{1.4.24}$

১৩/৭/২৪

অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক

মহাশয়ৰ শ্ৰীচৰণেষু,

সবিনয় নিবেদন,

[illegible]

হেমচন্দ্ৰ গোস্বামীয়ে প্ৰধান সম্পাদক শৰৎ চন্দ্ৰ গোস্বামীলৈ দিয়া চিঠি



[illegible]

ইতি –

বিনীত –

শ্ৰী হেমচন্দ্ৰ গোস্বামী

আসাম সাহিত্য সভা।
পোৱা হল।
তাং ... ২/৪/২৪

Replied $\frac{299}{1.4.24}$

নং, ২০৫

তাং ২/২/২৫

অশেষ সম্মান পূৰ্ব্বক নিবেদন,

শ্ৰীশ্ৰী যুক্ত প্ৰভুদেৱৰ ৪১৪ নং, আৰু ৪১৫ নং, ২১-১-২৫ ৰ চিঠি পাই – আমি অতি আনন্দিত হলোঁ; আৰু সকলো অসমীয়া বাইজে যেতিয়া আনন্দ পাব বুলি আমাৰ বিশ্বাস।

প্ৰভু ঈশ্বৰৰ অনুগ্ৰহ উঁহাৰ সম্প্ৰতি [illegible] হৈছে। [illegible] আন কোনো [illegible] বিষয়ে মীমাংসা কৰা যায়। এতিয়া [illegible] নিৰাপদ।

উঁহাৰ [illegible] আজলৈ [illegible] আমাৰ সহকাৰী সম্পাদক শ্ৰীযুত [illegible] চৌধুৰী [illegible] হৈছে। এইখন চিঠি [illegible] প্ৰভু ঈশ্বৰৰ [illegible] হয়। ইতি—

সেৱকাধীন—

(স্বাঃ) শৰৎচন্দ্ৰ গোস্বামী

প্ৰঃ সঃ

শৰৎ চন্দ্ৰ গোস্বামীয়ে শ্ৰীশ্ৰী নৰদেৱ গোস্বামীলৈ দিয়া চিঠি



নং, ২৩৮

পূজ্যবৰেষু,

এই চিঠিৰ লগত আপোনালৈ [illegible] পঠাইছোঁ [illegible]। [illegible] বুলি [illegible] চিঠিত [illegible]। [illegible] সম্পূৰ্ণ [illegible]। আপোনাৰ [illegible]

[illegible] শ্ৰী শ্ৰীযুক্ত [illegible] প্ৰভু [illegible] সাহিত্য [illegible] পূজা [illegible]। [illegible] প্ৰথম [illegible]। [illegible] আপোনাৰ [illegible] হয়। ইতি—

ইতি—

আপোনাৰ—

(স্বাক্ষৰ) শৰৎচন্দ্ৰ গোস্বামী

২৩/২/২৫

শ্ৰী [illegible] শ্ৰীযুত হেমচন্দ্ৰ গোস্বামী [illegible]

শৰৎ চন্দ্ৰ গোস্বামীয়ে হেমচন্দ্ৰ গোস্বামীলৈ দিয়া চিঠি

শ্ৰীশ্ৰী যাদৱো জয়তি —

কল্যাণ মস্তু

শ্ৰীযুক্ত শৰৎ চন্দ্ৰ গোস্বামী বি.এ বি.টি
(যোৰহাট)

আপোনাৰ [illegible] ১ ১ ২৫ তাং পত্ৰ পাই সুখী হলোঁ। শ্ৰীযুত হৰিনাথ পাঠক চৌধাৰীৰ ১২ নং পত্ৰ আৰু আপোনাৰ অনুৰোধক্ৰমে শ্ৰীযুত [illegible] জীয়ৰ মুখে আসাম সাহিত্য সভাৰ কথা শুনা [illegible]

[illegible] আমি যি পাঁচ হেজাৰ টকা [illegible] দিয়া হৈছিল। [illegible] সেই টকা [illegible] গ্ৰন্থ [illegible] সুন্দৰ ভাবাই [illegible] তাকাৰ সুখী কৃপা কৰিবৰ কাৰণে [illegible] কোনো কৰাত, আমি সেই পাঁচ হেজাৰ টকা [illegible] কৰি সভাৰ অনুৰোধ [illegible] [illegible] লোক [illegible] [illegible] কৰি [illegible] কৰি লব পাৰিব।

আৰু [illegible] [illegible] কৰি সত্ৰাধিকাৰ [illegible] বিলাকৰ [illegible] [illegible] সেই বিলাক স্বামী [illegible] দিব পাৰে।

[illegible] ২১ - ১ - ২৫

শ্ৰীশ্ৰী নৰদেৱ গোস্বামীয়ে দিয়া পত্ৰ



শ্ৰীশ্ৰী যাদৱো জয়তি —

শুভাশীৰ্বাদ —

"আসাম সাহিত্য সভাৰ" সহকাৰী সম্পাদক -
শ্ৰীযুক্ত হৰিনাথ পাঠক চৌধাৰীক [illegible]
(যোৰহাট)

বিশেষ জ্ঞাপিত এই যে আসাম সাহিত্য সভাৰ সপ্তম সম্মিলনত গৃহীত হোৱা তৃতীয় আৰু পঞ্চম প্ৰস্তাৱৰ [illegible] নকল সহকাৰে পঠোৱা আপোনাৰ ১২ নং [illegible] পোৱা হৈছে।

ইতি পূৰ্বে আসাম সাহিত্য সভাই [illegible] কাৰণ আমাক অনুৰোধ কৰাত, সেই গ্ৰন্থ আৰম্ভ কৰিবৰ [illegible] আমি অগ্ৰিম ৫০০০ পাঁচ হেজাৰ টকা সভাক দিবলৈ [illegible] সভাই খবৰ কৰা হোৱা সেই [illegible] যি সকল কৃপাময় [illegible] সংস্কৃত আৰু অসমীয়া [illegible] উপকাৰাৰ্থে [illegible] মূল্যবান [illegible] কৰি আমাক জনাইছে। [illegible] কৰি টানিয়াবলৈ অভিপ্ৰায় কৰি আছোঁ। [illegible] এই কথাত আমি সন্তোষ পূৰ্বক মাতি আছোঁ। [illegible] বিশ্বাস। [illegible]

আৰু কোনো কথা এই [illegible] [illegible]

[illegible] সত্ৰাধিকাৰ স্বামী [illegible] বিলাক স্বামী [illegible]

ASSAM SAHITYA SABHA
(Established December, 27, 1917)
JORHAT.

আসাম সাহিত্য সভা।

যোৰহাট।

নম্বৰ— ১৪

তাৰিখ— ৮-১১-১৪

শ্ৰীশ্ৰী নৱদেৱ গোস্বামীলৈ হৰিনাথ পাঠক চৌধাৰীয়ে দিয়া চিঠি



২

দক্ষিণ পাটীয় গোস্বামীৰ চিঠি



হেমচন্দ্ৰ গোস্বামীয়ে শৰৎ চন্দ্ৰ গোস্বামীলৈ দিয়া চিঠি

ইতি—

আসাম সাহিত্য সভা।
গোৱা হল।
তাং..২..২/৭/২৪

Replied 299 / 1.4.24



১০

আসাম সাহিত্য সভা।
গোৱা হল।
তাং..১৮/৭/২৪

দক্ষিণপাটীয় গোস্বামীৰ চিঠি

ASSAM SAHITYA SABHA

JORHAT.

আসাম সাহিত্য সভা

যোৰহাট।

দক্ষিণপাটীয় গোস্বামীলৈ শৰৎ চন্দ্ৰ গোস্বামীয়ে দিয়া চিঠি



দক্ষিণপাটীয় গোস্বামীয়ে দিয়া চিঠি

শ্ৰীশ্ৰী মাধৱো জয়তি —

১। ডিব্ৰুগড়
২। আসাম সাহিত্য সভা

কল্যাণ মস্তু,

শ্ৰীযুক্ত শৰৎ চন্দ্ৰ গোস্বামী বি. টি. ইত্যাদি প্ৰতি —

আপোনাৰ ১৪ তাৰিখৰ পত্ৰ সহ "আসাম-সাহিত্য" সভাৰ কাৰ্য্য বিৱৰণী পাই যথা সমাচাৰ জনাইছো।

বিশেষ - এই ডিচেম্বৰ মাহৰ ২০ তাং মানে - মোৰ হাতত প্ৰায় ৩০০০, হেজাৰ মান খাজনা টকা আদায় হবলগা আছে। এহেতু - সেই টকাবে বাঢ়ে বাঢ়েই সেই কাৰ্য্যৰ দিবৰ কাৰণে অভিপ্ৰায় কৰাইছো।

তোমাৰ ইতি শক ১৮৪৫।১৫ ...

দক্ষিণপাটীয় গোস্বামীৰ চিঠি



শ্ৰীশ্ৰী মাধৱো জয়তি

আসাম সাহিত্য সভা।
গোৱা হল।
তাং—

১। ডিব্ৰুগড়
২। আসাম সাহিত্য সভা

কল্যাণ মস্তু,

শ্ৰীযুক্ত শৰৎ চন্দ্ৰ গোস্বামী বি. টি।
( ... )

বিশেষ "সাহিত্য মন্দিৰ" তৈয়াৰ কৰিবৰ কিবা ... কৈছেনে, এতেকে বুজ লোৱা নাই। যদি তৈয়াৰ কৰিবৰ যোগাৰ হৈছে, তেনেহলে ... আৰু দিব লগা টকা আৱশ্যক হলে ... জানিবলৈ দিলেই সহায় কৰা যাব। ... সহায় কৰিব।

... ইতি।

শ্ৰীঃ ...
২৭-৩-২৪

দক্ষিণপাটীয় গোস্বামীৰ চিঠি

Regd.

No 498 Dt 17.2.26

To the Adhikar Goswami of Dakhinpat Satra

যথাবিহিত সন্মান পুৰঃসৰ নিবেদনমিদম্,

ইতিপূৰ্বে [illegible] ১৬।১২।২৫ তাৰিখৰ ৪০৬ নং [illegible] ২৪।১২।২৫ তাৰিখে এখন চিঠি দিছিলোঁ। [illegible]

শ্ৰীযুত [illegible] গোস্বামী [illegible] ৮,৫০০, [illegible]

[illegible]

১। [illegible]

২। [illegible]

৩। [illegible]

[illegible]

শৰৎ চন্দ্ৰ গোস্বামীয়ে দক্ষিণপাটীয় গোস্বামীলৈ দিয়া চিঠি



FIVE RUPEES

As requested by the Executive Committee of the Assam Sahitya Sobha (Assam Literary Association) the following gentleman interviewed the Chief Engineer at the Jorhat Circuit House on the 30th Nov., 1923:

Rai Bahadur P. K. Roy M.A. B.L. Govt. Pleader
Sjt Hemchandra Goswami, Senior E. A. C.
Sjt Rameswar Barua, B.A., Hd. Master Govt H.S.
Sjt Sarat Ch. Goswami, B.A., B.T., Dist. Normal School, General Secretary of the Sobha.

Mr. Desenne ~~Mr. Desenne~~ received the gentlemen very courteously.

1) one copy Embodied in the proceedings of the A. S. Sobha by permission of the Chief Engr. S.C.G. 1/12/23
2) one copy sent to Rai Saheb S. P. Das
3) one copy to M.S.D.

The Secretary explained the object of the interview that the Assam Sahitya Sobha was anxious to have office & Library buildings of their own at Jorhat, for which purpose a site was necessary. The Sobha had already approached the Executive Engineer through the Deputy Commissioner & were informed that the site adjoining the compound of the Executive Engineer's office was available. The Chief Engineer

মুখ্য অভিযন্তাৰ লগত সাক্ষাৎ (৩০-১১-১৯২৩)ৰ কাৰ্যবিৱৰণি

ASSAM SAHITYA SABHA
(ESTABLISHED DECEMBER, 27, 1917)
JORHAT.

আসাম সাহিত্য সভা।
যোৰহাট।

নম্বৰ—
তাৰিখ

NO. 368.

From
Sreejut Saratchandra Goswami, B.A., B.T.,
General secretary to the Assam Sahitya Sabha,
Jorhat

To
The Director of Public Instruction, Assam,
Shillong

Thro:
The Inspector of Schools, Assam Valley Circle,
and the Head Head Master, Govt. [illegible] School, Jorhat.

Jorhat, the 17th September 1934.

Sir,

I am directed by the Governing Body of the Assam Sahitya Sabha to approach you with the request that you may be so pleased as to relinquish a strip of land --- (hereinafter described) in favour of the Sabha.

2. This strip of land has been kept in reserve for the Education Department and adjoins a site the Assam Sahitya Sabha has acquired from the Government. The site-plan (not according to scale) enclosed herewith explains the situation of both the plots of land in question.

3. The land which the Government have already kindly made over to the Sabha measures about half-an-acre and is not sufficient for the proposed buildings, Chowkidar's shed and other out-houses necessary for their purpose. Just now a permanent building is being erected on this land; and there is no suitable place where a shed for menials may be built or necessary conservancy arrangement made.

4. A ~~plot~~ part of the strip of land, the Sabha asks for, is now occupied by an old thatch shed. It was originally (some twenty years ago) meant for quarters of a resident superintendent of the Government High School Hindu Hostel. But for the last ten years it is occasionally lying vacant and occasionally occupied by the Head Master of the School, when living alone. It has never been occupied by any Head Master with his family. And the condition of the shed is so wretched that the present Head Master, Babu Prafullachandra Chatterjee M.A., did not care to live there, even temporarily and alone, and though the house is rent-free. Besides the High School now possesses extensive grounds; and if and when suitable quarters for the Head Master has to be built, there will be ample and more convenient site available for the purpose.

যোৰহাটৰ স্কুল পৰিদৰ্শকৰ যোগেদি বৰ্তমান ৰাধাকান্ত সন্দিকৈ ভৱন থকা ঠাইত প্ৰধান শিক্ষক ৰামেশ্বৰ বৰুৱাৰ বাসভৱনৰ মাটি সভাক দিবৰ বাবে অনুৰোধ জনোৱা পত্ৰৰ একাংশ। - লেখক



সবিনয় নিবেদনমিদং —

শ্ৰীকোহিৰাম দাস

চন্দ্ৰকান্ত অভিধানৰ 'ম' আখৰলৈকে সংকলক - কোহিৰাম দাস
জন্ম — ১৮৮২ খৃঃ, ৫ ছেপ্টেম্বৰ
মৃত্যু — ১৯৫৯ খৃঃ, ৫ মাৰ্চ

ইং ১৮৬০ চনৰ ২১ আইন অনুসাৰে ৰেজিষ্টাৰ কৰা।

ASSAM SAHITYA SABHA
(Established December, 27, 1917)
JORHAT.

আসাম সাহিত্য সভা।
(স্থাপিত পুহ, ১৮৩৯ শক। ২৭ ডিচেম্বৰ, ১৯১৭ ইং)

যোৰহাট।

নম্বৰ— ৩১২

তাৰিখ— 29/5/28

[illegible]

কোহিৰাম দাসলৈ দেৱেন্দ্ৰ নাথ বেজবৰুৱাৰ পত্ৰ



[illegible]
১৩. ৭. ২৮

মাননীয় শ্ৰীযুত আসাম সাহিত্য সভাৰ
প্ৰধান সম্পাদক মহাশয়েষু।

[illegible]

আসাম সাহিত্য সভা।
পোৱা হল।
তাং ২৮-৭-২৮

কাৰ্যভাৰ চমজি ল'বৰ বাবে কোহিৰাম দাসে প্ৰধান সম্পাদকলৈ দিয়া পত্ৰ

বেণুধৰ শৰ্মাৰ চিঠি



সভাৰ প্ৰথম প্ৰচাৰক বেণুধৰ শৰ্মা প্ৰচাৰ কাৰ্যৰ বিৱৰণ

বেণুধৰ শৰ্মাৰ চিঠি

বেণুধৰ শৰ্মাৰ চিঠি

প্ৰচাৰ কাৰ্যত হোৱা ব্যয়ৰ একাংশ

নম্বৰ :— ১১৫০

Registered under Act XXI of 1860.
ASSAM SAHITYA SABHA.
(ESTABLISHED DECEMBER, 27, 1917)
JORHAT.
Dated ________ 192

আসাম সাহিত্য সভা।
যোৰহাট।
তাৰিখ ২৮/৮/

সবিনয় নিবেদন,

[illegible]

বেণুধৰ শৰ্মালৈ দিয়া পত্ৰ



INDIA POST CARD

To
The General Secretary,
Assam Sahitya Sabha
Jorhat.

বেণুধৰ শৰ্মাই দিয়া চিঠি

নম্বৰ :— ১১৩১

Registered under Act XXI of 1860

ASSAM SAHITYA SABHA

ESTABLISHED DECEMBER, 27, 1917

JORHAT.

Dated

আসাম সাহিত্য সভা।

যোৰহাট।

তাৰিখ ১৪/৮/২০

হৰিনাথ পাঠক চৌধাৰীয়ে বেণুধৰ শৰ্মালৈ দিয়া চিঠি


POST CARD

WRITE THE ADDRESS ONLY ON THIS SIDE

INDIA POSTAGE

Sj. Sarat Ch. Goswami M.A.

Jorhat

Assam.



বেণুধৰ শৰ্মাই দিয়া চিঠি

বেণুধৰ শৰ্মাই দিয়া চিঠি

বেণুধৰ শৰ্মাই দিয়া তাঁৰ বাৰ্তা





File.
Written to
him

Bortung Replied
Golaghat
7/6/25

20/6/25

The General Secy
Assam Sahitya
Sabha

Dear Sir,
I am at present
moving in the above
locality. Most likely
leaving for Barpathar
in a day or two. Yours
Benudhar Sharma

বেণুধৰ শৰ্মাই দিয়া চিঠি

[illegible]

বেণুধৰ শৰ্মাই কৰা কামৰ বিৱৰণসহ প্ৰধান সম্পাদকলৈ দিয়া পত্ৰ



[illegible]

[illegible]

[illegible] - (Photo Camera)

[illegible]



৪

[illegible]

[illegible] Missionary [illegible]

POST

INDIA

WRITING SPACE

INDIA POSTAGE

Jorhat

বেণুধৰ শৰ্মাই দিয়া চিঠি



বেণুধৰ শৰ্মাই দিয়া চিঠি

Registered under Act XXI of 1860.

ASSAM SAHITYA SABHA.

JORHAT.

Dated ________ 192

আসাম সাহিত্য সভা।

যোৰহাট।

তাৰিখ

[illegible]

হৰিনাথ পাঠক চৌধাৰীয়ে বেণুধৰ শৰ্মালৈ দিয়া চিঠি



Goomdoor, A.
Sept 13, 1925


To
The General Secretary, The Assam Sahitya Sabha.
Jorhat.

Dear Sir,

Owing to inclement weather, I am practically unable to move further [illegible] the organisations have been

Yours faithfully,
Benudhar Sharma


বেণুধৰ শৰ্মাই সভালৈ দিয়া পত্ৰ







Nahar Kuttia
15/9/23

কামৰ খতিয়ান দিবৰ বাবে বেণুধৰ শৰ্মাই সভাক অৱগত কৰা পত্ৰ







সবিনয় নিবেদন,

ইতি —

বেণুধৰ শৰ্মাই পতা সাধাৰণ সভাসমূহলৈ প্ৰধান সম্পাদকক দিয়া পত্ৰ

নম্বৰ ঃ—

Registered under Act XXI of 1860.
**ASSAM SAHITYA SABHA**
(Established December, 27, 1917)
**JORHAT.**
Dated ____________

ইং ১৮৬০ চনৰ ২১ আইন অনুসৰি ৰেজিষ্টাৰি কৰা।
**আসাম সাহিত্য সভা।**
(স্থাপিত পুহ, ১৮৩৯ শক। ২৭ ডিচেম্বৰ, ১৯১৭ ইং।)
যোৰহাট।

তাৰিখ

সবিনয় নিবেদন—

[illegible]



[illegible]

হৰিনাথ পাঠক চৌধাৰীয়ে বেণুধৰ শৰ্মালৈ দিয়া চিঠি

শ্ৰীবেণুধৰ শৰ্মা
প্ৰচাৰক



প্ৰচাৰক বেণুধৰ শৰ্মাই দিয়া বিতং হিচাপ

আসাম সাহিত্য সভা।
পোৱা হল।
২৫৭
তাং ২২/৭/২৫

খৰচ।

৩১ জুলাই –
[illegible] – ৮।
[illegible] – ১।
১ম আগষ্ট [illegible] cycle – [illegible]
২ আগষ্ট – [illegible] – ১৲
চাইনল – [illegible]
৩ " [illegible] –
৪ . [illegible]
৮ তাৰিখে [illegible]
৯ তাৰিখে [illegible] – [illegible]
চাইনল [illegible]
[illegible]
৮ – [illegible] –
১০ তাৰিখে [illegible]
১২ তাৰিখে [illegible]
১৩ তাৰিখে [illegible]
[illegible]



[illegible]

[illegible]
১.৯.২৫ – [illegible]
[illegible]
Statesman – [illegible]
৫.৯.২৫ – [illegible]
৬.৯.২৫ [illegible]
৮.৯.২৫ [illegible]
১০.৯.২৫ [illegible]
১২.৯.২৫ [illegible]
১৪.৯.২৫ [illegible]
১৫.৯.২৫ [illegible]
Statesman – [illegible]
১৯.৯.২৫ [illegible]
২৭.৯.২৫
২৯.৯.২৫ – [illegible]
[illegible]

[illegible]



নং, [illegible]
২২।৬।২৫

সবিনয় নিবেদন,

[illegible]

স্বাঃ —

[illegible]

প্ৰধান সম্পাদক
অসম সাহিত্য সভা
যোৰহাট

# সাহিত্য সভাৰ অভিনন্দন পত্ৰ

চেনেহী অসম জননীৰ সুসন্তান,
সুৱদী মাতৃভাষাৰ কৃতী সেৱক,

সাহিত্যৰথী শ্ৰীল শ্ৰীযুক্ত লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াৰ কৰকমলেষু
হে মাননীয় ডাঙৰীয়া,

এই "চিকুণী অসমী আই"ৰ অতীজৰ গৌৰৱেৰে ভৰপূৰ, অহম ৰজাসকলৰ ৰাজধানী আৰু আপোনাৰ অতি মৰমৰ ওপজা ঠাই শিৱসাগৰত লালিত-পালিত হোৱা সেই ছাত্ৰ জীৱনৰে পৰা, সুদূৰ সম্বলপুৰত ব্যৱসায় সূত্ৰত আৰদ্ধ থকা এই ভাটী বয়সলৈকে, পঢ়োঁতে পমি যোৱা, শুনোতে শীত লগা, মৌ বৰষা মাতেৰে, অসমীয়া সাহিত্যৰ আশাশুধীয়া চৰ্চ্চা আৰু বিতোপন বিকাশ কৰি আপুনি মাতৃ-ভাষাৰ জেউতি চৰাই আছে।

তাহানি বিদেশীসকলে আমাৰ ভাষাৰ ওপৰত নিগ্ৰহ-আন্ধাৰৰ ছাঁ পেলোৱা কালত আপুনি আপোনাৰ সহযোগী সুযোগ্য বন্ধুসকলেৰে সৈতে 'জোনাকী'ৰ পোহৰেৰে আমাৰ ভাষাৰ মুখ উজ্জ্বল কৰি থৈছে।

আপোনাৰ বহুমূলীয়া জীৱনৰ কৰ্ম্মশীল ডেকাকাল আৰু চিন্তাশীল ভৰবয়স বিদেশত অনেক জঞ্জালৰ মাজত কটাবলগীয়া হৈয়ো আপুনি এই দুখুনী অসম দেশলৈ আৰু নিঃকিন অসমীয়া প্ৰজাসকললৈ নিজৰ মৰম অটুট ৰাখি নানা-তৰহৰ গীত, কবিতা, নাটক, উপন্যাস আদি সাহিত্যৰ বাছকবনীয়া আভৰণেৰে মাতৃভাষাক সজাই আছে।

অসমীয়া সমাজৰ মাজত স্বদেশ-প্ৰীতিৰে প্ৰচাৰ কৰিবলৈ, মাতৃভাষাৰ প্ৰতি জনসাধাৰণৰ অনুৰাগ বঢ়াবলৈ আৰু অসমত জাতীয় জাগৰণৰ উদগনি দিবলৈ আপুনি কলিকতাতে তাহানিখনেই প্ৰতিষ্ঠা কৰা 'বাঁহী'ৰ সুললিত সুৰেৰে লুইতৰ ইপাৰ-সিপাৰ টৌৱাই এতিয়াও অসমীয়া ৰাইজৰ মন মুহি আছে।

অসমীয়া ভাষা মধ্য-যুগৰ ধৰণী, অসমীয়া পুৰণি সাহিত্যৰ গুৰিয়াল আৰু প্ৰকৃতিৰ কাম্যভূমি কামৰূপত বৈষ্ণৱ ধৰ্ম্মৰ প্ৰৱৰ্ত্তক মহাপুৰুষসকলৰ জীৱনীৰ সম্যক সমালোচনা কৰি,



আপুনি তেখেতসকলৰ বহুবিধ কীৰ্ত্তি যুগমীয়া কৰিবলৈ সমুচিত যত্ন কৰি স্বদেশৰ আৰু স্বজাতিৰ গৌৰৱ অক্ষুণ্ণ ৰাখিবলৈ সমৰ্থ হৈছে।


হে মহানুভৱ !

আপোনাৰ অশেষ সুকৃতিৰ আদৰ কৰিবৰ উদ্দেশ্যেৰে অসমীয়া গুণগ্ৰাহী ৰাইজসকলৰ হৈ, সাহিত্যানুৰাগী সুধীসকলৰ হৈ, অসাম সাহিত্য সভাই আপোনাক অতি আনন্দেৰে আন্তৰিক সম্বৰ্দ্ধনা কৰিছে আৰু অভিনন্দনৰ এই আভাস মাথোন জনাইছে; আৰু আগলৈকো আপুনি নিজৰ ভাষাৰ আৰু দেশৰ নাম যাউতিযুগীয়া কৰিবলৈ সমৰ্থ হ'ব, ইয়াকে সাহিত্য সভাই আশা কৰিছে আৰু সেই উদ্দেশ্যেৰে আপোনাৰ দীৰ্ঘ আৰু সুস্থ জীৱন কামনা কৰি জগদীশ্বৰৰ চৰণত প্ৰাৰ্থনা জনাইছে। সাহিত্য সভাৰ অশেষ ত্ৰুটীলৈ লক্ষ্য নকৰি, সমজুৱাসকলৰ আন্তৰিক স্নেহ আৰু শ্ৰদ্ধাৰ আদৰ দেখুৱাই এই অকিঞ্চন অভিনন্দন গ্ৰহণ কৰি আপুনি আসাম সাহিত্য সভাক যেন কৃতাৰ্থ কৰে। ইতি —

আপোনাৰ গুণ-মুগ্ধ আসাম সাহিত্য সভাৰ সভ্যসকলৰ হৈ —

শিৱসাগৰ সাহিত্য সন্মিলন,
১৩ পুহ, ১৮৩৫শক;
ইং ২৯ ডিছেম্বৰ, ১৯৩১

**শ্ৰীদেৱেশ্বৰ চলিহা**
প্ৰধান সম্পাদক
আসাম সাহিত্য সভা, যোৰহাট



# অভিনন্দনৰ উত্তৰ

আসাম সাহিত্য সম্মিলনৰ সভাপতি, সভাৰ প্ৰধান সম্পাদক আৰু সভ্যসকল।

আপোনাসকলৰ অভিনন্দনৰ উত্তৰত মই শলাগ লোবাৰ বাহিৰে আৰু মোৰ কৰবলৈ একো নাই। অৱশ্যে মোৰ কবৰ মন গৈছিল — যে মই অভিন্দন পাবৰ যোগ্য নহওঁ, অসমীয়া সাহিত্য ক্ষেত্ৰত আজি মোতকৈ অনেক যোগ্য মানুহ আছে, তেওঁলোকৰ ভিতৰৰ কোনো এজনেহে এই অভিনন্দন পোৱা উচিত আছিল; আৰু আপোনাসকলে সমূলি ভুল নকৰিলেও অলপ ভুল কৰি তৃতীয় শ্ৰেণীৰ মানুহ এজনৰ মূৰত এই অভিনন্দনৰ মালতী ফুলপাহ আপোনাসকলৰ মুখৰ জুৰ মলয়াৰে উৰুৱাই পেলাই দিছে। কিন্তু এইদৰে এতিয়া নকওঁ, কোৱাটো অশোভন হ'ব, কাৰণ, মোৰ অকলশৰীয়া বিবেচনাতকৈ সাহিত্য সভাৰ সভ্যসকলৰ সমূহ বিবেচনাৰ সমষ্টি নিশ্চয় বলী আৰু কিজানি নিৰ্ভুলেই। সাহিত্য সভাৰ পকা বিচাৰ বিবেচনাৰ ওপৰত এখুদ মনৰ মই মুখ বজাবলৈ যাবৰে বা কোন? তাৰ উপৰি ৰাইজৰ আদেশ আৰু শকতিৰ প্ৰতিপত্তি ইমান বেচি যে ৰাইজে মোৰ নিচনা ক্ষুদ্ৰ প্ৰাণী এটাক মৰ বুলিলেও, সেই কাৰ্য্যটি মোৰ অভিপ্ৰেত আৰু সুবিধাজনক নহ'লেও, ৰাইজৰ আদেশ মানি অন্ততঃ চকু মুদি মাৰৰ ভাওকে দি মই ৰাইজৰ সন্মান ৰক্ষা কৰিবই লাগিব। ইত্যাদি কাৰণত আজি সাহিত্য সভাৰ অভিনন্দন পত্ৰখনি মই অতি সাদৰ আৰু সন্মানেৰে মূৰ পাতি ললোঁ। কৰ্ম্মফলৰ প্ৰত্যব্যায়ক অৱশ্যে মোৰ গাত নাথাকিল।

এইটো সৈ কাঢ়িবই লাগিব যে মাতৃভাষাৰ সেৱা কৰোঁ বুলি সৰুৰে পৰা মই কাপ, মৈলাম, কলাপাত, তাৰ পিছত তুলাপাত হাতত লৈ খপ্‌জপাই ফুৰিছোঁ। কিন্তু কি লিখিছোঁ, কি পঢ়িছোঁ, আজিলৈকে মই নিজে ভালকৈ তাৰ ততকে ধৰিব পৰা নাই। কোনোৱে কৈছে, সেইবোৰ সাহিত্য হৈছে, কোনোৱে কৈছে সেইবোৰ হেনো জাবৰ দ'মহে হৈছে। জাবৰৰ দ'ম হ'লেও মোৰ দুখ নাই। কাৰণ সিয়ো গুৰু-ভকতত নালাগি নাযায়। অন্ততঃ এই পুহমহীয়া জাৰত সেই দ'ম জাবৰত জুই লগাই দি জুই পুৱালে সাহিত্য সভাৰ সভ্য ভকতসকলৰ জাৰ গুচিব; আৰু তেওঁলোকে নকঁপাকৈ গল মেলি বক্তৃতা কৰিব পাৰিব। যি হওক মোৰ নিজৰ বিবেচনাও যে নাই এনে নহয়। মোৰ বিবেচনাত, ওপৰত উল্লেখ কৰা সিদ্ধান্ত দুটাৰ মাজৰে



কিবা এটাত মই আজিলৈকে আঙ্গুলি বটিয়াই আছোঁ। আঙ্গুলি বটিয়াই থকা সেই বস্তুটো কি হৈছেগৈ অৱশ্যে মই কব নোৱাৰোঁ। কবৰ ভাব দৰ্শকৰ ওপৰতে পৰি ৰ'ল। সাহিত্য সভাইতো নিজৰ মতামত দি আজি 'খালাচ' হ'লেই। আৰু এটা কথা মই ভাবিছোঁ। "অ-আ-স্বৰে ই, ক-খ-ঙ, খোৱা-দ, পেট-কটা-ষ, দৈত্-স" ডেই মই গদ্য-পদ্য, নাট, উপন্যাস পাইছিলোঁগৈ হবলা। কিন্তু পৃথিৱীখন ঘূৰণীয়া বুলিয়েই নেকি, আকৌ দেখোন ঘূৰি-পকি, সৰুতে ভীমকলৰ পাতত লেখিবলৈ আৰম্ভ কৰা সেই "সিদ্ধিবস্তুত" আজি ওলালোঁহি। মোৰ তুলাপাতৰ খম্‌খমনি, কাপৰ আঁচোৰণি আৰু মৈলামৰ হোলোকানিত পৃথিৱী পৰিক্ৰম কৰোঁতা ইউৰোপীয় নৰাবীয়া দ্ৰেক, মেগেলিন, কুকৰ দৰে, সাহিত্যৰ ঘূৰণীয়া পৃথিৱীখন ঘূৰি যৰে পৰা প্ৰথমতে গৈছিল গুৰিৰ সেইখিনিতে আজি ওলালহি দেখিছোঁ। সেই গুৰিটো হৈছে মোৰ বিদ্যাৰম্ভৰ "সিদ্ধিবস্তু"। সেই "সিদ্ধিবস্তুৰেই" আজি আপোনাসকলে চেনেহ-প্ৰীতিৰ মৌৰে সানি দিয়া এই অভিনন্দন-বস্তু। বৈজ্ঞানিকসকলে যিহকে কওক, আজিৰ ঘটনাই এইটো কিন্তু প্ৰমাণ কৰিলে যেন লাগিছে যে এই পৃথিৱীত সৰল ৰেখা আৰু সমান্তৰাল ৰেখা বুলি পদাৰ্থ এটা নাই। সেইবোৰ টানি লৈ গৈ থাকোঁতে গৈ থাকোঁতে শেহত আঁকোচ খাই ঘূৰণীয়া হৈ ওভতে। পৃথিৱীখন ঘূৰণীয়া, চন্দ্ৰ, সূৰ্য্য, গ্ৰহ, নক্ষত্ৰবোৰ ঘূৰণীয়া; আৰু সকলোবোৰেই ঘূৰণীয়া বিশ্ব-ব্ৰহ্মাণ্ড নামৰ কণী এটাৰ পেটত দেখিয়েই হবলা এনে। এই দেখিয়েই হ'বলা আমি ওপজাৰ পৰা পাওঁ আমাৰ পাৰ্থিৱ মা, বাপ, তাৰ পিছত কাপ; আৰু মৰিবৰ সময়লৈকে সেই কাপতেই আমাৰ ৰাপ; আৰু অন্তত পাঁও বিশ্বব্ৰহ্মাণ্ডৰ জননীজনক স্বৰ্গীয় মা, বাপ। আইম এই ঘূৰণীয়া মেৰটোৰ ভিতৰত সদায় সোমাই ঘূৰি আছোঁহঁক। মোৰ দাৰ্শনিক এই তত্ত্বটোত ভুল আছে যদি আপোনাসকলে ভুল থৰিবপাৰে তাৰ বিপক্ষে বা সপক্ষে মই তৰ্ক নকৰোঁ। জানি থব।

মোৰ দীঘলীয়া জীৱনটোত বিস্তৰ বিচিত্ৰ বছৰ দেখিলোঁ। দেখিবলৈ বাকীৰ লেখ তাকৰ। অঙ্ক বিদ্যাত সদায় মই পিছ-পৰা। অঙ্কৰ লেখ সৰল হ'লে সেইবোৰ গোটাই মুঠ যোগফলটো উলিয়াবলৈ গ'লেই মই থাউনি নোপোৱা হওঁ। সেইদেখি মোৰ বয়সৰ হিচাব-কিতাপ কৰিবলৈ মইদি বঙ্গদেশত থাকিলোঁহেঁতেন, বঙ্গালী একাউণ্টেণ্ট জেনেলে শুভঙ্কৰক মাজি পঠিয়ালোঁহেঁতেন। কিন্তু আজি মই মোৰ মাতৃভূমি অসম। সেইদেখি আমাৰ বকুল কায়স্থলৈকে মোৰ মনত পৰিছে। দেহি ঐহ্লু তেওঁ ক'লে গ'লহু মোক মোৰ বয়সৰ লেখত সহায়ৰ পৰা বঞ্চিত কৰি কায়স্থকুল প্ৰদীপ বেচেৰা কায়স্থ বকুল কোন কলিশ যুগতে মৃত্যুৰ অকুল সমুদ্ৰত বুৰি গ'ল কোনে মোক ক'ব? কোনোবাই ক'ব পাৰেনে? সেই নিমিত্তেহে কওঁ, যদি মোৰ বয়সৰ ঠিক অঙ্কটো উলিয়াবৰ আৱশ্যক কোনোবাই বিবেচনা কৰে, তেন্তে মোৰ বন্ধুসকলৰ ভিতৰত যদি কোনোবা অঙ্কবিদ্যাবিশাৰদ আছে, তেন্তে তেখেতেই পেন্সিল, তুলাপাত হাতত লৈ নবহিলে আৰু উপায় নাই। এই বকলা কথাৰে মুঠতে মই ইয়াকে কবলৈ লৈছোঁ যে, মোৰ এনে দীঘলীয়া বয়সৰ শেহছোৱাত আপোনাসকলৰ আদৰ সমিধিনৰ যি

পত্ৰখনি মই পালোঁ, আন নহ'লেও সেইখিনিৰ নিমিত্তেই মই ইমান দিন এই পৃথিৱীত দুখ কৰি অন্ন ধ্বংস কৰি জীয়াই থকাৰ পৰিশ্ৰমটো সাৰ্থক হ'ব বুলি ভাবিছোঁ।

এই সংসাৰত এনেকুৱা অনেক মানুহ আছে, যে তেওঁলোকে যিবোৰ কথা লৈ দিনৌ হাট-বাট কৰে, অলপ চেলু পালেই সেইবোৰ কথাৰে ফেদেনী পুৰাণ লোকৰ আগত নেমেলি থাকিব নোৱাৰে। আশা কৰোঁ মোক সেই জাতৰ মানুহৰ শাৰীত আপোনাসকলে পেলোৱা নাই। সহিত্য সভাই মোক অভিনন্দন দিছে বুলি তাৰেই আলম লৈ যে আজি মই পৰা-নোৱাৰাকৈ সাহিত্যৰ বিষয়ে পাচীদেক বক্তৃতাৰ পোহাৰ আপোনাসকলৰ আগত মেলি দিম এনে দূৰভিসন্ধি মোৰ হৃদয়ত ভগৱন্ত বস্তুৱে দিয়া নাই। বিশেষতঃ পানীৰে চপচপীয়া শিৱসাগৰৰ এই বৰপুখুৰীটোৰ পানী বঢ়াবৰ মনেৰে আমাৰ পানী-খোৱা কণ পুখুৰীটোৰ পৰা কলহচেৰেক পানী আনি পোহ দিবলৈ যোৱাটো যেনে, সাহিত্য সভাত সাহিত্যৰ বিষয়ে গোটাচেৰেক বাঙ্কৱা কথাৰে তেনেকুৱা কুকাণ্ড কৰিবলৈ যোৱাটোও তেনে যেন মোৰ মনে ধৰে। কথাটো হয় নহয় আপোনালোকে ভাবি চাওক।এই বাবেই মই সেই হাত নেমেলি, দৰ্শকৰ দৰে বাহিৰৰ পৰাই সভাৰ বিষয়ে একেযাৰে কওঁ বুলিছোঁ। সভাৰ ভিতৰুৱা কথা, কালি বহা সভাত সুযোগ্য সম্পাদকৰ পৰা বিস্তাৰিতভাৱে সকলোৱে শুনিবলৈ পাইছে।

হাকুটি লগাইয়ো ঢুকি নোপোৱা দূৰ বিদেশত থকা বাবেই নেকি, মোৰ চকুত পৰিছে সভাখনৰ গতি যদিও মন্থৰ, কিন্তু সুদৃঢ়। সেইদেশি এন এদিন আহিব বুলি মোৰ দৃঢ় বিশ্বাস হৈছে। যেতিয়া এই সভাই সাহিত্যিকক দিয়া উপাধিবোৰ বিশ্ববিদ্যালয়ৰ উপাধিৰ নিচিনা গণ্য হ'ব, তেনেকৰা দিন আহিলে কোনো এখন টোলৰ বা টোলৰ বাহিৰৰ কোনো এজন ভট্টাচাৰ্য্যক মহৰ এঠা দৈ, মালভোগ কল আৰু গুড়েৰে দিয়া এবাটি কোমল চাউলৰ জলপানৰ সলনি, কোনো উচ্চাকাঙ্ক্ষী সাহিত্যিক বা অসাহিত্যিকে সেই ভুৰি-ভোজনকাৰী ভট্টাচাৰ্য্যৰ পৰা কবিগুণাকৰ বা ভাস্কৰ উপাধিৰ নিচিনা বিভূষিত হৈ সাহিত্য ক্ষেত্ৰৰ ভিতৰত বা বাহিৰত জিলিকিবলৈ যাবৰ আৰু আৱশ্যকতা নেথাকিব; কাৰণ সেই বুভুক্ষুৰ সেই ক্ষুধা এই সভায়েই নিশ্চয় তেতিয়া পূৰণ কৰিব পাৰিব। আৰু আশা কৰিছোঁ যে, যুৰোপ আমেৰিকাৰ প্ৰাচীন আৰু প্ৰতিপত্তিশালী একেডেমি আৰু ছোছাইটিবোৰৰ প্ৰদত্ত উপাধি জগতে মানি লোৱাৰ দৰে, আমাৰ আসাম সাহিত্য সভাৰ প্ৰদত্ত উপাধিকো এনে এদিন আহিব, সকলোৱে মানি লোৱা হ'ব। অৱশ্যে এইটো এটা বুঢ়াৰ সমাজিক নিশ্চয়। এই সমাজিক ফলিয়াবও পাৰে, নফলিয়াবও পাৰে। আসাম সাহিত্য সভাই নিজৰ নিৰ্দিষ্ট বাটেদি গৈ থাকি এহাশুধীয়াভাৱে কাম কৰি থাকিলে নফলিয়াবৰ কোনো আশঙ্কা নাই। মোৰ এই কথা শুনি যদি কাৰবাৰ মনত এনে ভাব খেলাইছে, যে অভিনন্দন পায়ো বক্তাৰ পেহাহ পলোৱা নাই; তাৰ উপৰি তেওঁ সাহিত্য সভাৰ পৰা কিবা এটা উপাধি লগা হৈছে, তেন্তে তেনেকুৱা ভাবুকৰ লগত মোৰ হিয়াখন উবুৰিয়াই দেখুৱাওঁ যে তাত তেনে হেপাহ নাই। এই বক্তাক সেইবোৰ একো নালাগে। তেনেকুৱা উচ্চাশা এই বক্তাৰ কোনো কালে নাছিল, এতিয়াও নাই। আৰু আগলৈ হবৰো কোনো আগন্তুকো নাই। বহলাই নকওঁ; অনেক বছৰ হাড়-মূৰ ভাঙ্গি পৰিশ্ৰম কৰি




ইংৰাজী বিদ্যালয়ত পঢ়ি শেহত পোৱা এই মেমেৰা বি-এ উপাধিৰ ভাৰখনো যদি কোনোবাই কিবা স্বৰূপে তেওঁৰ কান্ধৰপৰা নমাই দিব পাৰে, তেন্তে তেওঁ বৰ্ত্তিবহে। সেই উপাধিৰ প্ৰতি ঘৃণাৰ নিমিত্তে এইষাৰ কথা কৈছোঁ এনে নহয়। সেই উপাধিটোৰ জোখাৰে বিদ্যা তেওঁৰ গাত কোনো কালে নাছিল। এতিয়াও নাই। আৰু আগলৈ হবৰো তেওঁৰ বয়স নাই দেখিছে। এই বক্তাক যদি সহিত্য ক্ষেত্ৰত কোনোবাই পাইছে, সেইটো বক্তাৰ দৈব দুৰ্বিপাকতহে, নাইবা বক্তাৰ গাত দীৰ্ঘকাল স্থায়ী দুৰাৰোগ্য বায়ুব্যাধিৰ উপদ্ৰৱতহে। অলপমতি বিস্তৰেণ।

সাহিত্য সভাৰ সুধীসকল আৰু সভাৰ কাৰ্য্যত সহানুভূতি থকা উপস্থিত বন্ধুসকলহু শেহত আকৌ মোৰ অন্তৰৰ কৃতজ্ঞতা আপোনাসকলক এই পুহমহীয়া ঠেঁটুৰই ধৰা জাৰত কঁপি কঁপি জনালোঁ — চাওক আপোনাসকলে দিয়া অভিনন্দনৰ ফুল-চন্দন মই কেনেকৈ মূৰ পাতি ল'লোঁ।

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

শিৱসাগৰ
২৯।১২।৩১

(বাঁহী, ২০শ বছৰ, ৯ ম সংখ্যা, পুহ, ১৮৩৫ শক)



অসম সাহিত্য সভাই প্ৰতাপচন্দ্ৰ গোস্বামী, হৰিনাৰায়ণ দত্তবৰুৱা, নন্দিনাথ গোস্বামী আৰু শ্ৰীৰাম চন্দ্ৰ দাসক পুথি অনুসন্ধানৰ কাৰণে নিয়োগ কৰে। মাজুলী, গোৱালপাৰা, কোচবিহাৰত অনুসন্ধান কৰি দিয়া প্ৰতিবেদনৰ একাংশ।


প্ৰতাপ চন্দ্ৰ গোস্বামী


হৰিনাৰায়ণ দত্তবৰুৱা


শ্ৰীৰামচন্দ্ৰ দাস

নন্দিনাথ গোস্বামীৰ ছবি উদ্ধাৰ কৰিব পৰা নহ'ল।

# গুৱালপাৰবাসীয়ে লিখা, প্ৰকাশ কৰা আৰু সম্পাদনা কৰা কিতাপৰ তালিকা

১। কমল কলি — বিধিৰ কবিতা পুথি; অসমীয়া; লিখক — শ্ৰীযুত সীতানাথ ব্ৰহ্ম চৌধাৰী; প্ৰকাশক — শ্ৰীযুত নিবাৰণ চন্দ্ৰ ব্ৰহ্ম চৌধুৰী; ছপা

২। নতুন ধাৰাপাত — অঙ্কৰ পুথি; অসমীয়া; লিখক ও প্ৰকাশত — শ্ৰীযুত প্যাৰীমোহন নাথ; ছপা।

৩। খতপত্ৰ পাঠ — কাৰ্য্যশিক্ষা; অসমীয়া; লিখক ও প্ৰকাশক — শ্ৰীযুত প্যাৰীমোহন নাথ; ছপা।

৪। ভীষ্মৰ শৰশয্যা — অমিত্ৰাক্ষৰ ছন্দৰ কাব্য; অসমীয়া; লিখক — চৌধুৰী; ছপা।

৫। শ্ৰীমন্মান ঘোষ— ধৰ্ম্ম পুথি।

৬। সংসাৰ চিত্ৰ — উপন্যাস; অসমীয়া; লিখক — শ্ৰীযুত চিন্তাহৰণ পাটগিৰি; প্ৰকাশক— শ্ৰীযুত যুগলচন্দ্ৰ সিংহ; ছপা।

৭। কিৰাত পৰ্ব্ব — ধৰ্ম্ম পুথি; পুৰণি অসমীয়া; লিখক —ঁকবিশেখৰ; হাতে লিখা। কোচ-বেহাৰ ৰাজ লাইব্ৰেৰীত পোৱা যায়; লিখক বগৰিবাৰীৰ জমিদাৰৰ পূৰ্ব্বপুৰুষ।

৮। জয়দেন-স্তুতি — ধৰ্ম্ম পুথি; পুৰণি অসমীয়া; লিখক —ঁ জয়সিংহ; হাতে লিখা; কোচ-বিহাৰ ৰাজ লাইব্ৰেৰীত পোৱা যায়; লিখক বগৰিবাৰীৰ জমিদাৰৰ পূৰ্ব্বপুৰুষ।

৯। বিজনী ৰাজবংশাৱলী — ঐহিহাসিক পুথি; বঙ্গলা; লিখক ও প্ৰকাশ —ঁ বিৰূপাক্ষ ন্যায়বাগীশ; ছপা।

১০। হৰিবংশ — কাব্য; অসমীয়া; লিখক — কবিঁ ভৱানন্দ; সম্পাদক — পণ্ডিত শ্ৰীযুত ৰামনাথ বিদ্যালঙ্কাৰ; হাতেলিখা।

১১। ৰুচী স্তোত্ৰম্— ধৰ্ম্ম পুথি; সংস্কৃত আৰু বঙ্গলা; সম্পাদক —পণ্ডিত শ্ৰীযুত ৰমানাথ বিদ্যালঙ্কাৰ; হাতেলিখা।

১২। পুষ্পমালাৰ্পনম — কাব্য; সংস্কৃত; লিখক — পণ্ডিত শ্ৰীযুত ৰমানাথ বিদ্যালঙ্কাৰ; হাতেলিখা।

১৩। কালীবন্দনা — ধৰ্ম্মপুথি; পুৰণি অসমীয়া; লিখক — ঁ গৌৰিশঙ্কৰ ভট্টাচাৰ্য্য; হাতেলিখা।

১৪। অশ্বমেধ যজ্ঞ — ধৰ্ম্মপুথি; পুৰণি অসমীয়া; হাতেলিখা; গৌৰীপুৰ ৰাজ লাইব্ৰেৰীত পোৱা যায়।

১৫। সৰল স্বাস্থ্যবিজ্ঞান — স্বাস্থ্যৰক্ষা; অসমীয়া; লিখক — ডাঃ শ্ৰীযুত ৰামলোচন দাস; হাতেলিখা।

১৬। পদ্যমালা — কবিতা পুথি; অসমীয়া; লিখক — শ্ৰীযুত মফিজুদ্দিন আহ্মদ; হাতেলিখা, বৰ ভাল কিতাপ।

১৭। প্ৰহ্লাদ চৰিত্ৰ বা হৰিনামমাহাত্ম্য — ধৰ্ম্মপুথি; অসমীয়া; লিখক — শ্ৰীযুত হৰকিশোৰ চৌধুৰী; হাতেলিখা।

১৮। সচিত্ৰ আখৰ মালা, ১ম ভাগ — অসমীয়া; লিখক — শ্ৰীযুত হৰিকিশোৰ চৌধুৰী; হাতেলিখা।

১৯। গীতিমালা — ধৰ্ম্ম পুথি; অসমীয়া; লিখক — শ্ৰীযুত হৰকিশোৰ চৌধুৰী; হাতেলিখা।

২০। শঙ্কৰবিজয় - নাটক; অসমীয়া; লিখক — শ্ৰীযুত গোবিন্দপ্ৰসাদ দাস পাটগিৰি; হাতেলিখা।

২১। ভূমিকম্প — খণ্ড কাব্য; কামৰূপী ভাষা; লিখক — ঁ ভৱদেৱ গ্ৰহাচাৰ্য্য; হাতেলিখা।

২২। মাৰ্জ্জিত সিংহ — বুৰঞ্জীমূলক নাটক; অসমীয়া; লিখক — শ্ৰীযুত মলিনচন্দ্ৰ বৰা; হাতেলিখা; অসমৰ ভূমিকম্পৰ বিশেষ বিৱৰণ।

২৩। শান্তিভঙ্গ — সামাজিক নাটক; অসমীয়া; লিখক — শ্ৰীযুত মলিনচন্দ্ৰ বৰা; হাতেলিখা।

২৪। অদৃষ্ট — পৌৰাণিক নাটক; অসমীয়া; লিখক — শ্ৰীযুত মলিনচন্দ্ৰ বৰা; হাতেলিখা।

২৫। প্ৰতিধ্বনি — গান; অসমীয়া; লিখক — শ্ৰীযুত মলিনচন্দ্ৰ বৰা; হাতেলিখা।

২৬। দোহাৱলী — তুলসীদাসৰ দোহাৰ ভাঙনি; অসমীয়া; লিখক — শ্ৰীযুত প্ৰভাতচন্দ্ৰ অধিকাৰী; হাতেলিখা।

২৭। কবিতাৰ কিতাপ — খণ্ড কাব্য; অসমীয়া; হাতেলিখা।

২৮। সমাজনীতি আৰু ৰাজনীতি — গদ্য পুথি; অসমীয়া; লিখক — শ্ৰীযুত প্ৰভাতচন্দ্ৰ অধিকাৰী; হাতেলিখা।

২৯। ৰবিন্‌চন্ ক্ৰুচো — উপকথা; অসমীয়া; লিখক আৰু প্ৰকাশক — শ্ৰীযুত গিৰীন্দ্ৰনাথ নাথ; ছপা।

৩০।ঁ প্ৰসন্নকুমাৰ ঘোষৰ জীৱনী — জীৱনী; অসমীয়া; লিখক — শ্ৰীযুত গিৰীন্দ্ৰনাথ নাথ; ছপা।

৩১।ঁশঙ্কৰদেৱৰ জীৱনী — জীৱনী; অসমীয়া; সংগ্ৰহকৰোতা — শ্ৰীযুত পদ্মলোচন ডিহিদাৰ; প্ৰকাশক — ৰায়চাহাব শ্ৰীযুত দুৰ্গাধৰ বৰকটকী; ছপা।

৩২। গীতা — পদ্যত ভাঙনি; অসমীয়া; লিখক — শ্ৰীযুত কেশৱচন্দ্ৰ চৌধুৰী; হাতেলিখা।



৩৩। মহাভাৰত — পদ্যত চমুকৈ লিখা; অসমীয়া; লিখক — শ্ৰীযুত কেশৱচন্দ্ৰ চৌধুৰী; হাতেলিখা।

৩৪। ৰাজবংশী কুলপ্ৰদীপ — ৰাজবংশী জাতিৰ বিবৰণ; বঙলা; লিখক — শ্ৰীযুত হৰকিশোৰ অধিকাৰী; ছপা।

৩৫। কমতেশ্বৰ — ঐতিহাসিক নাটক; অসমীয়া; লিখক — শ্ৰীযুত সুশীলকুমাৰ চক্ৰৱৰ্ত্তী; এম.এচ,চি.বি.এল। হাতেলিখা।

৩৬। শ্ৰীশঙ্কৰদেৱ — নাটক; অসমীয়া; লিখক — শ্ৰীযুত ভগৱানচন্দ্ৰ বৰুৱা; হাতেলিখা।

৩৭।ঁ হৰি  দেৱ — পদ্যত লিখা জীৱনী; অসমীয়া; লিখক — শ্ৰীযুত ভগৱানচন্দ্ৰ বৰুৱা; হাতেলিখা।

৩৮। সংকীৰ্ত্তন — সংকীৰ্ত্তনৰ পুথি; অসমীয়া; লিখক — শ্ৰীযুত ভগৱানচন্দ্ৰ বৰুৱা; হাতেলিখা।

৩৯। ভূগোল — অসমৰ; অসমীয়া; লিখক ও প্ৰকাশক — ঁ মুন্সী হাস্মত উল্লা; ছপা।

৪০। আসামৰ ভূগোল; অসমীয়া; লিখক ও প্ৰকাশক — শ্ৰীযুত কেতুৰাম দাস; ছপা।

৪১। বৰ্ণমালা পৰিচয় — অসমীয়া; লিখক ও প্ৰকাশক — শ্ৰীযুত উমেশ চন্দ্ৰ দাস; ছপা।

৪২। নল দময়ন্তী — নাটক; অসমীয়া; লিখক — শ্ৰীযুতচ শ্যামাচৰণ দাস; হাতেলিখা।

৪৩। বাল্মীকি — জীৱনী; অসমীয়া; লিখক ও প্ৰকাশক — শ্ৰীযুত গোবিন্দচন্দ্ৰ দাস; ছপা।

৪৪। ব্যাসদেৱ — জীৱনী; অসমীয়া; লিখক ও প্ৰকাশক — শ্ৰীযুত গোবিন্দচন্দ্ৰ দাস; হাতেলিখা।

৪৫। বশিষ্ঠ — জীৱনী; অসমীয়া; লিখক — শ্ৰীযুত গোবিন্দচন্দ্ৰ দাস; হাতেলিখা।

৪৬। বিশ্বামিত্ৰ — জীৱনী; অসমীয়া; লিখক — শ্ৰীযুত গোবিন্দচন্দ্ৰ দাস; হাতেলিখা।

৪৭। দুৰ্ব্বাসা — জীৱনী; অসমীয়া; লিখক — শ্ৰীযুত গোবিন্দচন্দ্ৰ দাস; হাতেলিখা।

৪৮। ভীষ্ম — জীৱনী; অসমীয়া; লিখক — শ্ৰীযুত গোবিন্দচন্দ্ৰ দাস; হাতেলিখা।

৪৯। ব্যাকৰণবোধ — ব্যাকৰণ; অসমীয়া; লিখক — শ্ৰীযুত গোবিন্দচন্দ্ৰ দাস; হাতেলিখা।

৫০। নিঝৰা — যোগশিক্ষা; অসমীয়া; লিখক ও প্ৰকাশক — শ্ৰীযুত বিদ্যানাথ বৰুৱা; ছপা।

৫১। বিশুদ্ধ সনাতন ভাগৱতী ধৰ্ম্ম — ধৰ্ম্মগ্ৰন্থ; অসমীয়া; লিখক — শ্ৰীযুত বিদ্যানাথ বৰুৱা; হাতেলিখা।

৫২। কথা নিঝৰা — গল্প; অসমীয়া; লিখক ও প্ৰকাশক — শ্ৰীযুত বিদ্যানাথ বৰুৱা; ছপা।

৫৩। জুবিলী — ৰাজভক্তি বিষয়ক কবিতাৰ কিতাপ; বঙ্গলা; লিখক ও প্ৰকাশক — শ্ৰীযুত পদ্মলোচন ডিহিদাৰ; ছপা।

৫৪। শুম্ভ-নিকুম্ভ বধ — গীতাভিনয়; বঙ্গলা, লিখক — শ্ৰীযুত পদ্মলোচন ডিহিদাৰ; হাতেলিখা।

৫৫। আখৰমালা — সৰু সৰু ল'ৰা-ছোৱালীৰ বাবে বৰ্ণপৰিচয়; অসমীয়া; লিখক আৰু প্ৰকাশক — শ্ৰীযুত পদ্মলোচন ডিহিদাৰ; ছপা।

৫৬। জয়মালা — ৰাজভক্তি বিষয়ক কবিতা; বঙ্গলা; লিখক — শ্ৰীযুত পদ্মলোচন ডিহিদাৰ; হাতেলিখা।

৫৭। গোৱালপাৰাৰ তথ্য — ঐতিহাসিক; অসমীয়া; লিখক — শ্ৰীযুত পদ্মলোচন ডিহিদাৰ; হাতেলিখা।

৫৮। কুলপ্ৰদীপ — ৰাজবংশী জাতিৰ ইতিবৃত্ত; বঙ্গলা; লিখক — শ্ৰীযুত হৰকিশোৰ অধিকাৰ; হাতেলিখা।

৫৯। স্যমন্ত হৰণ — নাটক; অসমীয়া আৰু বঙ্গলা; লিখক — শ্ৰীযুত পদ্মলোচন ডিহিদাৰ; হাতেলিখা।

৬০। অঙ্কুৰ — পদ্যপুথি; অসমীয়া; লিখক — শ্ৰীযুত ইন্দ্ৰমোহন দাস; হাতেলিখা।

৬১। সাতভায়া — গল্পপুথি; অসমীয়া; লিখক — শ্ৰীযুত ইন্দ্ৰমোহন দাস; হাতেলিখা।

৬২। সোণৰ মালা — প্ৰবন্ধ পুথি; অসমীয়া; লিখক — শ্ৰীযুত ইন্দ্ৰমোহন দাস; হাতেলিখা।

৬৩। বেদান্ত দৰ্শন — দৰ্শন; অসমীয়া; লিখক — শ্ৰীযুত দুৰ্গাকিঙ্কৰ শাস্ত্ৰী; হাতেলিখা।

৬৪। শুভচনীৰ পাঁচালী — বঙ্গলা; লিখক আৰু প্ৰকাশক — শ্ৰীযুত ৰোহিনীকান্ত চক্ৰবৰ্ত্তী; ছপা।

৬৫। মঙ্গলচণ্ডীৰ পাঁচালী — বঙ্গলা; লিখক আৰু প্ৰকাশক — শ্ৰীযুত ৰোহিনীকান্ত চক্ৰবৰ্ত্তী; ছপা।

৬৬। মাণিক মিত্ৰৰ উপাখ্যান — সাধুকথা; বঙ্গলা; লিখক আৰু প্ৰকাশক — শ্ৰীযুত ৰোহিনীকান্ত চক্ৰবৰ্ত্তী; ছপা।

৬৬। মাণিক মিত্ৰৰ উপন্যাস — সাধুকথা; বঙ্গলা; লিখক ও প্ৰকাশক — শ্ৰীযুত ৰোহিনীকান্ত চক্ৰবৰ্ত্তী; ছপা।

৬৭। বিষ্ণু ও বিষ্ণু উপাসক — ধৰ্ম্ম-সম্বন্ধীয়; বঙ্গলা; লিখক — শ্ৰীযুত নৰেশ্বৰ দাস; ছপা।

৬৮। মেছ ভাষা — গণিত সম্বন্ধীয়; বঙ্গলা; লিখক — শ্ৰীযুত কেতুৰাম দাস; হাতেলিখা।

৬৯। ব্ৰহ্মপুত্ৰ মাহাত্ম্য — ধৰ্ম্ম-সম্বন্ধীয়; বঙ্গলা; লিখক — ˝ কৃষ্ণমোহন চক্ৰবৰ্ত্তী; ছপা।

৭০। গৃহমুকুৰ — জ্যোতিষ সম্পৰ্কীয়; বঙ্গলা; ˝ কৃষ্ণহেন চক্ৰবৰ্ত্তী; হাতেলিখা।

৭১। বড়োদি মিছা আয়েন — বড়োজাতি সম্বন্ধীয়; বড়ো ভাষা; লিখক — শ্ৰীযুত নৰপতি চৌধুৰি ও শ্ৰীযুত গঙ্গাচৰণ চৌধুৰী; ছপা।


৭২। গোস্থাই মেথাই — বড়োজাতী সম্বন্ধীয় কবিতা; বড়ো ভাষা; লিখক — শ্ৰীযুত ৰূপনাথ ব্ৰহ্ম নাজ্জাৰী; ছপা।

**নন্দিনাথ গোস্বামী**



# প্ৰতাপচন্দ্ৰ গোস্বামীয়ে সংগ্ৰহ কৰা মন্ত্ৰ পুথিৰ তালিকা

১। ওঠৰ ভনী
২। জ্বৰৰাজ
৩। ইলিং
৪। খোকন্দ
৫। শকুলী
৬। সৰ্ব্বঢাক
৭। সৰু নাৰায়ণী
৮। বৰ নাৰায়ণী
৯। বজ্ৰকুট
১০। গাতুড়ী
১১। নাগিনী
১২। তিনিভনী
১৩। ন-ভনী
১৪। বাৰভনী
১৫। মণিৰাজ
১৬। কালবেজালী
১৭। ভাটীৰালী
১৮। সৰ্ব্বঢাক
১৯। জন্মসৰ্ব্বঢাক
২০। সুচীসৰ্ব্বঢাক
২১। নাড়ীসৰ্ব্বঢাক
২২। ৰামসৰ্ব্বঢাক
২৩। উৰাণসৰ্ব্বঢাক
২৪। জপকৰতি
২৫। উৰাণকৰতি
২৬। ৰামকৰতি
২৭। কালকৰতি
২৮। ব্ৰহ্মাকৰতি
২৯। গু-কৰতি
৩০। মহুণকৰতি
৩১। ৰুদ্ৰকৰতি
৩২। জয়কৰতি
৩৩। বীৰাকাহিনী
৩৪। ভৈৰবদেৱান
৩৫। ভৈৰবী
৩৬। সৰু নৰসিংহ
৩৭। বৰ নৰসিংহ
৩৮। অজপা
৩৯। দীক্ষাচাট
৪০। কালবজ্ৰ
৪১। শনিবাট
৪২। লান্তামুদগিৰী
৪৩। কালবজ্ৰ
৪৪। ৰাজমোহিনী
৪৫। শঙ্কৰমোহিনী
৪৬। দেবমোহিনী
৪৭। বাটজাৰা
৪৮। ঘাটজাৰা
৪৯। ফুল-জাৰা
৫০। কলপ
৫১। চামন
৫২। মেচন্দৰী
৫৩। ব্ৰহ্ম-চাৰণ
৫৪। ক্ষেত্ৰপাল
৫৫। বিলাহীবেজালী
৫৬। হিমালয়
৫৭। কান্দুলীকানা
৫৮। হুঙ্কাৰকৰতি
৫৯। গোপাল নৰসিংহ
৬০। পক্ষীৰাজ
৬১। দেৱকৰতি
৬২। বীৰভদ্ৰ
৬৩। মণিৰাজ ইত্যাদি।।



# প্ৰাচীন পুথি অনুসন্ধান— মাজুলী অঞ্চল

## হৰিনাৰায়ণ দত্তবৰুৱা

যোৱা মাৰ্চ আৰু এপ্ৰেল মাহত প্ৰাচীন পুথি অনুসন্ধান কৰি আমি মাজুলীৰ কিছুমান সত্ৰ ফুৰিছিলোঁ। প্ৰথম যাত্ৰাত দক্ষিণপাট সত্ৰত সোমাই চামগুৰি সত্ৰ পাওঁ; ২য় বাৰ যাত্ৰাত কমলাবাৰী, আউনিআটি, বেঙেনাআটি, দক্ষিণপাট আৰু নৰসিংহ সত্ৰ ফুৰোঁ। আমি আগেয়ে এইবোৰ সত্ৰত যিমান পুথি আছে বুলি অনুমান কৰিছিলোঁ, পুথিৰ ভঁড়াল দেখি সন্তোষ নাপালোঁ। কমলাবাৰী, আউনিআটি আদি সত্ৰত শুনিবলৈ পালোঁ সিবিলাকৰ পৰা শ্ৰদ্ধাস্পদ শ্ৰীযুক্ত হেমচন্দ্ৰ গোস্বামী দেৱে কিছুমান পুথি ইতিপূৰ্ব্বে চাবলৈ নিছিল কিন্তু দুখৰ বিষয় সিবিলাকে কেবাবাৰো পত্ৰ লিখি পুথি ফিৰত পাব দূৰত থাওক, পত্ৰোত্তৰো আজিলৈকে নাপালে। শ্ৰীল শ্ৰীশ্ৰীযুক্ত কমলাবাৰী সত্ৰাধিকাৰ প্ৰভুৱে তেৰাৰ পুথি ভঁড়াল দেখুৱাবলৈ পোনতে এই কাৰণেই সন্মত হোৱা নাছিলে, আমি বহুত কাকুতি-মিনতি কৰিহে কোনোমতে তেৰাৰ ৰক্ষিত পুথিবোৰ চাবলৈ সমৰ্থ হৈছিলোঁ। বেঙেনাআটি সত্ৰৰ পুথি ভঁড়াল চাবলৈ সুবিধা কৰিব নোৱাৰিলোঁ, সম্ভৱতঃ তাৰ কাৰণো কিজানি ওপৰত উল্লেখ কৰাটোৱেই। শ্ৰীল শ্ৰীশ্ৰীযুক্ত বেঙেনা আটি সত্ৰাধিকাৰ প্ৰভুৱে অৱশ্যে আমাৰ আগত অন্য কাৰণ উল্লেখ কৰিছিল। আমি তেৰাৰ অনুগ্ৰহ লাভ কৰিম বুলি নিজে ইচ্ছা কৰি তেৰাৰ ঘৰত এক নিশা খাপোঁ, শেষত তেৰাৰ উপৰি পুৰুষে পোৱা তাম্ৰ পত্ৰ এখনহে কোনোমতে চাই তাৰ এটা নকল গ্ৰহণ কৰোঁ।

নৰসিংহ সত্ৰ দক্ষিণপাট সত্ৰৰ উত্তৰ-পূবে বাৰ মাইলমান দূৰত। যাওঁতে আমি দীঘলী মুখেদি গৈ চিৰাম চাপৰিয়েদি নৰসিংহ পাওঁ। এই অঞ্চল ১০।১২ হাত দীঘল ইকৰাণি আৰু ভয়ঙ্কৰ কাঠনি মনত পৰিলে আজিও নোম শিয়ৰি উঠে। ১ ব'হাগত দক্ষিণপাটৰ পৰা শ্ৰীযুক্ত ভদ্ৰেশ্বৰ নামৰ এজনা বিজ্ঞ ভক্তক লগতলৈ আমি হাতীৰে নৰসিংহলৈ যাত্ৰা কৰোঁ, প্ৰায় তিনিটামান বজাত গৈ নৰসিংহ সত্ৰ পাওঁ।

আমি হাতীৰ পৰা নামিলোঁ। আমাৰ সঙ্গীভক্তজনে গৈ অধিকাৰত খবৰ দিলে; অধিকাৰৰ আহ্বানত আমি ভিতৰ সোমাই প্ৰণাম কৰিলোঁ। অধিকাৰে আমাক বহিবলৈ নিদি আমাৰ সাত পুৰুষৰ সংবাদ খুজিলে উপায়ন্তৰ নেদেখি সংক্ষিপ্তকৈ আমাৰ নিজৰ আৰু শহুৰ বংশৰ পৰিচয়



দি আসন লাভ কৰিলোঁ; কিন্তু তাৰ পাছতেই পুথি চাম বোলত নানা প্ৰকাৰ ওচৰ-আপত্তি উঠিল। আমি শেষত অলপ টান কথা কৈ ফিৰি আহিব খোজাতহে অধিকাৰৰ দয়া উপজিল। পুথিবোৰ চালোঁ, বহুত পুথিৰ অৱস্থা বেয়া। নৰসিংহৰ পৰা আমি ঘূৰি অহাত নিশা দহটা বাজি গৈছে; আহোঁতে হাবিবাটে নাহি নপমুৱা গাঁৱেদিহে ঘূৰি অহা হয়।

চামগুৰি সত্ৰত থকা পুথি —

১। ৩য় স্কন্ধ ভাগৱত — অনাদি পাতন (সচিত্ৰ) শঁক নাই, কিন্তু দুশ বছৰ মান পুৰণি আখৰৰ।

| | | | |
|---|---|---|---|
| ২। | বৰ চৰিত্ৰ (গুৰু চৰিত্ৰ) | ১৮১১ | শঁক |
| ৩। | পদ্ম পুৰাণ স্বৰ্গখণ্ড | ১৭৯৩ | ” |
| ৪। | বংশাৱলী (সত্ৰবোৰৰ চমু বিবৰণ) | ১৫৮৫ | ” |
| ৫। | আদিকাণ্ড ৰামায়ণ | ১৭২২ | ” |
| ৬। | ৰত্নাৱলী | ১৬৪২ | ” |
| ৭। | গীতা (গোবিন্দ মিশ্ৰ) | ১৭০৯ | ” |
| ৮। | দশম (আদ্য) | ১১৭৩১ | ” |
| ৯। | দশম (মধ্য আৰু শেষ) | ১৭৩১ | ” |
| ১০। | পাতালিকাণ্ড ৰামায়ণ | নাই | |
| ১১। | পঞ্চম স্কন্ধ ভাগৱত (অনিৰুদ্ধ) | ১৫২৪ | ” |
| ১২। | ষষ্ঠ স্কন্ধ ভাগৱত (শ্ৰীধৰ কন্দলি) | ১৮০৪ | ” |
| ১৩। | ঘোষা | ১৭৩৫ | ” |
| ১৪। | নৱম স্কন্ধ ভাগৱত | ১৮০৬ | ” |
| ১৫। | ঘোষা (মুগা কাপোৰৰ পাত) | ১৭৩৫ | ” |
| ১৬। | কীৰ্ত্তন | ১৬৮১ | ” |
| ১৭। | একাদশ আৰু দ্বাদশ স্কন্ধ ভাগৱত | ১৭৩৫ | ” |
| ১৮। | নাট সীতাসয়ম্বৰ | ১৪৭১ | ” |
| | ৰুক্মিণী হৰণ | ১৪৭১ | ” |
| | কালি-দমন | ১৭৪৪ | ” |
| ১৯। | ভাগৱত মূল (শ্ৰীধৰ স্বামীৰ টীকা সহিত) | ১৬৯৯ | ” |
| ২০। | ৰত্নাকৰ (ৰামচৰণ ঠাকুৰ) | ১৭৪১ | ” |
| ২১। | নিমিনৱ সিদ্ধ | ১৭৯৯ | ” |
| ২২। | ভক্তি প্ৰদীপ | ১৭৯৯ | ” |

এইবোৰৰ ভিতৰত 'অনাদি পাতন' খনৰ চিত্ৰবোৰ চকুত লগা। মুগা কাপোৰৰ ওপৰত কড়াল দি তাত লিখা ঘোষা শাস্ত্ৰখনো চাবলগীয়া বস্তু। অধিকাৰ সত্ৰত থকাহেঁতেন এই "ঘোষা"খন আমাৰ সভাৰ অৰ্থে খুজিব পৰা হ'লহেঁতেন। আমি দ্বিতীয় বাৰ মাজুলীলৈ

যাওঁতেই চামগুৰিত সোমাইছিলোঁ। সেই সময়তো শ্ৰীশ্ৰীযুক্ত অধিকাৰ প্ৰভু শিষ্য গাঁৱৰ পৰা ঘূৰি অহা নাই।

**কমলাবাৰী সত্ৰত পোৱা পুথি—**

| | | | |
|---|---|---|---|
| ১। | জন্ম ৰহস্য | ১৮১২ | শঁক |
| ২। | প্ৰথম স্কন্ধ ভাগৱত | ১৮০৮ | ” |
| ৩। | দ্বিতীয় স্কন্ধ ভাগৱত | ১৮০৮ | ” |
| ৪। | তৃতীয় স্কন্ধ ভাগৱত | নাই | |
| ৫। | ষষ্ঠ স্কন্ধ ভাগৱত | নাই | |
| ৬। | অষ্টম স্কন্ধ ভাগৱত (অমৃত-মথন) | ১৭৮৩ | শঁক |
| ৭। | বলিচলন | ১৭৮৩ | ” |
| ৮। | দশম (আদ্য, মধ্য) | ১৬৬৫ | ” |
| ৯। | ৰুক্মিণী হৰণ | নাই | |
| ১০। | ৰাজসুয় (মাধৱদেৱ) | ১৬৫৫ | ” |
| ১১। | কুৰুক্ষেত্ৰ (শঙ্কৰদেৱ) | নাই | |
| ১২। | নৰসিদ্ধ | ১৬৫৬ | |
| ১৩। | একাদশ | নাই | |
| ১৪। | দ্বাদশ | ১৭০৭ | ” |
| ১৫। | ভক্তি প্ৰদীপ | ১৭৮৬ | ” |
| ১৬। | ৰত্নাৱলী (সচিত্ৰ) | নাই | |
| ১৭। | নাম মালিকা | ১৮৪৪ | ” |
| ১৮। | ঘোষা | ১৬৫৬ | ” |
| ১৯। | কীৰ্ত্তন (সচিত্ৰ) | নাই | |
| ২০। | ভটিমা | নাই | |
| ২১। | গুণমালা | ১৭৮৩ | ” |
| ২২। | তাৎপৰ্য্য (উপদেশ) | নাই | |
| ২৩। | বড়গীত | ১৬৫৬ | ” |
| ২৪। | ৰামায়ণ আদি কাণ্ড, উত্তৰা কাণ্ড | নাই | |
| ২৫। | হৰিশ্চন্দ্ৰ (শঙ্কৰদেৱ) | নাই | |
| ২৬। | গুৰু চৰিত্ৰ (দৈত্যাৰি) | ১৭৮৬ | ” |
| ২৭। | ৰাম কীৰ্ত্তন | নাই | |
| ২৮। | ব্যাসাশ্ৰম (ভাৰত চন্দ্ৰ) | ১৭৩৪ | ” |
| ২৯। | বৃহৎ নাৰদী পুৰাণ (দ্বিজ কবিৰাজ) | | |
| ৩০। | বঘাসুৰ বধ | | |



| | | | |
|---|---|---|---|
| ৩১। | গীতা মূল (শ্ৰীধৰ স্বামীৰ টীকা) | ১৭৬০ | ” |
| ৩২। | ৰত্নাকৰ (মূল) | ১৭৫৯ | ” |
| ৩৩। | ৰত্নাৱলী (মূল) | ১৫৫৫ | ” |
| ৩৪। | ভাগৱত (মূল টীকাসহ) | নাই | |

‘ব্যাসাশ্ৰম’ আৰু ‘নাৰদী পুৰাণ’ এই দুখন বৰ বৃহৎ পুথি, আজিলৈকে প্ৰকাশো হোৱা নাই। ব্যাসাশ্ৰম পুথিত মাৰ্কণ্ডেয় ঋষিৰ আগত ব্যাসে ভীষ্মৰ দিক্‌বিজয়, পৰশুৰামৰ লগত যুদ্ধ আদিৰ কথা বৰ্ণাইছে। পুথিখনৰ পদ ৪১৩০ টা।

নাৰদী পুৰাণত নাৰদে সনকাদিৰ আগত ধৰ্ম্মৰ কথা কৈছে, এই পুথিৰ পদৰ সংখ্যা ২১৮৪ টা।

এই সত্ৰৰ থাপনাত শ্ৰীমন্তৰ শঙ্কৰ গুৰুৰ শ্ৰীহস্তৰ ভাগৱত মূল দশম (আদ্য) আৰু মহাপুৰুষ মাধৱদেৱৰ শ্ৰীহস্তৰ ঘোষা শাস্ত্ৰ আছে বুলি প্ৰবাদ। আমি আৰু এদিন বেছিকৈ তাত থাকিব নোৱাৰাত দৰ্শনৰ পৰা বঞ্চিত হৈছোঁ।

**আউনি-আটী সত্ৰত পোৱা পুথি—**

| | | | |
|---|---|---|---|
| ১। | উদ্যোগ পৰ্ব্ব | ১৮১৪ | শঁক |
| ২। | ভাগৱত মূল | ১৭৩৮ | ” |
| ৩। | দশম (সচিত্ৰ) | ১৬৩৯ | ” |
| ৪। | বঘাসুৰ বধ (৬৮১৩ পদ) | ১৭৩১ | ” |
| ৫। | উত্তৰা কাণ্ড ৰামায়ণ | ১৭৫৬ | ” |
| ৬। | ব্যাসাশ্ৰম | ১৭৩৭ | ” |
| ৭। | লঙ্কাকাণ্ড | নাই | |
| ৮। | ৰত্নাৱলী | ১৭৮৯ | ” |
| ৯। | দশম (মধ, শেষ) | ১৭৭৬ | (কৃষ্ণচিত্ৰ |
| ১০। | একাদশ | আদি মনত লগা) | |
| ১১। | ভাগৱত ৫ম, ৬ষ্ঠ, ৭ম, ৮ম | নাই | |
| ১২। | ৰাম কীৰ্ত্তন | ১৫৭৭ | শঁক |
| ১৩। | উপৰি অধিকাৰসকলৰ চৰিত্ৰ পুথি — | | |
| | কেশদেৱ | নাই | |
| | হৰিদেৱ | নাই | |
| | প্ৰাণহৰি | নাই | |
| | গোপালদেৱ | নাই | |
| ১৪। | ৰামায়ণ আদিকাণ্ড | ১৭৪০ | |
| | অযোধ্যাকাণ্ড | ১৭৪০ | |
| | অৰণ্যকাণ্ড | ১৭৪০ | |

| | | |
|---|---|---|
| | উত্তৰাকাণ্ড | ১৮২০ |
| ১৫। | কীৰ্ত্তন | নাই |
| ১৬। | হাতী পুথি (সচিত্ৰ) | নাই |
| ১৭। | কথা ভাগৱত | নাই |
| ১৮। | ভাগৱত একাদশ, দ্বাদশ | ৭১৭৩৪ |
| ১৯। | ৫ম স্কন্ধ (ৰত্নাকৰ কন্দলি) | ১৭৯৮ |
| ২০। | ১ম, ২য় আৰু ৩য় স্কন্ধ ভাগৱত | ১৭৮৫ |
| ২১। | একাদশ স্কন্ধ ভাগৱত (চাৰিফালে লতা থকা) | নাই |
| ২২। | হৰিশ্চন্দ্ৰ উপাখ্যান | ১৮০৮ |
| ২৩। | দশম (মধ্য, শেষ) | নাই |
| ২৪। | চতুৰ্থ স্কন্ধ | ১৭৮৬ |
| ২৫। | লক্ষ্মীনাথ দেৱ চৰিত্ৰ | ১৬৮৭ |
| ২৬। | হৰিশ্চন্দ্ৰ উপাখ্যান | ১৭৯১ |
| ২৭। | ১ম ও ২য় স্কন্ধ ভাগৱত | ১৭৭১ |
| ২৮। | নৱম স্কন্ধ ভাগৱত | নাই |
| ২৯। | বঘাসুৰ বধ | নাই |
| ৩০। | ৫ম স্কন্ধ ভাগৱত (অনিৰুদ্ধ) | ১৫২৪ |
| ৩১। | একাদশ স্কন্ধ কথা ভাগৱত | ১৮০৫ |
| ৩২। | সন্দৰাকাণ্ড | নাই |
| ৩৩। | কপিলদেৱ চৰিত্ৰ | নাই |
| ৩৪। | সাত্ততন্ত্ৰ (কন্দলি) | নাই |
| ৩৫। | দত্তদেৱ চৰিত্ৰ | নাই |

এই সত্ৰত তকা হাতী পুথিখন অনুপম বস্তু। ইয়াৰ পাতবোৰ দুফুট দীঘল আৰু ন ইঞ্চি বহল। পাতবোৰ ডাঠ কিন্তু হাতেৰে চুলে তুলাপাত যেন কোমল। পাতবোৰৰ ওপৰখন গেৰুৱা ৰঙেৰে ফুটফুটীয়া; প্ৰতি পৃষ্ঠাত হাতী, মানুহ, গছ, লতা, ঘৰ আদিৰ চিত্ৰ আসামৰ প্ৰাচীন শিল্প কলাৰ নিখুঁট আদৰ্শ বুলিব পাৰি। এই পুথিখন দেখুৱালেই আসামৰ প্ৰাচীন কলা বিদ্যাৰ কথা ব্যাখ্যা কৰাৰ দৰকাৰ নাথাকে। কিন্তু দুখৰ বিষয় পুথিখনৰ কেইটামান পাত নাই; সেই কাৰণে ওপৰে ওপৰে পঢ়ি গ্ৰন্থকাৰ আৰু শঁক পোৱাৰ উপায় নেদেখিলোঁ। কোনোবা সন্দিকৈৰ কথা উল্লেখ আছে। ভালদৰে পঢ়িলে কিজানি কিছু উদ্ধাৰ কৰিব পৰা হ'ব। আখৰবোৰ ডেৰশ-দুশ বছৰৰ ভিতৰৰ যেন লাগে। পুথিখন দুভাগ; ১ম ভাগত ১৪৮ টা পাত, তাত হাতীৰ লক্ষণ ও সংশোধনৰ উপায়। ২য় ভাগত ১৮ টা পাত, তাত কেৱল হাতীৰ বেমাৰৰ ঔষধৰ কথা আছে। দুই খণ্ডৰ শেষৰ ২।১ টা পাত নাই।

| | | | |
|---|---|---|---|
| ৩৬। | অষ্টম স্কন্ধ ভাগৱত বলি বাসবৰ যুদ্ধ (সচিত্ৰ) | শঙ্কৰদেৱ | শঁক নাই |



| | | | |
|---|---|---|---|
| ৩৭। | ব্ৰহ্মবৈবৰ্ত্তপুৰাণ (জন্ম খণ্ড) | বলোৰাম বিপ্ৰ | ১৭৩০ |
| ৩৮। | (আদ্য মূল) শ্ৰীমন্ত শঙ্কৰদেৱৰ শ্ৰীহস্তাক্ষৰ — শেষৰ আদিৰ পাত নাই। | | |
| ৩৯। | সভাপৰ্ব্ব (ৰাজসুয়) — | ৰাম মিশ্ৰ | শঁক নাই |
| ৪০। | উদ্যোগ পৰ্ব্ব (ৰামসৰস্বতী) | | ১৭১৮ |
| ৪১। | কিস্কিন্ধা কাণ্ড (দ্বিজ-ভোলানাথ) | | ১৭৭২ |
| ৪২। | কীৰ্ত্তন | | ১৮০৪ |
| ৪৩। | শেষ দশম (চন্দ্ৰ ভাগতী) | | নাই |
| ৪৪। | একাদশ (সচিত্ৰ) শ্ৰীশঙ্কৰদেৱ | | ১৬১৯ |
| ৪৫। | বৃহৎ গৌতমী মূল (ৰাধাকৃষ্ণ বিষয়ক) | | নাই |

শ্ৰীমন্ত শঙ্কৰ গুৰুৱে দামোদৰ গুৰুক সোণৰ শলখা মৰি যি ভাগৱত দিছিল সেই পুথিখনিকে ইমান দিনে শ্ৰীশ্ৰীঅধিকাৰ গোস্বামী প্ৰভুসকলে ৰক্ষা কৰি আহিছে; কিন্তু বহুত দিনৰ আগতে এবাৰ অগ্নিৰ গৰাহত পৰাত কিছুমান পাত নষ্ট হৈছে। তদুপৰি মানৰ উৎপাতৰ সময়ত কিছুমান গ্ৰামিণলোকে এই পুথিৰ পাত একোটা নি তাকে থাপনা কৰি হেনো ৰক্ষা কৰিছিল। পুথিখনিত, সংস্কৃত টীকা আছে; কাৰ টীকা আমি ঠিক কৰিব নোৱাৰিলো। আখৰবোৰ সৰু সৰু আৰু ফটফটীয়া; পাতবোৰ প্ৰায় দুফুট দীঘল ছয় ইঞ্চিমান বহল।

একাদশ পুথিখনিৰ লেখাও ভাল হাতৰ বানানবোৰ ঠিক যেন লাগে।


এই সত্ৰত বহুত প্ৰাচীন পুৰণা, তন্ত্ৰ, ব্যাকৰণ আৰু জ্যোতিষৰ পুথি আছে। কিন্তু সেইবোৰ প্ৰকাশ হৈছে সেই কাৰণে সেইবোৰৰ নাম আমি নানিলো; আৰশ্যক বোধ কৰিলে পত্ৰ লিখিলেই পোৱা হ'ব।

**নৰসিংহ সত্ৰত পোৱা পুথি—**

| | | | |
|---|---|---|---|
| | | | শঁক |
| ১। | মনুসংহিতা | ১৭৩২ | |
| | | | ” |
| ২। | বৰগীত | ১৭৩৫ | |
| | ৰামায়ণ | | ” |
| ৩। | আদি, অযোধ্যা, অৰণ্য, কিস্কিন্থা, সুন্দৰাকাণ্ড | ১৭০৬ | |
| ৮। | অমূল্য ৰতন | | নাই |
| ৯। | ভাগৱত (মূল) | | নাই |
| ১০। | নাট | | শঁক নাই |
| | ৰুক্মিণী হৰণ | শ্ৰীশঙ্কৰদেৱ | |
| | পাৰিজাত | ” | |
| | সীতা সয়ম্বৰ | ” | |
| | ৰাস | ” | |
| | কালিয় দমন | ” | |

| | | |
|---|---|---|
| পত্নী প্ৰসাদ | ” | |
| ৰাস ঝুমুৰা | মাধৱ দেৱ | |
| দধিমথন | ” | |
| পিপৰা গুচোৱা | ” | |
| চোৰ ধৰা | ” | |
| ভূমি লেটোৱা | ” | |
| ভোজন বাহাৰ | ” | |
| ২২। জনম যাত্ৰা (নাট) | (ভবানী পুৰিয়া গোপাল দেৱ) | |
| ২৩। উদ্ধৱ সংবাদ | ঐ | |
| ২৪। নৃসিংহ যাত্ৰা (নাট) | দৈত্যাৰি | |
| ২৫। কংসবধ (নাট) | ৰাম চৰণ | |
| ২৬। কীৰ্ত্তন (পুৰা) | | ১৭১৮ |
| ২৭। দশম (পুৰা) | | ১৭০৩ |
| ২৮। গুৰু গুণমালা (অসম্পূৰ্ণ) | শুকদেৱ | নাই |
| ২৯। ঘোষা | | ১৫৭১ |
| ৩০। ৰত্নাৱলী | | ১৫১৫ |
| ৩১। উস্কন্দ পুৰাণ (অসম্পূৰ্ণ) | শ্ৰীৰাম | নাই |
| ৩২। আহোম পুথি (মধ্যম চোৱা) | | নাই |
| ৩৩। বুঢ়া ভাইস | | ১৭২৬ |
| ৩৪। গৰুড় পুৰাণ (অসম্পূৰ্ণ) | | নাই |

বুঢ়া ভাইসখন ছপা হোৱা বুঢ়া ভাইসৰ লগত নিমিলে। আহোম আখৰ পুথিখন এখনি কাকতত লিখা পুথি, তাত মঙ্গল চোৱা ঘৰো অঙ্কিত আছে। আমি লাজ কাটি কৰি পুথিখনি সভালৈ খুজিছিলোঁ। অধিকাৰ মহাশয় জাপ মাৰি উঠিল।



# সুৰমা উপত্যকাত অসমীয়া

সাহিত্য সভাৰ মুখ্য উদ্দেশ্য হৈছে মাতৃভাষাৰ উন্নতি সাধন কৰা আৰু আৱশ্যক বুজি প্ৰচাৰ কৰা। এই কথাটিকে লক্ষ্য কৰি হ'বলা গোলাঘাটত বহা আসাম সাহিত্য সভাৰ অধিবেশনত ভাষা প্ৰচাৰ কৰা বিষয়ক দুটা প্ৰস্তাৱ গৃহীত হয়; তাৰে দশম প্ৰস্তাৱটোৰ কাম ৰাইজে মোৰ ওপৰতেই দিয়ে। মই ১১।৪।৩০ ইং তাৰিখ শুকুৰবাৰে সেই প্ৰস্তাৱ মতে কাম কৰিবৰ নিমিত্তে পৰমেশ্বৰৰ দয়া আৰু সদাশয় ৰাইজৰ আশিস বাণী মূৰৰ ওপৰত লৈ অকলৈ অকলৈ যাত্ৰা কৰিলোঁ। কি দৰে ক'ত কেনেকৈ ফুৰিব লাগিব, সেই বিষয়ে মোক সাহিত্য সভাৰ প্ৰধান সম্পাদক মহাশয়ে অনেক সজ পৰমাৰ্শ দিছিল। মোৰ লগত ২৫ টকা দামৰ সৰু সৰু কিতাপ পুৰণি অসমীয়া পুথি আৰু কিছুমান সহিত্য সভা প্ৰত্ৰিকাও দিছিল। সেই ঠাইৰ মানুহবিলাকক দেখুৱাবলৈ মই নিজাকৈ অসমীয়া, আবাহন প্ৰভাত, চেতনা আদি বাতৰি কাকতো নিছিলোঁ।

সুৰমা উপত্যকালৈ গ'লেই প্ৰথমে চকুত পৰে উত্তৰ ....... প্ৰকৃতিৰ মনমোহা দৃশ্য, টনেল আৰু তললৈ চালে ভয় লগা দলংবিলাক। আটাইবোৰ টনেলৰ ভিতৰত ২২ নং টনেলটো ডাঙৰ। এই ৰে'ল ডাঙৰ। এই ৰে'ল লাইন ১৯০৪ খ্ৰীষ্টাব্দৰ পৰা চলিছে; ইয়াত শিল্প কৰ্মৰ বিশেষ নিপুণতা প্ৰকাশ পাইছে।

মই যোৱা ৰে'লখনত এজনো অসমীয়া মানুহ নাছিল হ'বলা। কেৱল কেউপিনেই "ইটা কিতা" আৰু কুইটা ... ঘাইবাবে বা" আদি শব্দহে শুনিবলৈ পাইছিলোঁ। ..... চন্দ্ৰনাথপুৰ ষ্টেছনত নামি শ্ৰীযুত সুবিধ .... কোচ পণ্ডিতৰ লগত 'গড়ৰ ভিতৰ' নামে অসমীয়া $1\frac{1}{2}$ মাইল........ । ইয়াত ২৭।২৮ ঘৰ মান অসমীয়া মানুহ আছে। গাঁৱৰ চাৰিও পিনে সৰু সৰু পাহাৰ, ওচৰেদি .... নামে এখনি সৰু নৈ বৈ গৈছে। বহুত সময়ৰ পিছত অসমীয়া কথা শুনি মনত বৰ সুখ লাগিল।

ঠাই ডোখৰৰ নাম 'গড়ৰ ভিতৰ' কেনেকৈ হ'ল এই কথা সোধাত উত্তৰ পালোঁ যে — আগেয়ে হেনো জয়ন্তীয়া ৰজাই ইয়াত এটা গড় মাৰিছিল, সেই গড়ৰ ভগ্নাৱশেষ এতিয়াও ঠায়ে ঠায়ে আছে বোলে; সেই কাৰণেই গড়ৰ ভিতৰ নাম হয়। মানুহবিলাকৰ কথা কোৱা,

কাপোৰ পিন্ধাৰ ধৰণ-কৰণ অসমীয়াৰ দৰেই হে আছে; তিৰোতাবিলাকে মেখেলা পিন্ধে। তেওঁলোকে অসমীয়া নামে বৰ সুন্দৰকৈ গাব পাৰে আৰু মণিপুৰীয়া নামো শিকিছে। সম্বন্ধ ধৰি মাতোঁতে ককাইদেউ, আই, জেঠেৰি আদি শব্দেৰেহে মতা শুনিছোঁ।

ৰাতি পণ্ডিতৰ ঘৰত এখন মেল হয়; তাত গাঁৱৰ ল'ৰা-ডেকা, আদহীয়া প্ৰায়বোৰেই যোগ দিছিল। সকলোবোৰ মানুহেই মোক যথেষ্ট পৰিমাণে আদৰ-সাদৰ কৰিছিল। মই তেওঁলোকৰ মাজত কোৱা কথাৰ সাৰ মৰ্ম এয়ে —

১) সকলো ৰাইজে সদায় অসমীয়া কথা ক'ব লাগে আৰু নিজৰ ল'ৰা-ছোৱালীবোৰক অসমীয়া শিকাব লাগে।

২) নাম-ঘৰত সদায় নাম-প্ৰসংগ কৰি দশম-কীৰ্ত্তন পাঠ কৰিব লাগে।

৩) এড়িৰ কাপোৰ ব্যৱহাৰ কৰিব লাগে।

৪) ধপাত, চুৰট আদি ৰাগীয়াল বস্তু খাব নালাগে। নামঘৰত সমূলি এই বস্তুৰ ব্যৱহাৰ কৰিব নালাগে।

এই কাম হোৱাৰ পিছত মই কীৰ্ত্তন পঢ়িবলৈ আৰম্ভ কৰিলোঁ। সকলো ৰাইজে নীৰৱে শুনি থাকিল। তেওঁলোকৰ ভিতৰতো মিঠা সুৰত কীৰ্ত্তন পাঠছ কৰিলে। ইয়াৰ পিছত বৰগীত আৰু দেহবিচাৰৰ গীত গোৱা হয়। মোৰ লগত থকা সৰু সৰু কিতাপ, পুথি আৰু প্ৰত্ৰিকা কিছুমান ভগাই দিয়া হ'ল। দুজনমান উৎসাহী মানুহে নিজৰ ল'ৰা ডাঙৰ হ'লে আসাম উপত্যকাৰ কোনো নগৰত ৰাখি অসমীয়া পঢ়াব বুলি মোক প্ৰতিশ্ৰুতি দিছে।

গড়ৰ ভিতৰৰ তিৰোতাবিলাকে কাপোৰ বব জানে; দুখনমান অসমীয়া ধৰণৰ তাঁত শাল দেখাও পাইছোঁ। ইয়াত দুজনীমান তল খাপৰ শিক্ষিতা ছোৱালীও আছে; তেওঁলোকক সৰু সৰু পুথি দি আহিছোঁ। তাৰাপুৰৰ বাহিৰে সুৰমা উপত্যকাত থকা প্ৰায়বোৰ অসমীয়া গাঁৱৰ তিৰোতাই কাপোৰ বব জানে।

পিছ দিনাখন স্থানীয় নামঘৰত বিহু উপলক্ষে নাম হয়। আৰাং নৈত ল'ৰাবিলাকৰ গৰু গা ধুওৱা ধেমালি চাই গা-পা ধুই নামঘৰলৈ আহিলোঁ। বিহুত ডাঙৰ মানুহবিলাকে ভাত আদি সিদ্ধ বস্তু নাখায়। নামঘৰত প্ৰথমতে এজন মানুহে এখন পুৰণি সাঁচিপতীয়া দশম আৰু কীৰ্ত্তন পুথি সুললিত সুৰত পাঠ কৰিলে। দশম পঢ়া হোৱাত অসমীয়া ধৰণেৰে নাম গালে। দুটা নামৰ ঘোষা তুলি দিয়া হ'ল —

১) শঙ্কৰ এ — মোৰে নিজ গুৰু,
ও হৰি দৈৱকী নন্দন দেউ হে

২) গোপিনী ও — জলতে নামিলা,
ও হৰি তীৰতে বসন থৈহে।

নাম-কীৰ্ত্তন হোৱাত মাতৃভাষা বিষয়ক, ধৰ্ম বিষয়ক আৰু সমাজ বিষয়ক মই বহুত কথা কওঁ। মোৰ কথাত তেওঁলোকে মুগ্ধ হৈ অসমীয়া ভাষা শিকিব বুলি প্ৰতিজ্ঞা পত্ৰ লিখি দিছে। তাকে হুবহু তুলি দিয়া হ'ল —



"কালি ভাটি বেলা আসাম সাহিত্য সভাৰ খৰচত যোৰহাটৰ পৰা শ্ৰীযুত শ্ৰীৰামচন্দ্ৰ দাস ডাঙৰীয়ায় আহি আমাৰ এইখিনি পাইছে হি। তেওঁ আমাৰ মাজত লৰায় পড়া পাঠ্য পুথি আৰু বহু ধৰ্ম্ম বিষয়ক পুথি বিনামূল্যে ভগাই দিছে; কালি ৰাতি এই অঞ্চলৰ আটাইখিনি অসমীয়া কোচ মানুহৰ ভিতৰত এখন মিটিং হৈছিল; তাত তেওঁ অনেক নীতিপূৰ্ণ কথা কয়। আমি এটায়ে তেওংক পাই বড় সন্তোষ পাইছো। আজি ও আমাৰ নাম ঘৰত বিহু উপলক্ষে এখন সভা বহে, তাত দশম কীৰ্ত্তন পাঠ হয়। আসাম সাহিত্য সভায় আমাৰ প্ৰতি এনেকুৱা মৰম দেখুয়া বাবে আমি এতাইয়ে অন্তৰৰে শলাগ লৈছো আৰু আমি আজিৰ পৰা আমাৰ লৰা ছোৱালীবোৰক অসমিয়া ভাষা পঢ়াবলৈ দৃঢ় প্ৰতিজ্ঞা হৈছো। আমি ডাঙ্গৰ বিলাকেও মহাপুৰুষ শঙ্কৰদেউ মাধৱদেউ আদি গুৰু সকলৰ প্ৰচলিত নাম ধৰ্ম্মৰে চলিবলৈ চেষ্টা কৰিম। ইতি —

বিনীত —

১৩।৪।৩০ ১। (স্বঃ) শ্ৰীসুবিদ ৰায় কোচ শিক্ষক
২। " শ্ৰীনৰশিং কোচ।
(আৰু নাম আছে)

এই অঞ্চলৰ কাম শেষ হোৱাত আবেলিৰ গাড়ীত চিলচৰৰ পিনে যাত্ৰা কৰিলোঁ। চিলচৰ নগৰৰ পৰা প্ৰায় মাইল মান পশ্চিমে তাৰাপুৰ নামৰ অসমীয়া গাঁওখনি। ইয়াত ৭০ ঘৰমান অসমীয়া মানুহ আছে। সকলোবিলাক মানুহেই "চুতীয়া" উপাধি লিখে। বৰাক নৈৰ পাৰতেই গাঁওখন। ইয়াত নামঘৰ নাই। যোৱা বছৰ বানপানী হে এই গাঁৱৰ মানুহৰ অশেষ অপকাৰ কৰিছে। মানুহবিলাকৰ আৰ্থিক অৱস্থা ভাল নহয়। কোনো কোনোৰে বানপানীত মৰা গৰু-ম'হ এতিয়ালৈকে যোগাৰ কৰি ল'ব পৰা নাই। এওঁলোকে লোকৰ মাটিতহে ঘৰ সাজি আছে, ইচ্ছা কৰিলে মাটিৰ গৰাকীয়ে তেওঁলোকক খেদি দিবও পাৰে।

এই ঠাইত আগেয়ে হেনো তাৰাচাঁদ নামেৰে এজন ডাঙৰ মানুহ আছিল; তেওঁৰ নাম মতেই ঠাই ডোখৰৰ নাম তাৰাপুৰ হয়। তাৰাপুৰৰ কেবাটাও অসমীয়া ছাত্ৰই চিলছৰ নগৰৰ স্কুলত পঢ়ে। দুখৰ বিষয় তেওঁলোকে মাতৃভাষা হিচাপে বঙ্গ ভাষাৰে পঢ়িব লাগে। আসাম উপত্যকাৰ আটাইবোৰ গৱৰ্ণমেণ্ট হাইস্কুলতে বঙ্গ ভাষা পঢ়াবলৈ সুবিধা আছে; সুৰমা উপত্যকাৰ কোনো স্কুলতে অসমীয়ালৈ নাই। শ্ৰীহট্ট আৰু চিলচৰ গৱৰ্ণমেণ্ট হাইস্কুলত প্ৰায় সদাই অসমীয়া ছাত্ৰ থাকে গতিকে কৰ্তৃপক্ষই এই দুখন স্কুলত দুজন অসমীয়া শিক্ষক নিযুক্ত কৰা উচিত। সুৰমা উপত্যকাত কাম কৰা অসমীয়া কৰ্মচাৰীসকলৰ ল'ৰা বিলাকে সৰুৰেপৰা মাতৃভাষা শিকাব পৰা বঞ্চিত হ'বলগীয়া হোৱাটো অতিকৈ দুখৰ কথা।

তাৰাপুৰত এখন অসমীয়া স্কুল ভালকৈ চলে। স্কুল পাতিবলৈ মানুহবিলাকৰ আগ্ৰহ আছে, কিন্তু ধন-বল নাই। তেওঁলোকে নিজক অসমীয়া আৰু অসমীয়া ভাষাক মাতৃভাষা বুলিকৈ গৌৰৱ অনুভৱ কৰে। তেওঁলোকৰ দেউতাক আৰু সৰহভাগৰেই ককা দেউতাকো বোলে তাতেই উপজিছে, তথাপি তেওঁলোকৰ অন্তৰৰ পৰা মাতৃভাষাৰ চিহ্ন, ঠাচ্ আৰু চানেকি

লোপ হোৱা নাই; কিন্তু না না কাৰণত তেওঁলোকৰ কথাৰ মাজত দুটা-চাৰিটা অইন শব্দ সোমাইছে। ইয়াৰ পৰাই অনুভৱ কৰিব পাৰি মানৱ হৃদয়ত মাতৃভাষাৰ প্ৰভুত্ব কিমান।

ভাষা জ্ঞান নাই যদিও কোৱা শুনিছোঁ যে ছিলেটী ভাষাৰ বঙ্গ ভাষাৰ লগত বিশেষ সামঞ্জস্য নাই, বৰং অসমীয়া ভাষাৰ লগতহে আছে; ছিলেটী ভাষাত বহুত অসমীয়া শব্দও পোৱা যায়। এসময়ত সুৰমা উপত্যকাৰ সৰহ ভাগ ঠাইৰ পুৰণি কামৰূপ সাম্ৰাজ্য ভিতৰুৱা আছিল, ই বুৰঞ্জীমূলক সত্য কথা।

তাৰাপুৰত বহাগৰ বিহু বৰ সমাৰোহেৰে হয়। মানুহবিলাকে নাম গাবও পাৰে আৰু অসমীয়া ঠাচৰ হুঁচৰি গাবও পাৰে। গোটেইবিলাক অসমীয়া মানুহে মিলি ঘৰে ঘৰে হুঁচৰি গাই ফুৰে। মই দেখাত গোৱা হুঁচৰিবোৰৰ ভিতৰত আছে, ঈশ্বৰলৈ ভক্তি, মনৰ প্ৰফুল্লতা আৰু আছে - শাৰীৰিক ব্যায়াম। গীত গোৱা হোৱাত মোৰ ওচৰত থকা কিতাপ আৰু পত্ৰিকা কিছুমান ভগাই দিলোঁ। গড়ৰ ভিতৰত কোৱা কথাকে ইয়াতো কোৱা হৈছে। এই ঠাইৰ বহুত মানুহৰ আসাম উপত্যকালৈ উঠি আহিবৰ ইচ্ছা আছে। দুঘৰমান মানুহ অলপতে ডিব্ৰুগড়লৈ উঠি যাব।

তাৰাপুৰৰ ছাত্ৰসমূহৰ অসমীয়া ভাষা শিকিবলৈ আগ্ৰহ আছে। দুজন ছাত্ৰই অসমীয়া কিতাপ আৰু বাতৰি কাকত খুজি মোৰ হাতত দুখন নিবেদন পত্ৰও দিছে। তাৰাপুৰৰ মানুহবিলাকে স্কুল ঘৰ সাজি দিব বুলি কৈছে; কেৱল এজন শিক্ষক হ'লেই এখন স্কুল চলাব পাৰি।

ইয়াত কাম শেষ হোৱাত বদৰপুৰৰ ওচৰত থকা অসমীয়া গাঁওবোৰলৈ যোৱা হয়। বদৰপুৰৰ পৰা ৩ মাইলমান দক্ষিণে আলেখাৰগুল, বৰগুৰ আদি ছখন সৰু সৰু অসমীয়া গাঁও আছে। এই গাঁৱৰ মানুহৰ ভাষা আৰু আচাৰ-ব্যৱহাৰ একেবাৰে অসমীয়া হৈ আছে। ইয়াত এটা সৰু নামঘৰ আছে। গাঁৱৰ ওচৰতে সৰু সৰু পাহাৰ; যোৱা-অহা কৰাত অতিপাত কষ্ট। বদৰপুৰৰ পৰা যোৱা বাটটোৰ মাজে মাজে বোকা-পানী, জোক, বনৰীয়া জন্তুলৈকো ভয়। 'কানাই' নামৰ বুঢ়া কুলিজনে যেতিয়া মাজবাটৰ পৰা ঘূৰি আহিব খুজিলে, তেতিয়া মোৰ ততচুৰ্ত্তি হেলা; পইচা আঠ অনা বঢ়াই দিম বুলি কোৱাতহে সি আকৌ খোজ ল'লে। কানাই কুলি সেই বৃন্দাবন বিহাৰী কানাই হৈ মোৰ সহায়ক হ'ল।

মই বহুত কষ্ট কৰি গৈ "আলেখাৰ গুল" গাঁৱত সোমালোঁগৈ। সিদিনা তাৰাপুৰৰ মানুহবিলাকে তালৈ হুঁচৰি গাবলৈ গৈছিল। সেই গাঁৱৰ ল'ৰা-ছোৱালীবিলাকৰ মাজত পাঠ্যপুথি আৰু ডাঙৰৰ মাজত ধৰ্ম্ম বিষয়ক পুথি ভগাই দিয়া হ'ল; তাত আন আন অসমীয়া গাঁৱৰ মানুহো কেইজনমান উপস্থিত আছিল। এই গাঁৱৰ ল'ৰা-ছোৱালীবোৰে পঢ়া-শুনা কৰিবলৈ কোনো সুবিধা নাই।

ইয়াৰ পাছত শ্ৰীহট্টৰ "ভোলাগঞ্জলৈ" যাবৰ মনেৰে শ্ৰীহট্টলৈ যাত্ৰা কৰিলোঁ। তেতিয়া শ্ৰীহট্টৰ বৰ জহ আৰু লগে লগে না না ৰকমৰ বেমাৰ। ভোলাগঞ্জৰ ওচৰত চাৰি-পাঁচখন অসমীয়া গাঁও আছে যদিও গাঁওবোৰ শ্ৰীহট্ট নগৰৰ পৰা ১৩।১৪ মাইল মান দূৰত, যোৱা-



অহা কৰাৰ কোনো সুবিধা নাই। তেতিয়া হেনো সেই গাঁওবোৰত হাইজা বেমাৰ হৈছিল। এইবিলাক অসুবিধা থকা বাবে একান্ত আগ্ৰহ থকাতো তালৈ যাব পৰা নহ'ল। শ্ৰীহট্টৰ পৰাই যোৰহাট মুৱা হ'লোঁ। শুনিবলৈ পাইছোঁ, সুনাম গঞ্জৰ পিনেও কিছুমান অসমীয়া মানুহ আছে। চট্টগ্ৰামত কিছুমান 'বৰুৱা' উপাধি ধৰি মানুহ আছে; তেওঁবিলাকো সম্ভৱ অসম সন্তানেই।

এই ভ্ৰমণত কেইখনমান পুৰণি অসমীয়া পুথি পাইছোঁ। আটাইকেইখন পুথিতে 'ৰ' আছে। তলত দিয়া পুথি আঠখনৰ গড়ৰ ভিতৰৰ শ্ৰীযুত নৰসিং কোচৰ ঘৰত পাইছিলোঁ। ওপৰৰ পুথি চাৰিখন মোৰ হাতত পৰিছে; ঘূৰাই দিব লাগিব —

১) কাণখোৱা (৪২ পিঠি)
২) অগ্নি পুৰাণ।
৩) বৈষ্ণৱী গীতা।
৪) সত্য নাৰায়ণ পাঁচালী
৫) স্বৰ্গ খণ্ড (৬১ পিঠি)
৬) গৰুড় পুৰাণ (১৯ পিঠি)
৭) লীলা-মালা (৪২ পিঠি)
৮) গু-কৰতি (২৭ পিঠি)
৯) দশম। শ্ৰীমাধৱদেৱ বিৰচিত। ১৫৭৯ পদ থকা সাঁচপতীয়া ডাঙৰ পুথি)।

এই পুথিখিনি তেওঁলোকে কেতিয়া কেনেকৈ পালে নাজানে। সকলোবোৰ পুথিৰেই ৰচনাৰ মৰ্ম একে নহয়। দশম পুথিখন নামঘৰত ৰাখে। সুন্দৰ পুথি।


১০) কীৰ্ত্তন।

এই সাঁচিপতীয়া পুথিখন অলেখগুলৰ শ্ৰীযুত বুদাৰাম চুতীয়াৰ ঘৰত পাইছিলোঁ। পুথিখনৰ আখৰ বৰ সুন্দৰ। পিছফালৰ কিছুমান পাত কাকতত লিখা জাপলঙৰ ॅ কেটেলা নামৰ মানুহ এজনে এই কাম কৰিছিল বোলে।

কাৰ্য্য তালিকা ইমানতেই শেষ। এনেকুৱা ভ্ৰমণত দুজন মানুহ হ'লেহে ভাল হয়। আসাম সাহিত্য সভাই মোৰ নিচিনা সাধাৰণ মানুহ এজনৰ ওপৰত এনেকুৱা গুৰুত্বৰ কামৰ ভাৰ দিয়া বাবে সাহিত্য সভালৈ শ্ৰদ্ধা ভক্তি জনাবলৈ মোৰ হৃদয়ত ভাব-ভাষা নাটনি। শেষত পৰমেশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰোঁ — অসমীয়া ভাষা সকলো প্ৰকাৰে উন্নত হওক, জগত জিলিকা হওক, অসমী আইৰ মধুপূৰ্ণ হাঁহিত সকলো বিভোল হ'ক। এই তৎ সৎ।

যোৰহাট
১।৫।৩০

বিনীত
শ্ৰীশ্ৰীৰামচন্দ্ৰ দাস



# কাইথেলী অঙ্ক। *

(প্ৰথম অধ্যায়)
[সৰস্বতী-বন্দনা]

১। সৰস্বতী সৰস্বতী মহাভাগ্যে দেৱী,
বিদ্যা বাগীশ্বৰী নীলবৰ্ণে কুণ্ডলকৰ্ণে,
আনে বোলে সৰস্বতী আমি বোলোঁ আই,
যিখিনি পাহৰোঁ আই দিবা সোঁৱৰাই।।
মাৰিলোঁ ফোঁট লাগিল গাঁঠি।
আই সৰস্বতী থাক কণ্ঠত উঠি।।
কণ্ঠত থাকি কৰিবা হিত।
আমাক কৰিবা ৰাজপণ্ডিত।।
২। সৰস্বতী সৰস্বতী কণ্ঠে কলাপী,
ভোগে বিলাপী, মৰুৱা চন্দন,
লোকে বোলে সৰস্বতী,
আমি বোলো আই,
যিখিনি পাহৰোঁ আই দিবা সোঁৱৰাই।
খৰি খৰি খৰি, বৰজ'ৰ খৰি,
খৰিয়ে মেলিলে পাত,
(খৰি খৰি বজ্ৰ খৰি,
খৰি গ'ল ময়ৰা চন্দনৰ বাৰী,
ময়ৰা চন্দনে মেলিলে পাত,)
আই সৰস্বতী কণ্ঠত থাক।
কণ্ঠত থাকি কৰিবা হিত,
আমাকো কৰিবা ৰাজপণ্ডিত।
আঠীয়া কলাই মেলিলে ডিল,
আই সৰস্বতী আমাক নুখুৱাবা কিল।।



১ম সৰস্বতী বন্দন ঃ— এইটো আমাৰ প্ৰকাশিত কাইথেলী অঙ্ক পুথিৰ প্ৰথমতে আছে। প্ৰাচীন কালত লৰাবিলাকে কাঠৰ ফলি, মাটিৰ গলি ব্যৱহাৰ কৰিছিল। পঢ়াশালি চুটি হ'বৰ সময়ত লৰাবোৰে এই বন্দনা একেলগে গাইছিল। ফলিত মাটিৰ গুলিৰে লিখা আখৰ মচি আঙ্গলীৰে ফোঁট লৈ ঘৰলৈ গৈছিল। ই আসামৰ প্ৰাচীন কলীয়া স্কুলৰ ধৰ্ম্ম শিক্ষাৰ নিদৰ্শন। বৰ্ত্তমানে স্কুলত ধৰ্ম্ম সম্বন্ধীয় শিক্ষা হোৱা-নোহোৱা পাঠক মাত্ৰেই জানে। আমি ২।১ খন স্কুলৰ লৰাক এনেকুৱা বন্দনা একেলগে গাবলৈ দি অৰ্থ বাজুই দিয়াত লৰাই হেপাহেৰে গাইছিল।

২য় বন্দনা ঃ — ইও প্ৰাচীন কলীয়া। আমি ঘূৰি ফুৰি গৈ তেজপুৰৰ পৰা ১৫ মাইল দূৰৰ শলগুৰি সত্ৰত প্ৰাচীন পুথি বিচাৰি সত্ৰাধিকাৰ শ্ৰদ্ধাস্পদ শ্ৰীযুত দীনবন্ধু অধিকাৰৰ সত্ৰৰ পৰা ঘূৰি গত ২০।৩।৩০ তাৰিখে জামুগুৰি ডাক-বঙলাত থাকি মাননীয় শ্ৰীযুত কুমুদেশ্বৰ বৰঠাকুৰ, মাননীয় শ্ৰীযুত যজ্ঞেশ্বৰ বৰুৱা ডিপুটী ইনিস্পেক্টৰ মহাশয়ৰলগত প্ৰাচীন অঙ্কৰ 'কৌতুক' চৰ্চ্চা কৰোঁ। তাতে মাননীয় শ্ৰীযুত যজ্ঞেশ্বৰ বৰুৱা মহাশয়ে ২য় বন্দনাটি আমাক দিয়ে।

শ্ৰীদণ্ডীৰাম দত্ত
(পোঃ আঃ বেল..ৰ)
কাইথেলী অঙ্ক অনুসন্ধানকাৰী

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

* সংগ্ৰাহক শ্ৰীযুত দণ্ডীৰাম দত্তই ৩১।৩।৩০ তাৰিখে আসাম সাহিত্য সভাৰ চন্দ্ৰকান্ত সন্দিকৈ হলত "কাইথেলী অঙ্কৰ কৌতুক" বিষয়ৰ বক্তৃতা দি শ্ৰোতাসকলক আনন্দ দিছিল। সেই দিনা সভাত হৰিনাথ ভট্টাচাৰ্য্য বি.এচ্.চি. সভাপতি আছিল। আকৌ তাৰ পিচতো ২৬।৪।৩০ তাৰিখে দত্তই উক্ত সভাৰ আশ্ৰয়তে একে ঠাইতে অঙ্কৰ কৌতুকৰ সম্পৰ্কে বক্তৃতা দিছিল; সেই দিনাৰ সভাত সভাপতি আছিল ৰায় বাহাদুৰ ৰাধাকান্ত সন্দিকৈ।

◆◆◆◆◆

# সভাৰ অনুসন্ধান কাৰ্যত নিয়োগ কৰ
## দণ্ডীৰাম দত্ত

গত ৩১।৩।৩০ তাৰিখ আৰু ১২৬।৪।৩০ তাৰিখে দুদিন যোৰহাট চন্দ্ৰকান্ত সন্দিকৈক হলত অঙ্কৰ বক্তৃতা দিয়া হয়। প্ৰথম দিনা প্ৰিয়বৰ শ্ৰীযুত হৰিনাথ ভট্টাচাৰ্য্য বি.এচ.চি. ইঞ্জিনিয়াৰ্ মহাশয়, দ্বিতীয় দিনা মাননীয় ৰায় বাহাদুৰ শ্ৰীযুক্ত ৰাধাকান্ত সন্দিকৈ মহাশয়ে তাত সভাপতিৰ আসন গ্ৰহণ কৰিছিল।

প্ৰাচীন অঙ্কৰ কথা শুনিয়েই ২৭।৪।৩০ তাৰিখৰ আসাম সাহিত্য সভাৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে আমাক অঙ্ক অনুসন্ধানৰ কাৰ্য্যত নিযুক্ত কৰে। এই কাৰ্য্য কেনেকৈ কত কি কৰিব লাগিব সেই বিষয়ে পূজনীয় শ্ৰীযুক্ত শৰৎচন্দ্ৰ গোস্বামী মহোদয়ৰ আদেশ আৰু উপদেশ লবলৈ উক্ত সমিতিয়ে আমাক আদেশ দিছে। সেই মতে ২৫।৫।৩০ তাৰিখে এই কাৰ্য্যত নিযুক্ত হৈছোঁ আৰু যথাসাধ্য যত্নেৰে কাৰ্য্য কৰিছোঁ।

**অনুসন্ধান উপলক্ষে ভ্ৰমন।**

গুৱাহাটী — উত্তৰ গুৱাহাটী অঞ্চল, পাঠশালা-বজালী অঞ্চল, বৰপেটা-পাটবাউসী অঞ্চল, বাইহাটা অঞ্চল, কৈঠালকুচি-জাগাৰা সত্ৰ, দক্ষিণবৰক্ষেত্ৰি অঞ্চল, বিসালীপাৰা-শালকচা অঞ্চল, ধুবুৰী-গৌৰীপুৰ অঞ্চল, ভবানীপুৰ প্ৰভৃতি ঠাই ফুৰা হয়। এই ফুৰা কাৰ্য্যত এতিয়ালৈকে আমাৰ ৫০ দিন খৰচ হৈছে। আমি স্কুলৰ কাৰ্য্যত থকা গতিকে কোনো কোনো ঠাইৰ কাৰ্য্য শেষ কৰিবলৈ ২।১ দিনো অপেক্ষা কৰিব নোৱাৰা বাবে পুনঃ সেই ঠাইলৈ যোৱাৰ আৱশ্যক আছে।

**নতুন অনুসন্ধান কাৰ্য্য।**

১। পুথি দুখন আৰু পুথিৰ পাত ৮ টা পোৱা হৈছে; এখন জ্যোতিষ চূড়ামণি, আনখন জ্যোতিষ গণণাৰ পুথি। ইয়াত কিমান অঙ্ক, কি কথা আছে আমি বিশেষকৈ চাব পৰা নাই। ভালকৈ আখৰকে পঢ়া টান। চেষ্টা কৰিলে পৰা যাব। মুঠতে ১ম পুথিৰ পাত ২২ টা (বাইশ) পাতৰ দীঘ আৰু পুতল (১০"×৩") ইঞ্চি। পাতবোৰৰ দুয়োপিঠি লিখা।

২য় পুথিৰ পাত ২৬ ছাবিশটা। পাতৰ দীঘ পুতল (১২"×৩") ইঞ্চি। পাতৰ দুয়োপিঠি লিখা।



৩য় ৮ আঠোটা পাতৰ দীঘ-পুতল (১০"×৩") ইঞ্চি, দুয়োপিঠি লিখা।

২। (ক) ২৩।৭।৩০ তাং বামুনকুচিৰ [পোঃ পাঠশাল] শ্ৰীযুত আনন্দি ধৰ দত্ত মজুমদাৰৰ ঘৰত ১ম খন পুথি পাওঁ। তাৰ অঙ্ক জনা পণ্ডিত ँ নাউমনি দত্ত মজুমদাৰৰ পৰা স্বৰ্গীয় ँ মাধৱ চন্দ্ৰ বড়দলৈ মহাশয়ে বহুত অঙ্ক নিয়া বুলি কয়। উক্ত বড়দলৈ মহাশয়ৰ ঘৰত অঙ্ক কিছু পোৱা বুলি [১১।১০।২৭ তাৰিখে] আমাৰ প্ৰকাশিত অঙ্ক পুথিত লিখা আছে।

(খ) ১০।৮।৩০ তাৰিখে কাচকাটাৰ (পোঃ বাইহাটা) শ্ৰীযুক্ত ৰত্নসেন চৌধাৰীৰ পৰা ৩য় দফাত লিখা চিৰা-ভঙা পাতখিনি পোৱা হয়।

(গ) ২।১১।৩০ তাৰিখে, কৈঠালকুচিৰ (পোঃ বেলশৰ) শ্ৰীযুক্ত নৰেশ্বৰ মিশ্ৰ ভাগৱতী বি এ মহাশয়ৰ পৰা ২য় খন পুথি পোৱা হয়।

৩। (ক) সম্বাদ ঃ— মাখিবাহা (টীহু পোঃ) বনুৱা দ'ল বোলা ঠাইত প্ৰাচীন বৌদ্ধ মন্দিৰ আছিল। তাত প্ৰাচীন 'কাইথেলী অঙ্ক — জ্যোতিষ অঙ্কৰ' চৰ্চ্চা হৈছিল। পণ্ডিত ँ গোপীনাথৰ ঘৰত এখন বৃহৎ অঙ্কৰ পুথি আছে। বৰ্তমান ইয়াৰ মালিক শ্ৰীযুক্ত চন্দ্ৰনাথ শৰ্ম্মা ডাঙৰীয়া।

(খ) বৰপেটাৰ শিলা অঞ্চলত প্ৰাচীন জ্যোতিষ, অঙ্ক, স্মৃতিৰ চৰ্চ্চা চমৎকাৰ আছিল। কেওটকুচিত পুথি এখনৰ সম্বাদ আছে।

(গ) গুৱাহাটীৰ (বাণেশ্বৰ দেৱালয়ৰ) শ্ৰীযুত হৰিনাথ বৰুৱাৰ ওচৰত অলপ অঙ্ক পুথিৰ পাত আছে। মাননীয় শ্ৰীযুক্ত সূৰ্য্যকুমাৰ ভূঞা প্ৰফেচাৰ মহাশয়েও এই সম্বাদ জানে।

(ঘ) নলবাৰী সত্ৰ, (আঠঘৰিয়া পোঃ) ভট্টাচাৰ্য্যৰ ঘৰত পুথি থকা বুলি পূজনীয় নলবাৰীৰ সত্ৰাধিকাৰ মহোদয়ে কৈছে।

(ঙ) (I) লীলাৱতী ... কবিৰত্ন কৃত
(II) অঙ্কৰ আৰ্য্যা ... কাশীনাথ কৃত
(III) কিতাবত .... বকুল কায়স্থ
(IV) আঠবৰ্গীদাস .... ”
(V) অঙ্ক পুথি .... ”
(VI) অঙ্কৰ গান ... ँ শঙ্কৰ দেৱ

এইবোৰ পুথিৰ নাম পাইছোঁ। ক'ত ক'ত আছে সঠিক সম্বাদ পোৱা নাই। কামৰূপ অনুসন্ধান সমিতি, কমিচনাৰৰ অফিচ, পণ্ডিত ँ হেমচন্দ্ৰ গোস্বামী মহাশয়ৰ ঘৰত থকা শুনা যায়।

(চ) ঝাউবাৰী (ৰহা পোঃ) — শ্ৰীযুক্ত গোপীমোহন গোস্বামীৰ ঘৰত অসংখ্য পুৰণি পুথি দেখি আহিছোঁ। তেখেতে 'অঙ্ক' পুথি থকা বুলি কৈছিল [১৯২৫।১০ মাৰ্চ্চ, মঙ্গলবাৰে]।

(ছ) ছয়গাঁও ঠাকুৰ পাৰাৰ শ্ৰীযুক্ত কৃষ্ণকান্ত অধিকাৰীয়ে বহুত প্ৰাচীন পুথি থকা বুলি চাবলৈ মাতিছে।

(জ) তদুপৰি তলৰ ঠাইবোৰত পুৰণি পুথি ঢেৰ আছে। অনুসন্ধানৰ আৱশ্যক। যেনে ঃ—

গৌৰীপুৰ ৰাজলাইব্ৰেৰী, বামুনদি-লাউপাৰা মহন্তৰ ঘৰ, কুৰুৱাবাহীসত্ৰ, সাদেৰী (পোঃ পাঠশালা) মঙ্গলদৈ (টেঙাবাৰীৰ কামৰূপৰ পৰা যোৱা মৌজাদাৰৰ ঘৰ), তেজপুৰ (সন্দৰীসত্ৰৰ বৰপেটাৰ পৰা যোৱা অধিকাৰীৰ ঘৰ), শিৱসাগৰ (কাৰৈমৰা সত্ৰ)। আউনীআটি নাইবা অন্য ঠাইতো নতুন সম্বাদ ওলাব পাৰে।


বজালী অঞ্চলত ফুৰোতে শ্ৰীযুক্ত পদ্মধৰ দত্ত মজুমদাৰ, বৰপেটাৰ শ্ৰীযুত হেমৰথ দত্ত চৌধাৰী, পাটবাউসীৰ সত্ৰাধিকাৰ শ্ৰীযুক্ত ৰামদেৱ গোস্বামী মহাশয়ে সহায় কৰে। আৰু গৌৰীপুৰৰ মাননীয় শ্ৰীযুক্ত ভবেন্দ্ৰনাৰায়ণ বৰুৱা, শ্ৰীযুক্ত সাৰদাপ্ৰসাদ দত্ত চৌধাৰী, শালকচাৰ জমিদাৰ শ্ৰীযুক্ত উমেশচন্দ্ৰ নিয়োগীয়ে কেবাদিনো আমাৰ লগত একেলগে ফুৰিআমাক সহায় কৰা অনুসন্ধানৰ পক্ষে হিতকৰ ঘটনা।

আমাৰ প্ৰকাশিত পুথিৰ [৩৪ পৃষ্ঠাৰ] অঙ্কখিনি এজন জ্যোতিষী বুঢ়া অধ্যাপকৰ সহায়ত এতিয়া ভালদৰে বুজিছোঁ। পুনঃ— সেই অঙ্কৰ ২।১ টি নিয়ম পোৱা হৈছে।

**উপসংহাৰ ]** কাইথেলী থ-ঠ লৈ অনৈক্য মত। কায়স্থ জাতিয়ে অঙ্ক চৰ্চ্চা কৰা বাবে “থ” হোৱা বহুতৰ মত। আনকি ১৯।৭।৩০ তাং মাননীয় ৰায় বাহাদুৰ শ্ৰীযুক্ত কনকলাল বৰুৱা মহাশয়ে গুৱাহাটীত আমাক বহুত কয়হু আকৌ ৫।১০।৩০ তাৰিখে ধুবুৰীৰ চাব ৰেজিষ্ট্ৰাৰ মাননীয় শ্ৰীযুক্ত হৰিনাথ পাঠক মহাশয়ে “ঠ”ৰ কথা কয়। সঠিক কি? অকল কায়স্থ জাতিয়েই অঙ্ক চৰ্চ্চা কৰা নাছিল।

সাহিত্য-সভাৰ অবগতিৰ অৰ্থে আমাৰ অংশিক অনুসন্ধানৰ কথা জনোৱা হল।

বিনীত —
শ্ৰীদণ্ডীৰাম দত্ত,
কাইথেলী অঙ্ক অনুসন্ধানকাৰী।



# কোচ-বিহাৰত অসমীয়া সাহিত্যৰ অনুসন্ধান

অসমীয়া সাহিত্যৰ পৰম উৎসাহদাতা কামৰূপৰ বিজয়াদিত্য মহাৰাজ নৰনাৰায়ণৰ ৰাজধানী আৰু ৰাজ্য থকা দিনৰ পৰা বঙ্গদেশৰ অন্তৰ্গত হ'লেও, তাত এতিয়াও অসমীয়া ভাষাৰ প্ৰাচীন অনেক পুথি-পত্ৰ থকা সম্ভৱ বিবেচনা কৰি, কোচ-বিহাৰত অসমীয়া সাহিত্যৰ অনুসন্ধান কাৰ্য্য চলাবলৈ বুলি, আসাম সাহিত্য সভাৰ নগাঁও অধিবেশনত এটি প্ৰস্তাৱ ধাৰ্য্য কৰা হয়। সেই প্ৰস্তাৱ অনুসাৰে বৰ্তমান ১৮৪৯ শঁকৰ শাওন মাহৰ ২৮ তাৰিখে মোক তালৈ পঠায়।

কোচ-বিহাৰত প্ৰায় ডেৰমাহ কাল থাকি তাৰ ৰাজকীয় পুথি-ভঁৰাল আৰু আন আন ঠাইতো যিবোৰ পুথি পোৱা হ'ল, তাৰ বিবৰণ লিখাৰ আগতে সাধাৰণভাৱে কোচ-বিহাৰ ৰাজ্যৰ আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি ইত্যাদি সম্পৰ্কে অতি সংক্ষেপে দুআষাৰ কথা কোৱা একো অযৌক্তিক নহ'ব।

বৰ্তমান কোচ-বিহাৰ ৰাজ্য প্ৰাচীন কামৰূপ ৰাজ্যৰ ৰত্নপীঠ বিভাগৰ অন্তৰ্গত। বৰ্তমান ৰাজবংশই চাৰিশ বছৰৰো অধিক কাল একেৰাহে এই ৰাজ্যত ৰাজত্ব কৰি আছে। এই ৰাজবংশ অতি সুপ্ৰাচীন হ'লেও ৰাজধানীত লেখত ল'ব লগা তেনে কোনো বিশেষ চিহ্ন এতিয়া দেখিবলৈ পোৱা নাযায়।

এই ৰাজবংশৰ তৃতীয় পুৰুষ মহাৰাজ নৰনাৰায়ণৰ সময়ত প্ৰাচীন কামৰূপ ৰাজ্যৰ “কৰতোয়াং সমাৰভ্য যাবদ্দিক্কৰ বাসিনীং” এই সীমাৰ অন্তৰ্গত সৰহখিনি অংশতে এই বংশৰ অধিকাৰ প্ৰতিষ্ঠিত হয়। আৰু মহাৰাজৰ জীৱিত কালতে এই ৰাজ্য দুইভাগে বিভক্ত হয়।

কোচবংশৰ প্ৰতিষ্ঠাৰ আগৰে পৰা কামৰূপ ৰাজ্যৰ পূৰ্ব্বঅংশ, অৰ্থাৎ বৰ্তমান আসাম প্ৰদেশ আৰু কামৰূপৰ পশ্চিম অংশ, অৰ্থাৎ বৰ্তমান কোচ-বিহাৰ, ৰংপুৰ, জলপাইগুৰি আদি স্থান, ভাষা, সাহিত্য, শিল্প, সামাজিক আচাৰ-ব্যৱহাৰ, পোছাক-পৰিচ্ছদ, ৰীতি-নীতি আদি সকলো বিষয়তে একভাবাপন্ন আছিল। সংক্ষেপে ক'বলৈ গ'লে, এইবিলাক স্থান সকলো প্ৰকাৰে অসমীয়া আছিল। আজি বহুকালৰ পৰা কোচ-বিহাৰ বঙ্গদেশৰ অন্তৰ্গত হৈ থকাত, যদিও আগৰ সেই প্ৰাচীন ভাব কিছু পৰিমাণে মলিন হৈছে, তথাপি এতিয়াও কোচ-বিহাৰৰ

ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আদি সম্পূৰ্ণৰূপে অসমীয়াই আছে। এই কথাকে লক্ষ্য কৰি কোচ-বিহাৰ ৰাজ্যৰ সুসন্তান বঙ্গদেশৰ কাউন্সিলৰ ভূতপূৰ্ব্ব সভ্য ৰায় চাহাব শ্ৰীযুত পঞ্চানন বৰ্ম্মা, এম-এ., বি-এল. ডাঙৰীয়াই মোলৈ লিখিছিল —

"আপুনি কোচ-বিহাৰক সাহিত্যৰ অনুসন্ধান কৰিবলৈ অহা জানি আহ্লাদিত হ'লোঁ। কোচ-বিহাৰ, গোৱালপাৰা, কামৰূপ, ৰংপুৰ, জলপাইগুৰি আদি স্থান সাহিত্য, সভ্যতা, ৰীতি-নীতি ইত্যাদি সকলো বিষয়ৰে একভাবাপন্ন। সাহিত্যৰ লগে লগে আমাৰ সেই মণিকপাৰা প্ৰাচীন ভাবো যাতে উজ্জ্বল হয়, তাৰ বাবে যত্ন কৰিব লাগে" — ইত্যাদি।

কোচ-বিহাৰ আচলতে ৰাজবংশী জাতিৰ ৰাজ্য। ৰাজ্যৰ সৰহখিনি প্ৰজাই ৰাজবংশী। ৰাজবংশীবিলাকৰ অনেকে এতিয়া বৰ্ম্মন উপাধি গ্ৰহণ কৰি উপবীথদাৰ হৈছে। ৰাজবংশীৰ জাতি সাধাৰণতঃ কৃষিজীৱী। এওঁলোকে আহু, শালি দুবিধ ধান, মৰাটাপ আৰু ধঁপাতৰ খেতিকে প্ৰধান ভাৱে কৰে। ৰাজবংশীৰ বাহিৰে কুৰি আৰু খেন জাতিৰ মানুহো ইয়াতে ... আছে। খেনবিলাক প্ৰাচীন খেনৰজাসকলৰ জাতিৰ মানুহ। কুৰিবিলাকক ঠায়ে ঠয়ে মদুকুৰিও বোলে। এওঁবিলাক সাধাৰণতঃ বৈষ্ণৱ। বৃন্দাবনত বৈষ্ণৱসকলৰ ভিক্ষা বৃত্তিক মধুকৰি বোলে। এই মধুকৰি শব্দৰ লগত কুৰি বা মধুকৰি জাতিৰ সংশ্ৰৱ থকা অনুমান কৰিব পাৰি। এই কুৰি জাতিয় লোকৰ বাসস্থানৰ বাবেই ৰংপুৰৰ এখন মহকুমাৰ নাম কুৰিয়া হৈছে।

ব্ৰাহ্মণ, কায়স্থ আদি আন জাতিৰ আচল স্থায়ী বাসিন্দা মানুহ নাই বুলিলেও বেচি কোৱা নহয়। যি অলপ আছে, প্ৰায় সকলো আধুনিক। ব্যৱসায়, চাকৰি আদিৰ বাবে বঙ্গদেশৰ পৰা কিছু পৰিমাণে কায়স্থ, ব্ৰাহ্মণ আদি উচ্চ বৰ্গৰ লোক আহি বাস কৰিছে। পৌৰোহিত্য ব্যৱসায়ী কামৰূপৰ ২।৪ ঘৰ ব্ৰাহ্মণেও ইয়াত বিয়া-বাৰু কৰাই স্থায়ী বাসিন্দা হৈছে।

বৰ্তমানত পৌৰোহিত্য ব্যৱসায়ী প্ৰায় সকলো বামুনে কামৰূপী। এওঁবিলাক ইয়াৰ স্থায়ী বাসিন্দা নহয়। সকলো ল'ৰা-তিৰোতা দেশত থাকে। এওঁবিলাকৰ ভিতৰতে ২।৪ জন লোক মফস্বল অঞ্চলত প্ৰতিষ্ঠাপন্ন হৈ উঠিছে। অনেকে ব্যৱসায় আদিও কৰিছে। আৰু কোনো কোনোৱে মাটি-বাৰি কিনি লৈ জোতদাৰী কৰিছে। আচল জমীদাৰী প্ৰথা (বঙ্গদেশৰ নিচিনা চিৰস্থায়ী বন্দবস্ত) কোচ-বিহাৰত নাই। কোচ-বিহাৰ ৰাজ্যত আচল জমীদাৰ এঘৰ মাত্ৰ আছে। এওঁলোকৰ বৰ্তমান জমীদাৰৰ নাম শ্ৰীযুক্ত সুশীলকুমাৰ চক্ৰৱৰ্ত্তী। এওঁলোকো পূৰ্ব্বত কামৰূপ জিলাৰ ওপৰ বৰভাগ মৌজাৰ নগাৰকুচি গাঁৱৰ মানুহ আছিল বুলি কোনো কোনোৱে কয়। দুৰ্ভাগ্যক্ৰমে এওঁৰ লগত মোৰ দেখা নহ'ল।

মহাৰাজ নৰনাৰায়ণ আৰু চিলাৰায়ে কামৰূপৰ পৰা ১৪ ঘৰ কায়স্থ আৰু ১২ ঘৰ ব্ৰাহ্মণ নি, কোচ-বিহাৰত মাটি, বৃত্তি, দাস, দাসী দি স্থাপন কৰে। সেই ব্ৰাহ্মণবিলাকেই কোচ-বিহাৰৰ আচল পঞ্চগ্ৰামী ব্ৰাহ্মণ আছিল। ৰজাঘৰৰ পৌৰোহিত্য তেওঁলোকেই কৰিছিল। আৰু ৰজাঘৰৰ পৰা নিমন্ত্ৰণ দান দক্ষিণা আদিও তেওঁলোকেই পাইছিল। দুখৰ বিষয় এতিয়া পঞ্চগ্ৰামী সমাজত সেইসকলৰ সুকীয়া পৰিচয় পোৱা নাযায়। কিন্তু আগৰ সেই প্ৰথা অনুসাৰে



এতিয়াও খাগড়াবাৰী ময়নাগুৰি টাকাগাছ প্ৰভৃতিৰ পঞ্চগ্ৰামী ব্ৰাহ্মণেই ৰজাঘৰৰ নিমন্ত্ৰণ দান দক্ষিণা আদি পাই আছে।

সেই প্ৰাচীন ১৪ ঘৰ কায়স্থৰ বংশধৰসকলৰ ভিতৰত জমীদাৰ শ্ৰীযুত শৰৎকুমাৰ বাকচীৰ ঘৰৰ পৰিচয়হে পোৱা যায়। আনবিলাকৰ এতিয়া কোনো পৰিচয় নাই। শ্ৰীযুত শৰৎকুমাৰ বাগচী মহাশয়ৰ মুখে শুনিলোঁ এতিয়াও তেওঁলোকৰ ভাগীবংশ আসামৰ নগাঁও অঞ্চলত আছে। এই পৰ্য্যন্ত কামৰূপৰ কায়স্থ সমাজত তেওঁলোকৰ বিবাহ আদি চলি আছে। বৰ্তমানতো কামৰূপৰ নলবাৰী অঞ্চলত শুকেকুচি গাঁৱৰ জীয়াৰী বিধৱা এগৰাকী তেওঁলোকৰ ঘৰত আছে। এই বিধৱা গৰাকী শ্ৰীযুত শৰৎকুমাৰ বাগচী মহাশয়ৰ জ্যেষ্ঠা ভাতৃবধু।

মহাপুৰুষীয়া আৰু দামোদৰীয়া সম্প্ৰদায়ৰ সত্ৰ কোচ-বিহাৰত কেবাখনো আছে। আৰু সেইবিলাকৰ প্ৰভাৱো কম নহয়। তাৰ ভিতৰত মধুপুৰ, ভোলাডাঙ্গা প্ৰভৃতি সত্ৰবিলাকলৈ আমাৰ যোৱা হৈছিল। সেইবিলাক সত্ৰ, নামে, প্ৰসঙ্গে, আচাৰে ব্যৱহাৰে সম্পূৰ্ণ অসমীয়া। বহুকালৰ পৰা আসামৰ লগত যোগ নথকাতো তাৰ কোনো বিকৃতি ঘটা নাই। মধুপুৰত পাহ কটা চুলিৰে সৈতে কেৰলীয়া ভকতক দেখা মাত্ৰেই আপোন ভাব জন্মে। ভকতৰ আলধৰাবোৰো আচাৰে ব্যৱহাৰে কথাই বাৰ্ত্তাই নিভাঁজ অসমীয়া যেন লাগে।

এইবিলাক সত্ৰত এতিয়াও অসমীয়া সাহিত্যৰ চৰ্চ্চা হয়। সদায় পুৰা-গধূলি কীৰ্তন ঘৰত অসমীয়া পুথি পঢ়া আৰু অসমীয়া ধৰণে নাম-প্ৰসঙ্গ কৰা হয়, অসমীয়া গীত-পদ গোৱা হয়। অসমীয়াৰ নিচিনাকৈ বৰতাল বজাই নাম গোৱা হয়। লগেত এই কথাও কোৱা যাওক যে আমি জনাত তলত লিখা গাঁওবিলাকতো ঘোষা-কীৰ্ত্তন গাই বৰতাল বজাই নাম গায়।

১। গিলাৰ পাৰ ২। সিদ্ধেশ্বৰী ৩। বৈকুণ্ঠপুৰ ১৪। নিজ বাণেশ্বৰ ১৫। চাকাতি ৬। খুটাপাৰ ৭। চক্চকা ইত্যাদি। এই প্ৰসঙ্গতে আৰু এটা কথা উল্লেখ কৰিলোঁ — বৰ্তমানতচ ভেলাডাঙ্গাসত্ৰৰ দুয়োগৰাকী বিধৱা মহিলা কামৰূপৰ। এগৰাকী সৰুখেত্ৰী মৌজাৰ **হালধী বাৰী** সত্ৰৰ, আন গৰাকী ধৰ্ম্মপুৰ মৌজাৰ **কৈহাটী** সত্ৰৰ।

ৰাজবংশৰ কুলদেৱতা মদনমোহনৰ মন্দিৰতো **মহাপুৰুষ শ্ৰীশঙ্কৰৰ** প্ৰভাৱ দেখি। বঙ্গদেশৰ সকলো স্থানতে ৰাধা-কৃষ্ণৰ একে লগে পূজা হয়। বঙ্গদেশত ৰাধাশূন্য কৃষ্ণ নাই। কিন্তু কোচ-বিহাৰত বঙ্গদেশৰ এই সাধাৰণ নিয়ম নাই। কোচ-বিহাৰৰ মদনমোহন অকলশৰীয়া। কোচ-বিহাৰত কৃষ্ণৰ কাযত ৰাধা নাই। ই **শ্ৰীমন্ত শঙ্কৰৰ প্ৰভাৱৰ** বাহিৰ অইন একো নহয়। শ্ৰীমন্ত শঙ্কৰৰ আন আন সত্ৰবিলাকত যিদৰে কৃষ্ণ পূজা প্ৰচলিত অৰ্থাৎ সত্ৰবিলাকত অকল কৃষ্ণ মূৰ্ত্তিহে প্ৰতিষ্ঠিত আছে, কোচ-বিহাৰতো সেই দৰে অকল মদনমোহন (কৃষ্ণ) মূৰ্ত্তি হে প্ৰতিষ্ঠিত আছে। কিম্বদন্তি আছে যে, মদনমোহন বিগ্ৰহো সৰ্ব্বপ্ৰথমে শ্ৰীশ্ৰীশঙ্কৰ দেৱৰ পৰামৰ্শ মতেহে স্থাপিত হৈছিল। আৰু সেই বিগ্ৰহৰ প্ৰথম পূজাৰী আছিল প্ৰসিদ্ধ অসমীয়া কবি **অনন্ত কন্দলী**। এই কিম্বদন্তিৰ কথা কোচ-বিহাৰৰ প্ৰত্নতত্ত্বজ্ঞ পণ্ডিত শ্ৰীযুত আমানত উল্লা আহ্মদ চৌধুৰী ডাঙৰীয়াই মোক মুখে মুখে কৈছিল।

কোচ-বিহাৰৰ সাধাৰণ মানুহৰো আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি হুবহু অসমীয়াৰ লগত মিলে। কোচ-বিহাৰৰ মানুহেও অসমীয়া মানুহৰ দৰে কলগছ পুৰি খাৰ কৰি খায়। **তামোলৰ থোক, মাহ কাতি, বেহাৰ কাতি** খাৰো কোচ-বিহাৰৰ মানুহে ব্যৱহাৰ কৰে। অসমীয়াৰ নিচিনাকৈ কোচ-বিহাৰী সকলৰো খাৰৰ আঞ্জা নহ'লে খোৱাৰ জুতি নালাগে। এই কাৰণে বঙ্গালী মানুহে অসমীয়া মানুহক খাৰখোৱা অসমীয়া বুলি উপলুঙ্গা কৰাৰ নিচিনাকৈ কোচ-বিহাৰৰ মানুহকো **চোকা-খোৱা** বুলি উপলুঙ্গা কৰে। চেকি উলিওৱাৰ কাৰণে কোচ-বিহাৰত বঙ্গালীবিলাকে খাৰক চেকা বোলে।

কোচ-বিহাৰ, জলপাইগুড়ি আৰু উত্তৰ ৰংপুৰৰ প্ৰাচীন তিৰীবিলাকেও কামৰূপৰ প্ৰাচীন তিৰীবিলাকৰ নিচিনাকৈ **আণ্ডৱাণ পাতেনি** ব্যৱহাৰ কৰে। আৰু আণ্ডৱাণ, পাতেনি নামো অবিকৃত ভাবেই আছে। অসমীয়া সমাজৰ নিচিনাকৈ কোচ-বিহাৰৰ সমাজতো বিধৱা বিবাহ অৰ্থাৎ ঢেমনী বা পাচুৱা মানুহ নিয়া প্ৰথা প্ৰচলিত আছে। এই প্ৰথাক কামৰূপৰ নিচিনাকৈ কোচ-বিহাৰতো "পাচুৱা নিয়া" বোলে। আসামৰ কোনো কোনো জাতিৰ ভিতৰত প্ৰচলিত থকাৰ দৰে কোচ-বিহাৰৰ সমাজতো ৰাক্ষসী বিবাহ অৰ্থাৎ বলেৰে ছোৱালী ধৰি নি বিয়া কৰা দস্তুৰ প্ৰচলিত আছে। আন কি আসামৰ বিহু গোৱা প্ৰথাও কোচ-বিহাৰত অবিকৃত ভৱে এতিয়াও অনুষ্ঠিত হয়। কোচ-বিহাৰৰ বিহুও সাধাৰণতে প্ৰায় ব'হাগ মাহ বিয়াপি হয়। কোচ-বিহাৰৰ কোনো অংশত ইয়াক বিহুপূজা, কোনো অংশত হুতোমদেও পূজা আৰু কোনো অংশত যাগৰ গান বোলে।

আসামৰ বিহু নিচিনাকৈ কোচ-বিহাৰৰ বিহুপূজাও গাঁৱৰ বাহিৰত কোনো গছৰ গুৰিত নাইবা তেনেকুৱা আন উপযুক্ত ভাল ঠাইত পতা হয়। তিৰোতাবিলাকে তাত নানা প্ৰকাৰ আমোদ উৎসৱ কৰে; গীত পদো গায়। এইবোৰ গীত প্ৰায় অশ্লীল হয়। কেতিয়াবা বিহু উৎসৱ মানুহৰ কোনো বাহিৰ ঘৰতো পতা হয়।

কোচ-বিহাৰৰ আচল কথিত ভাষাকো অসমীয়াহে বুলিব পাৰি। অন্ততঃ এই ভাষাৰ যে বঙ্গলা ভাষাতকৈ অসমীয়া ভাষাৰ লগত বিশেষ সাদৃশ্য আছে, তাৰ কোনোৱে নুই কৰিব নোৱাৰে। কোচ-বিহাৰত অসমীয়াৰ দৰে জ্যেষ্ঠা ভগিনীক "বাই"হে বোলে, কেতিয়াও "দিদি" নোবোলে। সেইদৰে মাকক "আই" ভিনিহিক "ভিন্‌চি" আতাক "আজু" তাৰৈক "তাৱাই" ইত্যাদিহে বোলে। এনেকুৱা ৰক্তঘটিত সম্বন্ধসূচক পদবিলাকে যে এক মসাজ আৰু এক জাতিৰ পৰিচয় দিয়ে তাক সকলো জনা লোকে স্বীকাৰ কৰিব।

অকল এনেকুৱা শব্দৰ সাদৃশ্য থকাৰ বাবেই মই কোচ-বিহাৰৰ ভাষাক অসমীয়া বোলা নাই। শব্দৰ সাদৃশ্যৰ বাহিৰেও বিভক্তি প্ৰত্যয় আদি যিবোৰ ভাষাৰ বিভিন্নতাৰ বিশিষ্ট চিন সেইবোৰো বঙ্গলা ভাষাৰ লগত নিমিলে, মিলে অসমীয়া ভাষাৰ লগতহে। **ন, এ, ষ** ব্যৱহাৰো কোচ-বিহাৰী ভাষাত ক্ৰিয়াপদৰ আগতে হয়। বঙ্গলাৰ নিচিনাকৈ ক্ৰিয়াপদৰ পিছত নহয়। যেনে অসমীয়া "নেযাওঁ" কোচ-বিহাৰী "নাজাং" বঙ্গালী "যাবনা"। কোচ-বিহাৰী ভাষাৰ স্বৰূপ বুজিবৰ অৰ্থে ইয়াত কেযাৰী মান কোচ-বিহাৰী ভাষাৰ পুৰণি আৰু নতুন পদ তলত



তুলি দিলোঁ। এইবিলাক দেখিলে কোনেও কেতিয়াও ক'ব নোৱাৰে যে **কোচ-বিহাৰী মানুহ বঙ্গালী** আৰু কোচ-বিহাৰৰ **ভাষা বঙ্গলা।**

**প্ৰাচীন পদ**

"কাঁয় কয় ই গলা কতা কাঁয় আৰ পইতায়
সোয়ামীৰ সতে গেইলে তিৰীক বাঘে খায়।
এনায় দুষ্ট বনেৰ বাঘ তিৰী পুৰুষ বাছিয়া খায়।
যি থানত বনৰ বাঘ খাইব ধৰিয়া।
নিশ্চয় কৰি পাণেৰ পতি মোক পলাই ছাৰিয়া।

**নতুন পদ**

"খালি মোৰ মোৰ বুলি চিক্ৰী মৰোং
থিৎ নাপাওঁ মুই কুণ্টু মোৰ।
মুইযে কাঁয় আৰ কোনঢ়ে হাতে
আহলু সেতাৰ নাপাও গোৰ।
যাঁয় চেনেনা আপুন জন।
তাঁৰ কেনেৰে এমন হয়।
যেটায় দেখে এই জগতোৰ
সেইটাই মোৰ এই কতা কয়।"

কোচ-বিহাৰৰ মানুহবিলাকৰ বঙ্গালী বা ভাটীয়া বিদ্বেষ প্ৰবল। তেওঁলোকে ভবে যে বঙ্গালীবিলাক বেলেগ জাতিৰ মানুহ। তেওঁবিলাকে কেৱল আমাক শোষণ কৰিবলৈহে আহিছে। আমাৰ ভালৰ বাবে তেওঁলোকৰ কোনো যত্ন নাই। বঙ্গালীবিলাকেও যে কোচ-বিহাৰৰ মানুহবিলাকক অলপ ঘিণ নকৰে বা অলপ হীন ভাবে নাচায় এনে নহয়।

সাধাৰণতঃ কোচ-বিহাৰৰ মানুহে বঙ্গালীতকৈ অসমীয়াকে ভাল পায় বুলি ধৰিব পাৰি। আসামৰ (কামৰূপৰ) প্ৰাচীন গৌৰৱকো নিজৰ গৌৰৱ বুলি ভাবে। বঙ্গালী ভাষা যে তেওঁলোকৰ মাতৃ ভাষা নহয় এই কথা সকলো শিক্ষিত লোকে স্বীকাৰ কৰে। সাধাৰণ লোকৰ শিক্ষাৰ অৱস্থা বেয়া; গতিকে গাঁৱলীয়া জনসাধাৰণৰ মনত ভাষা, সাহিত্য ইত্যাদিৰ বিশেষ ধাৰণা নাই। আমাৰ দেশতো নাই। বঙ্গালী ভাষা মাতৃ ভাষা নহয় বুলি জানিলেও অনেক কালৰ পৰা বঙ্গালীৰ সংসৰ্গত থকাত আৰু অনেক কালৰ পৰা বঙ্গলা ভাষাৰ পঠন- পাঠন হোৱাত শিক্ষিত লোকবিলাকৰ লিখিত ভাষা এতিয়া বঙ্গালী হৈছে। অৱশ্যে ঘৰুৱা ভাষা কোচ-বিহাৰী বা প্ৰাচীন কামৰূপ ভাষাৰ অনুৰূপে আছে। আজি কালিৰ দুই-এজন শিক্ষিত ডেকাৰ মাতৃ ভাষাৰ ওপৰত চকু পৰাত তেওঁলোকে আচল কোচ-বিহাৰী ভাষাত দুটি-এটি গান, পদ্য লিখিবলৈ ধৰিছে। এনেকুৱা লিখা তেওঁলোকৰ গৌৰৱৰ চিন বুলিহে ভাবে।

ভুমিকা স্বৰূপে কোচ-বিহাৰৰ সাধাৰণ অৱস্থাৰ কথা সংক্ষেপকৈ কোৱা হ'ল। এতিয়া আচল কথা আৰম্ভ কৰা হওক।

কোচ-বিহাৰত মুঠতে ৩৯২ খন পুথি পৰীক্ষা কৰা হয়। অৰ্থাৎ পুথিৰ নাম, গ্ৰন্থকাৰৰ নাম, লেখাৰ বা নকল কৰাৰ সময়, (যিটো পোৱা যায়) আৰু আৱশ্যক অনুসৰি ঠায়ে ঠায়ে দুই-চাৰি শাৰী পদ টুকি লোৱা হয়। পদ টুকি লোৱাত কোনো নিৰ্দিষ্ট ঠাইৰ পৰা কোনো মনোমত পদ তুলি লোৱা হোৱা নাই। পুথি মেলি চাই য'তে চকু পৰিছে তাৰে পৰা তুলি লোৱা হৈছে। মুঠ ৩৯২ খন পুথিৰ ভিতৰত ৰাজকীয় পুথি ভঁৰালত ২৫৩ খন আৰু আন আন ঠাইত ১৩৯ খন পোৱা হয়। ইয়াৰ ভিতৰত অসমীয়া পুথি ১৩৮ খন সংস্কৃত পুথি ১৪৯ খন আৰু বঙ্গালী পুথি মুঠতে ৬০ খন মাত্ৰ।

সাধাৰণতঃ পুথিবিলাকৰ অৱস্থা ভাল নহয়। অনেক পুথি জৰাজীৰ্ণ হৈছে। অনেক পুথি বহুদিন লৰচৰ নকৰা বাবে মেলিবই নোৱাৰা হৈছে। পাতে পাতে এইদৰে জাপ খাই গৈছে যে মেলিব খুজিলেই ফাটি যায়। কাৰণ অনুসন্ধান কৰাত জনা গ'ল, এইবোৰ কোনেও মেলিয়েই নাচায়। গতিকে, তাৰ এনে দুৰাৱস্থা হৈছে। দুই-চাৰিখন পুথি একেবাৰেই নষ্ট হৈছে। পুথিভঁৰালৰ অতি প্ৰাচীন দপ্তৰীজনে ক'লে যে তেওঁৰ জীৱনত এইবোৰ মাত্ৰ তিনিবাৰ মেলি চোৱা হৈছে। প্ৰথমবাৰ শ্ৰীযুত হেমচন্দ্ৰ গোস্বামী দেৱে, দ্বিতীয় বাৰ শ্ৰীযুত আমানত উল্লা আহ্মদ চৌধাৰী ডাঙৰীয়াই আৰু তৃতীয় বাৰ মই। পুথিবিলাকৰ নামৰ তালিকা এই প্ৰবন্ধৰ শেহত দিয়া হ'ল।

কোচ-বিহাৰত বঙ্গালী ভাষাৰ পুথিত কৈ অসমীয়া ভাষাৰ পুথিৰ সংখ্যাধিকো এটা লক্ষ্য কৰিবলগীয়া বিষয়। ইয়াৰ দ্বাৰায়ো কোচ-বিহাৰত যে আগেয়ে বঙ্গালীতকৈ অসমীয়াৰ প্ৰভাৱ আৰু প্ৰতিপত্তি বেছি আছিল তাক নিঃসন্দেহে বুজিব পাৰি। পুথিবিলাকৰ আখৰ সম্বন্ধেও একাষাৰ কথা ক'বলগীয়া আছে। অসমীয়া পুথিবিলাকৰ আখৰ নিভাঁজ অসমীয়া; লহকৰপুৰীয়া গঢ়ৰ আখৰ ৰ, ৱ আদিৰ ব্যৱহাৰো ভালদৰে আছে। সাঁচিপাতত লিখা পুথিৰ সংখ্যা কম। সৰহভাগ পুথি পুৰণি তুলাপাতত লিখা।

বঙ্গলা পুথিবোৰৰ সৰহভাগেই মহাৰাজ হৰেন্দ্ৰ নাৰায়ণৰ দিনত সংস্কৃতৰ পৰা অনুবাদ কৰোৱা। মহাৰাজ হৰেন্দ্ৰ নাৰায়ণৰ ৰাজত্বৰ কাল ১৭৮০ খ্ৰীষ্টাব্দৰ পৰা পৰীক্ষা কৰি চাবৰ অনুমতিও ..... .... পৰিষদৰ সম্পাদকৰ পৰা পোৱা হৈছিল। পিছত যোৱাৰ সুবিধা নোহোৱা বাবেহে সেইবোৰ পুথি চাব পৰা নহ'ল। এতিয়াও আমাৰ সাহিত্য সভাৰ ... ... ঠাইত অনুসন্ধান কাৰ্য্য চলোৱা উচিত। ... অনেক অসমীয়া পুথি আছে বুলি আমি শুনিছো।

.... নালাগে ২০০।২৫০ বছৰৰ আগতো যে ৰংপুৰ জিলাত অসমীয়া ভাষাৰ প্ৰবল প্ৰচাৰ আছিল আৰু ... মানুহেও অসমীয়া (প্ৰাচীন কামৰূপী) ভাষাত পুথি লিখিছিল। এই কথা ৰংপুৰৰ পঙ্গা নামে ঠাইৰ ৰাজা ৰামচন্দ্ৰই লিখা ভাগৱতসাৰ পুথিৰ পৰাই নিঃসন্দেহে .... হয়।

ভাগৱতসাৰ পুথি আচল অসমীয়া ভাষাত লিখা। এই পুথিখন কোচ-বিহাৰৰ মজলীয়া স্কুলৰ প্ৰধান শিক্ষক শ্ৰীযুত নিবাৰণ চন্দ্ৰ ভট্টাচাৰ্য্য মহাশয়ৰ ওচৰত পোৱা হৈছে। পণ্ডিত মহাশয়ে পুথিখন আসাম সাহিত্য সভালৈ দিম বুলি স্বীকাৰ কৰিছে; এই পুথিখনত দুই একাষাৰ পদ গোবিন্দ মিশ্ৰ, শঙ্কৰদেৱ প্ৰভৃতিৰ পদৰ লগত মিল থকা দেখা যায়। এই মিলৰ পৰা



সাধাৰণতে এইটো অনুমান কৰিব পাৰি যে কবিয়ে উক্ত কবিসকলৰ পুথি বৰকৈ পঢ়িছিল। সেই কাৰণেই কবিৰ দুই-একাষাৰ পদ অবিকল মিলি গৈছে। আৰু এইটো জনা যায়, যে সেই সময়ত শঙ্কৰদেৱ গোবিন্দ মিশ্ৰ প্ৰভৃতিৰ পদৰ ৰংপুৰ অঞ্চলত বৰ প্ৰচাৰ আছিল। নহ'লে ইমান বেছিকৈ পঢ়াৰ চিন নেথাকিলহেঁতেন। ভাগৱতসাৰ পুথিৰ গ্ৰন্থকাৰ ৰাজা ৰামচন্দ্ৰই পুথিৰ ভিতৰতে নিজৰ এখন বংশাৱলী লিপিবদ্ধ কৰি গৈছে।


মফচলৰ কোনো কোনো ঠাইৰ পৰা সভা-সমিতি পাতি, আমাক নিবলৈ মানুহ আহিছিল। বোধ কৰোঁ এই কামো বামুণবিলাকৰ প্ৰভাৱতে হৈছিল। নহ'লে তাৰ মানুহে আন কোনো কাৰণত আমাক জনাৰ সম্ভাৱনা নাই। সি যি হওক, তেতিয়া বতৰ বৰ বেয়া থকাৰ গতিকে, বিশেষকৈ সেইবোৰ সভা-সমিতি ৰাজনৈতিক হোৱা কাৰণে আমাৰ আচল উদ্দেশ্য কিবা ব্যাঘাত হ'ব পাৰে বুলিও সেইবিলাকলৈ যোৱা নহ'ল। অৱশ্যে অহা লোকসকলক কথা-বতৰা কৈ বিশেষকৈ আমাৰ উদ্দেশ্যৰ কথা বুজাই সন্তুষ্ট কৰি পঠোৱা হৈছিল।

কোচ-বিহাৰ কলেজত অসমীয়া শিক্ষাৰ সম্বন্ধেও তাৰ প্ৰিন্সিপাল মহাশয়ৰ লগত আমাৰ কথা হৈছিল। তেখেতে ক'লে যে যদি ইয়াত এই .... নিচিনাকৈ ছাত্ৰ থাকে তেনেহ'লে তেওঁ তাত ...... অসমীয়া শিক্ষাৰ ব্যৱস্থা কৰিবলৈ টানি ধৰিব। ..... বছৰ কোচ-বিহাৰ কলেজত অসমীয়া ছাত্ৰ ...... মানহে আছে।

ভগৱানৰ শ্ৰী পাদপদ্মত প্ৰণাম কৰি কোচ-বিহাৰ অনুসন্ধান কাৰ্য্যৰ বিবৰণ ইয়াতে শেষ কৰা হ'ল। ভগৱানে আসাম সাহিত্য সভাৰ মঙ্গল কৰক। আসাম সাহিত্যৰ সৰ্ব্বপ্ৰকাৰ সমৃদ্ধি হওক।

ওঁ শান্তিঃ ওঁ শান্তিঃ ওঁ শান্তি।

শ্ৰীপ্ৰতাপচন্দ্ৰ গোস্বামী



# কোচ-বিহাৰত পোৱা পুথিৰ তালিকা

**অসমীয়া পুথি**

১। ঐশিক পৰ্ব্ব।
২। আদি পৰ্ব্ব।
৩। ভীষ্ম পৰ্ব্ব।
৪। কৰ্ণ পব্ব।
৫। দ্ৰোণ পৰ্ব্ব।
৬। দ্ৰৌপদীৰ সয়ম্বৰ।
৭। কিস্কিন্ধ্যা কাণ্ড।
৮। হৰিশ্চন্দ্ৰ উপাখ্যান।
৯। বলিছলন।
১০। শ্ৰীমদ্ভাগৱত গীতা।
১১। জগন্নাথ মাহাত্ম্য।
১২। চাণক্য শ্লোক।
১৩। গোপী-উদ্ধৱ সংবাদ।
১৪। স্যমন্তক উপাখ্যান।
১৫। মাৰ্কণ্ডেয় পুৰাণ।
১৬। ভাগৱত দশম (অনন্ত)।
১৭। স্কন্দ পুৰাণ (ব্ৰহ্মোত্তৰ খণ্ড)।
১৮। যম গীতা।
১৯। হৰিশ্চন্দ্ৰ উপাখ্যান।
২১। বৰ গীত।
২২। লঙ্কা কাণ্ড।
২৩। স্বৰ্গ খণ্ড।
২৪। দশম স্কন্ধ।
২৫। কিস্কিন্ধ্যা কাণ্ড।
২৬। ভক্তি প্ৰদীপ।
২৭। জন্মাষ্টমী কথা।
২৮। শান্তি পৰ্ব্ব (ৰাজধৰ্ম্ম)
২৯। প্ৰস্থানিক পৰ্ব্ব।
৩০। কাশী খণ্ড।
৩১। ঋতু সংহাৰ।
৩২। মাৰ্কণ্ডেয় পুৰাণ।
৩৩। শিবাগম।
৩৪। মোহমুদ্গৰ।
৩৫। অৰ্জ্জুন সংবাদ।
৩৬। ভাগৱত (২য় স্কন্ধ)
৩৭। দশমস্কন্ধ ভাগৱত পীতাম্বৰ।
৩৮। কীৰ্ত্তন (শঙ্কৰদেৱ ৰচিত)
৩৯। শঙ্কৰ-মাধৱ সংবাদ।
৪০। ভক্তি প্ৰদীপ।
৪১। ভক্তিয়া পুথি।
৪২। বাগৱত ১ম স্কন্ধ (শঙ্কৰদেৱ)
৪৩। মহামহন্তৰ গোপনীয় কথা।
৪৪। ভক্তিয়া পুথি।
৪৫। ভক্তি ৰত্নাৱলী।
৪৬। ৰুক্মিণী হৰণ।
৪৭। অজামিল উপাখ্যান।
৪৮। ভক্তি ৰত্নাকৰ।
৪৯। দশম।
৫০। অমৃত মথন।
৫১। বলিছলন।
৫২। তৃতীয় স্কন্ধ (শঙ্কৰদেৱ)
৫৩। ভটিমা।
৫৪। পাণ্ডৱী গীতা।
৫৫। গীতা।
৫৬। শঙ্কৰ-মাধৱ সংবাদ।
৫৭। নাম মালিকা।
৫৮। শঙ্কৰ চৰিত্ৰ।
৫৯। একাদশ স্কন্ধ (শঙ্কৰদেৱ)।
৬০। ভক্তি ৰত্নৱালী।
৬১। উত্তৰাকাণ্ড।
৬২। একাদশ স্কন্ধ (শঙ্কৰদেৱ)।
৬৩। অৰণ্য কাণ্ড।
৬৪। অযোধ্যা কাণ্ড (ৰঘুৰাম)
৬৫। দ্ৰৌপদীৰ সয়ম্বৰ (শ্ৰীনাথ)।
৬৬। ষষ্ঠ স্কন্ধ (জগন্নাথ)।
৬৭। ৰাজসুয়।
৬৮। দ্ৰৌপদীৰ সয়ম্বৰ।
৬৯। গড়ুৰ পুৰাণ (অসম্পূৰ্ণ)।
৭০। ভীষ্ণ পৰ্ব্ব (ৰঘুৰাম)।
৭১। গীতা।
৭২। সভা পৰ্ব্ব (গোপীনাথ)।
৭৩। সভা পৰ্ব্ব (পাঠক)।
৭৪। সুবৰ্ণ ঘটিকা (যদুমণি)।
৭৫। কৰ্ণ পৰ্ব্ব (বলৰাম)।
৭৬। কৰ্ণ পৰ্ব্ব (লক্ষ্মীৰাম)।
৭৭। কৰ্ণ পৰ্ব্ব (পৰমানন্দ)।
৭৮। আদি পৰ্ব্ব (শ্ৰীনাথ)।
৭৯। কীৰ্ত্তন পুথি।
৮০। ৰুক্মিণী হৰণ।
৮১। শৈল্য পৰ্ব্ব।
৮২। মনসা উপাখ্যান।
৮৩। আদিকাণ্ড ৰামায়ণ।
৮৪। দ্ৰোণ পৰ্ব্ব।
৮৫। ঘোষা যাত্ৰা।
৮৬। বিৰাট পৰ্ব্ব।
৮৭। নাৰদ পুৰাণ।
৮৮। প্ৰথম স্কন্ধ।
৮৯। গীত-গোবিন্দ।
৯০। গোপী-উদ্ধৱ সংবাদ।
৯১। কৰ্ণ পৰ্ব্ব।
৯২। উদ্যোগ পৰ্ব্ব।
৯৩। ভক্তি ৰত্নাৱলী।
৯৪। আদি কাণ্ড।
৯৫। সভা পৰ্ব্ব।
৯৬। ভাগৱত ২য় স্কন্থ (অনিৰুদ্ধ)
৯৭। ৰাজপুত্ৰ উপাখ্যান।
৯৮। একাদশ স্কন্ধ।
৯৯। জন্ম ৰহস্য।
১০০। ভীষ্ম পৰ্ব্ব।
১০১। লৱ-কুশ যুদ্ধ।
১০২। দশম স্কন্ধ।
১০৩। ভাগৱত সাৰ।
১০৪। অষ্টম স্কন্ধ।
১০৫। দশম স্কন্ধ।
১০৬। দ্বাদশ স্কন্ধ।
১০৭। একাদশ স্কন্ধ।
১০৮। কীৰ্ত্তন।
১০৯। নাম-ঘোষা।
১১০। কুৰুক্ষেত্ৰ।
১১১। নাম মালিকা।
১১২। ৰাজসুয়।

১১৩। ৰুক্মিণী হৰণ।
১১৪। জন্ম ৰহস্য।
১১৫। জন্ম নির্ণয়।
১১৬। দীপিকাছন্দ।
১১৭। ভক্তি ৰত্নাৱলী।
১১৮। আদিকাণ্ড।
১১৯। হৰিশ্চন্দ্ৰ উপাখ্যান।
১২০। তৃতীয় স্কন্ধ।
১২১। ভক্তি প্ৰদীপ।
১২২। প্ৰেমাৱলী।
১২৩। বৈষ্ণবামৃত।
১২৪। কৃষ্ণ গুণমালা।
১২৫। কুৰুক্ষেত্ৰ যাত্ৰা।
১২৬। অৰ্জ্জুন গীতা।
১২৭। বৰগীত।
১২৮। দধিমথন যাত্ৰা।
১২৯। জন্মাষ্টমী ভাওনা।
১৩০। সীতা সয়ম্বৰ।
১৩১। প্ৰেম কলহ।
১৩২। শঙ্কৰ চৰিত্ৰ।
১৩৩। আদি কাণ্ড।
১৩৪। কিস্কিন্ধ্যা কাণ্ড।
১৩৫। অযোধ্যা কাণ্ড।
১৩৬। নাম-ঘোষা।
১৩৭। সংক্ষিপ্ত মহাভাৰত।
১৩৮। আদি পৰ্ব্ব।

**সংস্কৃত পুথি**

১। ভীষ্ম পৰ্ব্ব।
২। অদ্ভুত ৰামায়ণ।
৩। শান্তি পৰ্ব্ব মোক্ষধৰ্ম্ম।
৪। লঙ্কা কাণ্ড।
৫। ৰাজধৰ্ম্ম
৬। সুন্দৰা কাণ্ড।
৭। কিস্কিন্ধ্যা কাণ্ড।
৮। অৰণ্য কাণ্ড।
৯। অযোধ্যা কাণ্ড।
১০। শান্তি পৰ্ব্ব - দানধৰ্ম্ম।
১১। ভীষ্ম পৰ্ব্ব।
১২। উদ্যোগ পৰ্ব্ব।
১৩। হৰি বংশ।
১৪। দ্ৰোণ পৰ্ব্ব।
১৫। ভীষ্ম পৰ্ব্ব।
১৬। বিৰাট পৰ্ব্ব।
১৭। কৰ্ণ পৰ্ব্ব।
১৮। লঙ্কা কাণ্ড।
১৯। অগস্ত্য সংহিতা।
২০। ভাগৱত (১ম স্কন্ধ)।
২১। ভাগৱত (২য় স্কন্ধ)।
২২। ভাগৱত (৩য় স্কন্ধ)।
২৩। অগ্নি পুৰাণ।
২৪। গোগ্ৰাস মন্ত্ৰ।
২৫। মহানিৰ্ব্বান তন্ত্ৰ।
২৬। হৰি নামামৃত ব্যাকৰণ।
২৭। বালবোধ ব্যাকৰণ।
২৮। পঞ্চক্ৰোশ যাত্ৰা।
২৯। জগদ্ধাত্ৰীপূজা পটল।
৩০। শিৱৰাত্ৰিপূজা পদ্ধতি।
৩১। শান্তি পৰ্ব্ব - মোক্ষধৰ্ম্ম।
৩২। জ্যৌতি মুক্তাৱলী।
৩৩। দীক্ষা দৰ্শন।
৩৪। প্ৰত্যঙ্গিৰা স্তোত্ৰ।
৩৫। প্ৰয়োগ বিধি।
৩৬। দশকৰ্ম্ম বিধি
৩৭। গ্ৰহযাগ বিধি।
৩৮। সৰ্ব্ব দেৱ-দেৱী পূজা।
৩৯। ৰত্নমালা অভিধান।



৪০। মাৰ্কণ্ডেয় পুৰাণ।
৪১। কুমাৰী পূজা বিধি।
৪২। বৃহৎনাৰদীয় পুৰাণ।
৪৩। নৰসিংহ পুৰাণ।
৪৪। স্ত্ৰী পৰ্ব্ব।
৪৫। আশ্ৰমবাসীক পৰ্ব্ব।
৪৬। মৌষল পৰ্ব্ব।
৪৭। মহা প্ৰস্থানিক পৰ্ব্ব।
৪৮। অশ্বমেধ পৰ্ব্ব।
৪৯। শল্য পৰ্ব্ব।
৫০। আদিকাণ্ড ৰামায়ণ।
৫১। বৃহদ্ধৰ্ম্ম পুৰাণ।
৫২। অৰণ্য কাণ্ড।
৫৩। কিস্কিন্ধ্যা কাণ্ড।
৫৪। সুন্দৰা কাণ্ড।
৫৫। গীতা।
৫৬। সভা পৰ্ব্ব।
৫৭। স্ত্ৰী পৰ্ব্ব।
৫৮। স্বৰ্গাৰোহণ পৰ্ব্ব।
৫৯। স্কন্দ পুৰাণ।
৬০। হৰি বংশ।
৬১। অযোধ্যা কাণ্ড।
৬২। উত্তৰা কাণ্ড।
৬৩। ভাগৱত পুৰাণ।
৬৪। হৰি বংশ।
৬৫। ব্ৰহ্ম বৈবৰ্ত্ত।
৬৬। আদি পৰ্ব্ব।
৬৭। অদ্ভুত উত্তৰাকাণ্ড (ৰামায়ণ)
৬৮। বামণ পুৰাণ।
৬৯। ভক্তি ৰত্নাৱলী।
৭০। দেৱী ভাগৱত।
৭১। কাশী খণ্ড।
৭২। গদা পৰ্ব্ব।
৭৩। দেৱী ভাগৱত।
৭৪। ঐশিক।
৭৫। মৌষল পৰ্ব্ব।
৭৬। সৌপ্তিক পৰ্ব্ব।
৭৭। ঐশিক পৰ্ব্ব।
৭৮। মৌষল পৰ্ব্ব।
৭৯। মহা প্ৰস্থানিক পৰ্ব্ব।
৮০। স্বৰ্গাৰোহণ।
৮১। আশ্ৰমবাসীক পৰ্ব্ব।
৮২। কালীকা পুৰাণ
৮৩। অশ্বমেধ পৰ্ব্ব।
৮৪। কৰ্ণ পৰ্ব্ব।
৮৫। কাৰিকা।
৮৬। ৰত্নমালা ব্যাকৰণ।
৮৭। গঙ্গা স্তোত্ৰ।
৮৮। লক্ষ্মী স্তোত্ৰ।
৮৯। বটুকাস্তব।
৯০। মঙ্গল স্তোত্ৰ।
৯১। ঘটস্থাপন বিধি।
৯২। কালীশতনাম স্তোত্ৰ।
৯৩। শান্তি স্তোত্ৰ।
৯৪। যোগী স্তোত্ৰ।
৯৫। শিৱশতনাম স্তোত্ৰ।
৯৬। পুৰ্ণাভিষেক বিধি।
৯৭। তাৰাপূজা বিধি।
৯৮। একজটা স্তোত্ৰ।
৯৯। তাৰাকবচ।
১০০। নিত্যপূজাবিধি।
১০১। দুৰ্গা স্তোত্ৰ
১০২। দুৰ্গা কবচ
১০৩। বলিদান বিধি।
১০৪। দুৰ্গাশতনাম স্তোত্ৰ।
১০৫। জল্লীশ বিবেক।

১০৬। দন্ত বিবেক।
১০৭। বিজয়াটীকা (গীত-গোবিন্দ)
১০৮। কৎ প্রকৰণ দীপিকা।
১০৯। দিন ভাস্কৰ।
১১০। ব্যৱস্থাসাৰ সঞ্চয়।
১১১। অশৌচ নির্ণয়।
১১২। উদ্বাহ নির্ণয়।
১১৩। লিঙ্গ সংগ্রহ
১১৪। হাস্যার্ণব।
১১৫। দান খণ্ড।
১১৬। সৰস্বতী তন্ত্র।
১১৭। ব্রহ্ম জ্ঞানার্ণব তন্ত্র।
১১৮। কবি কল্পলতা।
১১৯। ৰামায়ণ আদিকাণ্ড।
১২০। ব্রহ্ম বৈবৰ্ত্ত (ব্রহ্ম খণ্ড)।
১২১। কাশী খণ্ড।
১২২। গণেশ খণ্ড (ব্রহ্ম)
১২৩। অমৰ কোষ।
১২৪। বজ্র সূচী।
১২৫। পঞ্চ মকাৰ।
১২৬। কালীকা স্তোত্র।
১২৭। মেধাসাম্রাজ্যপদ -
কালীকা শতনাম স্তোত্র।
১২৮। অৰ্দ্ধনাৰীশ্বৰ স্তোত্র
১২৯। মহিম্ন স্তোত্র।
১৩০। দুর্গাপূজা পদ্ধতি।
১৩১। ৰুদ্রযামাল।
১৩২। ৰামায়ণ আদি কাণ্ড।
১৩৩। ভাগৱত ২য় স্কন্ধ।
১৩৪। তুলসী মাহাত্ম্য।
১৩৫। ব্রহ্মাণ্ড পুৰাণ।
১৩৬। কাশী খণ্ড।
১৩৭। দানধৰ্ম্ম পব্ব।
১৩৮। আদি পৰ্ব্ব।
১৩৯। ক্রিয়াযোগসাৰ (পদ্ম পুৰাণ)
১৪০। ২য় শীর্ষ পঞ্চৰাত্র
১৪১। তিন্যাদি কৃত্য।
১৪২। মৎস্য সূক্ত।
১৪৩। তাৰা কল্প।
১৪৪। ক্রিয়াকৰ্ম্ম বিধি।
১৪৫। ৰাধা তন্ত্র
১৪৬। দন্তনীতি।
১৪৭। নীলতন্ত্র
১৪৮। তন্ত্রসাৰ
১৪৯। তন্ত্রোক্ত প্রয়াশ্চিত্ত সংগ্রহ
১৫০। বৃহৎ যোগিনী তন্ত্র
১৫১। পূজা বিধি
১৫২। গণেশ পুৰাণ।
১৫৩। মুণ্ডনাদি বিধি।
১৫৪। শিৱ গীতা।
১৫৫। মিতাক্ষৰা
১৫৬। শাস্ত্র দীপিকা।
১৫৭। শ্যামাৰহস্য তন্ত্র
১৫৮। তীর্থ কল্পলতা।
১৫৯। নিৰুত্তৰ তন্ত্র।
১৬০। ৰাধাতন্ত্র (বাসুদেৱৰহস্যান্তর্গত)
১৬১। অশৌচ ব্যৱস্থা।
১৬২। ৰত্নমালা ব্যাকৰণ।
১৬৩। জ্যোতি মুক্তাৱলী।
১৬৪। কাল কৌমুদী
১৬৫। তীর্থযাত্রা পদক।
১৬৬। জ্যোতিষসাগৰসাৰ।
১৬৭। জ্যোতি মুক্তাৱলী।
১৬৮। আচাৰ কৃতা
১৬৯। প্রায়শ্চিত্ত বিবেক।
১৭০। মলমাস তত্ত্ব।



১৭১। একাদশী তত্ত্ব।
১৭২। হৰিনামামৃত ব্যাকৰণ।
১৭৩। নানা প্রকাৰ ক্ষুদ্র ক্ষুদ্র তন্ত্র
১৭৪। বিৰাট পৰ্ব্ব।
১৭৫। উদ্যোগ পৰ্ব্ব।
১৭৬। হৰিবংশ।
১৭৭। নানা প্রকাৰ ছিন্ন পৰ্ব্ব।
১৭৮। তন্ত্রৰ পুস্তক।
১৭৯। কর্ণ পৰ্ব্ব।
১৮০। চণ্ডীৰ টীকা।
১৮১। ব্রহ্মবৈবৰ্ত্ত পুৰাণ।
১৮২। অধ্যাত্ম ৰামায়ণ।
১৮৩। উৎকল খণ্ড।
১৮৪। সত্যনাৰায়ণ ব্ৰত কথা।
১৮৫। সৰ্ব্বন্যাস তন্ত্র
১৮৬। ৰামগীতা ভাষ্য।
১৮৭। জৈমিনীৰ লব কুশ উপাখ্যান
১৮৮। আধ্যাত্ম ৰামায়ণ।
১৮৯। নিগম কল্পদ্রুম।
১৯০। সৎকৰ্ম্ম সন্দৰ্ভ।
১৯১। শক্তি গীতা।
১৯২। গীতা সাৰ।
১৯৩। কালী উদ্ধাৰ তন্ত্র
১৯৪। ব্রহ্মজ্ঞানার্ণব তন্ত্র।


**বঙালী পুথি**

১। বিষ্ণু পুৰাণ
২। আশ্রমিক পৰ্ব্ব
৩। উত্তৰাকাণ্ড
৪। শিৱ কীর্ত্তন
৫। ব্রহ্ম খণ্ড
৬। অৰণ্য কাণ্ড
৭। গদা পৰ্ব্ব
৮। ধৰ্ম্ম পুৰাণ
৯। শিৱ পুৰাণ
১০। গঙ্গাভক্তি তৰঙ্গিনী
১১। নল দময়ন্তী
১২। অশ্বমেধ পৰ্ব্ব
১৩। শিশু বোধক
১৪। বৈষ্ণৱ গ্রন্থ (১২ মাসী)
১৫। পদ্মপুৰাণ (মনসা উপাখ্যান)
১৬। পদ্ম পুৰাণ (অসম্পূর্ণ)
১৭। লঙ্কাকাণ্ড
১৮। বৃহদ্ধৰ্ম্ম
১৯। দ্বাত্রিংশ পুত্তলিকা
২০। ভ্রমৰ গীতা
২১। কিস্কিন্ধ্যা কাণ্ড
২২। ব্রহ্ম বৈবৰ্ত্ত পুৰাণ (প্রকৃতি খণ্ড)
২৩। মুষল পৰ্ব্ব
২৪। স্বৰ্গাৰোহণ
২৫। লঙ্কা কাণ্ড
২৬। ৰূপ সনাতন চৰিত্র
২৭। সাধন ভক্তি চন্দ্রিকা
২৮। ৰাধাকলঙ্কভঞ্জন
২৯। হংস দুত
৩০। হংস দুত
৩১। হৰি নাম কবচ
৩২। বৃন্দাবন ধ্যান
৩৩। ভক্তি বিৰচন
৩৪। সহজ চৰিত্র
৩৫। চৈতন্য-গীতা
৩৬। বৈষ্ণৱ বন্দনা
৩৭। বৈষ্ণৱ চৰিত্র
৩৮। নাম নথকা বৈষ্ণৱ গ্রন্থ
৩৯। নাম নথকা বৈষ্ণৱ গ্রন্থ
৪০। ৰামায়ণ অযোধ্যা কাণ্ড

৪১। সুন্দৰা কাণ্ড
৪২। চণ্ডী
৪৩। হিতোপদেশ
৪৪। শৈল্য পৰ্ব্ব
৪৫। বৃহদ্ধৰ্ম্ম পুৰাণ
৪৬। কৰ্ণ পৰ্ব্ব
৪৭। কৰ্ণ পৰ্ব্ব
৪৮। শিৱ পুৰাণ
৪৯। আতুৰ সন্ন্যাস
৫০। হিতোপদেশ
৫১। জ্বৰ জৰা মন্ত্ৰ
৫২। ভৌতিক মন্ত্ৰ
৫৩। চণ্ডিকাৰ ব্ৰত কথা
৫৪। ধৰ্ম্ম পুৰাণ
৫৫। ক্ৰিয়া যোগ সাৰ
৫৬। শান্তি পৰ্ব্ব (দানধৰ্ম্ম পৰ্ব্বাধ্যায়)
৫৭। উপকথা
৫৮। কোচ-বিহাৰ ইতিহাস
৫৯। সুন্দৰা কাণ্ড
৬০। ৰাম ৰামায়ণ।

এই তালিকাত একে পুথিৰে নাম একাধিক বাৰ উল্লেখ কৰা হৈছে। তাৰ কাৰণ, কোচ-বিহাৰত আচলতে কিমানখন পুথি পোৱা গৈছে তাৰ সংখ্যাটো দেখুওৱা।

প্ৰতাপ চন্দ্ৰ গোস্বামী



# প্ৰাচীন পুথিৰ অনুসন্ধান

## বটদ্ৰৱা অঞ্চল

**কৰচোং সত্ৰত থকা—**

১। শ্ৰুতি নিৰ্ণয় ... মহা মহোপাধ্যায় বিদ্যাবাগীশ ১১৭৪ শঁক
২। অশৌচ নিৰ্ণয় ... গোপাল পঞ্চানন ভট্টাচাৰ্য ১৭২৯ "
৩। শেষ দশম ১৭২৯ "
৪। হৰিশ্চন্দ্ৰ (পদ) ... শঙ্কৰদেৱ ১৭৩৩ "
৫। প্ৰয়োগ ৰত্নমালা ব্যাকৰণ ... পুৰুষোত্তম ভট্টাচাৰ্য বিদ্যাবাগীশ ১৭০৬ "
৬। পঞ্চম স্কন্ধ ভাগৱত (মূল) সংস্কৃত টীকা সহিত ১৭০৬ "
৭। চতুৰ্থ স্কন্ধ ভাগৱত (মূল) " " " ১৭০৫ "
৮। একাদশ স্কন্ধ ভাগৱত (মূল) " " " ১৭০৪ "
৯। শ্ৰীকেশ আতা চৰিত্ৰ (ঠাকুৰচৰিত) ... কেশ আতা
১০। শ্ৰীশ্ৰীবৈকুণ্ঠ প্ৰয়াণ (গুৰু চৰিত) ... ৰামচৰণ
১১। গুৰু চৰিত (শেষ ডোখৰ) ... ৰামচৰণ
১২। ভাগৱত ৰত্নসাৰ (মূল) ... বিষ্ণুপুৰী

একাদশ স্কন্ধ ভাগৱতখন সচিত্ৰ; ইয়াৰ ছবি, বিশেষকৈ প্ৰতি পৃষ্ঠাৰ চাৰিওকাষে থকা লতাবোৰ এনে মনমোহা আৰু উজ্জ্বল যে চাই থাকিবৰ মন যায়। কৰচোং সত্ৰত সম্পূৰ্ণ ৰামায়ণ দুখন আছে। আমি গোটেইবোৰ কাণ্ড দেখা নাপালোঁ। কিছুমান কাণ্ড ওপৰৰ ঘৰত আছে বলি ক'লে। এখন ৰামায়ণ আমি সাহিত্য সভালৈ খোজাত শ্ৰীশ্ৰীসত্ৰাধিকাৰ প্ৰভুৱে সকলোবোৰ গোটাই লৈ বেছি প্ৰাচীনখন সভাক দিম বুলি স্বীকাৰ কৰিছে।

শ্ৰীআতা কেশৱৰ চৰিত্ৰ, শ্ৰীশ্ৰীবৈকুণ্ঠ প্ৰয়াণ আৰু গুৰু চৰিত্ৰ (শেষ ডোখৰ), এই তিনিখন পুথি আলোচনাৰ নিমিত্তে আমি ৰচিত দি লগত লৈ আহিছোঁ।

**আইভেঁটি নসত্ৰত থকা—**

১। দশম স্কন্ধ ভাগত (আদ্য) ... শঙ্কৰদেৱ ১৬৬৮ শক

২। ৰামায়ণ সুন্দৰা, লঙ্কা, অযোধ্যা, উত্তৰা আৰু
কিষ্কিন্ধ্যা কাণ্ড ১৭৩০ ”
৩। ভাগৱত ১ম, ২য়, ৩য়, ৬ষ্ঠ আৰু একাদশ ১৭৮৪ ”
৪। গীতা ... গোবিন্দ মিশ্র ১৫৮৯ ”
৫। অদ্ভুত কাণ্ড ৰামায়ণ ১৭৭৫ ”
৬। অমৰ (সংস্কৃত) ... চক্ৰধৰ শৰ্মা
৭। অনন্তৰাম চৰিত্ৰ ... ভদ্ৰচাৰু দেৱ
৮। সন্তমালা

কুঁজীসত্ৰৰ পৰা অনা অনাদি পাতন পুথি এখন এই সত্ৰত দেখিলোঁ। পুথিখন তুলাপতীয়া, পাতবোৰ বৰ বহল। দীঘটো বহলৰ অলপহে বেছি, ধুনীয়া ধুনীয়া চিত্ৰেৰে পুথিখন ভৰা। কিন্তু পুথিখনৰ ২।৪ টা পাত নাই। আইভেঁটি সত্ৰৰ পৰা আমি অনন্তৰাম চৰিত আৰু সন্তমালা নামৰ দুখন পুথি আলোচনাৰ কাৰণে ৰচিত দি আনিছোঁ।

**বটদ্ৰৱা ছোটহিছাত থকা—**

১। হৰিশ্চন্দ্ৰ উপাখ্যান ১৭৩৩ শক
২। নাম-ঘোষা ১৬৬৮ ”
৩। ৰত্নকাৰ ... ৰামচৰণ ১৮২১ ”
৪। সহস্ৰ নাম আখ্যান

শেষৰ পুথিখন শ্ৰীযুত ভৱচন্দ্ৰ দেৱ মহন্তৰ পৰা আমি ৰচিদ দি আলোচনাৰ বাবে আনিছোঁ।

**বটদ্ৰৱা বৰহিছাত থকা—**

১। ঠাকুৰ চৰিত ... বিদ্যাই ওজা

বিদ্যাই ওজাৰ ঠাকুৰ চৰিত আমি আলোচনাৰ নিমিত্তে আনিছোঁ। বটদ্ৰবাৰ বৰহিছাত এখনি নাম-ঘোষা দেখা হ'ল, তাৰ পাতবোৰ বগা। শ্ৰীশ্ৰীসত্ৰাধিকাৰ প্ৰভুৱে কয় সাচিটপাতত ঢলমাটি ঘঁহা বুলি, অন্য এজনা বুঢ়া সত্ৰাধিকাৰে কয় কড়ি শিলত ঘঁহি সাঁচিপাতত লগাই বগা কৰিছে বুলি। পুথিখনি পাঠত থকাৰ কাৰণে আনিব পৰা নহ'ল। পুথিখনত শঁক নাপালোঁ। আখৰবোৰ বিজ্ঞ লোকৰ যেন লাগে; আৰু পদৰ দুই-এঠাইত প্ৰকাশিত ঘোষাৰ পৰা অলপ ব্যতিক্ৰম দেখা যায়। পুথিখন যেনে আছে তেনেভাৱে নকৰ কৰিববলৈ দি অহা হৈছে। কামটো সত্ৰাধিকাৰ প্ৰভুৰ সন্মুখত হ'ব।

**ভোগবাৰী সত্ৰত পোৱা পুথি —**

১। কীৰ্ত্তন ১৬৭০ শঁক

কৰচেং, আইভেঁটি আৰু ভোগবাৰীত যিবোৰ কীৰ্ত্তন দেখিলোঁ সেইবোৰৰ “বেদ স্তুতিত” তিনি অধ্যায় পদ আছে, শেষৰ অধ্যায় “ভৃগু পৰীক্ষা”। শুনা যায় দক্ষিণপাট সত্ৰত থকা কীৰ্ত্তনত ভৃগু পৰীক্ষাৰ পদ তিনি অধ্যায়।



**বালি সত্ৰত পোৱা পুথি ঃ**

১। নব সিদ্ধ ... শ্ৰীশঙ্কৰদেৱ ১৭৯৬ শঁক
২। দশম (আদ্য) ১৪৬১ ”
৩। পঞ্চৰাত্ৰ সাত্বতন্ত্ৰ (কথা) ভৱদেশ শৰ্মা ১৭৭৬ ”
৪। ভক্তি প্ৰদীপ ... শ্ৰীশঙ্কৰদেৱ ১৬৮৬ ”
৫। নাম মালিকা ... মাধৱদেৱ ১৬৮৬ ”
৬। ভাগৱত ১ম, ২য়, ৩য়, ৪ৰ্থ, ৫ম, ৬ষ্ঠ
৭ম স্কন্ধ ভাগৱত ১৭৩৬ ”
৭। অমৰ (সংস্কৃত)
৮। ৰত্নমালা (আখ্যাত)
৯। ব্ৰহ্মবৈবৰ্ত্ত পুৰাণ (ব্ৰহ্মখণ্ড গণপতি,
প্ৰকৃতি আৰু (শ্ৰীকৃষ্ণৰ জন্মখণ্ড) ১৬৮৯ ”
১০। পাঞ্চৰাত্ৰ তন্ত্ৰ বা সাত্বতন্ত্ৰ (পদ্য) ... লক্ষ্মীনাথ
১১। জ্যোতিষ ৰত্নমালা ... (মিহিৰ)
১২। ব্যৱস্থা চন্দ্ৰিকা ... চন্দ্ৰকান্ত
১৩। (বিভিন্ন ঠাইৰ ব্যৱস্থা থকা) স্মৃতি

আৰু ২৫।৩০ খনমান পুথি আনে স্পৰ্শ কৰিব নোৱাৰা ঠাইত আছে। সিবিলাকৰ অশৌচ সেই কাৰণে দেখুৱাব নোৱাৰিলে। অলপতে তাৰ বিৱৰণ পঠাব বুলি আমাক প্ৰতিশ্ৰুতি দিছে।

১৪৬১ শঁকৰ দশমখন তুলাপতীয়া আৰু সচিত্ৰ ১ আখৰবোৰ দেৱ নাগৰ পৰা অলপহে বিভিন্ন। বালি সত্ৰৰ পুথিবোৰৰ স্বত্বাধিকাৰী শ্ৰীযুত শিবেন্দ্ৰ নাৰায়ণ দেৱ গোস্বামী। তেখেতে কয় ভাগৱতৰ বাকী কেইস্কন্ধও তেখেতৰ ঘৰত আছে আৰু সাহিত্য সভাই সহায় কৰিলে তেখেতে সম্পূৰ্ণ অসমীয়া ভাগৱত প্ৰকাশ কৰিব পাৰে। তেখেতৰ অৱস্থা মজলীয়া কিন্তু অকলসৰীয়া মানুহ; সেই কাৰণে অকলে সমস্ত খৰচ বহন কৰিব নোৱাৰে। তেখেতৰ পুথিবোৰ হস্তান্তৰ কৰিববৰ মন নাই, ইতিপূৰ্ব্বে কেইজনমান খ্যাতনামা লোকে কিছুমান পুথি নি হেনো ফিৰত নিদিলে।

ব্ৰহ্মবৈবৰ্ত্ত পুৰাণখন ত্ৰিশটকা মান দিলে নকল কৰাব পাৰি। তাত কেবাজন ভাল লিখা-পঢ়া জনা লোক আছে। স্বত্বাধিকাৰীও শিক্ষিত লোক, তেখেতে নকল কৰাই আৰু মিলাই দিব পাৰিম বুলি গাত লৈছে।

**অন্যান্য বস্তু —**

১) মানুহে বেচা কাকত,

আইভেটি নসত্ৰত কেবাখনো মানুহ কিনা সাঁচিপাত পালোঁ। তাৰ এখন সাহিত্য সভালৈ অনা হৈছে। যিখন অনা হৈছে তাত লিখা আছে —


যি ঠাইলৈ গৈছিলোঁ সকলো ঠাইতে আমি পুত্ৰবৎ স্নেহ, ভাতৃবৎ সাদৰ পাইছিলোঁ।

শ্ৰীশ্ৰীকৰচোং সত্ৰাধিকাৰ প্ৰভুৱে তেৰাৰ হাতীটো দুদিন আমাক লৈ ফুৰাবলৈ দি আমাক সহায় কৰিছিল।

ভেতিয়নি সত্ৰৰ সোদৰোপম বন্ধু শ্ৰীযুক্ত যজ্ঞেন্দ্ৰ নাৰায়ণ দেৱ গোস্বামী দেৱে পাঁচ দিন একেলানীয়ে আমাৰ লগত ফুৰি অশেষ কষ্ট ভোগ কৰিছিল; ইয়াৰ উপৰি তেৰাৰ ঘৰত আমাক দুদিন ৰাখি দেৱতাক শুশ্ৰূষা কৰাৰ দৰে আদৰ-অভ্যৰ্থনা কৰি অতিথি সৎকাৰৰ যি দৃষ্টান্ত দেখুৱাইছে তাক আমি জীৱিত কালত পাহৰিব নোৱাৰিম। সেই দুদিন আমি নিজা ঘৰত ভাই-ভনীৰ মাজত বাস কৰাৰ দৰে পাইছিলোঁ। গোস্বামী দেৱৰ হাতত তিনিখান ঠাকুৰ চৰিত আছে; এখান বিদ্যাই ওজা কৃত, এখান হৰিনাৰায়ণ আতা কৃত আৰু আন খন দ্বিজভূষণে ৰচা। তিনিওখান ঠাকুৰ চৰিত এৰাই নকল কৰিব ধৰিছে। নকল কৰা হৈ উঠিলে মূল পুথি তিনিখান আৰু কপি সাহিত্য সভালৈ পঠাম বুলি স্বীকাৰ কৰিছে। সভাই চাই দিলে তেখেতে নিজ ব্যয়ৰে তাক প্ৰকাশ কৰিব। আমাৰ বোধে গোস্বামীদেৱে এদিৰে কামটো কৰিলে সাহিত্য সভাই তেৰাক আংশিক পৰিমাণে সহায় কৰা উচিত হ'ব।

আমাৰ আত্মীয় শ্ৰীযুত চন্দ্ৰধৰ দেৱ মহন্ত আৰু শ্ৰীযুত গোপালচন্দ্ৰ দেৱ মহন্ত দ্বয়েও পুথি বিচৰা কামত আমাক বহুত সহায় কৰিছিল। আমাৰ কাৰ্য্যৰ সহায়কাৰী সকলো ভাই-বান্ধৱক আমাৰ কৃতজ্ঞতা জনালোঁ।

**হৰিনাৰায়ণ দত্তবৰুৱা।**



# অসম সাহিত্য সভাৰ লাইব্ৰেৰিৰ অসমীয়া কিতাপৰ তালিকা

| নং | কিতাপৰ নাম | গ্ৰন্থকৰ্তা বা প্ৰকাশক |
|---|---|---|
| ১। | অসমীয়া মহাভাৰত ঃ— | |
| | ক) বিৰাট পৰ্ব | কংশাৰী দেৱ |
| | খ) উদ্যোগ পৰ্ব | ৰাম সৰস্বতী |
| | গ) দ্ৰোণ পৰ্ব | ঐ |
| | ঘ) কৰ্ণ পৰ্ব | বিদ্যা পঞ্চানন |
| | ঙ) গদা পৰ্ব | ৰাজ মিশ্ৰ |
| | চ) সৌপ্তীক পৰ্ব | দুৰ্গাপ্ৰসাদ শৰ্ম্মা |
| | ছ) নাৰী পৰ্ব | ধৰ্ম্মেশ্বৰ মহন্ত |
| | জ) শান্তি পৰ্ব | লক্ষ্মীনাথ কবি |
| | ঝ) পাশা পৰ্ব | গোপীনাথ শৰ্ম্মা |
| | ঞ) গদা যুদ্ধ পৰ্ব | হৰিশ্চন্দ্ৰ গোস্বামী |
| | ট) কিৰাট পৰ্ব | কংশাৰী দেৱ |
| | ঠ) বভ্ৰুবাহন পৰ্ব | |
| | ড) খটাসুৰ বধ | |
| | ঢ) বঘাসুৰ বধ (বন পৰ্ব) | ভাৰত চন্দ্ৰ |
| | ণ) কুৰ্ম্মৱলী বধ (কুমুদ পুৰাণ) | সাগৰ খৰি। |
| ২। | অসমীয়া ভাগৱত ঃ— | |
| | ক) ২য় স্কন্ধ | ৰাম সৰস্বতী |
| | খ) ৪ৰ্থ স্কন্ধ | শঙ্কৰ দেৱ |
| | গ) ৮ম স্কন্ধ | ঐ |
| | ঘ) ১০ম স্কন্ধ | ঐ |
| | ঙ) ১১শ স্কন্ধ | ঐ |

| | | |
|---|---|---|
| | চ) ১২শ স্কন্ধ | ঐ |
| ৩। | অসমীয়া নিদান | গায়ন গোস্বামী |
| ৪। | অসমীয়া বৰ বেজালী | ঋষভ গোস্বামী |
| ৫। | অসমীয়া ধন্বন্তৰী নিদান (বা বৃহঋং বৈদ্যসাৰ) | কনকেশ্বৰ শৰ্ম্মা |
| ৬। | অসমীয়া কৃষিতত্ত্ব | নাৰায়ণ বৰুৱা |
| ৭। | অসমীয়া আৰু বঙ্গলা ভাষা | দেৱেশ্বৰ চলিহা |
| ৮। | অন্ন-বস্ত্ৰ | ঐ |
| ৯। | অসমীয়া লৰাবোধ ব্যাকৰণ | ধৰ্ম্মেশ্বৰ গোস্বামী |
| ১০। | অসমীয়া ব্যাকৰণ | লোকনাথ |
| ১১। | অৰ্চ্চনা | হৰিদয়াল পাঠক |
| ১২। | অঞ্জলি | দুৰ্গেশ্বৰ শৰ্ম্মা |
| ১৩। | অসমীয়া স্বাস্থ্যবিধি | চক্ৰেশ্বৰ শৰ্ম্মা |
| ১৪। | অমৰ লীলা | পদ্মধৰ চলিহা |
| ১৫। | অগ্নি পুৰাণ | শিৱনাথ ভট্টাচাৰ্য |
| ১৬। | অৰ্জ্জুন সংবাদ বা অৰ্জ্জুন গীতা | লক্ষপতি |
| ১৭। | অমূল্য ৰত্ন | মাধৱদেৱ |
| ১৮। | অভীষ্ট পুৰাণ | মুক্তাধৰ শৰ্ম্মা |
| ১৯। | অভিমন্যু বধ নাট | ভাৰত দাস |
| ২০। | অশোক চৰিত্ৰ | শিৱনাথ ভট্টাচাৰ্য্য |
| ২১। | অজামিল উপাখ্যান সৰু, বৰ (দুখন) | শঙ্কৰ দেৱ |
| ২২। | অঙ্গদ ৰাইবৰ | কীৰ্ত্তবাস |
| ২৩। | অশৌচ তত্ত্ব সংগ্ৰহ | ৰত্নেশ্বৰ শৰ্ম্মা |
| ২৪। | অসমীয়া খেতি | |
| ২৫। | অসমীয়া লৰাৰ ইংৰাজী শিক্ষা | ৰোহিতেশ্বৰ দত্ত |
| ২৬। | অৰ্জুন গীতা | বলিকানন্দ দত্ত |
| ২৭। | অসমীয়া চাহাব বা নীগ্ৰো | দুৰ্গাপ্ৰসাদ দত্ত |
| ২৮। | অসমীয়া ৰাজভাষা | লক্ষ্যশ্বৰ বৰঠাকুৰ |
| ২৯। | অদ্ভুত গণনা জ্যোতিষ | তীৰ্থনাথ গোস্বামী |
| ৩০। | অসমীয়া সাহিত্য ৩য় ভাগ | ৰোহীতেশ্বৰ দত্ত |
| ৩১। | অদ্ভুত ৰামায়ণ (পাতাল খণ্ড) | ৰঘুনাথ দাস মহন্ত |
| ৩২। | অসম প্ৰতিভা | দৈবচন্দ্ৰ তালুকদাৰ |
| ৩৩। | অসমীয়া গান | লক্ষ্মীৰাম বৰুৱা |
| ৩৪। | অসমীয়া স্তৱ কবচ | তীৰ্থনাথ গোস্বামী |



| | | |
|---|---|---|
| ৩৫। | অসমীয়া ব্যাকৰণ | হেমচন্দ্ৰ বৰুৱা |
| ৩৬। | অসমীয়া ব্যাকৰণ | শিৱনাথ ভট্টাচাৰ্য্য |
| ৩৭। | অসমীয়া লৰাৰ ব্যাকৰণ | দীনবন্ধু মিত্ৰ |
| ৩৮। | অনুবাদ শিক্ষা | তুলসী প্ৰসাদ |
| ৩৯। | অসম বুৰঞ্জী | কাশীনাথ তামুলিফুকন |
| ৪০। | অসম বুৰঞ্জী | হেমচন্দ্ৰ গোস্বামী |
| ৪১। | অসমীয়া সাহিত্যৰ বাছনি | গোলাপ গোস্বামী |
| ৪২। | গীতা | খগেশ্বৰ শৰ্ম্মা |
| ৪৩। | অসমীয়া সাহিত্যৰ চানেকী<br>২য় ভাগ — ১ম, ২য়, ৩য়, ৪ৰ্থ খণ্ড<br>৩য় ভাগ — ১ম আৰু ২য় খণ্ড | হেমচন্দ্ৰ গোস্বামী |
| ৪৪। | অসমীয়া কৰতি | সোনাৰাম পণ্ডিৎ |
| ৪৫। | অতুল কথা মালা | প্ৰতিভা দেৱী |
| ৪৬। | অসমীয়া সাহিত্যৰ সাজ | সেনাপতি শৰ্মা |
| ৪৭। | অঙ্কণ | যমুনেশ্বৰী শইকীয়া |
| ৪৮। | আদিকাণ্ড ৰামায়ণ | মাধৱ কন্দলি |
| ৪৯। | আৰ্হি-তিৰোতা | স্বৰ্ণলতা ৰায় |
| ৫০। | আৰ্হি-চৰিত | ফনীধৰ চলিহা |
| ৫১। | আহোমৰ দিন | সূৰ্য্যকুমাৰ ভূঞা |
| ৫২। | আদিকাণ্ড ১ম, ২য়, ভাগ | হৰিনাৰায়ণ দত্ত বৰুৱা |
| ৫৩। | ...... | শিৱনাথ ভট্টাচাৰ্য |
| ৫৪। | .. | হৰিৰাম মহন্ত |
| ৫৫। | ...... | সূৰ্য্যকুমাৰ ভূঞা |
| ৫৬। | .......... | জ্ঞাননাথ বৰা |
| ৫৭। | ....... | হৰিনাৰায়ণ দত্ত বৰুৱা |
| ৫৮। | অসম বুৰঞ্জী | পদ্মনাথ গোঁহাই বৰুৱা |
| ৫৯। | আনন্দৰাম ঢেকিয়াল ফুকন | গুনাভিৰাম বৰুৱা |
| ৬০। | আসন পতা আই নাম | কিনাৰাম |
| ৬১। | আদৰ্শ-ভূ-পৰিচয় ১ম, ২য় ভাগ | জ্ঞানৰঞ্জন চিত্ৰ |
| ৬২। | আশুবোধ ব্যাকৰণ | নাৰায়ণ শৰ্মা |
| ৬৩। | আভাস কাব্য | হিতেশ্বৰ বৰ বৰুৱা |
| ৬৪। | অসমৰ আঠোতা জাতিৰ উৎপত্তি | কেশব কান্ত বৰুৱা |
| ৬৫। | আশীৰ্বাদৰ পুথি | তীৰ্থনাথ মহন্ত |

| | | |
|---|---|---|
| ৬৬। | আকাশ ৰহস্য | সত্যনাথ বৰা |
| ৬৭। | আয়ুৰ্বেদ গ্ৰন্থসাৰ | জগন্নাথ বেজবৰুৱা |
| ৬৮। | আৰিমত বা গদাধৰ চৰিত | গোলাপচন্দ্ৰ শৰ্মা |
| ৬৯। | ইন্দীবৰ বৰুৱা | উপেন্দ্ৰ নাথ বৰুৱা |
| ৭০। | ইংলণ্ডৰ বুৰঞ্জী | হৰিনাৰায়ণ দত্ত বৰুৱা |
| ৭১। | ইংলণ্ডৰ বুৰঞ্জী | ৰোযেশ্বৰ শৰ্ম্মা |
| ৭২। | ইতিহাস পুৰাণ | ভাৰতচন্দ্ৰ |
| ৭৩। | ঈচপৰ উপকথা | ৰোযেশ্বৰ শৰ্ম্মা |
| ৭৪। | উবাহ তত্ত্ব | তীৰ্থনাথ মহন্ত |
| ৭৫। | উবাচ মন্ত্ৰ | এজেঞ্চি কোং |
| ৭৬। | উদ্ধ পাঠ | বলদেব মহন্ত |
| ৭৭। | উজু কবিতা | দুৰ্গাপ্ৰসাদ দত্ত |
| ৭৮। | উজু মৌখিক | হৰিনাৰায়ণ আৰু ৰোহিতাশ্ব |
| ৭৯। | উষা হৰণ | বৃষকেতু |
| ৮০। | উৰ্বষী উদ্ধাৰ | ধনীৰাম দত্ত |
| ৮১। | উদ্ধৱ সংবাদ বা ভক্তিতত্ত্ব সাৰ | ভদ্ৰসেন বৰা |
| ৮২। | এৰিমুগা শিক্ষা | ৰতিকান্ত বৰা |
| ৮৩। | এলিমেণ্টৰী কম্পজিচন্ | বি, চি, শৰ্মা |
| ৮৪। | ওমৰ তীৰ্থ | যতীন্দ্ৰ দুৱৰা |
| ৮৫। | ওভোটা গু কৰতি | শিৱনাথ ভট্টাচাৰ্য |
| ৮৬। | কীৰ্তন ঘোষা | শঙ্কৰ দেৱ |
| ৮৭। | কামৰূপীয় বিয়া গীত ২য় খণ্ড | প্ৰসন্নকুমাৰ বৰুৱা |
| ৮৮। | কুঁহি | লক্ষেশ্বৰ শৰ্মা |
| ৮৯। | কথা মহাভাৰত | ৰোযেশ্বৰ শৰ্মা |
| ৯০। | কথা গীতা | বৈকুণ্ঠনাথ কবিৰত্ন |
| ৯১। | কমল কলি | সীতানাথ বন্ধ চৌধুৰী |
| ৯২। | কুমৰ হৰণ | চন্দ্ৰ ভাৰতী |
| ৯৩। | কুকুৰি কণাৰ আঠ মঙ্গলা | মিত্ৰদেৱ মহন্ত |
| ৯৪। | কুঁহি মালা | দৈবচন্দ্ৰ তালুকদাৰ |
| ৯৫। | কথা ৰামায়ণ | মহাদেৱ শৰ্মা |
| ৯৬। | কৃষি শিক্ষা | মাধৰাম দাস |
| ৯৭। | কেন্দ্ৰ সভা | সত্যনাথ বৰা |
| ৯৮। | কলঙ্ক ভঞ্জন | মহেন্দ্ৰ চৰকাৰ |



| | | |
|---|---|---|
| ৯৯। | কলিধৰ্ম | শঙ্কৰ দেৱ |
| ১০০। | কবিতা কুসুম | কুমুদ বৰঠাকুৰ |
| ১০১। | কবিতা চন্দ্ৰিকা | ধনাই বৰা |
| ১০২। | কবিতা মালা ২য় | ভোলানাথ দাস |
| ১০৩। | ক — খ | কুমুদ বৰঠাকুৰ |
| ১০৪। | কৰ্ম্মফল | বিষ্ণুৰাম দাস |
| ১০৫। | কঠিন শব্দৰ ৰহস্য ব্যাখ্যা | গুণাভিৰাম বৰুৱা |
| ১০৬। | কাউৰী চৰিত | তীৰ্থনাথ গোস্বামী। |

**১৯৪৩ চনত পুথিভঁৰালত মুঠ কিতাপৰ সংখ্যা—**

| | | |
|---|---|---|
| অসমীয়া কিতাপ | — | ৬১৫ খন |
| ইংৰাজী কিতাপ | — | ৬৮ খন |
| সংস্কৃত কিতাপ | — | ২৮ খন |
| বঙলা কিতাপ | — | ৩৯ খন |
| চৰকাৰে দিয়া | — | ৬৪ খন |

এই বৰ্ষত পুথিভঁৰালৰ বাবে গ্ৰন্থ ক্ৰয়ত ১৬৫০.০০ টকা খৰচ হৈছিল।

**কাৰ্যালয়ৰ চিঠি-পত্ৰ—**

| | |
|---|---|
| ১৯৪৯ বৰ্ষত সভাই দিয়া চিঠি | ১৬৮২ খন |
| উত্তৰ পোৱা চিঠি | ৪৯২ খন |
| আগৰ বছৰত পোৱা চিঠি | ১৬৯ খন |
| আগৰ বছৰত দিয়া চিঠি | ১৫০৯ খন |

# Short Note on the History of the Assam Sahitya Sabha.

The Assam Sahitya Sabha was first established under the auspices of the Assam Association during its sessions of December, 1917 when presided over by the late Rai Bahadur Phanidhar Chaliha at Jorhat, and in the following year it was resolved to hold its annual Conference independently, with headquarters at Jorhat. It was registered as a Literary Association in 1924 under Act XXI of 1860. It defined its aim and objects as follows :—

1. Improvement of the Assamese language and literature by spread and cultivation.

2. Preservation and publications of ancient Puthis, collection of rare publications and of historical relics, and to establish a Museum.

3. Encouragement of arts and music.

4. Research into the History of the people, their language, literatures, arts, etc., and into the ancient Topography of Assam, and to establish a Research Institute.

## GENERAL PROCEDURE.

Annual Conferences are held every year in different parts of the Valley with the members, and with the general public having interest in the works of the Sabha, where different subjects relating to the objects of the Sabha are discussed, and proposals are adopted for carrying them into action.

## OFFICE CONSTITUTION

There is a central Body called the Executive Committee or the Governing Body, the members of which are annually elected in the general conference from among the members, and is now located permanently at Jorhat where they have a building dedicated to the Sahitya Sabha by the "Chandrakanta—Indrakanta Endowment Trust Board."

There is the office of the General Secretary, the Treasurer and Accountant, and the Librarian, the office—bearers, who are also elected in the same annual conference. The General Secretary is in charge and general control over the Sabha, the Treasurer and Accountant in charge of the funds and their accounts, the Librarian in charge of the Library of the Sabha and the Editor of the "Assam Sahitya Sabha Patrika" in charge of the Journal of the Sabha which is the mouth piece of the Sabha. The Executive Committee is responsible for carrying out the programme of work laid down in the General Conference. The total number of members constituting the Executive Committee is now 40, of which 18 are from Jorhat and 22 are from moffissil Associations.



[ 2 ]

The Sabha has 38 branch Associations all over the Assam Valley. They are affiliated to main Sabha, and are entitled to send proposals and also to vote in the General Conference.

There are 350 members on the roll. To be a member a minimum fee of Re. 1/- is levied and for the affiliation of a branch Association, a minimum fee of Rs. 10/- is levied annually. But many of the members and branch Associations have now ceased owing to their failure to pay their annual fee.

## ENDOWMENTS :—

Three Endowments have been made till now to the Sabha with their own prescribed works to be managed by the Sabha.

(1) "The Chandrakanta—Indrakanta Trust Fund" was established by Rai Bahadur R. K. Handiqui with a sum of Rs 30,000/- out of which Rs. 15,000/- had been spent in constructing a fine building at Jorhat, viz., the Chandrakanta Institute where according to the conditions of the Trust Deed, the office of the Executive Committee is permanently located, and the rest, Rs. 15,000/-, has been invested in 6½% Government Security Bonds giving an annual income of Rs. 975/- which is devoted to the compilation of the Chandrakanta Abhidhan, which is now complete and will be published by the end of March this year. After this work, a comprehensive History of Assam will have to be compiled. The works under this Trust Board are controlled by the terms and conditions of the Trust Deed, which had been accepted by the Assam Sahitya Sabha.

(2) "The Naradev Trust Fund" had been created by an Endowment of Rs. 5,000 made by His Holiness the late Naradev Adhikar Goswami of Dakhinpat Satra on a Trust Deed which gives an annual income of Rs. 175/- per annum, and according to the terms of which, only ancient Puthis of religious character are to be published. Puthis on the life of (1) Dev Damodardev, (2) Banamali Dev have been published with the income of this fund, and another Puthi, 'Brahmavaivarta Puran,' is now in the Press and will be published in a month or two.

(3) "Kamala Devi Trust Fund" was established by Srijut Radhanath Goswami of Mahara Satra, Golaghat, with a trust fund of Rs 2,000/-, the interests of which are to be devoted to awarding money prizes to best successful authors of books relating to children stories. Writers of simple stories on (1) Katha Mahabharata (2) Maharaj Narnarayan have been awarded, and their books have also been published, and the author of a story book on Todd's Rajasthan has been awarded this year with a money prize whose book is now in the Press.

## INCOME OF THE SASHA

Income of the Sabha consists of

(1) Grant from Government, (2) Subscription from members and Branch Associations, (3) Grant from Local Bodies.

(1) *Government Grant* :—

Government granted a sum of Rs. 1,000/- annually for the years 1925-26 and 1927-28 and a sum of Rs 2,000/- in 1926-27, and Rs. 3,000/- in 1928-29, but in 1929-30 Government reduced it to Rs. 1,000/- only, and after 1929-30 they have till now made no grant.

[ 3 ]

(2) Grants from Local Bodies :—

The amounts of subscriptions made by Local Bodies were Rs. 620/- and Rs. 540/- in 1930-31 and 1931-32 respectively. Some of the Boards have reduced their contribution during the last year.

(3) Subscriptions from members.

The amounts raised from subscriptions from members were Rs. 66/- and Rs. 71-8-0 only for the last two years and from Branch Associations only Rs. 50/- was received in the year 1931-32

During the year 1930-31 and 1931-32 the income from all sources including the opening balance of previous years, amounted to Rs. 1218-1-1 and Rs. 1125-3-5 respectively, and the expenditure incurred was Rs 3156-2-3 and Rs. 2793-0-3 respectively.

WORKS DONE OR PROPOSED :—

The following books have been published by the Sabha by awarding prizes in money to authors of books in open competition. (1) a book on Novel. (2) a book on Cookery. (3) Elementary Chemistry. (4) Elementary Science.

In 1930-31, 8 Elementary books on modern Science viz., on Botany, Geology, Astronomy, Anatomy, Zoology, Politics, Economics, and Physical Science were taken up, but 1931-32 only three of them had to be retained, the rest kept in abeyance for want of funds.

In addition to above programme of work, the following works have been proposed as the main objects of the Sabha, but they have not been taken up for want of funds.

(1) Collection of ancient Manuscripts and of rare publications and other relics with a view to from the neucleus of a Research Institute and a Museum, and compilation of all such information in a form readily available for reference.

This requires a substantial fund to begin with, and a sum of at least Rs 10,000/- has been estimated for this purpose.

(2) Preparation of a series of fiction literature to popularize the Assamese literature.

For this, a sum of Rs. 1,500/- is estimated annually to be spent.

(3) Preparations and publication of Elementary books on all modern Scientific subjects, including books on Citizenship, History of the world, Tea Cultivation, Temperance, Cottage Industry, etc., etc.,

(4) To start a monthly Review, which besides being the mouth piece of the Sabha, will publish literary topics of high interest fascilibating to carry out the objects of the Sabha. The Sahitya Sabha Patrika was started as a quarterly Review from 1926 to 1928 which became bi-monthly from November 1928, but since January 1932 it ceased its publication for want of funds. Cost of its publication was estimated at Rs. 1,200/- per year.

Assam Sahitya Sabha,
Chandrakanta Handiqui Hall,
Jorhat.
The 1st March. 1933.

D. Chaliha,
*General Secretary,*
Assam Sahitya Sabha, Jorhat.

PRINTED AT THE ASIATIC PRINTING WORKS, JORHAT



আসাম

# সাহিত্য সভা পত্ৰিকা

প্ৰথম বছৰ

আহিন ১৮৪৮— ভাদ ১৮৪৯

সম্পাদক


শ্ৰীচন্দ্ৰধৰ বৰুৱা

প্ৰকাশক

আসাম সাহিত্য সভা

চন্দ্ৰকান্ত সন্দিকৈ হল, যোৰহাট।

যোৰহাট দৰ্পণ প্ৰেচত
শ্ৰীটুনিৰাম শৰ্ম্মা বৰুৱাৰ দ্বাৰা ছপা কৰা হ'ল।



আসাম সাহিত্য সভা

স্থাপিত ১২ পুহ,
১৮৩৯ শঁক ;
খ্রীঃ ২৭।১২।১৯১৭

খ্রীঃ ১৮৬০ চনৰ ২১ নং
আইন অনুসৰি
ৰেজিষ্টৰী হোৱা

নিয়মাৱলী

সংশোধিত আৰু পৰিবৰ্ত্তিত

দশম সংস্কৰণ

১৮৫৮ শঁক, খ্রীঃ ১৯৩৬

চন্দ্ৰকান্ত সন্দিকৈ হল্,
যোৰহাট।



প্ৰকাশক—শ্ৰীদেবানন্দ শৰ্ম্মা
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা
যোৰহাট।

ইং ১৯৩৬ চন।

শ্ৰীপ্ৰতাপচন্দ্ৰ খাৰঘৰীয়া দ্বাৰা
যোৰহাটৰ
এচিয়াটিক প্ৰিণ্টিং ৱৰ্কসত
ছাপা হল।

আসাম সাহিত্য সভাৰ

নিয়মাৱলী।

—::#::—

প্ৰথম ছেদ্

১। এই সভাৰ নাম—"আসাম সাহিত্য সভা"।

দ্বিতীয় ছেদ্। (উদ্দেশ্য)

১। অসমীয়া ভাষা আৰু সাহিত্যৰ সৰ্ব্বাঙ্গীন উন্নতি কৰাই এই সভাৰ উদ্দেশ্য। সেই উদ্দেশ্যে সভাই তলত দিয়া মতে কাৰ্য্য কৰিবলৈ যত্নপৰ হ'ব :—

(ক) অভিধান আৰু ব্যাকৰণ সঙ্কলন আৰু প্ৰকাশ।

(খ) প্ৰাচীন সাহিত্যৰ অনুসন্ধান—যেনে পুৰণি পুথি, বৰগীত, সাধু-কথা, ফকৰা আদিৰ সংগ্ৰহ।

(গ) আমাৰ সাহিত্যত যি যি বিষয়ৰ পুথিৰ অভাৱ, সেই সেই বিষয়ৰ পুথি লিখোৱাৰ চেষ্টা।

(ঘ) অৱস্থাহীন সাহিত্যিকৰ সদ্‌গ্ৰন্থ-প্ৰকাশ বা প্ৰকাশৰ নিমিত্তে সাহায্য-দান।

(ঙ) নিৰ্ভাঁজ পুৰণি অসমীয়া সুৰৰ (গ্ৰেমোফনৰ) "ৰেকৰ্ড" প্ৰকাশৰ চেষ্টা।

(চ) সঙ্গীত আৰু চিত্ৰ-বিদ্যা শিক্ষাৰ উন্নতিসূচক কাৰ্য্যৰ বিধান।

[ ২ ]

(ছ) সভাৰ মুখ-পত্ৰ এখন প্ৰকাশ।

(জ) সৰ্ব্বসাধাৰণৰ মাজত সাহিত্য-প্ৰচাৰৰ চেষ্টা।

(ঝ) সাহিত্যৰ উন্নতিৰ অৰ্থে আন কোনো প্ৰকাৰৰ যত্ন।

২। এই সভাত ৰাজনৈতিক আৰু সাম্প্ৰদায়িক আন্দোলন হ'ব নোৱাৰিব।

## তৃতীয় ছেদ্ (সভাৰ গঠন)।

১। সভাৰ সভ্যসকলৰ তিনিটা শ্ৰেণী থাকিব :—
(ক) বিশিষ্ট সভ্য (খ) সাধাৰণ সভ্য, (গ) আজীৱন সভ্য।

২। অসমীয়া ভাষা আৰু সাহিত্যৰ বিশেষ হিতাকাঙ্ক্ষী যি কোনো লোকক কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে "বিশিষ্ট সভ্য" ( Honorary Member ) কৰি লব পাৰিব।

৩। (ক) অসমীয়া ভাষা আৰু সাহিত্যৰ হিতাকাঙ্ক্ষী মাত্ৰেই সভাৰ "সাধাৰণ সভ্য" হব পাৰিব।

(খ) ১৮ বছৰৰ কম বয়সীয়া কোনো লোক এই সভাৰ সভ্য হব নোৱাৰিব।

(গ) সাধাৰণ সভ্যই ভৰ্ত্তি ফি এটকা আৰু বছেৰেকীয়া বৰঙনি এটকা দিব লাগিব।

(ঘ) কোনো লোকে সভ্য হব খুজিলে সভাৰ প্ৰধান সম্পাদকক নিৰ্দ্দিষ্ট আবেদন-পত্ৰত চহি কৰি জনাব লাগিব; দুজন সভ্যই চিঠিৰ দ্বাৰা বা সভাৰ কোনো

[ ৩ ]

অধিবেশনত মৌখিক প্ৰস্তাৱ আৰু সমৰ্থন কৰিলেহে সভ্য মনোনীত হব পাৰিব।

৪। যি সাধাৰণ সভ্যই বছেৰেকীয়া বৰঙনিৰ সলনি একে বাৰতে সভালৈ অন্যূন এশ টকা দান কৰে, তেওঁ "আজীৱন সভ্য" ( Life Member ) বুলি গণ্য হব।

৫। এই সকল সভ্যৰ উপৰিও কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে কোনো বিশিষ্ট ব্যক্তিক বিশেষ বিবেচনা কৰি সভাৰ "হিতৈষী" ভুক্ত কৰি লব পাৰিব।

৬। তলত দিয়া কোনো এটা কাৰণৰ বাবে সভ্যৰ নাম সভ্য শ্ৰেণীৰ পৰা বাদ পৰিব :—
(ক) সভ্যই পদ ইস্তফা দিলে, (খ) সভ্যৰ মৃত্যু হলে, (গ) একেবাৰে দুবছৰৰ বছেৰেকীয়া বৰঙনি নিদিলে।

৭। কিন্তু এনে সভ্যই দুবছৰৰ বাকী বৰঙনি দিলে আকৌ সভ্য হব পাৰিব।

৮। বছৰে বছৰে বৰঙনি নিদিলে কোনো সভ্যই ( বা স্বীকৃত সভাই ) ভোট দিব নোৱাৰিব। হিতৈষী আৰু বিশিষ্ট সভ্যৰ কোনো ভোট নাথাকিব।

৯। সভ্যসকলে সভাৰ মুখ-পত্ৰ আৰু সভাই নিজে প্ৰকাশ কৰা পুথি অৰ্দ্ধ মূল্যত পাব।

## চতুৰ্থ ছেদ্। (কাৰ্য্য-নিৰ্ব্বাহক সমিতি)

১। সভাৰ সকলো কাম কৰিবলৈ এখন কাৰ্য্য-নিৰ্ব্বাহক সমিতি থাকিব।



[ ৪ ]

২। কাৰ্য্য-নিৰ্ব্বাহক সমিতি প্ৰতি সাধাৰণ সম্মিলনত তলত লিখা মতে গঠিত হব :—

(ক) অসম উপত্যকাৰ প্ৰত্যেক মহকুমাৰ পৰা দুজন।

(খ) যি মহকুমাৰ পৰা সম্পাদক নিৰ্ব্বাচিত হয় সেই মহকুমাৰ পৰা ১৪ জন আৰু যোৰহাটৰ পৰা দুজন অধিক আৰু তলত লিখা ট্ৰাষ্ট ফণ্ডৰ পৰা একোজনকৈ :—
(১) চন্দ্ৰকান্ত ট্ৰাষ্ট ফণ্ড (২) নবদেৱ ট্ৰাষ্ট ফণ্ড (৩) কমলা দেৱী ট্ৰাষ্ট ফণ্ড।

৩। বিনা কাৰণত একাদিক্ৰমে চাৰিখন সভাত অনুপস্থিত থাকিলে কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ সভ্যৰ নাম সেই সমিতিৰ পৰা বাদ পৰিব।

৪। (ক) কাৰ্য্য-নিৰ্ব্বাহক সমিতিত তলত দিয়া কৰ্ম্মচাৰীসকল থাকিব:—(১) এজন প্ৰধান সম্পাদক (২) দুজন সহকাৰী সম্পাদক (৩) এজন হিচাব-ৰক্ষক আৰু ধন-ভঁৰালী (৪) পত্ৰিকাৰ এজন সম্পাদক আৰু (৫) এজন পুথি-ভঁৰালী।

(খ) এই কৰ্ম্মচাৰীসকলৰ ভিতৰত ধন-ভঁৰালী আৰু পুথি-ভঁৰালী যোৰহাটৰ হব লাগিব। ধন-ভঁৰালী জনেই হিচাপ-ৰক্ষক হব।

(গ) এই কৰ্ম্মচাৰীসকল প্ৰধান সভাৰো কৰ্ম্মচাৰী হব।

(ঘ) এই কৰ্ম্মচাৰীসকল প্ৰত্যেক সম্মিলনত নিৰ্ব্বাচিত হব আৰু পিচৰ সম্মিলনলৈকে তেখেতসকল কৰ্ম্মচাৰীৰূপে

[ ৫ ]

থাকিব, আৰু আকৌ তেখেতসকল নিৰ্ব্বাচিত হব পাৰিব।

৫। কোনো সভ্যৰ বা কৰ্ম্মচাৰীৰ ঠাই খালি হলে কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে সেই ঠাই পূৰাই ল'ব।
অন্যূন ছয় জন সভ্য উপস্থিত হলে ক'ৰম ( Quorum ) হব।

৭। অন্ততঃ ১০ দিনৰ আগেয়ে আগ-জাননী নিদিয়াকৈ কাৰ্য্য নিৰ্ব্বাহক সমিতিত কোনো বিষয়ৰ আলোচনা আৰু মীমাংসা হব নোৱাৰিব। স্বীকৃত সভা আৰু সভ্য-ভৰ্ত্তিৰ সম্পৰ্কে এই নিয়ম নাখাটিব।

৮। প্ৰতি লাগতিয়াল ঠাইত কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে স্বীকৃত সভা স্থাপন কৰিবলৈ যত্নপৰ হব।

৯। কোনো সাহিত্য সভাই "আসাম সাহিত্য সভাৰ" স্বীকৃত ( Affiliated ) সভা হবলৈ ইচ্ছা কৰিলে কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে তাক মীমাংসা কৰিব।

১০। স্বীকৃত সভা আৰু সভ্য ভুক্ত কৰাৰ ভাৰো এই সমিতিৰ ওপৰত থাকিব।

১১। প্ৰধান সম্পাদকে বছেৰেকীয়া কাৰ্য্য-বিৱৰণী যুগুত কৰি কাৰ্য্য-নিৰ্ব্বাহক সমিতিত অনুমোদিত কৰাই সম্মিলনত গৃহীত কৰাব।

১২। কাৰ্য্য-নিৰ্ব্বাহক সভাৰ কাৰ্য্য-বিৱৰণীবোৰ বাতৰি কাকতৰ যোগে কাৰ্য্য-নিৰ্ব্বাহক সমিতি বহাৰ দহ দিনৰ ভিতৰত

[ ৬ ]

প্ৰকাশ কৰিব। যদি বাতৰি কাকতে প্ৰকাশ নকৰে তেন্তে এমাহৰ ভিতৰত স্বীকৃত সভা বিলাকলৈ পঠাব।

পঞ্চম ছেদ্ ( স্বীকৃত সভা )।

১। অসমীয়া সাহিত্য আলোচনা কৰা আৰু আসাম সাহিত্য সভাৰ উদ্দেশ্যেৰে অমিল নোহোৱা আৰু কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে উপযুক্ত বুলি স্থিৰ কৰা যেই সেই সভাই অগ্ৰিম ৬৲ ছয় টকা বৰঙনি আদায় কৰিলে স্বীকৃত সভা বুলি গণ্য হব পাৰিব।

২। কোনো সভাই স্বীকৃত সভা হব খুজিলে প্ৰধান সম্পাদকলৈ আবেদন কৰিব লাগিব।

৩। স্বীকৃত সভাই বাৰ্ষিক সাহিত্য সম্মিলনৰ কাৰণে প্ৰতিনিধি পঠাব পাৰিব। কিন্তু কোনো স্বীকৃত সভাৰ ১৮ বছৰতকৈ কম বয়সীয়া সভ্যই প্ৰতিনিধি হৈ সম্মিলনৰ কাৰ্য্যত যোগ দিব নোৱাৰিব। প্ৰতিনিধিৰ সংখ্যা কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে ঠিক কৰি দিব।

৪। প্ৰত্যেক স্বীকৃত সভাই ৬৲ ছয় টকাকৈ বাৰ্ষিক বৰঙনি সম্মিলনৰ আগতে আদায় কৰিব লাগিব।

৫। যি ঠাইত যি বছৰ সম্মিলন বহে, সেই ঠাইৰ স্বীকৃত সভাই সেই বছৰলৈ বছেৰেকীয়া বৰঙনি দিব নালাগে।

৬। প্ৰতি স্বীকৃত সভাই সভাৰ মুখ-পত্ৰ একোখন বিনা মূল্যত পাব। আৰু সভাই নিজে প্ৰকাশ কৰা পুথি

[ ৭ ]

স্বীকৃত সভাৰ সভ্যসকলেও তেওঁলোকৰ সম্পাদকসকলৰ যোগে আবেদন কৰিলে অৰ্দ্ধ মূল্যত পাব।

ষষ্ঠ ছেদ্ ( বাৰ্ষিক সাহিত্য সম্মিলন )।

১। আসাম সাহিত্য সভাৰ বছৰি একোখন সাহিত্য সম্মিলন বহিব। আৱশ্যক মতে কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে বিশেষ সম্মিলনো পাতিব পাৰিব।

২। অহা বছৰলৈ কোন্ ঠাইত সাহিত্য সম্মিলন বহিব তাক আগৰ সম্মিলনতে স্থিৰ কৰা হব। সেয়ে নহলে কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে সম্মিলনৰ ঠাই অন্ততঃ চাৰি মাহৰ পূৰ্ব্বে স্থিৰ কৰিব।

৩। সভাৰ বৰঙনি আদায় কৰা, উপস্থিত সকলো সাধাৰণ আৰু আজীৱন সভ্যই, আৰু বৰঙনি আদায় কৰা স্বীকৃত সভাৰ উপস্থিত প্ৰতিনিধিসকলে সম্মিলনৰ কাৰ্য্যত যোগদান আৰু ভোট দিব পাৰিব।

৪। সম্মিলনৰ অভ্যৰ্থনা সমিতিয়ে সেই বছৰলৈ সেই সম্মিলনত ছয় জন প্ৰতিনিধি দিব পাৰিব।

৫। সাহিত্য সম্মিলনৰ লগতে সঙ্গীত, বুৰঞ্জী, দৰ্শন, বিজ্ঞান আদি সাহিত্য সম্পৰ্কীয় শাখা সভাও বহিব পাৰিব।

সপ্তম ছেদ্ ( অভ্যৰ্থনা সমিতি )।

১। সম্মিলনৰ কাৰ্য্য চলাবলৈ যি ঠাইত সম্মিলন বহে তাত এখন অভ্যৰ্থনা সমিতি গঠিত হব লাগিব।



[ ৮ ]

২। নৱদিন বা ইষ্টাৰ বন্ধত বা পূজাৰ বন্ধত বা আৱশ্যক বুজি আন সময়তো সম্মিলন বহিব পাৰিব। অভ্যৰ্থনা সমিতিয়ে সম্মিলনৰ দিন ঠিক কৰিব।

৩। সম্মিলনৰ অধিবেশন বহুৱাৰ যাৱতীয় কাৰ্য্য আৰু তাৰ বাবে হোৱা খৰছৰ ভাৰ এই অভ্যৰ্থনা সমিতিৰ ওপৰত থাকিব।

অষ্টম ছেদ্ ( বিষয়-বাছনী সমিতি )।

১। সম্মিলনৰ সময়ত এখন বিষয়-বাছনী সমিতি তলত লিখা মতে গঠিত হব।

(ক) সম্মিলনত উপস্থিত থকা কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ সভ্যসকল।

(খ) প্ৰত্যেক স্বীকৃত সভাৰ উপস্থিত প্ৰতিনিধিবৰ্গৰ ভিতৰৰ তেওঁলোকে নিজে সম্মিলনতে বাচি দিয়া তিনি জন প্ৰতিনিধি ( Representative )

(গ) সম্মিলনত উপস্থিত থকা কোনো বিশিষ্ট সভ্য, সভাৰ হিতৈষী, বা আজীৱন সভ্য।

But mere wish alone will not result in the fruition of hopes. It may be necessary to remould the national character freeing it from weaknesses and apathies that betrayed it in the past. A living nation or community is always capable of looking backward and forward. That is how tradition is built and heritage enriched. The Assamese people will prove no exception to this, and the Asom Sahitya Sabha should rightly prove to be the guardian of Assamese language and literature which it has aspired to be.

---

## APPENDIX—A.

### PATRONS OF THE ASOM SAHITYA SABHA

1. Sri Sri Satradhikar Goswami of Auniati
2. Sri Sri Satradhikar Goswami of Dakshinpat
3. Rai Bahadur Radhakanta Handiqui
4. Sri Sri Radhanath Goswami
5. Sri Sailendra Prosad Barua
6. Kaka Saheb Kalelkar
7. Sophia Wadia
8. Dr. Suniti Kumar Chatterjee
9. Dr Deni Madhab Barua

## APPENDIX—B.

### LIFE MEMBERS

1. Sri Nandeswar Chakravarty Dibrugarh
2. Rai Saheb Gangaram Choudhury Dibrugarh
3. Q. T. Rahman—Digboi
4. Taraprosad Chaliha —Sibsagar
5. Chandradhar Barua, Sahityaratna—Jorhat
6. Radhanath Phukan—Jorhat
7. Iswar Prosad Barua —Gauhati
8. Jitendra Kumar Das —Jorhat
9. Bishnuprosad Duara —Gauhati
10. Kaliram Medhi—Gauhati
11. Guruprosad Chaliha —Sibsagar
12. Bimalaprosad Chaliha —Sibsagar
13. Abani Kanta Phukan —Jorhat
14. Jitendra Nath Barua —Gauhati
15. Keshab Chandra Barua —Jorhat
16. Joy Chandra Barua—Jorhat
17. Rai Saheb Sitanath Borbora Jorhat
18. Mihir Kumar Das—Goalpara
19. Chunilall Bhupal—Jorhat
20. Haraprosad Chaliha —Dibrugarh
21. Nagendra Nath Barua —Golaghat
22. Sir Syed Sadullah—Shillong
23. Khan Bahadur Ataur Rahman—Shillong
24. Khan Bahadur Syedur Rahman—Shillong
25. Maulavi Kamaluddin Ahmed —Shillong
26. Padma Kanta Barua —Jorhat
27. Sashi Prosad Barua —Jorhat
28. Jogeswar Duara—Sibsagar
29. Sahajananda Bharali —Sibsagar



( 18 )

30. Bholanath Kakati—Sibsagar
31. Ramesh Chandra Barua —Dibrugarh
32. Mahendra Prasad Dutt —Dibrugarh
33. Nakul Chandra Barua —Dibrugarh
34. Sadananda Duara —Dibrugarh
35. Dhirendra Kumar Agarwalla —Dibrugarh
36. Debi Prasad Das —Dibrugarh
37. Mvl. M. A. Samad Dibrugarh
38. Dulal Chandra Barua —Dibrugarh
39. Premadhar Rajkhowa —Tinsukia
40. Sri Bhim Singh—Tinsukia
41. Dabajan Ali Hazarika —Tinsukia
42. Md. Safir—Tinsukia
43. Baidyanath Chakravarty —Tinsukia
44. Dr. Sidheswar Buhragohain —Jorhat
45. Bangshidhar Bora —Tinsukia
46. Gojendra Nath Sarma —Tinsukia
47. Pratul Chandra Chakravarty —Tinsukia
48. Durga Dutt Lohia—Tinsukia
49. Umeswar Neog Tinsukia
50. Mafzal Hussain—Digboi
51. Bilash Roy Khemani —Dibrugarh
52. Mvl. Unas Ali—Doom Dooma
53. Deba Kumar Dutta —Dibrugarh
54. Debendra Nath Barua —Doom Dooma
55. Rohini Kumar Choudhury —Shillong
56. Naba Kumar Dutt —Dibrugarh
57. Hari Prasad Barua —Shillong
58. Prafullah Chandra Goswami —Gauhati
59. Debi Prasad Barua —Gauhati
60. Surendra Nath Chaliha - Gauhati
61. Arabindalal Barua—Gauhati
62. Indore Sinha Gauhati
63. Mvl. Zahirul Haque —Gauhati
64. Sailendra Narayan Deb —Dhubri
65. Pratul Roy Choudhury —Dhubri
66. Hem Chandra Dutt—Jorhat
67. Hara Kanta Das—Tezpur
68. Lalit Chandra Bhuyan —Tezpur
69. Padma Agarwalla—Tezpur
70. Khan Bahadur Lutfur Rahman—Nowgong
71. Dr. Bidyadhar Barua —Nowgong
72. Dr. Mahendra Saikia - Nowgong
73. Golok Chandra Bora —Nowgong
74. Bimala Kanta Bura —Nowgong
75. Chandra Kanta Phookan —Nowgong
76. Sisir Kumar Majumdar —Nowgong
77. Kumar Prakitish Ch. Barua —Gauripur
78. Debeswar Barua—Nowgong
79. Rajabala Das—Gauhati
80. Haranath Barua—Gauhati
81. Sarbananda Rajkumar —Dibrugarh
82. Muktanath Barua—Jorhat
83. Parbati Kumar Goswami —Dibrugarh

( 19 )

84. Surendra Nath Sarma —Shillong
85. Prafulla Chandra Barua —Sibsagar
86. Purusuram Barua—Sibsagar
87. Tarini Charan Das —Gauhati
88. Bhimbar Deuri—Dibrugarh
89. Someswar Barua—Tinsukia
90. Nilmani Phukon Jorhat
91. Bhubaneswari Goswami —Gauhati
92. Parvati Prasad Barua —Sonari
93. Mitradev Mahanta—Jorhat
94. Dimbeswar Neog—Jorhat
95. Kshestradhar Bargohain —Jorhat
96. Aluk Chandra Rajkhowa —Dibrugarh
97. Harendra Nath Kalita —Doom Dooma
98. Nalini Kumar Das—Shillong
99. Bajmohan Nath—Shillong
100. Harihar Choudhury -Doom Dooma
101. Khanindra Chandra Barua - Shillong
102. Md. Sultan—Dibrugarh
103. Dr. Jibakanta Saikia —Shillong
104. Dr. Hem Chandra Barua - Dibrugarh

## APPENDIX—C.

### AFFILIATED BRANCHES OF THE SABHA IN 1953

| Name of Branches. | District. | No. of members. |
|---|---|---|
| 1. Abhayapuri Sahitya Sabha | Goalpara | 32 |
| 2. Bazali Sahitya Sabha | Kamrup | 46 |
| 3. Barpeta Sahitya Sabha | Kamrup | 20 |
| 4. Berguri Sahitya Sabha, Tinsukia | Lakhimpur | 20 |
| 5. Dhubri Sahitya Sabha | Goalpara | 20 |
| 6. Dibrugarh Sahitya Sabha | Lakhimpur | 20 |
| 7. Dimou Sahitya Sabha | Sibsagar | 20 |
| 8. Digboi Sahitya Sabha | Lakhimpur | 20 |
| 9. Cachar Sahitya Sabha | Cachar | 15 |
| 10. Farkating Sahitya Sabha | Sibsagar | 22 |
| 11. Golaghat Sahitya Sabha | Sibsagar | 20 |
| 12. Goalpara Zila Sahitya Sabha | Goalpara | 20 |
| 13. Jorhat Sahitya Sabha | Sibsagar | 60 |
| 14. Kaliabor Sahitya Sabha | Nowgong | 20 |
| 15. Kampur Sahitya Sabha | Nowgong | 20 |
| 16. Laitumkhrah Sahitya Sabha | K & J Hills | 20 |
| 17. Laban Sahitya Sabha | K & J Hills | 21 |
| 18. Nowgong Sahitya Sabha | Nowgong | 40 |
| 19. Mukul Sangha | K & J Hills | 26 |
| 20. Mangaldoi Sahitya Sabha | Darrang | 50 |
| 21. Margherita Sahitya Sabha | Lakhimpur | 41 |
| 22. Muguria Bhatri Sangha | Kamrup | 36 |
| 23. Soumer Sahitya Parishad | Lakhimpur | 21 |
| 24. Sripuria Sahitya Sabha, Tinsukia | Lakhimpur | 20 |
| 25. Sabita Sabha, Gauhati | Kamrup | 46 |
| 26. Parbatia Sahitya Sabha | Lakhimpur | 20 |
| 27. Paschim Jorhat Sahitya Sabha | Sibsagar | 40 |
| 28. Pragati Kristi Sangha | Kamrup | 27 |
| 29. Sanskriti Sangha, Nalbari | Kamrup | 20 |
| 30. North Gauhati Sahitya Sabha | Kamrup | 20 |
| 31. Tinsukia Sahitya Sabha | Lakhimpur | 28 |
| 32. Titabar Sahitya Sabha | Sibsagar | 20 |
| 33. Nazira Sahitya Sabha | Sibsagar | 20 |

( 21 )

| | District. | No. of members. |
|---|---|---|
| 34. Madan Laban-Kench's Trace Sahitya Sabha | K & J Hills | 21 |
| 35. Sapekhati Sahitya Sabha | Sibsagar | 26 |
| 36. Rangiya Alochani Sabha | Kamrup | 30 |
| 37. Rangpur Sahitya Sabha | Sibsagar | 29 |
| 38. Rangpur Sahitya Sabha, Tinsukia | Lakhimpur | 21 |

( 21 )

District. No. of members.

K & J Hills 21



## APPENDIX—D.

### THE PUBLICATIONS OF THE SABHA.

1. The Chandrakanta Abhidhan — A comprehensive dictionary of the Assamese language.

2. Brahmavaivarta Puran — Edited from old Assamese manuscript.

3. Sattwata Tantra — Edited from old Assamese manuscript.

*4. Sri Damodardev Charit — Edited from old Assamese manuscript.

*5. Sri Vansamalidev Charit — Edited from old Assamese manuscript.

6. Vignanor Paribhasa.

7. Bulletin on the All-Assam State Language Day Observance.

8. A brief History of the Association and its Work —1917-53.

9. The following compilations on Assamese Literature were distributed in the All-India Cultural Conference, 1951. at Delhi †

(i) A selected bibliography of 100 books, Ancient period, (A.D. 1250-1800).

(ii) List of authors in the Assamese language who have made special contributions to the Assamese literature in the realm of modern poetry.

(iii) List of authors in Assamese who have made special contributions in the realm of folk-lore.

(iv) Names of books in Assamese which are widely popular in educating public opinion in the sphere of morality, religion, ethics, spiritualism, politics, economics, civic duties, social service, dignity of humanity and service to humanity.

(v) Literature available in Hindi or in English of Assamese language and literature, social reform movements, biographies of well known publicists and books giving the specialities and peculiarities of Assam as distinguished from others.

* Distribution suspended owing to some controversial matter occurring in the preface.

† Cyclostyled and not printed.

## APPENDIX—E.

A list of books available in English or other language about Assamese language and literature, biography and reform movements, and books giving the specialities and peculiarities of Assam as distinguished from others.

(a) *On language:*

(1) Dr. B. Kakati, M.A., Ph.D. :—Assamese—its Formation & Development (in English)*.

(2) K. Medhi, M.A. :—Asamiya Vyakaran aru Bhasa-tattva (with a long introduction in English).

(3) Dr. Grierson :—Linguistic Survey of India, Vol. II.

(b) *On Literature:*

(1) Dr. B. K. Barua, M.A., Ph.D. :—Assamese literature (P.E.N. Series).

(2) Deveswar Chaliha :—Origin and Development of Assamese language & literature.

(3) Dr. B. K. Barua, M.A., Ph.D. :—Asamiya Sahitya ki Rupa-rekha (in Hindi).

(4) S. M. Banerjee, M.A. :—Asamiya Sahitya (in Bengali, Viswabharati publication).

(5) Dr. S. K. Bhuyan, Ph.D., D.Lit. :—Assamese literature—ancient and modern (printed by the Assam Govt. in 1935 as an official publication).

(6) Dr. B. K. Barua, M.A., Ph.D. :—Studies in old Assamese literature.

(7) Gauhati University : Aspects of old Assamese literature—Gen. Editor, Dr. B. K. Kakati, M.A., Ph.D.

(c) *Biography & Reform movement:*

(1) Dr. B. Kakati :—"Sankardev"—published by Nateson & Co., Madras, in the 'Saints of India' series.

(2) S. C. Goswami, B.A., B.T. :—"Introducing Vaishnavism in Assam".

* 40 copies of this book were given to the Universities and Research Institutions in India, free of cost, by the Government of Assam at the request of the President of the Asom Sahitya Sabha, Sri A. G. Roy Chowdhury, in 1952.

( 24 )

**(3)** Harmohan Das :—"Sankardev — a study".

(4) Maheswar Neog, M.A. :—'Sankardev and his **Predecessors**'.

**(d)** ***Books giving specialities and peculiarities of Assam :***

(1) D. Neog, M.A., B.T. :—An Introduction to Assam.

(2) R. M. Nath, B.E. :—Background of Assamese Culture.

(3) K. L. Barua :—Early History of Kamrupa.

(4) E. Gait :—A History of Assam.

(5) B. Kakati, M.A., Ph.D. :—Mother Goddess Kamakhya.

(6) Padmanath Bhattacharjya :—Kamrupa Sasanabali (in Bengali).

(7) Dr. S. K. Bhuyan, Ph.D., D.Lit :—

(i) Anglo-Assamese Relations.
(ii) Annals of the Delhi Badshahate.
(iii) Lachit Barphukan & his times.

(8) Dr. B. K. Barua, M.A., Ph.D. :—

(i) A Cultural History of Assam.
(ii) Ancient Geography of Assam.

(9) Nagendranath Basu, Prachyavidya — maharnava :—Social History of Kamrupa, 2 Vols.

(10) Vijoy Chandra Ghosh :—'Assam Prasanga' (Bengali).


(11) M. N. Ghosh :—Religious beliefs of the Assamese people.

(12) D. C. Talukdar :—'Lovely Assam' (not printed ; cyclostyled copies were prepared by the Asom Sahitya Sabha for distribution in the All India Cultural Conference).

---



# অসমৰ চৰকাৰী ভাষা



১৯৬০ চনৰ দহ অক্টোবৰ তাৰিখে অসম বিধান সভাৰ অধিবেশনত ৰাজ্যিক চৰকাৰী ভাষা বিল উত্থাপন কৰোঁতে অসমৰ মুখ্যমন্ত্ৰী শ্ৰীবিমলা প্ৰসাদ চলিহা ডাঙৰীয়াই দিয়া ভাষণৰ অসমীয়া ভাঙনি

অসমৰ ৰাজ্যিক চৰকাৰী ভাষাৰ প্ৰশ্নটোৱে আজি কেইবছৰমানৰ পৰা জনসাধাৰণৰ মনোযোগ আকৰ্ষণ কৰি আহিছে। অসমৰ বিধান সভাত কেবাবাৰো এই প্ৰশ্নটো তোলা হৈছিল। ৰাজহুৱা সভা সমিতিত আৰু বাতৰি কাকততো সঘনেই আৰু বিস্তৃত ভাৱে এই বিষয়ে আলোচনা হৈ আহিছে।

যোৱা কেইবছৰমানৰ ভিতৰত ভাৰতৰ কেবাখনো ৰাজ্যই তেওঁলোকৰ নিজ নিজ ৰাজ্যৰ বাবে চৰকাৰী ভাষা গ্ৰহণ কৰিবলৈ ঠিক কৰিছে, আৰু সেইবাবে অসমৰ ক্ষেত্ৰতো এই প্ৰশ্নটোৱে স্বভাৱিকতে গুৰুত্ব আনি দিছে। বিভিন্ন উন্নয়নমূলক কাম কাজত ব্যস্ত থাকিব লগীয়া হোৱাৰ বাবে, আৰু অন্যান্য গুৰুত্বপূৰ্ণ কাম কাজত মনোযোগ দিবলগীয়া হোৱাৰ কাৰণে এই বিষয়টো অসম চৰকাৰে আগতে হাতত লব পৰা নাছিল। ইতিমধ্যে ৰাজ্যিক চৰকাৰী ভাষা সম্পৰ্কে জনমত অসাধাৰণভাৱে বৃদ্ধি পালে আৰু অসম বিধান সভাৰ যোৱা বাজেট অধিবেশনত সকলো গুৰুত্বৰে এই প্ৰশ্নটো উত্থাপন কৰা হৈছিল। সেই সময়ত মই অনা-অসমীয়া ভাষা-ভাষীসকলৰ পৰা অসমীয়াক ৰাজ্যৰ চৰকাৰী ভাষা কৰাৰ দাবী অহালৈকে চৰকাৰে অপেক্ষা কৰিবলৈ ইচ্ছা কৰে বুলি বিধান সভাত কৈছিলো। ইয়াৰ দ্বাৰা মই কোনো অনা-অসমীয়া ভাষা ভাষীকে এই বিষয়ত কোনো "ভেটো"ৰ ক্ষমতা দান কৰাৰ অৰ্থ কৰা নাছিলোঁ। বিভিন্ন ভাষাভাষী লোকসকলৰ ভিতৰত সন্তৰপৰ সমিলমিল অনাই আছিল মোৰ ঐকান্তিক ইচ্ছা। মই বিশ্বাস কৰিছিলোঁ আৰু এতিয়াও বিশ্বাস কৰোঁ যে সেইটোৱেই আছিল এই প্ৰশ্নটোৰ শুদ্ধ, গণতান্ত্ৰিক আৰু যুক্তি সঙ্গত দৃষ্টিভঙ্গী।

মোৰ এই বিবৃতিটোৱে অৱশ্যে মিশ্ৰিত প্ৰতিক্ৰিয়া সৃষ্টি কৰে আৰু কিছুমান মহলত ভ্ৰান্ত ধাৰণাৰো সৃষ্টি হয়। ইয়াৰ পিচতে অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে ৰাজ্য চৰকাৰলৈ দিয়া সুপাৰিশত এইটো স্পষ্ট কৰি দিয়ে যে অসমীয়া ভাষাক অসমৰ ৰাজ্যিক চৰকাৰী ভাষা ঘোষণা কৰিব লাগে, যদিও অনা-অসমীয়া ভাষা-ভাষী জিলাসমূহৰ ওপৰত অসমীয়া ভাষা কোনো প্ৰকাৰে জাপি দিব নালাগে, আৰু সংখ্যালঘু সকলৰ বাবে চাকৰি ইত্যাদিৰ ক্ষেত্ৰত যথেষ্ট ৰক্ষণাবেক্ষণৰ ব্যৱস্থা থাকিব লাগে।

অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ অনুমোদন আৰু মই তাৰ আগতে সদনত দিয়া বিবৃতিটোৰ ভিতৰত ভাৱৰ বিৰোধ নাছিল; আৰু সেইকাৰণে ১৯৬০ চনৰ ২৩ জুন তাৰিখে মই ঘোষণা কৰিছিলোঁ যে প্ৰায় অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ অনুমোদনৰ ভিত্তিতেই চৰকাৰী ভাষাৰ বিল এখন বিধান সভাৰ এই অধিবেশনত উত্থাপন কৰা হব। এই বিবৃতিটোৱে আকৌ মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। ব্ৰহ্মপুত্ৰ উপত্যকাৰ লোকসকলে সাধাৰণতে এই বিবৃতিটোৰ প্ৰতি সমাদৰ জনায়; কিন্তু কাছাৰ আৰু কেইখনমান স্বায়ত্ত শাসিত পাৰ্ব্বত্য জিলাৰ লোকে এই বিবৃতিটোত ক্ষুব্ধ হয়। আমাৰ ৰাজ্যখনত বৈষম্যই যেনেকৈ এফালে ৰাজ্যখনৰ সৌন্দৰ্য্য বঢ়াইছে, আনফালে এই বৈষম্যই আকৌ কিছুমান অসুবিধাৰো সৃষ্টি কৰিছে।



২

আনহাতে, এই কথাত সদনৰ সদস্য সকল নিশ্চয় মোৰ লগত একমত হব যে বৰ্ত্তমানৰ পৰিস্থিতিত এই বিষয়ে সিদ্ধান্ত লোৱা কথাটো স্থগিত ৰখা উচিত নহব। জন-সাধাৰণৰ উত্তপ্ত আবেগ অনুভূতিৰ ফলত ইতিমধ্যে ৰাজ্যখনত কিছুমান শোকাবহ ঘটনাও হৈ গৈছে। ৰাজ্যখনৰ সুনামত লাজ অপমান আনি দিয়া এই ঘটনাৱলীৰ বাবে আমি গভীৰ দুখ প্ৰকাশ কৰিছো। এইটো সকলোৱে বুজা উচিত যে ৰাজ্যখনত অলপতে হৈ যোৱা এনেকুৱা আন্দোলনৰ দ্বাৰা সমস্যা সমাধান নহয়, বৰং বেচি জটিলহে হৈ পৰে।

গণতন্ত্ৰত সমস্যাসমূহ গণতান্ত্ৰিক বা সংসদী উপায়ৰ বাহিৰে আন উপায়ৰ দ্বাৰা সমাধান কৰিব নোৱাৰি। এনেকুৱা উগ্ৰ আন্দোলন আৰু অৰাজকতা ভৱিষ্যতে কেতিয়াও সহ্য কৰা নহব। যি কোনো প্ৰকাৰৰ হিংসাত্মক আন্দোলন দৃঢ়তাৰে সৈতে দমন কৰা হব আৰু শান্তি শৃঙ্খলা ৰক্ষাৰ বাবে চৰকাৰ দৃঢ় প্ৰতিজ্ঞ। মই আশা কৰোঁ, আৰু মোৰ বিশ্বাস, যে জনসাধাৰণে এতিয়া সকলো কথা বুজি পাইছে আৰু এই অশান্তিয়ে সামাজিক, অৰ্থনৈতিক ক্ষেত্ৰত আৰু আমাৰ ৰাজহুৱা জীৱনত কৰা ক্ষতিৰ পৰিমাণ উপলব্ধি কৰিব পাৰিছে। আনকি ভাষাৰ প্ৰশ্নটোৰ সমাধানতো এই অশান্তিয়ে যথেষ্ট ব্যাঘাত জন্মাইছে। আমাৰ উন্নয়ন কাৰ্য্যৰ প্ৰগতিতো বাধা পৰিছে আৰু মই কব নোৱাৰো ইয়াৰ ফলত হোৱা বিৰাট ক্ষতি পূৰণ কৰিবলৈ আমাক কিমান সময় লাগিব। মই আশা কৰোঁ এতিয়াৰ পৰা প্ৰত্যক্ষ ভাবেই হওক বা পৰোক্ষ ভাবেই হওক কোনেও যেন পুনৰ অশান্ত পৰিস্থিতিৰ সৃষ্টি হব পৰা কোনো কামকেই নকৰে। মই জনসাধাৰণ আৰু বাতৰি কাকত সমূহক, বিভিন্ন দল আৰু দলপতি সকলক, সকলোকে ঐকান্তিকভাৱে অনুৰোধ জনাওঁ যেন তেখেতসকলে শান্তি শৃঙ্খলা ৰক্ষা কৰিব পৰাকৈ আৰু বিভিন্ন সম্প্ৰদায়ৰ মাজত অতি শীঘ্ৰে বন্ধুত্ব আৰু সৌহাৰ্দ্যপূৰ্ণ মনোভাৱ গঢ়ি উঠিব পৰাকৈ কাম কৰি যায়।

মই এইটো উপলব্ধি কৰোঁ যে চৰকাৰী ভাষাৰ প্ৰশ্নই জনসাধাৰণৰ মনত এতিয়াও আলোড়নৰ সৃষ্টি কৰি আছে। দেখা যায় যে সকলোৰে মনোযোগ কেৱল সেই প্ৰশ্নটোৰ প্ৰতিহে ঢাল খাইছে আৰু তাৰ ফলস্বৰূপে আন সকলোবিলাক কামত বাধা জন্মিছে। অসম ৰাজ্যৰ বাবে ঔদ্যোগীক আৰু অৰ্থনৈতিক উন্নয়নৰ এখন সুপৰিকল্পিত আঁচনি হাতত লোৱা হৈছে। দ্বিতীয় পঞ্চবাৰ্ষিকী পৰিকল্পনাৰ ভিতৰত পৰা সকলোবিলাক আঁচনি সোনকালেই সম্পূৰ্ণ কৰি তুলিব লাগিব। অধিক যত্ন আৰু পৰিশ্ৰমৰ দ্বাৰা আমাৰ তৃতীয় পঞ্চবাৰ্ষিকী পৰিকল্পনাখন কৃতকাৰ্য্য কৰি তোলাৰ বাবেও আমি সাজু হব লগা হৈছে। অসমৰ নিচিনা এখন অনুন্নত ৰাজ্যই উন্নয়নৰ বিষয়ত অধিক গুৰুত্ব আৰু মনোযোগ দিব লাগিব। আন কথা বিলাকত আমি আমাৰ সময় আৰু শক্তি অপচয় কৰা উচিত নহব। কিন্তু বৰ্ত্তমানে জনসাধাৰণৰ মনত চৰকাৰী ভাষাৰ প্ৰশ্নটোৱে যিদৰে ঠাই লৈছে ই যদি এনে ধৰণেই চলি থাকে তেন্তে মই ভাবোঁ ভৱিষ্যতে আমি বেচিকৈহে ভুগিব লাগিব। সেইবাবে বিধান সভাৰ এই অধিবেশনতে এই প্ৰশ্নটোৰ মীমাংসা হোৱাটো মই বিচাৰো। পলম কৰিলে বা ইয়াক স্থগিত ৰাখিলে জনসাধাৰণক অনিশ্চয়তা আৰু সন্দেহৰ মাজতহে ৰখা হব, আৰু সেইবাবে ইয়াক স্থগিত ৰখাটো কেৱল অযুগুতেই নহয়, ই গোটেই ৰাজ্যখনৰ কাৰণে ক্ষতিকৰো।

লগতে, এইটো কথাও আমি মনত ৰাখিব লাগিব যে ক্ষিপ্ৰ গতিত ৰাজ্যখনৰ উন্নতি সাধন কৰিবলৈ হলে খাইকৈ জনসাধাৰণৰ স্বেচ্ছাপ্ৰণোদিত, সক্ৰিয় আৰু সচেতন সহায় সহযোগ আৰু অংশ গ্ৰহণৰ আৱশ্যক। প্ৰশাসনীয় কামকাজ বিলাক যদি জনসাধাৰণৰ অধিক সংখ্যক লোকে নুবুজা ভাষা এটাৰ দ্বাৰা চলোৱা হয় তেন্তে এনে সচেতন সহায় সহযোগ, আৰু ৰাইজৰ অংশ গ্ৰহণ লাভ কৰাটো কেৱল কঠিনেই নহব, অসম্ভৱো হব। জনসাধাৰণে বুজি পোৱা ভাষা এটাত প্ৰশাসন-কাৰ্য্য চলালে প্ৰশাসনৰ লগত জনসাধাৰণৰ নিচেই ওচৰ সম্বন্ধ গঢ়ি তোলাত যথেষ্ট সুবিধা হয়। সেয়ে নহলে

৩

কেৱল যে উন্নয়ন কাৰ্য্যতে বাধা পৰে এনে নহয়, গণতন্ত্ৰইও পূৰ্ণ বিকাশ লাভ কৰিবলৈ অসমৰ্থ হয় আৰু ইয়াৰ প্ৰকৃত অৰ্থও হেৰাই যায়। সেই বাবে জনসাধাৰণৰ ভাষা এটা চৰকাৰী কামৰ বাবে ব্যৱহাৰ কৰিবলৈ ব্যৱস্থা লোৱাটো অতি প্ৰয়োজনীয় আৰু জৰুৰী হৈ পৰিছে।

অৱশ্যে এইটো কথাও সঁচা যে যোৱা কেইমাহৰ ভিতৰত চৰকাৰী ভাষাৰ প্ৰশ্নত কিছুমান পৰস্পৰ বিৰোধী মতামত প্ৰকাশ পাইছে। আনকি, একেটা মতেই বিভিন্ন ৰূপ লৈছে। এই সমস্যাটো অসমৰ সকলো লোকৰ মাজত সমিলমিল ভাবে গ্ৰহণ যোগ্য এটা প্ৰস্তাৱৰ ভিত্তিত সমাধান কৰাৰ কাৰণে চৰকাৰ আগ্ৰহান্বিত। যোৱা বাজেট অধিৱেশনত মই দিয়া বিবৃতিৰো অৰ্থ এয়ে আছিল, আৰু সেই অৰ্থতে অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়েও জোৰ কৰি ভাষা জাপি দিয়াৰ বিপক্ষে আৰু সংখ্যালঘুসকলৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে ৰক্ষাকবচৰ ব্যৱস্থা গ্ৰহণ কৰাৰ ওপৰত প্ৰস্তাৱ লৈছিল। ৰাজ্যৰ অন্যান্য ৰাজনৈতিক দল সমূহেও তেনে মনোভাৱ লৈ এই সমস্যা সমাধানৰ কাৰণে পৰামৰ্শ দিয়া দেখি মই আনন্দ পাইছোঁ। এটা সন্মতিসূচক সমাধানত উপনীত হবলৈ মই মুখ্যমন্ত্ৰী হিচাপে আৰু অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ দ্বাৰা আলোচনা চলাবলৈ নিযুক্ত কৰা সমিতিৰ এজন সভ্য হিচাপে বিভিন্ন দল আৰু বিভিন্ন ভাষা-ভাষী সম্প্ৰদায়ৰ প্ৰতিনিধি সকলৰ লগত আলোচনা কৰিছিলো। বহুতো মহলে অনুৰোধ কৰা স্বত্ত্বেও সময়ৰ অভাৱত সকলোকে লগ পোৱাৰ সম্মতি দিব নোৱাৰাৰ কাৰণে মই দুখ পাইছোঁ। যিসকল লোকক মই লগ পাব নোৱাৰিলোঁ তেখেতসকলক মই ক্ষমা খুজিছো। এই আলোচনাবিলাক অকৃতকাৰ্য্য হব বুলি আমি কব নোৱাৰোঁ।

আমাৰ আলোচনাৰ মাজেদি বিভিন্ন সম্প্ৰদায়ৰ মনত কেনেবোৰ অসুবিধা, সমস্যা, ভয়, ভ্ৰান্তি আৰু সন্দেহৰ কথাই ঠাই পাইছে, তাক আমি বুজিব পাৰিলো। অসমৰ সকলো সম্প্ৰদায়ৰ লোকৰ কাৰণে এটা যুক্তি সঙ্গত প্ৰস্তাৱ উদ্ভৱ কৰিবলৈ আমি যৎপৰোনাস্তি চেষ্টা কৰিছিলোঁ। সকলোৱেই নিজৰ নিজৰ মতৰ পৰা অলপ আঁতৰি হলেও এটা সম্মতিসূচক নীতিত উপনীত হোৱাৰ বাবে আগ্ৰহ প্ৰকাশ কৰা দেখি আনন্দ পাইছিলো। দীঘলীয়া আলাপ আলোচনাৰ মাজেদি আৰু এই বিষয়ে প্ৰকাশ কৰা বিভিন্ন মতামত সম্পূৰ্ণ সহানুভূতিৰে বিবেচনা কৰি যি প্ৰস্তাৱ উদ্ভাৱন কৰা হ'ল তাত বৰ্ত্তমান পৰিস্থিতিত যিমান দূৰ সম্ভৱ বিভিন্ন মতামত বিলাকক সুবিবেচিত স্থান দিবলৈ যত্ন কৰা হৈছে।

সংখ্যা গৰিষ্ঠ সকলৰ ইচ্ছা সংখ্যালঘু সকলৰ ওপৰত জোৰ কৰি জাপি নিদিয়াই চৰকাৰৰ লক্ষ্য। আপোনালোকৰ আগত দাঙি ধৰা প্ৰস্তাৱে তাৰেই প্ৰমাণ দিব। এই বিনিতে কেন্দ্ৰীয় স্বৰাষ্ট্ৰমন্ত্ৰী শ্ৰীগোবিন্দ বল্লভ পন্তৰ প্ৰতি যদি মই আমাৰ কৃতজ্ঞতা প্ৰকাশ নকৰো আৰু ধন্যবাদ নজনাওঁ তেন্তে মই মোৰ কৰ্ত্তব্য সঠিক ভাবে পালন কৰা নহব। মোৰ অনুৰোধ ক্ৰমে তেখেতে কেইদিন মানৰ কাৰণে আমাৰ ৰাজ্যলৈ আহে, আৰু আমাৰ ৰাজ্যৰ এনে এটি জটিল সমস্যা সমাধান কৰিবলৈ অভিজ্ঞতাপূৰ্ণ পৰামৰ্শৰে তেখেতে আমাক সহায় কৰে। তেখেতৰ ওচৰত আমি সঁচাকৈয়ে কৃতজ্ঞ।

আলোচনাৰ প্ৰসঙ্গত আমি ভিন্ ভিন্ প্ৰতিনিধিৰ পৰা ভিন্ ভিন্ প্ৰস্তাৱ পাইছিলোঁ। তাৰে কেইটামান প্ৰস্তাৱ তলত উল্লেখ কৰা হল :—

১। ৰাজ্যিক ভাষাৰ বিষয়টো স্থগিত ৰখা উচিত।

২। কেৱল মাত্ৰ হিন্দীক ৰাজ্যৰ চৰকাৰী ভাষা হিচাপে ঘোষণা কৰিব লাগে।



৪

৩। অসমীয়া, বঙালী আৰু হিন্দী-এই তিনিওটাকে ৰাজ্যৰ চৰকাৰী ভাষা হিচাপে ঘোষণা কৰিব লাগে।

৪। অনা-অসমীয়াসকল বাস কৰা জিলা সমূহত সংৰক্ষণৰ ৰক্ষাকবচ দি কেৱলমাত্ৰ অসমীয়া ভাষাকহে ৰাজ্যৰ চৰকাৰী ভাষা হিচাপে ঘোষণা কৰিব লাগে।

৫। অসমৰ পাৰ্ব্বত্য জিলাসমূহক লগলগাই এখন পৃথক পাৰ্ব্বত্য ৰাজ্য গঠন কৰিব লাগে।

এই প্ৰস্তাৱসমূহ দকৈ বিবেচনা কৰা হৈছিল। কোনো এটা সিদ্ধান্তত উপনীত হোৱাৰ পথ দুটা। এটা হৈছে, সংখ্যালঘু সকলৰ মত উপেক্ষা কৰি সংখ্যাগৰিষ্ঠ সকলৰ মতেৰেই আগবঢ়া, আৰু ইয়াৰ যি পৰিণতিয়েই নহওক তাৰ সন্মুখীন হোৱা; আৰু আনটো হৈছে, যিমানদূৰ সম্ভৱ হয় সকলো মতামত বিবেচনা কৰি এটা বুজাবুজিৰ মাজেদি মকামিলালৈ অহা। আমি ভাবিলো যে এনে এটা কথাত যদি দ্বিতীয় পথটো আমি অৱলম্বন কৰো, তেতিয়াহে ৰাজ্যখনৰ আৰু বাইজৰ সকলো লোকৰ বাবেই মঙ্গল হব। এই উপায়কে অৱলম্বন কৰি আজিৰ অৱস্থালৈ চাই এই সিদ্ধান্তত উপনীত হৈছো যে অসমীয়া আৰু ইংৰাজীক অসমৰ চৰকাৰী ভাষা বলি ঘোষণা কৰা হওঁক। যথা সময়ত ইংৰাজীক হিন্দী ভাষাই স্থানান্তৰ কৰিব। ব্ৰহ্মপুত্ৰ উপত্যকাত জিলা প্ৰশাসনৰ কাৰণে কেৱল অসমীয়া আৰু কাছাৰ জিলাৰ কাৰণে বঙালী ভাষা চলিব। পাহাৰী জিলা কেইখনত জিলা আৰু আঞ্চলিক পৰিষদে তেওঁবিলাকৰ নিজ নিজ অঞ্চলত জিলা প্ৰশাসনৰ কাৰণে তেওঁবিলাকৰ ইচ্ছানুসৰি যি কোনো ভাষা চলাব পাৰিব। সচিবালয় আৰু বিভাগীয় অধিকৰ্ত্তা সকলৰ কাৰ্য্যালয়ত ইংৰাজী ভাষা বৰ্ত্তমানে চলি থাকিব। এই সদনত উত্থাপন কৰা বিলখনত এই সকলোবোৰ প্ৰস্তাৱ ৰখা হৈছে।

মই এইটো এটা আদৰ্শ প্ৰস্তাৱ বুলি দাবী কৰিব নোখোজো, কিন্তু বৰ্ত্তমানৰ কঠিন বাস্তৱ অৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি ইয়াতকৈ উপযুক্ত প্ৰস্তাৱ চিন্তা কৰিব পৰা নাই।

মই এইটো পৰিষ্কাৰ কৰি কব খোজো যে এই প্ৰস্তাৱৰ সম্পৰ্কত আমাৰ কোনো আকোৰ গোজালি মনোভাৱ নাই আৰু এই সন্মানিত সদনে যদি আইন খন আৰু ভাল কৰা উদ্দেশ্যে কোনো প্ৰস্তাৱ আগবঢ়ায় তেনে সকলো পৰামৰ্শকে আমি আনন্দেৰে বিবেচনা কৰিম।

যি মনোভাৱেৰে সদনত এই বিলখন উত্থাপন কৰা হৈছে সেই মনোভাবেৰেই বিলখন বিবেচনা কৰিবলৈ মই সকলো সদস্যকে অনুৰোধ কৰো। মই পূৰ্ব্বে কোৱাৰ দৰে বিলখন অসমৰ সকলো ৰাইজৰে গ্ৰহণীয় কৰিবৰ কাৰণে এই সদনৰ সকলো সদস্যৰে যি কোনো পৰামৰ্শকে আগ বঢ়াবলৈ সম্পূৰ্ণ স্বাধীনতা আছে।

১৯৫১ চনৰ লোক গণনামতে অসমত ১২০ টা ভাষা মাতৃভাষা বুলি পৰিগণিত হৈছিল। কিন্তু এই ৰাজ্যখনত কথিত প্ৰত্যেক ভাষাকেই চৰকাৰী ভাষা হিচাপে ব্যৱহাৰ কৰাটো এটা অবাস্তৱ কথা। সেই কাৰণে অসমৰ জনসাধাৰণে প্ৰশাসনীয় বিষয়ত ব্যৱহাৰ কৰিবৰ কাৰণে এটা কিম্বা তাতোকৈ অধিক ভাষা বাচি লব লাগিব। এতিয়া কথা হ'ল সেইটো কৰা যায় কেনেকৈ? ভাৰতবৰ্ষ স্বাধীন হোৱাৰ আগতেই সমগ্ৰ দেশৰ কাৰণে গ্ৰহনযোগ্য ৰাষ্ট্ৰীয় ভাষা কি হব পাৰে সেই বিষয়ে গভীৰ আলোচনা চলিছিল আৰু তেতিয়াও এনে সমস্যাৰ সন্মুখীন হব লগা হৈছিল। ভাৰতবৰ্ষত কথিত ভাষাৰ সংখ্যা মুঠতে ১৫০ টা; ইয়াৰ

৫

১৪ টা ভাষা বৰ্ত্তমান মুখ্য ভাষা হিচাপে পৰিগণিত হৈছে। কিন্তু কেন্দ্ৰীয় চৰকাৰে প্ৰশাসনীয় বিষয়ত ব্যৱহাৰ কৰিবৰ কাৰণে এই ১৪ টা ভাষাকে চলোৱা যে সন্তুৰপৰ আৰু সুবিধাজনক নহয়—তাক কোৱা বাহুল্য মাথোন। ভাৰতবৰ্ষৰ ভাষা সমস্যা সম্পৰ্কে গান্ধীজীয়ে চিন্তা কৰি চাইছিল যে ভাৰতবৰ্ষৰ বিভিন্ন ভাষাভাষীসকলৰ ভিতৰত বিপুল সংখ্যাগৰিষ্ঠতা থকা কোনো ভাষা পোৱা যায় নে কি। কিন্তু তেনে কোনো ভাষা পোৱা ন'গ'ল। এনে অৱস্থাত তেখেতে আন এটা উপায় আগ বঢ়ালে। সেইটো হ'ল যে যিটো ভাষা অকলে আটাইতকৈ বেছি লোকে কয় আৰু বুজে তেনে ভাষাকে ভাৰতবৰ্ষৰ ৰাষ্ট্ৰ ভাষা হিচাপে গ্ৰহণ কৰিব লাগে। এই দৃষ্টি কোণৰ পৰা চাই হিন্দীকে শেষত গ্ৰহণ কৰা হ'ল।

হিন্দী মাতৃভাষা হিচাপে ব্যৱহাৰ কৰা লোকৰ সংখ্যা ভাৰতত ছয় বা সাত কোটিৰ বেছি নহব আৰু হিন্দীক কথিত ভাষা হিচাপে গ্ৰহণ কৰা লোকৰ সংখ্যাও ১৫।১৬ কোটিৰ বেচি নহব। এইটো পৰিষ্কাৰ হৈ পৰিছে যে ৪০ কোটি মুঠ জনসংখ্যাৰ এইখন দেশত হিন্দী কোৱা আৰু ব্যৱহাৰ কৰা লোকৰ সংখ্যাই পূৰ্ণ সংখ্যাগৰিষ্ঠতা লাভ কৰিব পৰা নাই, কিন্তু যি কোনো আন ভাষাভাষীৰ তুলনাতহে ভাৰতত হিন্দী ভাষা কোৱা বা বুজা লোকৰ সংখ্যা সৰহ, এই নীতিৰ ভিত্তিত বিবেচনা কৰিলে অসমত অসমীয়া ভাষাৰ চৰকাৰী ভাষা হিচাপে স্বীকৃতি পোৱাৰ দাবী অখণ্ডনীয়।

ভাৰতৰ সংবিধানত উল্লিখিত ১৪ টা ভাষাৰ ভিতৰত অসমীয়া ভাষাও এটা। সংবিধানৰ অষ্টম অনুসূচীত বিভিন্ন ভাষা সমূহ উল্লেখ কৰাৰ উদ্দেশ্যই হ'ল উল্লিখিত প্ৰত্যেকটো ভাষাকে সেই সেই ৰাজ্য বা অঞ্চলত ৰাজ্য ভাষা বা চৰকাৰী ভাষা হিচাপে গণ্য হ'বলৈ সুবিধা দিয়া। ভাষাৰ ভিত্তিত ভাৰতৰ মানচিত্ৰও অলপতে সংশোধন কৰা হৈছে। এই ব্যৱস্থাইও সংবিধানত উল্লিখিত ভাষা সমূহ নিজ নিজ ৰাজ্য বা অঞ্চলত ৰাজ্যভাষা হিচাপে স্বীকৃতি পোৱাৰ দাবী বঢ়াই তুলিছে। গতিকে ভাৰতৰ কোনো অংশত যদি অসমীয়াক ৰাজ্য ভাষা হিচাপে গ্ৰহণ কৰিব লগীয়া হয়, তেন্তে অসমত নকৰি আন ক'ত কৰিব পৰা হ'ব? এই দৃষ্টি ভংগীৰ কোণৰ পৰা চাই অসমত ৰাজ্যিক ভাষা অসমীয়া হোৱাটো স্বাভাৱিক আৰু অতি যুক্তি সংগত কথা।

এই অসমীয়া ভাষাটোনো কি? অসমীয়া ভাষাৰ উৎপত্তি আৰু ইতিহাসৰ লগত পৰিচিত সকলো লোকেই স্পষ্টভাৱে এইটো উপলব্ধি কৰিব যে এই ভাষাটোৰ ক্ৰমবিকাশত কেৱল এই অঞ্চলত প্ৰচলিত বিভিন্ন জনজাতীয় ভাষা বা দোৱানৰ যথেষ্ট অৱদান আছে। অসমৰ পাহাৰ আৰু ভৈয়ামত থকা জনজাতীয় লোকসকলৰ ভাষাৰ পৰা শ শ শব্দ আৰু কোনো কোনো সময়ত প্ৰকাশভংগীও অসমীয়া ভাষাই গ্ৰহণ কৰিছে। স্বৰ আৰু গঠনৰ ক্ষেত্ৰত অসমীয়া ভাষাটো জনজাতীয় ভাষাৰ লগত এনেধৰণে জড়িত হৈ আছে যে এই ভাষাটোৰ ওপৰত থকা ঐতিহাসিক জনজাতীয় প্ৰতিভা আঁতৰাই দিলে অসমীয়া ভাষাটোৰ আকাৰ আৰু ৰূপ কেনে হ'ব তাক ধাৰণা কৰাটো টান হৈ পৰে। উৎপত্তি আৰু ব্যাকৰণৰ কাৰণৰ পৰা যদিও অসমীয়া ভাষা নিঃসন্দেহে সংস্কৃত আৰু প্ৰাকৃতৰ পৰা উৎপত্তি হৈছে, তথাপিও ইয়াৰ ক্ৰমবিকাশত এই ভাষাক বহু পৰিমাণে স্থানীয় জনজাতীয় ভাষাই আকাৰ দিছে আৰু প্ৰভাবান্বিত কৰিছে। সেইবাবে এই ভাষাৰ বৰ্ত্তমানৰ ৰূপটো এই অঞ্চলত বাস কৰা বিভিন্ন জনজাতীয় লোকৰ কথিত ভাষা আৰু মূল প্ৰাকৃত ভাষাৰ সংমিশ্ৰণৰ ফলত উদ্ভৱ হোৱা বুলি কব পৰা যায়। অসমীয়া ভাষাটো কেৱল ভৈয়ামত



৬

বসবাস কৰা জনজাতীয় লোকৰেই নহয়, গোটেই উত্তৰ-পূৰ সীমান্ত অভিকৰণক ধৰি কিছুমান পাৰ্ব্বত্য অঞ্চলত বসবাস কৰা লোকৰ মাজতো যে ই ভাব প্ৰকাশৰ মাধ্যম হৈ আহিছে, সেইটো এটা উল্লেখযোগ্য কথা। এই কথাই মোৰ মতামতক সমৰ্থন কৰিছে আৰু এই পূৰ্ব্ব অঞ্চলৰ এটা উমৈহতীয়া ভাষা হিচাপে ব্যৱহৃত হবলৈ অসমীয়া ভাষাৰ বুৰঞ্জী সন্মত দাবীৰ প্ৰতি সমল যোগাইছে।

আমি এইটো উপলব্ধি কৰিব লাগিব যে গাৰো, খাচী, মিজো, মিকিৰ আৰু ৰাজ্যখনৰ আন আন কথিত ভাষা সমূহো অসমীয়া ভাষাৰ নিচিনাকৈয়ে আমাৰ আপোন ভাষা আৰু জনজাতীয় ভাষা সমূহৰ প্ৰত্যেকটোৰে স্বকীয়া বৈশিষ্ট্য আছে।

ইয়াত কোনো সন্দেহ নাই যে ক্ৰমবৰ্দ্ধমান জনজাতীয় ভাষা সমূহে অসমীয়া ভাষাৰ ক্ৰমোন্নতি প্ৰভাবান্বিত কৰিব।

যদি আন আন পাহাৰী ভাষা সমূহকো উন্নত কৰি তোলাত আমি সহায় নকৰো তেতিয়া হলে অসমীয়া ভাষাৰ উন্নতিত বাধা হব। অসমীয়া ভাষাৰ সহায়ত জনজাতীয় ভাষা বিলাকেও উন্নতিৰ পথত বেগাই আগুৱাই যাবলৈ সুবিধা পাব। গতিকে দেখা যায় যে জনজাতীয় আৰু অসমীয়া ভাষাৰ সম্বন্ধটো বুৰঞ্জীমূলক আৰু এই সম্বন্ধটো আগলৈকে এইদৰে থাকিবলৈ বাধ্য। যদি এই বুৰঞ্জীমূলক সত্যটো আমি সকলোৱেই উপলব্ধি কৰোহঁক, তেনেহলে ভাষাৰ পৰস্পৰ উন্নতি আৰু সমৃদ্ধি সাধনৰ হকে সকলো জনজাতীয় লোকে আৰু সকলো অসমীয়াই চেষ্টা কৰিব লাগিব; ভাৱ প্ৰৱনতা আৰু অনুভূতিৰ প্ৰাচীৰ গঢ়ি নুতুলি পৰ্ব্বত ভৈয়ামৰ ভাষা সমূহক ওচৰ চপাই আনিব লাগিব। এই সম্বন্ধ গঢ়ি তুলিবলৈ ভৈয়ামৰ মানুহে জনজাতীয় ভাষা শিকাটো যিমান আৱশ্যক, পাহাৰী লোক সকলেও ভৈয়ামৰ ভাষা শিকাটো সিমানেই লাভজনক হব। মোৰ বোধেৰে ভৈয়ামৰ প্ৰতিজন মানুহেই অন্ততঃ এটা পাহাৰী ভাষা শিকা উচিত। এইটোও উপলব্ধি কৰা উচিত যে আমি যিহকেই নকৰো কিয়, ভৌগলিক বাস্তৱতা আমি সলনি কৰিব নোৱাৰো। কোনো আকস্মিক প্ৰাকৃতিক বিপ্লৱে পৰিবৰ্ত্তন নানিলে চিৰদিনলৈ অসমৰ পৰ্ব্বত আৰু ভৈয়াম ওচৰাওচৰিকৈ একেলগে থাকিব লাগিব। পাহাৰ আৰু ভৈয়ামৰ লোকসকলৰ মাজত যি সামাজিক আৰু অৰ্থনৈতিক সম্বন্ধ আছে সি চলি থাকিব, আৰু বৃদ্ধি হৈ গৈ থাকিব। এই সম্বন্ধই দুয়ো পক্ষক ইজনে সিজনৰ ভাষা শিকাত প্ৰেৰণা যোগাব। যদি ইয়াৰ ভিতৰত কোনোবাই ভাষা শিকাত আপত্তি দৰ্শায়, তেনেহলে তেওঁ নিজেই অসুবিধাত পৰিব। কিন্তু মই বিশ্বাস কৰো যে জনসাধাৰণে এনে বাধাৰ সৃষ্টি কৰিবলৈ মান্তি নহব।

কিন্তু লগতে এইটোও মনত ৰাখিব লাগিব যে পাহাৰৰ বহুতো বাসিন্দাই মাৰ্জ্জিত বা লিখিত অসমীয়া কব বা লিখিব নোৱাৰে। ইংৰাজৰ আমোলত পাহাৰৰ লোকসকলক ভৈয়ামৰ লোকসকলৰ পৰা আঁতৰাই ৰখা হৈছিল। আৰু ইংৰাজ অহাৰ আগতে পৰ্ব্বত ভৈয়ামৰ মাজত থকা ঐতিহাসিক সম্বন্ধটো ইংৰাজ শাসনৰ এই এশবছৰৰ ভিতৰত প্ৰায় চিঙি গৈছিল।

যদি কেৱল অসমীয়াকেই ৰাজ্যৰ চৰাকাৰী ভাষা কৰা হয় তেন্তে পাৰ্ব্বত্য অঞ্চলৰ লোকসমূহে বহুত অসুবিধা ভোগ কৰিব লগীয়া হব আৰু পাৰ্ব্বত্য অঞ্চলৰ বহুসংখ্যক বিষয়াই অশিক্ষিত আৰু অক্ষম বুলি পৰিগণিত হব। গতিকে বিলখনত এনে এটা ব্যৱস্থা ৰখা হৈছে যাতে অনা-অসমীয়া লোকসকলেও বিশেষ অসুবিধা ভোগ কৰিব লগীয়া নহয়। সেই কাৰণে ইংৰাজী ভাষা ৰখা হৈছে আৰু কালত গৈ ইয়াৰ ঠাইত হিন্দী ভাষা ব্যৱহাৰ কৰা হব আৰু সেই ভাষাকো চৰকাৰী ভাষা হিচাপে ধৰা হব। মই এইটো পৰিষ্কাৰকৈ

৭

কৰ বিচাৰো যে বিশেষকৈ পাৰ্ব্বত্য অঞ্চলৰ লোকসকলৰ অসুবিধা আঁতৰ কৰিবলৈকে বিকল্পত এনে ব্যৱস্থা কৰা হৈছে। ইংৰাজী এটা বিদেশী ভাষা; সময়ত আমি ইয়াক এৰিব লাগিব। যেতিয়া ইংৰাজী ভাষাক চৰকাৰী কাৰ্য্যৰ ক্ষেত্ৰত সম্পূৰ্ণভাৱে উঠাই দিয়া হব তেতিয়া ইয়াৰ ঠাইত কেৱল অসমীয়াই নহয়, লগতে হিন্দী ভাষাও ব্যৱহাৰ কৰা হব। ৰাষ্ট্ৰীয় ভাষা হিচাপে হিন্দী ভাষা সকলোৱে শিকিবই লাগিব। গতিকে, হিন্দী ভাষাকো যদি অসমীয়া ভাষাৰ লগতে চৰকাৰী ভাষা কৰা হয়, তেন্তে ভৈয়ামৰ লোকসকলে তুলনা বাবে একো অসুবিধা ভোগ কৰিব লগীয়া নহব। পাৰ্ব্বত্য অঞ্চলৰ লোকসকলৰ ক্ষেত্ৰত ই এটা ডাঙৰ সাহায্য আৰু সুবিধা হব। তেওঁলোকে বাধ্যতামূলকভাৱে বহুত ভাষা শিকাৰ পৰা বহু পৰিমাণে অৱকাশ পাব, আৰু তেওঁলোকে ভৈয়ামৰ লোকসকলৰ দৰে প্ৰায় সমান সুবিধাই লাভ কৰিব। নিজ নিজ ইচ্ছানুযায়ী আৰু নিজৰ স্বাৰ্থ উপলব্ধি কৰিহে স্বাধীন ভাৱে ভাষা শিকিবলৈ দিয়া উচিত। ইয়াৰ বাবে কোনো বাধ্যতামূলক ব্যৱস্থা আৰু বিশেষকৈ চৰকাৰী বাধ্যতামূলক ব্যৱস্থা কৰাটো কেতিয়াও উচিত নহব।

অসমীয়া ভাষাক ব্ৰহ্মপুত্ৰ উপত্যকাত একমাত্ৰ চৰকাৰী ভাষা হিচাপে আৰু সচিবালয়ত বহা সময়ত দুটা চৰকাৰী ভাষাৰ ভিতৰত অসমীয়াক এটা ভাষা হিচাপে ব্যৱহাৰ কৰা ব্যৱস্থাৰ দ্বাৰা অসমীয়া ভাষী সকলৰ বিশেষ কিবা সুবিধা হব তাক বুজি অনা-অসমীয়া লোকৰ অসুবিধাসমূহো নাইকিয়া কৰাৰ ক্ষেত্ৰত অসমীয়াসকলৰ যি দায়িত্ব আৰু কৰ্ত্তব্য আছে তাকো উপলব্ধি কৰিব পাৰিব বুলি মই বিশ্বাস ৰাখিছোঁ। গতিকে এই ব্যৱস্থাটোৱে এইটোকে পৰিষ্কাৰকৈ বুজায় যে উদাৰভাৱে অনা-অসমীয়া, বিশেষকৈ পাৰ্ব্বত্য অঞ্চলৰ লোকসকলৰ, ওপৰত অসমীয়া ভাষাক জোৰকৈ জাপি দিবলৈ নিবিচাৰে। যিমান দিনলৈকে চৰকাৰী সচিবালয় আৰু বিভাগীয় অধিকৰ্ত্তাৰ কাৰ্য্যালয়সমূহত ইংৰাজী ভাষা চলি থাকে, তেতিয়ালৈকে কোনো লোকেই কোনো প্ৰকাৰৰ অসুবিধাৰ সন্মুখীন হব লগীয়া নহব। অন্যান্য কথা বাদ দিও বাস্তৱ কাৰণৰ পৰাও সচিবালয় আৰু বিভাগীয় অধিকৰ্ত্তাৰ কাৰ্য্যালয়সমূহৰ পৰা তত্কালিকে ইংৰাজী ভাষা উঠাই দিয়াটো সম্ভৱপৰ নহয়।

পাৰ্ব্বত্য জিলাসমূহৰ প্ৰশাসনৰ ক্ষেত্ৰত বিলখনত কোৱা হৈছে যে জিলা আৰু আঞ্চলিক পৰিষদে তেওঁলোকৰ প্ৰতিটো এলেকাৰ বাবে কি ভাষা, জিলা আৰু অঞ্চলৰ প্ৰশাসনীয় ক্ষেত্ৰত ব্যৱহাৰ কৰিব তাক জিলা আৰু আঞ্চলিক পৰিষদে স্থিৰ কৰিব পাৰিব। সেই একেদৰেই কাছাৰ জিলাত জিলা পৰ্য্যায়লৈকে সকলো প্ৰশাসনীয় কামকাজ বঙালী ভাষাত চলাবলৈ দিয়া হৈছে। বিলখনত থকা এই ব্যৱস্থাৱলীৰ পৰা এইটো স্পষ্ট হৈ পৰিছে যে অসমীয়া আৰু হিন্দীক চৰকাৰী ভাষা কৰাত অসমৰ কোনো নাগৰিকৰে ক্ষতিৰ নহয়। বঙালী ভাষা সম্পৰ্কে মই ইয়াকে কব খোজোঁ যে সেই ভাষা আৰু সাহিত্য অতি চহকী। ইয়াৰ উন্নতিৰ কাৰণে কোনো উৎসাহ বা সহায় নিষ্প্ৰয়োজন। তদুপৰি তেওঁলোকৰ ভাষাটোৱে ভাৰতৰ এখন প্ৰধান ৰাজ্যত ইতিমধ্যে কাৰ্য্যতঃ সকলো প্ৰকাৰে চৰকাৰী ভাষাৰ মৰ্য্যাদা লাভ কৰিছে। বঙালী ভাষা আৰু সাহিত্যই সমগ্ৰ দেশতে সন্মান আৰু মৰ্য্যাদা লাভ কৰি আহিছে। বঙালী সকলে এই সুবিধা লাভ কৰা স্বত্বেও, তেওঁলোকৰ ভাষাটো সংখ্যাগৰিষ্ঠ বঙালী জিলা কাছাৰত ব্যৱহাৰ কৰিবলৈ স্বীকৃতি দিয়া হৈছে আৰু তাৰোপৰি তেওঁলোকে যদি ইচ্ছা কৰে অসমীয়াৰ পৰিবৰ্ত্তে সচিবালয়ৰ পৰ্য্যায়ত ভাৰতৰ ৰাষ্ট্ৰীয় ভাষা হিন্দী ব্যৱহাৰ কৰিব পাৰিব। ব্ৰহ্মপুত্ৰ উপত্যকাত স্বাভাবিকতে অসমীয়াই একমাত্ৰ চৰকাৰী ভাষা হব।

চৰকাৰী ভাষা সম্পৰ্কে কিছু পৰিমাণে সন্দেহ আৰু ভুল বুজাবুজিৰ ভাৱো পৰিলক্ষিত হৈছে। চৰকাৰী ভাষা হৈছে কেৱল চৰকাৰী কামকাজত ব্যৱহাৰ কৰা ভাষা। শিক্ষাৰ মাধ্যমৰ লগত ইয়াৰ কোনো সম্পৰ্ক নাই। প্ৰতিজন নাগৰিকৰ কাৰণে শিক্ষাৰ মাধ্যমৰ বিষয়ে বিকল্পত ব্যৱস্থা আছে। গতিকে চৰকাৰী ভাষা ঘোষণা কৰিলে যে কাৰো



৮

মাতৃভাষাত শিক্ষা লাভ কৰাত অসুবিধা হৈ উঠিব এনে আশঙ্কা কৰা উচিত নহয়। জনজাতীয় ভাষা সমূহৰ উন্নতি আৰু ক্ৰমবিকাশত সহায় কৰাটো চৰকাৰৰ এটা লক্ষ্য, যাতে সময়ত ইয়াৰ প্ৰতিটো ভাষাই উচ্চ পৰ্য্যায়ৰ শিক্ষাৰ মাধ্যম স্বৰূপ হব পাৰে। কেতবোৰ পাৰ্ব্বত্য ভাষাই ইতিমধ্যে উচ্চ পৰ্য্যায় লাভ কৰিছে; কিন্তু তাৰ ভিতৰত কিছুমান ভাষা এতিয়াও সম্পূৰ্ণ উন্নত স্তৰত উপনীত হব পৰা নাই। কিন্তু মই নিশ্চিত যে এই উদ্দেশ্যত চৰকাৰৰ তৰফৰ পৰা সাধ্য অনুসৰি দিয়া সাহায্য আৰু বাইজৰ নিজ প্ৰচেষ্টাৰ ফলত ইয়াৰ প্ৰতিটো ভাষাই উন্নতি কৰিব পাৰিব।

মোৰ বোধেৰে অসমক বিভক্ত কৰা পৰামৰ্শ গ্ৰহণ কৰিলে চৰকাৰী ভাষা সমস্যাৰ সমাধান হব নোৱাৰে। গতিকে, আমাৰ মাজত এই সমস্যা লৈ মতানৈক্যৰ সৃষ্টি নকৰি বা অসম বিচ্ছেদৰ কথা মনলৈ নানি অধিকতৰ মিলা প্ৰীতি, ঐক্য আৰু যুগ যুগান্তৰ ধৰি চলি অহা একত্ৰীকৰণৰ প্ৰণালীক আৰু বেচি শক্তিশালী কৰি গঢ়ি তুলিবলৈ চিন্তা আৰু চেষ্টা কৰা উচিত। বিভিন্ন সম্প্ৰদায়ৰ মাজত শান্তি-শৃঙ্খলা, সদ্ভাৱ, বিশ্বাস আৰু ভাতৃত্বৰ ভাৱৰ সুস্থ পৰিবেশৰ সৃষ্টি কৰা, সমগ্ৰ ৰাজ্যৰ সামাজিক আৰু অৰ্থনৈতিক উন্নতি সাধন কৰা, আৰু তাৰোপৰি আমাৰ মাজত বৰ্ত্তমানে দেখা দিয়া অনৈক্য ভাৱ পৰিহাৰ কৰি একতাৰ শক্তি সবল কৰাই হৈছে আমাৰ ঘাই কাম। নিষ্ঠা আৰু একাগ্ৰতাৰে এই কাম কৰি যাবলৈ অসমৰ জনসাধাৰণে দায়িত্ব বহন কৰিব লাগিব।

এই ঐতিহাসিক দায়িত্ব পালন কৰাত অপবাগ হলে আমাৰ অধঃপতন অনিবাৰ্য্য। এই লক্ষ্য আগত ৰাখি চৰকাৰে পাৰ্য্যমানে চেষ্টা চলাই আহিছে আৰু ভৱিষ্যতেও চেষ্টা চলাব। মই অসমবাসী সকলো বাইজলৈ আবেদন জনাইছোঁ, যেন সমূহ বাইজে এই ক্ষেত্ৰত সহযোগিতা কৰে। বাইজৰ সক্ৰিয়, স্বেচ্ছাকৃত আৰু গঠনমূলক সহযোগ অবিহনে চৰকাৰে অকলে এই কাৰ্য্য পৰিপূৰ্ণ কৰিব নোৱাৰে। ভাব প্ৰৱণতা আৰু অনুভূতি পৰ্ণ কাৰ্য্য ভালেখিনি পৰিলক্ষিত হৈছে। মই এতিয়া সবিনয়ে অনুৰোধ জনাইছো যেন সকলোৱে বৰ্ত্তমান পৰিস্থিতিত যুক্তি যুক্ততাৰ নিৰ্দ্দেশ দেখুৱাবলৈ চেষ্টা কৰে। সৃষ্টিমূলক কাৰ্য্যৰ ফালে এই ভাব প্ৰৱণতাক ঢাল খুৱাই, তাক যুক্তিৰ দৃষ্টিভঙ্গী আৰু বুদ্ধিৰ দ্বাৰা কাৰ্য্যত পৰিণত কৰিবলৈ যত্ন কৰা উচিত। বাইজে তেওঁলোকৰ ভাষাৰ স্বীকৃতিদান কৰি উপযুক্ত চৰকাৰী ভাষাৰ মৰ্য্যাদা দিয়াটো বিচাৰে, আৰু এই বিলখনে তাক সম্পূৰ্ণৰূপে সেই মৰ্য্যাদা দিছে। কোনো লোকৰ ওপৰত কোনো এটা ভাষা জাপি দিয়াটো কোনেও খোজা নকৰে আৰু এই বিলখনে সেই ক্ষেত্ৰতো দৃঢ়তা দেখুৱাই সেই সম্পৰ্কত থকা সকলো আশঙ্কা দূৰ কৰিছে। চৰকাৰী নিযুক্তি, ঠিকা কাম আৰু শিক্ষাৰ ক্ষেত্ৰত সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকলৰ কাৰণে বিলখনত স্পষ্টভাৱে সকলো সম্ভৱপৰ ৰক্ষা কবচৰ দিহা কৰা হৈছে। সকলোকে নিজ ভাষা ৰাখি লোৱাৰ ক্ষমতা দিয়া হৈছে আৰু সকলো সম্প্ৰদায়ৰ লোকৰ মতামতক উপযুক্ত মৰ্য্যাদা দিয়া হৈছে। গতিকে এই বিলখনত লিপিবদ্ধ কৰা প্ৰস্তাৱৰ বাহিৰে একতা আৰু অখণ্ডতাৰ দৃষ্টিভঙ্গীৰ পৰা চালে আৰু বৰ্ত্তমানৰ পৰিস্থিতিত অধিক যুক্তিসঙ্গত আৰু অধিক গণতান্ত্ৰিক আন কিবা প্ৰস্তাৱ হব পাৰে বুলি মই নাভাবোঁ। মই আশা কৰো, আৰু বিশ্বাস কৰো, যে এই বিলখন গৃহীত হোৱাৰ লগে লগে আমি সকলোৱে এখন শক্তিশালী আৰু ঐক্যবদ্ধ অসম গঢ়ি তোলাৰ পথত আগ বাঢ়িব পাৰিম।

AGP (I & P) 4/60—10,000—14-10-60.

[illegible]

## আনন্দী সমিতি।

[illegible]

## গোৱালপাৰা বিচ্ছেদ।

[illegible]



৪১

প্ৰথম প্ৰস্তাৱ।

অসাম - সাহিত্য - সভাই পুথিসকলৰ বৰ্ত্তমান আদি বিষয়ক পুথি - প্ৰণয়ন আৰু প্ৰকাশৰ কাৰণে যত্ন কৰক।

প্ৰস্তাৱক — শ্ৰীযুক্তা [illegible] দাস।
সমৰ্থক — শ্ৰীযুক্ত হেমচন্দ্ৰ গোস্বামী।
অনুমোদক — মৌলবী [illegible]

[illegible] প্ৰস্তাৱ।

এই অধিবেশনে মৌলবী [illegible] মহাশয়ক অনুৰোধ কৰে, [illegible] আৰু [illegible] আসাম-সম্বন্ধীয় [illegible] কথা [illegible]

প্ৰস্তাৱক — শ্ৰীযুক্ত [illegible], M.A.
সমৰ্থক — " [illegible] গোস্বামী, M.A.
অনুমোদক — " [illegible]

[illegible] প্ৰস্তাৱ।

এই অধিবেশনে [illegible] কৰক। [illegible] কৰি দিয়ক।

প্ৰস্তাৱক — শ্ৰীযুক্ত [illegible]
সমৰ্থক — শ্ৰীযুক্ত [illegible] গোস্বামী, ~~[illegible]~~
অনুমোদক — শ্ৰীযুক্ত [illegible] B.A.

১৯২৫ চনৰ কেইটামান প্ৰস্তাৱ

৪৬

[illegible] প্ৰস্তাৱ

আগন্তুকীয় [illegible] অসম সাহিত্য সভাৰ [illegible] সভা স্থাপনৰ অৰ্থে যত্ন কৰিছিলে আৰু সকলো প্ৰকাৰে অসমীয়া সাহিত্যৰ প্ৰচাৰৰ অৰ্থে যত্ন কৰিছিলে অসম সাহিত্য সভাৰ পৰা সম্প্ৰতি তিনি মাহৰ কাৰণে ৩০ ত্ৰিশ টকা মাহিলি দৰমহাত একন প্ৰচাৰক নিযুক্ত কৰা হওক। আৰু তলত নাম দিয়া ভদ্ৰলোক সকলক তেওঁলোকে এনে যত্ন লবলৈ অনুৰোধ কৰা হওক।

প্ৰচাৰক — শ্ৰীযুত [illegible] শৰ্মা, [illegible]

ডিব্ৰুগড় — শ্ৰীযুত [illegible] চলিহা, এম. এ., বি. এল.

উ: লখিমপুৰ — মহম্মদ চাদিক হচেন।

শিৱসাগৰ — শ্ৰীযুত দুৰ্গাপ্ৰসাদ বৰঠাকুৰ, বি. এল.

[illegible] — „ নকুল চন্দ্ৰ [illegible]

[illegible] — „ [illegible] গোস্বামী।

[illegible] — „ [illegible] বৰুৱা, বি. এ.।

[illegible] — „ চন্দ্ৰনাথ শৰ্মা, বি. এল.

[illegible] — „ [illegible] মহন্ত, [ডিমিলা মৌজা]

গুৱাহাটী — „ সৰ্বেশ্বৰ কটকী।

[illegible] — „ [illegible] দাস

[illegible] — „ [illegible] দাস। [illegible]

[illegible]

[illegible] — „ [redacted]

[illegible] — [redacted]

কলিকাতা — শ্ৰী [redacted] এ.

[redacted]

ঢাকা — শ্ৰীযুত [redacted] এ.

[illegible]

অসম সাহিত্য সভাৰ [illegible] [illegible]

[illegible]





[illegible] প্ৰস্তাৱ

[illegible]

যিহেতু অসমৰ বাহিৰত থকা অসমীয়া আৰু অসমত বসতি কৰা [illegible] সকলো সময়তে অসমীয়া ভাষা [illegible] অৰ্থে বিহিত যত্ন লবলৈ এই সন্মিলনে তলত দিয়া ভদ্ৰলোক সকলক অনুৰোধ কৰায়:-

মৌলবী [illegible] আলি, B.L., M.L.
শ্ৰীযুত [illegible] শৰ্মা বৰুৱা, B.L.
„ নীলমণি ফুকন, B.A., M.L.
„ [illegible], B.L., M.
„ [illegible], B.L., M.L.C

Rai Saheb K. K. Barua objected the amendment by Sjt B. [illegible]
Amendment by Sjt [illegible] Barua
Maulavi Mafizuddin A. Hazarika
Again by Sjt [illegible] Barthakur
[illegible] Barua

প্ৰস্তাৱক — শ্ৰীযুত [illegible]
সমৰ্থক — „ [illegible]
অনুমোদক — „ [illegible]

দ্বাদশ প্ৰস্তাৱ।

[illegible] আৰু সেই উদ্দেশ্যে সকলো কাম [illegible] এই সন্মিলনে তলত দিয়া কমিটিৰ ওপৰত ভাৰ দিয়ে:-

কমিটি — সভাপতি — শ্ৰীযুত হেমচন্দ্ৰ গোস্বামী।
সম্পাদক — „ সূৰ্য্যকুমাৰ ভূঞা, M.A.
সভ্য — „ ৰায় বাহাদুৰ [illegible] B.L.
„ [illegible]

[illegible]

আৱশ্যক বুলিলে এই [illegible] এই কমিটিক সভ্য [illegible] দিয়া হল।

প্ৰস্তাৱক — শ্ৰীযুত [illegible]

সমৰ্থক — শ্ৰীযুত [illegible]

অনুমোদক — „

[illegible]

ত্ৰয়োদশ প্ৰস্তাৱ।

স্বৰ্গীয় ৺ হেমচন্দ্ৰ বৰুৱা মহোদয়ৰ [illegible] স্মৃতি [illegible] অসম-সাহিত্য-সভাই [illegible] এখন স্মৃতি-ফলক স্থাপন কৰক।

শ্ৰীযুত [illegible]।
শ্ৰীযুত [illegible]।
শ্ৰীযুত [illegible]।

প্ৰস্তাৱক — শ্ৰীযুত গোপাল কৃষ্ণ দে।
সমৰ্থক — " শিৱনাথ ভট্টাচাৰ্য্য
অনুমোদক — " দুৰ্গা প্ৰসাদ [illegible]

চতুৰ্দ্দশ প্ৰস্তাৱ।

অসম উপত্যকাৰ [illegible] জাহাজ-ঘাট আদি [illegible] আৰু [illegible] অসমীয়া ভাষাত [illegible] কৰা হয় তাৰ অৰ্থে গৱৰ্ণমেণ্টক অনুৰোধ কৰা হওক।

প্ৰস্তাৱক — শ্ৰীযুত [illegible]।
সমৰ্থক — " [illegible]।
অনুমোদক — " [illegible]।
" — মৌলবী [illegible]।

[illegible] শ্ৰীযুত [illegible]।

প্ৰস্তাৱ, ১৯২৫



[illegible]

[illegible]

২০/৪/২৩ [illegible]

[illegible] গোস্বামী।
[illegible]।
[illegible] বৰুৱা।
[illegible]।
[illegible]।
" [illegible]।
" [illegible] দাস।
" গোপাল চন্দ্ৰ বৰুৱা।
" [illegible] চন্দ্ৰ গোস্বামী।
" [illegible]।
মৌলবী [illegible]।
[illegible] শ্ৰীযুত [illegible]।
[illegible]।

(১)

[illegible] শ্ৰীযুত [illegible] সভাপতিৰ আসন গ্ৰহণ কৰি [illegible]।

(২)

[illegible] সাহিত্য সন্মিলনৰ [illegible] প্ৰস্তাৱ অনুসাৰে পূৰ্ব্ব পূৰ্ব্ব সন্মিলনৰ প্ৰস্তাৱ [illegible] আলোচনা কৰি [illegible] দিয়া হয়।

(ক) [illegible] সন্মিলনৰ [illegible] প্ৰস্তাৱ — [illegible]।

(খ) [illegible] সন্মিলনত [illegible] প্ৰস্তাৱ — [illegible] সাহিত্য সভাত [illegible]।

(গ) [illegible] সন্মিলনত [illegible] প্ৰস্তাৱ — সাহিত্য [illegible] সাহিত্য সভাত [illegible] প্ৰদান।

১৯২৩ চনৰ এপ্ৰিল মাহত নৰ্মাল স্কুল (যোৰহাট)-ত হোৱা কাৰ্যনিৰ্বাহক সমিতি

৭

(৮)

৫ম অধিবেশনত সভা প্ৰস্তাৱ অনুমোদিত প্ৰকাশ কৰা

সমিতিক শ্ৰীযুত ~~হেমচন্দ্ৰ গোস্বামী~~ (দণ্ডীৰাম প্ৰসাদ বৰুৱা) দেৱক সম্পাদক পাতা হয়।

সভাপতিক ধন্যবাদ দি সভা ভঙ্গ হোৱে।

শ্ৰীদুৰ্গা...

সভাপতি

১৩।৪।২৩



৮

কাৰ্য নিৰ্বাহক সভাৰ ২য় অধিবেশন।

তাৰিখ — ৫।৬।২৩।

সময় — গধূলি ৭ টা।

ঠাই — নৰ্মাল স্কুল হল।

উপস্থিত — শ্ৰীযুত কৃষ্ণকান্ত ভট্টাচাৰ্য্য,
" ৰামেশ্বৰ বৰুৱা,
" পূৰ্ণানন্দ পাঠক,
" হৰিনাথ পাঠক চৌধুৰী,
" হৰিনাৰায়ণ দত্ত বৰুৱা,
" শৰৎ চন্দ্ৰ গোস্বামী

১। শ্ৰীযুত কৃষ্ণকান্ত ভট্টাচাৰ্য্য ডাঙৰীয়াক সভাপতি মনোনীত কৰা হয়।

২। শাৰীৰিক অসুস্থতাৰ কাৰণে কিছু বেছি দিনলৈ প্ৰধান সম্পাদক শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী আৰু সহকাৰী সম্পাদক শ্ৰীযুত হৰিনাথ পাঠক চৌধুৰী যোৰহাটৰ পৰা স্থানান্তৰত থাকিব লগীয়া হোৱাত (উক্ত দুজনৰ অনুপস্থিতিত) সাহিত্য সভাৰ কাৰ্য্য চলাবৰ কাৰণে এই বন্দোবস্ত কৰা হল :—

শ্ৰীযুত ৰামেশ্বৰ বৰুৱা — প্ৰধান সম্পাদক

শ্ৰীযুত চন্দ্ৰনাথ বৰুৱা — সহকাৰী সম্পাদক।

সভাৰ যাৱতীয় কাগজ-পত্ৰ আৰু টকা-কড়িৰ ভাৰ সহকাৰী সম্পাদক শ্ৰীযুত হৰিনাৰায়ণ দত্ত বৰুৱাৰ হাতত থাকিব।

৩। হেমকোষৰ সম্বন্ধে শ্ৰীযুত শিৱনাথ ভট্টাচাৰ্য্যলৈ শ্ৰীযুত হৰিনাৰায়ণ বৰুৱাই (উক্ত সভাৰ) যৌথিক নিৰ্দেশ মতে চিঠি-পত্ৰ দিব।

লিখক — শ্ৰী শৰৎচন্দ্ৰ গোস্বামী
৫।৬।২৩

শ্ৰী কৃষ্ণকান্ত ভট্টাচাৰ্য্য।
সভাপতি

কাৰ্যবিবৰণিৰ একাংশ

৯

কাৰ্য্য নিৰ্বাহক সভাৰ অধিবেশন।

তাৰিখ — ৬।৮।২০

সময় — সন্ধ্যা ৭ বজাত

ঠাই — নৰ্মাল স্কুল।

উপস্থিত :— শ্ৰীযুক্ত হেমচন্দ্ৰ গোস্বামী।
" চন্দ্ৰধৰ বৰুৱা।
" শিৱপ্ৰসাদ বৰুৱা।
" কৃষ্ণকান্ত ভট্টাচাৰ্য্য।
" কমলেশ্বৰ বৰুৱা।
" দেৱেন্দ্ৰনাথ বেজবৰুৱা।
" দেৱেশ্বৰ শৰ্ম্মা।
মৌলবী জোহিৰুদ্দিন আহমেদ।
শ্ৰীযুক্ত হৰিনাৰায়ণ দত্তবৰুৱা।
মৌলবী মোজাম্মেল হক।

১। সৰ্ব্ব সম্মতিক্ৰমে শ্ৰীযুক্ত ~~[illegible]~~ চন্দ্ৰধৰ বৰুৱা সভাপতিৰ আসন গ্ৰহণ কৰে।

২। সাহিত্য সমিতিৰ স্থায়ী কোষ সম্বন্ধে আলোচনা —
তাৰ পাছত কেন্দ্ৰীয় সমিতিলৈ শ্ৰীযুক্ত [illegible]
চাহাবৰ যোগে সাহিত্য সমিতিৰ কোষলৈ ধন [illegible]
সমিতি কোষলৈ অনুৰোধ কৰিবলৈ ভাৰ দিয়া হ'ল :—
শ্ৰীযুক্ত চন্দ্ৰধৰ বৰুৱা।
মৌলবী [illegible] হক।
শ্ৰীযুক্ত হেমচন্দ্ৰ গোস্বামী।
কমলেশ্বৰ বৰুৱা।
~~[illegible]~~ দেৱেন্দ্ৰনাথ বেজবৰুৱা।
[illegible]

শ্ৰীযুক্ত চন্দ্ৰনাথ [illegible] [illegible]
[illegible] দিয়া হয়।

সভাপতিক ধন্যবাদ দি সভা ভংগ কৰা হয়।

শ্ৰী চন্দ্ৰধৰ বৰুৱা
সভাপতি —



ঠাই — বিষ্ণুৰাম হল।
তাৰিখ — ২৫।১১।২৩ সন্ধ্যা। আসাম সাহিত্য সভাৰ কাৰ্য্য নিৰ্বাহক সমিতিৰ বিশেষ অধিবেশন।

— × —

উপস্থিত :—

| | |
|---|---|
| ৰায়বাহাদুৰ শ্ৰীযুত দেৱীচৰণ বৰুৱা। এম্. এল. চি. | শ্ৰীযুত দেৱেশ্বৰ চলিহা। |
| " " ৰাধিকানাথ সন্দিকৈ। | " অম্বিকানাথ শৰ্ম্মা |
| ৰায় চাহেব শ্ৰীযুত দেৱেশ্বৰ বৰুৱা। | " হৰিনাথ পাঠক চৌধুৰী |
| শ্ৰীযুত কুসুমকান্ত চলিহা। বি এল্ | " কৃষ্ণকান্ত ভট্টাচাৰ্য্য |
| " হেমচন্দ্ৰ গোস্বামী। | " শ্ৰীকান্ত ব্ৰহ্মচাৰী |
| ৰায়বাহাদুৰ প্ৰমথনাথ বায় বাহাদুৰ। বি এল্ | " দেৱেশ্বৰ শৰ্ম্মা। বি এল্ |
| শ্ৰীযুত দেৱেন্দ্ৰনাথ বেজবৰুৱা। বি এল্ | " শৰৎচন্দ্ৰ গোস্বামী। বি |
| " দণ্ডেশ্বৰ বৰুৱা। বি এ | " বিষ্ণুচন্দ্ৰ বৰুৱা এম এ বি |
| " গোলাপচন্দ্ৰ গোস্বামী। বি এ | " মধুৰানাথ বৰুৱা। বি |
| " চন্দ্ৰনাথ বৰুৱা। বি এ | " আনন্দচন্দ্ৰ বৰুৱা। |
| " ভিভিন চন্দ্ৰ বৰুৱা | " শিৱপ্ৰসাদ বৰুৱা। বি |
| " মুকুন্দ চন্দ্ৰ দত্ত। বি এ | " গোলাপচন্দ্ৰ বৰুৱা। এম |
| (১) | ধৰণীচন্দ্ৰ দাস। বি এল্ |

ৰায়বাহাদুৰ শ্ৰীযুত দেৱীচৰণ বৰুৱা ডাঙৰীয়াই সৰ্ব্ব সম্মতিক্ৰমে সভাপতিৰ আসন গ্ৰহণ কৰে।

(২)

সভাপতিয়ে পূজ্যপাদ শ্ৰীশ্ৰীযুত সত্ৰাধিকাৰ গোস্বামী প্ৰভুৱে আসাম সাহিত্য সভাক বিশেষ দান হিচাবে ৫০০০্ টকা দিয়া বুলি জনোৱাত সেই প্ৰস্তাৱ পণ্ডিত শ্ৰীযুত হেমচন্দ্ৰ গোস্বামী দেৱৰ সহায়ত সম্মতি সহকাৰে গ্ৰহণ কৰে।

আৰু ৰায়বাহাদুৰ শ্ৰীযুত ৰাধিকানাথ সন্দিকৈ ডাঙৰীয়া দেৱৰ পুত্ৰ স্বৰ্গীয় কমলেশ্বৰ সন্দিকৈ আৰু ঈশ্বৰকান্ত সন্দিকৈ স্মৃতি ৰক্ষাৰ্থে ২০০০্ টকাৰ দান দিয়াত সম্মতিক্ৰমে সাদৰে গ্ৰহণ কৰি ২৫।১১।২৩ তাৰিখত দিবলৈ সিদ্ধান্ত হয়।

প্ৰস্তাৱ — শ্ৰীযুত হেমচন্দ্ৰ গোস্বামী দেৱে এই দান প্ৰস্তাৱ কৰে আৰু সৰ্ব্ব সম্মতিক্ৰমে গৃহীত হয়।

পূজ্যপাদ শ্ৰীশ্ৰীযুত দক্ষিণপাটীয়া সত্ৰাধিকাৰ গোস্বামী প্ৰভুৱে আসাম সাহিত্য সভালৈ ৫০০০্ টকা দিয়া—

৩। প্ৰস্তাৱ। সভাৰ কাৰ্য্য আৰম্ভ কৰিবৰ কাৰণে [illegible] [illegible]
[illegible] দিয়া [illegible] সম্বন্ধে chief Engineer [illegible] লগত [illegible]
কথা পাতিবৰ কাৰণে [illegible] কৰা হ'ল।

শ্ৰীযুত মিত্ৰ প্ৰসাদ বৰুৱা।
" প্ৰমথনাথ চক্ৰৱৰ্ত্তী।
" হেম চন্দ্ৰ গোস্বামী।
" শৰৎ চন্দ্ৰ গোস্বামী।

৪। শ্ৰীযুত বৰ্দ্দীনাথ গোস্বামীৰ নাম সম্বন্ধে আলোচনা কৰিবৰ কাৰণে
[illegible] দিয়া [illegible] সম্বন্ধে [illegible] [illegible]
ঠিক কৰা হ'ল।

শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা
" হেম চন্দ্ৰ গোস্বামী
" শৰৎ চন্দ্ৰ গোস্বামী
" দেবেন্দ্ৰনাথ বেজবৰুৱা
" দেবেশ্বৰ শৰ্মা।

৫। হেমকোষ ছপা সম্বন্ধে চিঠি পত্ৰ লোৱা হ'ল।
হেমকোষৰ ছপা প্ৰস্তাৱ পাতি দিয়া হ'ল।
সভাপতিক ধন্যবাদ দি সভা ভঙ্গ কৰা হ'ল।

শ্ৰী[illegible] বৰুৱা — —
সভাপতি—
২৫।১১।২৩
সন্ধ্যা ৫½-৬½ বজা



কাৰ্য্য নিৰ্বাহক সভাৰ সাধাৰণ অধিবেশন।
স্থান — অস্থায়ী অফিচ ঘৰ
তাৰিখ — ১৩।৩।২৪ ; সন্ধ্যা ৬½ বজা সময়।

উপস্থিত — ৰায় বাহাদুৰ শ্ৰীযুত কৃষ্ণকুমাৰ বৰুৱা। (সভাপতি)
" হেমচন্দ্ৰ গোস্বামী।
" কৃষ্ণকান্ত ভট্টাচাৰ্য্য।
" [illegible]প্ৰসাদ বৰুৱা।
" দুৰ্গাধৰ চক্ৰৱৰ্ত্তী।
" জিতেন্দ্ৰ কুমাৰ দাস।
" বিপিন চন্দ্ৰ বৰুৱা (সম্পাদক)।
" চন্দ্ৰ নাথ শৰ্মা।
" পূৰ্ণানন্দ শৰ্মা।
" ৰাজেশ্বৰ বৰুৱা।
" শৰৎচন্দ্ৰ গোস্বামী।

(১)

ৰায় বাহাদুৰ শ্ৰীযুত কৃষ্ণকুমাৰ বৰুৱা মহোদয়ে সভাপতিৰ
আসন গ্ৰহণ কৰে।

(২)

সভাৰ Memorandum of Association পাঠ কৰা হল। আৰু সৰ্বসম্মতিক্ৰমে গ্ৰহণ কৰা হল।

(৩)

২৩।১।২৪ তাৰিখৰ (ক) সিদ্ধান্তত কৰা চব-কমিটিয়ে নিয়মৰ যি পৰিবৰ্তন কৰিবলৈ স্থিৰ কৰিছে, তাক কাৰ্য্যনিৰ্বাহকসভাই মঞ্জুৰ কৰিলে। এই নিয়মবিলাক এখন সাধাৰণ সভাত অৰ্পণ কৰিব।

(৪)

নং ৬৬৯-৬৭০ / ১৯।৩।২৪ মাজুলী আৰু বৰদোৱা সাহিত্য-সভাক এই সভাৰ সহিতে সংযুক্ত আৰু দেৰগাওঁ সাহিত্য সভাক শাখা সভা কৰা হল।

(৫)

সাহিত্য-সভাৰ Common Sealৰ কাৰণে designৰ আলোচনা আন সভালৈ হব।

সভাপতিক ধন্যবাদ দি সভা ভংগ কৰা হল।

[illegible]
সভাপতি।
১৩।৩।২৪



২১

কাৰ্য্য নিৰ্বাহক সভাৰ সাধাৰণ অধিবেশন।
স্থান — অসমীয়া আফিচ ঘৰ —
সময় — ২৮।৩।২৪ অপৰাহ্ন ৭ বজা।

উপস্থিত :— শ্ৰীযুত হেম চন্দ্ৰ গোস্বামী। শ্ৰীযুত কালীৰাম চন্দ্ৰ মেধি।
" তুলসীচৰণ বৰদলৈ। " শৰৎ চন্দ্ৰ গোস্বামী - সম্পাদক
" নৃপেন্দ্ৰনাথ ভট্টাচাৰ্য্য " পূৰ্ণানন্দ শৰ্ম্মা।
" দেবেশ্বৰ চলিহা। " দণ্ডদেৱ গোস্বামী।
" হৰিনাথ পাঠক।
" মুক্তেশ্বৰ চন্দ্ৰ ঠাকুৰ।
মৌলবী আফতাবুদ্দিন আহমদ।
শ্ৰীযুত দেবেশ্বৰ শৰ্ম্মা।
আনন্দচন্দ্ৰ শৰ্ম্মা

(১)

সৰ্ব্ব সম্মতিক্ৰমে এই সভাত শ্ৰীযুত [struck through] হেমচন্দ্ৰ গোস্বামী সভাপতিৰ আসন গ্ৰহণ কৰিছিল।

(২)

নং ৬৭৪-৬৭৫ / ২৭।৩।২৪
গোৱালপাৰা
বঙাইগাওঁ
ধেমাজি ...

দাঁতিত লেখা ঠাইৰ সভা অসম-সাহিত্য-সভাৰ শাখা সভা কৰি লোৱা হয়।

(৩)

অসম-সাহিত্য-সভাৰ সম্পাদক ... সুবিধা ... গোৱালপাৰা ... সভাক দিয়া বাবে (১) মিঃ দিকেন, (২) মিঃ গুপ্তিং (৩) মিঃ কাৰ্ত্তি আৰু মিঃ বৰা চাহাবক ... সম্পাদকে সভাৰ কৃতজ্ঞতা আৰু ধন্যবাদ জনাব লাগিব।

(৪)

নতুন সদস্য নিৰ্বাচনত ... যি সকল ... ভোট ... লৈছিল ... সেই সকল ...

২২

সাহিত্য নিৰ্মাণ সভাই অনুমোদিত কৰে।

চন্দ্ৰকান্ত অভিধান নিৰ্মাণত লাগতে যি কাগজ ছপাই লোৱা উচিত সেই কাগজৰ [illegible] সভাই অনুমোদিত কৰে।

(৫)

চন্দ্ৰকান্ত অভিধান আৰু ইন্দ্ৰকান্ত [illegible] সম্পৰ্কে [illegible] [illegible] সভাৰ [illegible] [illegible] সেই বিষয়ে সভাক [illegible] [illegible] দিব।

শ্ৰীযুত হেম চন্দ্ৰ গোস্বামী, শ্ৰীযুত [illegible]
" শৰৎ চন্দ্ৰ গোস্বামী, " [illegible] শৰ্মা।
" দেৱেশ্বৰ চলিহা।

(৬)

সভাৰ Common Seal তৈয়াৰ কৰা সমিতিক [illegible] কৰা হ'ল।

সভাপতিক ধন্যবাদ দি সভা ভংগ কৰা হ'ল।

দেখা।

শ্ৰী হেমচন্দ্ৰ গোস্বামী
সভাপতি
২৮|৩|28



২৬

কাৰ্য্য-নিৰ্বাহক সভাৰ বিশেষ অধিৱেশন।
স্থান — অসমীয়া অফিচঘৰ।
সময় — ৩।৪।২৪ — সন্ধ্যা ৭ বজা।

উপস্থিত: শ্ৰীযুত [illegible] বৰুৱা, শ্ৰীযুত দেৱেন্দ্ৰনাথ [illegible], মৌলবী [illegible] আলি, শ্ৰীযুত হৰিনাথ পাঠক চৌধুৰী; শ্ৰীযুত [illegible] গোস্বামী, মৌলবী [illegible] আহমেদ, শ্ৰীযুত হেমচন্দ্ৰ গোস্বামী, শ্ৰীযুত [illegible]

(১)

মৌলবী [illegible] আলি চাহাবে সভাপতিৰ আসন গ্ৰহণ কৰে।

(২)

অসমৰ স্বৰ্গীয় [illegible] প্ৰসিদ্ধি লাভ কৰা আৰু [illegible] প্ৰতিষ্ঠাতা ৰায় বাহাদুৰ [illegible] [illegible] হোৱাত এই সভাই আন্তৰিক শোক প্ৰকাশ কৰি [illegible] আত্মাৰ সদগতি কামনা কৰে; আৰু স্বৰ্গীয় [illegible] পৰিয়াললৈ সমবেদনা জনায়।

নং ৭২০ [illegible] ৬|৪|২৪

(৩)

সভাপতিক ধন্যবাদ দি সভা ভংগ কৰা হয়।

[illegible]
সভাপতি।
৩|৪|২৪

২৪

কাৰ্য্য-নিৰ্বাহক সভাৰ সাপ্তাহিক অধিবেশন।
স্থান — [illegible] অফিচ ঘৰ।
সময় — ১০।৪।২৪ [illegible]

উপস্থিত — ৰায় বাহাদুৰ শ্ৰীযুত [illegible] — মৌলবী [illegible]।
ৰায় [illegible] শ্ৰীযুত [illegible] — শ্ৰীযুত [illegible]।
শ্ৰীযুত [illegible] শৰ্মা। — শ্ৰীযুত [illegible]।
শ্ৰীযুত [illegible]। — শ্ৰীযুত [illegible]।
শ্ৰীযুত [illegible]।
শ্ৰীযুত বিপিন [illegible]।

(১)

ৰায় বাহাদুৰ শ্ৰীযুত [illegible] সভাপতিৰ আসন গ্ৰহণ কৰে।

(২)

[illegible] অসমীয়া [illegible] সভাৰ [illegible] ৩।৫।১ / ১০।৪।২৪ সভাৰ [illegible] গৃহীত হয়।

(৩)

অসম সাহিত্য সভাৰ [illegible] (১০ এপ্ৰিল), ১৯২৪ চন [illegible] হিচাপ [illegible] তাৰিখ পৰ্য্যন্ত মুঠ জমা এই ধৰণ আছে।
১০।৪।২৪ তাৰিখ পৰ্য্যন্ত সভাৰ মুঠ জমা — ৮,৩৮৮ [illegible] পাই।
১০।৪।২৪ „ „ „ „ খৰচ — ৩৪২৪ [illegible]
১০।৪।২৪ তাৰিখ পৰ্য্যন্ত বাকী জমা — ৭[illegible] পাই
তাৰ পিছত [illegible] এই ধৰণে জমা আছে —
[illegible] — ৪,০০০।
[illegible] লোন আফিচ (মুঠ জমা — ২,১৮০) [illegible]।
সভাৰ [illegible] — ১,৭[illegible] পাই।

মুঠ জমা — ৭,৯৬৩ [illegible]

মুঠ: [illegible]।



মেলন।

ষষ্ঠ-সন্মিলন।

ডিব্ৰুগড়।

সন্মিলন বহা ঠাই :- ডিব্ৰুগড়ৰ জৰ্জ ইনষ্টিটিউচনৰ ঘৰ।
সন্মিলন বহা সময় :- ১৯ এপ্ৰিল, ২ বজাৰ পৰা ;
আৰু ২০ এপ্ৰিল, ১২ বজাৰ পৰা।
১৯২৪ ইং চন।

অভ্যৰ্থনা সভা।

১। ইং ১৯২৩ চনত যোৰহাটত বহা পঞ্চম সাহিত্য সভাত শ্ৰীযুত কনকলাল বৰুৱাদেৱলৈ মহাশয় পৰৱৰ্ত্তী সন্মিলন ডিব্ৰুগড়লৈ নিমন্ত্ৰণ কৰে। এই অনুসাৰে অসম সাহিত্য সভাৰ ষষ্ঠ-সন্মিলন ১৯২৪ ইং চনৰ ইষ্টাৰৰ বন্ধত ডিব্ৰুগড়ত পাতা হয়। সন্মিলনৰ সম্পৰ্কে সকলো কাম কৰিবলৈ ডিব্ৰুগড়ৰ বাইজে এখন আদৰণি সভা গঠন কৰে। তলত লিখা সকল তাৰ বিষয়া আছিল।

সভাপতি — শ্ৰীযুত শিৱৰাম শৰ্মা বি.এল।
যুটীয়া সম্পাদক — মৌলবী মফিজুদ্দিন আহমদ হাজৰিকা।
শ্ৰীযুত পদ্মধৰ চলিহা, এম.এ, বি.এল
„ সহঃ „ — মৌলবী চৈয়দুৰ ৰহমান, এম.এ, বি.এল
শ্ৰীযুত যাদবেন্দ্ৰনাথ ঠাকুৰ, বি.এল
প্ৰদৰ্শনীৰ সম্পাদক — শ্ৰীযুত লক্ষ্মেশ্বৰ বৰুৱা, বি.এল।

সন্মিলনৰ স্থান, প্ৰতিনিধি ইত্যাদি।

২। জৰ্জ ইনষ্টিটিউচনৰ নতুন ঘৰ এটাত সন্মিলনৰ সংস্থিৰ কৰা হৈছিল। অসমৰ নানা ঠাইৰ পৰা ৬০ জনমান প্ৰতিনিধি সন্মিলনত উপস্থিত হৈছিল। ডিব্ৰুগড় চহৰ আৰু মফচলৰ বহুতো ভদ্ৰলোকে সন্মিলনত যোগ দিছিল। আৰু আন আন লোক আৰু ছাত্ৰৰে সন্মিলন মণ্ডপ থাই-থাই পৰিছিল। প্ৰায় ৭/৮ হাজাৰ লোকে প্ৰথম দিনাৰ সন্মিলনত মিলিত হৈছিল। ১৯ এপ্ৰিল শনিবাৰৰ দিনা ঠিক দুই বজাত [illegible] আদৰণি আনি [illegible]

১০ দ্বিতীয় দিন, ২০ এপ্ৰিল – ৰবিবাৰ, ১২ বজাত সন্মিলনৰ কাৰ্য আৰম্ভ হয়। প্ৰথমতে প্ৰধান সম্পাদকে নিয়ম-পৰিবৰ্তন-বিলাক সন্মিলনত দাঙি ধৰে; সেইবিলাক গৃহীত হয়। তাৰ পাছত বিষয়-বাচনি-সভাই স্থিৰ কৰি দিয়া প্ৰস্তাৱ বিলাকৰ বিশেষ আলোচনা হয়। এই আলোচনাত সকলোৱে যোগ দিছিল, আৰু সৰ্বসাধাৰণৰ উৎসাহ দেখা গৈছিল। বিশেষ আলোচনাৰ পাছত প্ৰস্তাৱ বিলাক গ্ৰহণ কৰা হয়। তেতিয়া সাহিত্য-সভাৰ (আৰু) ... নিয়ম অনুসৰি সভাপতি মহাশয়ে অনুমতি দিলত, শ্ৰীযুত প্ৰসন্ন কুমাৰ বৰুৱা মহাশয়ে [illegible], আৰু শ্ৰীযুত [illegible] ৰজনীকান্ত মহাশয়ে এটা প্ৰস্তাৱ সন্মিলনত উত্থাপন কৰে। এই দুটা প্ৰস্তাৱো গৃহীত হয়।

দ্বিতীয় দিনৰ সন্মিলনৰ কাৰ্য্য।

১১। ইয়াৰ পাছত শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী দেৱে আৰু শ্ৰীযুত [illegible] দেৱে সাহিত্য-সভাৰ বাবে সন্মিলনত লোকসকলক ধন সাহায্য ভিক্ষা কৰে। ফলত [illegible] টকা প্ৰতিশ্ৰুতি হয়, [illegible] ৩৫ টকা লগে লগে আদায় হয়।

অৰ্থ সাহায্য

১২। [illegible] কাম হৈ যোৱাৰ পাছত ভোজ দিয়া প্ৰবন্ধবিলাক সন্মিলনত পাঠ কৰা হয় আৰু পঠিত বুলি গণ্য কৰা হয়। এই প্ৰবন্ধৰ তালিকা সম্পূৰ্ণ [illegible] (১৯৩৬) [illegible] অভ্যৰ্থনা সমিতিৰ প্ৰত্যুৎপন্নমতিত্বৰ সম্পৰ্কে [illegible] কোনো সম্পৰ্ক [illegible] নাই।

প্ৰবন্ধ পাঠ।

(ক) পঠিত প্ৰবন্ধ।

পাটী সাহিত্য – মৌলবী [illegible] ইছলাম বি.এ., এম.এ.

[illegible] — ডাক্তাৰ [illegible] বি.এ., M.S.

আমাৰ [illegible] — শ্ৰীযুতা [illegible] দেৱী [illegible]।

[illegible] – মৌলবী [illegible] আহমদৰ

(খ) পঠিত বুলি গণ্য প্ৰবন্ধ।

[illegible] মহম্মদ [illegible]

[illegible]



[illegible] চক্ৰবৰ্তী মহাশয়ে [illegible] উপস্থিত নিমন্ত্ৰণ কৰে।

ৰবীন্দ্ৰ-সঙ্গীত আৰু ঐক্যতান বাদ্যৰ [illegible] শ্ৰীযুত গিৰীশ চন্দ্ৰ চৌধুৰী আৰু শ্ৰীযুত [illegible] দাস সকলোকে উৎসাহ দিয়ে।

সন্মিলনৰ পাছত ৰায় বাহাদুৰ শ্ৰীযুত [illegible] দত্তই সকলো লোকক [illegible] খাবলৈ [illegible] দি আদৰ কৰে।

[illegible] মোৰিগাঁও আৰু মহোৎসৱ [illegible] আছিল।

সুকলমে সন্মিলনৰ সমস্ত কাৰ্য্য সমাপ্ত হয়।

শ্ৰীশৰৎ চন্দ্ৰ গোস্বামী
প্ৰধান সম্পাদক
২৩।[illegible]

১২

[illegible]

১। প্ৰস্তাৱ — [illegible]

[illegible] Trust fund [illegible] Board of Trustees [illegible]

২। [illegible] Institute [illegible]

১। [illegible] ৪। শ্ৰীযুত [illegible]
২। [illegible] ৫। [illegible]
শ্ৰীযুত [illegible] ৬। [illegible]
৭। [illegible]

প্ৰধান সম্পাদকৰ প্ৰতিবেদনৰ একাংশ (১৯২৩)



অসমীয়া জাতিৰ এটা নতুন যুগৰ আৰম্ভ হ'ল বুলিব লাগে।

ইয়াৰ উত্তৰত প্ৰভুদেৱে এটি সাৰগৰ্ভ সুললিত বক্তৃতা দিয়ে। তেওঁ কয় যে শিক্ষিত সম্প্ৰদায়ে ইয়ান দিনে ধৰ্মাধিকাৰসকলক সকলো প্ৰকাৰ জাতীয় অনুষ্ঠানৰপৰা বাদ দি আহিছে। আৰু আমাৰে সত্ৰ-বিলাকৰ অসীম ক্ষমতাৰ কথা কাৰো অবিদিত নহয়। কিন্তু ইমান ক্ষমতাশালী লোকসকলক কেৱল শিষ্যৰ কল্যাণ তোলাতহে নিযুক্ত ৰাখি অসমীয়া ৰাইজ সন্তুষ্ট হৈ আছে। যদি ৰাইজে সত্ৰাধিকাৰসকলৰ সহায় বিচাৰে, তেন্তে নিশ্চয় সেই সহায় পোৱা হ'ব।

ইয়াৰ পাছত কেইটামান গীত আৰু বাদ্যেৰে সেই দিনাৰ কাৰ্য্যৰ সামৰণি কৰা হয়।

মণিপুৰাধিপতিক দিয়া অভিনন্দনৰ প্ৰত্যুত্তৰ দি যেতিয়া মণিপুৰ 'মতম'ৰ সম্পাদক শ্ৰীযুত শীতলজিৎ সিঙে পঢ়ি শুনায় তেতিয়া প্ৰায় তিনিহেজাৰ সমবেত দৰ্শক প্ৰতিনিধি ভৰা বিৰাট মণ্ডপটিৰ ভিতৰত হৰ্ষধ্বনিৰ খলক লাগিছিল।

ডক্টৰ বৰাৰ অভিভাষণ খনিত উপস্থিত সমস্যাবিলাক কি ৰূপে সমাধান কৰিব পাৰি তাৰ সু-দিহাবিলাক উনুকিয়াই দিয়া হৈছিল সাম্প্ৰদায়িক মিলনৰ ভেটি হৈছে সাহিত্য। সেই সাহিত্য সৃষ্টি কৰি কেনেকৈ বঙ্গদেশৰ পৰা উজাই অহা সাম্প্ৰদায়িকতা ধ্বংস কৰিব পাৰি তাৰ আলোচনা সভাপতি ডাঙৰীয়াই যথেষ্ট কৰিছিল।

প্ৰধান সম্পাদকৰ বিবৃতিৰ পৰা জনা গ'ল যে সাহিত্য সভাত বৰঙ্গণিৰ বাবে পোৱা ধন আছে মুঠেই ১৯ টকা। সাহিত্য সভাৰ পুঁজিটিয়ে এনে হঁহা-কন্দা অৱস্থা পোৱাত প্ৰতিনিধি আৰু দৰ্শক সকলে চকু থিৰ কৰা দেখা গৈছিল।

বিষয় বাছনি সমিতি গঠন কৰাৰ পিছত সামৰণি গীতেৰে প্ৰায় ৫ মান বজাত অষ্টাদশ অসম সাহিত্য সন্মিলনৰ প্ৰথম দিনৰ কাৰ্য্য শেষ হয়। ৫ বজাত মণিপুৰৰ মহাৰাজে ৰায়বাহাদুৰ শ্ৰীযুত ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াৰ তৈলচিত্ৰ আৰু লক্ষ্মীনাথ বেজবৰুৱা আৰু দেশভক্ত তৰুণৰাম ফুকনৰ তৈলচিত্ৰ প্ৰতিষ্ঠা আৰু আৱৰণ উন্মোচন কৰে। গধুলি ৭ বজাৰ পৰা চন্দ্ৰকান্ত হলত বিষয় বাছনি সভা নিৰ্ব্বিবাদে গ্ৰহণ কৰিব পৰা প্ৰস্তাৱ গ্ৰহণ কৰা হয়।




**দ্বিতীয় দিনা ঃ—**

আগৰ দিনাৰ দৰেই ২য় দিনাও ঠিক এক বজাতে সভাৰ কাৰ্য্য আৰম্ভ হয়। আগ দিনাতকৈ এই দিনা দৰ্শক মণ্ডলীৰ সংখ্যা তাকৰ। মণিপুৰাধিপতি আৰু তেখেতৰ পাত্ৰ মন্ত্ৰীসকল উপস্থিত নথকাত এই দিনা সভাখনি উৰুঙা উৰুঙা লাগিছিল। সভাপতিৰ শাৰীতে সাহিত্য সন্মিলনৰ ভূতপূৰ্ব্ব সভাপতি শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈদেৱকো এই দিনা আসন গ্ৰহণ কৰা দেখা গৈছিল।

সভাত ১১টা প্ৰস্তাৱ গ্ৰহণ কৰা হয়। শ্ৰীযুত গনেশৰাম ফুকন ডাঙৰীয়াই অহা বছৰলৈ ডিব্ৰুগড়লৈ সাহিত্য সন্মিলন নিমন্ত্ৰণ কৰে।

সভাপতি ডাঙৰীয়াই মন্তব্য প্ৰকাশ কৰাৰ পিছতে প্ৰধান সম্পাদকে সকলোলৈকে শলাগৰ শৰাই আগবঢ়ায়। ইয়াৰ পিচত প্ৰতিনিধিসকলৰ ফালৰ পৰা শ্ৰীযুত গণেশৰাম ফুকন আৰু শ্ৰীযুত পদ্মধৰ চলিহা ডাঙৰীয়াই শলাগ সমিধান দিয়ে। অৱশেষত, জাতীয় নীতিৰে সভা ভঙ্গ কৰি চন্দ্ৰকান্ত সন্দিকৈ হলৰ চোতালত অভ্যাগত সকলক চাহ জলপানেৰে আপ্যায়িত কৰে। সেই সুযোগতে অসম সাংবাদিক সঙ্ঘ এখনো প্ৰতিষ্ঠা কৰা হয়।

যোৰহাটৰ থিয়েটাৰ হলত ৰাতিলৈ "শকুনিৰ প্ৰতিশোধ" নাটৰ অভিনয় দেখুৱাই মহাৰাজা সমন্বিতে সকলোকে অপাৰ আনন্দ দিয়ে। তাৰ লগতে প্ৰহসন বা ধেমেলিয়া নাট "এটি চুৰত"ৰ ভাও দেখুৱাই দৰ্শক সকলৰ হাঁহিত পেটু-নাড়ী ছিঙায়।



# মহামান্য মহাৰাজৰ সমিধান

"অসমীয়া ভাষা প্ৰচাৰৰ কাৰ্য্যত সম্পূৰ্ণ সহানুভূতি আছে"

ৰূপৰ সঁফুৰাত টেমা ভৰাই প্ৰধান সম্পাদকে অভিনন্দন পত্ৰখনি মহামান্য মহাৰাজৰ হাতত দিয়াত "মণিপুৰৰ মতম"-ৰ সম্পাদক শ্ৰীযুত শীতলজিৎ সিং বি-এ দেৱে মহাৰাজৰ হৈ অভিনন্দন সমিধানটি এই বুলি কৈ শুনায়— 'সভাপতি ডাঙৰীয়া, উপস্থিত ভদ্ৰমহোদয় আৰু মহোদয়াসকল,

মহাৰাজৰ আদেশত আপোনালোকৰ অভিনন্দনৰ উত্তৰত দুই-আষাৰ ক'বলৈ কৈছে। মই অসমীয়া নেজানো। তেখেতৰ মনত যি ভাব আছে তাক কোনোৰকমেই প্ৰকাশ কৰিবলৈ চেষ্টা কৰিছোঁ। তেখেতে কৈছে,

মোৰ ভুলভ্ৰান্তি যেন মাৰ্জ্জনা কৰে। আপোনালোকে মোক আপোনালোকৰ এজন বুলি ভাবি আজি এই অনুষ্ঠানত মোক যি সন্মান দেখুৱালে তাৰ বাবে মই আপোনালোকলৈ আন্তৰিক ধন্যবাদ জনাইছোঁ। অসম আৰু অসমৰ ভিতৰৰ এই ঐতিহাসিত প্ৰসিদ্ধ যোৰহাটৰ বিষয়ে মই ভালকৈ জানো। অসম-মণিপুৰৰ মাজত হোৱা সম্বন্ধবোৰৰ বিষয়েও মোৰ সকলো জনা আছে। অৱশ্যে সময়ৰ লগে লগে কিছু শিথিলতাই দেখা দিছে। মই আশা কৰোঁ আমি দুই দেশৰ মানুহে সেই অতীতৰ মিলাপ্ৰীতি পুনৰ আনিবলৈ চেষ্টা কৰা উচিত, আৰু উন্নতিৰ বাটত ইখনে সিখনক সকলো প্ৰকাৰে সহায় কৰি দুইখন দেশ এক হৈছে, যাতে কাৰ্যক্ষেত্ৰত আগুৱাব পাৰি সেই চেষ্টা কৰা আমাৰ সকলোৰে কৰ্তব্য। মই সৰ্ব্বান্ত কাৰণে অসম সাহিত্য সভাৰ মঙ্গল কামনা কৰোঁ। আৰু এই ভাষা প্ৰচাৰৰ কাৰ্যত মোৰ সম্পূৰ্ণ সহানুভূতি আছে।

**অভিনন্দন পত্ৰ**

স্বস্তি প্ৰবলপ্ৰতাপান্বিত শ্ৰীশ্ৰীশ্ৰীশ্ৰীশ্ৰীযুক্ত মণিপুৰেশ্বৰ মহাৰাজ চাৰ চূড়াচান্দ সিংহ, কে, চি, এচ, আই; চি, বি, ই, ভক্ত-ৰাজৰ্ষি, শ্ৰীকুঞ্জসেৱাবিনোদ, গৌৰভক্তি ৰসাৰ্ণৱ মহামহিমান্বিতেষু।

মহানুভৱ মণিপুৰাধিপতি মহাৰাজ;

অসম সাহিত্য সন্মিলনৰ সভামণ্ডপলৈ আপোনাৰ শুভাগমনৰ সুযোগ লৈ অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতিয়ে সদৌ অসম সাহিত্য সভাৰ হৈ, আপোনাক সসন্মানে



সমাদৰ জনাইছে; আৰু এই নিঃকিন অভ্যৰ্থনা গ্ৰহণ কৰিবলৈ আপুনি সন্মত হোৱা বাবে পৰম কৃতাৰ্থ মানিছে।

যোৰহাট বৰ প্ৰাচীন বা ডাঙৰ নগৰ নহলেও, অনেক ঐতিহাসিক ঘটনাৰ লীলাভূমি বুলি প্ৰখ্যাত। এয়ে ইন্দ্ৰবংশী আহোম ৰজাসকলৰ শেষ ৰাজধানী। কিন্তু, ইয়াত পূৰ্ণ-পয়োভৰেৰে ৰাজধানী প্ৰতিষ্ঠিত হবলৈ নৌ পাওঁতেই, মানৰ আক্ৰমণত আহোম ৰাজ্য ধ্বংস হ'ল; গতিকে ইয়াত দৰ্শনযোগ্য প্ৰাচীন স্মৃতিচিহ্ন বিশেষ একো নাই। তথাপি এই ঠাই এতিয়ালৈকে অসমীয়া শিক্ষিত সমাজৰ আৰু আগৰ সম্ভ্ৰান্ত বংশত সতি-সন্ততিসকলৰ প্ৰধান কেন্দ্ৰস্থান হৈ আছে।


অসম দেশ আপোনাৰ অচিনাকি নহয়। মণিপুৰৰ দৰেই অসম বা কামৰূপো অতি সু-প্ৰাচীন দেশ। মণিপুৰৰ সুবিখ্যাত মহাবীৰ বভ্ৰুবাহণ আৰু আৰু কামৰূপৰ মহা-প্ৰতাপী ভগদত্ত দুয়ো প্ৰায় সমসাময়িক মহাভাৰত প্ৰসিদ্ধ কীৰ্ত্তিশালী পুৰুষ আছিল। অসম আৰু মণিপুৰ কেৱল সমীপস্থ দেশেই নহয়; কৃষ্টি, ধৰ্ম্ম, ৰীতি নীতি আৰু আচাৰ-ব্যৱহাৰ আদিতো প্ৰায় একে। সেই বাবেই তাহানি আপোনাৰ পূৰ্বৱৰ্তী মহাৰাজসকলৰ দিনত, দুই দেশৰ ৰাজ-পৰিয়ালৰ ভিতৰত বহুবাৰ বৈবাহিক সমন্ধ ঘটিছিল। আমাৰ ৰাজেশ্বৰ সিংহ স্বৰ্গদেৱৰ ৰাণী বুৰঞ্জী প্ৰসিদ্ধা কুৰঙ্গনয়নী মণিপুৰৰাজৰ জীয়াৰী আছিল; আৰু তাৰ পূৰ্ব্বে আৰু পাচতো, এই দুই ৰাজ পৰিয়ালৰ ভিতৰত এনে প্ৰকাৰৰ সমন্ধ প্ৰায়েই চলি আছিল। বিপদ আপদৰ সময়তো, দুই দেশৰ সময়তো, দুই দেশৰ ভিতৰত সদায় সাহায্য আৰু সহযোগিতাৰ আদান-প্ৰদান চলিছিল। এতিয়া সেই দিন নাই। কিন্তু,অসম আৰু মণিপুৰৰ ভিতৰত আগৰ সেই সদ্ভাৱ, মিলাপ্ৰীতি আৰু সহানুভূতি উত্তৰোত্তৰ বৃদ্ধি হোৱা আৰু কৃষ্টি-সম্পদ আদিৰ অধিক চলাচল হোৱা দুই দেশৰ পক্ষেই পৰম হিতকৰ আৰু বাঞ্ছনীয়। সম্প্ৰতি অসমৰ মঙ্গলকৰ জাতীয় অনুষ্ঠানত আপোনাৰ এই সহযোগে সেই সুবাঞ্ছিত বিষয়ৰ সূচনা কৰিছে বুলি আমি আশা কৰিছোঁ। মণিপুৰ ৰাজ্যত প্ৰাথমিক অসমীয়া শিক্ষাৰ বাবে এখনি বিদ্যালয় স্থাপিত হ'বৰ দেখি আৰু অসমীয়া জাতিলৈ সাধাৰণতে আপোনাৰ মৰম আৰু সহানুভূতিৰ কথা শুনি, আমি অতিশয় আনন্দ লাভ কৰিছোঁ। আপোনাৰ শুভ আৰু সুদীৰ্ঘ দৃষ্টিৰ গুণত, অসম আৰু মণিপুৰৰ আগৰ আপোন ভাব যেন আগতকৈয়ো দৃঢ় হয়, আৰু তাৰ পৰা যেন দুই দেশৰে কল্যাণ সাধন হয়, সকলো অসমীয়াই ইয়াকে কামনা কৰিছে; আৰু তাৰ বাবেই আমিও আপোনাক সবিনয়ে নিবেদন জনাইছোঁ।

আমাৰ এই অসম সাহিত্য সভাখনি আইনমতে ৰেজিষ্টৰী কৰা এক অনুষ্ঠান। অসমীয়া ভাষা আৰু সাহিত্যৰ প্ৰচাৰ আৰু সৰ্বাঙ্গীন উন্নতি-সাধনেই ইয়াৰ সৰ্ব্বপ্ৰথম উদ্দেশ্য; আৰু সেই অৰ্থেই ১৯১৭ চনত স্থাপিত হবৰে পৰা আজিলৈকে, ই যথাসাধ্য যত্ন কৰি আহিছে। আমাৰ ভাষা আৰু সাহিত্য অতি সু-প্ৰাচীন আৰু আমাৰ পুৰণি সাহিত্য ভাৰতীয় অনেক দেশৰ পুৰণি সাহিত্যতকৈ অধিক চহকী। পূৰ্বকালত, এই দেশৰ ভাষাই বৰ্ত্তমান বঙ্গ দেশৰো এক বিস্তীৰ্ণ বিভাগত প্ৰচলিত আছিল। অসমীয়া ভাষা আৰু সাহিত্যৰ উন্নতি সাধন আৰু বহুল প্ৰচাৰত অসম সাহিত্য সভাই আপোনাৰ পৰা সৰ্ব প্ৰকাৰৰ সহযোগ আকাঙ্খা কৰিছে।

সৰ্বশেষত আমি আপোনালৈ আন্তৰিক ভক্তি জ্ঞাপন কৰি, প্ৰাৰ্থনা কৰিছো, পৰমপিতা পৰমেশ্বৰে যেন দীৰ্ঘকাল সুখে-শান্তিৰে প্ৰজা পালিবলৈ আপোনাক স্বাস্থ্য পূৰ্ণ সুদীৰ্ঘ জীৱন প্ৰদান কৰে।

চন্দ্ৰকান্ত সন্দিকৈ হল
যোৰহাট
১৩ পুহ ১৮৬২ শক; ইং ৮/১২/৪০

অসম সাহিত্য সভাৰ হৈ —
আপোনাৰ একান্ত গুণগ্ৰাহী,
পূৰ্ণানন্দ শৰ্ম্মা পাঠক
প্ৰধান সম্পাদক, অসম সাহিত্য সভা।



# অসমীয়া বৈজ্ঞানিক পৰিভাষাৰ পাতনি

বৰ্তমান যুগ বিজ্ঞানৰ যুগ। শিল্প আৰু বিজ্ঞানৰ জ্ঞান নহলে বৰ্তমান যুগত চলা কঠিন। এতিয়ালৈকে আমাৰ দেশত ইংৰাজি ভাষায়েই উচ্চ শিক্ষাৰ বাহন আছিল; গতিকে বিজ্ঞানৰ চৰ্চা আৰু অধ্যয়ন কৰিব খুজিলে ইংৰাজি ভাষা অত্যাৱশ্যক। বৰ সুখৰ বিষয় যে ভাৰতীয় বিশ্ববিদ্যালয়সমূহে দেশৰ এই অসুবিধা উপলব্ধি কৰি ভৱিষ্যতে মাতৃভাষাৰ যোগে শিক্ষা দিবৰ দিহা কৰিছে। মাতৃভাষা শিক্ষাৰ বাহন কৰাৰ লগে লগে মাতৃভাষাৰ বৈজ্ঞানিক পৰিভাষা সঙ্কলন প্ৰয়োজনীয় হৈ পৰিছে।

বৈজ্ঞানিক পৰিভাষা সঙ্কলন অতি গুৰুতৰ কাম। অন্য প্ৰদেশত এই সঙ্কলন কাৰ্য্য বিশ্ববিদ্যালয়ৰ সহায়ত সম্ভৱপৰ হৈছে। অসমৰ নিমিত্তে সেই সুবিধাৰ বাট ৰুদ্ধ। গতিকেই অসমীয়া বৈজ্ঞানিক পৰিভাষা সঙ্কলন কৰিবৰ নিমিত্তে অসম সাহিত্য সভাই তেজপুৰ অধিৱেশনত এখনি সমিতি গঠন কৰি দিয়ে। এই সমিতিৰ সম্পাদকৰ ভাৰ দিয়া হৈছিল শ্ৰীমান বিৰিঞ্চি কুমাৰ বৰুৱা এম-এ, বি-এলক। সাহিত্য সভাই সমিতি গঠন কৰিয়েই নিজ কৰ্তব্যৰ পৰা নিস্কৃতি লভিলে; কিন্তু শ্ৰীমান বৰুৱাই আজি দেড় বছৰ কাল অক্লান্ত পৰিশ্ৰম কৰি, লগত এদল উৎসাহী অসমীয়া ডেকাক লৈ এই সঙ্কলন কাৰ্য্যত বহুখিনি আগবাঢ়িছে। তেওঁৰেই বহু আবেদন আৰু ডেপুটেচন আদিৰ ফলত অসম গৱৰ্ণমেণ্টেও এই সঙ্কলন কাৰ্য্যত যৎকিঞ্চিত সহায় কৰি শ্ৰীমান বৰুৱাৰ কাৰ্য্যৰ শলাগনি লৈছে।

পৰিভাষাৰ অৰ্থ হৈছে সুনিৰ্দিষ্ট বা সীমা বিশিষ্ট শব্দ। বিদেশী শব্দমালাক নিজ ভাষাৰ সঠিক অৰ্থজ্ঞাপক শব্দলৈ ৰূপান্তৰিত কৰা অতি কঠিন কাম। এই কাম ধীৰে সুস্থিৰে সুস্থিৰে আৰু নিয়ম বান্ধি কৰা বিধেয়। আমাৰ ভাষাত ভালেমান ইংৰাজি ভাষাৰ প্ৰতিশব্দ পূৰ্বে গঢ়া হৈছে। কিন্তু এই শব্দসমূহ লিখকৰ নিজা মত আৰু অভিৰুচিৰ ওপৰত প্ৰতিষ্ঠাপিত হোৱাত একে ইংৰাজি শব্দৰে নানা প্ৰতিশব্দৰ সৃষ্টি হৈছে। ইয়াৰ ভিতৰৰ কোনটো উত্তম, সমান ব্যঞ্জনাবিশিষ্ট (connotation) আৰু গ্ৰহণীয় তাৰ বিচাৰৰ ভাৰ পৰিভাষা সমিতিৰ গাত পৰিছে।

অসমীয়া পৰিভাষা সঙ্কলন কৰিবলৈ গলেই ভালেমান বিদেশী শব্দক গ্ৰহণ কৰিব লাগিব। ইয়াৰ পৰা ভাষাৰ বিশুদ্ধতা লোপ নাপায়, বৰঞ্চ প্ৰকাশিকা শক্তিহে বাঢ়ে। পাৰৰ পৰা গ্ৰহণ কৰি

নিজস্ব কৰি লবপৰা শক্তি অসমীয়া জাতি আৰু ভাষা দুয়োৰে আছে। সেইদেখি মূলত সংস্কৃত হলেও, অসমীয়া ভাষাত শতকৰা ৩০টা শব্দ বড়ো, মিকিৰ আদি ভাষাৰ পৰা সোমাইছে। হিন্দি, মৈথিলি, উৰ্দু, ফাৰ্চি আদি ভাষাৰ অনেক শব্দই অসমীয়া ভাষাৰ পৰিপুষ্টি সাধিছে। পৰিভাষা সমিতিয়ে এই কথালৈ লক্ষ্য ৰাখি তলৰ উপাদানেৰে সঙ্কলন কাৰ্য্য সম্পাদন কৰিছে—

(১) ইংৰাজি শব্দ
(২) সংস্কৃত শব্দ
(৩) প্ৰচলিত হিন্দি, উৰ্দু, ফাৰ্চি শব্দ
(৪) অসমীয়া শব্দ
(৫) নব ৰচিত অসমীয়া শব্দ

আমাৰ দেশত ইংৰাজি ভাষা অকল স্কুল-কলেজৰেই শিক্ষাৰ বাহন নহয় ই ভাৰতত সাৰ্বজনীন ভাষা স্বৰূপে ব্যৱহৃত হৈছে। পৃথিবীৰ বিভিন্ন জাতিৰ বিখ্যাত লিখকসকলৰ পুথি বাতৰি আদি ইংৰাজি অনুবাদৰ যোগেদিয়েই পঢ়িবলৈ সুবিধা পাইছোঁ। দেশৰ বা-বাতৰি আদি ইংৰাজি ভাষাৰ যোগেদিয়েই প্ৰচাৰ হৈছে। ব্যৱহাৰিক ক্ষেত্ৰতো ইংৰাজি ভাষাৰেই বহুল প্ৰচলন। ইংৰাজি নামৰ 'লেবেল' লৈ দিনে দিনে বিদেশৰ পৰা নানা যন্ত্ৰপাতি আৰু দৈনন্দিন জীৱনৰ অতীৱ লাগতিয়াল সামগ্ৰী আমাৰ দেশলৈ আমদানি হৈছে। তাৰ ফলতে মটৰ, ৰেল, মেণ্টল, লাইট, ইঞ্জিন, স্কেল, পাম্প, বাইচিকেল, মেগনেট, বেগ, আইদিন, প্লিচাৰিণ, ইন্‌জেকচন্, ব্ৰেক্‌'ফেজ, মিনিট, চেকেণ্ড, কমিচন, ডিচ্‌কাউণ্ট, বনাচ আদি শব্দক কোনেও হাবাথুৰি খাব লগা হোৱা নাই। দ্ৰব্যবাচক শব্দৰ বাহিৰেও, বিজ্ঞান বিষয়ৰ অনেক শব্দ ইংৰাজিতেই ৰখা প্ৰয়োজনীয় হৈছে। কিয়নো এইবোৰ বিষয়ৰ চৰ্চা আধুনিক, গতিকে তাৰ পৰিভাষা নৱযুগৰ সৃষ্টি। কিন্তু স্থান বিশেষে উপযোগী আৰু সুবোধ্য বুজি সংস্কৃত পৰিভাষা ব্যৱহাৰ কৰিবলৈ সমিতিয়ে দ্বিধাবোধ কৰা নাই।

সৰ্বসাধাৰণে যাতে অৰ্থৰ কোনো ব্যতিক্ৰম নঘটাকৈ সহজে আৰু অল্পায়াসে বুজিব পাৰে তালৈ লক্ষ্য ৰাখি পৰিভাষা যুগুত কৰা বিধেয়। সেই কাৰণে পৰিভাষা সমিতিয়ে যিমানদূৰ সম্ভৱ অসমীয়া প্ৰচলিত শব্দ ব্যৱহাৰ কৰিবলৈ চেষ্টা কৰিছে। কিন্তু বহুল পৰিমাণে বৈজ্ঞানিক পৰিভাষাত অসমীয়া শব্দ ব্যৱহাৰ কৰাৰ এটা বিপদো আছে। ঘৰুৱা অসমীয়া শব্দ বুজিবলৈ সহজ হব পাৰে, কিন্তু তেনে শব্দই অনেক স্থলত পৰিভাষাত আৱশ্যকীয় প্ৰকৃত অৰ্থটো বুজাত ব্যাঘাতো জন্মায়। কিয়নো সাধাৰণ কাৰ্য্যত প্ৰায় শব্দক সাধাৰণ অৰ্থত ব্যৱহাৰ কৰা হয়; বিজ্ঞানৰ লাগতিয়াল স্পষ্ট আৰু নিৰ্দিষ্ট ভাব তাৰে প্ৰকাশ কৰা টান। যেনেঃ— বিয়পা শব্দটো ইংৰাজি spread, scatter, diffusion (of light), dispersion of lightৰ সলনি শিথিলভাৱে ব্যৱহাৰ কৰিব পাৰি। কিন্তু দৰাচলতে ইংৰাজি diffusion আৰু dispersion দুয়োটা শব্দতে অল্পাধিক অৰ্থৰ পাৰ্থক্য আছে। সেই গতিকে ইয়াৰ পৰিভাষিক শব্দ বিয়পা নাৰাখি ক্ৰমান্বয়ে বিক্ষেপন আৰু বিচ্ছুৰণ কৰিব লগা হৈছে। সাধাৰণ ভাৱে ব্যৱহৃত হোৱা সকলো শব্দ পৰিভাষা স্বৰূপে গ্ৰহণ কৰিলে বিষয়বস্তু আয়ত্ব কৰা জতিল আৰু কঠিন হৈ পৰিব। এই সকলোবোৰ শব্দক



নতুনকৈ এক অৰ্থবোধক কৰি চলাবলৈ যোৱাও টান। তথাপি পৰিভাষা সমিতিয়ে কিছুমান অসমীয়া শব্দক সুনিৰ্দিষ্ট অৰ্থত ব্যৱহাৰ কৰিবলৈ দিহা দিছে। যেনে অসমীয়া বেগ শব্দই speed আৰু velocity দুয়ো শব্দকে বুজায়। কিন্তু বৈজ্ঞানিক হিচাবে চালে দুয়োটা ইংৰাজি শব্দ সুকীয়া অৰ্থব্যঞ্জক। সেই কাৰণেই সমিতিয়ে বেগ কেৱল velovity ৰ পৰিভাষা স্বৰূপেহে গ্ৰহণ কৰিছে; speed ৰ ঠাইত দ্ৰুতি শব্দ ব্যৱহাৰ কৰা হৈছে। সেই দৰে অসমীয়াত আলজিবা বুলিলে আমি সাধাৰণতে Epiglottis আৰু Uvula দুয়োকো বুজোঁ। কিন্তু দৰাচলতে এই দুয়ো শব্দই শৰীৰৰ বিভিন্ন অংশ বুজায়। আলজিবাহে আচলতে Uvula; Epiglottis ৰ পৰিভাষিক শব্দ অধিজিবা।

কিছুমান ইংৰাজি শব্দ ৰূপান্তৰিত কৰোঁতে নতুন অসমীয়া শব্দৰ সৃষ্টি হৈছে। যেনে Gaseous, Sedimentary, Voltaic যথাক্ৰমে গেচীয়, গেদীয় আৰু ভল্টিয় বুলি ব্যৱহাৰ কৰা হৈছে। অসমীয়া ব্যাকৰণ সন্মত এনে শব্দই নিশ্চয় ভাষাত জীন যাব বুলি আমাৰ বিশ্বাস।

অসমীয়া ভাষাৰ সৈতে সংস্কৃতৰ অঙ্গাঙ্গী সম্বন্ধ। ইংৰাজি ভাষাই যেনেকৈ গ্ৰীক-লেটিনৰ পৰা অজস্ৰ পৰিভাষিক শব্দ নিঃসঙ্কোচে গ্ৰহণ কৰিছে, সেইদৰে অসমীয়া ভাষায়ো সংস্কৃতৰ পৰা প্ৰয়োজনীয় শব্দ গ্ৰহণ কৰা উচিত। জ্যোতিষ, গণিত, ৰাসায়ণ আদি বিষয়সমূহ অতিজৰে পৰা আমাৰ দেশত চৰ্চা হৈ আহিছে। এই বিষয়ৰ সংস্কৃত শব্দসমূহ বৰ্তমান আমাৰ মাজত প্ৰচলিত। গতিকে তেনেবোৰ বিষয়ৰ নিমিত্তে ইংৰাজি শব্দ গ্ৰহণ নাইবা নতুন শব্দ সৃষ্টি অনাৱশ্যক।

ইয়াৰ বাহিৰেও ভাব-বাচক, বিশেষণ আৰু ক্ৰিয়াবাচক শব্দৰ নিমিত্তে সংস্কৃত অতি প্ৰয়োজনীয়। একেটা অসমীয়া শব্দকে বিভিন্ন পদত ব্যৱহাৰ কৰিবলৈ অসুচল হোৱাত, উপযুক্ত অসমীয়া শব্দ বিসৰ্জন কি সমিতিয়ে সংস্কৃত শব্দ গ্ৰহণ কৰিবলৈ বাধ্য হৈছে। যেনে Convex শব্দৰ অসমীয়া পৰিভাষিক শব্দ 'উঠঙ্গা' দিব পাৰি। কিন্তু Plano-convex, Double-convex, Concavo-convex ৰ লগত 'উঠঙ্গা' শব্দৰ মিলন ঘটুৱা টান। গতিকে convex ৰ প্ৰতি শব্দ উত্তল কৰি বাকী ইংৰাজি শব্দ কেইটিৰ পৰিভাষা যথাক্ৰমে, সমোত্তল, উভোত্তল, উত্তলাৱতল স্থিৰ কৰা হৈছে।

এনেদৰে ভালেমান অসমীয়া বিশেষ্য পদক বিশেষণলৈ বা বিশেষনক বিশেষ্যলৈ ৰূপান্তৰিত কৰা জটিল হোৱাত মূল সংস্কৃত শব্দকে ৰাখিব লগা হৈছে। যেনে Adhesive power ক 'জেপেতীয়া সামৰ্থ' বুলি অনুবাদ কৰিলে, Adhesive ৰ উপযুক্ত অসমীয়া প্ৰতিশব্দ বিচাৰি পোৱা টান। গতিকে ইয়াক 'আসঞ্জন' বুলি অনুবাদ কৰি Adhesive powerক 'আসঞ্জন সামৰ্থ' কৰা হৈছে। সেই দৰে Ampliflyৰ ঠাইত 'সৰহ কৰা' বা 'বহল কৰা' শব্দ ব্যৱহাৰ কৰিব পাৰি। কিন্তু Amplification বা amplifier ৰ উপযুক্ত অৰ্থ ব্যঞ্জক অসমীয়া প্ৰতি শব্দ নোহোৱাত, 'Amplify' ক 'পৰিবৰ্দ্ধিত' বুলি বাকী দুই শব্দৰ পৰিভাষা যথাক্ৰমে পৰিবৰ্দ্ধন আৰু পৰিবৰ্দ্ধক বুলি নিৰ্দেশ কৰা হৈছে। পৰিভাষা সমিতিয়ে প্ৰকৃত অৰ্থব্যঞ্জক শব্দ সঙ্কলন কৰাৰ লগে লগে প্ৰতি শব্দৰে শ্ৰুতি মধুৰতা আৰু সৌষ্ঠৱ পূৰ্ণতালৈ যথাযোগ্য মন দিছে।

সংস্কৃত শব্দৰ বহুল প্ৰয়োগৰ আৰু এটি সুবিধা আছে। এই প্ৰথাৰ পৰা ভাৰতৰ বিভিন্ন প্ৰদেশৰ লগত ভাব বিনিময়ত সুযোগ ঘটিব। বিশেষতঃ যিসকল ছাত্ৰই অন্য প্ৰদেশৰ বিশ্ববিদ্যালয়ত অধ্যয়ন কৰিবলৈ যাব, তেওঁলোকক এই সংস্কৃত পৰিভাষাই যথেষ্ট সহায় কৰিব বুলি আমাৰ বিশ্বাস।

এই পৰিভাষাত যিবোৰ বিদেশী শব্দ সংযোজিত কৰা হৈছে তাৰ অসমীয়া আখৰ-জোঁটনি মূল ইংৰাজি উচ্চাৰণ অনুযায়ী ৰখা হৈছে। অসমীয়া ভাষাৰ আখৰ জোঁটনিত ভালেমান বিভ্ৰাট আৰু বেমেজালি চলি আহিছে। পৰিভাষা সঙ্কলনৰ লগে লগে তাৰ এটি মীমাংসাও অতীৱ প্ৰয়োজনীয় হৈ পৰিছে।

পৰিভাষা সমিতিয়ে নানা অসুবিধা আৰু আহুকালৰ মাজেদি এই সঙ্কলন কাৰ্য্য সম্পাদন কৰিব লগা হৈছে। ইয়াৰ ভিতৰত ধনৰ অভাৱতেই তেওঁলোকৰ কাৰ্য্যত প্ৰথম প্ৰতিবন্ধক। ধনৰ অভাৱ হেতুকেই সমিতিৰ সকলো সভ্য কেন্দ্ৰ ঠাইত একেলগে গোটখাই এই বিষয়ে আলোচনা কৰিবলৈ সুবিধা নাপালে। এনে নানা অসুবিধাৰ কাৰণে তেওঁলোকৰ সঙ্কলন কাৰ্য্যত খুঁট ৰৈ যোৱা স্বাভাৱিক। কিন্তু তাৰ বাবে তেওঁলোকক গৰিহনা নিদি আঁসোৱাহসমূহলৈ ৰাইজে আঙুলিয়াই দিলেহে দেশৰ প্ৰকৃত উপকাৰ সধা হ'ব।

এই কামৰ কাৰণে আমাৰ সম্পাদকে বৰকৈ লিখা লিখি কৰাত আৰু নিজে চিলঙলৈ গৈ শিক্ষা বিভাগৰ ডাইৰেক্টৰ মিঃ স্মল চাহাবক টানি ধৰাত, তেখেতে কাৰ্য্যৰ গুৰুত্বৰ বুজি গৱৰ্ণমেণ্টৰ পৰা পাঁচশ টকা লৈ পৰিভাষা সমিতিক সহায় কৰিছে; আৰু আগলৈ সহায় কৰিবৰ আশা দিছে।

সমিতিৰ সুযোগ্য সম্পাদক[১] যিজনৰ অক্লান্ত পৰিশ্ৰমৰ ফলত আজি এই বৃহৎ সঙ্কলন সম্ভৱপৰ হৈছে তেওঁৰ প্ৰতি দেশবাসী নিশ্চয় কৃতজ্ঞ থাকিব বুলি মোৰ দৃঢ় বিশ্বাস। মই আশা কৰোঁ তেওঁৰ একান্ত যত্নৰ ফলত অসমীয়া ভাষা আৰু সাহিত্য এইৰূপে বহু পৰিমাণে সমৃদ্ধ হৈ উঠিব।

১৯৩৭ চন

১। কলিকতা বিশ্ববিদ্যালয়ত অধ্যাপনা কৰা কালত বিৰিঞ্চি কুমাৰ বৰুৱাই অসমীয়া বৈজ্ঞানিক পৰিভাষা সমিতিৰ সম্পাদকৰূপে এই পুথি যুগুত কৰে। পুথিখন ১৯৩৭ চনৰ ডিচেম্বৰত প্ৰকাশ হয়।
— লেখক, অ.সা.স.ই.

## বৃত্তমঞ্জৰী প্ৰকাশ সম্পৰ্কে

সম্পাদক ডাঙৰীয়া,

অসমৰত্ন মহামহোপাধ্যায় ৺ধীৰেশ্বৰ ভট্টাচাৰ্য্য কবিৰত্ন দেৱৰ বৃত্তমঞ্জৰী প্ৰকাশৰ বাবে যি গোহাৰি জনাই আবেদন পত্ৰ পঠিওৱা হৈছিল তাৰ উত্তৰত কোনো কোনো ব'ৰ্ডে টকাৰ নাটনি বুলি জনাইছে। গোলাঘাট লোকেল ব'ৰ্ডে ৬খন কিতাপ কিনিব বুলি প্ৰতিশ্ৰুতি দিছে আৰু শিৱসাগৰ লোকেল ব'ৰ্ডে কিতাপৰ দাম সুধি পঠাইছে। দাম অনুন ৫ পাঁচ টকা হব।

বৰপেটা মিউনিছিপেল ব'ৰ্ডে ২৫ টকা মঞ্জুৰ কৰি অনাইছে। বৰপেটা মিউনিছিপেল ব'ৰ্ডৰ চেয়াৰমেন ডাঙৰীয়াক আৰু সভ্যসকলক তাৰ বাবে নথৈ ধন্যবাদ জনাই আন আন ব'ৰ্ডবিলাকৰো আকৌ গোহাৰী জনাইছো যেন এই কাৰ্য্যত সহায় কৰে। ব্যক্তিগত ভাৱে কাৰো পৰা কোনো প্ৰতিশ্ৰুতি আজিলৈকে পোৱা নাই। সেইবাবে আকৌ গোহাৰী জনাইছো যে ব্যক্তিগতভাৱেও যেন অসমীয়া শিক্ষিত সম্প্ৰদায়ে এই কাৰ্য্যত সহায় কৰে। ইতি—

বিনীত


শ্ৰীদেবেন্দ্ৰ নাথ ভট্টাচাৰ্য্য,

* বৃত্তমঞ্জৰী প্ৰকাশৰ বাবে আৰু সাহিত্য সভাৰ ভাৰপ্ৰাপ্ত সভ্য। তেজপুৰ ২০/৭/৩৬

# অসম সাহিত্য সভালৈ এটি নিবেদন

সাহিত্য সভাৰ এতিয়া আৰু আমাক বছেৰেকীয়া অধিবেশন নালাগে। অসমৰ আটাইকেইখন সদৰ ঠাই আৰু মহকুমাত ইয়াৰ অধিৱেশন হৈ গ'ল। এতিয়া পুনৰায় হোৱা ঠাইতে পুনৰ বৈঠক বহিবলগীয়া হ'ল। গতিকে সাহিত্য সভাৰ বছেৰেকীয়া অধিবেশন গুছাই দুবছৰীয়া অধিৱেশন পতাহে যুগুত হ'ব। এই দুৰ্দ্দিনত ৰাজহুৱা ধন তুলি ধুমধাপল কৰি খৰচ কৰাতকৈ উপযুক্ত লোকক উপযুক্ত সময় দি মৌলিক আৰু গৱেষণাপূৰ্ণ ৰচনা লিখিবলৈ অনুৰোধ কৰিব লাগে। আৰু সেই ৰচনাবোৰ সংগ্ৰহ কৰি উপযুক্ত সম্পাদকেৰে সম্পাদিত কৰি সাহিত্য সভাৰ অধিৱেশনৰ সময়ত প্ৰকাশ কৰিব লাগে। আৰু এনে কৰিলেহে অসমীয়া সাহিত্যৰ প্ৰকৃত কলচাৰ কৰা হ'ব। সেইবাবে আমি এতিয়াই নিৱেদন জনাওঁ অহাবাৰলৈ অধিবেশন দুবছছৰ অন্তত হওক। এবছৰৰ মূৰতে হৈ ছৈ লগাব নালাগে। বিশেষকৈ অহাবছৰত নানাবোৰ ৰজা আৰু প্ৰজাঘৰৰ বেমেজালিৰ কাম আছে যেনে কাউন্সিল ইলেকছন, নতুন পৰিষদ গঠন আৰু অন্যান্য কৰ্ম্মাদি। এনে হুলস্থুলৰ মাজত সাহিত্য সভাৰ অধিৱেশন নাপাতি এবছৰ পিছুৱাই পাতিলে জাতীয় অনুষ্ঠানটোৰ কোনো হানি.......................

—দৈনিক বাতৰি, ২৬ জুলাই, ১৯৩৬



# বৈজ্ঞানিক পৰিভাষা সঙ্কলন

## অসম সাহিত্য সভাই নিযুক্ত সমিতিৰ বিবৃতি

অসম সাহিত্য সভাৰ বৈজ্ঞানিক পৰিভাষা সঙ্কলন সমিতিৰ সম্পাদক শ্ৰীযুত বিৰিঞ্চি কুমাৰ বৰুৱা এ-এই তলত দিয়া বিবৃতিখন প্ৰকাশৰ অৰ্থে পঠাইছে।—

অসম সাহিত্য সভাই বৈজ্ঞানিক পৰিভাষা সঙ্কলন কৰিবৰ নিমিত্তে যোৱা অধিৱেশনত এটি সমিতি গঠন কৰি দিছিল, আৰু সেই সমিতিৰ সম্পাদকৰ ভাৰ পৰিছিল মোৰ ওপৰত। আমাৰ সমিতিয়ে বৰ্ত্তমানলৈকে কি কৰিছে নকৰিছে, তাক জানিবৰ নিমিত্তে ভালেমান আমালৈ চিঠি-পত্ৰ দিছে। সেই সকলোলৈকে ব্যক্তিগতভাৱে উত্তৰ দিয়া সম্ভৱপৰ নহয়; গতিকে সমিতিৰ হৈ আমি কি কৰিছোঁ তাক কাকতৰ যোগেই জনালো।

কলিকতা বিশ্ববিদ্যালয়ৰ বৈজ্ঞানিক পৰিভাষা সঙ্কলন প্ৰায় শেষ হ'ব লগা হৈছে। বিশ্ববিদ্যালয়ে এতিয়ালৈকে গণিতৰহে পৰিভাষা ছপা কৰি উলিয়াইছে; পদাৰ্থ বিজ্ঞানৰ পুথি প্ৰেছলৈ গৈছে। আগষ্ট মাহৰ মাজভাগত ই প্ৰকাশ হ'ব। বাকী বৈজ্ঞানিক পৰিভাষা পুথি কেতিয়া প্ৰকাশ হয় ঠিক নাই। বিশ্ববিদ্যালয়ৰ পৰা বিশেষ অনুমতি লৈ বৰ্ত্তমান আমি বিশ্ববিদ্যালয়ৰ পৰিভাষা অফিছৰ পৰা অন্যান্য বিষয়ৰ পৰিভাষা সমূহ টুকি লৈছো। ভূগোল, উদ্ভিদ বিজ্ঞান আৰু ভূ-বিজ্ঞানৰ শব্দ টোকা প্ৰায় শেষ হৈছে। প্ৰতি বিষয়তে প্ৰায় ১৫০০ ইংৰাজি শব্দৰ পৰা বঙালী পৰিভাষা যুগুত কৰা হৈছে। প্ৰতি শব্দৰ লগত "হিন্দী গ্লচাৰি" আৰু অন্যান্য মত দিয়া হৈছে। সকলো প্ৰকাৰৰ পৰিভাষিক শব্দসমূহ টোকা আমাৰ পক্ষে সম্ভৱপৰ নোহোৱাত আমি মুঠেই প্ৰতি শব্দৰে তিনিটা পৰিভাষিক শব্দহে টুকিছো, হিন্দী গ্লাচাৰি, প্ৰস্তাৱিত আৰু অনুমোদিত শব্দ। আমাৰ টোকা কাম এই মাহৰ শেষতে সমাধা হ'ব বুলি আশা কৰিছো। এই কাৰ্য্যত আমাক শ্ৰীযুত দোলেশ্বৰ দত্ত বি-এ, শ্ৰীযুত জীৱন ৰাম ফুকন এম-এচ-চি, আৰু শ্ৰীযুত নন্দী প্ৰসাদ কটকীদেৰে অশেষ সহায় কৰিছে। তেওঁলোকে আজি প্ৰায় এমাহ কাল সদায় দুপৰীয়াৰ পৰা সন্ধিয়ালৈকে বিশ্ববিদ্যালয়ৰ অফিছত বহি এই টোকা কাম কৰিছে। ইয়াৰ বাহিৰেও আমি এই কামৰ নিমিত্তে এজন ডেকাক বানচ দি নিয়োগ কৰিব লগাত পৰিছো।

টোকা কাৰ্য্য শেষ হোৱাৰ পিছত কমিটীৰ সভ্যসকললৈ, যি বিষয়ত যাৰ ব্যুৎপত্তি আছে, টোকা বহিবোৰ পঠিয়াই দিয়া হব। তেওঁলোকে তাৰে আৰ্হি লৈ অসমীয়া পৰিভাষিক শব্দ যোগ কৰি আমালৈ বহিবোৰ নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত ঘূৰাই দিব লাগিব। ইয়াৰ পিছত, গুৱাহাটী বা


যোৰহাটত, কমিটীৰ অধিৱেশন পাতি প্রস্তাবিত পৰিভাষাসমূহ অনুমোদন কৰা হব। কিন্তু কমিটীৰ একেখন অধিৱেশনতে সমুদায় শব্দ অনুমোদন কৰা সম্ভৱপৰ নহব। তাৰ নিমিত্তে একেলেথাৰিকৈ এমাহ কমিটী বহিব লাগিব।

এতিয়া কথা হৈছে, একেলেথাৰিকৈ এমাহ বা পোন্ধৰ দিন এই সমিতি বহুওৱা কেনেকৈ সম্ভৱপৰ হব? বিশেষতঃ কমিটীৰ প্রায়বোৰ সভ্যই একে ঠাইতে থকা নাই। ইয়াৰ বাবে খৰচ কৰিবই লাগিব। কলিকতা বিশ্ববিদ্যালয়ে আজি এবছৰ ধৰি এই কার্য্য কৰিছে; ইয়াৰ নিমিত্তে সুকীয়া অফিচ বহুৱাইছে, কৰ্ম্মচাৰী ৰখাইছে, আৰু অন্য ৰকমে খৰচ পাতি কৰিছে। আমাৰ তাত বিশ্ববিদ্যালয় নাই যেতিয়া এই কাম গৱৰ্ণমেণ্টে হাতত লোৱা উচিত আছিল কিন্তু যথাসময়ত গৱৰ্ণমেণ্টে হাতত নোলোৱাত সাহিত্য সভাই লব লগাত পৰিল, আৰু নিজৰ দুখীয় পুঁজিৰে সভাই প্রাৰম্ভিক কামখিনি কৰি দিছে। বাকীখিনি কাম এতিয়া গৱৰ্ণমেণ্টে কৰা উচিত। শিক্ষা বিভাগৰ মন্ত্রী আৰু ডাইৰেক্টৰ ডাঙৰীয়াই এই বিষয়ে ভাবি চাব বুলি আমি আশা কৰো। গৱৰ্ণমেণ্টে কমিটী বহুৱাবলৈ সুবিধা কৰি দিলে পৰিভাষাৰ কাম সম্পূর্ণভাৱে সমাধা হব বুলি আশা কৰিব পাৰো।

চেপ্তেম্বৰ মাহত অসম কাউন্সিলৰ বৈঠক বহিব। অসমীয়া সদস্যসকলে কাউন্সিলত এই বিষয়ে প্রস্তাৱ তুলি মন্ত্রী ডাঙৰীয়াৰ পৰা প্রতিশ্রুতি লব বুলি আমি আশা কৰিলো। সাহিত্য-সভাৰ প্রতি শাখাই যেন নিজ ঠাইৰ কাউন্সিলৰ সভ্যক এই বিষয়ে আগবতৰতে কাণ চুৱাই থয়। সাহিত্য-সভাৰ প্রধান সম্পাদকে এই মৰ্ম্মে শিক্ষা বিভাগৰ ডাইৰেক্টৰলৈ আৰু অসমীয়া কাউন্সিলৰ সদস্যসমূহলৈ চিঠি দিয়া যুগুত।

বৈজ্ঞানিক পৰিভাষা সঙ্কলন সম্বন্ধে যদি কোনো লোকে বুদ্ধি পৰামর্শ নাইবা অসমীয়া পৰিভাষিক শব্দৰ যোগান দি আৰু অন্যান্য-ৰকমে সহায় কৰিব খোজে, তেন্তে সম্পাদকৰ নামত নগাঁও অসম ঠিকনাত চিঠি পত্র দিব। আমাৰ কাৰ্য্য তালিকাত তেখেতসকলৰ সহায় সহানুভূতি স্বীকাৰ কৰা হব।

— দৈনিক বাতৰি ২৬ জুলাই ১৯৩৬



# অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতি

## কাৰ্যবিৱৰণী; ২য় অধিৱেশন ১৯৪০

১। শ্রীযুত তুলসীনাৰায়ণ শৰ্ম্মাৰ প্রস্তাৱ আৰু শ্রীযুত ঈশ্বৰ প্রসাদ বৰুৱাৰ সমৰ্থন আৰু সৰ্ব্বসন্মতিক্রমে শ্রীযুত ঘনকান্ত মহন্ত ডাঙৰীয়াই সভাপতিৰ আসন গ্ৰহণ কৰে।

২। শ্রীযুত ধীৰেশ্বৰ ভট্টাচাৰ্য্য সহকাৰী সম্পাদকৰ ২৩/১০ তাৰিখৰ চিঠি পাঠ কৰা হয় আৰু তলত লিখা মতে মীমাংসা কৰা হয়।

(ক) চন্দ্ৰকান্ত সন্দিকৈ হলত মাজে সময়ে সাহিত্য আৰু বিজ্ঞান সম্পৰ্কীয় বক্তৃতাৰ বিধান কৰিবলৈ প্রধান সম্পাদকৰ ভাৰ দিয়া হয়।

(খ) নিয়মাৱলীক ২৫ নং নিয়ম অনুসৰি স্বীকৃত সভাবিলাকৰ পৰা বছেৰেকীয়া কাৰ্যবিৱৰণী সহকাৰী সম্পাদকে লিখি দিয়া আঁচনিমতে সংগ্ৰহ কৰিবলৈ প্রধান সম্পাদকক ভাৰ দিয়া হয়।

(৩) যোৰহাট টাউন বেঙ্কৰ চেক্ৰেটৰীৰ ২৮/৯/৪০ তাৰিখৰ চিঠি পাঠ কৰা হয় আৰু আৱশ্যক হ'লে ট্ৰাষ্ট বোৰ্ডৰ অনুমতি সাপেক্ষে মাহেকীয়া বন্দৱস্তত দুটকা ভাৰাত আৰু কাৰ্য্যনিৰ্বাহক সমিতিয়ে আৱশ্যক বুজিলে ১৫ দিনৰ আগ-জাননী মতে এৰি দিয়াৰ লিখিত চুক্তিত টাউন বেঙ্কৰ চেক্ৰেটৰী মহোদয়ক তেখেতৰ অফিচ চন্দ্ৰকান্ত সন্দিকৈ হলত প্রধান সম্পাদকে নিৰ্দ্দিষ্ট কৰি দিয়া ঠাইত অস্থায়ীভাৱে ৰাখিবলৈ দিবলৈ স্থিৰ কৰা হয়।

৪। কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ ২৪/১/৪০ তাৰিখৰ ৩।(খ) প্রস্তাৱ অনুসৰি সংশোধনৰ নিমিত্তে ঘূৰাই পঠোৱা, "পানীন্দ্ৰনাথ গগৈৰ জীৱনী সংশোধিত হৈ অহাৰ পিচত পৰীক্ষা কৰা পৰীক্ষক সকলৰ মন্তব্য পাঠ কৰা হয় আৰু তিনি জন পৰীক্ষকৰ একমত অনুসৰি উক্ত জীৱনীৰ বাবে লিখক শ্রীযুত ভ্রমৰ চন্দ্ৰ শইকীয়াক কমলাদেৱী শিশু-সাহিত্য সম্পৰ্কীয় সৰ্ত প্রতি-পালন সাপেক্ষে পুৰস্কাৰ দিবলৈ স্থিৰ কৰা হয়।

৫। কমলাদেৱী শিশু-সাহিত্য সম্পৰ্কীয় পুৰস্কাৰ প্রতিযোগিতাৰ নিমিত্তে পুৰাণ, কোৰান আৰু বাইবেলৰ নীতিমূলক সাধুকথা জাননীৰ নিৰ্দ্ধাৰিত ৩১/১০ তাৰিখৰ ভিতৰত আশানুৰূপ সৰহীয়াকৈ সংগৃহীত নোহোৱা বাবে এই পুৰস্কাৰ প্রতিযোগিতাৰ সময় ৩১/১/৪১ তাৰিখলৈকে বঢ়াই দিবলৈ মীমাংসা কৰা হয়।

৬। অভ্যৰ্থনা সমিতিৰ যুটীয়া সম্পাদকৰ ৫/১১ তাৰিখৰ চিঠি আৰু উক্ত সমিতিৰ দ্বিতীয় প্রস্তাৱ পাঠ কৰা হয় আৰু উক্ত প্রস্তাৱ অনুমোদন ক্রমে অহা ২৮ আৰু ২৯ ডিচেম্বৰ তাং অষ্টাদশ সাহিত্য সন্মিলনৰ দিন স্থিৰ কৰা হয়।

৭। শ্ৰীযুত সিদ্ধিনাথ কলিতাৰ ১০/৫/৪০ তাৰিখৰ চিঠি আৰু কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ ২৩/৩/৩৮ তাংৰ দ্বিতীয় প্ৰস্তাৱ পাঠ কৰা হয়। উক্ত প্ৰস্তাৱৰ মৰ্ম্ম অনুসৰি সংশোধিত পুথি নিজ খৰচতে ছপাই প্ৰকাশ কৰি এই সভালৈ প্ৰকাশিত পুথিৰ পাঁচখন পঠাই দিলে হে এই সভাৰ পূৰ্ব্ব-নিৰ্দ্দিষ্ট সৰ্ত্ত আৰু নিয়ম অনুসৰি লিখকক পুৰস্কাৰ দিব পৰা হ'ব বুলি মীমাংসা কৰা হয়।

৮। (ক) শ্ৰীযুত কালিচৰণ পাটোৱাৰী ২৫/১০/৪০ তাৰিখৰ চিঠি পাঠ কৰা হয়। উক্ত চিঠিৰ লগত পঠোৱা 'কথা ভাগৱত' পুথিখন সম্পূৰ্ণ নোহোৱা বাবে এই সমিতিয়ে প্ৰকাশৰ ভাৰ ল'ব নোখোজে, আৰু দেহ বিচাৰৰ গীত, পৌৰাণিক বিয়াগীত আৰু 'বাৰমাহী গীত' প্ৰকাশৰ সম্পৰ্কে সভাৰ বৰ্ত্তমান অবস্থাত সাহায্য দিব নোৱাৰি, এই সমিতি দুখিত হৈছে।

(খ) "অসম সাহিত্য সভা পত্ৰিকা"ত মূল্যবান পুৰণি পুথিৰ অংশ স্বৰূপে উপৰুক্ত অসম্পূৰ্ণ কথা-ভাগৱত প্ৰকাশ কৰিবলৈ পত্ৰিকা সম্পাদক ডাঙৰীয়াক আৰু ছাপাখানাৰ উপযোগী নকল কৰি দিবলৈ শ্ৰীযুত পাটোৱাৰীক অনুৰোধ কৰা হয়।

৯। (ক) শ্ৰীযুত শৰৎ চন্দ্ৰ গোস্বামী ডাঙৰীয়াৰ আজিৰ তাৰিখৰ চিঠি পাঠ কৰা হয়। উক্ত চিঠিত উল্লেখ কৰা দানবীৰ ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াৰ আবক্ষ তেলচিত্ৰ সাহিত্য সভাক উপহাৰ দিয়া বাবে দাতা শ্ৰীযুত গোস্বামী মহোদয়ক আন্তৰিক ধন্যবাদ জনোৱা হয় আৰু এই মহৎ দানৰ বাবে তেখেতৰ শলাগ লোৱা হয়।

(খ) অষ্টাদশ সাহিত্য সন্মিলনৰ সময়ত চন্দ্ৰকান্ত সন্দিকৈ হলৰ উপযুক্ত ঠাইত সমাৰোহেৰে সৈতে এই তেলচিত্ৰৰ প্ৰতিষ্ঠা আৰু আবৰণ উন্মোচনৰ বিধান কৰিবলৈ প্ৰধান সম্পাদকক ক্ষমতা দিয়া হয়।

১০। নৱম বছৰ প্ৰথম সংখ্যা "সাহিত্য সভা পত্ৰিকা" অনুমোদন কৰা হয় আৰু প্ৰকাশৰ নিমিত্তে পত্ৰিকা সম্পাদকক ক্ষমতা দিয়া হয়।

১১। অহা চেন্সাচত অসমীয়াৰ সকলো প্ৰকাৰৰ স্বাৰ্থ অক্ষুণ্ণ ৰক্ষাৰ নিমিত্তে আৱশ্যকীয় ব্যৱস্থা স্থিৰ কৰিবৰ অৰ্থে তলত নাম দিয়া সভ্য সকলেৰে সৈতে এটি সমিতি গঠিত হয় আৰু যথা সম্ভৱ শীঘ্ৰে কাৰ্য্য কৰিবলৈ সমিতিক অনুৰোধ কৰা হয়। (১) শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা সাহিত্যৰত্ন, (২) শ্ৰীযুত ঈশ্বৰ প্ৰসাদ বৰুৱা, (৩) খাঁ চাহেব মৌঃ জেহিৰুদ্দিন আহমদ, (৪) শ্ৰীযুত পূৰ্ণানন্দ শৰ্ম্মা পাঠক, (৫) শ্ৰীযুত ধীৰেশ্বৰ ভট্টাচাৰ্য্য, (৬) শ্ৰীযুত তুলসী নাৰায়ণ শৰ্ম্মা, (৭) শ্ৰীযুত ৰামেশ্বৰ বৰুৱা।

১২। দূৰৈৰ পৰা কষ্ট স্বীকাৰ কৰি অহা বাবে আৰু বিশেষকৈ আজিৰ সভাত সভাপতিৰূপে কাৰ্য্য চলোৱাৰ বাবে সভাপতি ডাঙৰীয়াক ধন্যবাদ জনোৱা হয় আৰু ৰাতি ৮।। বজাত সভা ভঙ্গ কৰা হয়।

শ্ৰীপূৰ্ণানন্দ শৰ্ম্মা
প্ৰধান সম্পাদক

পাঠক স্বাক্ষৰ - শ্ৰীঘনকান্ত মহন্ত
সভাপতি ৯/১১/৪০

— তৰুণ অসম ১৭/১১/৪০

# টীয়ক সাহিত্য সভা

গত ১ ডিচেম্বৰ দেওবাৰে বিয়লি ৩ বজাত টীয়ক হাইস্কুল প্ৰাঙ্গনত শ্ৰীযুত বিদুৰ চন্দ্ৰ বৰুৱাদেৱৰ সভাপতিত্বত টীয়ক সাহিত্য সভাৰ এখনি জৰুৰী অধিবেশন পতা হয়। সভাত, আগত যোৰহাটত বহিব খোজা অষ্টাদশ অসম সাহিত্য সন্মিলনলৈ শ্ৰীযুতসকল, বিদুৰ চন্দ্ৰ বৰুৱা, হেমকান্ত দত্ত, বি-এ, লীলাৰাম বৰুৱা, বি-এ, নৰেন্দ্ৰনাথ বৰুৱা, বিপিন চন্দ্ৰ শৰ্ম্মা বৰুৱা, বি-এ, গোলেশ্বৰ হাজৰীকা; সোণাৰাম চুতীয়া আদিক প্ৰতিনিধি নিৰ্ব্বাচন কৰা হয় আৰু বৰ্ত্তমান গৱৰ্ণমেণ্টে অসম সাহিত্য সভাক দিয়া আৰ্থিক সাহায্য অনুষ্ঠান চাই বঢ়াই দিবলৈ আৰু অসমীয়া, পৰ্ব্বতীয়া জাতিবিলাকৰ মাজত অসমীয়া ভাষাৰ বৰ্ণমালা প্ৰচাৰ কৰিবলৈ এটি সঙ্ঘৰ আৱশ্যক বুলি দুটি প্ৰস্তাৱ পঠিওৱা হয়।


তাৰ পাচত শিৱসাগৰ সাহিত্য সভাৰ সম্পাদক শ্ৰীযুত পদ্মধৰ চলিহা ডাঙৰীয়াৰ ২৫/১১/৪০ তাৰিখৰ চিঠি পাঠ কৰি উত্তৰ দিয়া হয় যে আজি বৰ্তমান ?? অসম সাহিত্য সভাৰ বেমেজালিৰ বিষয়ে একো মতামত প্ৰকাশ কৰিব নোৱাৰি; আগত যোৰহাটত বহিব খোজা অসম সাহিত্য সভাৰ অধিবেশনত এই বিষয়ে বিতং আলোচনা কৰি উচিত মতে কাৰ্য্য কৰিলেই ভাল হ'ব বুলি আমাৰ সভাই স্থিৰ কৰে। দুই ফালৰ সকলো কথা ভালদৰে নুবুজাকৈ কোনো বিশেষ সিদ্ধান্তত উপনীত হোৱা যুক্তিসঙ্গত নহয় বুলি আমাৰ সভাই বিবেচনা কৰে। আমাৰ সভাই আশা কৰে সকলোখিনি কথা বুজা-বুজি হৈ যেন সকলোৰে এই জাতীয় অনুষ্ঠানটিৰ সৰ্ব্বাঙ্গীয় উন্নতিৰ কাৰণে চেষ্টা কৰে।

ইয়াৰ পাচত শ্ৰীফণীধৰ ডাঙৰীয়াই কৰা প্ৰস্তাৱ শ্ৰীযুত গোলেশ্বৰ হাজৰীকাদেৱে সমৰ্থন কৰি কয় যে অহাবাৰলৈ টীয়কলৈ অসম সাহিত্য সভা নিমন্ত্ৰণ কৰা হওক, এই প্ৰস্তাৱটো ভালেমান পৰ আলোচনা কৰাৰ পাচত শ্ৰীযুত বিনন্দ চন্দ্ৰ বৰুৱা বি এ দেৱে কয় যে এই বাৰ যোৰহাটত এই সভা হোৱাৰ কাৰণে আকৌ যোৰহাটৰ ভিতৰৰ এডোখৰ ঠাইলৈকে নিমন্ত্ৰণ কৰা ভাল নহয় বুলি বিবেচনা কৰে আৰু তাকে শ্ৰীযুত সোণাৰাম চুতীয়া বি-এ, দেৱে সমৰ্থন কৰি কয় যে ভৱিষ্যতে সোনকালে আমি অসম সাহিত্য সভা টীয়কত পাতিবলৈ চেষ্টা কৰিম। প্ৰস্তাৱকে তাতে সন্মতি প্ৰকাশ কৰি প্ৰস্তাৱটি উঠাই লয়।

শেষত আগত দেওবাৰ ১৫ ডিচেম্বৰত টীয়ক সাহিত্য সভাৰ এক অধিবেশন পাতিবলৈ স্থিৰ কৰা হয়। উক্ত সভাত শ্ৰীযুত পূৰ্ণানন্দ পাঠক ডাঙৰীয়াক সাহিত্যৰ সম্বন্ধে বক্তৃতা দিবলৈ আৰু শ্ৰীযুত নীলমণি ফুকন ডাঙৰীয়াক সভাপতিৰ আসনৰ কাৰণে অনুৰোধ কৰা হয়, লগতে বৰ্তমান মানুহ পিয়ল বিষয়ত ৰাইজৰ কি কৰ্ত্তব্য তাৰ বিষয়ে বিশদভাৱে আলোচনা কৰা হ'ব। এই সভাৰ আগতে যোৱা সপ্তম বাৰ্ষিক অধিবেশনত যিসকলে টীয়ক সাহিত্য সভালৈ দান আৰু সভ্য বৰঙণিৰ প্ৰতিশ্ৰুতি দি এতিয়ালৈকে আদায় কৰা নাই, তেখেতসকলৰ পৰা বাকী বৰঙণি বা দান সভাৰ আগতে আদায় কৰিবলৈ আৰু যতদূৰ সম্ভৱ নতুন সভ্য ভুক্ত কৰিবলৈ সম্পাদকক অনুৰোধ কৰা হয়। শেষ শলাগৰ শৰাই আগবঢ়াই সেইদিনাৰ কাৰণে সভা সমাপন কৰা হয়। ইতি—

শ্ৰীসোণাৰাম চুতীয়া
২/১২/৪০ সম্পাদক, টীয়ক সাহিত্য সভা

— তৰুণ অসম ৮/১২/৪০



# অসম সাহিত্য সভাৰ জাননী
# কমলাদেৱী শিশু-সাহিত্য

কমলাদেৱী শিশু সাহিত্য সম্পৰ্কীয় পুৰাণ, কোৰাণ আৰু বাইবেলৰ পৰা নীতিমূলক আৰু সৰু সৰু ল'ৰা-ছোৱালীৰ মন আকৰ্ষণ কৰিব পৰা সাধু কথা গ্ৰহণৰ সময় কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ মীমাংসা অনুসৰি অহা ৩১/১/৪১ তাৰিখলৈকে বঢ়াই দিয়া হ'ল। পুৰস্কাৰ প্ৰাৰ্থীসকলে উক্ত তাৰিখৰ ভিতৰতে প্ৰধান সম্পাদকৰ হাতত পৰাকৈ নিজে লিখা সাধুকথা পঠাব লাগিব, আৰু এই পুৰস্কাৰ সম্বন্ধে পূৰ্ব্ব প্ৰকাশিত সকলো সৰ্ত্ত বলবৎ থাকিব।

অসম সাহিত্য সভা,
চন্দ্ৰকান্ত সন্দিকৈ হল
যোৰহাট ২২/১১/৪০ চন।

শ্ৰীপূৰ্ণানন্দ শৰ্ম্মা পাঠক
প্ৰধান সম্পাদক
অসম সাহিত্য সভা

— তৰুণ অসম ৮/১২/৪০



# অসম সাহিত্য সন্মিলনৰ
# অষ্টাদশ অধিবেশনত গৃহীত প্ৰস্তাৱ

১। শোক প্ৰস্তাৱ।

২। অসম মিউজিয়াম স্থাপিত হোৱাত এই সন্মিলনে আনন্দ প্ৰকাশ কৰে আৰু অদ্যাবধি সংগৃহীত নোহোৱা সম্পদবোৰ অচিৰে লুপ্ত হোৱা বা ধ্বংস হোৱাৰ পৰা ৰক্ষা কৰিবলৈ উপযুক্ত লোকক নিয়োগ কৰি অতি সোণকালে সেইবিলাকৰ সংগ্ৰহ কাৰ্য্য কৰিবলৈ এই সন্মিলনে গৱৰ্ণমেণ্টক অনুৰোধ কৰে।

৩। প্ৰস্তাৱিত অসম বিশ্ববিদ্যালয়ৰ কেন্দ্ৰস্থান গুৱাহাটীত পাতিবলৈ এই সন্মিলনে গৱৰ্ণমেণ্টক টানি অনুৰোধ কৰে।

৪। যদিও কলিকতা বিশ্ববিদ্যালয়ে অসমীয়া ভাষাত এম-এ পৰীক্ষা প্ৰবৰ্তন কৰিছে, এই বিষয়ে উপযুক্ত শিক্ষা দিয়াৰ এতিয়াও সকলো প্ৰকাৰ সুবিধা হোৱা নাই। এতেকে আজিৰ সন্মিলনে গৱৰ্ণমেণ্টক অনুৰোধ কৰে যেন ১৯৪১ সনৰ জুলাইৰ পৰা গুৱাহাটী কটন কলেজত অসমীয়া ভাষাৰ এম-এ শ্ৰেণী স্থাপন কৰি অসমীয়া জাতিৰ এই অভাৱ দূৰ কৰে।

৫। যিহেতু কলিকতা বিশ্ববিদ্যালয়ে মাতৃভাষাক শিক্ষাৰ বাহন কৰিছে কিন্তু অসমত এতিয়াও হাইস্কুলবোৰত অসমীয়া শিকোৱাৰ ভাল বন্দবস্ত হোৱা নাই, সেই কাৰণে অসমীয়া সাহিত্যক বিশেষ বিষয় স্বৰূপে লৈ বি-এ আৰু এম-এ পাছ কৰা ছাত্ৰসকলক অসমৰ হাইস্কুলবোৰত উচ্চ ধৰণে অসমীয়া সাহিত্য পঢ়োৱাৰ কাৰণে নিয়োগ কৰিবলৈ গৱৰ্ণমেণ্টক এই সন্মিলনে অনুৰোধ কৰে।

৬। বিলাসীপাৰাৰ অসমীয়া পঢ়িবলৈ ইচ্ছা কৰা প্ৰজাসকলে অসমীয়াৰ জৰিয়তে শিক্ষা আৰু ঘাই ভাষা (Major Language) স্বৰূপে অসমীয়া ভাষা গ্ৰহণ কৰিবলৈ সুবিধা নেপাই নিজ উদ্যমেৰে বোকাখাটা নাম দি নতুনকৈ যি খনি হাইস্কুল স্থাপন কৰিছে সেই অনুষ্ঠানটিক ঘৰ আৰু যথেষ্ট পৰিমাণে আৰ্থিক সাহায্য দি উৎসাহিত কৰিবলৈ গৱৰ্ণমেণ্টক আৰু ৰাইজক অনুৰোধ কৰা হওক।

৭। মিকিৰ ভাষা-ভাষীসকলৰ শিক্ষাৰ অৰ্থে গৱৰ্ণমেণ্টে যুগুত কৰোৱা কিতাপ বিলাকত অসমীয়া বৰ্ণমালা চলোৱাৰ বাবে এই সন্মিলনে সন্তোষ প্ৰকাশ কৰে আৰু এই কাৰ্য্যৰ বাবে গৱৰ্ণমেণ্টৰ আন্তৰিক শলাগ লয়।



৮। যিহেতু অসমৰ পৰ্বতীয়া জাতিবিলাকৰ মাজত বৰ্তমানলৈকে আশানুৰূপ শিক্ষাৰ প্ৰচাৰ হোৱা নাই আৰু যিহেতু উক্ত পৰ্বতীয়া জাতিবিলাকে ভৈয়ামৰ লোকসকলৰ লগত আৰু আনকি বিভিন্ন খেলৰ ভিতৰতো ভাবৰ আদান-প্ৰদান অসমীয়া ভাষাৰ যোগেদিয়েই চলাই আছে; আৰু যিহেতু অসমীয়া বৰ্ণমালা প্ৰচলন কৰিলে উক্ত জাতিবিলাকৰ মাজত শিক্ষাৰ উন্নতি সহজসাধ্য হ'ব—

(ক) এতেকে এই সন্মিলনে দৃঢ় মত প্ৰকাশ কৰে, যে উক্ত পৰ্বতীয়া জাতিবিলাকৰ হিতৰ অৰ্থে তেওঁলোকৰ নিজ নিজ ভাষাৰ পুথি অসমীয়া আখৰেৰে প্ৰচলন কৰা আৰু উক্ত জাতিবিলাকৰ মাজত অসমীয়া ভাষা দ্বিতীয় ভাষা স্বৰূপে শিক্ষা দিবলৈ ব্যৱস্থা কৰা একান্ত আৱশ্যক আৰু এই কাৰ্য্য সাধনৰ অৰ্থে এই সন্মিলনে শিক্ষা বিভাগৰ জৰিয়তে অসম গৱৰ্ণমেণ্টক টানি অনুৰোধ কৰে।

(খ) যিসকল মিশ্যনাৰি নগা পৰ্বত আদি ঠাইবোৰত শিক্ষা প্ৰচাৰ কৰ্মত ব্যস্ত আছে সিবিলাককো আজিৰ সন্মিলনে এই জাতি গঠনমূলক কাৰ্য্যত সহায় কৰিবলৈ অনুৰোধ জনায়।

৯। আই-ছি-এছ পৰীক্ষাৰ নিমিত্তে অসমীয়া ভাষা আৰু সাহিত্য ইচ্ছাধীন বিষয় স্বৰূপে অন্তৰ্ভুক্ত কৰিবৰ অৰ্থে ভাৰত গৱৰ্ণমেণ্ট আৰু চেক্ৰেটাৰি অৱ ষ্টেটৰ ওচৰত দাবী উত্থাপিত ৰাখিবলৈ অসম গৱৰ্ণমেণ্টক এই সন্মিলনে টানি অনুৰোধ কৰে।

১০। অসম সাহিত্য সভাৰ পৌৰাণিক অসমীয়া সাহিত্যৰ সমৃদ্ধিৰ বাবে ধাৰাবাহিক ৰূপে মূল্যবান অসমীয়া পুৰণি পুথি প্ৰকাশ কৰাৰ ভাৰ গ্ৰহণ কৰক।

১১। অসম সাহিত্য সভাৰ কাৰ্য্যবিলাক নিয়মমতে সম্পাদন কৰিবৰ অৰ্থে বৰ্তমানে দিয়াতকৈ বেছিকৈ আৰ্থিক সাহায্য দিবলৈ এই সন্মিলনে গৱৰ্ণমেণ্টক টানি অনুৰোধ কৰে, আৰু এই বিষয়ে ব্যৱস্থাপক সভ্যৰ সভ্যসকলক বিশেষ চকু দিবলৈ অনুৰোধ কৰে।

১২। (ক) অসমীয়া ভাষা আৰু সাহিত্য প্ৰচাৰ সাধনৰ অৰ্থে, অহা মানুহ পিয়লত, অসমীয়া ভাষা-ভাষীৰ সংখ্যা যাতে বিশুদ্ধৰূপে গণনা কৰা হয়, তাৰ বাবে যথাবিহিত ব্যৱস্থা কৰিবলৈ এই সন্মিলনে সিদ্ধান্ত কৰে।

(খ) অসম সাহিত্য সভাৰ কাৰ্য্যনিৰ্বাহক সমিতিয়ে নিযুক্ত কৰা চেন্সাছ শাখা সমিতিৰ বিবৃতি এই সন্মিলনে সম্পূৰ্ণ অনুমোদন কৰে আৰু তাৰ যথাযথ প্ৰতিবিধান কৰিবলৈ গৱৰ্ণমেণ্টক অনুৰোধ জনায়।

(গ) কলিকতা এ, এ, এল ক্লাৱ আৰু শিৱসাগৰ সাহিত্য সভাৰ আহি অনুসৰণ কৰি কাৰ্যকৰী পন্থা হাতত ল'বলৈ আৰু তাৰ সাময়িক ৰিপৰ্ট সাহিত্য সভাৰ অফিছলৈ পঠাবলৈ স্বীকৃত সভাবিলাকক এই সন্মিলনে অনুৰোধ কৰে।

১৩। প্ৰথম, দ্বিতীয় আৰু তৃতীয় ভাগ বিজ্ঞান প্ৰৱেশিকাৰ গ্ৰন্থকাৰৰ প্ৰাপ্য আয়ৰ টকাৰে "অতুল কথা মালা" নামক গ্ৰন্থাৱলী প্ৰকাশ কৰি অসমীয়া শিশু সাহিত্যৰ উন্নতিৰ অৰ্থে চেষ্টা


কৰা বাবে এই সম্মিলনে মিঃ জি. এ. স্মল, শ্ৰীযুত শৰৎ চন্দ্ৰ গোস্বামী আৰু আই এছ্-ও ৰায় বাহাদুৰ শ্ৰীযুত অঘোৰ নাথ অধিকাৰী আৰু শ্ৰীযুত প্ৰাণনাথ বুজৰবৰুৱাক ধন্যবাদ জনাইছে।

১৪। অহা মানুহ পিয়লত পূৰ্বে বিদেশৰ পৰা আহি অসমত বাসিন্দা হোৱা অসমীয়া ভাষা-ভাষী লোকসকলক অসমীয়া স্বৰূপে পৰিগণিত হোৱাৰ অৰ্থে যত্ন কৰা বাবে এই সম্মিলনে ইণ্ডিয়ান টী এছছিয়েশ্যনৰ সভাপতি মি. মেকলিনেম ছাহাবক আন্তৰিক ধন্যবাদ জনাইছে।

১৫। অসম সাহিত্য সভাৰ পৰা অন্ততঃ তিনিজন প্ৰতিনিধিক আসাম ছেণ্ট্ৰেল টেক্সট্ বুক কমিটীৰ সভ্যস্বৰূপে লবলৈ এই সম্মিলনে অসম গৱৰ্ণমেণ্টক অনুৰোধ কৰে।

১৬। মণিপুৰৰ পৰা প্ৰকাশিত "মণিপুৰ মতম্" কাকতত অসমীয়া ভাষাক ঠাই দি মণিপুৰীসকলৰ মাজত অসমীয়া ভাষাৰ প্ৰচলনৰ অৰ্থে আন্তৰিক যত্ন কৰা বাবে, উক্ত কাকতৰ প্ৰধান সম্পাদক ৰাজকুমাৰ শ্ৰীযুত শীতলজিত সিংহক আৰু অসমীয়া শাখাৰ সম্পাদক শ্ৰীযুত দেবেন্দ্ৰ নাথ বেজবৰুৱাক এই সম্মিলনে ধন্যবাদ জনায়।

শ্ৰীপূৰ্ণানন্দ শৰ্ম্মা পাঠক
প্ৰঃ সম্পাদক, অসম সাহিত্য সভা
— অসমীয়া, ২৮/১/৪১



# চন্দ্ৰকান্ত সন্দিকৈ হলত উৎসৱ

যোৱা ২ ডিচেম্বৰ তাৰিখে "চন্দ্ৰকান্ত সন্দিকৈ হল" নিয়ম মতে খোলা হ'ল। এই উৎসৱলৈ অসমৰ গণ্যমান্য বহুত লোকক নিমন্ত্ৰণ কৰা হৈছিল। মহামান্য গভৰ্ণৰ বাহাদুৰ আৰু তেখেতৰ পত্নী মাননীয়া লেডীকাৰ মহোদয়া অনুগ্ৰহ কৰি উপস্থিত হৈছিল। স্থানীয় আৰু দূৰৰ অসমীয়া বঙালী আৰু ইংৰাজ ভদ্ৰলোক বহুতো গোট খাইছিল।

হল খোলা উৎসৱৰ কাম তলত দিয়া ধৰণেৰে হৈছিল— ৩ বজাত মহামান্য গভৰ্ণৰ বাহাদুৰ তেখেতৰ পত্নীৰে সৈতে হলত পদাৰ্পণ কৰে।

সকলোৰে আসন গ্ৰহণ কৰাৰ পাছতেই চন্দ্ৰকান্ত ইন্দ্ৰকান্ত ট্ৰাষ্টবোৰ্ড আৰু অসম সাহিত্য সভাৰ হৈ ট্ৰাষ্টবোৰ্ডৰ সভাপতি শিৱসাগৰ জিলাৰ ডিপুটি কমিশ্যনাৰ ছাহাব মহোদয়ে কয়—

চন্দ্ৰকান্ত ইন্দ্ৰকান্ত ট্ৰাষ্টবোৰ্ডৰ আৰু সাহিত্য সভাৰ কাৰ্য্যনিৰ্বাহক সভ্যসকলৰ আজি বৰ আনন্দৰ বিষয় যে, আপুনি অনুগ্ৰহ কৰি এই মন্দিৰ প্ৰতিষ্ঠা কাৰ্য্য সম্পাদন কৰিবলৈ সন্মত হৈছে আৰু আমি সকলোৰে অতি সন্তোষ পাইছোঁ যে মাননীয়া লেডীকাৰে এই অনুষ্ঠানত উপস্থিত হৈ আজিৰ কাৰ্য্যত যোগ দিবলৈ সুবিধা কৰিব পাৰিছে।

আমাৰ এই চালুকীয়া অনুষ্ঠানত আপুনি আৰু মাননীয় লেডীকাৰে সহানুভূতি দেখুৱাৰ বাবে আমি উভয়লৈকে সসন্মানে শলাগৰ শৰাই আগবঢ়াইছোঁহঁক।

মহোদয়ে বোধ কৰোঁ জানে যে, এই মন্দিৰৰ নামকৰণ যি দুজন সন্দিকৈ ভাতৃয়ে অতি শোকাবহ অৱস্থাত ইহ সংসাৰ পৰিত্যাগ কৰিছিল তাৰে বৰ জনৰ নাম কৰা হৈছে। সেই পৰলোকগত ডেকা দুজন এই ভৱনৰ প্ৰতিষ্ঠাতা শ্ৰদ্ধাস্পদ ৰায় বাহাদুৰ শ্ৰীযুত ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াৰ সুযোগ্য পুত্ৰ আছিল। তেওঁলোক দুয়োৰে অকাল মৃত্যুত অসমবাসী সকলোৰেই গভীৰ শোক পাইছে আৰু এতিয়া তেওঁলোকৰ নাম প্ৰত্যেক অসমীয়াৰ ঘৰে ঘৰে হৈছে।

"ইন্দ্ৰকান্ত কটন কলেজত পঢ়িছিল আৰু তেওঁ ঢুকাবৰ সময়ত মাত্ৰ শৈশৰ কালহে অতিক্ৰম কৰিছিল। এই অলপ কালৰ ভিতৰতেই, তেওঁ অসাধাৰণ সঙ্গীত বিদ্যাত পাৰদৰ্শিতাৰ পৰিচয় দিছিল। আৰু তেওঁ এই সংসাৰত থকা হ'লে অসমতো এই আওকণীয়া কলাবিদ্যাৰ উৎকৰ্ষ সাধিত হ'লহেঁতেন বুলি আশা কৰা গৈছিল।

১৯২৩ সনৰ আগষ্ট মাহত তেওঁ গুৱাহাটী মিশ্যন হোষ্টেলত সন্নিপাত জ্বৰত পৰে আৰু তাৰ পৰা আহি যোৰহাট পোৱাৰ দিনদিয়েকৰ পিছতে তেওঁ যোৰহাটতে ঢুকায়।

তেওঁৰ ককাইদেৰেক চন্দ্ৰকান্ত সন্দিকৈয়ে সেই নদিয়া পৰি থকা অৱস্থাত ভায়েকক স্নেহ আৰু যত্নেৰে প্ৰতিপাল কৰে আৰু সেই সময়তে উক্ত সংক্ৰামক ব্যাধিয়ে তেওঁকো আক্ৰমণ কৰে আৰু সেই ব্যাধিতে তিনি সপ্তাহতকৈয়োকম সময়ৰ ভিতৰতে তেওঁৰ মৃত্যু হয়। ১৯২৩ সনৰ ছেপ্টেম্বৰত তেওঁ কলিকতা বিশ্ববিদ্যালয়ৰ এজন গ্ৰেজুৱেট আছিল। তেওঁ যাৰ ওচৰলৈকে গৈছিল সেয়েই তেওঁৰ শিষ্টাচাৰ আৰু হাঁহিমুখ দেখি সন্তোষ আৰু আনন্দ পাইছিল। বয়সত যদিও কম আছিল, তথাপি সেই সময়ৰ যাবতীয় ৰাজহুৱা কামত তেওঁ আগৰণুৱা আছিল। আৰু সকলোৰে নিশ্চিতকৈ জানিছিল যে, সময়ত তেওঁ সজ কুলত জন্ম, আৰ্থিক অৱস্থা আৰু স্বাভাৱিক বুদ্ধিৰ বলত আৰু প্ৰশস্ত কাৰ্য্য ক্ষেত্ৰত, দেশহিতকৰ কাৰ্য্যবিলাকত যোগ দিলেহেঁতেন। তেওঁৰ অকাল মৃত্যুত তেওঁৰ শোক সন্তপ্ত পিতৃ-মাতৃয়ে তেওঁৰ স্মৃতিৰ কাৰণে দেশবাসীসকললৈ এটি দান দিবলৈ সিদ্ধান্ত কৰে। সেই ইচ্ছাৰে ফল এই চন্দ্ৰকান্ত ইন্দ্ৰকান্ত ট্ৰাষ্ট ফাণ্ড।

এই ফাণ্ডৰ পৰিমাণ ৩০,০০০ টকা। তাৰে আধা টকাৰে এই চন্দ্ৰকান্ত ভৱন তৈয়াৰ কৰিবৰ কথা আছিল। কিন্তু বৈদ্যুতিক 'আছবাব' আৰু মেজ-চকী আদি ধৰি দেখা যায় যে এই ঘৰত প্ৰায় ১৭,০০০ টকা খৰচ হৈছে আৰু দাতাই অতিৰিক্ত ২,০০০ টকা বেলেগে দান কৰিছে। বাকী ১৫,০০০ টকা গভৰ্ণমেণ্ট ছিকিউৰিটীত খটোৱা হৈছে।

এই ফাণ্ড ৫ জন সভ্যেৰে গঠিত এটি বোৰ্ড অব্ ট্ৰাষ্টৰ দ্বাৰাই পৰিচালিত হয়। শিৱসাগৰ জিলাৰ ডিপুটী কমিশ্যনাৰ এই বোৰ্ডৰ সভাপতি আৰু দাতা কিম্বা তেখেতে নিজে বাছি দিয়া এজন লোক ইয়াৰ স্থায়ী সভ্য। ট্ৰাষ্টৰ চুক্তি মতে অসম সাহিত্য সভা ইয়াৰ সুফলভোগী। এই সভাক আইনমতে ৰেজিষ্টাৰী কৰা হৈছে। আৰু এই সভাই আপোনাৰ গভৰ্ণমেণ্টৰ পৰা একাধিক বিষয়তো সাহায্য আৰু সহানুভূতি পাইছে।

উপৰোক্ত মতে খটোৱা টকাৰ আয়ৰ পৰা প্ৰথমতে এই ঘৰটিৰ ৰক্ষণাবেক্ষণ কৰিব লাগিব। আয়ৰ বাকী টকা অসম সাহিত্য সভাই বোৰ্ড অব্ ট্ৰাষ্টৰ সন্মতি আৰু অনুমোদন মতে অসমীয়া ভাষা আৰু সাহিত্যৰ উন্নতিৰ অৰ্থে খৰচ কৰিব পাৰিব। ট্ৰাষ্টৰ চুক্তিমতে অসম সাহিত্য সভাই এতিয়া অসমীয়া ভাষাৰ সম্পূৰ্ণ আৰু শব্দৰ মূল থকা এখন অভিধান প্ৰণয়ন-কাৰ্য্য হাতত লৈছে। উক্ত অভিধান চন্দ্ৰকান্ত সন্দিকৈৰ নাম অনুসৰি চন্দ্ৰকান্ত অভিধান নাম দিবলৈ স্থিৰ হৈছে। উক্ত অসম সাহিত্য সভাৰ কাৰ্য্যনিৰ্বাহক সভাই অতি সন্তোষেৰে আপোনাক জনাইছে যে অসমীয়া বৰ্ণমালাৰ ৪৮টা আখৰৰ ভিতৰত ৩৪ টা আখৰৰ লিখা এতিয়া হৈ গৈছে। অভিধান সংকলনৰ কাম ১৯২৪ সনৰ ছেপ্টেম্বৰ মাহৰ পৰা আৰম্ভ কৰা হয়। অৰ্থাৎ স্বৰ্গীয় চন্দ্ৰকান্তৰ মৃত্যুৰ এবছৰৰ পিছত হাতত লোৱা হয়। আৰু অনুমান কৰা যায় যে, অভিধানৰ প্ৰণয়ন শেষ কৰি প্ৰকাশিত হবলৈ ৫ বছৰ লাগিব।

এই ট্ৰাষ্ট ফাণ্ডৰ আৰু তাৰ কাৰ্য্যাৱলীৰ এয়েই চমু বৃত্তান্ত। যদিও মহৎ কাৰ্য্যৰ উৎপত্তি শোক ডাৱৰেৰে ঢকা, তথাপি ই উজ্জ্বল পোহৰৰ ৰেখাবিহীন নহয়। প্ৰাচীন কামৰূপ ৰাজ্যৰ শিল্প, সাহিত্য, আৰু বীৰত্বৰ গৌৰৱ সংস্কৃত গ্ৰন্থবিলাকে আৰু পুৰাণবিলাকে ঘোষণা কৰে। কোচ আৰু আহোম ৰজাসকলৰ ৰাজত্বৰ দিনত অসমৰ ঐশ্বৰ্য্য আৰু বীৰত্বৰ কাহিনী বুৰঞ্জীত পোৱা যায়। প্ৰাচীন অসমীয়া সাহিত্য চহকী আৰু বিস্তৃত আছিল আৰু অতি মনমোহা ভাষাৰে লিখিত আছিল। প্ৰায় এক শতিকাৰ পূৰ্বে মানবিলাকে এইবিলাক নষ্ট কৰিলে।



বৰ্তমান ব্ৰিটিশ শাসনত অসমবাসীসকলে তেওঁবিলাকৰ অতীত গৌৰৱ বুজিব পাৰিছে আৰু তেওঁলোকৰ পূৰ্বপুৰুষসকলে শিক্ষা আৰু শ্ৰেষ্ঠতাৰ যি উচ্চস্তৰ পাইছিল, তেওঁবিলাকেও সেইফালে উধাবলৈ পুৰুষাৰ্থ কৰিছে। এতিয়া হে তেওঁবিলাকে উন্নতিৰ বাটত ভাৰতবাসী অন্যান্য জাতিৰ লগত সমানে খোজ চলাবলৈ যত্ন কৰিছে।

যদিহে সাহিত্য ক্ষেত্ৰত চন্দ্ৰকান্ত সন্দিকৈ ইন্সটিটিউটে আৰু চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত ট্ৰাষ্ট ফাণ্ডে অসমবাসীক তেওঁবিলাকৰ এই আগবঢ়া কাৰ্য্যত সাহায্য কৰিব পাৰে, তেন্তে তেওঁবিলাকৰ এই সংসাৰত জীয়াই থকাৰ তাকৰ দিন কেইটা বৃথা নহব।

পৰমেশ্বৰে তেওঁবিলাকৰ আত্মাৰ কল্যাণ কৰক। এতিয়া চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত ট্ৰাষ্ট ফাণ্ডৰ ট্ৰাষ্টীসকলৰ হৈ আৰু অসম সাহিত্য সভাৰ হৈ খাটো যে আপুনি অনুগ্ৰহ কৰি এই ভৱন আজি প্ৰতিষ্ঠা কৰা হ'ল বুলি ঘোষণা কৰে যেন।

## গভৰ্ণৰ বাহাদুৰৰ উত্তৰ

ভদ্ৰমহিলা আৰু ভদ্ৰলোক,

মোৰ বন্ধু ৰায় বাহাদুৰ ৰাধাকান্ত সন্দিকৈ আৰু চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত ধন-ভঁৰালৰ ট্ৰাষ্টীসকলৰ অনুৰোধমতে, আজি আবেলি মোৰ সহধৰ্ম্মিণীৰে সৈতে মই এই চন্দ্ৰকান্ত ইন্সটিটিউট গৃহাৰম্ভ কৰিবলৈ আহি বৰ সন্তোষ পাইছোঁ। যাৰ স্মৃতিৰ সন্মানাৰ্থে আজি আমি ইয়াত গোট খাইছোঁহঁক, তিনি বছৰমানৰ অলপ পূৰ্বেই সেই ডেকা দুজনৰ মৃত্যু-বাতৰিয়ে এদিন অসম উপত্যকাৰ বুকুত এটি দাৰুণ আঘাত দিছিল। এনেকুৱা গুণসম্পন্ন দুটি ডেকা কেই সপ্তাহ মানৰ অগাপিছাকৈ একেটা নিৰ্মম ব্যাধিতে কালগ্ৰস্ত হোৱাৰ নিচিনা শোকলগা ঘটনা আৰু মোৰ মনত নপৰে। ইয়াতকৈও বেজাৰৰ কথা এই যে, ভায়েকৰ প্ৰাণ ৰক্ষা কৰিবলৈ মহৎ চেষ্টা (যদিও সি নিস্ফল হ'ল) কৰোঁতেই ককায়েকো শয্যাসায়ী হ'ল। এই শোকৰ ঘটনাই গোটেই অসমৰ বুকুত এটি দুঃখৰ ডাগ দিলে। যোৰহাটৰ মানুহৰ বুকুত হে এই ডাগ বেছিকৈ বহিল। কিয়নো তেওঁলোক দুজন ইয়াৰ মানুহৰ সুপৰিচিত আৰু মৰমৰ আছিল। এতিয়া মোৰ প্ৰথম কৰ্তব্য হৈছে সেই শোক সন্তপ্ত পিতৃ-মাতৃৰ অপূৰণীয় ক্ষতিত আমাৰ আন্তৰিক সহবেদনা জনোৱা। দ্বিতীয়তে মোৰ কৰ্তব্য হৈছে মৰমৰ পুতেকহঁতৰ স্মৃতি ৰক্ষাৰ্থে তেওঁলোকে যি মহৎ দান দিছে তাৰ বাবে তেওঁলোকক ধন্যবাদ দিয়া। এই ইন্সটিটিউট সজাই দিয়াৰ আৰু চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত ট্ৰাষ্ট-ফাণ্ড খোলাৰ উদ্দেশ্য হৈছে অসমীয়া ভাষাৰ চৰ্চ্চা, উন্নতি আৰু তাৰ প্ৰতি উপযুক্ত উৎসাহ প্ৰদান। জীৱনৰ শেষভাগত মই অসমলৈ অহা বাবে অসমীয়া শিকিব নোৱাৰিলোঁ; কিন্তু চাৰিও ফালে ঘূৰি ফুৰোতে মই দেখিছোঁ যে আছুতীয়া ঠাইতো অসমীয়াৰ অনেক অতীত জ্ঞান-গৌৰৱৰ কীৰ্ত্তি চিন পৰি আছে। অসমীয়া সাহিত্য আৰু পুৰণি কলা-বিদ্যাৰ প্ৰতি দেশবাসীসকলৰ অনুৰাগ দেখি মই বৰ সন্তোষ পাইছোঁ। মোৰ ভাবত অসমীয়া পিতৃয়ে অসমীয়া পুত্ৰৰ স্মৃতি ৰক্ষা কৰিবলৈ ইয়াতকৈ আৰু ভাল উপায় উদ্ভাৱন কৰিব নোৱাৰিলেহেঁতেন। ইয়াতো মই সন্দেহ নকৰোঁ যে দাতাৰ ইচ্ছা পূৰ্ণ কৰিবলৈ সদায় উৎসাহী আৰু পৈণত লোক ওলাব আৰু লগে লগে এই ইন্সটিটিউটে গৈ অসমীয়া ভাষা চৰ্চ্চাৰ বৃহৎ কেন্দ্ৰ হ'ব। যোৰহাটবাসীয়ে ইয়াৰ

উদ্দেশ্য বঢ়িয়াকৈ উপলব্ধি কৰিছে বুলি জানি মই বৰ ৰং পাইছোঁ। আৰু সময়ত ইয়াৰ প্ৰতিপত্তি যে গোটেই প্ৰদেশত বিয়পি পৰিব তাতো মোৰ সন্দেহ নাই।

এই ধন-ভৰালৰ সহায়ত আৰম্ভ কৰা প্ৰথম কাম হৈছে এখন যুগমীয়া ব্যুৎপত্তিমূলক অসমীয়া অভিধান প্ৰণয়ন। শুনি সন্তোষ পাইছোঁ যে পণ্ডিত শ্ৰীযুত কোঁহিৰাম দাসৰ অধ্যৱসায় আৰু পৰিশ্ৰমৰ ফলত ইয়াৰ কাম বহুত আগুৱাইছে। এই কাম শেষ হ'লে দলিলমতে ট্ৰাষ্টী বোৰ্ডে এখন বুৰঞ্জী লিখাবলৈ যো-যা কৰিব আৰু মই আশাকৰোঁ অনতিবিলম্বেই সেই কাৰ্য্য হাতত ল'ব পৰা হ'ব। সৎ কাৰ্য্যৰ নিমিত্তে মুক্তহস্ত ৰায় বাহাদুৰে তেখেতৰ উদ্দেশ্যৰ নিদৰ্শন স্বৰূপে বৰটি ল'ৰাৰ নামে সেই অভিধানৰ "চন্দ্ৰকান্ত অভিধান" নাম দিবলৈ কৈছে। আৰু বুৰঞ্জীখন তেওঁৰ সৰুটি পুত্ৰৰ নামে হ'ব। গোটেই কাৰ্য্য-পদ্ধতিয়েই এটি মহৎ আদৰ্শ আৰু যি ইয়াক উদ্ভাৱণ কৰিলে তেৰোঁ সন্মানাৰ্হ আৰু যিসকলৰ পৰিশ্ৰমত এই কাৰ্য্য সিদ্ধ হ'ব তেওঁবিলাকো সুনামৰ পাত্ৰ। যেতিয়া ই সমাপ্ত হ'ব, তেওঁৰ পুতেকহঁতৰ নাম এই ইন্সটিটিউটৰ বুৰঞ্জীত চিৰদিনলৈ অঙ্কিত কৰি দাতাৰ উদ্দেশ্য সাৰ্থক কৰিব।


ট্ৰাষ্টৰ অভিপ্ৰায় কাৰ্য্যত পৰিণত কৰিবলৈ অসম সাহিত্য সভাৰ ওপৰত প্ৰধান দায়িত্বৰ ভাৰ অৰ্পিত কৰা হৈছে। আৰু মই আশা কৰো সেই সুদক্ষ সভাই এই কাম সুচাৰুৰূপে সমাধা কৰিবলৈ সক্ষম হ'ব। এই মহৎ দান যে অকল সাহিত্য সভাৰ সভ্যসকলৰ ওপৰত পেলাইছে সি নহয়। ই গোটেই অসমৰ সদৌ নৰ-নাৰীৰ ওপৰতো সেই ভাৰ স্থাপন কৰিছে। কাৰ্যকৰী সহানুভূতি, উৎসাহ, পৰামৰ্শ আৰু সৰ্ব্বপ্ৰকাৰ সহায়েৰে এই কাৰ্য্য পৰিচালনা কৰাৰ গৰাকী তেওঁলোকহে। আৰু মই আশা কৰো যেন তেওঁলোক সকলোৱে এই ভবিষ্যত জ্ঞানৰ ভৰাললৈ নিজ নিজ জ্ঞানৰ ভৰালৰ পৰা অলৰ-অচৰপ দান দিও মোৰ আশা যদি আংশিকভাৱেও ফলৱতী হয়, তেন্তে এই ইন্সটিটিউট আৰু ইয়াৰ পৰা প্ৰকাশ হোৱা পুথিবোৰ জাতীয় সম্পদ হ'ব। আৰু তাক লৈ অসমে গৌৰৱ কৰিব পাৰিব। আৰু যাৰ স্মৃতি ৰক্ষা কৰিবলৈ ইয়াক নিৰ্ম্মাণ কৰা হৈছে, তেওঁলোকৰো উপযুক্ত স্মৃতি চিহ্ন হ'ব।

ভদ্ৰমহিলা আৰু ভদ্ৰলোকসকল, মই এতিয়া আনন্দেৰে গৃহাৰম্ভ কৰিলো আৰু ইয়াৰ সৰ্বপ্ৰকাৰে মঙ্গল কামনা কৰো।

গভৰ্ণৰ বাহাদুৰৰ বক্তৃতাৰ পাছত মহামান্যা লেডীকাৰ মহোদয়াই ঁচন্দ্ৰকান্ত সন্দিকৈদেৱৰ চিত্ৰৰ আঁৰ-কাপোৰ গুচায়। তাৰ পাছতেই হলৰ সন্মুখৰ চোতালত চাহ খোৱা হয়। চাহ খাই এতায়েই গভৰ্ণৰ বাহাদুৰে পোনতে প্ৰাচীন সচিত্ৰ পুথি কেইখনমান চাই নকৈ সংগ্ৰহ কৰিবলৈ ধৰা অভিধান চায়। তাৰ পাছত সাহিত্য সভাৰ ট্ৰাষ্ট বোৰ্ডৰ আৰু কাৰ্য্যনিৰ্বাহক সভাৰ সভ্যসকল আৰু বিশিষ্ট বিশিষ্ট ভদ্ৰলোকসকলৰ লগত পৰিচয় হয়। এইখিনি কৰোতে প্ৰায় পাঁচ বাজে। উৎসৱো সিমানতে শেষ হয়।

শ্ৰীহৰিনাৰায়ণ দত্তবৰুৱা।

— "অসমীয়া" ১৯/১২/২৬





## শতবৰ্ষৰ সন্ধিলগ্নত সশ্ৰদ্ধ সোঁৱৰণ



ৰাধাকান্ত সন্দিকৈ




নাৰায়ণী সন্দিকৈ



চন্দ্ৰকান্ত সন্দিকৈ



ইন্দ্ৰকান্ত সন্দিকৈ





চন্দ্ৰকান্ত সন্দিকৈ ভৱন





চন্দ্ৰকান্ত সন্দিকৈভৱনৰ ভিতৰ ভাগ

চন্দ্ৰকান্ত সন্দিকৈভৱন স্থিত দানবীৰ ৰাধাকান্ত সন্দিকৈৰ আবক্ষ মূৰ্তি






চন্দ্ৰকান্ত সন্দিকৈ ভবন প্ৰাংগণৰ মুকলি মঞ্চ


চন্দ্ৰকান্ত সন্দিকৈ ভবনৰ মূল তোৰণ



দানবীৰ ৰাধাকান্ত সন্দিকৈ ভবন




ৰাধাকান্ত সন্দিকৈ ভৱনৰ মূল তোৰণ



শৰৎ চন্দ্ৰ গোস্বামী পুথিভঁড়াল


নিৰ্মীয়মান দেউৰাম তাছা সোঁৱৰণী গ্ৰন্থ বিপণি, ৰাধাকান্ত সন্দিকৈ ভৱন

প্ৰাচ্যবিদ্যাৰ্ণৱ ড° মহেশ্বৰ নেওগ অসমতত্ত্ব গৱেষণা সংস্থান, দানবীৰ ৰাধাকান্ত সন্দিকৈ ভৱন

কেন্দ্ৰীয় কাৰ্যালয়, চন্দ্ৰকান্ত সন্দিকৈ ভৱন



ভগৱতীপ্ৰসাদ বৰুৱা

সঙ্গীতাচাৰ্য লক্ষ্মীৰাম বৰুৱা

ফণী তালুকদাৰ

ডলী তালুকদাৰ

ভগৱতীপ্ৰসাদ বৰুৱা

ভগৱতীপ্ৰসাদ বৰুৱা ভৱন



নেহা আগৰৱালা প্ৰেক্ষাগৃহ, ভগৱতীপ্ৰসাদ বৰুৱা ভৱন




গ্ৰন্থ বিপণি, ভগৱতীপ্ৰসাদ বৰুৱা ভৱন



চন্দ্ৰ প্ৰকাশৰ সৌজন্যত নিৰ্মীয়মান গ্ৰন্থ বিপণি, ভগৱতীপ্ৰসাদ বৰুৱা ভৱন




সঙ্গীতাচাৰ্য লক্ষ্মীৰাম বৰুৱা



সঙ্গীতাচাৰ্য লক্ষ্মীৰাম বৰুৱা সদন





সঙ্গীতাচাৰ্য লক্ষ্মীৰাম বৰুৱা সদনৰ ভিতৰ ভাগ



সভাৰ গুৱাহাটী কাৰ্যালয়ৰ মূল তোৰণ



ফণী তালুকদাৰ



ফণী তালুকদাৰ ভৱন



ডলী তালুকদাৰ



ডলী তালুকদাৰ পুথিভঁড়াল



ডলী তালুকদাৰ পুথিভঁড়ালৰ ভিতৰ ভাগ




কহিমা সাহিত্য সভা ভৱন (প্ৰতিষ্ঠা১৮৯৫ খ্ৰীষ্টাব্দ)
সভাপতি - নবীন চন্দ্ৰ ভট্টাচাৰ্য
সম্পাদক - পদ্মনাথ গোহাঞিবৰুৱা





**১৯১৬ চনৰ এখন মূল্যবান ছবি**

(বহি বাঁওফালৰ পৰা) নবীনচন্দ্ৰ বৰদলৈ, দুৰ্গেশ্বৰ শৰ্মা, দেৱেশ্বৰ চলিহা, কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা
(থিয় হৈ " ") অম্বিকাগিৰি ৰায়চৌধুৰী, লক্ষ্মীনাথ ফুকন, পদ্মধৰ চলিহা, কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা



**ৰবীন্দ্ৰনাথৰ লগত**

(বহি বাঁওফালৰ পৰা) হেমচন্দ্ৰ গোস্বামী (২য় জন) ৰবীন্দ্ৰনাথ ঠাকুৰ, জ্ঞানদাভিৰাম বৰুৱা (শেষৰজন)
(থিয় হৈ " ") বাণীকান্ত কাকতি (২য় জন) সূৰ্যকুমাৰ ভূঞা, অম্বিকাগিৰি ৰায়চৌধুৰী



# অসম সাহিত্য সভাৰ

# ইতিহাস



অসম সাহিত্য সভা